ASM-01-I-1046

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

অসমীয়াৰ স্নাতকোত্তৰ পাঠ্যক্ৰম

**প্ৰথম ষান্মাসিক**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

# M.A. in Assamese (01)

*(Under CBCS)*

**পাঠ্যবিষয় ঃ ASM-০১- -১০৪৬**

## চতুৰ্থ কাকত ঃ সংস্কৃত সাহিত্যৰ ইতিহাস, বিকাশ, লক্ষণ আৰু প্ৰকাৰ

গোপীনাথ বৰদলৈ নগৰ

গুৱাহাটী- ৭৮১০১৪ (অসম)

ASM-01-1046

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

**Institute of Distance and Open Learning**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম (০১)

**M.A. in Assamese (01)**

**(under CBCS)**

প্ৰথম ষাণ্মাসিক

**First Semester**

পাঠ্যবিষয় ঃ **ASM-1046**

# সংস্কৃত সাহিত্যৰ ইতিহাস, বিকাশ, লক্ষণ আৰু প্ৰকাৰ

## Contributors:

| | |
|---|---|
| **Dr. Indira Saikia Bora**<br>Retd. Professor, Pragjyotish College | Block:1 (Unit : 1, 2 & 3) |
| **Dr. Malinee Goswami**<br>Retd. Professor, GU | Block:1 (Unit : 4), Block:2 (Unit : 2) |
| **Dr. Arundhati Goswami**<br>KKH Govt. Sanskrit College | Block:1 (Unit : 5) |
| **Ms. Tina Sarma**<br>Rangia College | Block:2 (Unit : 1) |
| **Dr. Nilakshi Devi**<br>KKH Govt. Sanskrit College | Block:2 (Unit : 3) |
| **Dr. Binima Buzarbaruah**<br>Deptt. of Sanskrit, GU | Block:2 (Unit : 4) |
| **Dr. Chandan Hazarika**<br>Nowgong College | Block:2 (Unit : 5) |
| **Dr. Rupsmita Buzarbaruah**<br>Nalbari College | Block:3 (Unit : 1) |
| **Dr. Puspa Saikia**<br>Nowgong College | Block:3 (Unit : 2) |
| **Dr. Madan Haloi**<br>Cotton University | Block:3 (Unit : 3) |
| **Dr. Runima Sarma**<br>Bhattadev University | Block:3 (Unit : 4) |
| **Dr. Bhagyashree Sarma**<br>Guwahati | Block:3 (Unit : 5) |
| **Dr. Jagadish Sarma**<br>Deptt. of Sanskrit, GU | Block:4 (Unit : 1 & 2) |
| **Prof. Sudeshna Bhattachajya**<br>Deptt. of Sanskrit, GU | Block:4 (Unit : 3, 4 & 5) |

## Course Coordination:

| | |
|---|---|
| **Director** | GUIDOL, Gauhati University |
| **Prof. Taranee Deka** | Dept. of Assamese, Gauhati University |
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Content Editor:

| | |
|---|---|
| **Prof. Sudeshna Bhattachajya** | Dept. of Sanskrit, Gauhati University |

## Format Editor

| | |
|---|---|
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUIDOL |

## Typesetting & Cover Designing:

| | |
|---|---|
| Bhaskar Jyoti Goswami | GUIDOL, Gauhati University |
| Nishanta Das | GUIDOL, Gauhati University |


**MAY, 2022**

© Copyright by GUIDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

## বিষয়সূচী (Contents)

### প্ৰথম খণ্ড


প্ৰথম বিভাগ ঃ সংস্কৃত কাব্যসাহিত্যৰ প্ৰাৰম্ভিক কাল
দ্বিতীয় বিভাগ ঃ সংস্কৃত কাব্যসাহিত্যৰ ধাৰা
তৃতীয় বিভাগ ঃ সংস্কৃত কাব্যৰ অভ্যুত্থান: কালিদাসৰ যুগ
চতুৰ্থ বিভাগ ঃ কালিদাসোত্তৰ যুগৰ মহাকাব্য
পঞ্চম বিভাগ ঃ সংস্কৃত খণ্ডকাব্য


### দ্বিতীয় খণ্ড


প্ৰথম বিভাগ ঃ সংস্কৃত ৰূপক আৰু উপৰূপকৰ ধাৰণা
দ্বিতীয় বিভাগ ঃ সংস্কৃত নাট্য-সাহিত্য
তৃতীয় বিভাগ ঃ কালিদাসীয় নাট্যৰীতি
চতুৰ্থ বিভাগ ঃ সংস্কৃত প্ৰকৰণ
পঞ্চম বিভাগ ঃ চম্পূৰ লক্ষণ, উদ্ভৱ আৰু ক্ৰমবিকাশ


### তৃতীয় খণ্ড


প্ৰথম বিভাগ ঃ সংস্কৃত গদ্যকাব্যৰ উদ্ভৱৰ ইতিহাস
দ্বিতীয় বিভাগ ঃ সংস্কৃত গদ্যকাব্যৰ লক্ষণ আৰু বিভাগ
তৃতীয় বিভাগ ঃ সংস্কৃত গদ্যকাব্যৰ বিকাশ
চতুৰ্থ বিভাগ ঃ সংস্কৃত গদ্যকাব্যৰ বিশেষ শৈলী
পঞ্চম বিভাগ ঃ সংস্কৃত গদ্যকাব্যৰ নব্যধাৰা


### চতুৰ্থ খণ্ড


প্ৰথম বিভাগ ঃ প্ৰাচীন অসমত সংস্কৃত সাহিত্যৰ ধাৰা
দ্বিতীয় বিভাগ ঃ শংকৰদেৱকাল আৰু উত্তৰ-শংকৰদেৱকালৰ অসমত সংস্কৃত সাহিত্য
তৃতীয় বিভাগ ঃ আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰা
চতুৰ্থ বিভাগ ঃ সংস্কৃত সাহিত্যলৈ আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলৰ অৱদান
পঞ্চম বিভাগ ঃ আধুনিক অসমত সংস্কৃতসম্বন্ধীয় অনুবাদ-কৃতি

## প্ৰথম বিভাগ

## সংস্কৃত কাব্যসাহিত্যৰ প্ৰাৰম্ভিক কাল

**বিভাগৰ গঠন ঃ**


**১.১ ভূমিকা (Introduction)**

**১.২ উদ্দেশ্য (Objectives)**

**১.৩ মহাকাব্যৰ শ্ৰেণীবিভাগ**

**১.৪ ৰামায়ণ আৰু মহাভাৰতৰ বস্তুসংহতি**

**১.৫ ৰামায়ণ আৰু মহাভাৰতৰ মূল কথাস্ৰোত**

**১.৬ আদিকাব্য ৰামায়ণ**

**১.৬.১ ৰামায়ণৰ বিভিন্ন পাঠ**

**১.৬.২ ৰামায়ণৰ বিষয়বস্তু**

**১.৬.৩ ৰামায়ণৰ ক্ৰমবিকাশ আৰু প্ৰক্ষিপ্ত অংশ**

**১.৬.৪ ৰামায়ণৰ ৰচনাকাল**

**১.৭ মহাভাৰত**

**১.৭.১ মহাভাৰতৰ ক্ৰমবিকাশ**

**১.৭.২ মহাভাৰতৰ বিষয়বস্তু**

**১.৭.৩ মহাভাৰতৰ ৰচনাকাল**

**১.৮ ভাৰতীয় সাহিত্যত মহাভাৰতৰ প্ৰভাৱ**

**১.৯ ৰামায়ণ আৰু মহাভাৰতৰ তুলনা**

**১.১০ সাৰাংশ (Summing Up)**

**১.১১ আৰ্হি প্ৰশ্ন (Sample Question)**

**১.১২ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)**


### ১.১ ভূমিকা (Introduction)

মহাকাব্যৰ পাতনি কেতিয়া, কোন কালছোৱাত, কেনেকুৱা পৰিবেশৰ মাজত আৰম্ভ হয় তাক সঠিকভাৱে কোৱা সহজ নহয়। তথাপি বিশ্বৰ প্ৰথম সাহিত্য ঋগ্বেদতেই প্ৰথম মহাকাব্যৰ সূত্ৰপাত হয় বুলি পণ্ডিতসকলে সিদ্ধান্ত দিছে। মহৰ্ষি শৌনকে তেওঁৰ 'বৃহদ্দেৱতা' গ্ৰন্থত ঋগ্বেদৰ মন্ত্ৰসমূহৰ যি শ্ৰেণী বিভাগ কৰিছে তাৰ মাজত সংবাদসূক্ত, আখ্যানসূক্ত, দানস্তুতি আৰু নাৰাশংসী অন্যতম। ঋগ্বেদৰ এই চাৰি শ্ৰেণীৰ মন্ত্ৰ আৰু অথৰ্ববেদৰ কুন্তাপসূক্তসূহ মহাকাব্যৰ বীজ। বিশেষকৈ সংবাদসূক্তবোৰ পৰৱৰ্ত্তীকালৰ নাট্যকাব্যৰ আৰু আন আন মহাকাব্যৰ আদিৰূপ। ইয়াৰ সংলাপ অংশৰ পৰা নাটক আৰু গীতাংশৰ পৰা মহাকাব্যৰ উৎপত্তি

হয়। ব্ৰাহ্মণ সাহিত্যবোৰৰ ভিতৰত আখ্যান-উপাখ্যান, ইতিহাস, পুৰাণ, গাথা, শ্লোক নাৰাশংসী প্ৰভৃতি বিভিন্ন ধৰণৰ ৰচনাৱলীৰ নিদৰ্শন পোৱা যায়।

পণ্ডিতসকলৰ অভিমত যে সংবাদসূক্তৰাজিৰ গেয় ঋকসমূহেহে মাত্ৰ ঋগ্বেদত ঠাই পাইছে। বাকী বৰ্ণনা সমূহ হয়তো গদ্যাত্মক আছিল বাবে সি ঋক্‌বেদৰ পাতত ঠাই নাপালে। সেয়া হয়তো আবৃত্তিকাৰে সদায় নিজাববীয়াকৈ কৈছিল। ইয়াৰ সংলাপ অংশৰ পৰা নাটক আৰু গীত অংশৰ পৰা মহাকাব্যৰ তথা ইতিহাস-পুৰাণৰ উৎপত্তি হ'ল। ব্ৰাহ্মণ সাহিত্যসমূহতো সংবাদসূক্তৰ পশ্চাদভূমি পোৱা যায়। উদাহৰণস্বৰূপে উৰ্বশী-পুৰুৰবা সংবাদৰ (ঋগ্‌বেদ-১।৯৫) পটভূমি শতপথ ব্ৰাহ্মণৰ ৫ম কাণ্ডত বৰ্ণিত হৈছে। বৈদিককালত শ্ৰৌত আৰু গৃহ্য অনুষ্ঠানবোৰত কাহিনী বা আখ্যান শুনাটো ধৰ্মানুষ্ঠানৰ এটা প্ৰধান অঙ্গৰূপে ব্যৱহাৰ হৈছিল। বৈদিক যুগৰ শেষৰ ফালে যি কাহিনীসমূহ ৰচিত হৈছে সেয়েই মহাকাব্যৰ আদিৰূপ। এনে কাব্যাদৰ্শকে সাৰোগত মহৰ্ষি বাল্মীকিয়ে ৰচনা কৰা ৰামায়ণকে প্ৰথম মহাকাব্য বা আদিকাব্যৰূপে স্বীকৃতি দিয়া হৈছে। পৰৱৰ্তী কালত ৰামায়ণৰ আৰ্হিত বিষয়বস্তু, ৰচনাৰীতি অলংকাৰ আদি কাব্য-উপাদান প্ৰয়োগ কৰি প্ৰাচীন ভাৰতীয় ভাষাত এলানি মহাকাব্য ৰচনা কৰা হৈছিল।

বিশাল ভাৰতীয় সংস্কৃতিৰ বাঙ্ময় বিগ্ৰহ মহাভাৰত। এই মহাকাব্যৰ সম্বন্ধে এটি কাহিনী প্ৰচলিত আছে। এসময়ত এই গ্ৰন্থৰ মহত্ব আৰু গুৰুত্ব জুখিবলৈ দেৱতাসকল সন্মিলিত হ'ল। তেওঁলোকে তুলাচনীৰ এফালে উপনিষদসহ চাৰিবেদ আৰু আনফালে মহাভাৰত তুলি দি দেখিলে যে মহাভাৰতৰ ওজন (গুৰুত্ব) বেদাদিতকৈ অধিক। সেইবাবে অপৌৰুষেয় বেদতকৈ আষঁগ্ৰন্থ "কাষ্ণতবেদ" বা "পঞ্চমবেদ" বুলি অভিহিত এই গ্ৰন্থৰ মহত্ব আৰু গুৰুত্বৰ অধিক্যৰ হেতুকেই মহাভাৰত বুলি জনাজাত।

মহত্বে চ গুৰুত্বে চ ধ্ৰিয়মানং যতোধিকম্।
মহত্বাদ্ ভাৰত্বাচ্চ মহাভাৰতমুচ্যতে।। মহাভা. ১।১।২০৮৯

ভাৰতীয় শাস্ত্ৰীয় দৃষ্টিভঙ্গীৰে বিচাৰ কৰি মহাভাৰতক একেধাৰে 'ইতিহাস' আৰু পুৰাণ বুলি কোৱা হয়। ইতিহাসৰ লক্ষণ হৈছে—

ধৰ্মাৰ্থকামমোক্ষানামুপদেশ সমন্বিতম্।
পূৰ্বকৃতং কথাযুক্তমিতিহাসঃ প্ৰচক্ষতে।।

ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ জীৱনৰ পূৰ্ণতাৰ সাধন এই চতুৰ্বৰ্গৰ উপদেশ সমন্বিত পূৰ্বতে ঘটি যোৱা ঘটনাবোৰৰ কাহিনীকে ইতিহাস বুলি কোৱা হয়। মহাভাৰত যে তেনে কাহিনীৰ সঁফুৰা তাত সন্দেহ নাই।

সংস্কৃত আলঙ্কাৰিক সকলে দিয়া মহাকাব্যৰ লক্ষণ ইয়াত দেখা যায়, সেই লক্ষণ অনুসৰি মহাভাৰতক শ্ৰেষ্ঠ মহাকাব্য নুবুলি নোৱাৰি। প্ৰাচীন ভাৰতীয় ভৰতবংশীয় ৰজা সকলক কেন্দ্ৰ কৰিয়েই এই কাব্য গঢ়ি উঠিছে। মুখ্যতঃ শ্লোক ছন্দতে কাব্যখন প্ৰথিত। ইয়াৰ ভাষা যিদৰে সহজ সৰল, সেইদৰে মধুৰ আৰু গম্ভীৰো। উপাখ্যানৰ সংখ্যাও বহুত। 'যতো ধৰ্মঃ ততো জয়ঃ" এই ধ্বনি লৈয়ে কাব্যখন আৰম্ভও হৈছে শেষো হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

প্ৰাচীন ভাৰতীয় সাহিত্যৰ এক বিশাল অংশ অধিকাৰ কৰি থকা মহাকাব্যসমূহক সাধাৰণতে অতি দীঘলীয়া ছন্দোময় কাব্য বুলি জনা যায় যদিও এই কবিকৃতিসমূহে ভাৰতীয় সাহিত্যৰ আদি স্তৰটোৰ প্ৰতিনিধিত্ব কৰিছে। এই বিভাগৰ আলোচনাৰাজি অধ্যয়ন কৰি আপোনালোকে

- মহাকাব্যৰ শ্ৰেণীবিভাজন সম্পৰ্কে জানিব পাৰিব
- ৰামায়ণ আৰু মহাভাৰতৰ বস্তুসংহতি সম্পৰ্কে জ্ঞাত হ'ব
- আদিকাব্য ৰামায়ণৰ পৰিচয় পাব
- মূল বিষয়বস্তু আৰু প্ৰক্ষিপ্ত অংশ দুয়োৰে ধাৰণা পাব
- মহাভাৰতৰ ৰচনাকাল, বিষয়বস্তুৰ ক্ৰমবিকাশ সম্পৰ্কে জ্ঞাত হ'ব পাৰিব
- ৰামায়ণ আৰু মহাভাৰতৰ তুলনামূলক আলোচনা কৰিব পাৰিব

## ১.৩ মহাকাব্যৰ শ্ৰেণীবিভাগ

**সংস্কৃত মহাকাব্যৰ বিভাজন তলত দিয়া ধৰণে ৰেখাচিত্ৰৰ সহায়ত দেখুৱাব পাৰিঃ**




সংস্কৃত মহাকাব্যসমূহক ঐতিহাসিক দৃষ্টিৰে দুটা ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগত আখ্যান আৰু উপাখ্যান সমূহক সামৰি ৰচিত হৈছে। দ্বিতীয় ভাগত কাব্যাংশক মুখ্য ৰূপে লৈ ৰচিত হৈছে। তাৰে প্ৰথম ভাগ আখ্যান-উপাখ্যানক প্ৰধানভাৱে লৈ ৰামায়ণ ৰচিত হৈছে। পুৰাণসূহৰ ওপৰত মহাভাৰতে যিদৰে প্ৰভাৱ পেলাইছে বা যিবোৰৰ প্ৰেৰণাৰ উৎস হৈ পৰিছে, সেইদৰে ৰামায়ণেও পৰৱৰ্ত্তী কাব্যসমূহৰ (Cour t Epies) প্ৰেৰণা দিছে বা সিবোৰক প্ৰভাৱান্বিত কৰিছে।

### ১.৪ ৰামায়ণ আৰু মহাভাৰতৰ বস্তুসংহতি

ৰামায়ণ আৰু মহাভাৰত দুয়োখন গ্ৰন্থক সামান্য অৰ্থত 'ইতিহাস' বুলি ক'লেও মহাভাৰতৰ পাততহে বহুতো ইতিহাসৰ সোঁত সন্মিলিত হৈছে। সেয়ে মহাভাৰতক যথাৰ্থতে 'ইতিহাস' বুলিব পাৰি।

আনহাতে, ৰামায়ণত একেটা বীৰত্বৰ কাহিনীকে লৈ ৰচিত হোৱা বাবে বিষয়বস্তুৰ সংহতি আৰু কাব্যময়তা পৰিদৃষ্ট হয়। কিন্তু মহাভাৰত কুৰু-পাণ্ডৱৰ ঘৰুৱা কলহৰ বাবে বিষয়-বস্তুৰ সংহতি পৰিদৃষ্ট নহয়। কিন্তু মহাভাৰত কুৰু-পাণ্ডৱৰ ঘৰুৱা কলহৰ বাবে এক 'মহাভাৰতীয় যুদ্ধ' বা সংঘাত অনুষ্ঠিত হৈছে পূবৰ প্ৰাগ্‌জ্যোতিষপুৰৰ পৰা পশ্চিমৰ গান্ধাৰলৈ তদানীন্তন জাতিসমূহে আহি তাত সমবেত হৈছে। সেইবিলাকৰ অসংখ্য কথা উপকথা, আখ্যান আদি মহাভাৰতত সন্নিবিষ্ট হৈছে। সেই কাৰণে ৰামায়ণত বস্তুসংহতি যিদৰে পৰিদৃষ্ট হয় মহাভাৰতত তাৰ অভাৱ অনুভূত হয়। তাত পোৱা কাহিনীসমূহৰ মাজত সজাতীয়ত্ব, বৰ্ণনাৰ সামানুপাত আৰু পদ্ধতিগত বিন্যাসৰ অভাৱ পৰিদৃষ্ট হয়।

### ১.৫ ৰামায়ণ আৰু মহাভাৰতৰ মূল কথাস্ৰোত

বশিষ্ঠ মুনিৰ পৌত্ৰ পৰাশৰ আৰু মৎসগন্ধাৰ পুত্ৰ বেদব্যাসক মহাভাৰতৰ ৰচয়িতা বুলি কোৱা হয়। তেওঁ মহাভাৰত, শ্ৰীমদ্‌ভাগৱদ্‌গীতা আৰু অষ্টাদশ পুৰাণৰ কৰ্ত্তা বুলি জনবিশ্বাস আছে। হয়তো তেওঁৱেই মহাভাৰতৰ মূলকথা 'জয়কাব্য' ৰচনা কৰিছিল আৰু মূল পুৰাণৰো কৰ্ত্তা আছিল। পিছত যুগে যুগে প্ৰক্ষিপ্ত অংশ লগলাগি "জয়কাব্য" গৈ মহাভাৰতত ৰূপান্তৰিত হ'ল। একেদৰে এখন পুৰাণ অষ্টাদশধা বিভক্ত হৈ ব্যাসৰ নামতে নানাজনৰ কথাৰে সমৃদ্ধ হৈ বৃহদাকৃতি লাভ কৰিলে। গতিকে ইতিহাস (মহাভাৰত) আৰু পুৰাণৰ কথাস্ৰোত আৰু গ্ৰন্থকৰ্ত্তৃত্বৰ মাজত মূলতঃ একটা দৃষ্ট হয় যদিও যুগান্তৰৰ লগে লগে সেইবোৰৰ গাঠনি আৰু বস্তুচয়ণত ক্ৰমাগতভাৱে ৰূপান্তৰ ঘটে। সেয়ে মহাভাৰত আৰু পুৰাণৰ মাজত অনেক কালৰ অনেক কবি মনীষীৰ ৰচনাই ঠাই পোৱা সম্ভৱ।

ৰামায়ণত তাৰ ব্যতিক্ৰম ঘটিছে। ৰামায়ণ বাল্মীকিৰ ৰচনা বুলি জনাজাত। বালকাণ্ড আৰু উত্তৰাকাণ্ড পৰৱৰ্ত্তী কালৰ প্ৰক্ষেপাংশ বুলি পণ্ডিতসকলে মত পোষণ কৰে, কিন্তু মাজত কাণ্ডসমূহত থকা কথাৰ ৰূপান্তৰ ঘটা নাই বা প্ৰক্ষেপো হয়তো হোৱা নাই। তথাপি ৰামায়ণ আৰু মহাভাৰতক বিৱৰ্ত্তন ক্ৰমে বিকশিত কাব্য (Epics of Growth) বুলি কোৱা হয়। দুয়োখন মহাকাব্য অনুষ্টপ্ বা শ্লোকছন্দত ৰচিত। অৱশ্যে মাজে মাজে পৰিবৰ্তনৰ তাগিদাত অন্য দীঘলীয়া ছন্দৰ ব্যৱহাৰো হৈছে। পৰিবৰ্তনৰ তাগিদাত অন্য দীঘলীয়া ছন্দৰ ব্যৱহাৰো হৈছে। ৰামায়ণ মহাভাৰতৰ আগতে মুখে মুখে প্ৰচলিত কাহিনীবিলাক একেলগে সঙ্কলন কৰাৰ কোনো চেষ্টা হোৱা নাছিল। মহৰ্ষি বাল্মীকিয়েই ৰাম-ৰাৱণৰ কাহিনীক আৰু মহৰ্ষি ব্যাসদেৱে কুৰু-পাণ্ডৱৰ কাহিনীক সাহিত্যত ৰূপ দিলে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১. ইতিহাস আৰু পুৰাণৰ মূল সোত্ত কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................

২. মহাভাৰতৰ মূল কথাস্ৰোতৰ বিষয়ে লিখক? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................

### ১.৬ আদিকাব্য ৰামায়ণ

পোন-প্ৰথমে প্ৰাচীন সাহিত্যত দুখন মহাকাব্য পোৱা যায়। সেইদুখন হ'ল— ৰামায়ণ আৰু মহাভাৰত। ভাৰতীয় সাহিত্যত ৰামায়ণক 'আদিকাব্য' (অলঙ্কৃত কাব্য) আৰু ইয়াৰ ৰচক বাল্মীকি মুনিক 'আদিকবি' বুলি আখ্যা দিয়া হয়। বিষ্ণুপুৰাণত কোৱা হৈছে যে বাল্মীকি ভৃগুৰ বংশধৰ আৰু বৈৱস্বত মন্বন্তৰত তেওঁৰেই চতুৰ্বিংশ ব্যাস। অধ্যাত্ম ৰামায়ণত বাল্মীকিয়ে নিজৰ অতীত জীৱনৰ ইতিহাস নিজেই কৈছিল। ক্ৰৌঞ্চযুগলৰ এটা ব্যাধৰ শৰত আহত হোৱাত তেওঁৰ মনত যি কৰুণ ভাবৰ উদ্ৰেক হৈছিল শ্লোকছন্দত তাকেই প্ৰথমৰূপত পৰিগ্ৰহ কৰে।

মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্ৰৌন্বত মিথুনাদেকমৱধীঃ কামমোহিতম্।।

ৰামায়ণ-১।২।১৫

এই অৱস্থাত বাল্মীকিয়ে ব্ৰহ্মাৰ আদেশত ৰামায়ণ ৰচনা কৰে আৰু ইয়াৰ নাম দিয়ে 'ৰমায়ণ', 'সীতাচৰিত' 'পৌলস্ত্যবধ'। ৰামায়ণত ২৪,০০০ শ্লোক আছে আৰু ই সাতটা কাণ্ডত বিভক্ত। মহাভাৰততকৈ ৰামায়ণ আয়তনত সৰু আৰু ৰচনাৰ পৰস্পৰৰ সংবদ্ধতা আৰু ধাৰাবাহিকতা মহাভাৰততকৈ বহুত বেছি। ৰামায়ণত কেৱল ৰাম-ৰাৱণৰ যুদ্ধৰ চিত্ৰৰেই মণ্ডিত নহয়, প্ৰকৃতিৰ মনোৰম দৃশ্যাৱলী, ৰুচিসন্মত অলঙ্কাৰ আৰু ৰসাভিব্যক্তিৰ ব্যঞ্জনাৰেও মহীয়ান। সেই কাৰণে ৰামায়ণ গণকাব্য হৈও প্ৰথম অলঙ্কৃত কাব্যৰূপে প্ৰতিষ্ঠিত। ইয়াৰ জনপ্ৰিয়তা অতুলনীয়।

প্ৰণয়ন হোৱা দিনৰে পৰা এই আদিকাব্যখনে সমগ্ৰ ভাৰতীয় সাহিত্যৰাজি ইয়াৰ দ্বাৰা অনুপ্ৰেৰিত হৈ আহিছে। আনকি ইয়াৰ জোৰৰ ইতিহাস মহাকাব্য মহাভাৰতৰ বনপৰ্বত (২৫৮—২৮৩) সৰ্গত) ৰাম আখ্যান বিস্তাৰিতভাৱে বৰ্ণিত হৈছে। পুৰাণ সমূহতো যেনে—বিষ্ণু, ব্ৰহ্মাণ্ড গৰুড়, অগ্নি, ভাগৱত আদিত ৰাম-

কথাৰ পুণৰাবৃত্তি ঘটিছে। সেইদৰে দেৱীভাগৱতত (৩য় স্কন্ধ—২৮-২৯ সৰ্গ) ৰাম কথাই ভূমুকি মাৰিছে। পালি ত্ৰিপিতকৰ জাতক সমূহৰ দশৰথ জাতকতো ৰামকথাৰ পুনৰাবৃত্তি ঘটিছে।

পৰৱৰ্তী যুগৰ কাব্য, নাট্য-সাহিত্য আৰু চম্পূ কাব্যত ৰামায়ণে প্ৰচুৰ প্ৰভাৱ পেলাইছে। ৰামায়ণৰ কাহিনীক অৱলম্বণ কৰি নাট্যকাৰ ভাসে খ্ৰীষ্টজন্মৰ পূৰ্বতে 'প্ৰতিমা', 'অভিষেক' আৰু যজ্ঞফল ৰচনা কৰে। ভৱভূতিয়ে ৰামায়ণৰ কাহিনীক লৈ 'মহাবীৰ চৰিত' আৰু 'উত্তৰ ৰামচৰিত',দিঙ্নাগে 'কুন্দমালা' নাটক, শক্তিভদ্ৰই 'আচাৰ্য্যচূড়ামণি', যশোবৰ্মনৰ 'ৰামভ্যুদয়', মুৰাৰিৰ 'অনৰ্ঘৰাঘৱ', ৰাজশেখৰৰ 'বালৰামায়ণ', আদি নাটক ৰচনা কৰে।

বাল্মীকিৰ ৰামায়ণক অৱলম্বন কৰি কালিদাসে 'ৰঘুবংশ' ৰচনা কৰি কবিযশঃ প্ৰাৰ্থী হৈছে আৰু সেই কথা স্বীকাৰো কৰিছে।

অথবা কৃতৱাগ্দ্বাৰে ৱংশেহস্মিন্ পূৰ্বসুৰিভিঃ।
মণৌ ৱজ্ৰ-সমূত্কীৰ্ণ সূত্ৰস্যেবাস্তি মে গতিঃ।।

ৰঘুবংশ—১।৪

ৰামায়ণৰ বিষয়-বস্তুক লৈ ৰচিত হোৱা আন কাব্যসমূহ হৈছে—প্ৰৱৰসেনৰ সেতুবন্ধ, কুমাৰদাসৰ 'জানকীহৰণ', ভট্টিৰ 'ৰাৱণবধকাব্য', ক্ষেমেন্দ্ৰৰ 'ৰামায়ণ মনুতৰী' বামনভট্টবাণৰ 'ৰামনাথভ্যুদয়', জয়দেৱৰ 'প্ৰসন্নৰাঘৱ', মুৰাৰিৰ 'অনৰ্ঘৰাঘৱ', বাসুদেৱৰ 'ৰাম-কথা' আদি কাব্য ৰচিত হৈছে। ভোজে ৰামায়ণৰ কাহিনীক লৈ 'ৰামায়ণ চম্পূ' আৰু ভেঙ্কটধ্বৰিয়ে 'উত্তৰচম্পূ' ৰচনা কৰে।

মধ্যযুগত বৈষ্ণৱ আন্দোলনৰ লগে লগে কৃষ্ণভক্তিৰ শাখাৰ দৰে ৰাম-ভক্তি শাখাৰো উদ্ভৱ হয় আৰু ৰামচৰিতে বৈষ্ণৱ সাহিত্যতো স্থান লাভ কৰে। এই ৰাম-ভক্তি-মাৰ্গ খ্ৰীষ্টীয় পঞ্চদশ শতাব্দীৰ ৰমানন্দৰ দ্বাৰা প্ৰচাৰিত হৈ ষোড়শ শতাব্দীৰ ভক্তকবি তুলসীদাসৰ অমূল্য গ্ৰন্থ 'ৰামচৰিত মানস'ৰ যোগেদি স্থায়িত্ব লাভ কৰে। সমগ্ৰ উত্তৰ ভাৰতত 'ৰামচৰিত মানসে' যিদৰে জনপ্ৰিয়তা অৰ্জন কৰিছে, সেইদৰে অসমত মাধৱ কন্দলিৰ ৰচিত অসমীয়া ৰামায়ণে বঙ্গদেশত কৃত্তিবাসী ৰামায়ণে আৰু তামিলনাডুত কাম্বানৰ ৰামায়ণে জনপ্ৰিয়তা অৰ্জন কৰিছে।

সেয়ে নহয়, বৌদ্ধ কবি অশ্বঘোষ, জৈন সন্ন্যাসী বিমল সূৰী (পউম চৰিত) প্ৰভৃতিও ৰামায়ণৰ দ্বাৰা প্ৰভাৱান্বিত। বৌদ্ধ গ্ৰন্থৰ তিব্বতীয় চীনা অনুবাদক সকলেও ৰামকথাৰ উল্লেখ নকৰাকৈ থকা নাই। দক্ষিণ পূব এচিয়াৰ ইণ্ডোনেচিয়া, মালায়েচিয়া, চিঙ্গাপুৰ, কম্বোদিয়া, থাইলেণ্ড আদিৰ সাহিত্য-সংস্কৃতি আৰু জনমানসত ৰামায়ণৰ প্ৰভাৱ পৰিছে।

অন্তৰঙ্গ আৰু বহিৰঙ্গ বৈশিষ্ট্যত পৰৱৰ্তীকালৰ সংস্কৃত কাব্যসমূহৰ উপৰিও পৃথিৱীৰ বিভিন্ন ভাষাত ৰামায়ণৰ প্ৰভাৱ পৰিছে। ৰামায়ণে যুগে যুগে ভাৰতবাসীৰ চিন্তা আৰু সাহিত্যৰ ক্ষেত্ৰত যি প্ৰভাৱবিস্তাৰ কৰিছে পৃথিৱীৰ আৰু কোনো গ্ৰন্থই কোনো জাতিৰ জীৱনত তেনেদৰে প্ৰভাৱবিস্তাৰ কৰা নাই। অৱশ্যে ৰামায়ণৰ বালকাণ্ড (২/৩৬-৩৭)ত এই কথাকে কোৱা হৈছে যে যেতিয়ালৈকে পৃথিৱীত নৈ আৰু পৰ্বতসমূহ থাকিব তেতিয়ালৈকে ৰামায়ণৰ কথা লোকসমাজত প্ৰচাৰিত হৈ থাকিব—

যাৱৎ স্থাস্যন্তি গিৰয়ঃ সৰিতশ্চ মহীতলে।
তাৱদ্ ৰামায়ণ কথা লোকেষু প্ৰচৰিষ্যতি।।

তদুপৰি শিক্ষণীয় বিষয়বোৰ জনসাধাৰণৰ সহজবোধ্য। ৰামায়ণত সন্নিবেশিত চৰিত্ৰসমূহ সমাজৰ প্ৰতিজন লোকৰ বাবে আদৰ্শস্বৰূপ। ৰাম যিদৰে পুৰুষৰ উত্তম আদৰ্শ, সীতা যিদৰে নাৰীৰ আদৰ্শ, লক্ষ্মণ, ভৰত, শত্ৰুঘ্ন প্ৰভৃতি ভ্ৰাতৃৰ আদৰ্শ, হনুমান ভক্তৰ আদৰ্শ, একেদৰে সুমিত্ৰা আৰু কৌশল্যা মাতৃৰ আদৰ্শ। অনুজ ভায়েকলৈ ৰামৰ সৌহাদ্য স্নেহ যিদৰে অতুলনীয় আৰু আদৰ্শ স্থানীয়, যিদৰে লক্ষ্মণৰো অগ্ৰজজনলৈ শ্ৰদ্ধা আৰু প্ৰেম তুলনাবিহীন। মুঠতে ৰামায়ণৰ প্ৰতিটো বাক্যত প্ৰতিটো শব্দত নিহিত হৈ আছে উচ্চ মানৱাদৰ্শ আৰু নীতিজ্ঞানৰ অভিলেখ। সেই কাৰণে ৰামায়ণৰ কথা পুৰণি হৈও চিৰনতুন হৈ আছে। পুৰণি আদৰ্শই নতুন পুৰুষকো অনুপ্ৰাণিত কৰে। আনকথাত ক'বলৈ হ'লে সেই গৌৰৱময় অতীতে বৰ্ত্তমানক প্ৰেৰণা দিছে আৰু এই বৰ্ত্তমানে সমাগত ভৱিষ্যতৰ বাবে প্ৰেৰণাৰ জোৰবন্তি জ্বলাই ৰাখিছে।

তদুপৰি ৰামায়ণ ভাৰতৰ এক ঐতিহাসিক দলিল। তাৰ পত্ৰে পত্ৰে বিবৃত হৈ আছে বৈৱস্বত মনুৰ পৰা প্ৰবাহিত সূৰ্য্য বংশৰ অম্লান ইতিহাস। ই প্ৰাচীন সভ্যতা আৰু সংস্কৃতিৰ আধাৰশিলা স্বৰূপেও স্মৰণীয় আৰু বৰ্ণনীয়। এই মহৎ গ্ৰন্থই আমাক ঐতিহাসিক যুগৰ সমাজ-ব্যৱস্থা আৰু ৰাজনৈতিক অৱস্থা জানিবলৈ আৰু বুজিবলৈ সহায় কৰে। আনকি তদানীন্তন কালৰ ভৌগোলিক সমলো এই গ্ৰন্থৰ পৰা আহৰণ কৰা সম্ভৱ।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰামায়ণ মহাকাব্যই কিদৰে পৰৱৰ্তী সাহিত্যৰ ওপৰত প্ৰভাৱ পেলাইছে? (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................

### ১.৬.১ ৰামায়ণৰ বিভিন্ন পাঠ

এই মহৎ গ্ৰন্থখন একাধিক পাঠত উপলব্ধ। ইয়াৰ কমেও চাৰিটা পাঠ পোৱা যায়। সিবোৰ হ'ল—

১। মহাৰাষ্ট্ৰীয় পাঠ (তিলক ভূষণ, শিৰোমণি টীকা সহ)
২। বঙালী পাঠান্তৰ (লোকনাথৰ টীকা থকা)
৩। পশ্চিমোত্তৰ পাঠান্তৰ (কাশ্মীৰি পাঠ)
৪। দক্ষিণ ভাৰতীয় পাঠান্তৰ।

এই পাঠবোৰ ক্ৰমে মুম্বাই, কলিকতা, লাহোৰ আৰু মাদ্ৰাজৰ পৰা প্ৰকাশিত হৈ আহিছে। এই সকলোবোৰ পাঠ ভালদৰে চালি-জাৰি চাই বৰোদাৰ পৰা সমীক্ষাত্মক সংস্কৰণৰূপে প্ৰকাশিত হৈছে একাধিক খণ্ডত।

### ১.৬.২ ৰামায়ণৰ বিষয়বস্তু

মহাকাব্য ৰামায়ণত প্ৰায় ২৪,০০০ শ্লোক আছে। মূল পাঠ অংশ সাতটা কাণ্ডত বিভক্ত। প্ৰতিহাজাৰ শ্লোক গায়ত্ৰী বা সাৱিত্ৰী মন্ত্ৰৰ একোটি আখৰেৰে ক্ৰমশঃ আৰম্ভ হোৱা বুলি পৰম্পৰাই দাবী কৰে।

**ৰামায়ণৰ প্ৰমুখ কথাবস্তু ঃ**

মহাকাব্য ৰামায়ণৰ প্ৰথমটো কাণ্ড বালকাণ্ড নামে জনাজাত। ইয়াত ৰাম আৰু ভাতৃসকলৰ জন্ম আৰু তেওঁলোকৰ শৈশৱকালৰ কথা বৰ্ণিত হৈছে। বিশ্বামিত্ৰ ঋষিৰ আশ্ৰমত যজ্ঞ সংৰক্ষণ, তাড়কাদি ৰাক্ষস বধ, ৰাম আৰু ভাতৃসকলৰ বিবাহ এইকাণ্ডৰ অন্তৰ্গত।

দ্বিতীয় কাণ্ডটো অযোধ্যাকাণ্ড ঃ অযোধ্যাৰ ৰাজসভা, ৰামৰ অভিষেক আয়োজন, বনবাস, পুত্ৰশোকত কাতৰ দশৰথৰ মৃত্যু, ভৰতৰ ৰামক প্ৰত্যাৱৰ্ত্তন কৰোৱা বিফল প্ৰয়াস আদিৰ বিৱৰণ—ইয়াত বৰ্ণিত হৈছে।

তৃতীয় কাণ্ডটো অৰণ্যকাণ্ড। দণ্ডকাৰণ্যাদিত ৰামৰ জীৱন-যাপন, বিৰাধ বধ, ৰামৰ পঞ্চৱতী নিবাস, শূৰ্পনখাৰে সাক্ষাৎ, খৰদুযনাদি চৈধ্যহাজাৰ ৰাক্ষস বধ তথা ৰাৱণৰ দ্বাৰা সীতা হৰণ আৰু ৰামৰ বিলাপ এই কাণ্ডত বৰ্ণোৱা হৈছে।

চতুৰ্থকাণ্ডটো কিষ্কিন্ধা কাণ্ড। এইকাণ্ডত বালিবধ, সুগ্ৰীৱৰ সৈতে ৰামৰ মিত্ৰতা স্থাপন, বান্দৰসকলক লগত লৈ হনুমানৰ সীতাৰ অন্বেষণ বৰ্ণিত হৈছে।

পঞ্চম কাণ্ড হৈছে সুন্দৰকাণ্ড। ইয়াত লঙ্কাৰ শ্ৰীৰ বৰ্ণনা, ৰাৱনৰ ৰাজপুৰীৰ সৌন্দৰ্য্য, হনুমানৰ সীতাশান্তনা আৰু সীতাৰ বতৰা লৈ হনুমানৰ প্ৰত্যাগমনৰ চিত্ৰ অঙ্গিত হৈছে।

ষষ্ঠকাণ্ডটো যুদ্ধকাণ্ড নামেৰে প্ৰখ্যাত। এইকাণ্ডটো অতিশয় বিশাল। ইয়াত এলানি দীঘলীয়া সংঘৰ্ষৰ পাছত ৰামে ৰাৱণক বধ কৰা ঘটনা বৰ্ণোৱা হৈছে। সীতাক উদ্ধাৰ কৰি প্ৰত্যাগত ৰামৰ অভিষেত এই কাণ্ডৰ অন্ত পৰিছে।

সপ্তম কাণ্ড উত্তৰাকাণ্ড বুলি জনাজাত। ইয়াত ৰামৰ ৰাজ্যশাসনৰ বৰ্ণনা আছে। সীতাৰ লোকপবাদৰ পৰিপ্ৰেক্ষিতত সীতা বিসৰ্জন, সীতাৰ বিলাপ, বাল্মীকিৰ আশ্ৰমত আশ্ৰয় লাভ, লৱ-কুশৰ জন্ম, অশ্বমেধ যজ্ঞ, লক্ষ্মণবৰ্জন আদি ঘটনাপ্ৰবাহ শেষকাণ্ডৰ মূল উপজীব্য বিষয়। ইয়াৰ উপৰিও অনেক মিশ্ৰিত আখ্যানেৰে এইকাণ্ডৰ কলেৱৰ বৃদ্ধি হৈছে। ৰাৱণৰ পূৰ্ব বৃত্তান্ত, বশিষ্ঠৰ জন্ম বৃত্তান্ত, সূৰ্য্যবংশৰ বহুতো কথা ইয়াত বৰ্ণোৱা হৈছে।

### ১.৬.৩ ৰামায়ণৰ ক্ৰমবিকাশ আৰু প্ৰক্ষিপ্ত অংশ

জাৰ্মান পণ্ডিত ইয়াকোবিয়ে ৰামায়ণৰ পাঠ্যাংশ বিশ্লেষণ কৰি মূলৰামায়ণত পাঁচটা কাণ্ড আছিল বুলি অভিমত দিয়ে। তেওঁৰ মতে ৰামায়ণ অযোধ্যাকাণ্ডৰে আৰম্ভ হৈ যুদ্ধকাণ্ডত সমাপ্ত হৈছিল বুলি কোৱা হৈছে। বালকাণ্ড আৰু উত্তৰাকাণ্ড পিছত মূলকথাৰ আদি আৰু অন্তত সংযোজন কৰা হৈছে। ইয়াৰ সমৰ্থন আগবঢ়োৱা যুক্তিসমূহ হ'ল—

ক। যুক্তিসঙ্গতভাৱে ৰামৰ অভিষেকতে ৰাম-কথা সমাপ্ত হোৱা স্বাভাৱিক। এতিয়াও ৰাম-কথাৰ আবৃত্তি আৰু প্ৰৱচন ৰামৰ অভিষেকতে শেষ কৰা দেখা যায়। উত্তৰকাণ্ডত বৰ্ণিত ৰামৰ উত্তৰজীৱনৰ কথাবোৰে ৰামৰ বীৰোচিত চৰিত্ৰ অক্ষুন্ন ৰখা নাই। তাত বহুতো উপাখ্যানৰ সংযোজন হৈছে।

খ। বালকাণ্ডত ১ম আৰু তৃতীয় সৰ্গত ৰামায়ণৰ দুটি বিষয়সূচী পোৱা যায়। তাৰে এটিত বালকাণ্ড আৰু উত্তৰকাণ্ডৰ বিষয়বস্তুৰ উল্লেখ নাই। কিন্তু প্ৰথম সূচীখনত

সেইবোৰ উল্লেখিত হৈছে। গতিকে দুটা সূচীয়ে ৰামায়ণৰ দুটা স্তৰকে সূচাইছে বুলিব পাৰি।

গ। ২-৫ কাণ্ডকেইটাৰ ভাষা আৰু ৰচনাশৈলীও ১ম আৰু ৭ম কাণ্ডৰ ভাষা আৰু শৈলীতকৈ পৃথক আৰু উচ্চস্তৰৰ।

ঘ। বালকাণ্ডত লক্ষ্মণক বিবাহিত বুলি কোৱাৰ পাছত অৰণ্যকাণ্ডত ৰামে লক্ষ্মণক অবিবাহিত বোলা কথাই পাৰস্পৰিক বিৰোধ প্ৰকট কৰে।

ঙ। প্ৰথম আৰু সপ্তম কাণ্ডত ৰামক বিষ্ণুৰ অৱতাৰ বোলা হৈছে যদিও অন্য এটা কাণ্ডত তেনে তথ্য পোৱা নাযায়।

চ। বালকাণ্ডত বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰাৰ পটভূমি চিত্ৰিত হৈছে। এনে অৱস্থাত বাল্মীকিয়ে এই দুই কাণ্ড ৰচনা কৰাৰ সম্ভৱ নহয়।

ছ। গ্ৰন্থখনৰ বহুতো ঠাইত অনেকাংশ প্ৰক্ষিপ্ত হৈছে। মূলস্ৰোতৰ অনুগামী হোৱাতকৈ ৰামগানৰ অত্যুতসাহী গায়কে শ্ৰোতাৰ মনোৰঞ্জনৰ বাবে অভিনৱ কথা জোৰা দিয়া সম্ভৱ নহয়।

জ। ৰামায়ণৰ প্ৰথম আৰু সপ্তমকাণ্ডৰ বিৱৰণৰ পৰা জনা যায় যে বাল্মীকি ৰামৰ সমসাময়িক মুনি। তেওঁ অযোধ্যাৰ অনতিদূৰত গঙ্গাৰ তীৰত আশ্ৰম পাতি বাস কৰিছিল। সেয়ে তেওঁ ৰাম আৰু তেওঁৰ পূৰ্বপুৰুষসকলৰ জীৱনগাথাৰে সুপৰিচিত আছিল। ৰামে সীতাক পৰিত্যাগ কৰাত বাল্মীকিয়ে সহজে আশ্ৰয় দান কৰে। তাতেই লৱ-কুশৰো জন্ম হয়। তেওঁ লৱ-কুশক ডাঙৰ-দীঘল কৰি শিক্ষাদান কৰে।

কোশলৰ ৰাজবংশ আৰু সভাৰে পৰিচিত থকাত তেওঁ সেই অঞ্চলত প্ৰচলিত লোকগাথাৰেও পৰিচিত আছিল। সেইবোৰৰ আলম লৈয়ে বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰে। পিছলৈ সেই গীতবোৰ ভ্ৰাম্যমান "কুশীলৱ" গায়ক শ্ৰেণীয়ে বিভিন্ন স্থানত পৰিবেশন কৰিছিল, "কুশীলৱ" শব্দই অৰ্থগতভাৱে লৱ-কুশকে বুজায়। লৱ আৰু কুশই প্ৰথমতে ৰাম-কথা গাই প্ৰচাৰ কৰা বাবে তেনে গীতৰ গায়কশ্ৰেণীয়ে "কুশীলৱ" আখ্যা পায়। পিছলৈ জনপ্ৰিয়তা বৃদ্ধি পোৱাত ৰাম-কথাৰ মাজত অন্য কথাও প্ৰক্ষিপ্ত হয়। অৱশ্যে বাল্মীকিয়ে ৰচনা কৰাৰ পিছত পৰৱৰ্তীকালত অধিক প্ৰক্ষেপৰ সম্ভাৱনা কম। অৱশ্যে কেইশতিকামান পিছত ৰামকথাৰ আদি অন্তত বালকাণ্ড আৰু উত্তৰকাণ্ড সংযোজিত হোৱা সম্ভৱ। এই দুই কাণ্ডত বাল্মীকিক 'পুৰাণমুনি' বুলি কোৱা কথাই তেনে সম্ভাৱনাকে সমৰ্থন কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰামায়ণৰ বালকাণ্ড আৰু উত্তৰাকাণ্ডক প্ৰক্ষিপ্ত বুলি মানি লোৱাৰ সপক্ষে কি যুক্তি দাঙি ধৰা হয়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................

..............................................................................

..............................................................................

..............................................................................

..............................................................................

### ১.৬.৪ ৰামায়ণৰ ৰচনা কাল

**বহিৰঙ্গ সাক্ষ্য**

১। মহকাব্য ৰামায়ণক মহাভাৰতৰ পূৰ্বৱৰ্তী ৰচনা বুলি স্বীকাৰ কৰা হয়। জনশ্ৰুতিৰ মতে বেদৰ ৰচনাৰ পিছত ৰামায়ণৰ ৰচনা হয়। কাৰণ মহাভাৰতৰ বন পৰ্বত (সৰ্গ—২৫৮—২৮৩) লৈকে ৰামাখ্যান বৰ্ণনা কৰা হৈছে। ৰামায়ণৰ ষষ্ঠকাণ্ডৰ দুটা শ্লোক মহাভাৰতৰ সপ্তম পৰ্বত উদ্ধৃত হৈছে। কন্তু মহাভাৰতৰ কোনো কথা ৰামায়ণত পোৱা নাযায়।

২। পালি ভাষাত ৰচিত ত্ৰিপিটকৰ অন্তৰ্গত 'জাতক' গ্ৰন্থত 'দশৰথ জাতক' পোৱা যায়। 'সাম জাতক'ত চিকাৰীৰ হাতত মুনি পুত্ৰৰ নিধনৰ কথাই ৰামায়ণত বৰ্ণিত অন্ধক মুনিৰ পুত্ৰ শ্ৰৱণকুমাৰৰ ৰজা দশৰথৰ হাতত নিধন হোৱাৰ কথা সোঁৱৰাই দিয়ে।

৩। বৌদ্ধ ত্ৰিপিটকত ৰামচৰিত সম্বন্ধীয় ইয়াৰ প্ৰাচীনতম ৰূপ বিদ্যমান, যিবোৰ চাৰণসকলে মুখে মুখে গাইছিল। ৰামায়ণৰ মূলকথা' বৌদ্ধধৰ্মৰ আৱিৰ্ভাৱৰ পূৰ্বৰ আৰু ইয়াৰ ৰচনাকাল প্ৰায় ৫০০ খ্ৰীঃপূঃ।

৪। ৰামায়ণত দুবাৰ 'যৱন' শব্দৰ উল্লেখ হৈছে। পাশ্চাত্য পণ্ডিত ৱেবাৰে ৰামায়ণৰ তপৰত গ্ৰীক কবি হোমাৰৰ গ্ৰন্থৰ প্ৰভাৱ পৰিছে বুলি কয়। কিন্তু পণ্ডিত ইয়াকোবিয়ে যিবোৰ খ্ৰীঃপূঃ ৩০০ বছৰৰ পাছত ৰামায়ণ প্ৰক্ষিপ্ত হোৱা বুলি কয়।

ওপৰত উল্লেখিত 'যৱন' শব্দটোৱে কেৱল গ্ৰীকসকলকেই বুজোৱা নাই উত্তৰ-পশ্চিম ভাৰতত যিবিলাক বিদেশীয়ে আক্ৰমণ চলাইছিল সেই আটাইবোৰ জাতিকে বুজাইছে।

**অন্তৰঙ্গসাক্ষ্য**

১। ৰামায়ণত কোশল ৰাজ্যৰ ৰাজধানীৰ নাম অযোধ্যা। পিছত বৌদ্ধ আৰু জৈন গ্ৰন্থকৰ্ত্তাসকলে কোশলৰ নাম 'সাকেত' বুলি উল্লেখ কৰিছে। ইয়াৰ পৰা এইটো অনুমান হয় যে বৌদ্ধযুগৰ বহু আগতে ৰামায়ণ ৰচিত। ব্যাকৰণবিদ পতনুতলিয়েও "মহাভাষ্য" গ্ৰন্থত কোশলৰ ৰাজধানী সাকেত বুলিহে উল্লেখ কৰিছে। উত্তৰাকাণ্ডত লৱই শ্ৰাৱস্তীত কোশলৰ ৰাজধানী নকৈ পতা বুলিও উল্লেখ আছে। গতিকে, ৰামায়ণৰ মূলকথা (২-৫ কাণ্ড) অযোধ্যাৰ সমৃদ্ধি বৰ্তি থাকোতেই ৰচিত হৈছিল বুলি ক'ব পাৰি।

২। ঐতিহাসিক তথ্যমতে খ্ৰীষ্টপূৰ্ব ৩০০ ত সম্ৰাট অশোকে পাটলিপুত্ৰ নগৰ পাতে। গ্ৰীক পৰিব্ৰাজক মেগাস্থিনিচৰ ভ্ৰমণ কালতো পাটলিপুত্ৰ মগধৰ ৰাজধানী আছিল। ৰামায়ণৰ বালকাণ্ডত ৰামে সেই ঠাইৰ মাজেৰে যাতায়ত কৰিছিল বুলি কৈছে। কিন্তু ৰামায়ণত পাটলিপুত্ৰ উল্লেখ নাই। অথচ কৌশম্বী, কান্যকুব্জ, কাম্পিল্য আদি নগৰৰ উল্লেখ আছে। গতিকে, ক'ব পাৰি যে পাটলিপুত্ৰ নগৰ প্ৰতিষ্ঠাৰ পূৰ্বে ৰামায়ণ ৰচিত হৈছিল।

৩। ৰামায়ণৰ বালকাণ্ডত যমজনগৰৰূপে মিথিলা আৰু বিশালাৰ উল্লেখ আছে। তেতিয়া দুয়োখন নগৰতে দুজন শাসন কৰ্ত্তা আছিল। কিন্তু গৌতমবুদ্ধৰ সময়ত দুয়োখন নগৰ ৰাজ্য একত্ৰিত হৈ সমৃদ্ধিশালী বৈশালীত পৰিণত হয়।

৪। উক্ত কাৰণসমূহক নিৰ্ভৰ কৰি পণ্ডিতসকলে খ্ৰীঃ ৫০০ অব্দৰ পূৰ্বে মূল ৰামায়ণ বাল্মীকিৰ দ্বাৰা ৰচিত হৈছিল বুলি কৈছে। কিন্তু বালকাণ্ড আৰু উত্তৰকাণ্ড তাতোকৈ পিছত ৰচিত হৈছিল। কিন্তু ভাৰতীয় পণ্ডিত চি.ভি. বৈদ্যৰ মতে ৰামায়ণৰ মূল অংশ খ্ৰীঃপূঃ ১২০০ বছৰৰ আগতে ৰচিত হয়। আন দুই এজন পণ্ডিতে এই কাল খ্ৰীঃপূঃ ৩১০০ আগলৈও নিব খোজে।

## ১.৭ মহাভাৰত

### ১.৭.১ মহাভাৰতৰ ক্ৰমবিকাশ

মহাভাৰত এটা নিৰ্দ্দিষ্ট সময়ত ৰচিত হোৱা নাই। ই সময়ে সময়ে প্ৰাদুৰ্ভূত ভিন্ন প্ৰতিভাৰ সামূহিক প্ৰয়াস। এই দৃষ্টিকোণৰ পৰা মহাভাৰত অধ্যয়ণ কৰিবলৈ হ'লে, ইয়াৰ সম্বন্ধে তিনিটা কথা জনাৰ দৰ্কাৰ।

প্ৰথমতে, মহাভাৰত একসময়ত ৰচিত নহয়। দ্বিতীয়তে, ইয়াৰ ৰচকো এজন নহয়, তৃতীয়তে ইয়াৰ সমাপ্তিও বহু শতাব্দীৰ পিছত হয়।

মূল গ্ৰন্থকৰ্ত্তাৰূপে বেদব্যাস কৃষ্ণদ্বৈপায়ণকে নিৰ্দ্দেশ কৰা হয়। তেওঁ চন্দ্ৰবংশীয় ৰজাসকলৰ ইতিহাসৰূপে মূল গ্ৰন্থভাগ ৰচনা কৰে। মূলতঃ কুৰু-পাণ্ডৱৰ ভ্ৰাতৃঘাটী যুদ্ধখন এই কাব্য ইতিহাসৰ উপজীব্য। পোনতে হয়তো এই গ্ৰন্থৰ মাজত বৰ্ত্তমানে দেখা নীতিকথাৰ প্ৰাচুৰ্য্য নাছিল। ব্যাসে ৰচনা কৰা মূল কাব্যক "জয়কাব্য" বুলি জনা গৈছিল। সেই জয়াম্য" কাব্যত সম্ভৱতঃ মাত্ৰ ৮,৮০০টা মান শ্লোক বুলি পণ্ডিত মেকডোনালে অনুমান কৰে। পাণ্ডৱসকলৰ বিজয়ৰ কাৰণে সম্ভৱতঃ এনেকুৱা নামাকৰণ কৰে।

মহাভাৰতৰ বিকাশ তিনিটা মুখ্য স্তৰত হৈছিল বুলি ক'ব পাৰি। তাৰ ইঙ্গিত মহাভাৰতৰ আদিপৰ্বৰ শ্লোক বিশেষত এনেদৰে পোৱা যায়—

মন্বাদি ভাৰতং কেচিদাস্তিকাদি তথা পৰে।

তথোপৰিচৰাদান্য বিপ্ৰাঃ সম্যগধিগম্যতে।।

মহাভাৰত—১।১।৫৩

প্ৰথম স্তৰত ৰেদব্যাসে তেওঁৰ পাঁচজন শিষ্যৰ অন্যতম বৈশম্পায়নক মূল "জয়াম্য" কাব্য শিকাইছিল। এয়া হয়তো উপৰিচৰৰ আখ্যানৰ পৰা আৰম্ভ হৈছিল। তাত মাত্ৰ ৮,৮০০ শ্লোকহে আছিল। দ্বিতীয় স্তৰত বৈশম্পায়ণে পৰিবৰ্দ্ধিত তৰপত "ভাৰতাখ্য" গ্ৰন্থ জনমেজয় পৰীক্ষিতৰ সৰ্পযজ্ঞৰ আবৃত্তি কৰিছিল। তেওঁ অস্তিকৰ আখ্যানেৰে এই গ্ৰন্থ আৰম্ভ কৰিছিল। তাত শ্লোকৰ সংখ্যা আছিল ২৪,০০০। তৃতীয় স্তৰত সৌতি লোমহৰ্ষনে নৈমিষাৰণ্যত দ্বাদশবৰ্ষব্যাপী অনুষ্ঠিত সৰ্পযজ্ঞত গোট খোৱা শৌনকাদি মুনিবৃন্দৰ সমক্ষত আবৃত্তি আৰু প্ৰৱচন কৰিছিল। অধিক বিশাল এই ভাৰতাম্য গ্ৰন্থ। ইয়াৰ শ্লোকৰ সংখ্যা ১,০০,০০। তাৰ নিৰ্দ্দেশ কৰি কোৱা হৈছে—

অস্মিংস্তু মানুয্যে লোকে বৈশম্পায়নোক্ত্বান্।

একংশত সহস্ৰংতু ময়োক্তং বৈ নিবোধত।।

ব্যাসকৃত 'জয়কাব্য মূলতঃ ইতিহাস, পুৰাণ বা আখ্যানাত্মক আছিল। কিন্তু সৌতিৰ মহাভাৰত এখন বিশ্বকোষত পৰিণত হ'ল। মহাভাৰত এখন ইতিহাস, পুৰাণ, ধৰ্মশাস্ত্ৰ আৰু মহাকাব্য।

শ্ৰীমদ্ভাগৱদ্‌গীতা মহাভাৰতৰেই এটা অংশ। কুৰুক্ষেত্ৰৰ যুদ্ধত কুলবিনাশ আৰু আত্মীয়স্বজন সকলৰ বিনাশ দেখি সন্ন্যাস ধৰ্ম গ্ৰহণ কৰিবলৈ প্ৰৱল ইচ্ছা কৰাত, এই

মনোভাৰ দূৰ কৰিবলৈ অৰ্জুনক কৰ্মমাৰ্গত প্ৰবৃত্ত কৰিবৰ উদ্দেশ্যে ভগৱান শ্ৰীকৃষ্ণই যি উপদেশ দিলে, সিয়েই গীতাৰূপত বৰ্ণিত হৈছে।

হৰিবংশ মহাভাৰত অংশ, ইয়াক 'মিল অংশ' বোলা হয়। ইয়াৰ বক্তাব্যাস। বিষ্ণুৰ মহিমা কীৰ্ত্তনৰ নানা প্ৰকাৰৰ আখ্যান, উপাখ্যান আৰু স্তৱস্তুতি ইয়াত পোৱা যায়। বৃষ্ণিবংশজাত ভগৱান শ্ৰীকৃষ্ণৰ উৎপত্তিৰ বিষয়ে জানিবলৈ শৌনকে আগ্ৰহ কৰাত উগ্ৰশ্ৰৱাই যাদৱসকলৰ কথা বৰ্ণনা কৰে। তাৰপৰাই হৰিবংশৰ উৎপত্তি, ই ১৬,০০০ শ্লোকৰ সমষ্টি। হৰিবংশৰ তিনিটা পৰ্ব আছে। যেনে—(১) হৰিবংশ পৰ্ব (২) বিষ্ণুপাঠ (৩) ভবিষ্য পুৰাণ। প্ৰথম পৰ্বত বিষ্ণুৱে কৃষ্ণৰূপে পৃথিৱীত অৱতৰণ কৰা বৃত্তান্তকে ধৰি বৃষ্ণিবংশৰ বিৱৰণ আছে। দ্বিতীয় পৰ্বত কৃষ্ণমাহাত্ম্য আৰু তৃতীয় পৰ্বত জনমেজয় পৰীক্ষিতৰ বংশৰ বৰ্ণনা আছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

মহাভাৰতৰ ক্ৰমবিকাশৰ স্তৰকেইটাৰ নামোল্লেখ কৰি সিবোৰৰ সংজ্ঞা দিয়ক? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................
.................................................................................................

### ১.৭.২ মহাভাৰতৰ বিষয়বস্তু

মহাকাব্য মহাভাৰত ওঠৰটা পৰ্বত বিভক্ত। প্ৰতিটো পৰ্ব কেবাটাও সৰ্গত বিভক্ত। পৰ্বকেইটা ক্ৰমে—(১) আদি (২) সভা (৩) বন (৪) বিৰাট (৫) উদ্যোগ (৬) ভীষ্ম (৭) দ্ৰোণ (৮) কৰ্ণ (৯) শল্য (১০) সৌপ্তিক (১১) স্ত্ৰী (১২) শান্তি (১৩) অনুশাসন (১৪) অশ্বমেধিক (১৫) আশ্ৰমবাসীক (১৬) মৌষল (১৭) মহাপ্ৰস্থানিক (১৮) স্বৰ্গৰোহন।

তলত পৰ্বসমূহৰ সংক্ষিপ্ত বিৱৰণ দিয়া হ'ল—আদি পৰ্বত কৌৰৱ-পাণ্ডৱসকলৰ বংশ-পৰিচয়, জন্ম, শৈশৱ, কৈশোৰ, দ্ৰৌপদীৰ স্বয়ম্বৰ, কৃষ্ণ আগমনৰ কথা বিৱৰি কোৱা হৈছে। সভাপৰ্বত পাণ্ডৱসকলৰ ইন্দ্ৰপস্থত সভাঘৰ নিৰ্মাণ, ৰাজসূয় যজ্ঞানুষ্ঠান দুৰ্যোধন সহ যুধিষ্ঠিৰৰ দ্যুতক্ৰীড়া আদিৰ সবিশেষ বিৱৰণ পোৱা যায়। এই পাশাখেলত যুধিষ্ঠিৰে পণ হিচাবে ৰাজ্য, ধন, ভাতৃসকলৰ সৈতে বাৰবছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাস খাটিবলৈ সন্মত হয়।

বনপৰ্বত পাণ্ডৱসকলে বাৰবছৰ কাম্যক বনত অতিবাহিত কৰা জীৱনৰ বৰ্ণনা আছে। মৎসৰাজ বিৰাটৰ অতিবাহিত কৰা জীৱনৰ বৰ্ণনা আছে। মৎসৰাজ বিৰাটৰ ৰাজপ্ৰাসাদত পাণ্ডৱসকলে এবছৰ অজ্ঞাতবাস কৰাৰ কথা বিৰাট পৰ্বত পোৱা যায়। পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীয়ে ৰাজভৃত্যৰূপে ছদ্মবেশ ধৰি উপনাম লৈ বিৰাট ৰজাৰ ৰাজ প্ৰাসাদত পাণ্ডৱসকলে এবছৰ অজ্ঞাতবাস কৰাৰ কথা বিৰাট পৰ্বত পোৱা যায়। পঞ্চপাণ্ডৱ আৰু দ্ৰৌপদীয়ে ৰাজভৃত্যৰূপে ছদ্মবেশ ধৰি উপনাম লৈ বিৰাটৰজাৰ

ৰাজপ্ৰাসাদত এক বছৰ কষ্টকৰ জীৱন-যাপন কৰে। সেই বছৰৰ শেষৰফালে কৌৰৱসকলে বিৰাটৰজাৰ গোহৰণ কৰিবলৈ কৰা প্ৰচেষ্টা অৰ্জুনৰ সময়োচিত তৎপৰতাৰ বাবে ব্যাহত হয়। ভীষ্ম, দ্ৰোণ, কৰ্ণ আৰু কৃপসহ সসৈন্যে দুৰ্যোধন অৰ্জুনৰ হাতত পৰাস্ত হয়।

উদ্যোগ পৰ্বত কুৰুক্ষেত্ৰ যুদ্ধৰ আয়োজনৰ কথা পোৱা যায়। দুৰ্যোধনে কুশাগ্ৰ পৰিমাণৰ ভূমিও বিনাযুদ্ধে যুধিষ্ঠিৰক এৰি দিবলৈ অস্বীকাৰ কৰে। তেতিয়া পাঞ্চালৰাজ দ্ৰুপদ, মৎস্যৰাজ বিৰাট আৰু বাৰ্ষ্ণেয় সাত্যকি প্ৰভৃতিৰ প্ৰোৎসাহন ক্ৰমে পাণ্ডৱসকলে ৰাজ্য উদ্ধাৰাৰ্থে কৌৰৱসকলৰ সৈতে যুদ্ধ কৰিবলৈ যি আয়োজন কৰে তাৰ যথাৰ্থ বিৱৰণেই উদ্যোগ পৰ্বৰ বিষয়বস্তু।

ইয়াৰ পৰৱৰ্ত্তী পাঁচটা পৰ্বত (ভীষ্ম, দ্ৰোণ, কৰ্ণ, শল্য আৰু সৌপ্তিক পৰ্বত) কুৰুক্ষেত্ৰ যুদ্ধৰ সবিশেষ বিৱৰণ দাঙি ধৰা হৈছে। ওঠৰ দিনীয়া এই যুদ্ধত ভাগ লোৱা দুই দলৰ মুঠ ওঠৰ অক্ষৌহিনী (পাণ্ডৱৰ সাত আৰু কৌৰৱৰ এঘাৰ) সৈন্যৰ পঞ্চ-পাণ্ডৱ, কৃষ্ণ, সাত্যকি পাণ্ডৱপক্ষৰ কৃপ, অশ্বত্থামা আৰু কৃতবৰ্মাৰ (কৌৰৱপক্ষৰ) বাহিৰে সকলো লোক যুদ্ধত প্ৰণষ্ট হয়।

স্ত্ৰীপৰ্বত যুদ্ধত মৃত্যু হোৱা লোকসকলৰ শেষকৃত্যৰ বৰ্ণনা পোৱা যায়। ইয়াৰ পিছৰ দুই পৰ্বত শান্তি আৰু অনুশাসন পৰ্বত শৰ শয্যাত শায়িত ভীষ্মই যুদ্ধিষ্ঠিৰৰ ৰাজনীতি, সমাজনীতি, বৰ্ণাশ্ৰম ধৰ্ম, ধৰ্মাৰ্থকাম মোক্ষ চতুৰ্বৰ্গ, শৈৱ-বৈষ্ণৱ আদি পন্থৰ বিষয়ে সবিশেষ জ্ঞানদান কৰে।

অশ্বমেধিক পৰ্বত যুধিষ্ঠিৰৰ হস্তিনাপুৰ প্ৰৱেশ, ৰাজ্যাভিষেক অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ সবিশেষ বিৱৰণ পোৱা যায়।

আশ্ৰমবাসীক পৰ্বত ধৃতৰাষ্ট্ৰ, গান্ধাৰী আদিৰ বানপ্ৰস্থাশ্ৰমত প্ৰৱেশ আৰু দাবাগ্নিত প্ৰাণনাশৰ বিৱৰণ আছে।

মৌষলপৰ্বত প্ৰভাসতীৰ্থত আত্মকলহৰ পৰিণতিৰূপে যদুকুলৰ বিনাশ আৰু আভীৰৰ হাতত অৰ্জুনৰ পৰাভৱ আৰু যাদৱবংশধৰ বজ্ৰৰ মথুৰাৰ ৰজাৰূপে অভিষিক্ত হোৱাৰ বিৱৰণ।

মহাপ্ৰস্থানিক পৰ্বত পাণ্ডৱসকলৰ দ্বাৰা পৰীক্ষিতৰ অভিষেক আৰু মহাপ্ৰস্থান কৰাৰ বিৱৰণ আছে। পৰ্যটনত ক্ৰমে দ্ৰৌপদী, সহদেৱ, নকুল, অৰ্জুন আৰু ভীমসেনৰ পতন আৰু স্বৰ্গাৰোহন বৰ্ণিত হৈছে।

### ১.৭.৩ মহাভাৰতৰ ৰচনাকাল

মহাভাৰতৰ ৰচনাকাল সম্বন্ধে পণ্ডিতসকলে বিভিন্ন মত পোষণ কৰে। বহিৰঙ্গ আৰু অন্তৰঙ্গ সাক্ষ্যৰ আধাৰত তাৰ উচ্চতম আৰু নিম্নতম সীমা নিৰ্দ্দিষ্ট কৰিব পাৰি।

**উৰ্দ্ধতম সীমা**

(১)গুপ্তকালীন চেদি সংবৎ ১৯৭ত (৫০২-বিক্ৰমাব্দ) পোৱা এক শিলালিপিৰ পৰা জনা যায় যে মহাভাৰত একলাখ শ্লোকৰ সমষ্টি। গতিকে মহাভাৰতৰ ৰচনাকাল ইয়াতকৈ বহুত আগৰ।

(২)বৌদ্ধধৰ্ম বিষয়ক সংস্কৃতৰ চীনাভাষাত অনুদিত হোৱা কিছু কিতাপ পোৱা গৈছে।

ভাৰত-চীনৰ এই সাংস্কৃতিক মৈত্ৰীসম্বন্ধৰ সময় প্ৰায় খ্ৰীঃপূঃ ২য় শতাব্দী। পণ্ডিতসকলৰ মতে খ্ৰীঃপূঃ তৃতীয় শতাব্দীত মহাভাৰত চীনত প্ৰচাৰ হয়। গতিকে বহুদিনৰ আগতে ভাৰতবৰ্ষত মহাভাৰত ৰচিত।

(৩)শীলবাহন অব্দৰ আৰম্ভণিত সংস্কৃত পণ্ডিত বৌদ্ধ মহাকবি অশ্বঘোষ কণিষ্কৰ ৰাজসভাৰ পণ্ডিত আছিল। তেওঁ 'সৌন্দৰানন্দ' 'বুদ্ধচৰিত' এই দুখন মহাকাব্যৰ বাহিৰেও 'বজ্ৰসূচিকোপনিষদ' নামৰ আন এখন গ্ৰন্থ লিখে। এই গ্ৰন্থখন বেৱাৰ চাহাবে ১৮-৬০ খ্ৰীঃত জাৰ্মানত প্ৰকাশ কৰে। এই গ্ৰন্থখনত 'হৰিবংশ' আৰু 'মহাভাৰত'ৰ শ্লোক উদ্ধৃত কৰা আছে। অশ্বঘোষৰ সময় খৃ. ১ম শতাব্দী।

(৪)বিক্ৰম সম্বৎ ৫৩৫-৬৩৫ অব্দৰ মধ্যৱৰ্তী কালত (খ্ৰীঃ ষষ্ঠ শতিকাত) মহাভাৰত জাভা আৰু কলি দ্বীপৰ ভাষালৈ অনুদিত হৈছিল। খ্ৰীঃ ষষ্ঠ শতিকাত বিদেশত মহাভাৰত অনূদিত হ'বলৈ হ'লে তাতকৈ বহুকাল আগতে আমাৰ দেশত গ্ৰন্থ ৰচিত হ'ব লাগিব।

(৫)প্ৰসিদ্ধ বৈয়াকৰণবিদ পাণিনিয়ে খ্ৰঃপূঃ ৫ম শতিকাত তেওঁৰ অষ্টাধ্যায়ী গ্ৰন্থত ভীম, যুধিষ্ঠিৰ, বিদুৰ প্ৰভৃতি চৰিত্ৰসহ মহাভাৰতৰ উল্লেখ কৰালৈ চাই আলোচ্য গ্ৰন্থৰ কাল খ্ৰীঃপূ.ম শতিকাৰ আগতে হোৱা স্বাভাৱিক।

(৬)মহাকবি ভাসে তেওঁৰ ছয়খন নাটক মহাভাৰতৰ বিভিন্ন কাহিনীক লৈ ৰচনা কৰিছে। ভাসৰ কাল অব্দ হ'লে মহাভাৰত তাৰো আগতে ৰচিত হোৱা সম্ভৱ।

(৭)কল্পসূত্ৰৰ ভিতৰুৱা শাংখায়ণৰ শ্ৰৌতসূত্ৰ, আশ্বালয়নৰ গৃহ্যসূত্ৰ, বৌধায়ণৰ ধৰ্মসূত্ৰাদিত মহাভাৰতৰ যুদ্ধৰ কথা উল্লেখ আছে। ৰাম-গোপাল, কাশীকাৰ আদি পণ্ডিতসকলৰ মতে কল্পসূত্ৰবোৰৰ ৰচনাকাল খ্ৰীঃপূঃ ৮০০-৫০০ অব্দৰ ভিতৰত। এনেবোৰ সাক্ষ্যই মহাভাৰতৰ ৰচনাৰ উৰ্দ্ধতম সীমা ১০ম শতিকাৰ আগলৈ নিয়ে।

**নিম্নতম সীমা**

(১) সুপ্ৰসিদ্ধ কবি দাৰ্শনিক কবি কুমাৰিল ভট্টই নিজ ৰচনাৱলীত মহাভাৰতৰ প্ৰায়বোৰ পৰ্বৰ উদ্ধৃত কৰিছে আৰু ইয়াক ব্যাসৰ দ্বাৰা ৰচিত এখন বিশাল স্মৃতিগ্ৰন্থ হিচাবে উল্লেখ কৰিছে। এই দুজন কবিৰ স্থিতিকাল ক্ৰমে ৭০০ খ্ৰীষ্টাব্দ। এতেকে দেখা যায় ৭০০ খ্ৰীঃৰ আগত মহাভাৰত বৰ্ত্তমান ৰূপত ৰচিত।

(২) গদ্যকাৰ সুবন্ধুৱে তেওঁৰ "বাসৱদত্তা"ত মহাভাৰতৰ খিল অংশৰ উদ্ধৃতি কৰিছে আৰু বাণভট্টইও তেওঁৰ 'কাদম্বৰী'ত মহাকাল মন্দিৰত বায়ু পুৰাণ আৰু মহাভাৰত পাঠৰ কথা উদ্ধৃতি কৰিছে। এই দুজনা কবিৰ স্থিতিকাল ক্ৰমে ৬০০ খ্ৰীঃ আৰু ৬৫০ খ্ৰীষ্টাব্দ।

(৩) কম্বোডিয়াৰ এক প্ৰাচীন শিলালিপিত মহাভাৰতৰ কথা পোৱা গৈছে। এই শিলালিপি ৬০০ খ্ৰীষ্টাব্দৰ ইয়াৰ পৰা জনা যায় যে মহাভাৰত তাৰ আগতে ৰচিত। ৪৪২ খ্ৰীঃৰ গুপ্তকালীন শিলালিপিত মহাভাৰতক শতসাহস্ৰীসংহিতা নামেৰে উল্লেখ আছে।

(৪) পণ্ডিত জয়সৱালৰ মতে মহাভাৰতৰ ৰচনা কালৰ শেষ সীমা ৫০০ খ্ৰীষ্টাব্দ।

(৫) মহাভাৰত ৰচনা হয় বদৰিকাশ্ৰমত। ইয়াৰ পিছত ভৃগুবংশীয় ব্ৰাহ্মণসকলৰ পৰা খ্ৰীঃপূঃ ৩য় শতাব্দী লৈকে সম্পাদিত, পৰিবৰ্ত্তিত আৰু সংশোধিত হৈ বৰ্ত্তমানৰ ৰূপ পাইছে।

(৬) শ্ৰীচিন্তামণি বিনায়ক বৈদ্যই মহাভাৰতৰ অন্তঃসাক্ষৰ আধাৰৰ ওপৰত ঠিৰাং কৰিছে যে মূল মহাভাৰতৰ ৰচনাকাল ৩৫০-৩২০ খ্ৰীঃ পূঃৰ ভিতৰত।

(৭) শ্ৰীজয়চন্দ্ৰ বিদ্যালঙ্কাৰৰ মতে ভাৰতকাব্যৰ প্ৰথম সংস্কৰণ হয় ৫০০ খ্ৰীঃত।

### ১.৮ ভাৰতীয় সাহিত্যত মহাভাৰতৰ প্ৰভাৱ

(১) মহাভাৰতে পৰৱৰ্তী ভাৰতীয় সাহিত্যৰ ওপৰত যি প্ৰভাৱ পেলাইছে তাৰ তুলনা নাই। ইয়াৰ গৰ্ভত সঞ্চিত বহুতো নীতিকথা, ধৰ্মদৰ্শন সম্বন্ধীয় কথা নানাভাৱে প্ৰকাশ পাইছে। শ্ৰীমদ্ভগৱদ্‌গীতা, বিষ্ণুসহস্ৰনাম, অনুগীতা, ভীষ্মস্তৱৰাজ আৰু গজেন্দ্ৰমোক্ষ নামে এই পাঁচখন গ্ৰন্থ মহাভাৰতৰ পৰাই সৃষ্টি হৈছে।

(২) ৰামায়ণৰ দৰে মহাভাৰতো অনেক ভাৰতীয় মহাকাব্য, কাব্য, নাটক, কথা-সাহিত্য আদি উৎসগ্ৰন্থৰূপে প্ৰতিষ্ঠিত হৈছে। মহাকবি ভাস, কালিদাস, মাঘ, ভট্টনাৰায়ণ, ভাৰৱি, শ্ৰীহৰ্ষ, ৰাজশেখৰ, ক্ষেমেন্দ্ৰ প্ৰভৃতি-কবিসকলে মহাভাৰতৰ আলম লৈয়ে অনেক গ্ৰন্থ ৰচনা কৰি অমৰত্ব লাভ কৰিছে।

(৩) মহাকবি ভাসে মহাভাৰতৰ বিভিন্ন কথাৰ ওপৰত আশ্ৰয় কৰি পঞ্চৰাত্ৰ, দূতকাব্য, দূতঘটোৎকচ, উৰুভঙ্গ, কৰ্ণভাৰ, মধ্যমব্যয়োগ নাম ছয়খন নাটক ৰচনা কৰিছে।

(৪) ভট্ট নাৰায়ণৰ—‘বেণীসংস্থাৰ’ নাটকৰ মূল উৎস মহাভাৰত।

(৫) মহাভাৰতৰ নলোপাখ্যানৰ ভেটিত শ্ৰীহৰ্ষই নৈষধচৰিত’ ৰচনা কৰিছে। কবি মাঘে ‘শিশুপালবধ’ আৰু ভাৰৱিয়ে ‘কিৰাতাৰ্জুনীয়ম্’ মহাকাব্য ৰচনা কৰিছে।

(৬) মহাকবি কালিদাসে মহাভাৰতৰ আদিপৰ্বত বৰ্ণিত শকুন্তলোপাখ্যানক অৱলম্বন কৰি শ্ৰেষ্ঠ নাটক ‘অভিজ্ঞান শকুন্তলম্’ ৰচনা কৰিছে।

(৭) তদুপৰি কুলশেখৰৰ সুভদ্ৰা-ধনঞ্জয়, নীতিবৰ্মনৰ কীচক বধ, ৰাজশেখৰৰ বালভাৰত, ক্ষেমীশ্বৰৰ ‘নৈষধানন্দ’, দেৱপ্ৰভসূৰিৰ ‘পাণ্ডৱচৰিত’, কাঞ্চন পণ্ডিতৰ ‘ধনঞ্জয় ব্যয়োগ’, ৰামচন্দ্ৰ কবিৰ ‘নলবিলাস’ আৰু ‘নিৰ্ভয়ভীম’ ত্ৰিবিক্ৰমভট্টই নলোপাখ্যানক লৈ নলচম্পূ আৰু ক্ষেমেন্দ্ৰই ‘ভাৰতমঞ্জৰী কাব্য’ আৰু ‘চিত্ৰভাৰত’ নাটক ৰচনা কৰিছে।

(৮) অমৰচন্দ্ৰৰ ‘বালভাৰত’ কাব্য, কৃষ্ণানন্দৰ ‘সহৃদয়ানন্দ’, বিশ্বনাথৰ ‘সৌগন্ধিকা হৰণ’, অনন্তভট্টৰ ‘ভাৰতচম্পূ’, চক্ৰকবিৰ দ্ৰৌপদী পৰিণয় চম্প আদি অনেক কাব্য আৰু নাট ৰচনা কৰিছে।

আধুনিক ভাৰতীয় ভাষাবোৰতো সাহিত্যিকসকলে মহাভাৰতৰ কথাক উপজীব্য কৰি অনেক গ্ৰন্থ ৰচনা কৰিছে।

**১.৯ ৰামায়ণ আৰু মহাভাৰতৰ তুলনা**

ৰামায়ণ আৰু মহাভাৰত দুয়োখন মহৎ গ্ৰন্থক ইতিহাস আৰু ভাৰতৰ জাতীয় মহাকাব্য বুলি কোৱা হয়। দুয়োখন মহাকাব্যই ভাৰতীয় সভ্যতা সংস্কৃতি, সমাজ, ৰীতি-নীতি আৰু সাহিত্যৰ ওপৰত অপৰিসীম প্ৰভাৱ পেলাইছে। দুয়োখন মহাকাব্যৰ তুলনা ডাঙি ধৰা হ'ল—

(১) ৰামায়ণৰ প্ৰণেতা মহাকবি বাল্মীকি আৰু মহাভাৰতৰ প্ৰণয়ণ কৰ্ত্তা পৰাশৰ পুত্ৰ মহামুনি কৃষ্ণদ্বৈপায়ণ বেদব্যাস। বিস্তৃতিৰ ফালৰ পৰা চালে ৰামায়ণ মহাভাৰতৰ এক চতুৰ্থাংশ হ'ব। ৰামায়ণৰ শ্লোকৰ সংখ্যা ২৪,০০০। মহাভাৰত গ্ৰীক মহাকাব্য ইলিয়াদ আৰু ওদিচিৰ একত্ৰিত পৰিমাণৰ সাতগুণৰ সমান। ইয়াত প্ৰায় একলাখ শ্লোক আছে।

(২) ৰামায়ণ সপ্তকাণ্ডাত্মক, প্ৰতিকাণ্ড কেবাটাও সৰ্গত বিভক্ত। মহাভাৰত ওঠৰটা পৰ্বত বিভক্ত। প্ৰত্যেক পৰ্ব অনেক অধ্যায়ৰ সমাহাৰ।

(৩) ৰামায়ণ মহাভাৰতৰ পূৰ্বৰ ৰচনা। কাৰণ মহাভাৰতৰ বন-পৰ্বত ৰামোপাখ্যান সবিস্তাৰে বৰ্ণিত হৈছে। তদুপৰি হৰিবংশটো বাল্মীকি ৰামায়ণৰ স্পষ্ট উল্লেখ দেখা যায়।

(৪) ৰামায়ণৰ ভিতৰুৱা বহুতো কথা গঁথা অৱবাহিকাৰ অযোধ্যাৰে জড়িত। বাল্মীকিৰ আশ্ৰমো অযোধ্যাৰ অদূৰত আছিল আৰু ভৰদ্বাজৰ আশ্ৰমো গঙ্গাৰ দক্ষিণপাৰে প্ৰয়াগৰ নিকটৱৰ্ত্তী আছিল। কিন্তু মহাভাৰতৰ মূল ঘটনা বৰ্ত্তমানৰ পাঞ্জাৱৰ হাৰিয়ানাৰ সৈতে জড়িত। এনেকুৱা দুয়োখন মহাকাব্য আৰ্যাবৰ্ত্তৰ একে ভূখণ্ডত ৰচিত। তথাপি ৰামায়ণীয় কথাত দক্ষিণ-ভাৰতৰ কিছু পৰিচয়ো মিলে।

(৫) চৰিত্ৰ-চিত্ৰণ, ছন্দ-অলঙ্কাৰ, ৰসাদিৰ প্ৰয়োগত ৰামায়ণৰ উৎকৃষ্টতা সহজে চকুত পৰে। ইয়াৰ ভাষাও মহাভাৰতৰ তুলনাত অধিক বিশুদ্ধ।

(৬) মূল ঘটনাৰ ক্ষেত্ৰত দুয়োখন গ্ৰন্থৰ মাজত মিল দেখা যায়। ৰামায়ণৰ নায়িকা সীতা আৰু মহাভাৰতৰ নায়িকা দ্ৰৌপদীৰ জন্ম অলৌকিকভাৱে হৈছে। দুয়োৰে বিবাহ স্বয়ম্বৰৰ জৰিয়তে সাধিত হৈছে আৰু দুয়োজনে (নায়কে) ধনুৰ দ্বাৰাই পত্নীলাভ কৰিছে। ৰামায়ণত যিদৰে সিংহাসনৰ উত্তৰাধিকাৰিত্বৰ বাবে ৰামৰ বনবাস হৈছে একেদৰে যুধিষ্ঠিৰ আদিয়েও বনবাস খাটিবলগীয়া হৈছে। যুদ্ধৰ অন্তত দুয়োখন গ্ৰন্থতে অশ্বমেধ যজ্ঞানুষ্ঠান সম্পন্ন কৰাৰ বিৱৰণ পোৱা যায়।

(৭) দুয়োখন মহাকাব্যতে বৈদিক দেৱতাৰ বৰ্ণনা পোৱা নাযায়। ৰামায়ণত ৰামচন্দ্ৰক আৰু মহাভাৰতৰ নাৰায়ণীয় অংশত কৃষ্ণক বিষ্ণুৰ অৱতাৰৰূপে বৰ্ণনা কৰা হৈছে।

(৮) দুয়োখন মহাকাব্যতে বৈদিক দেৱতাৰ বৰ্ণনা পোৱা নাযায়। ৰামায়ণত ৰামচন্দ্ৰক আৰু মহাভাৰতৰ নাৰায়ণীয় অংশত কৃষ্ণক বিষ্ণুৰ অৱতাৰৰূপে বৰ্ণনা কৰা হৈছে।

(৯) রামায়ণৰ তুলনাত মহাভাৰতত উপাখ্যান স্মৃতিবিষয়ক তথ্যপাতিৰ প্ৰাচুৰ্য্য বহুত বেছি সোমাইছে।

(১০) ৰামায়ণৰ তুলনাত মহাভাৰতৰ যুদ্ধৰ বৰ্ণনাও বাহুল্যকৈ দিয়া হৈছে। ৰণনীতিৰ কৌশলৰ দিশত মহাভাৰতৰ যুজাৰুসকল অগ্ৰসৰ হোৱা চকুত পৰে। বিশেষতঃ 'ব্যুহ' সাজি ৰণ কৰা প্ৰথা মহাভাৰতত দেখা যায়। বিবিধ অস্ত্ৰৰ প্ৰদৰ্শনো মহাভাৰতত মন কৰিবলগীয়া। আনহাতে ৰামায়ণত শিল আদি লৈ বান্দৰ আৰু ৰাক্ষসে যুঁজ কৰাৰ বিৱৰণ পোৱা যায়।

(১১) নৈতিক আদৰ্শসমূহ আৰু মূল্যবোধ ৰামায়ণত অটুট থকা দেখা যায়। ৰামৰ সত্যান্বেষণ তেওঁৰ ভ্ৰাতৃপ্ৰেম, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা আদৰ্শনীয়। ভৰত আৰু লক্ষ্মণৰ ভাতৃপ্ৰেমো আদৰ্শনীয়। সীতাৰ সতীত্ব ৰক্ষা আৰু পতিভক্তিও আদৰ্শনীয়। ৰামৰ ৰাজ্য শাসন আদৰ্শনীয় আছিল বাবেই আজিও ৰাম-ৰাজ্য স্থাপনৰ সপোন দেখা হয়। মহাভাৰতৰ বহুত অংশ স্বাৰ্থান্বেষণ চকুত পৰে। নৈতিকতাবোধো অৱনমিত হৈছে।

এনেদৰে বিচাৰ কৰি চালে ৰামায়ণ আৰু মহাভাৰতৰ কোনো অংশত মিল আৰু অমিল দেখা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰামায়ণ আৰু মহাভাৰত মহাকাব্যৰ কাহিনীৰ গঠনৰ ক্ষেত্ৰত মূল পাৰ্থক্য ক'ত ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................
..................................................................................

## ১.১০ সাৰাংশ (Summing Up)

বৈদিক সাহিত্যই হৈছে ভাৰতীয় সাহিত্যৰ আদি নিদৰ্শন। চাৰিখন সংহিতা, ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক আদিৰে এই সময়ৰ সাহিত্য সমৃদ্ধিশীল। খৃঃ পূৰ্ব ১০০০ অব্দৰ পিছৰে পৰা ভাগৰত আৰু ৰূপগত দিশত এই সাহিত্যৰাজীয়ে নতুন ৰূপ পৰিগ্ৰাহ কৰিবলৈ আৰম্ভ কৰে। তাত্বিক পণ্ডিতসকলে পৰৱৰ্তী সাহিত্যৰাজীক 'লৌকিক সাহিত্য' বুলি আখ্যায়িত কৰিলে।

এই সময়ছোৱা কাব্য, গীতিসাহিত্য, নীতিকথা, উপকথা, নাটক আদি সৃষ্টিশীল ৰচনাৰে সমৃদ্ধ। পানিনি, পতঞ্জলি আদি বৈয়াকৰণবিদে প্ৰণয়ন কৰা অনুশাসনৰ

অনুৱৰ্তী ‘ৰামায়ণ’ ভাৰতীয় সাহিত্যৰ আদিকাব্য। সাতোটা কাণ্ডত বিভক্ত ৰামায়ণত ২৪,০০০ শ্লোক আছে। প্ৰণয়নৰ দিনৰে পৰাই এইখন কাব্যই ভাৰতীয় সাহিত্যৰ আদৰ্শস্বৰূপ হৈ আহিছে। আনকি মহাভাৰতৰ বনপৰ্বতো ৰামৰ আখ্যান বৰ্ণিচ্ছ্ৰত হৈছে। মহাভাৰতৰ মহাকাব্য তথা ইতিহাস নামেৰে প্ৰসিদ্ধ। এক লক্ষ শ্লোক সন্নিবিষ্ট মহাভাৰতৰ শতসাহস্ৰী সংহিতা নামেৰেও জনজাত। ওঠৰতা পৰ্বত বিভক্ত এইখন মহাকাব্যৰ মূল বিষয়বস্তু গথিত হৈছে কুৰু-পাণ্ডৱৰ ভাতৃঘাটী সংঘৰ্ষক কেন্দ্ৰ কৰিয়েই।

ৰামায়ণ ভাৰতীয় সাহিত্যৰ আদিকাব্য। মহাভাৰত মহাকাব্য তথা ইতিহাস নামেৰে প্ৰসিদ্ধ। দুয়োখন গ্ৰন্থ বহু আখ্যান-উপাখ্যানৰ সমষ্টি হ’লেও, এক লাখ শ্লোক সন্নিবিষ্ট মহাভাৰত শতসাহস্ৰী সংহিতা নামে প্ৰসিদ্ধ। দুয়োখন মহাকাব্যৰ আদৰ্শ লৈ ভাৰতত এক সুবিশাল সাহিত্য ৰচিত হৈছে। সেই সাহিত্যৰাজিয়ে ভাৰতীয়সকলৰ জীৱনযাত্ৰা প্ৰণালীক দিগ্‌দৰ্শন কৰিছে।

## ১.১১ আৰ্হি প্ৰশ্ন (Sample Question)

ৰামায়ণক আদিকাব্য বুলি কোৱাৰ সমৰ্থনত এটি প্ৰবন্ধ লিখা।

ভাৰতীয় সাহিত্যত মহাভাৰতৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

## ১.১২ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


| | | |
|---|---|---|
| থানেশ্বৰ শৰ্মা | : | সংস্কৃত সাহিত্যৰ ইতিবৃত্ত |
| গৌৰী নাথ শাস্ত্ৰী | : | সংস্কৃত সাহিত্যৰ ইতিহাস |
| A.B. Keith | : | History of Sanskrit Literature |
| M. Winternitz | : | History of Indian Literature |
| C.K. Raja | : | Survey of Sanskrit Literature |
| R.N. Bandopadhyaya | : | Indian Campu Literature: Its Origin and Growth |

দ্বিতীয় বিভাগ

# সংস্কৃত কাব্য সাহিত্যৰ ধাৰা

**বিভাগৰ গঠন ঃ**


**২.১ ভূমিকা (Introduction)**

**২.২ উদ্দেশ্য (Objectives)**

**২.৩ মহাকাব্যৰ লক্ষণ**

**২.৪ অশ্বঘোষৰ কাল**

**২.৫ অশ্বঘোষৰ কীৰ্ত্তি সমূহ**

**২.৬ অশ্বঘোষৰ কাব্য প্ৰতিভা**


**২.৭ সাৰাংশ (Summing Up)**

**২.৮ আৰ্হি প্ৰশ্ন (Sample Question)**

**২.৯ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)**


## ২.১ ভূমিকা (Introduction)

প্ৰাচীন ভাৰতীয় সৃষ্টিশীল ৰচনাক প্ৰধানকৈ দুটা ভাগত ভগোৱা হয়— শ্ৰব্যকাব্য আৰু দৃশ্যকাব্য। শ্ৰৱণৰ দ্বাৰা উপভোগযোগ্য কাব্যক শ্ৰব্যকাব্য আৰু অভিনয় দৰ্শনৰ জৰিয়তে উপভোগ্য কাব্যক দৃশ্যকাব্য বোলা হয়। এই দুয়োবিধ কাব্যৰে একাধিক উপবিভাগ আৰু উপো বিভাগ আছে। তাৰে ভিতৰত শ্ৰব্যকাব্যৰ প্ৰধান বিভাগসমূহ দেখুৱা হ'ল—



উক্ত সকলোবোৰ বিভাগৰ ভিতৰত মহাকাব্যক শ্ৰব্যকাব্যৰ প্ৰধান ভাগ বুলি গণ্য কৰা হয়।

প্ৰাচীন ভাৰতীয় ইতিহাসৰ এছোৱা দীঘলীয়া সময়ত মহাকাব্য ৰচনা কৰাৰ তৎপৰতা লক্ষ্য কৰা যায়। বহু চৰিত্ৰ আৰু ঘটনাবিশিষ্ট অতি দীঘল ছন্দোময় ৰচনাকে মহাকাব্য বুলি কোৱা হয় যদিও ভাৰতীয় কাব্যতাত্ত্বিকসকলে মহাকাব্যৰ বাবে সুনিৰ্দিষ্ট লক্ষণ বান্ধি দিছে। সেইসমূহ লক্ষণ চৰিতাৰ্থ কৰা মহাকাব্যকাৰ সকলৰ ভিতৰত অশ্বঘোষক কালানুক্ৰমত প্ৰথমে স্থান দিয়া হয়। খৃষ্টাব্দৰ প্ৰথম শতিকাৰ অশ্বঘোষৰ পৰা আৰম্ভ কৰি খৃষ্টীয় ত্ৰয়োদশ শতিকালৈকে ধাৰাবাহিকভাৱে মহাকাব্য ৰচনাৰ প্ৰবণতা অটুট আছিল। ঐতিহাসিক দৃষ্টিকোণৰ পৰা মহাকাব্যযুগক তিনিটা ভাগত বিভক্ত কৰা হয়। কালিদাসৰ পূৰ্বৰ প্ৰাৰম্ভিক যুগ, কালিদাসৰ পৰা শ্ৰীহৰ্ষলৈ অভ্যুত্থানৰ যুগ আৰু ত্ৰয়োদশ শতাব্দীৰ শেষলৈ অৱসাদৰ যুগ। অৱশ্যে মহাকাব্য ৰচনাৰ পৰম্পৰা আধুনিক যুগলৈকে বিয়পি আছে বুলি ক'ব পাৰি।

প্ৰাক্কালিদাসৰ যুগৰ বৌদ্ধসাহিত্যিক সকলৰ ভিতৰত অশ্বঘোষ অন্যতম। তেওঁৰ প্ৰকৃত নাম জনা নাযায়। এওঁ আছিল সাকেতৰ (অযোধ্যাৰ) নিবাসী এজন ব্ৰাহ্মণ। বৌদ্ধধৰ্মত দীক্ষিত হোৱাৰ পাছতহে তেওঁক অশ্বঘোষ নামেৰে জনা যায়। জন্মৰ সময়ত ঘোঁৰাশালৰ ঘোঁৰাবোৰে চেহনি তুলিছিল কাৰণে তেওঁৰ নাম অশ্বঘোষ হয়। তিব্বতী ভাষাত পোৱা জীৱনীমতে তেওঁ আছিল এজন সঙ্গীতজ্ঞ। বৌদ্ধধৰ্ম প্ৰচাৰৰ অৰ্থে বহুতো গায়ক-গায়িকা লগত লৈ কাশ্মীৰ তথা পোশোৱাৰ অথিপদুলিত বীণা বজাই বৈৰাগ্যৰ গান গাইছিল। তেওঁৰ সঙ্গীতত মুগ্ধ হৈ বহুতো লোক তেওঁৰ অনুগামী হয়। অশ্বঘোষ আছিল সৰ্বাস্তিবাদী দাৰ্শনিক। মহাৰাজ কনিষ্কৰ দিনত সংগঠিত সভাত অশ্বঘোষৰ অধ্যক্ষতাত অনুষ্ঠিত হৈছিল। অশ্বঘোষৰ দৰ্শন বিষয়ক গ্ৰন্থ আৰু মহাকাব্যাদি চীন আৰু তিব্বতী ভাষাত আজিও সুৰক্ষিত। এওঁৰ কবিত্ব প্ৰতিভা আছিল অসীম। ড° স্মিথৰ মতে তেওঁ একেৰাহে এজন কবি, গায়ক, গৱেষক আৰু ধাৰ্মিক আছিল। তেওঁৰ লিখনিৰ দ্বাৰা সাধাৰণ মানুহৰ বোধগম্য কৰি বৌদ্ধ ধৰ্মৰ গুৰু ৰহস্যবোৰ কাব্যময়ী ভাষাত প্ৰকাশ কৰি প্ৰচাৰ কৰিছিল।

## ২.২ উদ্দেশ্য (Objectives)

আপোনালোকে এই বিভাগতি অধ্যয়নৰ জৰিয়তে-

- সংস্কৃত কাব্যসাহিত্যৰ ধাৰা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মহাকাব্যৰ লক্ষণ সম্পৰ্কে জ্ঞাত হ'ব
- অশ্বঘোষৰ কাব্যকীৰ্তি সম্পৰ্কে ধাৰণা লব'লৈ সক্ষম হ'ব
- অশ্বঘোষৰ কাব্যৰ বিশেষত্ব নিৰূপন কৰিব পাৰিব

## ২.৩ মহাকাব্যৰ লক্ষণ

ৰসাত্মক বাক্যকেই কাব্য বোলা হয়। (বাক্যং ৰসাত্মকং কাব্যম্) ইয়াত বাক্যং পদটোৱে অৰ্থযুক্ত পদক বুজাইছে। কাৰণ, বাক্য বুলিলে পৰস্পৰ সঙ্গতিপূৰ্ণ সম্পূৰ্ণ অৰ্থবোধক পদসমষ্টিকহে বুজিব লাগিব। গতিকে ৰসপূৰ্ণ বাক্যই কাব্য বুলি কলে

গদ্য আৰু পদ্য দুয়োটাই কাব্যৰ অন্তৰ্গত বুলি ধৰিব লাগিব। সেইদৰে দৃশ্য আৰু শ্ৰব্যভেদে কাব্যক পুনৰ দুটা ভাগ কৰা হৈছে। দৃশ্যকাব্য অভিনয়ৰ উপযোগী আৰু শ্ৰব্যকাব্য অধ্যয়ন আৰু শ্ৰৱণৰ উপযোগী। শ্ৰব্যকাব্য আকৌ তিনিটা শাখাত বিভক্ত। যেনে—পদ্য, গদ্য আৰু চম্পূ। পদ্যকাব্য আকৌ তিনি শ্ৰেণীৰ—মহাকাব্য, খণ্ডকাব্য আৰু মুক্তককাব্য।

মহাকাব্য বুলিলে ছন্দোৱদ্ধ অতিদীৰ্ঘ ৰচনাকে সাধাৰণতে বুজা যায়। পৃথিৱীৰ বিভিন্ন ভাষাত ৰচিত ধ্ৰুপদী সাহিত্যৰ ই এক অন্যতম শাখা। ঘটনাৰ ব্যাপকত্ব, চৰিত্ৰৰ তদনুৰূপ বিকাশ আৰু আদৰ্শৰ বিশ্বজনীনতা এই শ্ৰেণীৰ সাহিত্যৰ সাধাৰণ লক্ষণ যদিও, প্ৰাচ্য আৰু পাশ্চাত্যৰ কাব্যতাত্ত্বিক সকলে পৃথক পৃথককৈ মহাকাব্য বা এপিকৰ (EPIC) লক্ষণ নিৰূপণ কৰি থৈছে। ভাৰতীয়

অলঙ্কাৰ শাস্ত্ৰৰ ভিতৰত ভামহৰ ‘কাব্যালঙ্কাৰ’ (১ম অধ্যায়) ভোজৰাজৰ” সৰস্বতী কণ্ঠাভৰণ” (৫ম অধ্যায়), বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পণ, (ষষ্ঠ পৰিচ্ছেদ) আৰু অগ্নিপুৰাণত (অধ্যায় ৩৩৭) মহাকাব্যৰ লক্ষণসমূহ স্পষ্টকৈ নিৰ্দ্দিষ্ট কৰি দিয়া আছে। তাৰে ভিতৰত ‘সাহিত্যদৰ্পণত’ বেছি বিস্তাৰিতকৈ এই বিষয়ে আলোচনা কৰা হৈছে।

সাহিত্যদৰ্পণ ষষ্ঠ পৰিচ্ছেদৰ মতে—যি পদ্যকাব্য সৰ্গত বিভক্ত হৈ ৰচিত হয় সেয়ে মহাকাব্য। ইয়াত এজন বীৰ নায়কৰ চৰিত্ৰ বৰ্ণিত হয়। তেওঁ সদ্বংশজাত, ক্ষত্ৰিয় আৰু ধীৰোদাও গুণযুক্ত হ’ব লাগিব। অথবা একে বংশতে ওপজা অনেক কুলীন নৃপতিৰ চৰিত্ৰ বৰ্ণিত হ’ব পাৰে। মহাকাব্যত শৃঙ্গাৰ, বীৰ আৰু শান্ত এই তিনিবিধ ৰসৰ যিকোনো এটা অঙ্গীৰস বা প্ৰধান ৰস ৰূপে আৰু আন সকলোৰস তাৰ অঙ্গৰূপে অভিব্যঞ্জিত হোৱাটো আৰু সেইদৰে নাটকত সকলোবোৰ সন্ধি থকাটো বাঞ্চনীয়। কোনো ঐতিহাসিক ঘটনা নাইবা কোনো মহাপুৰুষৰ বিষয়ে লোকপ্ৰসিদ্ধ ঘটনা ইয়াৰ বিষয়বস্তু হ’ব লাগে। মহাকাব্যত ধৰ্ম, অৰ্থ, কাম লাগে আৰু তাৰে চাৰিবৰ্গৰ ভিতৰত এটা প্ৰধান ফল ৰূপে প্ৰতিপাদিত হ’ব লাগে। মহাকাব্যৰ আৰম্ভণিতে নমস্কাৰৰূপ, আশীৰ্ব্বাদ স্বৰূপ বা বস্তুনিৰ্দ্দেশাত্মক মঙ্গলাচৰণ থাকিব লাগে। খল লোকৰ নিন্দা আৰু সাধু লোকৰ গুণ-কীৰ্ত্তন মহাকাব্যত সন্নিবিষ্ট হ’ব লাগে। মহাকাব্যৰ একোটা সৰ্গৰ শ্লোকবোৰ বিভিন্ন ছন্দত ৰচিত হোৱাও দেখা যায়। ইয়াৰ এটা সৰ্গৰ শেষৰ ফালে পৰৱৰ্তী সৰ্গৰ বিষয়বস্তুৰ ইঙ্গিত থাকিব লাগে। কাব্যৰ ভিতৰত যিকোনো স্থানত বৰ্ণনীয় ইতিবৃত্তৰ লগত সঙ্গতি ৰাখি সন্ধ্যা, সূৰ্য্য, চন্দ্ৰ, নিশা, প্ৰদোষ, অন্ধকাৰ দিন ৰাতিপুৱা, দুপৰীয়া, মৃগায়া, পৰ্বত, ঋতু, বন-উপবন, সাগৰ, সম্ভোগ, বিয়োগ, মুনিচৰিত্ৰ, স্বৰ্গ, নগৰ যজ্ঞ সংগ্ৰাম, যাত্ৰা, বিৱাহ, মন্ত্ৰণা, পুত্ৰজন্মোৎসৱ ইত্যাদি বিষয়ৰ সাঙ্গোপাঙ্গ বৰ্ণনা থাকিব লাগে। কবিৰ নাম, বৰ্ণনীয় ইতিবৃত্ত, নায়কৰ নাম অথবা আনকোনো আৱশ্যকীয় বিষয় অনুসৰি মহাকাব্যৰ নাম ৰাখিব লাগে। আৰু সৰ্গবিলাকৰ নাম সেই সৰ্গৰ বৰ্ণনীয় বিষয় অনুসাৰে ৰাখিব লাগে। উদাহৰণস্বৰূপে—ৰামায়ণ, মহাভাৰত, ৰঘুবংশ, শিশুপালবধ আদি।

(তলত ‘সাহিত্যদৰ্পণ’ৰ পৰা মহাকাব্যৰ সংজ্ঞা উদ্ধৃত কৰা হ’ল।)

সৰ্গবন্ধো মহাকাব্যং তত্ৰৈকো নায়কঃ সুৰঃ।
সদ্বংশঃ ক্ষত্ৰিয়ো বাপি ধীৰোদাত্ত গুণান্বিতঃ।।
একবংশভৱা ভূপাঃ কুলজা বহৱোহপি বা।
শৃঙ্গাৰ বীৰ শান্তানামেকোহঙ্গীৰম ইষ্যতে।।

অঙ্গানি সৰ্বেহপি ৰসাঃ সৰ্বে নাটকসন্ধয়।
ইতিহাসোদ্ভৱং বৃত্তমন্যদ্বা সজ্জনাশ্ৰয়ম্।।
চত্বাৰস্তস্য বৰ্গাঃ স্যুস্তেষেৱকং চ ফলং ভৱেৎ।
আদৌ নমস্ক্ৰিয়াশীৰ্বা ৱস্তুনিৰ্দ্দেশ এৱবা।।
ক্বচিনিন্দা খলাদীনাং সতাং চ গুণকীৰ্ত্তনম্।
এবৃত্তময়ৈঃ পদ্যৈৰৱসানে অন্যবৃত্তকৈঃ।।
নাতিস্বল্পা নাতিদীৰ্ঘা সৰ্গা অষ্টাধিকা ইহ।
নানাবৃত্তময়ঃ ক্বাপি সৰ্গঃ কশ্চন দৃশ্যতে।।
সৰ্গন্তে ভাৱিসৰ্গস্য কথয়াঃ সূচনাং ভৱেত্।
সন্ধ্যাসূৰ্যেন্দুৰজনীপ্ৰদোষধ্বান্তবাসৰাঃ।।
প্ৰাতৰ্মধ্যহ্নিমৃগয়াশৈলতুৰ্বনসাগৰাঃ।
সম্ভোগবিপ্ৰলম্ভৌ চ মুনিস্বৰ্গপুৰাধ্বৰা।।
ৰণ প্ৰয়াণোপমনমন্ত্ৰ পুত্ৰোদয়াদয়ঃ।
বৰ্ণনীয়াঃ যথাযোগং সাঙ্গোপাঙ্গা অমীহ।।
কবেৰ্বৃত্তস্য বা নাম্না নায়কস্যেতৰস্য ৱা।
নামাস্য সৰ্গোপাদেয়কথয়া সৰ্গনাম্ তু।। (সাহিত্যদৰ্পন ষষ্ঠপৰিচ্ছেদ)

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাৰতীয় আলংকাৰিকে মহাকাব্যৰ লক্ষণ কিদৰে নিৰূপন কৰিছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................

## ২.৪ অশ্বঘোষৰ কাল

অশ্বঘোষৰ আবিৰ্ভাৱ হৈছিল খ্ৰীষ্টীয় ১ম শতিকাত, ইয়াৰ প্ৰমাণ হিচাবে তলৰ যুক্তিবোৰ দেখুৱা হ'ল—

(১) চীনৰ পৰম্পৰা অনুসৰি অশ্বঘোষ কণিষ্কৰ ৰাজগুৰু আছিল।

(২) বৈভাষিক সম্প্ৰদায়ৰ "বিভাষা" নামে ভাষ্যগ্ৰন্থ ৰচনা কৰিবলৈ কণিষ্কই কাশ্মীৰত আয়োজন কৰা ৪ৰ্থ বৌদ্ধ সঙ্গীতিক অনুষ্ঠানত অশ্বঘোষে অধ্যক্ষতা কৰিছিল।

(৩) খ্ৰীঃ ৫ম শতিকামানতে অশ্বঘোষৰ 'বুদ্ধচৰিত' চীনা ভাষাত অনুদিত হৈছিল।

(৪) অশ্বঘোষ নাগাৰ্জুনৰ পূৰ্বৰ। নাগাৰ্জুনৰ স্থিতিকাল খ্ৰীষ্টীয় দ্বিতীয় শতাব্দী।

(৫) মধ্য এচিয়াত পোৱা অশ্বঘোষৰ 'চাৰিপুত্ৰ প্ৰকৰণ'ৰ আধাৰত অধ্যাপক লুডৰ্ভে প্ৰমাণ কৰিছে যে ইয়াৰ ৰচয়িতা কণিষ্ক বা হবিষ্কৰ সময়ৰ।

(৬) সমালোচকসকলে মাতৃচেতাৰ "শতপঞ্চাশিকা'ক অশ্বঘোষৰ ৰচনাশৈলীৰ দ্বাৰা প্ৰভাৱিত বুলি ক'বলৈ প্ৰয়াস কৰে।

(৭) অশ্বঘোষ 'বুদ্ধচৰিত'ৰ ২৮ সৰ্গৰ শেষত মৌৰ্য্যবংশৰ উজ্জ্বল গৌৰৱ অশোক আৰু তেওঁৰ স্তম্ভৰ উল্লেখ আছে। গতিকে, অশ্বঘোষ সম্রাট অশোকৰ পৰৱৰ্তী কৰি আছিল।

এনেবোৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি অশ্বঘোষক খ্ৰীষ্টিয় ১ম শতিকাৰ কবি হিচাবে ঠাৰৰ কৰিব পাৰি।

## ২.৫ অশ্বঘোষৰ কীৰ্তিসমূহ

চীনা পৰিব্ৰাজক হিউয়েনচাঙৰ মতে অশ্বঘোষে বৌদ্ধ দৰ্শনৰ ওপৰত চাৰিখন গ্ৰন্থ ৰচনা কৰিছিল। সেয়া হ'ল—

১। মহাযান শ্ৰদ্ধোৎপাদক সংগ্ৰহ

২। বজ্ৰসূচী

৩। গাণ্ডীস্তোত্ৰ গাথা

৪। সূত্ৰালঙ্কাৰ

ইয়াৰোপৰি তেওঁ 'বুদ্ধচৰিত' আৰু 'সৌন্দৰনন্দ' নামৰ দুখন মহাকাব্য আৰু 'চাৰিপুত্ৰ প্ৰকৰণ' নামেৰে এখন নাটক লিখে।

১। মহাযানশ্ৰদ্ধোৎপাদক সংগ্ৰহঃ—এই গ্ৰন্থখনত বৌদ্ধদৰ্শন বিষয়ক কথাৰ বৰ্ণনা আছে। বৰ্ত্তমান ইয়াক 'পৰমাৰ্থকৃত' চীন ভাষাত পোৱা যায়। জাপানী পণ্ডিত শ্ৰীসুজুকী আৰু ৰিচাৰ্ডজে ইয়াক ইংৰাজীলৈ অনুবাদ কৰিছে। অশ্বঘোষৰ এই গ্ৰন্থখনক লৈ মতভেদ পোৱা যায়। অশ্বঘোষ দুজন ব্যক্তি বুলি অনুমান কৰা হয়। কিন্তু জাপানী পণ্ডিত ড° সুজুকীৰ মতে অশ্বঘোষ এজনেই।

২। বজ্ৰসূচীঃ—চীনা পৰম্পৰা অনুসাৰে বজ্ৰসূচী অশ্বঘোষৰ ৰচিত নহয় বুলি কোৱা হৈছে যদিও বহুতো পণ্ডিতে অশ্বঘোষৰ কৰ্ত্তৃত্বৰ দাবী কৰিছে। ইয়া শ্ৰুতি, স্মৃতি, মহাভাৰত আদি উদ্ধৃতিৰ ভেটি আৰু বৰ্ণাশ্ৰম ব্যৱস্থাৰ কঠোৰ সমালোচনা কৰা হৈছে।

৩। সূত্ৰালঙ্কাৰ ঃ—এই গ্ৰন্থখনো অশ্বঘোষৰ ৰচি হয়নে নহয় এইলৈ বিবাদ আছে। পণ্ডিত লুডাৰ্চে এই গ্ৰন্থখন কুমাৰলব্ধৰ ৰচনা। কিন্তু ৪০৫ খ্ৰীঃত এই গ্ৰন্থৰ চীনা অনুবাদকৰ্ত্তা কুমাৰজীৱই ইয়াক অশ্বঘোষৰ ৰচনা বুলি কয়।

৪। গাণ্ডীস্তোত্ৰব্যাখ্যাঃ—২৯ টা স্ৰগ্ধৰা ছন্দত লিখা এখন গীতিময় কাব্য। বৌদ্ধবিহাৰবোৰত থকা 'গণ্ডী নামৰ বাদ্য-যন্ত্ৰত কোব মাৰিলে যি সমধুৰ শব্দ হয় সেইবোৰৰ বহুলভাৱে ধৰ্মগত ব্যাখ্যা কৰি গণ্ডীৰ প্ৰশংসা কৰা হৈছে।

উক্ত গ্ৰন্থকেইখন অশ্বঘোষৰেই কীৰ্তি হওক বা আন কাৰোবাৰেই হওক, এইটো নিশ্চিত যে 'বুদ্ধচৰিত', 'সৌন্দৰনন্দ' আৰু 'চাৰিপুত্ৰ প্ৰকৰণ' অশ্বঘোষৰ স্বৰচিত।

## বুদ্ধচৰিত

বুদ্ধচৰিত ২৮ টা সৰ্গৰে ৰচিত এখন মহাকাব্য। পাঁচটা সৰ্গত বুদ্ধৰ জন্মৰ পৰা আৰম্ভ কৰি অভিনিষ্ক্ৰমনলৈকে বৰ্ণনা কৰা হৈছে। ৬-৭ সৰ্গত বুদ্ধই তপোবনত প্ৰৱেশ

কৰাৰ কথা বৰ্ণনা কৰা আছে। ৮ম সৰ্গত বুদ্ধৰ গৃহত্যাগত যশোধৰাৰ বিলাপ আৰু নৱম সৰ্গত সিদ্ধাৰ্থক বিচাৰি উলিয়াৰ যত্ন কৰাৰ কথা বৰ্ণিত আছে। ১০ম সৰ্গত সিদ্ধাৰ্থই 'বুদ্ধত্ব' প্ৰাপ্ত হৈ মগধলৈ যাত্ৰা কৰাৰ বৰ্ণনা আৰু ইয়াৰ পিছৰ তিনিটা সৰ্গত সাংসাৰিক মোহবন্ধনৰ নিন্দা আৰু শেষৰ চতুৰ্দ্দশ সৰ্গত এওঁৰ পূৰ্ণ বুদ্ধত্বৰ অৱস্থাৰ বৰ্ণনা কৰা আছে। চতুৰ্দ্দশ সৰ্গৰ পৰা সপ্তদশ সৰ্গলৈকে শেষৰ প্ৰক্ষিপ্ত অংশত বুদ্ধৰ ধৰ্মপ্ৰচাৰ, বুদ্ধৰ শিক্ষণ, উপদেশ, সংঘ আৰু অশোকৰ দিনলৈকে বৌদ্ধধৰ্মৰ প্ৰচলনৰ বৰ্ণনা কৰা আছে।

ধৰ্মৰক্ষ নামৰ এজন ভাৰতীয় বৌদ্ধভিক্ষুৱে ৪১৪-৪২১ খ্ৰীঃৰ ভিতৰত ইয়াক চীনা ভাষালৈ অনুবাদ কৰে।

**সৌন্দৰানন্দ**

সৌন্দৰানন্দ অশ্বঘোষৰ কাপৰ পৰা ওলোৱা প্ৰথম মহাকাব্য। ই ১৮টা সৰ্গৰ সমষ্টি। নেপালৰ ৰাজকীয় পুথিভঁৰালত সুৰক্ষিত দুখন পাণ্ডুলিপি সম্পাদন কৰি মহামহোপাধ্যায় পণ্ডিত হৰপ্ৰসাদ শাস্ত্ৰীয়ে ইয়াক সৰ্বপ্ৰথম 'বিল্বিযোথিকা ইণ্ডিকা'ত প্ৰকাশ কৰে। বুদ্ধৰ জীৱনী আৰু তেওঁৰ বৈমাত্ৰেয় ভাই নন্দৰ বৌদ্ধধৰ্ম গ্ৰহণ আৰু সুন্দৰী আৰু নন্দৰ প্ৰণয় কাহিনীয়েই এই মহাকাব্যৰ বিষয়বস্তু।

ইয়াৰ প্ৰথম তিনিটা সৰ্গত সিদ্ধাৰ্থৰ জন্মৰ পৰা আৰম্ভ কৰি বুদ্ধত্ব প্ৰাপ্ত হৈ কপিলাবস্তুলৈকে ঘূৰি অহালৈকে বৰ্ণনা কৰা হৈছে। ৪-৫ সৰ্গত নন্দৰ অনুশোচনা হৈ বুদ্ধৰ কাষ চাপে। বুদ্ধই তেওঁক বৌদ্ধ ধৰ্মত দীক্ষিত কৰে। ষষ্ঠ সৰ্গত পতি বিযুক্তা সুন্দৰীৰ বিষাদ বৰ্ণনা। ৭ম সৰ্গত নন্দৰ মনত পত্নীৰ প্ৰতি ওপজা আসক্তি আৰু তেওঁৰ ওচৰলৈ উভতি যোৱাৰ ইচ্ছা প্ৰকাশ পাইছে। পিছৰ দুটা সৰ্গত সহযোগী এজনে নন্দক উপদেশ দিয়ে। ১০-১১ সৰ্গত নন্দৰ মনৰপৰা পত্নীৰ প্ৰতি ওপজা আসক্তি গচাবৰ বাবে যোগবিদ্যাৰ বলত নন্দক আকাশ পথেৰে লৈ গৈ অপ্সৰাসকলক দেখুৱায়। তেতিয়া নন্দৰ মনৰ পৰা পত্নীৰ প্ৰতি থকা দুখঃ আঁতৰি যায়। তেতিয়া বুদ্ধই নন্দক অপ্সৰা লাভ কৰিবলৈ তপস্যা কৰিবলৈ কয়। ১২শ সৰ্গত এজন ভিক্ষুৱে নন্দক জানিবলৈ দিয়ে যে তেওঁৰ তপস্যাৰ উদ্দেশ্যে তেওঁক আনৰ হাঁহিয়াতৰ পাত্ৰ কৰি তুলিছে। ইয়াৰ পিছত এই সৰ্গত নন্দৰ মন বুদ্ধত্বৰ প্ৰতি উন্মুখ আৰু সকলো পৰিত্যাগ কৰি বুদ্ধত্বৰ প্ৰতি উন্মুখ আৰু সকলো পৰিত্যাগ কৰি বুদ্ধত শৰণ, ত্ৰয়োদশ সৰ্গত নন্দৰ প্ৰতি বুদ্ধৰ শিক্ষা আৰু ১৭-১৮ সৰ্গত নন্দৰ সমাধিস্থৰ স্বৰূপ বৰ্ণনা কৰা আছে।

উক্ত দুখন মহাকাব্যৰ উপৰিও চাৰিপুত্ৰ প্ৰকৰণ নামৰ এখন নাটক (প্ৰকৰণ) ৰচনা কৰে।

**চাৰিপুত্ৰ প্ৰকৰণ**

ই অশ্বঘোষৰ নটা অঙ্কৰ এখন প্ৰকৰণ। ইয়াৰ কথা অংশ বৌদ্ধধৰ্মৰ লগত জড়িত। ইয়াত মৌদ্‌গল্যায়ণ আৰু চাৰিপুত্ৰক বুদ্ধই দীক্ষা দি শিষ্য কৰি লয়। ইয়াত প্ৰমুখ চৰিত্ৰ বিলাক হ'ল সোমদত্ত, ৰাজকুমাৰ, দাস-দাসী, বিদুষক আৰু গণিকা আদি। শেষত চাৰিপুত্ৰ আৰু বুদ্ধৰ দাৰ্শনিক বাৰ্তালাপেৰে নাটকখন সমাপ্ত হৈছে।

## ২.৬ অশ্বঘোষৰ কবিপ্ৰতিভা

অশ্বঘোষৰ কাব্যিক ধাৰণা কালিদাস বা তেওঁৰ উত্তৰকালৰ কৱি সকলৰ পৰা সকীয়া আছিল। কালদাস আছিল ৰসৱাদী কবি আৰু ভাৰৱি, মাঘ, শ্ৰীহৰ্য প্ৰভৃতি আছিল অলঙ্কাৰৰ চমৎকাৰিত্বত বিশ্বাসী কবি। অশ্বঘোষে এওঁলোকৰ পন্থা দুটাৰ এটাকো নিজৰ কাব্যত প্ৰদৰ্শন কৰা নাই। তেওঁৰ কলাত্মক দৃষ্টিকোন নিশ্চিতৰূপে উপদেশাত্মক বা প্ৰচাৰমুখী আছিল। অশ্বঘোষৰ কাব্যৰ গুণ হৈছে সৰলতা, মধুৰতা, লালিত্য আৰু সমাসহীন শব্দ সম্বলিত। অশ্বঘোষে ব্যৱহাৰ কৰা অলঙ্কাৰসমূহ হৈছে—উপমা, ৰূপক, উৎপ্ৰেক্ষা আদি। তেওঁৰ সহজ সৰল ৰচনাৰীতিৰ উদাহৰণ “দীপো যথা নিবৃত্তিমভূ—পেতা” (সৌন্দৰানন্দ ১৬/২৮-২৯) শ্লোকত সুন্দৰকৈ ফুটি ওলাইছে। উপমা প্ৰয়োগতো তেওঁৰ দক্ষতাৰ পৰিচয় পোৱা যায়। যেনে—

তংগৌৰৱং বুদ্ধতগং চকৰ্য ভাৰ্যানুৰাগঃ পুণৰাচকৰ্য।

সোহনিশ্চয়ান্নাপি—যযৌ নতস্থৌ তৰংস্তৰঙ্গেষ্বিৱ ৰাজহংস।।

(সৌন্দৰানন্দ—৪/৪২)

অৰ্থাৎ “এফালে বুদ্ধৰ গৌৰৱে নন্দক আকৰ্ষণ কৰিছিল আৰু আনফালে পত্নীপ্ৰেমে তেওঁক আকৰ্ষণ কৰিছিল। পানীৰ তৰঙ্গত সাঁতুৰি ফুৰা ৰাজহাঁহৰ দৰে তেওঁৰ অৱস্থা নযযৌ ন তস্থৌ যেন হৈছিল।”

সৌন্দৰানন্দৰ মন নিজ ভাৰ্যাৰ প্ৰতি ইমান আসক্ত আছিল যে হাজাৰ যত্ন কৰিও তেওঁ সন্ন্যাস ধৰ্মত মন দৃঢ় কৰিব নোৱাৰিলে। সন্ন্যাসীক ঘৰলৈ ওভটাই অনা অনুচিত বুলি কোৱা অশ্বঘোষৰ কবিতাংশ অতি সুন্দৰ।

অশ্বঘোষ কৰুণ ৰস বৰ্ণনাতো নিপুণ। দুয়োখন মহাকাব্যত ৰসক উদ্দীপ্ত কৰা নন্দৰ পত্নীৰ বিলাপ, পত্নীৰ বাবে নন্দৰ বিলাপ, সিদ্ধাৰ্থৰ গৃহত্যাগৰ সময়ত যশোধৰাৰ বিলাপ আদি অনেক ৰসময় প্ৰসঙ্গ চিত্ৰিত কৰিছে। অশ্বঘোষে বাল্মীকিৰ দৰে কাব্যৰ মৰ্মজ্ঞ অনুশীলন কৰা দেখা যায়।

## ২.৭ সাৰাংশ (Summing Up)

মহাকাব্য ভাৰতীয় সাহিত্যৰ এক বিশিষ্ট অংগ। যদিও বেদতে মহাকাব্যৰ বীজ ৰোপিত হৈছে তথাপি অশ্বঘোষৰ বুদ্ধচৰিত লৌকিক মহাকাব্যৰ নিদৰ্শন পোৱা যায়। অশ্বঘোষ বৌদ্ধ দাৰ্শনিক আছিল। তেওঁৰ দুখন মহাকাব্য বুদ্ধচৰিত আৰু সৌন্দৰানন্দত বুদ্ধদেৱৰ জীৱন, কৰ্মৰাজি আৰু দৰ্শন উপস্থাপিত হৈছে। অশ্বঘোষ প্ৰথম শতিকাৰ লোক।

## ২.৮ আৰ্হি প্ৰশ্ন (Sample Question)

১। অশ্বঘোষৰ ৰচনাসমূহৰ এটি আলোচনা কৰক।

২। চমু টোকা লিখক—বুদ্ধচৰিত, সৌন্দৰানন্দ।

## ২.৯ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


| | | |
|---|---|---|
| থানেশ্বৰ শৰ্মা | : | সংস্কৃত সাহিত্যৰ ইতিবৃত্ত |
| গৌৰী নাথ শাস্ত্ৰী | : | সংস্কৃত সাহিত্যৰ ইতিহাস |
| A.B. Keith | : | History of Sanskrit Literature |
| M. Winternitz | : | History of Indian Literature |
| C.K. Raja | : | Survey of Sanskrit Literature |

## তৃতীয় বিভাগ
## কাব্যৰ অভ্যুত্থান ঃ কালিদাসৰ যুগ

**বিভাগৰ গঠন ঃ**


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ কালিদাসৰ জীৱন চৰিত

৩.৪ কালিদাসৰ আৱিৰ্ভাৱ কাল

৩.৫ কালিদাসৰ জন্মস্থান

৩.৬ কালিদাস শাস্ত্ৰবৈদগ্ধ

৩.৭ কালিদাসৰ ৰচনাৰাজি

৩.৮ কুমাৰ সম্ভৱ

৩.৮.১ কুমাৰ সম্ভৱ কাব্যৰ কথাবস্তু

৩.৮.২ কুমাৰ সম্ভৱ কাব্যৰ সাহিত্যিক সমীক্ষা

৩.৯ ৰঘুবংশম্

৩.৯.১ ৰঘুবংশম্ কাব্যৰ বিষয়বস্তু

৩.৯.২ ৰঘুবংশম্ কাব্যৰ উৎস

৩.৯.৩ ৰঘুবংশম্ কাব্যৰ সাহিত্যিক সমীক্ষা

৩.১০ উপমা কালিদাসস্য

৩.১১ কালিদাসৰ সমসাময়িক অন্যান্য কবিসকল

৩.১১.১ প্ৰৱৰসেন

৩.১১.২ কুমাৰ দাস

৩.১২ সাৰাংশ (Summing Up)

৩.১৩ আৰ্হি প্ৰশ্ন (Sample Question)

৩.১৪ প্ৰসংগ গ্ৰন্থ (Refferences/ Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

জগতৰ সুখ্যাত কবিসকলৰ ভিতৰত মহাকবি কালিদাস অগ্ৰগণ্য। ভাৰতৰ ন-পুৰণি পণ্ডিতসকলে একবাক্যে এওঁক কবি কুল গুৰু বুলি স্বীকাৰ কৰিছে। পাশ্চাত্যৰ পণ্ডিত ছাৰ উইলিয়াম জোন্সে কবিজনৰ নাট্যৰত্ন ‘অভিজ্ঞানশকুন্তলম’ৰ সৌন্দৰ্য্যত বিমোহিত হৈ কবিজনক ভাৰতৰ শ্বেক্সপীয়াৰ বুলি অভিহিত কৰিছে। বাল্মীকি আৰু ব্যাসৰ পিছতে কালিদাসক তৃতীয়জন প্ৰসিদ্ধ মান্য কবি বুলি কোৱা হয়। কিন্তু দুখৰ বিষয় এয়ে যে কালিদাসৰ জীৱনী আৰু আবিৰ্ভাৱ কালসম্বন্ধে আজিও পণ্ডিতসকলৰ মাজত বিবাদৰ অন্ত পৰা নাই। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্মভূমি কাশ্মীৰ, কিছুমানৰ মতে বিদিশা আৰু কিছুমানৰ মতে উজ্জয়িনী। আটাইতবোৰ মন্তব্য অনুশীলন কৰি এটা সিদ্ধান্তত

উপনীত হৈছে যে তেওঁৰ জন্মস্থান উজ্জয়িনী। দণ্ডীৰ 'অৱন্তীসুন্দৰীকথা'ৰ এটা শ্লোকত কালিদাসৰ জন্মস্থান সম্বন্ধে কোৱা আছে —

লিপ্তা মধুদ্রবেনাসন যস্য নির্বিশা গিৰঃ।

তেনেদং বৰ্ত্মবৈদৰ্ভং কালিদাসেন শোধিতম্।।

### ৩.২ উদ্দেশ্য (Objectives)

মহাকৱি কালিদাস ভাৰতীয় সাহিত্যত এক যুগস্রষ্টা কবি। এইজন বিশ্ববিখ্যাত কবিৰ জীৱন আৰু মহাকাব্যসমূহৰ পৰিচয় দাঙি ধৰাই এই পাঠটিৰ উদ্দেশ্য। এই পাঠটি পঢ়ি আপুনি

- কালিদাসৰ পৰিচয় জানিব পাৰিব
- কালিদাসৰ দ্বাৰা বিৰচিত মহাকাব্য দুখনৰ পৰিচয় আৰু সমীক্ষা লাভ কৰিব
- কালিদাসৰ সমসাময়িক কৱি প্ৰৱৰসেন, কুমাৰ দাস আদি কৱিৰ ৰচনাৱলীৰ বিষয়ে সম্যক ধাৰণা পাবলৈ সক্ষম হ'ব
- কালিদাসৰ পৰৱৰ্তী কালৰ ভট্টি, মাঘ, ভাৰৱি শ্ৰীহৰ্ষ আদি মহাকাব্যকাৰৰ সৃষ্টিৰাজিৰ লগতো পৰিচিত হ'ব পাৰিব

### ৩.৩ কৱিৰ জীৱন চৰিত

কালিদাসৰ জীৱন চৰিত সম্বন্ধে অনেক মুখৰোচক কিংবদন্তীহে শুনা যায়। কোৱা হয় যে তেওঁ ব্ৰাহ্মণ কুমাৰ হৈও গৰু চৰাই পেট প্ৰৱৰ্তন কৰিছিল। জনদিয়েক পণ্ডিতৰ ছল-চাতুৰীত পৰি তেওঁ এগৰাকী বিদুষী ৰাজকুমাৰীক বিয়া কৰাবলগীয়া হয়। তেওঁ জ্ঞান আৰু সংস্কাৰশূন্য হৈ নৱবিবাহিত পত্নীৰ হাতত লাঞ্ছিত হৈ ঘৰৰ পৰা ওলাই যায়। তাৰ পিছত তেওঁ দেৱী কালিকাৰ উপাসনা কৰি কবিত্ব শক্তি লাভ কৰে। তাৰ পাছত ঘৰলৈ আহিলত পত্নীয়ে প্ৰশ্ন কৰে 'অস্তি কশ্চিদ বাগবিশেষঃ'। তেতিয়া কালিদাসে পত্নীৰ প্ৰশ্নৰ প্ৰতি শব্দক প্ৰতীক হিচাপে লৈ চাৰিখন অমৰ কাব্য ৰচনা কৰে। 'অস্তি' শব্দেৰে (অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়) কুমাৰ সম্ভৱ, 'কশ্চিদ' শব্দেৰে (কশ্চিৎকান্তাৱিহ গুৰুণা) মেঘদূত, বাক শব্দেৰে (বাগাৰ্থাৱিৱ্ সম্পৃক্তৌ) ৰঘুবংশ আৰু 'বিশেষ' শব্দেৰে (বিশেষ সূৰ্যঃ স্পৃহনীয়শ্চন্দ্ৰমা) ঋতুসংহাৰ নামেৰে চাৰিখন কাব্য ৰচনা কৰে।

প্ৰসিদ্ধ জৈন কবি মেৰুতুঙ্গঁৰ মতে, কালিদাসে পণ্ডিত বৰৰুচিৰ প্ৰৰোচনা আৰু চক্ৰান্তত পৰি বিক্ৰমাদিত্যৰ জীয়েক প্ৰিয়ঙ্গুঁমঞ্জৰীক বিয়া কৰাইছিল আৰু মুৰ্খতাৰ হেতুকে পত্নীৰ হাতত লাঞ্ছিত হৈ কালিকাৰ উপাসনা কৰি কবিত্ব শক্তি লাভ কৰে।

এই কাহিনীসমূহৰ উপৰিও কালিদাসৰ জীৱন চৰিত সম্বন্ধে বহুতো কাহিনী পোৱা যায়। কিংবদন্তী অনুসাৰে জনা যায় যে কালিদাস পত্নীৰ অভিশাপত স্ত্ৰীৰ হাতত মৃত্যুমুখত পৰিবলগীয়া হয়। সিংহলৰ ৰজা কুমাৰদাসৰ অতিথি হোৱাৰ সময়ত এজনী লোভসম্পন্না বাৰ-বণিতাৰ হাতত কালিদাস নিহত হয়।

### ৩.৪ কালিদাসৰ আবিৰ্ভাৱ কাল

কালিদাসৰ আবিৰ্ভাৱ কাল সম্বন্ধে কোনো নিশ্চিত সিদ্ধান্ত হোৱা নাই। সেই বাবে পণ্ডিতসকলে কিছুমান বহিঃ আৰু আন্তঃ প্ৰমাণৰ ওপৰত ভিত্তি কৰি কবিজনৰ কাল নিৰূপণ কৰিবলৈ যত্ন কৰিছে। তলত তাৰে কিছুমান যুক্তি দাঙি ধৰা হ'ল—

(১) পৰম্পৰা মতে বিশ্বাস কৰা হয় যে কালিদাসে কোনো বিক্ৰমাদিত্যৰ সভাৰ নৱৰত্নৰ অন্যতম আছিল। ফাৰ্গুচনৰ মতে যি বিক্ৰমাদিত্যৰ সভাত কালিদাসে বিৰাজ কৰিছিল তেওঁ ম্লেছসকলক পৰাস্ত কৰিছিল ৫৪৪ খৃষ্টাব্দত। ফ্লিটৰ মতে ৫৪৪ খৃষ্টাব্দৰ আগতে বিক্ৰমাব্দক মালবাব্দ বোলা হৈছিল। তেওঁৰ মতে ৫৪৪ খৃষ্টাব্দত তেনে কোনো যুদ্ধ হোৱাৰ প্ৰমাণ নাই।

(২) বিক্ৰমাদিত্যৰ ৰাজসভাত বিৰাজ কৰা পণ্ডিতসকলৰ মাজত কালিদাসো আছিল বুলি 'জ্যোতিৰ্বিদ্যাভৰণ নামে গ্ৰন্থত ২২/২০ ত কোৱা হৈছে—

ধন্বন্তৰি ক্ষপণকামৰসিংহশঙ্কুঁ বেতালভট্ট ঘটকৰ্পৰ কালিদাসাঃ।

খ্যাতো বৰাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি বৈ বৰৰুচিৰ্ণৰ বিক্ৰমস্য।।

ধন্বন্তৰী, ক্ষপণক, অমৰসিংহশঙ্কুঁ, বেতালভট্ট, ঘটকপৰ্ব, কালিদাস, বৰাহমিহিৰ আৰু বৰৰুচি এই নজনক যদিও সমকালীন বুলি কোৱা হৈছে, তথাপি পণ্ডিতসকলে এতিয়া তেওঁলোক সমকালীন নাছিল বুলিহে কয়। তথাপি এচাম পণ্ডিতে কালিদাসক বিক্ৰমাদিত্যৰ সমকালীন বুলি কয়। অৱশ্যে জনদিয়েক পণ্ডিতে কালিদাসক মালৱৰ ৰজা মহেন্দ্ৰাদিত্যৰ পুত্ৰ বিক্ৰমাদিত্য বিষমশীলাই শকসকলক পৰাস্ত কৰিছিল। তেওঁ খৃঃ পূঃ ৫৭ৰ পৰা বিক্ৰম সম্বৎ প্ৰচলন কৰে। কালিদাস হেনো এইজন বিক্ৰমাদিত্যৰ সভাকবি আছিল। সঁচা হ'লে কালিদাসৰ কাল খৃঃ পূঃ ১ ম শতিকা হ'ব।

(৩) কালিদাসে তেওঁৰ নাটক 'মালবিকাগ্নিমিত্ৰম্' প্ৰস্তাৱনাত মহাকবি ভাসৰ নামোল্লেখ কৰি কৈছে—

'প্ৰথিতযশসাং ভাসসৌমিল্লকবি পুত্ৰাদীনাং প্ৰৱন্ধানতি ক্ৰম্য বৰ্তমান কবেঃ কালিদাসস্য ক্ৰিয়ামিমাং দ্ৰষ্টুং কথং পৰিষদো বহুমানঃ।'

নাট্যকাৰ ভাসৰ প্ৰভাৱ কালিদাসৰ ওপৰত পৰা কথা পণ্ডিতসকলে স্বীকাৰ কৰে। এ বি পুশলকৰে ভাসৰ আবিৰ্ভাৱকাল খৃঃ পূঃ ৪ৰ্থ শকিতা বুলি নিৰূপণ কৰিছে। গতিকে কালিদাসৰ কাল কমেও খৃঃপূঃ ১ম শতিকা হ'ব পাৰে।

(৪) কিছুমান পণ্ডিতে কালিদাসক গুপ্তকালত আবিৰ্ভাৱ বুলি কয়। তেওঁলেকে কবিজনৰ কালৰ দুই সীমা নিৰ্ধাৰণ কৰে। সেইদৰে মান্দাচোৰ শাসনাৱলীয়েও (খৃঃপূঃ ৪৭৩) কালিদাসৰ সময় নিৰূপণত সহায় কৰে। এই লেখৰ কবি বৎসভট্টিয়েও প্ৰশস্তি ৰচোতে কালিদাসৰ মেঘদূতৰ শ্লোকৰ অনুসৰণ কৰে। গতিকে, কবিজনৰ কাল ৪৫০ খৃষ্টাব্দৰ পূৰ্বত হোৱা স্বাভাৱিক।

আনহাতে, ভি ভি মিৰাশীয়ে কয় যে কালিদাসে অভিজ্ঞান শকুন্তলম নাটকৰ চতুৰ্থ অংকৰ 'শুশ্ৰূষষ্ব গুৰণ (৪/১৮) আদি শ্লোকত বাৎসায়নৰ কাম সূত্ৰত বিহিত গৃহিণীৰ কৰ্তব্যসমূহৰ আধাৰত ৰচিছে। বাৎসায়নে তেওঁৰ গ্ৰন্থত বৎসগুল্ম নগৰৰ অধিবাসীসকলৰ আচাৰ-ব্যৱহাৰৰ কথা লিখিছে। বাকাটক বংশৰ এটি শাখাই চতুৰ্থ শতিকাৰ

প্ৰথমভাগত বৎসগুল্মত ৰাজত্ব কৰিছিল বুলি জনা যায়। সেয়ে কালিদাসক ৩৫০ খৃষ্টাব্দৰ পৰৱৰ্তী কবি বুলি নিশ্চিত কৰিব পাৰি।

এতিয়া বিচাৰ্য বিষয় হৈছে

(১) ৩৫০-৪৫০ খৃষ্টাব্দৰ ভিতৰত দেশত শান্তিময় আৰু প্ৰাচুৰ্য্যপূৰ্ণ ৰাজনৈতিক অৱস্থাবিৰাজ কৰিছিল নে নাই।

(২) সেই এশবছৰীয়া কালছোৱাত উজ্জয়িনীত বিক্ৰমাদিত্য উপাধি বিশিষ্ট ৰজাই ৰাজত্ব কৰিছিল নে নাই?

(৩) তদুপৰি উক্ত ৰজাজনে বহিৰাগত শকসকলক দমন কৰি শকাৰি উপাধি লৈছিল নে নাই?

উক্ত এশবছৰৰ (৩৫০-৪৫০) খৃঃৰ ভিতৰত গুপ্তবংশৰ সমুদ্ৰগুপ্তৰ আত্মজ চন্দ্ৰগুপ্ত দ্বিতীয়ই উজ্জয়িনীত ৰাজত্ব কৰিছিল। তেওঁ ৩৯৫ চনত মালৱ আৰু সৌৰাষ্ট্ৰৰ শক ক্ষত্ৰপসকলে নিৰ্মূল কৰিছিল বুলি জনা যায়। তেওঁ এজন বিদ্যোৎসাহী ৰজা আছিল। তেওঁ সংস্কৃত পণ্ডিত, বিদ্বান আদিৰ পৃষ্ঠপোষকতাও কৰিছিল।

পৰম্পৰা অনুসৰি কবি কালিদাসে 'সেতুবন্ধ' কাব্যৰ প্ৰণেতা প্ৰবৰসেনক সহায় কৰিছিল। এই প্ৰৱৰসেনক চন্দ্ৰগুপ্তৰ জীয়েক প্ৰভাৱতীৰ পুত্ৰ (বাকাটবংশীয়) দ্বিতীয় প্ৰৱৰসেন বুলি ধৰা হয়। আকৌ এই প্ৰভাৱতীক বাকাটৰু ৰাজকুমাৰ ৰুদ্ৰসেন দ্বিতীয়লৈ বিয়া দিয়া উপলক্ষে কবি কালিদাসে মালবিকাগ্নিমিত্ৰম্ নাটক ৰচা কৰিছিল বুলি কোৱা হৈছে। দ্বিতীয় চন্দ্ৰ গুপ্তৰ আদেশত প্ৰভাৱতীৰ পুত্ৰ দিবাকৰসেনৰ দেৱানৰূপে কাৰ্যনিৰ্বাহক কৰিবলৈ বাকাটত থাকোতেই কবি কালিদাসে মেঘদূত ৰচনা কৰে বলি কোৱা হয়। 'বিক্ৰমোৰ্বশীয়ম' নাটকৰ নামত থকা 'বিক্ৰম' শব্দটোৱে দ্বিতীয় চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ কথাকে সূচায়। চন্দ্ৰগুপ্তৰ পুত্ৰ কুমাৰগুপ্তৰ জন্মক সৰোগত কৰি কবিয়ে 'কুমাৰ সম্ভৱ' কাব্য ৰচনা কৰে বলি অনুমান কৰা হয়। আকৌ ৰঘুবংশত (৪ৰ্থ সৰ্গত) বৰ্ণিত ৰঘুৰ দিগ্বিজয়ে চন্দ্ৰগুপ্তৰ দিগ্বিজয়কে বুজায় বুলি কোৱা হৈছে। দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্বকাল ৩৮০খৃঃৰ পৰা ৪১২খৃষ্টাব্দৰ ভিতৰত পৰে। কালিদাস সম্ভৱতঃ দ্বিতীয় চন্দ্ৰগুপ্ত আৰু কুমাৰগুপ্তৰ ৰাজত্বকালত জীয়াই আছিল। আনকি তেওঁ স্কন্দগুপ্তৰ ৰাজত্ব কাললৈকে আছিল বুলিও ক'ব পাৰি।

**৩.৫ কালিদাসৰ জন্মস্থান**

মহাকবি কালিদাসৰ জন্মস্থান সম্বন্ধেও পণ্ডিতসকলে বিভিন্ন মত পোষণ কৰে। ভাৰতবৰ্ষৰ প্ৰায়বোৰ অঞ্চলে কবিজনক নিজ নিজ অঞ্চলৰ লোক বুলি দাবী কৰে। বংগৰসকলে বংগৰ বুলি, বিহাৰ-উত্তৰ প্ৰদেশৰ লোকে উত্তৰ ভাৰতৰ বুলি, কাশ্মীৰৰ লোকে কাশ্মীৰৰ বুলি আৰু মহাৰাষ্ট্ৰীসকলে সেই প্ৰদেশৰ বুলি দাবী কৰে। তথাপি নিৰপেক্ষ পণ্ডিত দুই-এজনে কবিকৃত ঠাইৰ বৰ্ণনাৰ ওপৰত ভেটি কৰি তেওঁ জন্মত কাশ্মীৰি আৰু বসতিত উজ্জনিয়ী বুলি ঠাৱৰ কৰিছে। মেঘদূত কাব্যত কাশ্মীৰৰ শোভাসমৃদ্ধ অলকানগৰীৰ বৰ্ণনা আৰু মধ্যভাৰতৰ উজ্জয়িনীৰ প্ৰতি কবিৰ পক্ষপাত পূৰ্ণ বৰ্ণনালৈ চাই সেয়া সম্ভৱ যেন অনুমান হয়। যথাৰ্থতে মহাকবি কালিদাসে ভাৰতীয় সমাজ-সংস্কৃতিৰ জীৱন্ত ছবি অংকণ কৰি নিজকে ভাৰতীয় লোক ভিন্ন অন্য নহয় বুলি প্ৰমাণ কৰিছে।

**৩.৬ কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্য**

মহাকবি কালিদাস এজন বিদগ্ধ পণ্ডিত আছিল। তাহানিৰ গুৰুকুল বিদ্যালয়ৰ সৈতে তেওঁ সুপৰিচিত আছিল। কিম্বদন্তীৰ মতে তেওঁ কালিকাৰ বৰত কবিত্ব শক্তি লাভ কৰিলেও তাত তেওঁৰ শাস্ত্ৰবৈদগ্ধ্যৰ কোনো ইংগিত পোৱা নাযায়। প্ৰকৃততে তেওঁ কোনো গুৰুকুলত থাকি সমস্ত শাস্ত্ৰচয়ৰ ওপৰত ব্যুৎপত্তি লাভ কৰিছিল বুলিহে আমাৰ ধাৰণা হয়। কাৰণ তেওঁৰ গ্ৰন্থসমূহৰ ছত্ৰে ছত্ৰে তেওঁৰ শাস্ত্ৰবিদগ্ধতাৰ পৰিচয় পোৱা যায়। তেওঁ বেদ-বেদান্ত, বেদাংগ, ধৰ্মশাস্ত্ৰ, ৰামায়ণ, মহাভাৰত, মীমাংসা-বেদান্ত প্ৰভৃতি ষড়দৰ্শন, ব্যাকৰণ, নীতিশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, কামশাস্ত্ৰ, আয়ুৰ্বেদ, জ্যোতিষ, নাট্যশাস্ত্ৰ, অলংকাৰশাস্ত্ৰ আদিৰ গভীৰ জ্ঞানেৰে অন্বিত আছিল। সংগীত-নৃত্যকলা আদিৰ উপৰিও চিত্ৰকলা, বাস্তুকলা আদিৰ জ্ঞানো অৰ্জন কৰিছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্য সম্পৰ্কে চমু টোকা লিখক। (৫০ টা শব্দৰ ভিতৰত লিখক)

......................................................................................
......................................................................................
......................................................................................
......................................................................................
......................................................................................
......................................................................................

### ৩.৭ কালিদাসৰ ৰচনাৰাজি ঃ

মহাকবি কালিদাসৰ নামত অনেক গ্ৰন্থ প্ৰচলিত হৈ থাকিলেও পণ্ডিতসকলে নিম্নোক্ত সাতখন গ্ৰন্থহে তেওঁৰ প্ৰকৃত ৰচনা বুলি ক'ব খোজে। ৰচনাৰ ক্ৰম অনুসৰি গ্ৰন্থ কেইখন—

(১) ঋতুসংহাৰম্
(২) মালবিকাগ্নিমিত্ৰম্
(৩) কুমাৰ সম্ভৱম্
(৪) বিক্ৰমোধশীয়ম্
(৫) মেঘদূতম্
(৬) অভিজ্ঞানশকুন্তলম্
(৭) ৰঘুবংশম্

ইয়াৰ ভিতৰত 'ঋতুসংহাৰ' আৰু 'মেঘদূত' খণ্ডকাব্য। কুমাৰ সম্ভৱম আৰু ৰঘুবংশম্ মহাকাব্য। মালবিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্ এই তিনিখন নাটক।

ইয়াত মহাকাব্য দুখনৰ বিষয়ে আলোচনা কৰা হ'ব। খণ্ডবাক্য দুখন গীতিকাব্যৰ সৈতে আৰু নাটককেইখন অন্য নাটকৰ সৈতে বৰ্ণনা কৰা হ'ব।

### ৩.৮ কুমাৰ সম্ভৱ

মহাকবি কালিদাসৰ বিৰচিত 'কুমাৰ সম্ভৱ' আৰু 'ৰঘুবংশ' পঞ্চ মহাকাব্যৰ ভিতৰত অন্যতম। ভাৰতীয় পৰম্পৰা অনুসৰি কুমাৰসম্ভৱ বাইশটা সৰ্গত কবিয়ে ৰচনা কৰিছিল। এতিয়া পোৱা গ্ৰন্থৰ পাণ্ডুলিপিত মাত্ৰ সোঁতৰতা সৰ্গহে পোৱা গৈছে। অনেক পাণ্ডুলিপি আকৌ সপ্তম বা অষ্টম সৰ্গতে সীমাবদ্ধ। মল্লিনাথৰ টীকাও অষ্টম মৰ্গতে সামৰণি পৰিছে। সেই বাবে 'কুমাৰসম্ভৱ' কাব্যখন কবিয়ে কোনটো সৰ্গলৈ ৰচনা কৰিছিল তাক নিশ্চিতকৈ কোৱা টান।

সকলো দিশ ফঁহিয়াই চাই আৰ ভি কৰ্মকাৰে মত প্ৰকাশ কৰে যে ১-৮ সৰ্গ নিশ্চিতভাৱে কালিদাসৰ ৰচনা, ৯-১০ সৰ্গ দুটাও সম্ভৱতঃ একেজন কবিৰে ৰচনা বুলিব পাৰি আৰু ১১-১৭ সৰ্গকেইটা কালিদাসৰ ৰচনা বুলি কোৱাটো সম্ভৱ নহয়।

### ৩.৮.১ কুমাৰ সম্ভৱ কাব্যৰ কথাবস্তু

কুমাৰ সম্ভৱৰ ১-৮ মৰ্গৰ কথাবস্তু এনেধৰণৰ—প্ৰৱল প্ৰতাপী তাৰকাসুৰৰ অত্যাচাৰ-উৎপীড়নত অতিষ্ঠ হৈ তাৰ প্ৰতিকাৰ বিচাৰি সৰ্গৰ দেৱতাসকলে সমবেত হৈ ব্ৰহ্মাক সাক্ষাৎ কৰে। সৰ্বজ্ঞ ব্ৰহ্মাদেৱে তেওঁলোকক উপদেশ দিলে যে শিৱ আৰু পাৰ্বতীৰ মিলনৰ ফলত উদ্ভৱ হোৱা পুত্ৰৰ হাততহে তাৰকাসুৰৰ মৃত্যু হ'ব। সম্প্ৰতি মহাদেৱ তপস্যাত নিমগ্ন। পাৰ্বতীয়ে তেওঁৰ আলপৈচান ধৰি আছে। পাৰ্বতীৰ প্ৰতি শিৱ আকৃষ্ট হ'লেহে তেওঁলোকৰ মিলন হ'ব আৰু পুত্ৰ সম্ভৱ হ'ব। ব্ৰহ্মাৰ কথা শুনি ইন্দ্ৰই মদনক মাতি আনি শিৱ আৰু পাৰ্বতীৰ মিলন সোনকালে কৰিবলৈ ক'লে। মদনে পত্নী ৰতি আৰু বন্ধু বসন্তক লগত লৈ শিৱৰ সমাধিস্থানত উপস্থিত হ'ল আৰু বসন্তই অকালবসন্ত সৃষ্টি কৰিলে কামদেৱে শিৱক পাৰ্বতীৰ প্ৰতি আকৃষ্ট কৰিবলৈ কামবাণ নিক্ষেপ কৰিবলৈ যত্নপৰ হ'ল। তেতিয়া মহাদেৱে তেওঁৰ নিৰ্বিকল্প সমাধিত ব্যাঘাত পাই ক্ৰোধাগ্নিৰে মদনক ভস্মীভূত কৰলে। পতিহীনা ৰতিৰ বিলাপে পাৰ্বতীৰ কোমল অন্তৰত কাৰুণ্যই আলোড়ণ তুলিলে। দৈহিক সৌন্দৰ্য্যৰে শিৱক লাভ কৰিব নোৱাৰি পিতৃৰ অনুমতি লৈ কঠোৰ তপস্যাত নিমগ্ন হ'ল। পাৰ্বতীৰ তপস্যাত সন্তুষ্ট হৈ শিৱই ব্ৰাহ্মণৰ বেশ ধৰি পাৰ্বতীৰ শিৱই পাৰ্বতীৰ পাণি-প্ৰাৰ্থনা কৰিবলৈ সপ্তৰ্ষিক দূত হিচাপে হিমালয়ৰ ওচৰলৈ পঠিয়ালে। হিমালয়ে সানন্দে জীয়েকক শিৱলৈ বিয়া দিবলৈ সন্মতিজ্ঞাপন কৰিলে। প্ৰেম পৰিণয়ত পৰিণত হ'ল। গন্ধমাৰ্দন আৰু কৈলাশ পৰ্বত শিৱ আৰু পাৰ্বতীয় প্ৰণয়কুঞ্জ আৰু সম্ভোগ লীলা ক্ষেত্ৰত পৰিণত হ'ল। ফলস্বৰূপে তাৰকাসুৰ বধৰ বাবে দেৱ সেনাপতি জন্মাৰ সম্ভাৱনাই দেখা দিলে।

উক্ত কাহিনীটোক কালিদাসে আঠটা সৰ্গত বৰ্ণনা কৰিছে। সমগ্ৰ প্ৰথম সৰ্গটো হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা আৰু পাৰ্বতীৰ শাৰীৰিক সৌন্দৰ্য্যৰ বৰ্ণনাৰে সমাপ্ত কৰিছে। দ্বিতীয় সৰ্গত সৰ্বকতৃত্বময় ব্ৰহ্মা আৰু তাৰকাসুৰৰ অত্যাচাৰৰ প্ৰাঞ্জল বৰ্ণনা বিদ্যমান। তৃতীয় সৰ্গত মনোহৰ বসন্ত বৰ্ণনাৰ লগতে শিৱ আৰু পাৰ্বতীৰ বৰ্ণনা কৰা হৈছে। ইয়াৰ বৰ্ণনাসমূহত কবিৰ কল্পনা মনৰ পৰিচয় পোৱা যায়। চতুৰ্থসৰ্গতো ৰতিৰ বিলাপে কৰুণৰসসিক্ত কৰিছে। পঞ্চমসৰ্গত পাৰ্বতীৰ তপস্যা আৰু পাৰ্বতীৰ পৰীক্ষা বিৱৰণ। ষষ্ঠ সৰ্গত সপ্তৰ্ষি আৰু হিমালয়ত থকা ঔষধি প্ৰস্থৰ যথাৰ্থ বৰ্ণনাৰে ভৰপূৰ। সপ্তম সৰ্গত শিৱ-পাৰ্বতীৰ জাকজমকতাপূৰ্ণ বিবাহৰ বৰ্ণনা আছে। অষ্টম মৰ্গত শিৱ-

পাৰ্বতীৰ সম্ভোগৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰিলেও তাত থকা প্ৰভাত আৰু সন্ধ্যা বৰ্ণনাৰ চিত্ৰবোৰ নিতান্ত মৰ্মস্পৰ্শী।

পৰৱৰ্তী নটা সৰ্গৰ সাৰাংশ এনেকুৱা —

বিবাহৰ পিছত শিৱ আৰু পাৰ্বতীয়ে সম্ভোগক্ৰিয়াত বিভোৰ হৈ শ শ ঋতু অতিবাহিত কৰিলত দেৱবৃন্দই ধৈৰ্য হেৰুৱালে। অগ্নিক কপৌ চৰাইৰ ৰূপত শিৱ আৰু পাৰ্বতীৰ লীলাধামলৈ পঠিয়ালে। অগ্নিৰ আগমনত শিৱ পোনতে ক্ৰোধাবিষ্ট হ'ল। কিন্তু অগ্নিয়ে তেতিয়া ক'লে যে দেৱবন্দৰ অনুৰোধ ক্ৰমেহে তেওঁ তালৈ আহিছে। তেতিয়া শিৱ প্ৰসন্ন হ'ল আৰু তেওঁৰ অমোঘ তেজোবিন্দু অগ্নিত নিক্ষেপ কৰিলে। অগ্নিয়ে সেই তেজ ধাৰণ কৰিবলৈ অসমৰ্থ হৈ ইন্দ্ৰক জনালে। ইন্দ্ৰই সেই তেজ ধাৰণ কৰিবলৈ সক্ষম নহ'ল। তেওঁ তেতিয়া গংগাস্নান কৰিবলৈ অহা ছজনী কৃত্তিকাৰ শৰীৰত ন্যস্ত কৰিলে। ফলত কৃত্তিকাসকল গৰ্ভৱতী হ'ল। তেওঁলোকে সেই গুৰুভাৰ বহন কৰিবলৈ নোৱাৰি বেতস বনত সেই তেজ ত্যাগ কৰিলে। তেনে সময়তে শিৱ আৰু পাৰ্বতী বিমানেৰে যাওঁতে তেওঁলোকৰ দৃষ্টি সেই শিশুটিৰ ওপৰত পৰিল। নিজৰ তেজৰ পৰা সেই শিশুটিৰ জন্ম হোৱা বুলি জানি শিৱে শিশুটিক তুলি ল'লে। শিশুটিয়ে জন্মদিনতে পৈণত লৈ সকলো অস্ত্ৰ-শস্ত্ৰত পাৰ্গত হৈ পৰিল। তেওঁ কুমাৰ নামেৰে জনাজাত হ'ল। ইন্দ্ৰাদি দেৱতাসকলৰ অনুৰোধ ক্ৰমে শিৱই তেওঁৰ দেবসেনাপতি পাতিলে। কুমাৰে তাৰকাসুৰক বধ কৰি ইন্দ্ৰক চিন্তামুক্ত কৰিলে।

### ৩.৮.২ কুমাৰ সম্ভৱ কাব্যৰ সাহিত্যিক সমীক্ষা

মহাকবি কালিদাসে 'কুমাৰসম্ভৱ'ত শিৱ, পাৰ্বতী, আৰু মদনৰ বিবিধ কাৰ্য্যৰ বৰ্ণনাত নিজকে ব্যাপৃত কৰিছে। শিৱৰ দ্বৈতৰূপ বৰ্ণনাত কবিয়ে নিপুণতা প্ৰদৰ্শন কৰিছে। শিৱৰ ভয়ানক ৰৌদ্ৰৰূপ আৰু কল্যাণময় ৰূপ দুয়োটা ৰূপ প্ৰকাশ পাইছে। যোগত প্ৰবৃত্ত শিৱই নাৰীৰ পৰা আতৰি ফুৰিবলৈ বিচাৰে। ইন্দ্ৰিয় নিগ্ৰহ কৰি তেওঁ যোগযুক্ত হৈ নিভৃতে বাস কৰিছে। তেনে অৱস্থাত মদনে তেওঁক পাৰ্বতীৰ প্ৰতি প্ৰলুদ্ধ কৰিবলৈ বিচাৰোতে ক্ৰোধাবিষ্ট হৈ মদনক পুৰি নিঃশেষিত কৰিলে। আনহাতে, তেওঁ (শিৱ) কল্যাণৰ প্ৰতিমূৰ্তি। পাৰ্বতীৰ ভক্তিপুৰ্ণা, শ্ৰদ্ধাময়ী, অপশ্চৰ্য্যাই তেওঁক সহজে জয় কৰিছে। পাৰ্বতীৰ প্ৰতি সন্তুষ্ট হৈ তেওঁৰ পতি হবলৈ মান্তি হৈছে। ভাৰতীয় সংস্কৃতি ভোগ প্ৰধান নহয় ত্যাগৰ মহিমাৰে মণ্ডিত। ভোগবৰ্জিত নৈতিক জীৱনৰ মূল্যবোধ কবিৰ প্ৰতিখন গ্ৰন্থৰ আধাৰ স্বৰূপ। 'কুমাৰ সম্ভৱ' তাৰ ব্যতিক্ৰম নহয়। কবিৰ বৰ্ণনাৰ মাজেৰে 'কুমাৰ সম্ভৱ'ত বহুতো ভৌগোলিক, ঐতিহাসিক আৰু সাংস্কৃতিক তথ্যৰ সমাবেশ ঘটিছে। হিমালয় প্ৰদেশৰ যথাৰ্থ বৰ্ণনা তাৰ এক উদাহৰণ

কুমাৰ সম্ভৱ প্ৰধান ৰস শৃঙ্গাৰ। তাৰোপৰি মদন দাহত ৰৌদ্ৰ ৰস, ৰতিবিলাপত কৰুণ ৰস ৰহণ সানিছে। ইন্দ্ৰ-মদন-সংবাদ আৰু যুদ্ধৰ বৰ্ণনাত বীৰৰস প্ৰকাশ পাইছে।

কুমাৰ সম্ভৱৰ ওপৰত লিখা টীকাই কুমাৰ সম্ভৱৰ জনপ্ৰিয়তা বঢ়াইছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

'কুমাৰ সম্ভৱ'ৰ বিষয়বস্তুৰ বৰ্ণনা দিয়ক। (৫০ টা শব্দৰ ভিতৰত লিখক)

.................................................................................

.................................................................................

.................................................................................

.................................................................................

.................................................................................

### ৩.৯ ৰঘুবংশম্

ইক্ষ্বাকু বংশীয় ৰজাসকলৰ কাহিনী বৰ্ণিত ইএখন কালিদাসৰ সৰ্বোৎকৃষ্ট কাব্য। কালিদাসৰ এইখন অন্তিম ৰচনা। কাব্যখন ঊনৈশ (১৯) টা সৰ্গৰ সমষ্টি। ই সূৰ্যবংশীয় ৰজাসকলৰ জীৱন চৰিত। কিম্বদন্তী অনুসৰি কাব্যখন পঁচিশ বা ছাব্বিশটা সৰ্গত বিভক্ত আছিল। সেইবাবে ইয়াকো বৰ্তমান অসম্পূৰ্ণ বুলি অভিমত দিয়া হয়। কাব্যখনত সূৰ্য্যবংশীয় ৰজা দিলীপৰ পৰা আৰম্ভ কৰি অগ্নিবৰ্ণলৈকে ঊনত্ৰিশজন ৰজাৰ চৰিত বৰ্ণিত হৈছে। অগ্নিবৰ্ণৰ পৰৱৰ্তী ৰজাসকলৰ জীৱনবৃত্তৰ বৰ্ণনা ইয়াত নাই বাবে গ্ৰন্থখন অসম্পূৰ্ণ বুলি কোৱা হয়। পিছে কালিদাসে ৰঘুৰ পিতৃৰ পৰা আৰম্ভ কৰি সেই বংশৰ উল্লেখযোগ্য ৰজাসকলৰ 'চৰিত' বাছনি কৰি বৰ্ণাইছে। ৰঘুবংশ কালিদাসৰ পৰিপক্ক প্ৰতিভাৰ স্বাক্ষৰ। ইয়াৰ উৎস মহাকাব্য ৰামায়ণ আৰু কেবাখনো পুৰাণ গ্ৰন্থ।

### ৩.৯.১ ৰঘুবংশম্ কাব্যৰ বিষয়বস্তু

প্ৰথম সৰ্গত কবিয়ে ৰজা দিলীপৰ চৰিত্ৰ বৰ্ণাইছে। বহুদিন ধৰি সন্তানহীন হৈ থাকি ৰজা দিলীপে (মগধৰ ৰজাৰ কন্যা) পত্নী সুদক্ষিৰুণাৰ সৈতে কুলগু বশিষ্ঠৰ আশ্ৰমলৈ গ'ল। বশিষ্ঠই পুত্ৰ প্ৰাপ্তিৰ বাবে তেওঁৰ আশ্ৰমত থকা হোমাধেনু নন্দিনীক সেৱা কৰিবলৈ উপদেশ দিলে।

দ্বিতীয় সৰ্গত দিলীপ আৰু সুদক্ষিণাৰে সৈতে একৈশ দিন গো-সেৱাব্ৰত কৰা বৰ্ণনা কৰিছে। তাৰ পাছত এদিন নন্দিনীয়ে ৰজাৰ ভক্তি পৰীক্ষা ল'বলৈ হিমালয়ৰ পাদদেশত থকা সুন্দৰ ঘাঁহনিযুক্ত গুহাত প্ৰবেশ কৰিলে। নন্দিনীৰ লগে লগে ফুৰা ৰজায়ো হিমালয়ৰ অপূৰ্ব শোভা চাবলৈ ধৰিলে। কিমান সময় যে তেওঁ কেনেকৈ আছিল ৰজাই ক'ব নোৱাৰে। হঠাতে নন্দিনীৰ চিঞৰ শুনি দেখিলে যে গাইজনীক এটা দুৰ্দ্দান্ত সিংহই আক্ৰমণ কৰিছে। ৰজাক সি মানুহৰ মাতেৰে মাতি নিজক শিৱৰ অনুচৰ বুলি কৈ গাইজনী ৰীতিমতে তাৰ কবলত পৰা বুলি দাবী কৰিলে। ৰজাই উপায়হীন হৈ গাইজনীৰ সলনি নিজৰ শৰীৰটো সিংহক সঁপি দিলে। ৰজাৰ দৃঢ়ভক্তি দেখি নন্দিনী সন্তুষ্ট হ'ল। মায়া সিংহ অদৃশ্য হ'ল। নন্দিনীয়ে পুত্ৰলাভ কৰিবলৈ বৰদান কৰিলে। ৰজাই আনন্দমনে নন্দিনীক লৈ ঋষিৰ আশ্ৰমলৈ উভতিল। তেওঁ ঋষিক ঘটি যোৱা ঘটনাটো বিৱৰি কলে। গুৰুৰ আজ্ঞা লাভ কৰি ৰজাই নন্দিনীক দুগ্ধপান কৰিলে। পিছদিনাখন গুৰুৰ আজ্ঞা শিৰোধাৰ্য কৰি ৰজা আৰু ৰাণীয়ে ৰাজধানীলৈ উভতিল।

তৃতীয় সৰ্গত নন্দিনীৰ বৰত দিলীপৰ ঔৰসত আৰু সুদক্ষিণাৰ গৰ্ভত ৰঘুৰ জন্ম হয়। সংস্কাৰ, শিক্ষা আৰু অভিষেকৰ বৰ্ণনাৰ লগতে দিলীপৰ অশ্বমেধ যজ্ঞৰ সময়ত ৰঘুৰ দিগ্বিজয়ৰ অসামান্য কাহিনী বৰ্ণিত হৈছে। যজ্ঞ শেষ হোৱাৰ পাছত ৰজা ৰঘুক ৰজাৰূপে অভিষিক্ত কৰি ৰজা দিলীপে পত্নীৰে সৈতে তপোবনত প্ৰৱেশ কৰে। পঞ্চম

সৰ্গত ৰঘুৰ অসাধাৰণ দানশীলতাৰ বৰ্ণনা পোৱা যায়। ষষ্ঠ আৰু সপ্তম সৰ্গত ইন্দুমতীৰ স্বয়ম্বৰ আৰু অজ ইন্দুমতীৰ বিবাহৰ বৰ্ণনা কৰা হৈছে। প্ৰাচীন কালৰ স্বয়ম্বৰ সভাৰ হুবহু বৰ্ণনা ষষ্ঠ সৰ্গত দাঙি ধৰোঁতে বিভিন্ন ৰজাৰ নাতিদীৰ্ঘ পৰিচয় সমূহ সুন্দৰকৈ দিয়া হৈছে। অজ-ইন্দুমতীৰ বিয়াৰ পাছত হতাশাগ্ৰস্ত ৰজাসকলৰ সৈতে অজৰ যুদ্ধৰ বৰ্ণনাও পোৱা যায়। অষ্টম সৰ্গত ৰঘুৱে অজৰ হাতত  ৰাজ্য শাসনৰ ভাৰৰ্পণ কৰা ইন্দুমতীৰ আকস্মিক মৃত্যুত অজৰ বিলাপ আৰু বশিষ্ঠৰ দ্বাৰা শান্তনা দানৰ বৰ্ণনা পোৱা যায়। ৰঘুবংশৰ অজৰ বিলাপ ‘কুমাৰসম্ভৱ’ৰ ৰতিৰ বিলাপৰে তুলনীয়।

নৱম সৰ্গত দশৰথৰ ৰাজ্যশাসন বৰ্ণিত হৈছে। তেওঁ মৃগয়া কৰিবলৈ গৈ দৈৱবশতঃ শ্ৰৱণ কুমাৰক বধ কৰাৰ মৰ্মস্পৰ্শী বৰ্ণনা ইয়াত পোৱা যায়। নৱমৰ পৰা পঞ্চদশ সৰ্গলৈকে ৰামকথা বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে। ইয়াত ৰামায়ণোক্ত ৰামকথা বৰ্ণিত হৈছে। ত্ৰয়োদশ সৰ্গত কালিদাসে ৰাম-সীতাৰ আকাশ পথেৰে অযোধ্যালৈ প্ৰত্যাৱৰ্তন কৰা মনোৰম ছবি চিত্ৰিত কৰিছে। ১৪ শ আৰু ১৫ শ সৰ্গত বৰ্ণিত ঘটনাৰাজি ৰামায়ণৰ উত্তৰা কাণ্ডৰ ঘটনাৰ অনুযায়ী। ১৬ শ সৰ্গত কুশৰ ৰাজ্য শাসনৰ বৰ্ণনা পোৱা যায়। ১৭ শ সৰ্গত কুশৰ পুত্ৰ অতিথিৰ চৰিত্ৰ চিত্ৰিত হৈছে। ১৮ শ সৰ্গত ২১ জন ৰঘুবংশীয় ৰজাৰ থুল-মূল বিৱৰণ দিছে। তেওঁলোকৰ অন্তিম আৰু উল্লেখযোগ্য ৰজাজন হৈছে সুদৰ্শন। কবিয়ে তেওঁৰ শাসন ব্যৱস্থাৰ বিশদ বৰ্ণনা দিছে। ১৯ শ সৰ্গত সুদৰ্শন পুত্ৰ অগ্নিবৰ্ণৰ বিলাসিতাপূৰ্ণ আৰু কামুক চৰিত্ৰৰ বৰ্ণনা দিছে।

### ৩.৯.২ ৰঘুবংশ কাব্যৰ উৎস

মহাকবি কালিদাসে একাধিক উৎসৰ পৰা ৰঘুবংশৰ কথাবস্তু গ্ৰহণ কৰিছিল বুলি অনুমান কৰা হয়। গ্ৰন্থৰ আৰম্ভণিতে বাল্মীকি প্ৰভৃতি পূৰ্বসুৰীসকলৰ প্ৰতি কৃতজ্ঞতা স্বীকাৰ কৰিছে। নৱম সৰ্গৰ পৰা পঞ্চম দশলৈ বৰ্ণিত ৰামকথাৰ আধাৰ তাত সন্দেহ নাই। পুৰাণ সমূহতো সূৰ্য্যবংশীয়সকলৰ বংশাৱলী কীৰ্তিত হৈছে। বায়ু, পুৰাণ, বিষ্ণু পুৰাণ আদিৰ পৰাও কালিদাসে কাহিনীভাগ লৈছে।

### ৩.৯.৩ ৰঘুবংশম্ কাব্যৰ সাহিত্যিক সমীক্ষা

ৰঘুবংশত মহাকবি কালিদাসে ভৌগোলিক আৰু ঐতিহাসিক  বিষয়ক অনেক তথ্য দাঙি ধৰিছে। ৰঘু দিগ্বিজয়ৰ পৰিপ্ৰেক্ষিতত তেওঁ জয় কৰা দেশ, ৰাজ্য, নগৰ আদিৰ ভৌগোলিক বিৱৰণ পোৱা যায়। দিলীপ আৰু ৰামে অনুষ্ঠিত কৰা অশ্বমেধ যজ্ঞৰ বিৱৰণ, ৰঘুৰ দিগ্বিজয় আৰু বিশ্বজিত যজ্ঞানুষ্ঠানৰ বৰ্ণনা, ইন্দুমতীৰ স্বয়ম্বৰ, কুশৰ জলক্ৰীড়া আৰু অতিথিৰ অভিষেকৰ বিৱৰণসমূহ প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ  নানা দিশ সামৰিছে।

কালিদাসে ৰঘুবংশৰ এক আদৰ্শ দেখুৱাইছে যে মনুৱে দেখুৱাই দিয়া পথেৰেই তেওঁ ৰাজ্য শাসন কৰিছিল। প্ৰজাক পুত্ৰৱৎ আৰু প্ৰজায়ো ৰজাক পিতৃজ্ঞান কৰিছিল। শাসন নীতিৰ বৰ্ণনাত কালিদাসৰ পৌঢ় ৰাজনীতি জ্ঞানৰ পৰিচয় পোৱা যায়।

ৰঘুৰ সৌৰ্য্য বীৰ্য, দানশীলতা, অজৰ বীৰ কৰ্ম, পত্নীপ্ৰেম, ৰামৰ পিতৃপৰায়ণতা, সত্যপৰায়ণতা আদিৰ প্ৰশংসাৰে কবিয়ে মহত্বপূৰ্ণ চৰিত্ৰৰ ভাবমূৰ্তি পাঠকৰ আগত দাঙি ধৰিছে। তেনেদৰে সুদক্ষিণা, ইন্দুমতী, সীতা, প্ৰভৃতি মহীয়সী নাৰীৰ চৰিত্ৰ সুন্দৰ ৰূপত চিত্ৰিত কৰিছে।

### ৩.১০ উপমা কালিদাসস্য

মহাকবি কালিদাসে শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ দুয়োবিধ নিপুনভাবে প্ৰয়োগ কৰিছে। কালিদাসৰ উপমাৰ ওপৰত প্ৰস্তুত গ্ৰন্থ '**Similes of Kalidas**' উপমা অলঙ্কাৰৰ সমীক্ষা দিবলৈ গৈ গ্ৰন্থকাৰে কৈছে যে কালিদাসৰ ৰচিত গ্ৰন্থ সমূহত ১২৫০ টা উপমা অলঙ্কাৰ পোৱা যায়। তাৰে ৫৫০ টা অকল ৰঘুবংশতে পোৱা যায়। কিন্তু কবিয়ে আন অলঙ্কাৰৰো প্ৰয়োগ নকৰাকৈ থকা নাই। উৎপ্ৰেক্ষা, সমাসোক্তি, ৰূপক, শ্লেষ, অপহ্নুতি, অতিশয়োক্তি, নিৰ্দেশনা ইত্যাদি অলঙ্কাৰ সমূহেও শোভা বৰ্দ্ধন কৰিছে। তথাপি কোৱা হয় যে কালিদাসে উপমা অলঙ্কাৰৰ বাবে প্ৰসিদ্ধ আৰু ৰঘুবংশম্ উপমাৰে সমৃদ্ধ এখন মহাকাব্য।

কালিদাসৰ উপমাবৈশিষ্ট্যক সন্মুখত ৰাখি বাণভট্টই এনেদৰে প্ৰশংসা কৰিছে—

নিৰ্গতাসু ন বা কস্য কালিদাসস্য সুক্তিষু।
প্ৰীতিৰ্মধুৰসান্দ্ৰাসু মনুতৰীস্বিব জায়তে।।

অৰ্থাৎ ' কোন এনেকুৱা ব্যক্তি, যি প্ৰীতি উপভোগী মহা কবি কালিদাসৰ কবিতা শুনি সুন্দৰ তথা ঘন কুঁহিপাতবোৰক দেখাৰ নিচিনা আনন্দবিভোৰ হৈ নুঠে।'

কুমাৰসম্ভৱত একান্তমনে তপস্যাত ৰত শিৱৰ স্বৰূপ চিত্ৰণ অঙ্কিত কৰি কালিদাসে লিখিছে যে 'ভগৱান শিৱই সমস্ত অন্তশ্চাৰী পৱনক ৰোধ কৰি এনেকৈ নিশ্চয় হৈ বহি আছে, যেন বৰষুণ নিদিয়া মেঘ, বিনা ঢৌৰ নিশ্চল পুখুৰী বা পৱনৰহিত ঠাইত জ্বলি থকা নিশ্চয় চাকি।'

ৰঘুবংশত পোৱা যায় যে স্বয়ম্বৰলৈ অহা ৰজা-মহাৰজা সকলক এৰি ইন্দুমতী যেতিয়া আগবাঢ়ি গৈছিল, তেতিয়া তেওঁলোকৰ মুখবোৰ দীপশিক্ষাৰ পোহৰত উজ্জ্বল হৈ পৰিছিল আৰু পাৰ হৈ যোৱাৰ পিছত আন্ধাৰত মোলান পৰা ৰাজ অট্টালিকাৰ দৰে লাগিছিল (ৰঘু ৬/৬৭)

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰঘুবংশম্ আৰু কুমাৰসম্ভৱৰ কথাবস্তুৰ তুলনা কৰক। (৬০ টা শব্দৰ ভিতৰত লিখক)

........................................................................................
........................................................................................
........................................................................................
........................................................................................
........................................................................................

### ৩.১১ কালিদাস যুগৰ অন্যান্য কবি

#### ৩.১১.১ প্ৰৱৰসেন

কালিদাস যুগৰ কবিসকল ভিতৰত প্ৰৱৰসেন অন্যতম। তেওঁ 'সেতুবন্ধ' নামে মহাৰাষ্ট্ৰীয় প্ৰাকৃতত বিৰচিত মহাকাব্য সেতুবন্ধৰ ৰচক। অৱশ্যে তেওঁ যে ৰজা আছিল সেই কথা কম্বোজৰ ৰজা যশোবৰ্মনৰ শাসনৰ পৰা বুজিব পাৰে।

ভাৰতীয় ঐতিহাসিক পৰম্পৰাত একাধিক প্ৰৱৰসেন নাম পোৱা যায়। তাৰে দুজন কাশ্মীৰৰ, তেওঁলোকৰ বিষয়ে কল্হনে ৰজতৰঙ্গিনীত লিখি গৈছে। তেওঁলোক 'সেতুবন্ধ' ৰচক নহয়। আন দুজন প্ৰৱৰসেনক বাকাটক বংশৰ দুটা শাখাৰ বংশধৰূপে পোৱা যায়। পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ মতেৰে বাকাটক বংশৰ জ্যেষ্ঠ শাখাত জন্মগ্ৰহণ কৰা দ্বিতীয় প্ৰৱৰসেনহে 'সেতুবন্ধৰ' ৰচক। তেওঁৰ আৱিৰ্ভাৱ কাল পঞ্চম শতিকাৰ দ্বিতীয় চতুৰ্থাংশ, (৪২০-৪৫০ খৃষ্টাব্দ। তাম্ৰলিপিৰ পৰা জনা যায় যে - তেওঁ গুপ্তবংশীয় সম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্তৰ জীয়েক প্ৰভাৱতী গুপ্তাৰ পুত্ৰ আছিল।

বহুত দিন ধৰি পণ্ডিতসকলৰ এচামে 'সেতুবন্ধ' কাব্য কালিদাসৰ ৰচনা বুলিহে বিশ্বাস কৰিছিল। কিন্তু পৰৱৰ্তী কালৰ গৱেষণাই 'সেতুবন্ধ' যে ৰজা প্ৰৱৰসেনৰ নিজস্ব ৰচনা সেই কথা প্ৰতিপন্ন হৈছে।

**সেতুবন্ধ মহাকাব্য**

সেতুবন্ধ মহাকাব্য পোন্ধৰটা সৰ্গত বিভক্ত। কাব্যখনৰ বিশেষত্ব এয়ে যে ই সচৰাচৰ দেখা লৌকিক ছন্দত ৰচিত নহয়। ইয়াত থকা ১২৯০ টা শ্লোকৰ ১২৪৬ টাই আৰ্যগীতিছন্দ। বাকী কেইটা গলিতক ছন্দত ৰচিত।

**কথাবস্তু**

হনুমানে সাগৰ লঙ্ঘন কৰি লঙ্কালৈ গৈ সীতাৰ বাতৰিলৈ অহাৰে পৰা ৰাৱণ বধলৈকে ৰামকথাভাগ 'সেতুবন্ধ' মহাকাব্যত বৰ্ণনা কৰা হৈছে। ইয়াত সাগৰৰ ওপৰত সেতুৰচনা কৰা বিষয়ত অধিক গুৰুত্ব পৰা প্ৰত্যাৱৰ্তন আৰু সুগ্ৰীৱ সহ সসৈন্যে দক্ষিণ সমুদ্ৰৰ পাৰলৈ ৰামৰ লঙ্কা যাত্ৰা বৰ্ণনা আছে। তৃতীয় সৰ্গত সুগ্ৰীৱে সহচৰ সকলক উদ্‌গাৱলৈ ভাষণ দিয়ে, কিন্তু বানৰ সৈন্য সকল অচল অটল হৈ থকাত সুগ্ৰীৱে অকলে লঙ্কালৈ যাব বুলি ভাবুকি দিয়ে। চতুৰ্থ সৰ্গত বানৰসকলে তেওঁৰ কথাত সন্মত হয়। ৰামে সুগ্ৰীৱৰ ওপৰত আস্থা স্থাপন কৰে। তেওঁলোকে আলোচনা কৰি থাকোঁতে লঙ্কাৰ পৰা বিভীষণ আহি ৰামৰ ওচৰত শৰণ লয়। পঞ্চম সৰ্গত ৰামে সমুদ্ৰৰ সহযোগ পাবলৈ উপবাস খাটে। সাগৰৰ সঁহাৰি নাপাই বাণ নিক্ষেপ কৰে। ষষ্ঠ সৰ্গত তেতিয়া গঙ্গাসহ বৰুণে সমুদ্ৰই ৰামক দেখা কৰে আৰু সেতু ৰচনা কৰিবলৈ সমুদ্ৰই ৰামক পৰামৰ্শ দিয়ে। সপ্তম আৰু অষ্টম সৰ্গত সেতুবন্ধৰ বিৱৰণ দিয়া হৈছে। অষ্টম সৰ্গত বানৰসকলে সেতুৰে গৈ লঙ্কাত উপস্থিত হয়। নৱম সৰ্গত তেওঁলোকে সুবেল পৰ্বত পোৱা কথা আৰু পৰ্বতৰ প্ৰাকৃতিক শোভা বৰ্ণিত হৈছে। দশম সৰ্গত লঙ্কাত দেখা পোৱা সন্ধ্যাৰ বৰ্ণনা আছে। একাদশ সৰ্গত ৰাৱণে সীতাৰ

মন জয় কৰিবলৈ কৰা বিফল যত্নৰ বৰ্ণনা আছে। সীতাক প্ৰৱঞ্চনা কৰিবলৈ ৰামৰ কটা মুণ্ড (মায়া মুণ্ড) আনিবলৈ আদেশ দিয়ে। ত্ৰিজটাই সীতাক আশ্বাস দিয়ে। পাছৰ তিনিটা সৰ্গত ৰাম ৰাৱণৰ যুদ্ধৰ বিশদ বিৱৰণ পোৱা যায়। ১৫ শ সৰ্গত কুম্ভকৰ্ণ আৰু মেঘনাদৰ মৃত্যু বৰ্ণিত হৈছে। তাৰ পাছত পুনঃ ৰাম ৰাৱণৰ যুদ্ধ হয় আৰু যুদ্ধত ৰাৱণ নিহত হয়। বিভীষণে জেষ্ঠ ভাতৃ দুজন আৰু মেঘনাদৰ মৃত্যুত বিলাপ কৰে। সীতালৈ ৰামে অযোধ্যালৈ প্ৰত্যাৱৰ্তন কৰে।

সেতুবন্ধ কাব্যত সূৰ্য্য, চন্দ্ৰ, সন্ধ্যা, নিশা, সাগৰ, পৰ্বত আদিৰ বিতোপন বিৱৰণ দাঙি ধৰিছে। বান্দৰ আৰু ৰাক্ষস সৈন্যৰ সমাৱেশ আৰু দুই পক্ষৰ মাজত সংঘটিত যুদ্ধৰ

অপূৰ্ব বৰ্ণনা আছে। যিবোৰে তেওঁৰ কবিপ্ৰতিভা, সুক্ষ্মপৰ্যবেক্ষণ আৰু গভীৰ অনুভূতিৰ পৰিচয় দিছে। বিবিধ অলঙ্কাৰ আৰু প্ৰাকৃত কবিৰ প্ৰিয়ছন্দসমূহৰ প্ৰয়োগে কবিৰ সুৰুচিবোধ তুলি ধৰিছে।

### ৩.১১.২ কুমাৰদাস

কুমাৰদাস সংস্কৃত সাহিত্যৰ অন্যতম প্ৰতিভাশীল কবি। তেওঁৰ কাব্য প্ৰকাশত বিলম্ব হোৱা বাবে তেওঁ বহুতো বিদ্বানৰ বাবে অজ্ঞাত। কবিজনাৰ জীৱনবৃত্ত আৰু কাল সম্বন্ধে বিশেষ কথা জনা নাযায়। তেওঁৰ ৰচিত 'জানকীহৰণ' কাব্যৰ অন্তিম শ্লোকৰ পৰা বুজা যায় যে তেওঁৰ পিতৃৰ নাম কুমাৰমণি। কুমাৰমণি যুদ্ধত নিহত হোৱা দিনতেই কুমাৰদাসৰ জন্ম হয়। তাৰ পাছত মোমায়েকহঁতৰ যত্নত কুমাৰদাস ডাঙৰ দীঘল হয়। এক প্ৰবাদ অনুসৰি কুমাৰদাস সিংহলৰ ৰজা আছিল আৰু মহাকবি কালিদাসৰ বন্ধু আছিল। এক সমস্যাপূৰ্তিৰ বাবে টকাৰ লোভত পৰিলক্ষহীৰা নামে বেশ্যা এজনীয়ে কালিদাসক হত্যা কৰাত শোক বিহ্বল কুমাৰদাসেও মহাকবিৰ চিতাগ্নিত আত্মজাহ কৰিছিল বুলি কোৱা হয়।

**কুমাৰদাসৰ কাল**

(১) ৰঘুবংশৰ অনুবাদক নন্দৰ্গিকাৰৰ মতে কুমাৰদাস অষ্টম শতিকাৰ শেষছোৱা আৰু নৱম শতিকাৰ আগছোৱাত আৱিৰ্ভূত হৈছিল। বলদেৱ উপাধ্যায়ৰ মতে তেওঁৰ জন্মকাল খৃষ্টীয় ষষ্ঠ শতাব্দী।

(২) ড° কীথৰ মথে **(classical sanskrit literature-p-42-43)** কবি মাঘে নিশ্চয়কৈ ভট্টিকাব্য আৰু জানকীহৰণ কথা জানিছিল। গতিকে কুমাৰ দাস মাঘৰ পূৰ্বৱৰ্তী হ'ব।

(৩) নৱম শতাব্দীত ৰাজশেখৰে মন্তব্য দি কৈছিল—জানকীহৰণং কৰ্ত্তাং ৰঘুবংশ ঃ স্থিতেঃ সতি।

কবিঃ কুমাৰদাসশ্চ ৰাৱণশ্চ যদি ক্ষমৌ।।

গতিকে কুমাৰদাসৰ কাল ষষ্ঠ শতাব্দীৰ পিছলৈ যাব নালাগে।

**জানকীহৰণ**

জানকীহৰণকে কুমাৰ দাসৰ একমাত্ৰ ৰচনা বুলি জনা যায়। কীথৰ মতে মূল গ্ৰন্থত ২৫ টা সৰ্গ আছিল। তাৰে ১৪ টা সৰ্গ পোৱা যায়। বাকী সৰ্গকেইটা সিংহলীৰ পৰা আক্ষৰিক অনুবাদ কৰি পাঠোদ্ধাৰ কৰা হৈছে। বলদেৱ উপাধ্যায়ে গ্ৰন্থখন ২০ টা সৰ্গৰ বুলিহে কৈছে। বলদেৱ উপাধ্যায়ে গ্ৰন্থখন ২০টা সৰ্গৰ বুলিহে কৈছে। ইয়াৰ মূল কথাবস্তু ৰামায়ণ। কাব্যখনৰ প্ৰথম সৰ্গত অযোধ্যা, ৰজা দশৰথ আৰু তেওঁৰ বৰ্ণনা আছে। দ্বিতীয়মৰ্গত বৃহস্পতিয়ে ব্ৰহ্মাৰ পৰা সহায় বিচাৰোতে ৰাৱণৰ চৰিত্ৰৰ বৰ্ণনা কৰে। তৃতীয় সৰ্গত ৰজা দশৰথৰ জলকেলি আৰু সান্ধ্যবৰ্ণনা পোৱা যায়। চতুৰ্থ আৰু পঞ্চম সৰ্গ দুটাত দশৰথৰ চাৰিপুত্ৰৰ জন্মৰ কথা আৰু ষষ্ঠ সৰ্গত তাড়কা আৰু সুবাহু আদি বধৰ বিৱৰণ আছে। সপ্তম সৰ্গত ৰাম-সীতাৰ বিবাহ, অষ্টম সৰ্গত বিবাহোত্তৰ উৎসৱ, দশম সৰ্গত ৰামাদিৰ অযোধ্যালৈ প্ৰত্যাৱৰ্তনৰ বৰ্ণনা কৰা হৈছে। এই দশম সৰ্গ ঘটনাবহুল। ইয়াত ৰামৰ যুবাভিযেকৰ পৰা জানকীহৰণ হোৱালৈকে অনেক ঘটনা ঘটিছে। এঘাৰ সৰ্গত ৰাম

আৰু হনুমানৰ মিত্ৰতা আৰু বালিবধ বৰ্ণিত হৈছে। শৰৎ ঋতুৰ বৰ্ণনাও ইয়াত আছে। বাৰশ সৰ্গত সুগ্ৰীৱৰ অনুচৰসকলৰ পৰা সীতা অন্বেষণৰ বৰ্ণনা পোৱা যায়। তেৰশ সৰ্গত বান্দৰসেনাৰ এক গোট হোৱাৰ চিত্ৰ আছে। চৈধ্যশ সৰ্গত সমুদ্ৰৰ ওপৰেৰে লংকালৈ বানৰ সেনাই সেতু ৰচনা কৰা আৰু সৈন্যৰ সমুদ্ৰ অতিক্ৰমৰ চিত্ৰ অংকিত হৈছে। পোন্ধৰশ সৰ্গত ৰামৰ দূতৰূপে অংগদৰ ৰাৱণৰ সভাত উপস্থিত হোৱাৰ বিৱৰণ আৰু যোল্লশ সৰ্গত ৰাক্ষস লীলাবোৰৰ বৰ্ণনা পোৱা যায়। সোতৰশ সৰ্গৰ পৰা বিছ সৰ্গলৈ বান্দৰ আৰু ৰাক্ষস সৈন্যৰ সমৰৰ বিৱৰণ। শেষত ৰামৰ হাতত ৰাৱণৰ পতন হয়। ৰামৰ বিজয় লাভতে কাব্যৰ সুসমাপ্তি ঘটে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কালিদাসৰ সমকালীন কবিসকলৰ ভিতৰত কোনজনক শ্ৰেষ্ঠ বুলিব পাৰি। (৫০ টা শব্দৰ ভিতৰত লিখক)

..................................................................................

..................................................................................

..................................................................................

..................................................................................

..................................................................................

## ৩.১২ সাৰাংশ (Summing Up)

মহাকাব্যৰ প্ৰণেতাৰূপে কালিদাস স্থান-সৰ্বাগ্ৰ। ৰামায়ণৰ আৰ্হিৰে কালিদাসৰ সমসাময়িক প্ৰবৰসেন, কুমাৰদাস আদি কবিয়ে মহাকাব্যৰ সম্ভাৰ চহকী কৰে।

## ৩.১৩ আৰ্হি প্ৰশ্ন (Sample Question)

১। মহাকাব্যৰকাৰ কালিদাসৰ মূল্যায়ন আগবঢ়াওক।

২। কালিদাসৰ যুগত ৰচিত মহাকাব্যসমূহৰ আলোচনা কৰক।

## ৩.১৪ প্ৰসংগ গ্ৰন্থ (Refferences/ Suggested Readings)


থানেশ্বৰ শৰ্মা : সংস্কৃত সাহিত্যৰ ইতিবৃত্ত

গৌৰী নাথ শাস্ত্ৰী : সংস্কৃত সাহিত্যৰ ইতিহাস

A.B. Keith : History of Sanskrit Literature

M. Winternitz : History of Indian Literature

C.K. Raja : Survey of Sanskrit Literature

J.C. Mallik : Indian Epic Poetry

## চতুৰ্থ বিভাগ
## কালিদাসোত্তৰ যুগৰ মহাকাব্য

**বিভাগৰ গঠন ঃ**


৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ ভাৰবি

৪.৩.১ কিৰাতাৰ্জুনীয়ম্ কাব্য

৪.৩.২ কিৰাতাৰ্জুনীয়ম্ কাব্যৰ শৈলী

৪.৪ ভট্টি

৪.৪.১ ৰাৱণ বধ কাব্য

৪.৪.২ ভৰ্ট্টিৰ কাব্য প্ৰতিভা

৪.৫ মাঘ

৪.৫.১ শিশুপাল বধ কাব্য

৪.৫.২ মাঘৰ কাব্য প্ৰতিভা

৪.৬ শ্ৰীহৰ্ষ

৪.৬.১ নৈষধ চৰিত কাব্য

৪.৬.২ শ্ৰীহৰ্ষৰ কাব্য প্ৰতিভা

৪.৭ ক্ষেমেন্দ্ৰ

৪.৮ সাৰাংশ (Summing Up)

৪.৯ আৰ্হি প্ৰশ্ন (Sample Question)

৪.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


### ৪.১ ভূমিকা (Introduction)

খৃষ্টীয় প্ৰথম শতিকাতে আৰম্ভ হোৱা মহাকাব্য ৰচনাৰ ধাৰাটি খৃষ্টীয় চতুৰ্থ-পঞ্চম শতিকাত কালিদাস আদিৰ দৰে মহাকৱিৰ ৰচনাৰে সমৃদ্ধ হৈ পৰিছিল আৰু তাৰ পৰৱৰ্তী সাতোটা শতিকাত এই ধাৰাটি পূৰ্ণ প্ৰবাহেৰে স্ৰোতৰতী হৈ আছিল। এই কালছোৱাত বহু সংখ্যক কবিৰ আবিৰ্ভাৱ ঘটিছিল যদিও সেইসকলৰ ভিতৰত ভাৰৱি, মাঘ, শ্ৰীহৰ্ষ আৰু ভট্টি অন্যতম। সংস্কৃত সাহিত্যত পঞ্চমহাকাব্য নামে সুখ্যাত পাঁচখন মহাকাব্যৰ তিনিখন যেনে—ভাৰৱিৰ কিৰাতাৰ্জুনীয়ম, মাঘৰ শিশুপাল বধ আৰু শ্ৰীহৰ্ষৰ নৈষধচৰিত এই কালছোৱাতে ৰচিত হৈছিল। পঞ্চমহাকাব্যৰ আনদুখন হৈছে—কালিদাসৰ কুমাৰসম্ভৱ আৰু ৰঘুবংশম।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগত কালিদাসোত্তৰ যুগত কবিসকলৰ পৰিচয় আৰু তেওঁলোকৰ দ্বাৰা ৰচিত মহাকাব্যসমূহৰ সমীক্ষাত্মক আলোচনা আগবঢ়োৱা হৈছে। এই পাঠটি অধ্যয়নৰ অন্তত আপুনি —

- ভাৰৱিৰ জীৱনবৃত্ত আৰু সাহিত্য সম্পৰ্কে জানিব পাৰিব
- ভট্টি আৰু তেওঁৰ কাব্যৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰিব পাৰিব
- কবি মাঘ  আৰু তেওঁৰ কাব্যৰ বৈশিষ্ট্য নিৰূপণ কৰিব পাৰিব
- শ্ৰীহৰ্ষ আৰু ক্ষেমেন্দ্ৰৰ সাহিত্যৰ লগত পৰিচিত হ'ব পাৰিব

**৪.৩ ভাৰৱি**

সংস্কৃত সাহিত্যত বেছি ভাগ কবি-সাহিত্যিকৰ জীৱন আৰু কাল সম্বন্ধে প্ৰকৃত তথ্য পোৱা নাযায়। সেই বাবে পণ্ডিতসকলে কবিসকলৰ বিষয়ে কিম্বদন্তী, জনশ্ৰুতি, অনুমানাদিৰ ওপৰত নিৰ্ভৰ কৰি তথ্য পৰিৱেশন কৰিবলগীয়া হয়। ভাৰৱিৰ সম্বন্ধেত কিছু কিম্বদন্তী শুনা যায়। এক কিম্বদন্তীৰ মতে তেওঁ ৰজা ভোজৰ সমকালীন আছিল। তেওঁ হেনো শহুৰেকৰ ঘৰত থাকি গৰু চৰাইছিল। একেটা কিংবদন্তীয়ে তেওঁক ধাৰাৰ অধিবাসী বুলি পৰিচয় দিয়ে। তেওঁৰ পিতৃৰ নাম শ্ৰীধৰ আৰু মাতৃৰ নাম সুশীলা। তেওঁ ভৃগুকচ্ছ বা ভৰৌচৰ অধিবাসী চন্দ্ৰকীৰ্তিৰ গুণৱতী কন্যা ৰসিকা বা ৰসিকৱতীক বিয়া কৰাইছিল।

ভাৰৱিৰ জন্মস্থান সম্পৰ্কে অনেক মতভেদ আছে। কিছুমান পণ্ডিতৰ মতে, তেওঁৰ জন্মস্থান উত্তৰ প্ৰদেশ, কিছুমানৰ মতে মধ্যপ্ৰদেশ আৰু সৰহভাগ পণ্ডিতৰ মতে তেওঁৰ জন্ম দক্ষিণ ভাৰত।

ভাৰৱিৰ জীৱন চৰিত সম্বন্ধে এক নতুন তথ্য পোৱা গৈছে। অনন্তশয়ন গ্ৰন্থমালাত (সংখ্যা ১৭২, মাদ্ৰাজত ১৯৫৪ খৃষ্টাব্দত) প্ৰকাশিত দণ্ডীৰ 'অৱন্তি সুন্দৰী' কথাৰ প্ৰকাশ হোৱাত ভাৰৱিৰ জীৱন বৃত্তান্তৰ এক নতুন অনুসন্ধান পোৱা যায়। প্ৰাপ্ত তথ্য অনুসৰি ভাৰৱি দণ্ডীৰ পিতামহ দামোদৰৰ মিত্ৰ আছিল। কিন্তু 'অৱন্তিসুন্দৰী কথা'ত দণ্ডীৰ যি আত্মবৃত্তান্ত বৰ্ণনা কৰিছে সেই মতে দণ্ডী ভাৰৱিৰ পপোত্ৰ বুলি ঠিৰাং কৰা হৈছে। এই গ্ৰন্থমতে ভাৰৱিৰ পূৰ্বপুৰুষসকল গুজৰাট অনন্তপুৰ নামৰ ঠাইৰ নিবাসী। তাৰ পৰা তেওঁলোক নাসিকলৈ যায় আৰু তাৰ পিছত দক্ষিণৰ অচলপুৰলৈ আহে। এই বংশত কৌশিক গোত্ৰীয় ব্ৰাহ্মণ নাৰায়ণ স্বামীৰ জন্ম হয়। এওঁৱেই আছিল ভাৰৱিৰ পিতৃ। ভাৰৱিৰ প্ৰকৃত নাম আছিল দামোদৰ।

ভাৰৱি আছিল শৈৱ। ৰাজশেখৰে উজ্জয়িনীৰ কোনো এখন ব্ৰহ্মসভাত কালিদাস, মেণ্ঠ আাদিৰ দৰে ভাৰৱিৰও কাব্য পৰীক্ষা কৰাৰ উল্লেখ আছে।

ভাৰৱি দক্ষিণ ভাৰতৰ চালুক্যবংশীয় ৰজা বিষ্ণুবৰ্দ্ধনৰ ৰাজকবি। চালুক্যবংশীয় ৰজা পুলকেশী দ্বিতীয়ৰ সময়ৰ এক শিলাপিপি 'অইহোড়' নামৰ গাঁৱৰ জৈন মন্দিৰত পোৱা গৈছে। ইয়াত কালিদাসৰ লগতে ভাৰৱিৰ নাম উল্লেখ আছে। প্ৰশস্তিৰ ৰচয়িতা ৰৱিকীৰ্তিয়ে নিজকে কালিদাস আৰু ভাৰৱিৰ সমতুল্য বুলি কৈছে। এই লিপিৰ সময় ৫৫৬ শকাব্দ অৰ্থাৎ ৬৩৪ খৃঃ। তেওঁৰ আশ্ৰয়দাতা বিষ্ণুবৰ্দ্ধন মহাৰাজ দ্বিতীয় পুলকেশীৰ অনুজ আৰু প্ৰায় ৬১৫ খৃঃত মহাৰাষ্ট্ৰত ভাতৃৰ আজ্ঞামতে ৰাজ্য চলায়। ইয়াৰ পৰা অনুমান ভাৰৱিৰ আবিৰ্ভাৱ কাল প্ৰায় ৬০০ খৃষ্টাব্দ।

### ৪.৩.১ কিৰাতাৰ্জুনীয়ম্ কাব্য

'কিৰাতাৰ্জুনীয়ম্' হৈছে ভাৰৱিৰ কবিত্ব প্ৰতিভাৰ অনবদ্য স্বাক্ষৰ। কাব্যখন ১৮ টা সৰ্গৰ সমষ্টি। ইয়াৰ বিষয়বস্তু মহাভাৰতৰ বন পৰ্বৰ ওপৰত আধাৰিত। ইন্দ্ৰ আৰু শিৱক সন্তুষ্ট কৰি অৰ্জুনে কেনেকৈ পাশুপাত অস্ত্ৰ লাভ কৰিছিল সেই কাহিনীক উপজীব্য কৰি কাব্যখন ৰচিত হৈছে। পাশাখেলত পৰাস্ত হৈ পাণ্ডৱসকলে দ্বৈতবনত থাকিবলৈ লোৱাৰ পৰা মহাকাব্যৰ কথা আৰম্ভ হৈছে।

মহাকাব্যৰ প্ৰথম আৰু দ্বিতীয় সৰ্গত পাশা খেলত পৰাজিত হোৱা পাণ্ডৱসকলক দ্বৈতবনত দেখুৱাইছে। যুধিষ্ঠিৰ 'বনচৰ' নামৰ গুপ্তচৰৰ মুখে এইকথা জানিব পাৰিছে যে পাণ্ডৱসকলৰ পৰা ৰাজ্য লাভ কৰা দুৰ্যোধনে নিজ নীতি অনুসাৰে সদায় নিজ অধীনত ৰাখিব বিচাৰিছে। ইয়াতে ভীম আৰু দ্ৰৌপদীয়ে যুধিষ্ঠিৰক ভীৰু বুলি ভৎৰ্সনা কৰি তেওঁক যুদ্ধৰ বাবে উত্তেজিত কৰিছে। কিন্তু যুধিষ্ঠিৰে তেওঁলোকৰ কথাত বিচলিত নহৈ উপযুক্ত সময়লৈ প্ৰতিক্ষা কৰিবলৈ আৰু প্ৰতিজ্ঞাবদ্ধ হৈ থাকিবলৈ ক'লে। এই সময়তে ব্যাসে দেখা দিয়ে। তৃতীয় সৰ্গত মহৰ্ষি ব্যাসৰ পৰামৰ্শ মতে অৰ্জুনে পাশুপাত অস্ত্ৰ লাভৰ বাবে ইন্দ্ৰকীল পৰ্বতলৈ যায়। চতুৰ্থৰ পৰা দ্বাদশ সৰ্গলৈ অৰ্জুনৰ ঘোৰ তপস্যা, ইন্দ্ৰৰ দ্বাৰা, তেওঁৰ ব্ৰতভংগ কৰিবলৈ বিভিন্ন উপায়, ইন্দ্ৰ সন্তুষ্ট হৈ উপদেশ দান, শেষত মায়াবী অসুৰৰ পৰা অৰ্জুনক ৰক্ষাৰ নিমিত্তে ভগৱান শংকৰৰ কিৰাতৰূপ ধাৰণ কৰাৰ বৰ্ণনা। শেষৰ তিনিটা সৰ্গত অৰ্জুনৰ বীৰত্ব আৰু কঠিন তপস্যাত প্ৰসন্ন হৈ ভগৱান শংকৰে দেখা দিয়ে আৰু পাশুপাত অস্ত্ৰ প্ৰদান কৰে। অৰ্জুনে শংকৰৰ পৰা পাশুপাত অস্ত্ৰ লৈ উভতি আহি যুধিষ্ঠিৰক প্ৰণাম কৰাৰ লগে লগে মহাকাব্যৰ সমাপ্তি ঘটে।

### ৪.৩.২ কিৰাতৰ্জুনীয়ম্ কাব্যৰ শৈলী

এই মহাকাব্যৰ কাহিনীভাগ নিতান্তই চমু। চাৰি-পাঁচটামান সৰ্গতে ইয়াৰ কাহিনীভাগ সামৰিব পৰা গ'লহেঁতেন। কিন্তু কলাপ্ৰিয় কবিজনে মহাকাব্যৰ লক্ষণে সামৰা প্ৰায়বোৰ বিষয়কে ন্যূনাধিক বৰ্ণনা কৰিছে। চতুৰ্থ আৰু পঞ্চম সৰ্গ দুটাত শৰৎ কালৰ অভিনৱ চিত্ৰ অংকণ কৰিছে। লগতে হিমালয়ৰ প্ৰাকৃতিক সৌন্দৰ্যৰ চিত্ৰাৱলীও অংকণ কৰিছে। সপ্তম আৰু দশম সৰ্গত অপ্সৰাসকলৰ লীলা বৰ্ণিত হৈছে। কাব্যখনত ছয় ঋতু সূৰ্য্যোদয়, সূৰ্য্যাস্ত, নৈ পৰ্বত, জলকেলি, শৃংগাৰাদিৰ বৰ্ণনা পোৱা যায়। আলংকাৰিক দৃষ্টিৰে চালে কিৰাতাৰ্জুনীয়মৰ নায়ক অৰ্জুন এজন ধীৰোদাত্ত প্ৰকৃতিৰলোক। কাব্যখনত মুখ্য ৰস বীৰ। যদিও ভাৰৱিয়ে মহাভাৰতৰ জনপ্ৰিয় খণ্ড কাহিনী এটাক লৈ কাব্য ৰচনা কৰিছে। তথাপি কিৰাতাৰ্জুনীয়ম্ অভিনৱত্বহীন নহয়। বিশেষতঃ প্ৰতিজন পাত্ৰৰ মুখ যিবোৰ যুক্তিপূৰ্ণ, ন্যায়-নীতিৰ উক্তি দিয়া হৈছে সিবোৰত ভাৰৱিৰ নিজস্ব চাতুৰ্য্য পৰিস্ফুট হৈছে।

(১) ভাৰৱি এজন নিপুণ বৈয়াকৰণবিদ আছিল। পাণিনীয় ব্যাকৰণৰ অপ্ৰসিদ্ধ নিয়মৰ উদাহৰণ দিয়াত তেওঁ পাকৈত আছিল।

(২) ভাৰৱিৰ ৰচনাশৈলীত কৰ্ণকটু, দীৰ্ঘসমাসযুক্ত পদাৱলী আৰু অব্যৱহৃত শব্দৰাজিৰ প্ৰয়োগ পৰিলক্ষিত হয়। পাঠকৰ ৰুচিৰ প্ৰতি লক্ষ্যৰাখি ভাৰৱিয়ে নিজ শিল্প নৈপুণ্যতাৰ পাৰদৰ্শিতা দেখুৱাই অৰ্থ গভীৰতাৰ সমাবেশ কৰিছে। সৰ্বসাধাৰণ মনোগ্ৰাহী অৰ্থপূৰ্ণ লিখনি তেওঁৰ এটা বিশেষত্ব। সেই কাৰণে 'ভাৰবেৰৰ্থ গৌৰৱম্' বুলি প্ৰসিদ্ধি আছে। পণ্ডিত সমাজ কালিদাসৰ উপমাৰ দৰে ভাৰৱিৰ অৰ্থ গৌৰৱত মুগ্ধ। মল্লিনাথৰ

মতে নাৰিকলৰ নিচিনা যেতিয়ালৈকে ইয়াৰ কঠোৰ বাহ্যাৱৰণ ভেদ কৰি ভিতৰত প্ৰৱেশ কৰা নাযায় তেতিয়ালৈকে ভাৰৱিৰ কবিতাৰ ৰসপাল কৰা দুঃসাধ্য।

(৩) ভাৰৱিৰ কাব্যত পাণ্ডিত্য প্ৰদৰ্শন তথা কলা প্ৰদৰ্শনৰ ভাৱনা অতি চমৎকাৰপূৰ্ণ। কিৰাতাৰ্জুনীয়মৰ ১৫তম সৰ্গ তাৰেই নিদৰ্শন। শব্দালংকাৰ তথা অৰ্থালংকাৰ উভয়ৰে প্ৰয়োগ তেওঁৰ লিখনিত পোৱা যায়। অৰ্থালংকাৰৰ ভিতৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা সমাসোক্তি, নিদৰ্শনা, যমক, শ্লেষ আৰু প্ৰহেলিকা আাদি ধৰ্য্যমূলক অলংকাৰৰ প্ৰয়োগ বহুল পৰিমাণে দেখা যায়।

(৪) বিবিধ ছন্দ প্ৰয়োগত কবিজন পাৰ্গত আছিল। বংশস্থবিল ভাৰৱিৰ প্ৰিয়ছন্দ। ইয়াৰ বাহিৰেও ইন্দ্ৰবজ্ৰা, উপেন্দ্ৰব্ৰজা, দ্ৰুতবিলম্বিত, প্ৰহৰ্ষিনী, স্বাগতা, পুষ্পিতাগ্ৰা আদি ছন্দৰ প্ৰয়োগ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কিৰাতাৰ্জুনীয়ম্ৰ মূল কথাবস্তু কি ? (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

**৪.৪ ভট্টি**

কালিদাসৰ পৰৱৰ্তী যুগত আবিৰ্ভাৰ হোৱা কবিসকল পাণ্ডিত্য প্ৰদৰ্শন প্ৰিয় আছিল। ভাৰৱি কলাবাদী কবি আৰু তেওঁৰ পৰৱৰ্তী ভট্টি আছিল বিখ্যাত বৈয়াকৰণ আৰু অলংকাৰবাদী কবি। সেই বাবে তেওঁক ব্যাকৰণশাস্ত্ৰোপদেশী কবি বুলি কোৱা হয়। কাৰণ তেওঁ ব্যাকৰণৰ উপদেশ দিবলৈ ‘ৰাৱণ বধ’ বা ভট্টিকাব্য ৰচনা কৰিছিল বুলি জনা যায়।

ভট্টিৰ আৱিৰ্ভাৰ কাল কেতিয়া এই বিষয়ে গ্ৰহণযোগ্য প্ৰমাণ এতিয়াও দিব পৰা নাই। এওঁ মহাকাব্যৰ শেষৰ ফালে থকা এটা শ্লোকৰ ওপৰত ভিত্তি কৰি এইটো স্থিৰ কৰা হৈছে যে ভট্টিকাব্য বা ৰাৱণ বধ কাব্যৰ ৰচনা বলভীৰ ৰজা শ্ৰীধৰসেনৰ ৰাজত্বকালত হয়। প্ৰজাবৎসল শ্ৰীধৰসেনৰ কীৰ্তি চাৰিওফালে প্ৰচাৰিত। শ্লোকত লিখা আছে—

‘কাব্যমিদং ৰিহিতং ময়া বলভ্যাং
শ্ৰীধৰসেন নৰেন্দ্ৰপালিতায়াম্।
কীৰ্তিৰতো ভৰতান্নৃপস্য তস্য
ক্ষেমকৰঃ ক্ষিতিপো যতঃ প্ৰজানাম।।’ ভট্টিকাব্য ২২।৩৫

উক্ত শ্লোকৰ পৰা বহুতো পণ্ডিতে মত পোষণ কৰে যে কবি ভট্টি বলভীৰ ৰজা শ্ৰীধৰসেনৰ ৰাজকবি আৰু ৰাজকুমাৰসকলৰ গুৰু। ৰাজকুমাৰসকলক ব্যাকৰণৰ জ্ঞান দিবৰ নিমিত্তে তেওঁ ‘ভট্টিকাব্য’ ৰচনা কৰে। শ্ৰীধৰসেন নামৰ চাৰিজন ৰজাই বেলেগ বেলেগ সময়ত বলভীত ৰাজত্ব কৰাৰ কথা উল্লেখ আছে। তেওঁলোকে ৫০০খৃঃৰ পৰা

৬৫০খৃষ্টাব্দলৈকে ৰাজত্ব কৰিছিল। এওঁলোকৰ কোজন ৰজাৰ পৃষ্ঠপোষকতাত ভট্টিয়ে লাভ কৰি তাক কোৱা টান। এখন শিলাক্ষেত্ৰত শ্ৰীধৰসেন দ্বিতীয়ই ভট্টি নামে পণ্ডিতক ভূমিদান কৰাৰ কথা উল্লেখ কৰিছে। এইটো সন্দেহজনক কথা যে সেইজন ভট্টিয়ে ৰাৱণ বধকাব্য ৰচনা কৰিছিল। তথাপি ভূমিদান গ্ৰহিতা ভট্টিকেই 'ৰাৱণ বধ'ৰ কবি বুলি ধৰিলে তেওঁৰ আবিৰ্ভাৱ কাল খৃষ্টীয় সপ্তম শতিকাৰ প্ৰথম ভাগ বুলি ক'ব পাৰি।

**৪.৪.১ ৰাৱণবধ কাব্য**

ভট্টিৰ ৰাৱণবধ কাব্য ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচিত। কাব্যখন ২২টা সৰ্গত নিৱন্ধ। কাব্যখনত তেওঁ ৰামচন্দ্ৰৰ জন্মৰ পৰা ৰাৱণবধৰ পাছত অযোধ্যাৰ ৰাজ হিচাপে (ৰাম) অভিষিক্ত হোৱালৈ ৰামকথা বৰ্ণনা কৰিছে। ভট্টিয়ে ব্যাকৰণ আৰু অলংকাৰৰ বিষয়ে ছাত্ৰক জ্ঞান দিবলৈ এই গ্ৰন্থ ৰচনা কৰে। কাব্যখন চাৰিটা কাণ্ডত বিভক্ত—

(১) প্ৰকীৰ্ণ কাণ্ড (১-৫সৰ্গ)
(২) অধিকাৰ কাণ্ড (৬-৯ সৰ্গ)
(৩) প্ৰসন্ন কাণ্ড (১০-১৩ সৰ্গ)
(৪) তিঙন্ত কাণ্ড (১৪-২২ সৰ্গ)

**(১) প্ৰকীৰ্ণ কাণ্ড**

কাব্যখনৰ প্ৰথম পাঁচটা কাণ্ডক প্ৰকীৰ্ণ কাণ্ড বুলি জনাজাত। ইয়াত ৰামৰ জন্মৰ পৰা ৰাৱণ বধৰ পাছত অযোধ্যাৰ ৰজা হিচাপে (ৰাম) অভিষিক্ত হোৱালৈকে ৰামকথা বৰ্ণনা কৰিছে। ব্যাকৰণৰ দৃষ্টিভংগীৰে চালে ১-৪ সৰ্গত কোনো নিৰ্দিষ্ট আঁচনি দেখা নাযায়। অৱশ্যে কবিৰ প্ৰতিভাৰ স্বাক্ষৰ তাত আছে। পঞ্চম সৰ্গৰ সৰহভাগ শ্লোক প্ৰকীৰ্ণ। মাথোন দুঠাইত 'ট' প্ৰত্যয় আৰু আমধিকাৰৰ (১০৪-১০৭) প্ৰয়োগৰ সংকেত পোৱা যায়।

**(২) অধিকাৰ কাণ্ড**

ষষ্ঠ -নবম সৰ্গকেইটাক অধিকাৰ কাণ্ড বোলা হয়। ইয়াতো প্ৰকাৰ্ণ শ্লোক আছে। ইয়াত ব্যাকৰণৰ নিয়ম, যেনে দুহাদি দ্বিকৰ্মক ধাতু (৬, ৮-১০), তাচ্ছীলিক-কৃদধিকাৰ (৭/৮-৩৩), ভাৱে কৰ্ত্তৰিৰ প্ৰয়োগ (৭/৬৮-৭৭), আত্মনেপদাধিকাৰ (৮/৭০-৮৪) অনভিহিত্যেধিকাৰ (৮/৯৪-১৩৯) আদিৰ ওপৰত ভট্টিৰ মন্তব্য পোৱা যায়।

**(৩) প্ৰসন্ন কাণ্ড**

তৃতীয় কাণ্ডটো (১০-১৩ সৰ্গ) অলংকাৰ শাস্ত্ৰৰে ৰচিত। ই প্ৰসন্ন কাণ্ড বুলি জনাজাত। ইয়াৰে ১০ম সৰ্গত শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ অনেক ভেদ উপভেদৰ ব্যৱহাৰিক ৰূপ দেখুৱা হৈছে। ১১শ আৰু ১২শ সৰ্গত ক্ৰমে মাধুৰ্য্য আৰু ভাবিকৰ ভেদ দেখুৱা হৈছে। ত্ৰয়োদশ সৰ্গত ভাষাসম শেষৰ ভেদ প্ৰদৰ্শিত হৈছে।

**(৪) তিঙন্ত কাণ্ড**

১৪শ-২২শ সৰ্গত ন বিধ লকাৰ লিঙ, লুঙ, লৃট, লট, লঙ, লুঙ আৰু লুটৰ ব্যৱহাৰ ক্ৰমশ প্ৰদৰ্শিত হৈছে। এনেদৰে ভট্টিকাব্যত ব্যাকৰণ আৰু অলংকাৰৰ প্ৰয়োগ কৰিছে।

**৪.৪.২ ভট্টিৰ কাব্য প্ৰতিভা**

ভট্টি অকল সুকবিয়েই নহয় এজন ভাল বৈয়াকৰণবিদ আৰু নিপুণ আলংকাৰিক। ভট্টিকাব্যই তাৰ প্ৰমাণ।

'ভট্টি কাব্য' এখন বীৰৰস প্ৰধান কাব্য। অৱশ্যে আন আন ৰসৰো গৌণ ভাৱে সমাবেশ নঘটা নহয়। ঠায়ে ঠায়ে শৃংগাৰ ৰসৰ সুন্দৰ আৰু উৎকৃষ্ট উদাহৰণ পোৱা যায়।

বৰ্ণনা কৌশলৰ পিনৰ পৰাও ভট্টি পৰিপক্ক নহয়। বিভীষণৰ কথাত কবিৰ ৰাজনীতি জ্ঞানৰ সম্যক আভাস পোৱা যায়। কিন্তু তাত কবিত্বৰ অভাৱ। ভট্টিৰ প্ৰকৃতি বৰ্ণনা অতি ৰমণীয়। দ্বিতীয় সৰ্গত শৰতৰ বৰ্ণনা অতিশয় মনোমোহা।

বনানি তোয়ানি চ নেত্ৰকল্পৈঃ পুষ্পৈঃ সৰোজৈশ্চ নিলীনভৃঙ্গৈঃ
পৰস্পৰাং বিস্ময়বন্তি লক্ষ্মীমালোকয়াঞ্চক্ৰুৰিবাদৰেণ।।

ভট্টিকাব্যৰ ১৩শ সৰ্গত পোৱা 'সেতুবন্ধন'ৰ ওপৰত প্ৰৱৰসেনৰ সেতুবন্ধৰ প্ৰভাৱ পৰা কথা কোনো কোনো পণ্ডিতে মতপোষণ কৰে। ভট্টিকাব্যত ছন্দৰ বৈশিষ্ট্য সীমিত অধিকাৰ আৰু তিঙন্ত কাণ্ডত ব্যাকৰণৰ প্ৰয়োগ বুজাওঁতে কবিয়ে সদায় অনুস্তুপ ছন্দৰ ব্যৱহাৰ কৰিছে। প্ৰকীৰ্ণ কাণ্ডত তেওঁ উপজাতি, ৰুচিৰা, মালিনী আদি ছন্দৰ প্ৰয়োগ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

কবি ভট্টিৰ জীৱনবৃত্ত আৰু কালৰ বিষয়ে লিখক ? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................
..........................................................................................

**৪.৫ মাঘ**

ভাৰতীয় মহাকবিৰ পৰম্পৰাত কবি মাঘৰ নাম অতি আদৰণীয়। সংস্কৃত কাব্য জগতৰ পঞ্চ মহাকাব্যৰ ভিতৰত মাঘৰ 'শিশুপালবধ' অন্যতম মহাকাব্য। আন বহু কবিসকলৰ দৰে মাঘৰ জীৱন বৃত্তত ভালদৰে জনা নাযায়। তথাপি মাঘে নিজৰ মহাকাব্যত তেওঁৰ পিতৃ পৰিচয়াদি দি গৈছে। তাৰ পৰা বুজা যায় যে তেওঁৰ পিতৃৰ নাম দত্তক 'সৰ্বাশ্ৰয়' আৰু পিতামহৰ নাম সুপ্ৰভদেৱ। সুপ্ৰভদেৱ সম্বন্ধে তেওঁ এইদৰে লিখিছে—

'সৰ্বাধিকাৰী সুকৃতাধিকাৰঃ শ্ৰীধৰ্মনাভস্য ৰভূৱ ৰাজ্ঞঃ।
অশক্ত দৃষ্টি ৰ্বিৰজাঃ সদৈৱ দেৱোহপৰঃ সুপ্ৰভদেৱ নাম।।'

এইদৰে পিতামহ সুপ্ৰভদেৱক কোনো শ্ৰীধৰ্মনাভ নামে ৰজাৰ মন্ত্ৰী বুলি কোৱা হৈছে। পণ্ডিত হৰগোবিন্দ শাস্ত্ৰীয়ে তেওঁ সম্পাদনা কৰ 'শিশুপাল বধ'ৰ (বাৰানসী ১৯৭৯, পৃষ্ঠা ৮০৫) পাতত শ্ৰীধৰ্মনাভৰ ঠাইত শ্ৰীবৰ্মন নাম আছে। শ্ৰীধৰ্মনাভ যথাসম্ভৱ গুজৰাটৰ বল্লভী ৰাজবংশৰ তিলক আছিল।

বল্লাল পণ্ডিত ৰচিত ‘ভোজ প্ৰবন্ধ’ত মাঘ আৰু তেওঁৰ পত্নীৰ দানশীলতা ভূয়সী প্ৰশংসিত হৈছে। জৈন কবি মেৰুতুঙ্গাচাৰ্যই তেওঁৰ ‘প্ৰবন্ধচিন্তামণি’ গ্ৰন্থত মাঘ কবিৰ উৎকৃষ্ট ঐশ্বৰ্য্য বিভূতিৰ কথা উল্লেখ কৰিছে। তেওঁ মাঘ আৰু তেওঁৰ পত্নীৰ চৰিত্ৰ কীৰ্তনো কৰিছে। শ্ৰীপ্ৰভাতচন্দ্ৰ প্ৰণীত ‘প্ৰভাৱকচৰিত’ৰ (সম্বৎ-১৩৩৪) চতুৰ্দ্দশ শৃংগত কবি মাঘৰ পিতৃ-পিতামহ, বাসস্থান আৰু তেওঁৰ আশ্ৰয়দাতা ৰজা শ্ৰীবৰ্মনৰ গুণানুকীৰ্তন কৰিছে।

**মাঘৰ কাল**

মাঘৰ চৰিত কীৰ্তন কৰা ভোজ প্ৰবন্ধ, প্ৰবন্ধ চিন্তামণি আৰু প্ৰভাক চৰিতৰ ৰচনাকাল ক্ৰমে সংবৎ ১২৪৯, ১৪৬১ আৰু ১৩৩৪ বুলি জনা যায়। গতিকে মাঘৰ কাল একাদশ শতিকাৰ পাছলৈ নাযায়। প্ৰবন্ধ চিন্তামণিৰ পৰা জনা যায় যে মাঘ আছিল ভোজ ৰজাৰ পৰমবন্ধু। মাঘৰ আবিৰ্ভাৱ কাল সপ্তম শতাব্দী।

মাঘে তেওঁৰ গ্ৰন্থৰ এঠাইত ‘মহাভাষ্য’ তথা ‘কাশিকাবৃত্তি’ৰ সৈতে ন্যাসৰ কথা উল্লেখ কৰিছে। কালিকা বৃত্তিৰ ৰচনা বামন আৰু জয়াদিত্যই সপ্তম শতিকাৰ মাজভাগত কৰে। এতেকে মাঘৰ সময় সপ্তম শতিকাৰ শেষ বা অষ্টম শতিকাৰ আদিভাগ।

নৱম শতিকাত ধ্বন্যালোকৰ ৰচক আনন্দবৰ্দ্ধনে তেওঁৰ গ্ৰন্থত (২/২৭) শিশুপাল বধৰ উল্লেখ কৰিছে। গতিকে মাঘ আনন্দবৰ্ধনৰ আগৰ।

বামনাচাৰ্যই (খৃঃ নৱম শতিকা)ত তেওঁৰ ‘কাব্যালংকাৰ সূত্ৰ বৃত্তি’ত মাঘকাব্যৰ ৩/৮শ্লোকৰ উদ্ধৃতি দিছে। এনেবোৰ তথ্যৰ ভিত্তিত মাঘক ৭-৮শতিকাৰ কবি বুলিব পাৰি।

**৪.৫.১ শিশুপাল বধ কাব্য**

**আধাৰ ঃ** মহাভাৰতৰ সভাপৰ্বৰ ৩৩-৪২এই দহ অধ্যায় তথা শ্ৰীমদ্ভাগৱত পুৰাণৰ ৭৪ অধ্যায়ত শিশুপাল বধৰ কথা পোৱা যায়। ইয়াৰ ওপৰতে ভেটি কৰি কবি মাঘে শিশুপাল বধ নামে কাব্যখন ৰচনা কৰে। কাব্যখন ২০টা সৰ্গত বিভক্ত আৰু সৰ্বমুঠ ১৬৫০টা শ্লোক আছে।

**কাব্যৰ কথাবস্তু ঃ** ১ ম সৰ্গত দেৱৰ্ষি নাৰদে ইন্দ্ৰৰ ওচৰৰ পৰা দ্বাৰকাস্থ শ্ৰীকৃষ্ণৰ ওচৰলৈ যায়। সেৱা সৎকাৰ কৰি শ্ৰীকৃষ্ণই দেৱৰ্ষি নাৰদক আগমনৰ উদ্দেশ্য সোধে। তেতিয়া দেৱৰ্ষিয়ে কয় যে ইন্দ্ৰই শিশুপালক বধ কৰাটো বিচাৰিছে। শিশুপালে জন্মে জন্মে বিষ্ণুৰ শত্ৰুতা আচৰণ কৰি আহিছে। সেয়ে তেওঁ বধ্য। ইয়াকে কৈ নাৰদে কৃষ্ণৰ ওচৰৰ পৰা বিদায় লয়।

দ্বিতীয় সৰ্গত শ্ৰীকৃষ্ণই বলৰাম আৰু উদ্ধৱৰে সৈতে মন্ত্ৰণা কৰে। তেওঁলোকে আলোচনা কৰি থাকোতেই যুধিষ্ঠিৰৰ পৰা ৰাজসূয়যজ্ঞৰ নিমন্ত্ৰণৰ বতৰা পায়। বলৰামে অৱশ্যে ৰাজসূয়ৰ আমন্ত্ৰণ নেওচি চেদিৰাজ্য আক্ৰমণ কৰাৰ কথা কয়। কিন্তু উদ্ধৱে প্ৰথমে ৰাজসূয় যজ্ঞলৈ যোৱা আৱশ্যক বুলি কয়।

তৃতীয় সৰ্গৰ পৰা অষ্টম সৰ্গলৈ এই ছটা সৰ্গত শ্ৰীকৃষ্ণ সসৈন্যে ৰাজয়সূয় যজ্ঞাৰ্থে ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ বিৱৰণ আছে। বাটতে সাৰথি দাৰুকৰ মুখেৰে ৰৈৱতক পৰ্বতৰ শোভ বৰ্ণনা কৰে। ইয়াৰ পিছত সেনা নিবেশৰ বৰ্ণনা পোৱা যায়। ষষ্ঠসৰ্গত ঋতু বৰ্ণনা, সপ্তম সৰ্গত বন বিহাৰৰ বৰ্ণনা, অষ্টম সৰ্গত জলক্ৰীড়াৰ বৰ্ণনা পোৱা যায়। ইয়াত শৃংগাৰৰ আধিক্য দেখা গৈছে।

১১শ সৰ্গত শ্ৰীকৃষ্ণৰ টোপনি ভাঙিবলৈ বৈতালিকসকলৰ মুখত প্ৰভাত বৰ্ণনাৰ ছবি আছে। এই সৰ্গত কবিয়ে সুৰ্য্যোদয়ৰ বৰ্ণনাত নিজৰ অনুভূতি আৰু সংবেদনশীল হৃদয়ৰ পৰিচয় দিছে।

১২শ সৰ্গত শ্ৰীকৃষ্ণই সসৈন্যে সপৰিবাৰে যমুনা নদীৰ পাৰ হোৱৰ বৰ্ণনা আছে। ১৩শ সৰ্গত আদৰি নিয়াৰ বৰ্ণনা আছে। শ্ৰীকৃষ্ণই হস্তিনাপুৰ প্ৰৱেশ কৰাত নৰ-নাৰীসকলৰ প্ৰতিক্ৰিয়া আৰু যজ্ঞ সভাৰ বিৱৰণো ইয়াত আছে। ১৪শ সৰ্গত ভীষ্মৰ পৰামৰ্শক্ৰমে যুধিষ্ঠিৰে ভগৱান শ্ৰীকৃষ্ণক প্ৰথম অৰ্ঘ্য দান কৰে।

১৫শ মৰ্গত শিশুপালে উদ্ধতালি কৰাৰ চিত্ৰ বৰ্ণনা কৰিছে। শ্ৰীকৃষ্ণক অৰ্ঘ্যদান কৰা দেখি শিশুপালে যুধিষ্ঠিৰ, শ্ৰীকৃষ্ণ আৰু ভীষ্মক নিন্দা কৰে। অনেক নিন্দা কৰাতো শ্ৰীকৃষ্ণই যাদৱসকলক শান্ত কৰি ৰাখে। ভীষ্মই শিশুপালক উচিত শিক্ষা দিয়ে। তেতিয়া শিশুপালে তেওঁৰ পক্ষীয় ৰজাসকলৰ সৈতে যজ্ঞভূমি ত্যাগ কৰিব খোজে। শিশুপালৰ ঔদ্ধত্য বাঢ়ি যোৱাত পাণ্ডৱসকলে তেওঁক শান্ত হ'বলৈ কয়। তেতিয়া তেওঁ সদলে যজ্ঞভূমি এৰি শিবিৰলৈ গৈ যুদ্ধৰ বাবে আয়োজন কৰে।

১৬শ সৰ্গত শিশুপালৰ বিৰুদ্ধে পাণ্ডৱসকলৰ যুদ্ধ যাত্ৰাৰ বিৱৰণ আছে। ১৮শ, ১৯শ আৰু বিংশ সৰ্গত শ্ৰীকৃষ্ণ আৰু শিশুপালৰ মাজত তুমুল যুদ্ধহোৱাৰ বিৱৰণ আছে। শেষত শ্ৰীকৃষ্ণই সুদৰ্শন চক্ৰৰে শিশুপালৰ শিৰহৰণ কৰা কথা বৰ্ণিত হৈছে। যুদ্ধবীৰৰ বীৰ ৰসপূৰ্ণ উক্তিবোৰ মাঘে সুন্দৰকৈ দিছে।

**৪.৫.২ মাঘৰ কাব্য প্ৰতিভা**

(১) কবি হোৱাৰ উপৰিও মাঘ ৰাজনীতি, ব্যাকৰণ, দৰ্শন, আয়ুৰ্বেদ, নাট্যসংগীত আদিৰ ক্ষেত্ৰতো অগাধ পাণ্ডিত্য আছিল। মাঘৰ পূৰ্ণ ব্যক্তিত্বৰ কথা 'শিশুপালবধ' কাব্যৰ প্ৰত্যেকটো শ্লোকতেই প্ৰকাশ পাইছে।

(২) ৰাজনীতিৰ ক্ষেত্ৰত মাঘ আছিল অগাধ পণ্ডিত। শিশুপাল বধ কাব্যৰ দ্বিতীয়, পঞ্চম, অষ্টম, উনৈশ আৰু বিংশ সৰ্গত এওঁৰ ৰাজনীতি জ্ঞানৰ সম্যক পৰিচয় পোৱা যায়।

(৩) মাঘৰ দৰ্শন জ্ঞানৰ পৰিচয় পোৱা যায়। প্ৰথম সৰ্গত দেৱৰ্ষি নাৰদে শ্ৰীকৃষ্ণক কৰা স্তুতিৰ মাজেদি। ১৪শ সৰ্গত বৰ্ণিত মহাৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞ দাৰ্শনিক অভিজ্ঞতাৰ প্ৰমাণ। অদ্বৈত বেদান্তৰ অনুসাৰে মায়া আৰু ব্ৰহ্মৰ প্ৰতিবাদন অনেক ঠাইত আছে।

(৪) মাঘৰ ব্যাকৰণৰ জ্ঞানো কম নহয়। নতুন নতুন শব্দ সম্ভাৰ প্ৰয়োগত এওঁ সিদ্ধহস্ত। সেই বাবেই শিশুপাল বধ কাব্যক শব্দৰ বিশ্বকোষ আখ্যা দিয়া হয়। এই প্ৰংসগত কোৱা হয় যে 'শিশুপাল বধ' কাব্যৰ নৱমসৰ্গ সমাপ্ত হোৱাৰ পিছত আটাইবোৰ শব্দ সমাপ্ত হয়। 'নৱসৰ্গ গতে মাঘে নৱ শব্দো ন বিদ্যতে'। কাব্যিক দৃষ্টিকোণৰ ফালৰ পৰাও মাঘ কাব্য সুৰুচিপূৰ্ণ আৰু ভাষা অতি প্ৰাঞ্জল।

(৫) মাঘ এজন সংগীতপ্ৰিয় কবি আছিল। প্ৰথম সৰ্গত নাৰদে বীণাত সপ্তসুৰৰ যি মূৰ্চনা তুলিছিল তাৰ সুন্দৰ বৰ্ণনা আছে।

(৬) মাঘ ৰসবাদী কবি। ধ্বনিক কাব্যৰ আত্মা বুলি মানিলোৱা আলঙ্কৰিকসকলৰ ভিতৰত মাঘো এজন। ৰসবাদী হোৱা বাবে মাঘৰ কবিতা হৃদয়ঙ্গম কৰিবলৈ পুৰ পাণ্ডিত্যৰ

প্ৰয়োজন। কাব্য জীৱনব্যাপী অধ্যয়নৰ আৱশ্যক। 'মেঘে মাঘে গতং বয়ঃ।' এই উক্তি 'শিশুপাল বধ' কাব্যত যথাৰ্থভাৱে খাটে।

(৭) প্ৰকৃতি বৰ্ণনাত সিদ্ধহস্ত। অলঙ্কাৰ প্ৰয়োগৰ দ্বাৰা প্ৰকৃতিবৰ্ণনা সজীৱ কৰি তুলিছে। ঋতুৰ বৰ্ণনা, বনবিহাৰ, জলবিহাৰ, সূৰ্যোদয় আৰু সূৰ্যাস্ত বৰ্ণনা, ৰতি বৰ্ণনা আদি কাব্যত প্ৰচুৰভাৱে দেখা যায়। শিশুপাল বধত বন উপবন, নৈ- পৰ্বত, সৰোবৰ, গছ-লতা, প্ৰাতঃ সন্ধ্যা, দিন-ৰাতি আদিক উদ্দীপন বিভাৱৰূপে ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যৰ ঠায়ে ঠায়ে পোৱা প্ৰকৃতিচিত্ৰন এনে চমৎকাৰ হৈছে যে পাঠকে তাৰ সৌন্দৰ্য্যত আত্মবিভোৰ নহৈ নোৱাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

শিশুপাল বধৰ উৎস আৰু কথাবস্তুৰ বিষয়ে আলোচনা কৰক? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

### ৪.৬ শ্ৰীহৰ্ষ

পঞ্চমহাকাব্যৰ পঞ্চম আৰু 'বৃহত্ৰয়ী'ৰ অন্তিম বুলি জনাজাত 'নৈষধচৰিত'ৰ ৰচয়িতা শ্ৰীহৰ্ষৰ সম্বন্ধে কিছুমান কিম্বদন্তী আৰু লোকোক্তি প্ৰচলিত আছে। তাৰে এটা লোকোক্তিত কোৱা হৈছে— যেতিয়ালৈকে মাঘৰ উদয় নহয় তেতিয়ালৈকে ভাৰৱিয়ে পোহৰ বিলায়। কিন্তু নৈষধকাব্যৰ উদয় হ'লে ক'ত ভাৰৱি, ক'ত মাঘ'।

তাৱ ভাৰৱেৰ্ভাতি দাবন্মাঘস্য নোদয়ঃ
উদিতে নৈষধে কাব্যে ক্ক মাঘঃ ক্ক চ ভাৰৱিঃ।

এই শ্লোকফাকি নৈষধচৰিতৰ প্ৰশংসা পৰক। শ্ৰীহৰ্ষৰ পিতৃ-মাতৃৰ নাম শ্ৰীহৰ আৰু মামল্লদেৱী। শ্ৰীহীৰ এজন সুখ্যাত পণ্ডিত আৰু সুকবি আছিল। তেওঁ কাশীৰাজ 'বিজয় চন্দ্ৰ'ৰ সভাৰ মুখ্য পণ্ডিত আছিল। এবাৰ ৰাজসভাত প্ৰসিদ্ধ নৈয়াসিক উদয়নাচাৰ্য্যৰ সৈতে শ্ৰীহীৰ শাস্ত্ৰৰ্থবাদ অনুষ্ঠিত হৈছিল। তাত শ্ৰীহীৰ পৰাস্ত হ'ল আৰু তেওঁৰ মনোকষ্ট হ'ল। সেয়ে তেওঁৰ ৰোগত পৰিণত হ'ল। তেওঁ সভা ত্যাগ কৰি ঘৰত সোমাই গ'ল। মৃত্যুৰ আগে আগে শ্ৰীহীৰে পুতেক শ্ৰীহৰ্ষক দঢ়াই কলে— তেওঁ যেন শাস্ত্ৰাৰ্থবাদত উদয়াচাৰ্যক পৰাস্ত কৰে। এবছৰ কাল চিন্তামণিমন্ত্ৰ জপ কৰি তেওঁ ত্ৰিপুৰাদেৱীৰ বৰ লাভ কৰি অসাধাৰণ কবিত্ব শক্তি লাভ কৰিছিল। কিন্তু তেওঁৰ কথা কোনেও বুজি নোপোৱা হ'ল। তাকে দেখি তেওঁ আকৌ ত্ৰিপুৰাদেৱীৰ স্তুতি কৰি ক'লে— 'হে মা আপোনাৰ পৰা বৰ লাভ কৰি মই যি প্ৰখৰ পাণ্ডিত্য লাভ কৰিলোঁ তাত কিবা দোষ ৰ'ল, ফলত মোৰ কথা কোনেও বুজি নোপোৱা হ'ল। সেয়েহে মোক এনে বৰ দিয়ক যাতে মোৰ কথা আনৰ বোধগম্য হয়।' তেতিয়া দেৱীৰ কৃপাত শ্ৰীহৰ্ষৰ মাত-কথা সকলো লোকৰ বোধগম্য

হ'ল। তাৰ পিছত শ্ৰীহৰ্ষই একাধিক গ্ৰন্থ ৰচনা কৰিলে। অনেক গ্ৰন্থ ৰচনা কৰি উঠি তেওঁ কনৌজৰ অধিপতি বিজয়চন্দ্ৰৰ ৰাজসভাত উপস্থিত হৈ ৰজাৰ স্তুতি কৰি উঠি তেওঁ কনৌজৰ অধিপতি বিজয়চন্দ্ৰৰ ৰাজসভাত উপস্থিত হৈ ৰজাৰ স্তুতি কৰি এটি শ্লোক পঢ়িলে -

গোৱিন্দনন্দনতয়া চ বপুঃশ্ৰিয়া চ
মাহস্মিন্নৃপে কুৰু ত কামধিয়াং তৰুণ্যঃ।
অস্ত্ৰীকৰোতি জগতাং বিজয়ে স্মৰঃস্ত্ৰী
ৰস্ত্ৰীজনঃ পুনৰনেন বিধিয়তে স্ত্ৰী।

অৰ্থাৎ — 'তৰুণীসকলে ৰজা বিজয়চন্দ্ৰক এইবাবে কামদেৱ বুলি নাভাবক যে তেওঁ গোৱিন্দৰ পুত্ৰ। প্ৰদুম্ন্যস্বৰূপ কামদেৱো গোৱিন্দৰ (শ্ৰীকৃষ্ণৰ) পুত্ৰ। আৰু দৈহিকভাবেও কামদেৱৰ দৰে সুন্দৰ। কাৰণ, কামদেৱ আৰু বিজয়চন্দ্ৰৰ মাজত এক তাত্বিকভেদ এয়ে যে কামদেৱে সংসাৰ জয় কৰিবলৈ নাৰীক অস্ত্ৰৰূপে ব্যৱহাৰ কৰে আৰু এখেত ৰজাই যুদ্ধলৈ অহা শত্ৰুবোৰক নাৰীৰ দৰে পুৰুষত্বহীন কৰে।'

শ্ৰীহৰ্ষৰ মুখত শ্লোকটিৰ ব্যাখ্যা শুনি ৰজা বৰ সন্তুষ্ট হ'ল। তাৰ লগে লগে শ্ৰীহৰ্ষই তেওঁৰ কথা যে আনে বুজি পাইছে তাকে ভাবি আত্মতুষ্টি আৰু আত্ম বিশ্বাসো লাভ কৰিলে। তেতিয়া তেওঁ পিতৃৰ প্ৰতিস্পৰ্ধী পণ্ডিত উদয়নাচাৰ্য্যক লক্ষ্য কৰি এটি কটাক্ষপূৰ্ণ শ্লোক পঢ়ি শুনালে। সেই শ্লোক শুনি উদয়ানাচাৰ্য্যই শ্ৰীহৰ্ষৰ পাণ্ডিত্য স্বীকাৰ কৰিলে। শ্ৰীহৰ্ষৰ প্ৰতিভাত মুগ্ধ হৈ ৰজাই তেওঁক ৰাজকবি নিযুক্ত কৰিলে।

ৰাজ সভাত আসন লাভ কৰাৰ পাছত ৰজাৰ পৰা বিশেষ প্ৰেৰণা লাভ কৰি শ্ৰীহৰ্ষই 'নৈষধাচৰিত' ৰচনা কৰি ৰজাক দেখুৱালে। তেওঁৰ কাব্য দেখি ৰজাই সন্তুষ্ট হ'ল। কাব্যৰ প্ৰসিদ্ধি বঢ়াবলৈ কাশ্মীৰলৈ গৈ তাত নিত্যবসতি কৰা দেৱী সাৰদাৰ অনুমোদন লাভ কৰিবলৈ ৰজাই কবিক আদেশ দিলে।

ৰজাৰ কথামতে শ্ৰীহৰ্ষ কাশ্মীৰলৈ গ'ল। তাত তেওঁ পণ্ডিতশকলক ৰচিত গ্ৰন্থ দেখুৱালে। তাৰ পাছত গ্ৰন্থখন সাৰদাদেৱীৰ হাতত দিওঁতেই দেৱীয়ে দলিয়াই পেলালে, তেতিয়া শ্ৰীহৰ্ষৰ মনত আক্ষেপ হ'ল। কি দোষৰ বাবে দেৱীয়ে গ্ৰন্থখন অগ্ৰাহ্য কৰিলে তাক সুধিলত দেৱীয়ে জনালে যে গ্ৰন্থৰ এঠাইত দেৱীক বিষ্ণুপত্নী বুলি কবিয়ে ভুলকৈ বৰ্ণনা কৰিছে। কবিয়ে যুক্তি দি ক'লে যে দেৱীয়ে এক জন্মত বিষ্ণুৰ স্বীকাৰ কৰা পুৰাণ প্ৰসিদ্ধ। তাকে শুনি দেৱীসাৰদাই কবিৰ গ্ৰন্থ হাতত তুলি লৈ অনুমোদন কৰিলে।

তাৰ পিছত কাশ্মীৰৰ পণ্ডিতসকলে ৰজাৰ অনুমোদন লাভৰ বাটত বিধিপথালি দিলে। তেওঁলোকে গ্ৰন্থখন ৰজাক দেখুৱাত পলম কৰিলে। বহুদিন অপেক্ষা কৰি শ্ৰীহৰ্ষই এদিন দুঃখ কৰি নৈৰ ঘাটৰ ওচৰত বহি আছিল। তালৈ পানী নিবলৈ অহা দুজনী তিৰোতাৰ মাজত হোৱা বাক-বিতণ্ডা, গালি গালাজৰ দ্বাৰা দুয়ো আহত হ'ল। দুয়ো কাজিয়া ভাঙিবলৈ ৰজাৰ ওচৰত গোচৰ দিলে। ৰজাই কাজিয়াৰ সাক্ষী বিচৰাত ৰজাৰ মানুহে গৈ তাত শ্ৰীহৰ্ষক পাই ৰজাৰ ওচৰত সাক্ষীৰূপে হাজিৰ কৰিলে ৰজাই তেওঁক কাজিয়া কিদৰে সূত্ৰপাত হ'ল সধিলত তেওঁ ৰজাক জনালে— 'মহাৰাজ! মই তেওঁলোকৰ ভাষা বুজা নাই। খঙতে তেওঁলোকে যি কোৱাকুই কৰিছে সেয়া মোৰ মনত আছে তাকে কওঁ শুনক' এইদৰে কৈ তিৰোতা দুগৰাকীৰ মাজত হোৱা সমস্ত কাজিয়া ৰজাৰ সন্মুখত সকলো ক'লে।

ৰজাই তেওঁৰ অসাধাৰণ স্মৃতিশক্তি আৰ মেধাৰ প্ৰমাণ পাই তেওঁৰ পৰিচয়, কাশ্মীৰলৈ অহাৰ কাৰণ সুধিলত শ্ৰীহৰ্ষই সকলো জনালে আৰু ৰাজপণ্ডিতসকলৰ হেমাহিৰ কথাও ক'লে। ৰজাই তেওঁৰ কথা শুনি ৰাজ পণ্ডিতসকলক নিন্দা কৰিলে। এনে এজন

গুণী-জ্ঞানী পণ্ডিতৰ ওচৰত কৰা অসজ আচৰণৰ কাৰণে শ্ৰীহৰ্ষক ঘৰলৈ মাতি নি সেৱা সৎকাৰ কৰিবলৈ প্ৰতিজন পণ্ডিতকে আদেশ দিলে। পণ্ডিতসকলে ৰাজ আজ্ঞা পালন কৰিলে। ৰজাই চীল মোহৰ মাৰি 'নৈষধচৰিত' সৰস্বতীৰ অনুমোদিত বুলি ৰাজকীয় প্ৰমাণ পত্ৰ দি হৰ্ষক বিধিমতে বিদায় দিলে।

**কাল** ঃ শ্ৰীহৰ্ষ আছিল কান্যকুব্জৰ ৰজা বিজয়চন্দ্ৰৰ ৰাজসভাৰ কবি। জয়চন্দ্ৰৰ বংশধৰ ৰাজপুতসকলক গহড়ৱাল বোলা হৈছিল, এঘাৰ বাৰ শতাব্দীত এই বংশ উত্তৰ ভাৰতত বৰ বিখ্যাত আছিল। এওঁলোকেই কনৌজৰ ৰাজবংশধৰ। পিছত তেওঁলোকে কাশীত ৰাজধানী পাতে। জয়চন্দ্ৰই কাশীৰ পৰা বিশাল সাম্ৰাজ্য শাসন কৰিছিল। এওঁৰ পিতৃ বিজয়চন্দ্ৰ। বিজয়চন্দ্ৰই ১১৫৬ খৃষ্টাব্দৰ পৰা ১১৯৩ খৃষ্টাব্দলৈ ৰাজ শাসন কৰে। এতেকে শ্ৰীহৰ্ষৰ আৱিৰ্ভাৱ কাল দ্বাদশ শতাব্দীৰ উত্তৰাৰ্ধ। কাৰণ এওঁ বিজয়চন্দ্ৰ আৰু জয়চন্দ্ৰ ৰাজসভাৰ কবি আছিল।

**শ্ৰীহৰ্ষৰ ৰচনাৱলী ঃ** শ্ৰীহৰ্ষই কেবাখনো গ্ৰন্থ ৰচনা কৰে। আটাইবোৰ গ্ৰন্থৰ নাম নৈষধচৰিতৰ প্ৰত্যেক সৰ্গৰ শেষৰ শ্লোকত উল্লেখ কৰিছে।

১। নৈষধ চৰিত

২। স্থৈৰ্য্য বিচাৰণ প্ৰকৰণ ঃ ই এখন দাৰ্শনিক গ্ৰন্থ। ইয়াত ক্ষণিকবাদৰ নিৰাকৰণ কৰা আছে।

৩। বিজয় প্ৰশস্তি ঃ বিখ্যাত যোদ্ধা বিজয়ী বীৰ বিজয়চন্দ্ৰক প্ৰশংসা কৰি লিখা এখন প্ৰশস্তি।

৪। অৰ্ণৱ-বৰ্ণন

৫। শিৱ-শক্তি সিদ্ধি

৬। মণ্ডন-খণ্ড- মাদ্য ঃ ই এখন বেদান্তৰ গ্ৰন্থ। ইয়াত নৈয়ায়িক তৰ্ক প্ৰণালীৰ অনুসৰণ কৰি কবিয়ে ন্যায়ৰ সিদ্ধান্তৰ মণ্ডন তথা অদ্বৈত বেদান্তৰ সিদ্ধান্ত স্থাপন কৰিছে।

৭। গৌড়োবীংশকুন প্ৰশস্তি।

৮। ছন্দ প্ৰশস্তি

৯। নৱসাহসাঙ্কচৰিত চম্পূ

১০। ঈশ্বৰাভিসন্ধি।

### ৪.৬.১ নৈষধচৰিত কাব্য

মহাকবি শ্ৰীহৰ্ষই মহাভাৰতৰ বন পৰ্বৰ ৫০-৭৮ অধ্যায়ত বৰ্ণিত নল-দময়ন্তীৰ আখ্যানৰ আধাৰত 'নৈষধচৰিত' ৰচনা কৰিছে। শ্ৰীহৰ্ষই মূল কথাৰ সলনি নকৰকৈ এখন মহাকাব্যৰ লক্ষণ প্ৰতিফলিত কৰি অনেক অভিনৱ বৰ্ণনাৰে কাব্যখন পঢ়ুৱৈৰ মনোৰঞ্জনৰ উপযোগীকৈ ৰচনা কৰিছে।

কাব্যখন ২২ টা সৰ্গত ২৮৩০ টা শ্লোকৰ সমষ্টি। ইয়াৰ প্ৰতিটো সৰ্গত শতাধিক শ্লোক আছে। নিষধ দেশৰ ৰজা নল আৰু আৰু বিদৰ্ভৰ ৰজা ভীমৰ কন্যা, দময়ন্তীৰ প্ৰণয় কাহিনীয়েই কাব্যৰ বিষয়বস্তু।

কাব্যৰ প্ৰথম সৰ্গত মৃগয়াবৰ্ণন তথা ৰজা নলৰ দ্বাৰা হংসক কুণ্ডিনপুৰলৈ পঠোৱা হৈছে, তৃতীয় সৰ্গত নিৰ্জন ঠাইত দময়ন্তীৰ আগত হংসৰ দ্বাৰা নলৰ পৰাক্ৰম, সৌন্দৰ্য্য বৰ্ণনা, চতুৰ্থ সৰ্গত নলৰ দ্বাৰা দময়ন্তীৰ পূৰ্বানুৰাগ তথা বিয়োগ অৱস্থাৰ বিস্তৃত বৰ্ণনা, পঞ্চম সৰ্গত দময়ন্তীৰ স্বয়ম্বৰ আয়োজন আৰু ইন্দ্ৰ, বৰুণ, অগ্নি তথা যমৰ দ্বাৰা নলক

তিৰস্কাৰিণী বিদ্যাৰ সহায়ত অন্তঃপুৰলৈ পঠোৱাৰ বৰ্ণনা, ষষ্ঠ সৰ্গৰ পৰা নৱম সৰ্গলৈ নলৰ দ্বাৰা দময়ন্তীৰ আগত দেৱতাসকলৰ বাণী নিবেদন, দময়ন্তীৰ নলৰ প্ৰতি একান্ত নিষ্ঠা। দশম সৰ্গত স্বয়ম্বৰ আৰু দময়ন্তীৰ সৌন্দৰ্য্য বৰ্ণনা আছে। একাদশ তথা দ্বাদশ সৰ্গত স্বয়ম্বৰলৈ অহা ৰজাসকলৰ মনোৰঞ্জন বৰ্ণনা। ত্ৰয়োদশ সৰ্গত নলৰ ৰূপত স্বয়ম্বৰত উপস্থিত হোৱা চাৰিওজন দেৱতাৰ তথা সৰস্বতীৰ দ্বাৰা নলৰ বৰ্ণনা, চতুৰ্দ্দশ সৰ্গত দময়ন্তীৰ প্ৰতিনিষ্ঠাৰ ওপৰত প্ৰসন্ন হৈ দেৱতাসকলে স্বৰূপ ধাৰণা কৰা আৰু নলৰ লগত দময়ন্তীৰ বিবাহৰ বৰ্ণনা, পঞ্চদশ সৰ্গত দৰা-কইনাৰ প্ৰসাধন সামগ্ৰীৰ বৰ্ণনা, ষষ্ঠদশ সৰ্গত পাণিগ্ৰহণ, সপ্তদশ সৰ্গত ইন্দ্ৰাদিয়ে স্বৰ্গলৈ যোৱাৰ বাটতে কলিৰ সমাগম হয় আৰু কলিয়ে প্ৰতিষ্ঠা কৰিব খোজা নাস্তিকতাবাদ দেৱতাসকলে মণ্ডন কৰা বৰ্ণিত হৈছে। অষ্টাদশ সৰ্গত নল আৰু দময়ন্তীৰ প্ৰথম সমাগমৰ বৰ্ণনা আছে। শেষৰ চাৰিটা সৰ্গত (১৯-২২ শ) নল-দময়ন্তীৰ ব্যৱহাৰিক জীৱন, দাম্পত্য প্ৰণয়, দেৱতা স্তুতি আদিৰ বৰ্ণনা দিয়া হৈছে। এনেদৰে সুন্দৰ কলা প্ৰদৰ্শনেৰে কাব্যখনৰ সমাপ্তি ঘটিছে।

### ৪.৬.২ শ্ৰীহৰ্ষৰ কাব্য প্ৰতিভা

শ্ৰীহৰ্ষ মাঘ আৰু ভাৰৱিৰ দৰে কলাবাদী কবি। তেওঁৰ কাব্যতো শৃঙ্গাৰ ৰসাত্মক বৰ্ণনাৰ প্ৰাচুৰ্য্য অধিক। বাৎসায়নৰ 'কামসূত্ৰ'ৰ প্ৰভাৱ অপৰিসীম। বিশেষতঃ ১৭ শ আৰু ১৮ শ সৰ্গ দুটা তাৰে পৰিচায়ক। তেওঁৰ কাব্যত সম্ভোগ আৰু বিপ্ৰলম্ভ দুয়ো প্ৰকাৰ শৃঙ্গাৰ বৰ্ণিত হৈছে। নাৰীৰ ৰূপ বৰ্ণনাত শৃঙ্গাৰ ৰসৰ মধুৰ ব্যঞ্জনা শ্ৰীহৰ্ষৰ লেখনিৰে প্ৰকাশ পাইছে। শৃঙ্গাৰ ৰসৰ উপৰিও বীৰ, কৰুণ, হাস্য আদিৰ সুন্দৰ দৃষ্টান্ত পোৱা যায়।

নৈষধ চৰিতত প্ৰকৃতিৰ বৰ্ণনাও অনেক। ইয়াৰ প্ৰথম, চতুৰ্থ, ১৯ আৰু ২০শ তম সৰ্গত প্ৰকৃতিৰ মনোমোহা বৰ্ণনা পোৱা যায়। তাত ৰাতিপুৱা, সন্ধ্যা, সূৰ্য্য, বন-উপবন, নদ-নদী, পুখুৰী, সমুদ্ৰ আদি সুন্দৰ ৰূপত দেখা যায়।

শ্ৰীহৰ্ষই কাব্যত উপমা, ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি, স্বভাবোক্তি, অপহ্নুতি, সন্দেহ, শ্লেষ আদি অৰ্থলঙ্কাৰৰ বাহিৰেও অনুপ্ৰাস , যমক আদি শব্দালঙ্কাৰৰ সুন্দৰ সমাৱেশ দেখা যায়।

শ্ৰীহৰ্ষই নৈষধ চৰিতৰ কোনো কোনো ঠাইত বৌদ্ধ, চাৰ্বাক, ন্যায়, সাংখ্য, বৈশেষিক, মীমাংসা, যোগ আৰু অদ্বৈতবেদান্তৰ ব্যাখ্যা কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

নৈষধচৰিতৰ মূল কথাবস্তু কি ? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

## ৪.৭ ক্ষেমেন্দ্ৰ

কাশ্মীৰী কবিসকলৰ মাজত ক্ষেমেন্দ্ৰ এজন প্ৰসিদ্ধ কবি। তেওঁৰ ৰচনাৱলীৰ বেছিভাগ মহাভাৰতৰ ওপৰত ভেটি কৰি ৰচনা কৰা বাবে তেওঁক ব্যাসদেৱ আখ্যা দিয়া হয়। তেওঁৰ পিতৃ আৰু পিতামহৰ নাম ক্ৰমে প্ৰকাশেন্দ্ৰ আৰু সিন্ধু। ক্ষেমেন্দ্ৰই আচাৰ্য্য অভিনৱগুপ্তৰ ওচৰত সাহিত্য অধ্যয়ন কৰিছিল। আগতে ক্ষেমেন্দ্ৰ 'শৈৱ আছিল। পিছলৈ বৈষ্ণৱ হয়। তেওঁ কাশ্মীৰৰ ৰজা অনন্তৰ সভাকবি আছিল।

**ক্ষেমেন্দ্ৰৰ ৰচনাৱলী ঃ**

ক্ষেমেন্দ্ৰ আৰু প্ৰতিভাশালী কবি আছিল। খুব কমসংখ্যক সংস্কৃত কবিয়ে তেওঁৰ দৰে অনেক বিষয়ৰ ওপৰত বহু সংখ্যক গ্ৰন্থ লিখিছিল। তেওঁৰ গ্ৰন্থসমূহ চাৰি ভাগত ভাগ কৰিব পাৰি।

ক) সংক্ষিপ্ত কাব্যিক গ্ৰন্থ ঃ (১) ৰামায়ণমঞ্জৰী বা ৰামায়ণ কথাসাৰ (২) ভাৰত মঞ্জৰী (৩) বৃহৎ কথা মঞ্জৰী (৪) দশৰতাৰ চৰিত (৫) বৌদ্ধাৱদান কল্পলতা বা অৱদান কল্পলতা।

**খ) নীতি গৰ্ভকাব্য ঃ** (৬) কলাবিলাস (৭) সময় মাতৃক (৮) চাৰু চাৰ্যা শতক (৯) সেৱৎ সেৱকোপদেশ (১০) দৰ্পদলন (১১) দেশোপদেশ (১২) নৰ্মমালা (১৩) চতুৰ্বৰ্গসংগ্ৰহ।

গ) ছন্দ আৰু অলঙ্কাৰ ঃ (১৪) কবিকণ্ঠাভৰণ (১৫) ঔচিত্য বিচাৰ চৰ্চা (১৬) সুবৃত্তি তিলক

ঘ) সানমিহলি ঃ (১৭) লোক প্ৰকাশ কোশ (১৮) নীতি কল্পতৰু (১৯) ব্যাস শতক (২০) নৃপাৱলী।

উক্ত গ্ৰন্থ সমূহৰ উপৰিও (১) শশীবংশ মহাকাব্য (২) অমৃতৰঙ্গ কাব্য (৩) অৱসৰ সাৰ (৪) মুক্তাৱলী (৫) লাৱণ্যৱতী (৬) পৱন পঞ্চশিকা (৭) পদ্য কাদম্বৰী (৮) নীতিলতা (৯) বিনয়বল্লী (১০) মুনিমত মীমাংসা - এই দহ খনো ক্ষেমেন্দ্ৰৰ ৰচনা বুলি কোৱা হয়।

ইয়াত কেৱল পাঁচখন কাব্যগ্ৰন্থ চমু পৰিচয় দাঙি ধৰা হ'ল। অন্য গ্ৰন্থসমূহৰ বিষয়ে যথাস্থানত লিখা হ'ব।

ৰামায়ণ মঞ্জৰী ঃ ৰামায়ণ মঞ্জৰী বাল্মীকিৰ দ্বাৰা ৰচিত ৰামায়ণৰ সংক্ষিপ্ত সাৰ। গ্ৰন্থখনে একাদশ শতিকাত বাল্মীকি ৰামায়ণৰ কি অৱস্থা আছিল তাক বুজাত সহায় কৰে। কাব্য হিচাপে উচ্চামনৰ নহয়।

ভাৰত মঞ্জৰী ঃ ভাৰত মঞ্জৰী ব্যাসকৃত মহাভাৰতৰ সংক্ষিপ্তসাৰ। এই গ্ৰন্থখন ৰচনা কৰি ক্ষেমেন্দ্ৰই নিজকে কবিৰূপে প্ৰতিষ্ঠা লাভ কৰে আৰু 'ব্যাস' উপাধিৰে বিভূষিত হয়। তাৰ ইঙ্গিত গ্ৰন্থৰ অন্তিম শ্লোকত আছে।

এযবিষ্ণুকথাতীৰ্থ পুন্যৰৎ সলিলোক্ষিতঃ।

প্ৰাপ্তঃ সামান্য জল্পোঽপি ক্ষেমেন্দ্ৰহদ্যকৰীন্দ্ৰতাম্।।

গ্ৰন্থখনৰ কাব্যিক মহত্ব নাই। গ্ৰন্থখন নীৰস। মহাভাৰতৰ মাজৰ পৰা প্ৰক্ষিপ্তাংশ বিচৰাত ই সহায় কৰে।

বৃহৎকথা মঞ্জৰী ঃ গল্পসাহিত্যত আলোচনা কৰা হব।

দশাৱতাৰ চৰিত ঃ ই বিষ্ণুৱ দশাৱতাৰ বিষয়ক আখ্যানসমূহৰ এক কাব্যিক প্ৰচেষ্টা।

ৰাম অৱতাৰৰ যি বৰ্ণনা আছে তাত কবিয়ে কিছু অভিনৱত্ব সংযোগ কৰিছে। বুদ্ধক দশাৱতাৰৰ এক অৱতাৰ ৰূপত প্ৰদৰ্শন কৰাৰ উদাহৰণ গুৰুত্বপূৰ্ণ।

বৌদ্ধাৱদান কল্পলতা ঃ ই বৌদ্ধজাতক কথাৰ সংকলন। ক্ষেমেন্দ্ৰই ১০৭ টা গল্প ৰচনা কৰিছে। তেওঁৰ পুত্ৰই আৰু দুটা পল্লৱ যোদ দি ১০৮ টা পল্লৱেৰে গ্ৰন্থখন সমাপ্ত কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ক্ষেমেন্দ্ৰৰ ৰচনাৱলীৰ বৈশিষ্ট্য কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ৪.৮ সাৰাংশ (Summing Up)

মহাকৱি কালিদাসৰ অব্যয়হিত পৰৱৰ্তী কালত মাঘ, ভাৰৱি, শ্ৰীহৰ্ষ আদি কৱিয়ে বহু গুণ বিশিষ্ট ভালেমান মহাকাব্য ৰচনা কৰে তাৰে প্ৰতিজন কবিৰ ৰচনাত স্বকীয় মৌলিক গুণ প্ৰতিফলিত হৈছে।

## ৪.৯ আৰ্হি প্ৰশ্ন আৰ্হি প্ৰশ্ন (Sample Question)

১। আলোচনা কৰক—ভাৰবেৰৰ্থ গৌৰৱম্।

২। ভাৰবি আৰু মাঘৰ ৰচনাৱলীৰ তুলনা কৰক।

৩। শ্ৰীহৰ্ষৰ মহাকাব্যৰ বৈশিষ্ট্য সমূহ আলোচনা কৰক।

## ৪.১০ প্ৰসংগ গ্ৰন্থ (References/ Suggested Readings)


| | | |
|---|---|---|
| থানেশ্বৰ শৰ্মা | : | সংস্কৃত সাহিত্যৰ ইতিবৃত্ত |
| গৌৰী নাথ শাস্ত্ৰী | : | সংস্কৃত সাহিত্যৰ ইতিহাস |
| হৰমোহন দাস | : | সংস্কৃত সাহিত্যৰ বুৰঞ্জি |
| A.B. Keith | : | History of Sanskrit Literature |
| M. Winternitz | : | History of Indian Literature |
| C.K. Raja | : | Survey of Sanskrit Literature |

# পঞ্চম বিভাগ
## সংস্কৃত খণ্ডকাব্য

**বিভাগৰ গঠনঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ সংস্কৃতকাব্যৰ ভাগ
৫.৪ খণ্ডকাব্যৰ উদ্ভৱ আৰু বিকাশ
৫.৫ খণ্ডকাব্যৰ লক্ষণ
৫.৬ খণ্ডকাব্যৰ স্বৰূপ
৫.৭ সংস্কৃত খণ্ডকাব্যৰ বৈশিষ্ট্য
৫.৮ খণ্ডকাব্যৰ প্ৰকাৰ
 ৫.৮.১ সন্দেশকাব্য বা দূতকাব্য
 ৫.৮.২ শৃঙ্গাৰকাব্য
 ৫.৮.৩ স্তোত্ৰকাব্য বা ভক্তিকাব্য
 ৫.৮.৪ নীতিকাব্য
৫.৯ আধুনিক সংস্কৃত খণ্ডকাব্য
৫.১০ সাৰাংশ (Summing Up)
৫.১১ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested)

### ৫.১ ভূমিকা (Introduction)

সংস্কৃত সাহিত্যৰ পৰিসৰ অতি বিশাল। এই বিশাল সংস্কৃত বাঙ্ময়ৰ অন্তৰ্গত এটা ভাগ হৈছে সংস্কৃত খণ্ডকাব্য। খণ্ডকাব্যসমূহৰো সামগ্ৰিকভাৱে বৈজ্ঞানিক বিশ্লেষণ কৰাটো অতি কঠিন। কাষ্টসাধ্য এই বিষয়টোৰ ওপৰত বিকাশ, উৎপত্তি আদিৰ সামগ্ৰিক ৰূপটো আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। প্ৰাচীন সংস্কৃতৰ পৰা নব্যধাৰালৈ আটাইখিনিকে সামৰি পাঠটো যুগুত কৰাৰ চেষ্টা কৰা হৈছে।

### ৫.২ উদ্দেশ্য (Objectives)


এই বিভাগত প্ৰাচীন সংস্কৃতৰ খণ্ডকাব্যৰ এক সামগ্ৰিক ৰূপৰেখা দাঙি ধৰা হৈছে। এই বিভাগৰ আলোচনা অধ্যয়ন কৰি আপোনালোকে—

- সংস্কৃত সাহিত্যৰ পৰম্পৰা তথা খণ্ডকাব্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে জানিব পাৰিব।
- সংস্কৃত খণ্ডকাব্যৰ প্ৰকাৰ আৰু বিভিন্ন স্তৰবোৰৰ বৈশিষ্ট্য অনুধাৱন কৰিবলৈ সক্ষম হ'ব।
- সংস্কৃত খণ্ডকাব্যৰ আৰম্ভণিৰ কালটোৰ লগতে বৰ্তমানলৈকে খণ্ডকাব্যৰ সমৃদ্ধিৰ বিষয়েও আভাস পাব।

## ৫.৩ সংস্কৃতকাব্যৰ ভাগ

ভাৰতবৰ্ষ তথা সমগ্ৰ বিশ্বৰেই প্ৰাচীনতম ভাষাসমূহৰ ভিতৰত সংস্কৃত ভাষাও অন্যতম। সংস্কৃত বাঙ্ময়ক প্ৰথমতে বৈদিক আৰু লৌকিক— এই দুটা ভাগত ভাগ কৰা হৈছে। ঋক্, যজুঃ, সাম, অথৰ্ব— এই চাৰিবেদ, ব্ৰাহ্মণ গ্ৰন্থসমূহ, আৰণ্যক, উপনিষদসমূহ, শিক্ষা, কল্প, নিৰুক্ত, ব্যাকৰণ, ছন্দ, জ্যোতিষ— এই ছয় বেদাঙ্গ, প্ৰাতিশাখ্য আৰু সূত্ৰগ্ৰন্থসমূহে হৈছে বৈদিক সাহিত্য। আকৌ ৰামায়ণ, মহাভাৰত, পুৰাণৰ উদগম কালৰ পৰাই লৌকিক সাহিত্যৰ বুৰঞ্জী আৰম্ভ হোৱা বুলি কোৱা হয়। ৰামায়ণে হৈছে লৌকিক সাহিত্যৰ আদিগ্ৰন্থ। সেয়েহে ৰামায়ণক আদিকাব্য আৰু বাল্মীকিক আদিকবি বোলা হয়। আলংকাৰিকসকলে সমগ্ৰ লৌকিক সাহিত্যক আকৌ সাহিত্যৰ লিখনশৈলী অনুসৰি দুটা ভাগত ভাগ কৰা হয়— দৃশ্যকাব্য আৰু শ্ৰব্যকাব্য। দৃশ্যকাব্য শব্দৰ বাহিৰেও পাত্ৰসমূহৰ বেশভূষা, ভাৱ-ভঙ্গিমা, আকৃতি, ক্ৰিয়া আৰু অভিনয়ৰ দ্বাৰা দৰ্শকৰ হৃদয়ত ৰসাস্বাদন কৰোৱা কাব্য। দৃশ্যকাব্যৰ আকৌ দুটা মুখ্য ভাগ আছে— ৰূপক আৰু উপৰূপক। নাটক আদি ৰূপকৰ দহটা ভাগ পোৱা যায় আৰু উপৰূপকৰ নাটিকা আদি ওঠৰটা ভাগ পোৱা যায়। আনহাতে, যিবোৰ কাব্য নিজে পঢ়ি বা আনৰ দ্বাৰা শুনিও ৰসাস্বাদন কৰিব পাৰি সেইবোৰে হ'ল শ্ৰব্যকাব্য। শ্ৰব্যকাব্যই পাঠক শ্ৰোতাসকলৰ হৃদয়ত ৰসৰ সঞ্চাৰ কৰে। এই শ্ৰব্যকাব্যক আকৌ তিনিটা ভাগত ভগোৱা হৈছে— গদ্য, পদ্য আৰু চম্পূ। গদ্যকাব্যৰ আকৌ কথা আৰু আখ্যায়িকা বুলি দুটা ভাগ আছে। গত্যৰ্থক পদ্‌ধাতুৰদ্বাৰা নিষ্পন্ন হোৱা পদ্য শব্দই গতিৰ প্ৰধানতাক বুজায়। সেয়েহে তাল, লয় আৰু ছন্দত থকা ব্যৱস্থাকে পদ্য বুলিব পাৰোঁ। পদ্যকাব্য আকৌ মহাকাব্য আৰু খণ্ডকাব্য ভেদে দুই প্ৰকাৰৰ। চম্পূকাব্য হ'ল য'ত গদ্য আৰু পদ্য— উভয়তেই কাব্যখনৰ মুখ্য বিষয়সমূহ ৰচনা কৰা হয়।

কাব্যৰ বিভাজনসমূহ এনেদৰে দেখুৱাব পাৰি—




**জানি থওঁ আহা ঃ**

- বেদ হ'ল অতি বিশাল, অনাদি, অনন্ত আৰু অপৌৰুষেয় একশ্ৰেণী গ্ৰন্থমালা। জ্ঞানাৰ্থক ৱিদ্ ধাতুৰ পৰা বেদ শব্দ সম্পন্ন হৈছে। সাধাৰণতে বিদ্যা বা জ্ঞানেই হৈছে বেদ যাক প্ৰত্যক্ষ বা অনুমান আদিৰে সহজে জনা নাযায়। এনেকুৱা অতীন্দ্ৰিয় জ্ঞানস্বৰূপ বেদৰ দুটা ভাগ আছে মন্ত্ৰ আৰু ব্ৰাহ্মণ (মন্ত্ৰ ব্ৰাহ্মণয়োৰ্বেদনামধেয়ম্ অৰ্থাৎ মন্ত্ৰ আৰু ব্ৰাহ্মণক বেদ বোলা হয়।) বেদ বুলি ক'লে সাধাৰণতে চাৰিখন বেদৰ মন্ত্ৰভাগকে বুজো। ব্ৰাহ্মণৰ আকৌ তিনিটা ভাগ— ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ বা বেদান্ত।

- আদিকবি বাল্মীকি ৰচিত আদিকাব্য ৰামায়ণত সাতটা কাণ্ড আছে— বালকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধাকাণ্ড, সুন্দৰকাণ্ড, যুদ্ধকাণ্ড আৰু উত্তৰকাণ্ড।
- কৃষ্ণদ্বৈপায়ন বেদব্যাস প্ৰণীত মহাভাৰতত ১৮টা পৰ্ব আছে— আদিপৰ্ব, সভাপৰ্ব, বনপৰ্ব, বিৰাটপৰ্ব, উদ্যোগপৰ্ব, ভীষ্মপৰ্ব, দ্ৰোণপৰ্ব, কৰ্ণপৰ্ব, শল্যপৰ্ব, সৌপ্তিকপৰ্ব, স্ত্ৰীপৰ্ব, শান্তিপৰ্ব, অনুশাসনপৰ্ব, অশ্বমেধপৰ্ব, আশ্ৰমিকপৰ্ব, মৌষলপৰ্ব, মহাপ্ৰস্থানিকপৰ্ব আৰু স্বৰ্গাৰোহণ পৰ্ব।
- পুৰাণ ওঠৰখন। অষ্টাদশ পুৰাণ হ'ল— ব্ৰহ্মা, পদ্ম, বিষ্ণু, শিৱ, ভাগৱৎ, নাৰদীয়, মাৰ্কণ্ডেয়, অগ্নি, ভৱিষ্য, ব্ৰহ্মবৈৱৰ্ত্ত, লিঙ্গ, বৰাহ, স্কন্দ, ৱামন, কূৰ্ম, মৎস্য, গৰুড় আৰু ব্ৰহ্মাণ্ড। (বিষ্ণু পুৰাণ আৰু ভাগৱত পুৰাণত ১৮ খন পুৰাণৰ নাম এনেদৰে দিয়া হৈছে; বিষ্ণুপুৰাণ, ৩৬/২০-২৪; ভাগৱতপুৰাণ, ১২/১২/৩-৮)

## ৫.৪ খণ্ডকাব্যৰ উদ্ভৱ আৰু বিকাশ

ভাৰতীয় সাহিত্যৰ সকলোবোৰ সাহিত্যৰ অংশৰে উদ্ভৱস্থল বেদ বুলিয়েই অভিহিত কৰা হয়। তেনেদৰে খণ্ডকাব্য বা গীতিকাব্যৰো বীজ ঋগ্বেদৰ সূক্ততেই উপলব্ধ হয়। ঋগ্বেদৰ বিভিন্ন সূক্তত পোৱা দেৱতাসকলৰ স্তুতিসমূহত মুক্তক স্তোত্ৰ সাহিত্যৰ মূলতত্ব পোৱা যায়। মনীষিসকলে ঋগ্বেদৰ ঊষাসূক্ত বা সূৰ্য্যসূক্তসমূহতে প্ৰথমে গীতিকাব্যৰ নিদৰ্শন দেখা পায়। তেনেদৰে স্তোত্ৰকাব্য বা ভক্তিমূলক কাব্যসমূহৰো উদগম ঋগ্বেদতেই হৈছিল। বিশেষকৈ ঋগ্বেদৰ সপ্তম মণ্ডলৰ বৰুণসূক্তসমূহেই ভক্তিগীতিৰ সুন্দৰ চানেকি বুলি ক'ব পাৰি। ঋগ্বেদৰ অক্ষসূক্ত, ভিক্ষুসূক্ত, সংজ্ঞানসূক্ত আদিত নীতিকাব্যৰ ধ্বনি শুনা যায়। বেদৰ পাছতে ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ বিভিন্ন স্থানত বিভিন্ন দেৱ-দেৱীৰ স্তুতি প্ৰসঙ্গত স্তোত্ৰ গীতিকাব্যৰ ধাৰণা পোৱা যায়। তদুপৰি পৰৱৰ্তীকালত পৌৰাণিক সাহিত্যসমূহত খণ্ডকাব্যৰ বিকশিত ৰূপ দেখা যায়। কিন্তু লৌকিক খণ্ডকাব্যসমূহৰ বৰ্তমানস্বৰূপ বিধিগতভাৱে মহাকবি কালিদাস বিৰচিত মেঘদূত আৰু ঋতুসংহাৰতে পোৱা যায়।

খণ্ডকাব্য পৰম্পৰাৰ প্ৰথম কাব্যৰূপে ১০০ খ্ৰীষ্টাব্দত ৰচিত মাতৃচেতৰ 'মহাৰাজ কণিষ্ক লেখা' নামৰ গ্ৰন্থখনকে কোৱা হয়। বৃদ্ধাৱস্থাত মাতৃচেতে মহাৰাজ কণিষ্কৰ অনুৰোধত বৌদ্ধ ধৰ্মৰ গভীৰ তত্বসমূহ সহজ-সৰল ভাষাত ব্যাখ্যা কৰি বৌদ্ধিক মূলনীতি তথা নৈতিক জীৱনৰ আদৰ্শসমূহ চিঠিৰ ৰূপত পদ্য ছন্দত লিখি মহাৰাজ কণিষ্কলৈ প্ৰেৰণ কৰিছিল। সেই লেখনিসমূহে হ'ল 'মহাৰাজ কণিষ্ক লেখা' নামৰ খণ্ডকাব্যখন। গ্ৰন্থখন এতিয়াও তিব্বতী সংগ্ৰহালয়ত সুৰক্ষিত হৈ আছে। সপ্তম শতাব্দীত চক্ৰকবিয়ে ৰচনা কৰা 'জানকী পৰিণয়' নামৰ খণ্ডকাব্যখনত আঠটা সৰ্গ আছে। জৈন কবি ধনঞ্জয়ে সপ্তম শতাব্দীত ৩৯টা ইন্দ্ৰবজ্ৰা ছন্দৰ 'বিষাপহাৰস্তোত্ৰ' নামৰ এখন খণ্ডকাব্য প্ৰণয়ন কৰে। ৭০০ শকত আচাৰ্য জিনসেনে 'পাৰ্শ্বাভ্যুদয়' নামৰ খণ্ডকাব্যখন ৩৩৪টা মন্দাক্ৰান্ত ছন্দৰ শ্লোকত ৰচনা কৰে। তেওঁৰ শিষ্য গুণভদ্ৰই ২৭২টা পদ্যত 'আত্মানুসন্ধান' নামৰ আন এখন খণ্ডকাব্য লিখে। ৯০০ খ্ৰীষ্টাব্দত নৈয়ায়িক জয়ন্তৰ পুত্ৰ অভিনন্দই বাণভট্টৰ কাদম্বৰীৰ বিষয়বস্তুক অৱলম্বন কৰি 'কাদম্বৰী কথাযাৰ' নামেৰে আঠটা সৰ্গত এখন খণ্ডকাব্য ৰচনা কৰে। দশম শতাব্দীত মহাকবি পুষ্পদন্তই 'নায়কুমাৰ-চৰিউ' (যাগকুমাৰ-চৰিত) আৰু 'জমহৰ-চৰিউ' (যশোধৰ চৰিত) নামৰ দুখন খণ্ডকাব্য অপভ্ৰংশ ভাষাত ৰচনা কৰে। একাদশ

শতাব্দীত জৈনকবি মল্লিসেনে 'নাগকুমাৰ কাব্য' নামৰ খণ্ডকাব্যখন পাঁচটা সৰ্গত ৰচনা কৰে। ত্ৰয়োদশ শতাব্দীত আশাধৰ নামৰ এজন পণ্ডিতে 'ভাৰতেশ্বৰাভ্যুদয় কাব্য' আৰু 'ৰাজমতী বিপ্ৰলম্ভ' নামৰ দুখন খণ্ডকাব্য প্ৰণয়ন কৰে। সেই সময়তে জৈন কবি শ্ৰুতসাগৰে 'যশস্তিলক চন্দ্ৰিকা', 'শ্ৰীপালচৰিত' আৰু 'যশোধৰ চৰিত' নামৰ তিনিখন খণ্ডকাব্য প্ৰণয়ন কৰে। চতুৰ্দশ শতাব্দীত বিজয়নগৰৰ ৰজা হৰিহৰৰ ৰাজকবি লোলংবৰাজে পাঁচটা সৰ্গত হৰিবিলাস নামৰ এখন খণ্ডকাব্য ৰচনা কৰে। ভট্টাৰক জ্ঞানভূষণৰ শিষ্য বাজিৰাজে 'শ্ৰীপাল আখ্যান', 'সুলোচনা চৰিত' আৰু 'যশোধৰ চৰিত' নামৰ তিনিখন খণ্ডকাব্য অতি সুন্দৰ সাৱলীল ভাষাত প্ৰণয়ন কৰে।

ইয়াৰোপৰি বিভিন্ন সময়ত বিভিন্নজনে ৰচনা কৰা খণ্ডকাব্যসমূহৰ বেছিভাগেই কালৰ সোঁতত বিলুপ্ত হৈছে। ইতিহাসৰ বিভিন্ন গ্ৰন্থৰ বৰ্ণনাতহে সেই গ্ৰন্থসমূহৰ উল্লেখ পোৱা যায়। স্বণামধন্য যশস্বী বহুতো কবিৰ নাম আজিও অজ্ঞাত হৈ আছে। তদুপৰি বিভিন্ন খণ্ডকাব্যৰ পাণ্ডুলিপি সাঁচিপাতৰ পুথিত ভাৰতবৰ্ষ ততা বিদেশৰ সংগ্ৰহালয়সমূহত আজিও সুৰক্ষিত হৈ আছে।

### ৫.৫ খণ্ডকাব্যৰ লক্ষণ

সংস্কৃত প্ৰাচীন আলংকাৰিকসকলৰ ভিতৰত সাহিত্যদৰ্পণকাৰ বিশ্বনাথ কবিৰাজেই প্ৰথমে খণ্ডকাব্যৰ লক্ষণ নিৰূপণ কৰে। সাহিত্যদৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত দৰ্পণকাৰে খণ্ডকাব্যৰ লক্ষণ এনেদৰে দিছে—

"খণ্ডকাব্যং ভৱেৎকাব্যস্যৈকদেশানুসাৰি চ।" (সাহিত্য দৰ্পণ, ৬, ৩২৯)

অৰ্থাৎ, যি পদ্যকাব্যত কাব্য বা মহাকাব্যৰ সকলো লক্ষণ সঙ্গত নহয় অথচ কিছুমান লক্ষণ খাটে, তেনেকুৱা পদ্যাত্মক শ্ৰব্যকাব্যক খণ্ডকাব্য বোলা হয়। উদাহৰণ, যেনে মেঘদূত আদি। (সাহিত্য দৰ্পণ, বিশ্বনাৰায়ণ শাস্ত্ৰী, পৃঃ নং- ৩৫৮) এই প্ৰসঙ্গতে মহাকাব্যৰ লক্ষণসমূহো উল্লেখ কৰা হ'ল, কাৰণ নিম্নোক্ত মহাকাব্যৰ লক্ষণসমূহৰ কিছু লক্ষণ থকা কাব্যকে খণ্ডকাব্য বোলা হৈছে।

সাহিত্যদৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত মহাকাব্যৰ লক্ষণসমূহ এনেদৰে নিৰূপণ কৰা হৈছে—

"সৰ্গবন্ধো মহাকাব্যং তত্ৰৈকো নায়কঃ সুৰঃ।।
সদ্বংশঃ ক্ষত্ৰিয়ো ৱাপি ধীৰোদাত্ত গুণান্বিতঃ।
একৱংশভৱা ভূপাঃ কুলজা বহৱোইপি বা।।
শৃঙ্গাৰৱীৰশান্তানামেকোইঙ্গী ৰস ইষ্যতে।
অঙ্গানি সৰ্বেহপি ৰসাঃ সৰ্বে নাটকসন্ধয়ঃ।।
ইতিহাসোদ্ভৱং ৱৃত্তমন্যদ্বা সজ্জনাশ্ৰয়ম্।
চত্বাৰস্তস্য ৱৰ্গাঃ স্যুস্তেস্বেকং চ ফলং ভৱেৎ।।
আদৌ নমস্ক্ৰিয়াশীৰ্ৱা ৱস্তুনিৰ্দেশ এৱ ৱা।
ক্বচিন্নিন্দা খলাদীনাং সতাং চ গুণকীৰ্তনম্।।
একবৃত্তময়ৈঃ পদ্যৈৰৱসানেই ন্যৱৃত্তকৈঃ।
নাতিস্বল্পা নাতিদীৰ্ঘাঃ সৰ্গা অষ্টাধিকা ইহ।।
নানাৱৃত্তময়ঃ ক্বাপি সৰ্গাঃ কশ্চন দৃশ্যতে।
সৰ্গান্তে ভাৱিসৰ্গস্য কথায়াঃ সূচনং ভবেত্।।

সন্ধ্যাসূর্য্যেন্দুৰজনীপ্ৰদোষধ্বান্তৱাসৰাঃ।
প্ৰাতৰ্মধ্যাহ্নমৃগয়াশৈলৰ্তুৱনসাগৰাঃ।।
সম্ভোগৱিপ্ৰলম্ভৌ চ মুনিস্বৰ্গপুৰাধ্বৰাঃ।
ৰণপ্ৰয়াণোপয়মমন্ত্ৰপুত্ৰোদয়াদয়ঃ।।
বৰ্ণনীয়া য়থায়োগং সাঙ্গোপাঙ্গা অমী ইহ।
কবেৰ্ব্বৃত্তস্য ৱা নাম্না নায়কসৌতৰস্য ৱা।।
নামাস্য সৰ্গোপাদেয়কথয়া সৰ্গনাম তু।" (সাহিত্য-দৰ্পণ, ৬, ৩১৫-৩২৫)

অৰ্থাৎ, যি পদ্যকাব্য সৰ্গত বিভক্ত হৈ ৰচিত হয়, সেয়ে মহাকাব্য। ইয়াত এজন বীৰ নায়কৰ চৰিত্ৰ বৰ্ণিত হয়। তেওঁ সদ্বংশজাত, ক্ষত্ৰিয় আৰু ধীৰোদাত্ত গুণযুক্ত হ'ব লাগিব। অথবা একে বংশতে ওপজা অনেক কুলীন নৃপতিৰ চৰিত্ৰ বৰ্ণিত হ'ব পাৰে। শৃঙ্গাৰ, বীৰ বা শান্ত— এই তিনিটা ৰসৰ যিকোনো এটা প্ৰধান বা অঙ্গীৰস ৰূপে আৰু আনবোৰ ৰস তাৰ অঙ্গৰস ৰূপে থকাটো আৰু নাটকৰ পঞ্চসন্ধি থকাটো প্ৰয়োজনীয়। কোনো ঐতিহাসিক ঘটনা বা কোনো মহাপুৰুষৰ বিষয়ে লোকপ্ৰসিদ্ধ ঘটনাহে মহাকাব্যৰ মুখ বিষয় হ'ব লাগে। ইয়াত ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— এই চতুৰ্বৰ্গৰ যিকোনো এটা প্ৰধান ফলস্বৰূপে প্ৰতিপাদিত হ'ব লাগে। মহাকাব্যৰ আৰম্ভণিতে নমস্কাৰবাচক, আশীৰ্বাদবাচক বা বস্তুনিৰ্দেশাত্মক মঙ্গলাচৰণ থাকিব লাগে। খললোকৰ নিন্দা, সাধুসকলৰ গুণানুকীৰ্তনো ইয়াত থকাটো বাঞ্ছনীয়। মহাকাব্যৰ একেটা সৰ্গৰ শ্লোকবোৰ বিভিন্ন ছন্দত ৰচিত হোৱাৰ লগতে সৰ্গ এটাৰ শেষৰফালে পৰৱৰ্তী সৰ্গৰ বিষয়বস্তুৰ ইঙ্গিত থাকিব লাগে। কাব্যৰ ভিতৰত যিকোনো স্থানত বৰ্ণনীয় ইতিবৃত্তৰ লগত সঙ্গতি ৰাখি সন্ধ্যা, সূৰ্য, চন্দ্ৰ, নিশা, প্ৰদোষ, অন্ধকাৰ, দিন, ৰাতিপুৱা, দুপৰীয়া, মৃগয়া, পৰ্বত, ঋতু, বননি, উপবন, সাগৰ, সম্ভোগ, বিয়োগ, মুনি চৰিত্ৰ, স্বৰ্গ, নগৰ, যজ্ঞ, সংগ্ৰাম, যাত্ৰা, বিবাহ, মন্ত্ৰণা, পুত্ৰজন্মোৎসৱ আদি বিষয়ৰ সাঙ্গোপাঙ্গ বৰ্ণনা থাকিব লাগে। কবিৰ নাম, বৰ্ণনীয় ইতিবৃত্ত, নায়কৰ নাম অথবা আন কোনো আৱশ্যকীয় বিষয় অনুসৰি মহাকাব্যৰ নাম ৰাখিব লাগে আৰু সৰ্গবোৰৰ নাম তাত বৰ্ণিত বিষয়ৰ ওপৰত ভিত্তি কৰি ৰাখিব লাগে।

ওপৰত উল্লেখ কৰা মহাকাব্যৰ লক্ষণসমূহৰ ভিতৰত মাত্ৰ কিছুমান লক্ষণহে খণ্ডকাব্যত থাকে। মহাকাব্যৰ লক্ষণসমূহ আংশিকভাৱে থকা বাবেই তেনেকুৱা গ্ৰন্থক খণ্ডকাব্য বোলা। পৰৱৰ্তীকালত খণ্ডকাব্যসমূহক গীতিকাব্য, নীতিকাব্য, সন্দেশকাব্য আদি বুলিও অভিহিত কৰা হৈছে।

**জানি থওঁ আহা ঃ**

- স্তোত্ৰ হ'ল ভগৱান বা দেৱ-দেৱীৰ স্তুতিবিষয়ক মন্ত্ৰ।
- সূক্ত হ'ল বেদত থকা কোনো এজন দেৱতাৰ ঋষিদৃষ্ট স্তুতি থকা মন্ত্ৰৰ সমষ্টি। সূক্তত সাধাৰণতে এজন বা দুজন বা কেতিয়াবা বহুতো দেৱতাৰ বিষয়ে স্তুতি পোৱা যায়। উদাহৰণস্বৰূপে ঋগ্বেদৰ প্ৰায় ১০৫০০ মন্ত্ৰ ১০২৮টা সূক্তত অন্তৰ্ভুক্ত।
- সংস্কৃত সাহিত্যৰ এগৰাকী বিদগ্ধ পণ্ডিত হ'ল মহাকবি কালিদাস। মহাকবিজনৰ নামত অনেক গ্ৰন্থ প্ৰচলিত হৈ থাকিলেও পণ্ডিতসকলে মাত্ৰ সাতখন গ্ৰন্থহে তেখেতৰ প্ৰকৃত ৰচনা বুলি মত পোষণ কৰে। সেইকেইখন হ'ল— কুমাৰসম্ভৱম্ আৰু ৰঘুবংশম্ মহাকাব্য, ঋতুসংহাৰম্ আৰু মেঘদূতম্ খণ্ডকাব্য, অভিজ্ঞানশাকুন্তলম্, মালৱিকাগ্নিমিত্ৰম্ আৰু বিক্ৰমোৰ্বশীয়ম্ হ'ল নাটক।

● সংস্কৃত সাহিত্যত বিভিন্ন প্ৰকাৰৰ কাব্য ৰচনা কৰিলেও বাণভট্টক বিশিষ্ট গদ্যকাব্যকাৰ হিচাপে চিহ্নিত কৰা হয়। গদ্যকাব্যৰ দুটা ভাগ কথা আৰু আখ্যায়িকাত তেখেতে ক্ৰমান্বয়ে কাদম্বৰী আৰু হৰ্ষচৰিতম্ ৰচনা কৰে।

## ৫.৬ খণ্ডকাব্যৰ স্বৰূপ

সংস্কৃত অলংকাৰ শাস্ত্ৰসমূহত খণ্ডকাব্য বা গীতিকাব্যৰ ওপৰত বিশদ বিৰৰণ পোৱা নাযায়। কিন্তু গীতিকাব্য বা খণ্ডকাব্যসমূহৰ অধ্যয়নৰদ্বাৰা বিদ্বানসকলে খণ্ডকাব্যৰ স্বৰূপ এনেদৰে নিৰূপণ কৰিছে যে কাব্যৰ যিটো প্ৰকাৰত পদ্যবদ্ধ ৰচনাসমূহত পূৰ্বাপৰ প্ৰসঙ্গসমূহৰ আৱশ্যকতা নাথাকে, অৰ্থাৎ প্ৰত্যেক পদ্যৰে ভাবাভিব্যক্তিসমূহ সম্পূৰ্ণৰূপে স্বাধীন হয়, সেইসমূহে খণ্ডকাব্য। এই কাব্যসমূহত কাব্যতত্ত্বৰ লগতে সঙ্গীতাত্মকতা আৰু ভাবপ্ৰধানতাও উপলব্ধ হয়। শাস্ত্ৰীয় দৃষ্টিত এই খণ্ডকাব্যসমূহকে গীতিকাব্য নামেৰে নামকৰণ কৰা হৈছে। খণ্ডকাব্যসমূহৰ অন্তৰ্গত স্তোত্ৰ বা নীতিবিষয়ক কাব্যসমূহ প্ৰায় মুক্তক কাব্যৰ ৰূপত পোৱা যায়। মুক্তক কাব্য অনুসৰি, কাব্যখনৰ প্ৰত্যেকলৈ পদ্যই স্বতন্ত্ৰভাৱে অৰ্থ প্ৰকাশ কৰিবলৈ সমৰ্থ হয় তথা স্বতঃপূৰ্ণভাৱে পাঠকক ৰসাস্বাদন কৰোৱাবলৈ সক্ষম হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। খণ্ডকাব্যসমূহৰ অন্তৰ্গত কোনবোৰ কাব্য মুক্তক ধাৰাৰ অন্তৰ্গত আৰু কিয়?

## ৫.৭ সংস্কৃত খণ্ডকাব্যৰ বৈশিষ্ট্য

সংস্কৃত ভাষাত আলংকাৰিকসকলে খণ্ডকাব্য বা গীতিকাব্যৰ বৈশিষ্ট্যসমূহ নিৰ্দিষ্টকৈ উল্লেখ কৰা পোৱা নাযায়। কিন্তু উপলব্ধ খণ্ডকাব্যসমূহৰ আধাৰত কেতবোৰ বৈশিষ্ট্য নিৰ্ণয় কৰিব পাৰি। এই বৈশিষ্ট্যসমূহৰ বাবেই এই শ্ৰেণীৰ কাব্যসমূহ সমাজত অতি জনপ্ৰিয় হোৱা দেখা যায়। তাৰে কেতবোৰ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

১। শৃঙ্গৰতা— খণ্ডকাব্যসমূহৰ একশ্ৰেণীৰ কাব্য শৃঙ্গাৰ ৰসাত্মক। সম্ভোগ আৰু বিপ্ৰলম্ভ— শৃঙ্গাৰৰ এই দুয়োটা ৰূপৰে অংকৰণৰদ্বাৰা প্ৰেমৰ উদাত্তস্বৰূপ অংকণ কৰা হয়। এই কাব্যসমূহত প্ৰেমৰ বাহ্যিকৰূপক অপেক্ষা কৰি আভ্যন্তৰীণ সৌন্দৰ্যক প্ৰাধান্য দিয়া পৰিলক্ষিত হয়।

২। ভাবৰ কোমলতা— এই শ্ৰেণীৰ কাব্যসমূহত মানৱ জীৱনৰ অত্যন্ত কোমল ভাৱসমূহ প্ৰস্ফুটিত হোৱা দেখা যায়। এই কাব্যসমূহত শৃঙ্গাৰ, শান্ত অথবা কৰুণ ৰসৰ প্ৰাধান্যতা দেখা যায়। ভয়ানক, বীভৎস আদি ৰসৰ প্ৰায় অভাৱ পৰিলক্ষিত হয়।

৩। অনুভূতিপ্ৰৱণতা— হৃদয়ক শিৰোগত কৰি কবিয়ে স্ব-অনুভূতিৰে গীতিকাব্যসমূহ ৰচনা কৰে। মানৱ জীৱনৰ সুখ-দুখ আদি অৱস্থাৰ সুন্দৰ ভাৱাত্মক অভিব্যক্তি এই কাব্যসমূহত দেখা যায়। তদুপৰি ধাৰ্মিক গীতিকাব্যসমূহত সংবেদনাত্মক ভাৱৰ প্ৰৱলতাৰে গভীৰ তত্বসমূহ সহজভাৱে উপস্থাপন কৰা দৃষ্টিগোচৰ হয়।

৪। প্ৰসাদ আৰু মাধুৰ্য গুণযুক্ত— খণ্ডকাব্যসমূহত কাব্যগুণসমূহৰ ভিতৰত প্ৰসাদ আৰু মাধুৰ্য গুণহে দেখা যায়। সেয়েহে এনে কাব্যসমূহৰ ভাষা অত্যন্ত সৰল, পদসমূহ কোমল হোৱাৰ লগতে সহজ-সৰলভাৱে অভিব্যক্তিসমূহ প্ৰকাশ কৰা দেখা যায়।

৫। জীৱন দৰ্শনৰ চিত্ৰণ— মানৱ জীৱনৰ সুখ, দুখ, প্ৰেম, ভক্তি, বৈৰাগ্য আদি

সকলোবোৰ দিশেই খণ্ডবাক্যসমূহত উপলব্ধ হয়। এই কাব্যসমূহত মানৱ জীৱন দৰ্শনৰ সম্পূৰ্ণ নিদৰ্শন লালিত্যপূৰ্ণ পদ প্ৰয়োগেৰে সহজ-সৰল ভাষাত লিপিবদ্ধ কৰা হয়। উদাহৰণস্বৰূপে, অদ্বৈত বেদান্তৰ মূল তত্ত্বসমূহ আদিগুৰু শংকৰাচাৰ্যই অতি সৰলতাৰে গীতিমূলক কাব্যসমূহৰ জৰিয়তে সৰ্বসাধাৰণৰ হৃদয়যোগ্য কৰিবলৈ সক্ষম হৈছে।

৬। কল্পনা প্ৰৱণতা— গীতিকাব্যসমূহৰ কেতবোৰ ঠাইত কবিৰ কাব্যিক প্ৰতিভাত কল্পনাৰ প্ৰভাৱ দেখা যায়। কল্পনাপ্ৰসূত কেতবোৰ লিখনিৰে কবিয়ে অসাধ্যও সাধন কৰে। এই কল্পনাসমূহত কবিৰ মাৰ্মিক অনুভূতি, সূক্ষ্ম পৰ্যবেক্ষণ, ভাষাৰ প্ৰাচুৰ্যতা কিন্তু সৰলতা, নব্য বিচাৰ ধাৰা, অলংকাৰ ছন্দ আদিৰ নিপুণ ব্যৱহাৰ আদি দৃষ্টিগোচৰ হয়।

৭। নৈতিক শিক্ষা— খণ্ডকাব্যসমূহ নৈতিক শিক্ষাৰ আধাৰ বুলি ক'ব পাৰি। সামাজিক, সাংসাৰিক, ৰাজনৈতিক, ধাৰ্মিক আদি মানৱ জীৱনৰ লগত সঙ্গতি থকা সকলোবোৰ নীতিমূলক কথায়ে খণ্ডকাব্যৰ অন্তৰ্গত নীতিকাব্যসমূহত পোৱা যায়। তদুপৰি ইয়াত থকা সুভাষিতসমূহে সমাজত সদায়ে আদৰণীয় হৈ আহিছে।

৮। গীতিধৰ্মিতা— খণ্ডকাব্য বা গীতিকাব্যসমূহৰ শ্লোকসমূহ গীতৰ দৰে গাব পাৰি। সাধাৰণতে গেয়মান ছন্দত ৰচিত শ্লোকসমূহৰ সংগীতাত্মকা গুণৰ বাবে শ্ৰোতা বা পাঠকৰ এই কাব্যসমূহ হৃদয়স্পৰ্শী হোৱাৰ লগতে স্বৰৰ মাধুৰ্যতাও সহজ বোধগম্য হয়।

ইয়াৰোপৰি খণ্ডকাব্যসমূহ অধ্যয়নৰ দ্বাৰা আন বহুতো বৈশিষ্ট্যতা অনুধাৱন কৰিব পৰা যায়।

**জানি থওঁ আহা ঃ**

- বাক্যং ৰসাত্মকং কাব্যম্ অৰ্থাৎ ৰসাত্মক বাক্যকে সংস্কৃতত কাব্য বোলা হয়। কাব্য পঠন বা শ্ৰৱণৰ দ্বাৰা যি অলৌকিক আনন্দ আদি লাভ হয়, সেয়ে হ'ল কাব্য ৰস। কাব্যৰস নৱিধ হ'ল— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বিভৎস, অদ্ভুত আৰু শান্ত। বাৎসল্য তথা ভক্তিৰসক অন্তৰ্ভুক্ত কৰিলে ৰস এঘাৰবিধ।
- শৃঙ্গাৰৰসৰ দুটা ভাগ— সম্ভোগ আৰু বিপ্ৰলম্ভ। নায়িক-নায়িকাৰ সংযোগৰ পৰিস্থিতিক সম্ভোগ শৃঙ্গাৰ আৰু বিচ্ছেদৰ পৰিস্থিতিক বিপ্ৰলম্ভ শৃঙ্গাৰ বোলা হয়।
- সাধাৰণতে ৰস, ছন্দ আৰু অলংকাৰ কাব্য ৰচনাৰ বাবে অতি প্ৰয়োজনীয়।
- সংস্কৃত কাব্যগুণ দহ প্ৰকাৰৰ— শ্লেষ, প্ৰসাদ, সমতা, মাধুৰ্য, সুকুমাৰতা, অৰ্থব্যক্তি, উদাৰতা, ওজ, কান্তি আৰু সমাধি।

### ৫.৮ খণ্ডকাব্যৰ প্ৰকাৰ

সংস্কৃত আলংকাৰিকসকলে খণ্ডকাব্য বা গীতিকাব্যৰ কোনো প্ৰকাৰ বা ভাগৰ উল্লেখ কৰা পোৱা নাযায়। কিন্তু বিদ্বৎ সমাজে খণ্ডকাব্যৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি কেবাপ্ৰকাৰত ভাগ কৰিছে। সেইবোৰ হ'ল—

সন্দেশকাব্য বা দূত কাব্য

শৃঙ্গাৰকাব্য

স্তোত্ৰকাব্য বা ভক্তিকাব্য

নীতিকাব্য

### ৫.৮.১ সন্দেশকাব্য বা দূতকাব্য

যিবোৰ খণ্ডকাব্য শৃঙ্গাৰ ৰসাত্মক হোৱাৰ লগতে প্ৰেমিক বা প্ৰেমিকাই কোনো দূতৰ জৰিয়তে নিজৰ প্ৰণয়বাৰ্তা প্ৰেৰণ কৰে সেইবোৰে হ'ল সন্দেশকাব্য বা দূতকাব্য। মুখ্য দূতকাব্যসমূহ হ'ল—

**১। মেঘদূত**

মহাকবি কালিদাস বিৰচিত মেঘদূত নামৰ খণ্ডকাব্যখনকে দূতকাব্য পৰম্পৰাৰ আদিকাব্য বুলি কোৱা হয়। ১৫৫টা শ্লোকত মন্দাক্রান্তা শ্লোকত ৰচিত গ্ৰন্থখনত দুটা ভাগ আছে— পূৰ্বমেঘ আৰু উত্তৰমেঘ। কাব্যখনৰ মুখ্য বিষয়বস্তু হৈছে—

প্ৰভু কুবেৰৰ আদেশ পালনত ব্যৰ্থ হোৱা অলকাবাসী যক্ষই নিৰ্বাসিত হৈ নিজস্ব যক্ষৰ মহিমা হেৰুৱাই ৰামগিৰি পৰ্বতত এবছৰলৈ বাস কৰিবলগা হৈছিল। আকাশত বাৰিষাৰ মেঘ দেখি নিজ বাসস্থান অলকা আৰু প্ৰিয়তমা পত্নীৰ পৰা বিমুক্ত হোৱা যক্ষই জড়চেতনৰ কথা পাহৰি গৈ মেঘক প্ৰিয়তমাৰ ওচৰলৈ বাতৰি নিবলৈ অনুৰোধ কৰিছে। দূতৰূপী মেঘৰ জৰিয়তে কুবেৰৰ শাপত নিৰ্বাসিত বিৰহী যক্ষই নিজ মনোব্যথাৰ এক সুন্দৰ চিত্ৰ দাঙি ধৰিছে। মেঘদূত কবি কালিদাসৰ মানৱ প্ৰকৃতি তথা বাহ্য প্ৰকৃতিৰ ভব্য ভাণ্ডাৰ। কাব্যখনত বিশেষকৈ বিৰহ-পীড়িত উৎকণ্ঠিত হৃদয়ৰ মৰ্মবেদনা, প্ৰেমৰ বিহ্বলতা, বিৱশতা তথা বিকলতা প্ৰকাশ পাইছে। পূৰ্বমেঘত বাক্যপ্ৰকৃতিৰ আৰু উত্তৰ মেঘত আন্তঃপ্ৰকৃতিৰ চিত্ৰণ অতি সূক্ষ্মভাৱে কৰা হৈছে। কালিদাসৰ ৰচনাসমূহৰ ভিতৰত 'অভিজ্ঞান-শাকুন্তলম্'ৰ পাছতে মেঘদূতৰ স্থান নিৰ্ণয় কৰা হয়। প্ৰাচ্য আৰু পাশ্চাত্যৰ তিব্বতী, সিংহলী, জাৰ্মান, লেটিন, ইংৰাজী আদি বিভিন্ন ভাষাত মেঘদূত অনুবাদ হৈছে। সেয়েহে মোনফেচ নামৰ এজন পাশ্চাত্য পণ্ডিতে মেঘদূত কাব্যৰ বিষয়ে এনেদৰে কৈছে যে ইউৰোপতেই নহয় সমগ্ৰ বিশ্বতেই এনেকুৱা গ্ৰন্থ বিৰল। ইয়াৰ দ্বাৰা মেঘদূতৰ জনপ্ৰিয়তা সহজে অনুমেয়।

**২। ঘটকৰ্পৰ কাব্য**

বিক্ৰমাদিত্য ৰজাৰ নৱৰত্নৰ অন্যতম ঘটকৰ্পৰে মেঘদূতৰ অনুকৰণত মাত্ৰ বাইশটা শ্লোকত ঘটকৰ্পৰ কাব্য নামৰ দূতকাব্যখন প্ৰণয়ন কৰে। বাৰিষাৰ আগমনত বিদেশত থকা কোনো লোকৰ বিৰহী পত্নীয়ে তেওঁৰ স্বামীলৈ মেঘৰ জৰিয়তে বাৰ্তা প্ৰেৰণ কৰিবলৈ বিচৰাই হৈছে গ্ৰন্থখনৰ মূল বিষয়। কাব্যশাস্ত্ৰৰ বিখ্যাত পণ্ডিত অভিনৱগুপ্তই কাব্যখনৰ ওপৰত টীকা ৰচনা কৰিছিল।

**৩। পাৰ্শ্বাভ্যুদয়**

খৃঃ ৮ম শতাব্দীৰ জৈন কবি জিনাসনে জৈন তীৰ্থঙ্কৰ সন্ত পাৰ্শ্বনাথৰ জীৱন চৰিতৰ অৱলম্বনত পাশ্বাভ্যুদয় নামৰ দূতকাব্যখন ৰচনা কৰে। চাৰিটা সৰ্গত ৰচনা কৰা কাব্যখনৰ ৩৬৪টা শ্লোকৰ ভিতৰত প্ৰায় ১২০টা মেঘদূতৰ শ্লোক আছে।

**৪। নেমিদূত**

সপ্তম শতিকাত বিক্ৰম নামৰ কবিয়ে স্বামী নেমিনাথৰ জীৱনীৰ আধাৰত নেমিদূত কাব্য প্ৰণয়ন কৰে। এইখন কাব্যতো মেঘদূতৰ ১২৫টা শ্লোক সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰোপৰি মেঘদূতৰ আলমত বিভিন্ন কবিয়ে বিভিন্ন দূতকাব্য বা সন্দেশকাব্য প্ৰণয়ন কৰিছিল। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— ধোয়ী কবিৰ 'পৱনদূত', উদ্দণ্ড কবিৰ 'কোকিল সন্দেশ', বেংকটনাথ কবিৰ 'হংসসন্দেশ', বামনভট্ট বাণৰ 'হংসদূত', ভক্তকবি ৰূপ গোস্বামীৰ 'হংসদূত', বঙ্গকবি ভোলানাথৰ 'পান্থদূত' আদি।

### ৫.৮.২ শৃঙ্গাৰকাব্য

যিবোৰ খণ্ডকাব্য শৃঙ্গাৰ ৰসাত্মক কাব্যশৈলীত ৰচিত সেইবোৰে হ'ল শৃঙ্গাৰমূলক খণ্ডকাব্য বা গীতিকাব্য। মুখ্য শৃঙ্গাৰকাব্যসমূহ হ'ল—

**১। ঋতুসংহাৰ**

মহাকবি কালিদাসৰ 'ঋতুসংহাৰ' এখন সুন্দৰ শৃঙ্গাৰ খণ্ডকাব্য। গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত— এই ছয় ঋতুৰ সুন্দৰ বৰ্ণনা ১১৪টা শ্লোকত কাব্যখনত উপলব্ধ। গ্ৰন্থখনত প্ৰত্যেক ঋতুৰ আগমনত বাহ্যিক জগত তথা মানৱ হৃদয়ৰ পৰিৱৰ্তন তথা প্ৰেমিক-প্ৰেমিকাৰ অন্তৰৰ ভাৱধাৰাই কাব্যখনৰ মুখ্য বিষয়। কালিদাসৰ ৰচনাখনত বৰ্ণনশৈলী, কলা-কুশলতা, অলংকাৰৰ প্ৰয়োগ আদি দিশবোৰ পৰ্যবেক্ষণ কৰিলে কাব্যখন লেখকৰ প্ৰাৰম্ভিক ৰচনা যেন বোধ হয়। ইয়াৰোপৰি কালিদাসৰ নামেৰে কোনো আন কবিয়ে ১২ শতাব্দীৰ পাছত 'শৃঙ্গাৰ তিলত', 'পুষ্পবাণতিলক' আৰু 'ৰাক্ষসকাব্য' নামৰ তিনিখন শৃঙ্গাৰমূলক গীতিকাব্য ৰচনা কৰে।

**২। অমৰুশতক**

অমৰু বা অমৰুক নামেৰে এজন ঐতিহাসিক কবিয়ে অমৰুশতক নামৰ গীতিকাব্যখন ৰচনা কৰা বুলি কোৱা হয়। গ্ৰন্থখনৰ বিভিন্ন পাঠত নব্বৈৰ পৰা এশ পোন্ধৰটালৈকে শ্লোক পোৱা যায় যদিও তাৰ ভিতৰত ৫১টা শ্লোকহে প্ৰত্যেক পাঠতে সমানে পোৱা যায়।

কাব্যখনৰ ওপৰত পোন্ধৰটা টীকা পোৱা যায়। প্ৰৱাদ মতে শংকৰাচাৰ্যই মণ্ডনমিশ্ৰৰ পত্নী ভাৰতীয় ৰতিবিষয়ক প্ৰশ্নৰ উত্তৰ দিবলৈ অসমৰ্থ হোৱাত যোগবিদ্যাৰ দ্বাৰা অমৰু নামৰ এজন ৰজাৰ মৃতদেহত প্ৰৱেশ কৰি ৰজাৰ পত্নীসকলৰ সৈতে শৃঙ্গাৰ কেলিত ৰত হৈ পুনৰাই নিজৰ দেহত প্ৰৱেশ কৰে। এনেদৰে লাভ কৰা জ্ঞানেৰে তেওঁ ভিন্নাৱস্থাত ৰমণীৰ জীৱন তথা প্ৰেমৰ বৰ্ণনাৰে 'অমৰুশতক' গ্ৰন্থখন ৰচনা কৰে। শৃঙ্গৰৰসাত্মক কাব্যখনত কবিৰ ভাৱৰ গভীৰতা, ভাষাৰ লালিত্য, প্ৰেমৰ ভাৱাবেগ আদি অতি হৃদয়গ্ৰাহী ৰূপত প্ৰকাশ পাইছে। আলংকাৰিক আনন্দবৰ্ধনে 'ধ্বন্যালোক' গ্ৰন্থত অমৰুশতকৰ ভূয়সী প্ৰশংসা কৰি গ্ৰন্থখনত থকা মুক্তক ছন্দৰ শ্লোকসমূহত ৰস আৰু ভাৱৰ সমতাৰ কথা স্বীকাৰ কৰিছে।

**৩। চৌৰপঞ্চাশিকা**

একাদশ শতিকাৰ কাশ্মিৰী কবি বিলহনে চৌৰপঞ্চাশিকা নামৰ এখন ক্ষুদ্ৰ গীতিকাব্য ৫০টা শ্লোকত ৰচনা কৰে। প্ৰেমিক-প্ৰেমিকাৰ মধুৰ মিলনেই হৈছে গ্ৰন্থখনৰ মুখ্য বিষয়। কাব্যখনৰ প্ৰতিটো শ্লোকতে প্ৰেমিক কবিজনে তেওঁৰ প্ৰিয়তমাক স্মৰণ কৰি প্ৰণয়ৰ মৰ্মস্পৰ্শী বৰ্ণনা কৰিছে। বৰ্ণনা অনুসৰি গুজৰাটৰ ৰজা বীৰসিংহৰ কন্যা চন্দ্ৰকলাৰ গৃহশিক্ষক আছিল কবি বিলহন। কালক্ৰমত বিলহন আৰু ৰাজকন্যাৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠে আৰু ৰজাই তেওঁলোকৰ গোপন প্ৰণয়ৰ কথা জানি বিলহনক মৃত্যুদণ্ডৰ আদেশ দিয়ে। বধ্যভূমি অভিমুখে গৈ থাকোতে বিলহনে ৰচনা কৰা ৰাজকন্যাৰ প্ৰতি থকা তেওঁৰ প্ৰণয়ৰ কথাসমূহ ৰজাই জানিব পাৰি বিলহনক ক্ষমা কৰি বিধিমতে নিজ কন্যাক তেওঁৰ হাতত অৰ্পণ কৰে।

**৪। আৰ্যসপ্তসতী**

বঙ্গৰ ৰজা লক্ষণসেনৰ সভাকবি গোৱৰ্ধনে হালৰ 'সত্তসঙ্গ'ৰ আৰ্হিত সংস্কৃতত 'আৰ্যসপ্তসতী' ৰচনা কৰে। বাৰশ শতাব্দীত ৰচনা কৰা গ্ৰন্থখনত ৭৩১টা আৰ্যাছন্দত ৰচিত শ্লোক বৰ্ণনাক্ৰমত লিখা হৈছে। আদি ৰসাত্মক শ্লোকসমূহত কবিয়ে আন কবিসকলৰ বিষয়েও হৃদয়গ্ৰাহী আলোচনা কৰিছে। গ্ৰন্থখনৰ প্ৰণয়নত তেখেতৰ শিষ্য, সোদৰ উদয়ন আৰু বলভদ্ৰই সহায় কৰা বুলি কোৱা হৈছে।

**৫। গাথাসপ্তশতী**

'গাথাসপ্তশতী' হ'ল সাতবহনবংশীয় ৰজা হালে সংগ্ৰহ কৰা শৃঙ্গাৰিক গাথাৰ সংকলিত কাব্য। প্ৰথম শতাব্দীত ৰচিত গ্ৰন্থখন মহাৰাষ্ট্ৰীয় প্ৰাকৃত ভাষাত ৰচনা কৰা হৈছে। শৃঙ্গাৰ ৰসেৰে পৰিপূৰ্ণ এই খণ্ডকাব্যখনত মানৱ জীৱনৰ বিভিন্ন অৱস্থাৰ সজীৱ চিত্ৰণ অংকন কৰা হৈছে। গ্ৰাম্য জীৱনৰ সৰলতা আৰু স্বাভাৱিকতাৰ লগত সপ্তশতী গাথাসমূহৰ ওতঃপ্ৰোত সম্বন্ধ আছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। কবি কালিদাসৰ খণ্ডকাব্যসমূহৰ মাজত প্ৰকৃতিৰ পয়োভৰ দেখা যায়। চমুকৈ লিখা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। প্ৰধান দূতকাব্য বুলিলে কোনখন খণ্ডকাব্যত বুজা যায়? সেইখনকে দূতকাব্যৰ আধাৰ বুলিব পাৰিনে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৫.৮.৩ স্তোত্ৰকাব্য বা ভক্তিকাব্য**

গীতিকাব্যৰ অন্তৰ্গত স্তোত্ৰকাব্য বা ভক্তিকাব্য ধৰ্মীয় আৰু অনুভূতিসিক্ত ভক্তিৰসেৰে সমৃদ্ধ কাব্য। কবিসকলৰ আৰাধ্য দেৱ-দেৱীৰ প্ৰতি প্ৰকাশ পোৱা ভাৱানুভূতিসমূহে ভক্তিকাব্যৰ জৰিয়তে প্ৰকাশ পাইছে। কবিৰ অনুৰাগ আৰু বিৰাগ দুয়ো প্ৰকাৰ ভাৱনায়ে কাব্যসমূহত উপলব্ধ। মুখ্য ভক্তিকাব্যসমূহ হ'ল—

**১। শ্যামলদণ্ডক**

স্তোত্ৰকাব্যসমূহৰ ভিতৰত প্ৰাচীন কাব্য 'শ্যামলদণ্ডক' কালিদাসৰ ৰচনা বুলি কোৱা হয়। দণ্ডক নামৰ ছন্দত ৰচিত কাব্যখনত বাগ্‌দেৱী সৰস্বতীৰ স্তুতি কৰা হৈছে। কাব্যখনৰ স্তোত্ৰসমূহৰ শব্দময় স্পন্দনৰ বাবে গ্ৰন্থখনৰ আবৃত্তিৰ উপযোগী বুলি বিবেচিত হৈছে। লক্ষণীয় এয়ে যে মহাকবি কালিদাসৰ সলনি কোনোবা আন কালিদাসেহে গ্ৰন্থখন ৰচনা কৰা বুলি প্ৰমাণিত হৈছে।

**২। গীতগোৱিন্দ**

সংস্কৃত ভক্তিগীতিকাব্যৰ ইতিহাসত বাৰশ শতাব্দীৰ বঙ্গদেশৰ ৰজা লক্ষণসেনৰ ৰাজকবি জয়দেৱ বিৰচিত গীতগোৱিন্দৰ স্থান কালিদাসৰ মেঘদূতৰ পিছতেই। আখ্যান বিৱৰণ সম্বলিত খণ্ডকাব্যখনত বাৰটা সৰ্গত মুঠ ২৪টা অষ্টপদী গীত আৰু ৩৮৬টা শ্লোক আছে। ৰাধাকৃষ্ণৰ ললিত লীলা সম্ভোগ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰৰ জৰিয়তে কাব্যখনত বৰ্ণিত হৈছে। কাব্যখনৰ আৰম্ভণিতে দুটা দশাৱতাৰ গীত উপলব্ধি হয়। 'প্ৰলয় পয়োধিজলে......' ইত্যাদি প্ৰথমটো গীত পাঠক সমাজৰ মাজত অতিকৈ জনপ্ৰিয়। প্ৰেমৰ উদাত্ত ভাৱনাই কাব্যখনৰ মুখ্য বৈশিষ্ট্য। ৰাধাকৃষ্ণৰ প্ৰেমৰ জৰিয়তে কবিয়ে জীৱ আৰু পৰমব্ৰহ্মৰ মিলনকে বুজাইছে। ইয়াত শ্ৰীকৃষ্ণক পৰম ব্ৰহ্মৰ আৰু প্ৰেমিকা গোপীসকলক জীৱৰ প্ৰতিনিধি হিচাপে অংকন কৰিছে। অতি জনপ্ৰিয় গীতগোৱিন্দ কাব্যখন প্ৰাচ্য-পাশ্চাত্যৰ বিভিন্ন পণ্ডিতে বিভিন্ন ভাষালৈ অনুবাদ কৰে। পাশ্চাত্য পণ্ডিত কীথে গীতগোৱিন্দখনক আধ্যাত্মিক প্ৰেমৰ কাব্য বুলি অভিহিত কৰিছে।

গীতগোৱিন্দ গীতিকাব্যখনৰ অনেক টীকা, ভাষ্য আদি পোৱা যায়। গ্ৰন্থখনৰ আৰ্হিত বহুতো কবিয়ে বহুতো কাব্য ৰচনা কৰিছে। এইবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— হৰিশংকৰ আৰু প্ৰভাকৰে ৰচনা কৰা 'গীত ৰাঘৱ' নামৰ দুখন কাব্য, শ্ৰীহৰ্য্যাচাৰ্যৰ 'জানকী গীত'; হৰিনাথৰ 'ৰাম বিলাস', বিশ্বনাথ সিংহৰ 'সঙ্গীত ৰঘুনন্দন' আদি।

**৩। চণ্ডীশতক**

সংস্কৃত বিখ্যাত গদ্যকবি বাণভট্টই সপ্তম শতিকাত 'চণ্ডীশতক' নামেৰে এখন ভক্তিমূলক গীতিকাব্য ৰচনা কৰে। চণ্ডিকাখ্যাত কালী আৰু মহিষাসুৰৰ যুদ্ধৰ বৰ্ণনাৰে সমৃদ্ধ হোৱা কাব্যখনত শাৰ্দূলবিক্ৰীড়িত ছন্দত ৰচিত এশ দুটা শ্লোক পোৱা যায়। মাৰ্কণ্ডেয় পুৰাণত থকা দেৱী মাহাত্ম্যৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা গ্ৰন্থখনত অলংকাৰৰ প্ৰাচুৰ্যতা দেখা যায়। 'শিৱশতক' নামেৰে বাণভট্টই শিৱৰ স্তুতি কৰি আন এখন ভক্তিমূলক গীতিকাব্য ৰচনা কৰে।

**৪। সূৰ্যশতক**

সপ্তম শতিকাৰ পূৰ্বভাগত ময়ূৰে এশ এটা শ্লোকত 'সূৰ্যশতক' নামেৰে এখন প্ৰসিদ্ধ ভক্তিকাব্য ৰচনা কৰে। শাৰ্দুলবিক্ৰীড়িত ছন্দত ৰচিত কাব্যখনৰ মুখ্য বিষয়বস্তু হৈছে সূৰ্যৰ আৰাধনাৰ দ্বাৰা ৰোগমুক্ত হোৱা। ইয়াৰ শ্লোকসমূহত সূৰ্য, সূৰ্যকিৰণ, সূৰ্যাশ্ব, ৰথ, সূৰ্যমণ্ডল, সূৰ্যসাৰথিৰ দ্বাৰা ৰক্ষা কৰা, মঙ্গলময়, ধনপ্ৰাপ্তি তথা শত্ৰুবিনাশৰ লগতে নিজৰ মঙ্গল কামনা কৰা হৈছে। জনকল্যাণ আৰু ভক্তি ভাৱনাৰে সমৃদ্ধ অতি প্ৰসিদ্ধ কাব্যখনৰ ১৫ টীকা পোৱা যায়। বিভিন্ন কবিয়ে কালক্ৰমত এই কাব্যখনৰ আৰ্হিত আন পাঁচখন সূৰ্যশতক ৰচনা কৰে।

**৫। ভক্তামৰস্তোত্ৰ**

জৈন কবি মানতুঙ্গই ঋষভদেৱৰ স্তুতিপৰক 'ভক্তামৰস্তোত্ৰ' শীৰ্ষক ভক্তিকাব্যৰ ৰচনা কৰে। বাণ আৰু ময়ূৰৰ ৰচনাশৈলীক প্ৰতিদ্বন্দ্বিতা কৰি মানতুঙ্গই এই কাব্যৰচনাৰ দ্বাৰা জৈন মুনিৰ আৰাধনাৰেও ৰোগমুক্ত হ'ব পাৰি বুলি প্ৰতিপন্ন কৰিব বিচাৰিছিল।

জল্হনৰ 'সূক্তি মুক্তাৱলী' নামৰ গ্ৰন্থখনত উদ্ধৃত ৰাজশেখৰৰ শ্লোক এটাত বাণ, ময়ূৰ আৰু মাতঙ্গ দিৱাকৰ বা মানতুঙ্গক ৰজা শ্ৰীহৰ্ষৰ সভাসদ বুলি উল্লেখ কৰিছে। অৰ্থাৎ তিনিওগৰাকী সমকালীন কবি।

**৬। মূকপঞ্চশতী**

মূককবিয়ে ৰচনা কৰা 'মূকপঞ্চশতী' পাঁচটা শতশ্লোকাত্মক স্তোত্ৰৰ সমষ্টি। সেইকেইটা হ'ল 'আৰ্যাশতক', 'পদাৰৱিন্দশতক', 'স্তুতিশতক', 'কটাক্ষশতক' আৰু 'মন্দিস্মিতশতক'। প্ৰৱাদ মতে মূককবি জীৱনৰ আদিভাগত বাক্‌হীন আছিল। পাছলৈ কামাক্ষী দেৱীৰ অনুগ্ৰহত কাব্যপ্ৰতিভা লাভ কৰি দেৱীৰ প্ৰশংসাৰে সমৃদ্ধ এই পাঁচটা শতকস্তোত্ৰ ৰচনা কৰে। সহজ-সৰল ভাষাত দেৱীৰ মহিমাৰে সমৃদ্ধ স্তোত্ৰসমূহ অষ্টম শতিকাত ৰচনা কৰা বুলি কোৱা হয়।

**৭। মুকুন্দমালা**

দাক্ষিণাত্যৰ বৈষ্ণৱ ভক্ত আলৱাৰ কুলশেখৰে নৱম শতিকাত 'মুকুন্দমালা' নামেৰে এখন সৰু কলেৱৰৰ ভক্তিকাব্য প্ৰণয়ন কৰে। ভক্তসকলে কাব্যখনৰ পাঠৰ দ্বাৰ মোক্ষপ্ৰাপ্তি হয় বুলি বিশ্বাস কৰে।

**৮। আলৱন্দাৰ স্তোত্ৰ**

দশম শতিকাত যমুনাচাৰ্যই 'আলৱন্দাৰ স্তোত্ৰ' নামেৰে এখন স্তোত্ৰকাব্য প্ৰণয়ন কৰে। দক্ষিণ ভাৰতত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ৰচনা কৰা গ্ৰন্থখনক ভক্তসকলে 'স্তোত্ৰৰত্ন' নামেৰেও নামকৰণ কৰিছে।

**৯। কৃষ্ণকৰ্ণামৃত**

লীলাশুকে ৰচনা কৰা 'কৃষ্ণকৰ্ণামৃত' কাব্যখন প্ৰায় ৩০০ শ্লোকৰ সংগ্ৰহ। সুন্দৰ সুললিত ভাষাত বালকৃষ্ণৰ বিচিত্ৰ লীলাৰ বৰ্ণনা কৰা গ্ৰন্থখন মহাপ্ৰভু চৈতন্যদেৱৰ প্ৰিয় স্তোত্ৰ বুলি কোৱা হয়।

**১০। লক্ষ্মী সহস্ৰ**

মাদ্ৰাজৰ বৈষ্ণৱ কবি বেংকটাধ্বৰিয়ে ১৭ শতিকাত 'লক্ষ্মী সহস্ৰ' ৰচনা কৰে। ভক্তিৰসাত্মক উপ্ৰেক্ষা অলংকাৰেৰে মণ্ডিত কাব্যখনত লক্ষ্মীদেৱীৰ এহেজাৰ শ্লোকত স্তুতি কৰা হৈছে।

**১১। স্তুতি কুসুমাঞ্জলি**

১৪ শতাব্দীত কাশ্মীৰৰ কবি জগদ্ধৰভট্টই ৩৮টা স্তোত্ৰত ১৪০০ শ্লোকত 'স্তুতি কুসুমাঞ্জলি' নামেৰে স্তোত্ৰকাব্যখন প্ৰণয়ন কৰে। শৈৱভক্ত ৰচনাকাৰজনে শ্লেষ, অনুপ্ৰাস, যমক আদি অলংকাৰ প্ৰয়োগেৰে কৰুণৰসত ভক্তিভাৱেৰে হৃদয়ৰ মনোৰম ভক্তিভাৱৰ অংকন কৰিছে।

**১২। শংকৰাচাৰ্যৰ ভক্তিকাব্য**

অদ্বৈত বেদান্তৰ প্ৰতিষ্ঠাপক আদিগুৰু শংকৰাচাৰ্যই অনেক স্তোত্ৰ বা ভক্তিকাব্য ৰচনা কৰা বুলি কোৱা হয়। কেৰালা ৰাজ্যৰ নিবাসী শংকৰাচাৰ্যই দহখন মুখ্য উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু শ্ৰীমদ্ভগৱগীতাৰ ওপৰত ভাষ্য ৰচনা কৰিছিল। ভাৰতীয় দৰ্শনৰ অদ্বৈত বেদান্তৰ মত স্থাপন কৰাই তেখেতৰ মূল আদৰ্শ আছিল।

শংকৰাচাৰ্যই ৰচনা কৰা স্তোত্ৰকাব্যসমূহৰ ভিতৰত অন্যতম হৈছে 'সৌন্দৰ্যলহৰী'। মহাদেৱী পাৰ্বতীৰ অপৰিসীম সৌন্দৰ্য তথা দেৱীক সমগ্ৰ জগতৰ সৃষ্টি, স্থিতি আৰু বিনাশকৰ কাৰণৰূপে বৰ্ণনা কৰা হৈছে। স্তোত্ৰখনত এশটা শ্লোক পোৱা যায়। তেনেদৰে 'শিৱানন্দলহৰী' নামৰ ভক্তিকাব্যখনতো শিৱকে সকলো মঙ্গল তথা আশীৰ্বাদৰ দাতাৰূপে স্তুতি কৰা হৈছে।

**'মোহমুদগৰ ঃ**

'মোহমুদগৰ' বা 'ভজ গোবিন্দ স্তোত্র'খনত শংকৰাচাৰ্যই ৩০টা শ্লোক অদ্বৈত বেদান্তৰ মূল 'ব্ৰহ্ম সত্যং জগন্মিথ্যা' ভাৱৰ বিৱৰণ অতি সৰল ভাষাৰে কৰিছে। গ্ৰন্থখনত অতি গভীৰ দাৰ্শনিক তত্ত্বকো সৰ্বসাধাৰণৰ বাবে বোধগম্য কৰা হৈছে।

ইয়াৰোপৰি ভক্তি আৰু অদ্বৈত বেদান্তৰ মূলতত্ত্বৰ সহজ সৰল ব্যাখ্যা থকা অনেক স্তোত্ৰকাব্য আদি শংকৰাচাৰ্যৰ নামত পোৱা যায়। বিদ্বৎ সমাজে এই সকলোবোৰ ৰচনা শংকৰৰ নহয় বুলি ক'ব খোজে। সেইবোৰ হ'ল— 'পদাদিকেশান্তস্তোত্ৰ', 'শিৱভুজঙ্গ', 'বিষ্ণুভুজঙ্গ', 'ৰামভুজঙ্গ', 'কণকধৰ স্তৱ', 'শিৱাপৰাধক্ষমাপন স্তোত্ৰ', 'হৰিস্তুতি', 'দশশ্লোকী', 'দক্ষিণামূৰ্তী স্তোত্ৰ', 'অপৰোক্ষানুভূতি', 'শতশ্লোকী', 'আত্মবোধ', 'আত্মনিৰূপণম্' আদিয়ে প্ৰধান।

**১৩। পণ্ডিতৰাজ জগন্নাথৰ ভক্তিকাব্য**

খ্ৰীষ্টিয় সপ্তদশ শতিকাৰ আলংকাৰিক তৈলঙ্গ ব্ৰাহ্মণ পণ্ডিত জগন্নাথে সংস্কৃত সাহিত্যত গীতিকবি বুলি প্ৰসিদ্ধি লাভ কৰিছিল। তেখেতে দিল্লীৰ সম্ৰাট চাহজাহানৰ আমন্ত্ৰণ অনুসৰি দিল্লীলৈ গৈ দাৰাশিকোহক সংস্কৃত পঢ়ুৱাইছিল। তেখেতৰ পাণ্ডিত্যত মুগ্ধ হৈ চাহজাহানে 'পণ্ডিতৰাজ' উপাধি প্ৰদান কৰিছিল। তেওঁ ৰচনা কৰা গীতিকাব্য পাঁচখন হ'ল— 'কৰুণালহৰী', 'গঙ্গালহৰী, অমৃতলহৰী, লক্ষ্মীলহৰী আৰু সুধালহৰী। তেখেতৰ এই পাঁচখন ৰচনা সংগ্ৰহ 'ভামিনী বিলাস'ত কৰা হৈছে। 'কৰুণালহৰী' কাব্যখনত ভগৱানক কৰুণাৰ বাবে প্ৰাৰ্থনা কৰা হৈছে। তেনেদৰে 'গঙ্গালহৰী'ত গঙ্গাৰ স্তুতি, 'অমৃতলহৰী'ত যমুনাৰ স্তুতি, 'লক্ষ্মী লহৰী'ত লক্ষ্মীৰ স্তুতি আৰু 'সুধালহৰী'ত সূৰ্যৰ স্তুতি কৰা হৈছে।

জগন্নাথৰ পাঁচখন কাব্যতেই ভক্তিৰসৰ প্ৰাচুৰ্যতাৰ উপৰিও উচ্চখাপৰ কল্পনা, পাণ্ডিত্যপূৰ্ণ ভাষা, অলৌকিক প্ৰতিভা তথা প্ৰসাদময়ী ৰচনাশৈলী বিদ্যমান।

ইয়াৰ উপৰিও নৱম শতিকাত ৰত্নাকৰে 'বক্ৰোক্তি পঞ্চশিকা', আনন্দবৰ্ধনে 'দেৱীশতক', দশম শতিকাত অভিনৱ গুপ্তৰ গুৰু উৎপলদেৱে 'স্তোত্ৰাৱলী', একাদশ শতিকাত ৰামানুজে 'শৰণাগতি গদ্য', 'বৈকুণ্ঠ গদ্য' আৰু 'শ্ৰীৰঙ্গগদ্য' নামেৰে তিনিখন গদ্যকাব্য ৰচনা কৰে। সপ্তদশ শতিকাতকবি নীলকণ্ঠই 'আনন্দসাগৰস্তৱ' আৰু 'শিৱোৎকৰ্যমঞ্জৰী' আৰু নাৰায়ণতীৰ্থই 'কৃষ্ণলীলাতৰঙ্গিনী' নামেৰে গীতিকাব্য ৰচনা কৰে। ১৮শ শতিকাত কবি ৰামভদ্ৰ দীক্ষিতে ৰচনা কৰা অনেক গীতিকাব্যৰ ভিতৰত 'ৰামৱনস্তৱ', 'ৰামছাপস্তৱ' আৰু 'ৰামাষ্টপাস' বিশেষভাৱে উল্লেখযোগ্য।

তদুপৰি বৌদ্ধ ধৰ্মৰ মহাযান সম্প্ৰদায়ত অনেক ভক্তিস্তোত্ৰৰ সমাহাৰ দেখা যায়। শূন্যবাদৰ প্ৰৱৰ্তক নাগাৰ্জুনে চাৰিখন স্তোত্ৰ ৰচনা কৰিছিল। জৈনধৰ্মতো অনেক স্তোত্ৰ সংস্কৃতত ৰচনা কৰা দেখা যায়। এইবোৰৰ উপৰিও বহুতো ভক্তিকাব্য সংস্কৃত ভাষাত উপলব্ধ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ভক্তিমূলক গীতিকাব্যসমূহৰ জৰিয়তে দৰাচলতে জীৱ আৰু ব্ৰহ্মৰ মিলনৰ কথা কোৱা হৈছে নেকি?

.............................................................................................................

..............................................................................................................

..............................................................................................................

২। শংকৰাচাৰ্যৰ স্তোত্ৰসমূহৰ মুখ্য বিষয় কি বুলি ভাবা?

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৫.৮.৪ নীতিকাব্য

প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্যত অতি কম পৰিসৰত অধিক সাৰগৰ্ভ তথা নীতিমূলক প্ৰবচন সহজ-সৰল ভাষাত প্ৰকাশ কৰা কাব্যসমূহকে গীতিকাব্য বুলি কোৱা হয়। ব্যৱহাৰিক জীৱনৰ লগত সামঞ্জস্য থকা নীতিমূলক খণ্ড কাব্যসমূহৰ মাজত বিভিন্ন প্ৰকাৰ নীতিৰ বৈচিত্ৰতা দেখা যায়। সামাজিক, ৰাজনীতি আৰু ধৰ্মনীতিয়ে হ'ল এনে কাব্যৰ মূল উপজীৱি বিষয়। সাংসাৰিক লোভ-মোহৰ অভিমান, অহংকাৰ, ভোগ আদিৰ পৰা উৎপন্ন হোৱা মানুহৰ দুৰ্গতি, জীৱনৰ অনিত্যতা, স্ত্ৰীৰ চৰিত্ৰ তথা ৰূপৰ প্ৰলোভনৰ প্ৰতি সতৰ্কতা, সাংসাৰিক বৈৰাগ্যতা আৰু ইয়াৰ শ্ৰেষ্ঠতা, শম-দমাদিৰ লাভ, সৎ সঙ্গৰ শ্ৰেষ্ঠতা, বিদ্যামহত্ব, অসৎ সঙ্গৰ ক্ষতি, অৱিদ্যাৰ নীচতা, সৎ-অসৎ লোকৰ গুণাগুণ, বিদ্বানৰ মহত্ব, দৈৱ আৰু সৎ পুৰুষৰ কাৰ্যৰ নিশ্চিত ফলাফল, সুকাব্যৰ গুণ আদিয়ে হৈছে নীতিকাব্যৰ মুখ্য বিষয়। সংস্কৃত ভাষাত ৰচিত কেতবোৰ নীতিকাব্যৰ পৰিচয় তলত দিয়া হ'ল—

**১। চাণক্যৰ নীতিকাব্য**

বিদ্বানসকলে চাণক্যৰ 'চনকনীতি শাস্ত্ৰ'খনকে নীতিমূলক খণ্ডকাব্যৰ প্ৰথম কাব্য বুলি ক'ব খোজে। ৰাজনীতি বিষয়ক সোতৰটা অধ্যায়ত বিভক্ত কাব্যখনত অনেক সাধাৰণ নীতিও বিদ্যমান। গ্ৰন্থখনত মুঠ ৩৪০টা শ্লোক আছে। 'চাণক্য নীতিসাৰ', 'চাণক্য নীতিশতক', 'বৃদ্ধচাণক্য', 'লঘু চাণক্য' আদি কাব্যখনৰ অনেক পাঠান্তৰ পোৱা যায়।

**২। নীতিদ্বিষষ্ঠিকা**

খ্ৰীষ্টিয় ৬ষ্ঠ শতিকাত পণ্ডিত সুন্দৰ পাণ্ড্যই ১১৬টা শ্লোকত আৰ্যাছন্দত 'নীতিদ্বিষষ্ঠিকা' নামৰ নীতিশাস্ত্ৰখন প্ৰণয়ন কৰে।

**৩। ভৰ্ত্তৃহৰিৰ শতকত্ৰয়**

সপ্তম শতাব্দীত কবি ভৰ্ত্তৃহৰিয়ে তিনিখন নীতিমূলক শতককাব্য ৰচনা কৰে। এশটা শ্লোকেৰে মুক্তক ছন্দত ৰচিত শতক কাব্যকেইখন হ'ল— 'নীতিশতক', 'শৃঙ্গাৰশতক' আৰু 'বৈৰাগ্যশতক'।

'নীতিশতক' কবিয়ে কাব্যখনৰ এশটা শ্লোক দহটা পদ্ধতিত ভাগ কৰি লোকসমাজত সেইবোৰৰ অনুশীলনৰ বিধান কৰিছে। মানৱ চৰিত্ৰৰ সূক্ষ্মাতিসূক্ষ্ম নিৰীক্ষণেৰে তেওঁ কাব্যখনৰ দহটা পদ্ধতিৰ নামকৰণ কৰিছে— মূৰ্খপদ্ধতি, বিদ্বৎপদ্ধতি, মানশৌৰ্য পদ্ধতি, অৰ্থপদ্ধতি, দুৰ্জনপদ্ধতি, সজ্জনপদ্ধতি, পৰোপকাৰ পদ্ধতি, ধৈৰ্য পদ্ধতি, দৈৱপদ্ধতি আৰু কৰ্মপদ্ধতি। মানৱ জীৱনৰ সগুণৰ অধিকাৰী হ'ব পৰা 'নীতিশতক'ৰ শ্লোকসমূহত সমাজত অতি জনপ্ৰিয় আৰু সততে সুভাষিতসমূহৰ আবৃত্তি শুনা যায়।

ভৰ্ত্তৃহৰিৰ 'শৃঙ্গাৰশতক' নীতিকাব্যখনত এশটা শ্লোক, পাঁচটা বিংশতিত ভাগ কৰা হৈছে— স্ত্ৰী প্ৰশংসা, সম্ভোগবৰ্ণন, কামিনী নিন্দা, সুবিৰক্ত-দুৰ্বিৰক্ত পদ্ধতি আৰু ঋতুবৰ্ণন।

শৃঙ্গাৰ ৰসাত্মক নীতিকাব্যখনত কবিয়ে নাৰী হৃদয়ৰ প্ৰকৃত জ্ঞান তথা প্ৰেমেৰে প্ৰভাৱিত প্ৰেমিক-প্ৰেমিকাৰ চিত্ত-বৃত্তিৰ যথাৰ্থ ৰূপ আৰু তাৰ বিষম পৰিণতিৰ কথা সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰিছে।

কবিয়ে 'বৈৰাগ্যশতক' গ্ৰন্থখনৰ দহটা ভাগত সন্তোষজনক পৰম সুখ আৰু বৈৰাগ্যক একমাত্ৰ তথা প্ৰকৃত সাধন বুলি কৈছে। মৰ্মজ্ঞানানুভূতিৰে সমৃদ্ধ কাব্যখনৰ শ্লোকসমূহৰ জৰিয়তে ভৰ্ত্তৃহৰিৰ অদ্বৈত বেদান্তৰ চিন্তাধাৰাৰ কথা জানিব পাৰি। বৈৰাগ্যপথেই যে মানৱৰ প্ৰকৃত পথ- কাব্যখনত সুন্দৰকৈ বৰ্ণিত হৈছে।

**৪। কুট্টনীমত**

৭ম শতিকাৰ কাশ্মীৰৰ ৰজা জয়পীড়ৰ মন্ত্ৰী দামোদৰ গুপ্তই 'কুট্টনীমত' বা 'সম্বালীমত' নামেৰে এখন নীতিকাব্য ৰচনা কৰে। কাব্যখনত বেশ্যাবৃত্তি লোৱা যুৱতীসকলৰ কৰ্তব্যাকৰ্তব্যৰ বিষয়ে উপদেশ দিয়া হৈছে।

**৫। ভল্লটশতক**

আনুমানিক নৱম শতিকাৰ অনুলনীয় কবি ভল্লটে 'ভল্লটশতক' নামৰ এখন নীতিমূলক কাব্য ৰচনা কৰে। মুক্তক পদ্যৰ সংগ্ৰহ গ্ৰন্থখনত অন্যোক্তিৰ বাহুল্য দেখা যায়।

**৬। ক্ষেমেন্দ্ৰৰ নীতিকাব্য**

১১শ শতিকাত কাশ্মিৰী কবি ক্ষেমেন্দ্ৰই কেইবাখনো নীতিকাব্য প্ৰণয়ন কৰে।

'কলাবিলাসত' নামৰ দহটা সৰ্গত ৰচিত নীতিকাব্যখনত কবিয়ে নায়কৰ সংলাপেৰে মানুহৰ স্বাৰ্থপৰতা তথা দুগুণৰ কথা প্ৰকাশ কৰিছে। মানৱ চৰিত্ৰৰ দুৰ্বলতা আৰু দোষসমূহৰ অংকণে কাব্যখনৰ মূল বিষয়।

'চাৰুচৰ্যা' নীতিকাব্যখনত ইতিহাস পুৰাণৰ উদাহৰণৰ দ্বাৰা কবিয়ে এশটা শ্লোকত মানুহে পাবলগীয়া সজ গুণ, সজ ব্যৱহাৰ আৰু সজ নিয়মৰ উল্লেখ কৰিছে।

'চতুৰ্বৰ্গসংগ্ৰহ' নামৰ নীতিকাব্যখনত ক্ষেমেন্দ্ৰই ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্বৰ্গৰ আলোচনা কৰিছে।

'সেৱ্য সেৱকোপদেশ' নামৰ নীতিকাব্যখনত কবিয়ে সেৱা আৰু সেৱকৰ পাৰস্পৰিক তথা সম্বন্ধসমূহৰ বিষয়ে সন্নিৱিষ্ট কৰিছে।

'দৰ্পদলন' নামৰ কাব্যত ক্ষেমেন্দ্ৰই সাতটা সৰ্গত দৰ্পৰ উৎপত্তি আৰু ইয়াৰ নিৰ্মূলৰ উপায়সমূহ বৰ্ণনা কৰিছে। সাধাৰণতে মানুহৰ অহংকাৰৰ সাতটা কাৰণ নিৰ্দিষ্ট কৰা হৈছে— উচ্চজনম, ধন, বিদ্যা, ৰূপ, সাহস, দান আৰু সন্ন্যাস।

'সময়মাতৃকা' নামেৰে ৰচিত আন এখন নীতিকাব্যত কবিয়ে ৮টা সৰ্গত নৱযুৱক কেনেদৰে পৰাঙ্গনাই প্ৰলুব্ধ কৰে তাকে বৰ্ণনা কৰিছে।

**৭। সিল্হনশতক**

বাৰশ শতাব্দীত কাশ্মীৰি কবি সিল্হনে 'সিল্হনশতক' বা 'শান্তিশতক' নামেৰে এখন নীতিকাব্য প্ৰণয়ন কৰে। কাব্যখনৰ অনেকখিনি বিষয়ে কবিৰ মৌলিক ৰচনা।

**৮। ভামিনীবিলাস**

১৬শ খৃষ্টাব্দৰ কবি পণ্ডিতৰাজ জগন্নাথে 'ভামিনীবিলাস' নামেৰে চাৰিটা বিলাস নামৰ ভাগত বিভক্ত এখন নীতিকাব্য ৰচনা কৰে। প্ৰাস্তাৱিক বিলাস, শৃঙ্গাৰবিলাস, কৰুণবিলাস আৰু শান্তবিলাস হ'ল কাব্যখনৰ চাৰিটা ভাগ। কাব্যখনত কবিয়ে 'অন্যাপদেশ'

নামে অলংকাৰৰ সফলভাৱে প্ৰয়োগ কৰিছে। কাব্যখনৰ প্ৰথম বিলাসত কেতবোৰ নীতিবিষয়ক শ্লোক সংগৃহীত হৈছে। শৃঙ্গাৰ কাব্যৰ উদাহৰণ হ'ল দ্বিতীয় বিলাস। তৃতীয় বিলাসখন নীতিকাব্য আৰু চতুৰ্থ বিলাসত শ্ৰীকৃষ্ণৰ প্ৰতি ভগৱৎ ৰতি ভাৱ প্ৰকাশ পাইছে। গতিকে কাব্যখনক একেৰাহে শৃঙ্গাৰকাব্য, শোকনীতি আৰু নীতিকাব্য বুলিও ক'ব পাৰি।

**৯। কলিবিড়ম্বন**

এশটা শ্লোকত ৰচনা কৰা নীলকণ্ঠ দীক্ষিতৰ 'কলিবিড়ম্বন' এখন নীতিবিষয়ক কাব্য। কাব্যখনত কবিয়ে কলিযুগৰ বিভিন্ন দোষৰ ব্যঙ্গাত্মক চিত্ৰ অংকন কৰিছে। সৎ আৰু নৈতিক চৰিত্ৰ আহৰণৰ বাবে মানৱ সমাজক আহ্বান কৰাৰ লগতে লোভাদি ত্যাগ কৰিব কৈছে।

নীলকণ্ঠ দীক্ষিতে 'সবাৰঞ্জন শতক' বুলি আন এখন নীতিবিষয়ক আকৰ্ষণীয় কাব্য ৰচনা কৰিছিল।

ইয়াৰোপৰি খ্ৰীষ্টীয় প্ৰথম শতিকাত বৰৰুচি আৰু বেতালভট্টই 'নীতিৰত্ন', 'নীতিসাৰ' আৰু 'নীতিপ্ৰদীপ' নামৰ নীতিকাব্য ৰচনা কৰাৰ কথা জনা যায়। তেওঁলোকৰ সূক্তিসমূহৰ উদ্ধৃতি বিভিন্ন 'সুভাষিত সংগ্ৰহ'ত পোৱা যায়। পোন্ধৰশ শতিকাত কবি ধনদৰাজে 'নীতিধনদ', 'শৃঙ্গাৰধনদ' আৰু 'বৈৰাগ্যধনদ' নামে তিনিখন শতক ৰচনা কৰে। কুসুমদেৱৰ 'দৃষ্টান্তশতক' আৰু বেঙ্কটনাথ বা বেদান্ত দেশিকৰ 'সুভাষিত নীৱ' দুখন উল্লেখযোগ্য নীতিকাব্য। এইবোৰ কাব্যৰ উপৰিও আন বহুতো খ্যাত-অখ্যাত কবিৰ নীতিকাব্য তথা শ্লোক সংস্কৃত সাহিত্যত উপলব্ধ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। নীতিকাব্যসমূহৰ জ্ঞান মানৱ জীৱনত প্ৰয়োজনীয়নে? চমুকৈ লিখা।

............................................................................................................

............................................................................................................

............................................................................................................

## ৫.৯ আধুনিক সংস্কৃত খণ্ডকাব্য

প্ৰাচীন কালৰে পৰা প্ৰৱাহিত হোৱা সংস্কৃত ভাষাটো কালৰ গতিত বিভিন্ন কাৰণত বাধাপ্ৰাপ্ত হোৱাত পণ্ডিতসকলে পুনৰাই সংস্কৃত ভাষাৰ উত্থানৰ বাবে বিভিন্ন লিখনিৰে ভাষাটো চহকী কৰাৰ প্ৰয়াস আৰম্ভ কৰে। সংস্কৃতৰ এই নতুন প্ৰৱাহটোকে বৰ্তমানৰ প্ৰেক্ষাপটত আধুনিক সংস্কৃত সাহিত্য বুলি কোৱা হয়। ভাৰতীয় সমাজৰ ৰাজনৈতিক, সামাজিক পটভূমিত ৰচতি হোৱা সাহিত্যসমূহৰ ওপৰত ভিত্তি কৰিলে দেখা যায় যে ওঠৰশ শতাব্দীৰ উত্তৰাৰ্ধৰ পৰাহে আধুনিক সংস্কৃতৰ কাল আৰম্ভ হোৱা বুলি ক'ব পাৰি। ড° ৰাজেন্দ্ৰ মিশ্ৰ, অভিৰাজে 'দেৱবাণী সুৱাস'ৰ সম্পাদকীয়ত ইংৰাজী ১৭৮৫ চনকে আধুনিক সংস্কৃত সাহিত্যৰ আৰম্ভণি বুলি অভিহিত কৰিছে। লগতে আধুনিক সংস্কৃত সাহিত্যৰ সমৃদ্ধিকাল বুলি ইংৰাজী ১৯৫০ চনকে স্বীকাৰ কৰি বৰ্তমানলৈকে প্ৰৱাহিত হৈ আছে বুলি কৈছে। (দ্ৰষ্টব্য ঃ ভূমিকা, ড° মিথিলেশ পাণ্ডেয়ৰ আধুনিক সংস্কৃত সাহিত্য বা ইতিহাস, খণ্ড ১)

প্ৰাচীন সংস্কৃত সাহিত্যৰ বিষয়বস্তুসমূহৰ উপৰিও প্ৰাচ্য আৰু পাশ্চাত্যৰ অনেক নতুন বিষয় আধুনিক সংস্কৃত সাহিত্যত আগমন হোৱা দেখা যায়। ইয়াত কেৱল মাত্ৰ আধুনিক সংস্কৃতৰ কেতবোৰ খণ্ডকাব্যৰ বিষয়েহে উল্লেখ কৰা হৈছে।

আধুনিক খণ্ডকাব্যসমূহৰ ৰচয়িতাসমূহৰ অন্যতম হৈছে উনবিংশ শতাব্দীৰ সাহিত্যিক মঞ্জুনাথ (১৮৮৯-১৯৬৪)। ৰাজস্থানৰ জয়পুৰ নিবাসী সাহিত্যিকগৰাকীৰ প্ৰকৃত নাম হ'ল ভট্টমথুৰা নাম শাস্ত্ৰী। তেখেতে 'মনোলহৰী', 'সুৰভাৰতী', 'বিয়োগিনীবিপ্ৰলাপাঃ' আদি খণ্ডকাব্য ৰচনা কৰে। তদুপৰি শাস্ত্ৰীদেৱে বিভিন্ন মুক্তক কাব্যৰ ৰচনাৰ জৰিয়তে আধুনিক সংস্কৃত সাহিত্যৰ ভাণ্ডাৰ চহকী কৰে। সেইবোৰৰ অন্যতম হ'ল 'জয়পুৰবৈভৱম্', 'সাহিত্যবৈভৱম্', 'গোবিন্দবৈভৱম', 'কবিলাৰ্য্যাষ্টকম্', 'মাহেন্দ্ৰীৰাজনম্', 'সতীসপ্তদশী', 'মঙ্গলজলগীতিঃ', 'ভগৱন্তং প্ৰতি', 'ভক্তি মঙ্গলম্' ইত্যাদি।

উত্তৰ প্ৰদেশৰ বচ্ছুলাল অৱস্থী (১৯১৮) য়ে আধুনিক সংস্কৃত সাহিত্যত প্ৰতীকাত্মক খণ্ডকাব্যৰ ৰচনাৰ দ্বাৰা এক নতুন ধাৰাৰ সৃষ্টি কৰে। তেওঁ সমকালীন সমাজ আৰু ৰাজনৈতিক বিসঙ্গতি তথা বিড়ম্বনাসমূহ কটাক্ষ কৰি বিভিন্ন খণ্ডকাব্য ৰচনা কৰে। সেইবোৰ হ'ল— 'একদন্তবৃত্তম্', 'শুকবৃত্তম্', 'দেৱদূতম্', 'দস্যুশুনকীয়ম্', 'বিৰাগপ্ৰতানস্তৱীয়ঃ' ইত্যাদি। তেখেতৰ ৰচনা সমগ্ৰ 'প্ৰতানিনী' নামৰ সংকলনত সংকলিত হৈ আছে।

ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত ৰাজস্থানী সাহিত্যিক হৰিৰাম আচাৰ্যই (১৯৩৬-২০১৮) মধুচ্ছন্দা নামেৰে এখন গীতিকাব্য ৰচনা কৰে।

ৰাষ্ট্ৰপতি এ.পি.জে আব্দুল কালামৰ পৰা 'চাৰ্টিফিকেট অফ অনাৰ' পুৰস্কাৰ লাভ কৰা মধ্যপ্ৰদেশৰ জবলপুৰৰ বিদুষী শ্ৰীমতী পুষ্পা দীক্ষিতে (১৯৪২) 'অগ্নিশিখা' আৰু 'শাংভৱী' নামৰ দুখন খণ্ডকাব্য প্ৰণয়ন কৰে। বিপ্ৰলম্ভ শৃঙ্গাৰ ৰসাত্মক ব্যষ্টিবিষয়ক ৰচনা 'অগ্নিশিখা'ৰ মৰ্মস্পৰ্শী বৰ্ণনা অনুপম। কবিয়ে কাব্যখনত নিজৰ জাতি, ধৰ্ম আদিৰ বন্ধন ত্যাগ কৰা কৃষ্ণৰ প্ৰতি ৰাধাৰ প্ৰেমৰ আদৰ্শ মানি চলিছে। আকৌ, সমষ্টি বিষয়ক খণ্ডকাব্য 'শাংভৱী'ত কবিগৰাকীয়ে সামাজিক বিসঙ্গতি, পতন, যুব সমাজৰ উচ্ছৃংখলতা, দূষিত শাসন ব্যৱস্থা আদি প্ৰকাশ কৰাৰ লগতে তেওঁৰ মনত ঘনীভূত হোৱা মনোবেদনাও সুন্দৰকৈ প্ৰকাশ কৰিছে।

আধুনিক সংস্কৃত জগতৰ বিখ্যাত পণ্ডিত প্ৰফেচৰ ৰাধাবল্লভ ত্ৰিপাঠীয়ে (১৯৪৯) 'গীতধীৱৰম্' নামেৰে এখন গীতিকাব্য (ৰাগকাব্য) ৰচনা কৰে। প্ৰাচীন আৰু নবীন গীতিকাব্যৰ মাজত অভিনৱ শৃংখলাৰ দ্বাৰা কবিগৰাকীয়ে জগতৰ দাৰ্শনিক দৃষ্টিভংগীৰ জৰিয়তে গ্ৰন্থখনত ভাৱবোধৰ নিৰ্মাণ কৰিছে।

কৰ্ণটকৰ সংস্কৃত সাহিত্যিক শাতাবধানীশ্ৰী আৰু গণেশে (১৯৬২) 'সাংবলহৰী' নামেৰে এখন খণ্ডকাব্য ৰচনা কৰে।

উত্তৰ প্ৰদেশৰ আলীগড় মুছলিম বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক ড° পৰমানন্দ শাস্ত্ৰীয়ে চাৰিখন খণ্ডকাব্য ৰচনা কৰে। সেইকেইখন হ'ল— 'গন্ধদূতম্', 'ৱানৰসন্দেশঃ', 'কৌন্তেয়ম্' আৰু 'ভাৰতশতকম্'। তেখেতে 'ৱানৰসদৃশম্' খণ্ডকাব্যখনত বৰ্তমান সমাজৰ নেতাসকলৰ হাস্যাস্পদ চৰিত্ৰ অংকন কৰিছে। 'কৌন্তেয়ম্' কাব্যখনত কৰ্ণৰ চৰিত্ৰটো আধুনিক দৃষ্টিকোণেৰে দাঙি ধৰাৰ লগতে ভাৰতীয় নাৰীৰ বিবশতা, পুৰুষৰদ্বাৰা লুণ্ঠিতা-শোষিতা নাৰী তথা দলিতসকলৰ মৰ্মব্যথা সুন্দৰকৈ অংকন কৰিছে। 'ভাৰতশতকম্' খণ্ডকাব্যখনত ভাৰতবৰ্ষৰ সুষমা আৰু অতীতৰ গৌৰৱগাথাৰ লগত বৰ্তমানৰ পৰিস্থিতিৰ চিত্ৰণ অতি দক্ষতাৰে কৰিছে।

মহামহোপধ্যায় গঙ্গাধৰ শাস্ত্ৰীয়ে ‘অলিৰিলাসি সংলাপো নাম খণ্ডকাব্যম্’ বুলি এখন খণ্ডকাব্য প্ৰণয়ন কৰে। ১৯৬৯ চনতো সাহিত্যাচাৰ্য শ্ৰীপ্ৰিয়ব্ৰত শৰ্মাই ‘ৰসন্তশতকম্’ নামেৰে শিখৰিণী ছন্দত ১০৩টা শ্লোকত এখন শতককাব্য ৰচনা কৰে। বিংশ শতাব্দীৰ প্ৰখ্যাত নাট্যকাৰ হৰিদাস সিদ্ধান্ত বাগীশে (১৮৭৬-১৯৬১) ‘বিয়োগবৈভৱম্’ আৰু ‘ৰিদ্যাৰিত্তৰিৰাদঃ’ নামেৰে দুখন খণ্ডকাব্য ৰচনা কৰে। গুজৰাট প্ৰদেশৰ সংস্কৃতৰ বিশিষ্ট পণ্ডিত মূলশংকৰ মাণিকলাল যাজ্ঞিক (১৮৮৬-১৯৬৫) দেৱে ‘বিজয় লহৰী’ নামেৰে এখন গীতিকাব্য প্ৰণয়ন কৰে। ইয়াৰোপৰি ভাৰতবৰ্ষ তথা পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ অলেখ সংস্কৃতজ্ঞ বিদ্বান পণ্ডিতে অদ্যপি সংস্কৃতৰ নৱধাৰাত খণ্ডকাব্য বা আন কাব্য সাহিত্যৰ ৰচনাত ৰত হৈ আছে।

### ৫.১০ সাৰাংশ (Summing Up)

‘সংস্কৃত খণ্ডকাব্য’ পাঠটো অধ্যয়ন কৰি নিম্নোক্ত বিষয়সমূহৰ বিষয়ে জানিব পাৰিলো—

- বেদৰ সূক্তসমূহতে খণ্ডকাব্যৰ মূল বীজ পোৱা যায় আৰু পৌৰাণিক সাহিত্যসমূহত ইয়াৰ বিকশিত ৰূপ দেখা যায়। লৌকিক খণ্ডকাব্যসমূহৰ অধুনাপ্ৰাপ্ত স্বৰূপ বিধিগতভাৱে মহাকবি কালিদাসৰ মেঘদূত আৰু ঋতুসংহাৰতে পোৱা যায়।
- প্ৰাচীন খণ্ডকাব্যসমূহৰ বেছিভাগে কালৰ সোঁতত লুপ্ত হৈছে। বেছিভাগ খণ্ডকাব্যৰেই আন কবিসকলৰ লেখনিৰ উদ্ধৃতিতহে পোৱা যায়। ১০০ খ্ৰীষ্টাব্দত ৰচিত ‘মাতৃচেতৰ কণিষ্ক লেখা’ নামৰ খণ্ডকাব্যখনকে খণ্ডকাব্য পৰম্পৰাৰ প্ৰথম গ্ৰন্থৰূপে স্বীকাৰ কৰা হয়।
- সাহিত্য দৰ্পণকাৰ বিশ্বনাথ কবিৰাজে প্ৰথমে খণ্ডকাব্যৰ লক্ষণ নিৰূপণ কৰে— ‘খণ্ডকাব্যং ভৱেৎ কাব্যস্যৈকদেশানুসাৰি চ।’ কাব্য বা মহাকাব্যৰ লক্ষণসমূহৰ কেতবোৰ লক্ষণ থকা বা আংশিক লক্ষণযুক্ত পদ্যকাব্যকে খণ্ডকাব্য বোলা হয়।
- খণ্ডকাব্যসমূহৰ অধ্যয়নৰদ্বাৰা খণ্ডকাব্য বা গীতিকাব্যসমূহৰ কেতবোৰ বৈশিষ্ট্য নিৰ্ণয় কৰিব পাৰি। সেইবোৰ হ'ল— শৃঙ্গাৰিকতা, ভাবৰ কোমলতা, ভাৱ প্ৰৱণতা, সঙ্গীতাত্মকতা, প্ৰসাদ তথা মাধুৰ্য গুণযুক্ততা, দাৰ্শনিক ভাৱধাৰা, কল্পনা প্ৰৱণতা, নীতিশিক্ষা আদিয়ে প্ৰধান।
- পণ্ডিতসকলে খণ্ডকাব্য বা গীতিকাব্যৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি মুখ্যতঃ চাৰি প্ৰকাৰত ভাগ কৰিছে— (১) দূতৰ জৰিয়তে নিজৰ প্ৰেমিক বা প্ৰেমিকালৈ বাৰ্তা প্ৰেৰণ কৰা কাব্যসমূহ দূতকাব্য বা সন্দেশকাব্য।
  (২) শৃঙ্গাৰ ৰসাত্মক কাব্যসমূহ শৃঙ্গাৰকাব্য।
  (৩) ভক্তিৰসাত্মক বা স্তোত্ৰত ৰচিত ভক্তিকাব্য বা স্তোত্ৰকাব্য।
  (৪) নীতিমূলক কাব্যসমূহ নীতিকাব্য।
- দূতকাব্যৰ অন্তৰ্গত মুখ্য খণ্ডকাব্য হৈছে মেঘদূত। কালিদাসৰ এই সন্দেশকাব্যখনৰ আলমত বিভিন্নজনে অনেক দূতকাব্য প্ৰণয়ন কৰে।
- ছয় ঋতুৰ বৰ্ণনাৰে সমৃদ্ধ মহাকবি কালিদাসৰ ঋতুসংহাৰ হ'ল এখন সুন্দৰ শৃঙ্গাৰ গীতিকাব্য। অমৰুশতক, চৌৰপঞ্চাশিকা, আৰ্যসপ্তসতী আদি বিখ্যাত শৃঙ্গাৰকাব্য।
- ভক্তি গীতিকাব্য বা স্তোত্ৰকাব্যৰ ক্ষেত্ৰত সংস্কৃত ভাষা অতি চহকী। জয়দেৱ

বিৰচিত ‘গীতগোৱিন্দ’ হ’ল ৰাধাকৃষ্ণৰ বা কৃষ্ণভক্তিৰ ওপৰত ৰচিত অতি বিখ্যাত গীতিকাব্য। তদুপৰি বিভিন্নজনে ভগৱানৰ বিভিন্ন স্তোত্ৰ ৰচনা কৰি সেইবোৰ আৰাধনাৰ দ্বাৰা ৰোগমুক্ত হোৱা বুলি কৈছিল। সেইবোৰৰ ভিতৰত চণ্ডীশতক, সূৰ্য্যশতক, ভক্তামৰস্তোত্ৰ আদিয়ে প্ৰধান।

- ধৰ্ম প্ৰচাৰৰ বাবেও অনেক স্তোত্ৰ ৰচিত হৈছিল।
- অদ্বৈত বেদান্তৰ প্ৰতিষ্ঠাপক আদিগুৰু শংকৰাচাৰ্যই বেদান্তদৰ্শনৰ মূলতত্ত্ব লৈ সহজ-সৰল ভাষাত অনেক স্তোত্ৰকাব্য ৰচনা কৰিছিল।
- নীতিমূলক গীতিকাব্যৰ ক্ষেত্ৰতো সংস্কৃত সাহিত্য অতি চহকী। ভৰ্তৃহৰিৰ ৰচনা ‘শতকত্ৰয়’ অৰ্থাৎ নীতিশতক, শৃঙ্গাৰশতক আৰু বৈৰাগ্যশতক অতি প্ৰসিদ্ধ। ইয়াৰোপৰি বিভিন্ন সময়ত বিভিন্নজনে ৰচনা কৰা নীতিকাব্যসমূহৰ সুভাষিত শ্লোকসমূহৰ সমাদৰ আজিও সমাজত বিদ্যমান।
- ওঠৰশ শতাব্দীৰ উত্তৰাৰ্ধৰ পৰা আধুনিক সংস্কৃত খণ্ডকাব্যসমূহ তথা আন আন কাব্যসমূহ ৰচনা হোৱা বুলি কোৱা হয়। প্ৰাচীন খণ্ডকাব্যৰ বিষয়সমূহৰ উপৰিও আধুনিক খণ্ডকাব্যত অনেক নতুন বিষয় সন্নিৱিষ্ট হৈছে। যেনে— ৰাজনৈতিক, সামাজিক, প্ৰতীকাত্মকতা, জাতি-ধৰ্ম আদি দেশপ্ৰেম, জাতীয়তাবোধ, ব্যঙ্গাত্মকতা আদি।
- অতি প্ৰাচীনকালৰে পৰা অদ্যপি সংস্কৃতত বিভিন্ন ভাৱধাৰাত খণ্ডকাব্যসমূহৰ প্ৰণয়ন অব্যাহত হৈ আছে।

## ৫.১১ আৰ্হি প্ৰশ্ন (Sample Questions)

১। বেদ কেইখন? কি কি?

২। কাব্যৰ ভাগ কেইটা আৰু কি কি?

৩। খণ্ডকাব্যৰ লক্ষণ কি?

৪। খণ্ডকাব্যৰ আন এটা নাম লিখা।

৫। খণ্ডকাব্যৰ প্ৰকাৰ কেইটা আৰু কি কি?

৬। মুক্তক কাব্যৰ বৈশিষ্ট্য কি?

৭। কবি ভৰ্তৃহৰিয়ে ৰচনা কৰা খণ্ডকাব্যসমূহক কি বুলি কয়?

৮। খণ্ডকাব্য পৰম্পৰাৰ প্ৰথম গ্ৰন্থখনৰ নাম কি? কাব্যখনৰ মুখ্য বিষয় কি?

৯। আধুনিক সংস্কৃত সাহিত্যৰ যুগ কেতিয়াৰ পৰা আৰম্ভ হোৱা বুলি কোৱা হয়?

১০। আধুনিক সংস্কৃত সাহিত্যত কোনে প্ৰথমে প্ৰতীকাত্মক খণ্ডকাব্যৰ ৰচনা কৰে?

১১। পুষ্পা দীক্ষিতৰ খণ্ডকাব্যসমূহৰ নাম লিখা।

১২। ড° পৰমানন্দ শাস্ত্ৰীয়ে ৰচনা কৰা খণ্ডকাব্য কেইখন আৰু কি কি?

**চমুটোকা লিখক—**

১। খণ্ডকাব্যৰ স্বৰূপ

২। মেঘদূত

৩। ঘটকৰ্পৰ কাব্য

৪। গীতগোৱিন্দ

৫। চৌৰপঞ্চাশিকা

৬। অমৰুশতক

৭। সূৰ্যশতক

৮। মূকপঞ্চশতী

৯। শংকৰাচাৰ্য

১০। পণ্ডিত জগন্নাথ

১১। শতকত্ৰয়

১২। ক্ষেমেন্দ্ৰ

১৩। বচ্ছুলাল অৱস্থী

১৪। পুষ্পা দেৱী

১৫। ড° পৰমানন্দ শাস্ত্ৰী

**দীঘল প্ৰশ্ন লিখক—**

১। খণ্ডকাব্যৰ উদ্ভৱ আৰু বিকাশৰ ওপৰত এটি টোকা লিখা।

২। সংস্কৃত খণ্ডকাব্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৩। শৃঙ্গাৰমূলক সংস্কৃত গীতিকাব্যসমূহৰ আলোচনা কৰা।

৪। সংস্কৃত দূতকাব্যসমূহৰ ওপৰত এটা টোকা প্ৰস্তুত কৰা।

৫। সংস্কৃত ভক্তিমূলক গীতিকাব্যসমূহৰ সংক্ষেপে আলোচনা কৰা।

৬। সংস্কৃত নীতিকাব্যসমূহৰ মুখ্য উদ্দেশ্য কি? নীতিকাব্যসমূহৰ ওপৰত এটি টোকা যুগুত কৰা।

৭। শংকৰাচাৰ্য্যই ৰচনা কৰা খণ্ডকাব্যসমূহৰ ওপৰত এটি আলোচনা প্ৰস্তুত কৰা।

৮। আধুনিক সংস্কৃত খণ্ডকাব্যসমূহৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

## ৫.১২ প্ৰসংগ গ্ৰন্থ (References/Suggested)

১। শৰ্মা, থানেশ্বৰ, 'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত', চন্দ্ৰ প্ৰকাশ, টিহু/গুৱাহাটী, ১৯৯৫।

২। গোস্বামী, হৰমোহন দেৱ, 'সংস্কৃত সাহিত্যৰ বুৰঞ্জী', বুকলেণ্ড, গুৱাহাটী-১, ১৯৯২।

৩। ভৌমিক, শ্ৰীজাহ্নবীচৰণ, 'সংস্কৃত সাহিত্যেৰ ইতিহাস', সংস্কৃত পুস্তক ভাণ্ডাৰ, কলকাতা-৬, ১৯২৮।

৪। কীথ, এ. বি., 'এ হিষ্টৰী অৱ সংস্কৃত লিটাৰেচাৰ', মোতিলাল বেনাৰসীদাস, দিল্লী-৭, ২০০৭।

৫। কুমাৰী, ড° মৈত্ৰেয়ী, 'আধুনিক সংস্কৃত সাহিত্য', গ্ৰন্থভাৰতী প্ৰকাশন, দিল্লী-৯০, ২০১৯, (ISBN No. 81-901913-3-0)

৬। মুসলগাঁৱকৰ, শ্ৰীকেশৱ, 'আধুনিক সংস্কৃত কাব্য পৰম্পৰা', চৌখম্বা বিদ্যাভৱন, বাৰাণসী-১, ২০১৮।

৭। পাণ্ডেয়, ড° মিথিলেশ, 'আধুনিক সংস্কৃত সাহিত্য কা ইতিহাস', (খণ্ড ১ আৰু ২), ৰাধা পাব্লিকেশনস, ২০১৯, (ISBN No. 97-89386439710)

## প্ৰথম বিভাগ

## সংস্কৃত ৰূপক আৰু উপৰূপকৰ ধাৰণা

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সংস্কৃত কাব্য
১.৪ সংস্কৃত ৰূপক
 ১.৪.১ নাটক
 ১.৪.২ প্ৰকৰণ
 ১.৪.৩ ভাণ
 ১.৪.৪ ব্যায়োগ
 ১.৪.৫ সমৰকাৰ
 ১.৪.৬ ডিম
 ১.৪.৭ ইহামৃগ
 ১.৪.৮ অংক
 ১.৪.৯ বীথী
 ১.৪.১০ প্ৰহসন
১.৫ উপৰূপক
 ১.৫.১ নাটিকা
১.৬ কেইখনমান ৰূপক আৰু উপৰূপক
১.৭ সাৰাংশ (Summing Up)
১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

সংস্কৃত ৰূপক বুলি কলে সাধাৰণতে সকলোৰে নাটকৰ কথাই মনলৈ আহে। দৰাচলতে ৰূপক হ'ল দৃশ্যকাব্য আৰু এই ৰূপক বা দৃশ্যকাব্য দহ প্ৰকাৰৰ আছে। আমি কোনো নাট্যকাৰৰ ৰচনা ৰাজি বুলি উল্লেখ কৰিব গৈ সেইজন নাট্যকাৰে কিমান সংখ্যক নাটক লিখিছিল তাৰ পৰিচয় দিও। উদাহৰণ স্বৰূপে, মহাকবি ভাসে তেৰখন নাটক ৰচনা কৰিছিল বুলি কওঁ। কিন্তু দৰাচলতে তেওঁ লিখা প্ৰত্যেকখনেই নাটক নহয়। ৰূপকৰ আন আন ভাগ সমূহও যেনে, প্ৰকৰণ, ভাণ, ব্যয়োগ, সমৰকাৰ, অংক আদিও সেই তেৰখনৰ

ভিতৰত আছে। একেদৰে মহাকবি ভৱভূতিয়ে তিনিখন নাটক ৰচনা লিখিছিল। তাৰ ভিতৰত মালতীমাধৱম্ খন এখন প্ৰকৰণ। হৰ্যবৰ্ধনেও তিনিখন নাটক ৰচনা কৰিছিল। তেওঁৰ ও এখন হে নাটক আছিল, বাকী দুখনেই নাটিকা উপৰূপক। সেইবাবেই এই বিভাগটোত সংস্কৃত ৰূপক আৰু উপৰূপকৰ এটা বিস্তৃত আলোচনা কৰা হৈছে। সংস্কৃত অলংকাৰ শাস্ত্ৰ সমূহত এইবোৰৰ বিশদ আলোচনা পোৱা যায়।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগৰ আলোচনাৰাজি অধ্যয়ন কৰি আপুনি —

- সংস্কৃত কাব্যৰ বিভাজন সম্পৰ্কে জানিব পাৰিব।
- সংস্কৃত ৰূপক কি ধাৰণা পাব।
- ৰূপকৰ বিভাজন সম্পৰ্কে পৰিচয় হ'ব।
- অলংকাৰ শাস্ত্ৰোক্ত প্ৰত্যেক ৰূপকৰ লক্ষণ স্বৰূপ জানিব পাৰিব।
- উপৰূপকৰ বিভাজন আৰু প্ৰসিদ্ধ উপৰূপকৰ প্ৰকাৰ নাটিকাৰ লক্ষণ সম্বন্ধে ধাৰণা পাব।
- বিভিন্ন নাট্যকাৰে ৰচনা কৰা ৰূপক আৰু উপৰূপকৰ সম্পৰ্কে এক বিশদ আলোচনা পাব।

## ১.৩ সংস্কৃত কাব্য

সংস্কৃত সাহিত্যত কাব্যক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়। সেই দুটা হ'ল দৃশ্যকাব্য আৰু শ্ৰব্যকাব্য। আলংকাৰিক বিশ্বনাথ কৰিৰাজে তেওঁৰ সাহিত্যদৰ্পন নামৰ অলংকাৰ শাস্ত্ৰত এই বিভাজন উল্লেখ কৰিছে। তেওঁ কৈছে দৃশ্যকাব্য মানে হ'ল অভিনয় অৰ্থাৎ ইয়াক অভিনয়ৰ জৰিয়তে প্ৰদৰ্শন কৰিব পাৰি (দৃশ্যং তত্ৰাভিনেয়ং, সাহিত্যদৰ্পণ যষ্ঠ পৰিচ্ছেদ/কাৰিকা ২। আনহাতে, শ্ৰব্যকাব্য হ'ল শ্ৰৱণযোগ্য অৰ্থাৎ ইয়াক নিজে পঢ়ি বা শুনি উপভোগ কৰা হয় (শ্ৰব্যং শ্ৰোতব্যমাত্ৰং....., সাহিত্যদৰ্পণ, ষষ্ঠ পৰিচ্ছেদ, কাৰিকা ৩১৩)। দৃশ্যকাব্যবোৰক ৰূপক বুলি কোৱা হয় (তদ্ৰূপাৰোপাত্ তু ৰূপকম্, সাহিত্যদৰ্পণ, ষষ্ঠ পৰিচ্ছেদ, কাৰিকা ১)। শ্ৰব্যকাব্যবোৰক গদ্য আৰু পদ্য ভেদেৰে ভাগ কৰা হয়। ছন্দোবদ্ধ ভাৱে ৰচিত পদ্যই পদ্যকাব্য আৰু ছন্দোৰহিত লিখনিয়েই গদ্যকাব্য। মহাকাব্য, খণ্ডকাব্য ইত্যাদি পদ্যকাব্য। গদ্যকাব্যক কথা আৰু আখ্যায়িকা ভেদেৰে ভাগ কৰা হয়। এনেদৰে সংস্কৃত কাব্যৰ দুটা প্ৰধান ভাগ পোৱা যায়। ইয়াৰ উপৰিও আলংকাৰিক দণ্ডীৰ প্ৰসিদ্ধ অলংকাৰশাস্ত্ৰ কাব্যাদৰ্শত গদ্য, পদ্য আৰু মিশ্ৰ ভেদেৰে তিনি শ্ৰেণীৰ সংস্কৃত কাব্য আছে বুলি উল্লেখ কৰা হৈছে। মিশ্ৰকাব্য হিচাপে তেওঁ নাটকাদি দৃশ্যকাব্যক আৰু চম্পূকাব্যক বুজাইছে। সংস্কৃত ৰূপক হ'ল দৃশ্যকাব্য।

**১.৪ সংস্কৃত ৰূপক**

দৃশ্যকাব্যবোৰক ৰূপক বুলি কোৱা হয়। সংস্কৃত সাহিত্যত ৰূপক দহপ্ৰকাৰৰ। বিভিন্ন অলংকাৰ শাস্ত্ৰত এই দহপ্ৰকাৰৰ ৰূপকৰ বিষয়ে আলোচনা কৰা হৈছে। সেইকেইটা হ'ল— নাটক, প্ৰকৰণ, ভাণ, ব্যায়োগ, সমবকাৰ, ডিম, ইহামৃগ, অংক, বীথী আৰু প্ৰহসন। ধনঞ্জয়ৰ দশৰূপক, বিশ্বনাথ কবিৰাজৰ সাহিত্য দৰ্পন, ভৰতমুনিৰ নাট্যশাস্ত্ৰ আদিত এই দহপ্ৰকাৰ ৰূপকৰ বিশদ আলোচনা কৰা হৈছে। প্ৰত্যেকৰে সুকীয়া সুকীয়া বৈশিষ্ট্য কিছুমান আছে। তলত সেইবোৰৰ বিষয়ে আলোচনা কৰা হ'ল।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সংস্কৃত কাব্য কেইপ্ৰকাৰৰ আৰু কি কি?

....................................................................................................

....................................................................................................

২। দৃশ্যকাব্যবোৰৰ আন এটা নাম কি?

....................................................................................................

....................................................................................................

৩। ৰূপক কেই প্ৰকাৰ আৰু কি কি?

....................................................................................................

....................................................................................................

**১.৪.১ নাটক**

বিশ্বনাথ কবিৰাজে তেওঁৰ সাহিত্যদৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত নাটকৰ লক্ষণ অতি বিস্তৃত ৰূপত আলোচনা কৰিছে। তেওঁ উল্লেখ কৰা অনুসৰি এখন নাটকৰ মূল বিষয়বস্তু কোনো প্ৰসিদ্ধ কাহিনীৰ আধাৰত ৰচিত হ'ব লাগে। ইয়াত প্ৰসিদ্ধ শব্দৰ দ্বাৰা ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ কথা বুজোৱা হৈছে। নাটকত পাঁচটা সন্ধি থাকিব লাগে। সেইকেইটা হ'ল মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু উপসংহাৰ বা নিৰ্বহণ। এই প্ৰকাৰৰ ৰূপক বিলাস আৰু অভ্যুদয় গুণৰ সমাহাৰত আৰু নানা বিভূতিৰ যোগত উদাত্ত আৰু সমৃদ্ধ হয়। নাটক মানুহৰ সুখ-দুখৰ উপলব্ধিৰ পৰা সৃষ্টি হয়। ইয়াৰ পৰা নানা প্ৰকাৰৰ ৰস আৰু ভাৱৰ সৃষ্টি হয়। এখন সংস্কৃত নাটকত পাঁচটাৰ পৰা দহটাৰ ভিতৰত অংক থাকিব লাগে। নাটকৰ নায়কজন প্ৰখ্যাত বংশত জন্মগ্ৰহণ কৰা, নায়কোচিত গুণসম্পন্ন, ধীৰ আৰু উদাত্ত গুণযুক্ত ৰাজৰ্ষি হ'ব লাগে। আকৌ নায়কজন দৈৱ গুণসম্পন্ন বা অদৈৱ গুণসম্পন্ন অৰ্থাৎ মানৱীয় গুণযুক্ত অথবা দৈৱ আৰু

অদৈৰ উভয় গুণ যুক্ত অৰ্থাৎ দিব্য হৈ ও মানৱীয় গুণযুক্ত হ'ব লাগে। নাটকৰ প্ৰধান ৰস শৃংগাৰ বা বীৰ হ'ব লাগে। আন আঠপ্ৰকাৰৰ ৰস এই মূলৰসৰ অংগ অৰ্থাৎ সহযোগী হৈ থাকিব লাগে। আকৌ নাটকৰ শেষত নিৰ্বহণসন্ধিৰ উপস্থাপনত অদ্ভুত ৰসৰ সমাৱেশ ঘটাব লাগে। নাটকত চাৰি বা পাঁচ জন পুৰুষ চৰিত্ৰ থাকিব লাগে, যিকেইজনে মুখ্যভাৱে বৰ্ণনা কৰা কাহিনীৰ লগত সম্বন্ধিত কাৰ্য্যত নিয়োজিত হৈ থাকে। নাটকখনৰ আকাৰ অৰ্থাৎ অংকবোৰৰ সৈতে নাটকৰ ৰচনাৰ আকাৰ গৰুৰ নেজৰ আগৰ দৰে হ'ব লাগে। ইয়াৰ অৰ্থ এইটোৱে যে এখন সংস্কৃত নাটকৰ অংকবিলাক ক্ৰমশঃ শেষলৈ চুটি কৰিব লাগে। নাইবা কোনো পণ্ডিতে এনেদৰেও ক'ব খোজে যে গৰুৰ নেজৰ চুলিবোৰ যেনেদৰে কিছুমান চুটি আৰু কিছুমান দীঘল, তেনেদৰে নাটকৰ কিছুমান বৰ্ণনা মুখসন্ধিতেই সমাপ্ত হয়, কিছুমান প্ৰতিমুখ সন্ধিত আৰু কিছুমান গৰ্ভ, নিৰ্বহন বা বিমৰ্শ সন্ধিত সমাপ্ত হয়।

ওপৰোক্ত প্ৰধান স্বৰূপ লক্ষণবোৰৰ উপৰিও এখন সংস্কৃত নাটকৰ আন বহুতো নিয়ম আছে। সেই নিয়ম অনুসৰি নাটকত দূৰৰ পৰা চিঞৰি মতা, যুদ্ধ, বিবাহ, ভোজন, ৰাজ্য, দেশ, আদিৰ বিপ্লৱ, শাপ, মল-মূত্ৰ ত্যাগ, মৃত্যু, ৰতিক্ৰীড়া, দন্তক্ষত, নখক্ষত, শয়ন, অধৰ পান আদি লজ্জাজনক বৰ্ণনা, নগৰ, দুৰ্গ আদিৰ অৱৰোধ, স্থান, অনুলেপন আদি বিষয়ৰ সাক্ষাৎ উপস্থাপন কৰা নহয়। সংস্কৃত নাটকত সৰ্বপ্ৰথমতে নান্দী শ্লোক থাকিব লাগে। এই নান্দী শ্লোক বা গীত আঠটা বা বাৰটা পদ বা পাদ যুক্ত হয়। সূত্ৰধাৰে এই গীত পৰিবেশন কৰে। ইয়াৰ পিছত সূত্ৰধাৰৰ পত্নী নটী, বিদূষক নাইবা পাৰিপাৰ্শ্বিক বা লগুৱাৰ সৈতে সূত্ৰধাৰৰ কথোপকথন দেখুওৱা হয় য'ত নাটকৰ বিষয়বস্তুৰ এটাৰ আভাস পোৱা যায়। এই অংশটোক প্ৰস্তাৱনা বোলে। প্ৰস্তাৱনা পাঁচ প্ৰকাৰৰ হয়। সেইকেইটা হ'ল— উদ্‌ঘাত্যক, কথোদ্‌ঘাত, প্ৰয়োগাতিশয়, প্ৰৱৰ্ত্তক আৰু অৱলগিত। নাটকীয় বিষয়বস্তুক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়। এটা হৈছে আধিকাৰিক ইতিবৃত্ত আৰু আনটো হ'ল প্ৰাংসগিক ইতিবৃত্ত। আধিকাৰিক ইতিবৃত্ত বা বিষয়বস্তু হ'ল যিটো মূল কাহিনী নায়কৰ লগত জড়িত। প্ৰাসংগিক ইতিবৃত্ত হ'ল এই আধিকাৰিক ইতিবৃত্তৰ সহায়ক বিষয়বস্তু।

এখন সংস্কৃত নাটকত চাৰি প্ৰকাৰৰ পতাকাস্থান, পাঁচপ্ৰকাৰৰ অৰ্থোপক্ষেপক, পাঁচপ্ৰকাৰৰ অৰ্থপ্ৰকৃতি, পাঁচপ্ৰকাৰৰ অৱস্থা আৰু পাঁচপ্ৰকাৰৰ সন্ধি থাকিব লাগে। পতাকাস্থান হৈছে নাটক এখনৰ সেই ঠাই য'ত এটা উপায় বা প্ৰয়োজনৰ চিন্তা কৰাৰ সময়ত অকস্মাৎ আন এটা প্ৰয়োজন উপস্থিত হ'য়। অৰ্থোপক্ষেপক হ'ল নাটক এখনৰ সেই অংশ, যি অংশৰ দ্বাৰা অংকত উপস্থাপন কৰিব নোৱাৰা নাটকৰ প্ৰয়োজনীয় বুলি বিবেচিত ঘটনাৰ, সেই ঘটনা দুদিনৰ পৰা এবছৰলৈকে ব্যাপি ঘটি থকা এটা ঘটনা ও হ'ব পাৰে, নাইবা কোনো বিস্তৃত আখ্যানৰ সূচনা কৰা হয়। পাঁচপ্ৰকাৰৰ অৰ্থোপক্ষেপক হ'ল— বিস্কম্ভক, প্ৰৱেশক, চুলিকা, অংকাৱতাৰ আৰু অংকমুখ। নাটকৰ অৰ্থপ্ৰকৃতি হ'ল প্ৰয়োজনসিদ্ধিৰ হেতু বা উপায়। অৰ্থপ্ৰকৃতি পাঁচপ্ৰকাৰ হ'ল— বীজ, বিন্দু, পতাকা, প্ৰকৰী আৰু কাৰ্য্য। ফল লাভৰ বাবে

ফলাৰ্থীজনে যি কাৰ্য্য আৰম্ভ কৰে সেই কাৰ্য্যৰ আৰম্ভৰ পৰা ফল লাভলৈকে পাঁচটা অৱস্থা থাকে। সেইকেইটা হ'ল— আৰম্ভ, যত্ন, প্ৰাপ্ত্যাশা, নিয়তাপ্তি আৰু ফলাগম। সন্ধি হ'ল নাটকৰ এক অবিচ্ছেদ্য অংশ। প্ৰধান ফলৰ লগত অবান্তৰ ইতিবৃত্ত বা ঘটনাৰ ফলৰ যি সম্বন্ধ সেই সম্বন্ধকেই সন্ধি বোলে। পাঁচপ্ৰকাৰৰ সন্ধি হ'ল— মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্শ আৰু উপসংহাৰ বা নিৰ্বহণ। একেদৰে নাটকাদি ৰূপকৰ এক উল্লেখযোগ্য বিষয় হৈছে বৃত্তিৰ প্ৰয়োগ। নায়ক-নায়িকাৰ বিভিন্ন চালচলন বা কাৰ্য্যক বৃত্তি বোলা হয়। চাৰিপ্ৰকাৰৰ বৃত্তি প্ৰয়োগ কৰা হয়— কৌশিকী, সাত্বতী, আৰভটী আৰু ভাৰতী। এখন নাটকত চাৰিপ্ৰকাৰৰ উক্তি থাকে। সেইবোৰ হ'ল— স্বগত বা আত্মগত উক্তি, অপৱাৰিত উক্তি, জনান্তিক উক্তি আৰু আকাশভাষিত উক্তি। নাটকৰ নামাকৰণৰ ক্ষেত্ৰত ও নিয়ম আছে। নিয়মানুসৰি নাটকৰ নামত নাটকীয় বিষয়বস্তুৰ সূচনা থাকিব লাগে।

নাটকাদি ৰূপকৰ ভাষা নিৰূপণৰ ও কিছু নীতি-নিৰ্দেশনা আছে। অৰ্থাৎ কোন পাত্ৰই কি ভাষাত সংলাপ ক'ব তাৰ নিময় আছে। সেই মৰ্মে উচ্চশ্ৰেণীৰ সুশিক্ষিত পুৰুষ আৰু ব্ৰহ্মাচাৰিণী বা সন্নাসিনীৰ ভাষা সংস্কৃত হোৱা উচিত। ইয়াৰ উপৰিও বালক, নপুংসক, নিম্নশ্ৰেণীৰ দৈবজ্ঞ, তিৰোতা, ৰাণী, মন্ত্ৰীকন্যা, বেশ্যা, মখী, জুৱাৰী আৰু অপ্সৰাই ও কোনো কোনো ক্ষেত্ৰত সংস্কৃত ভাষাৰ প্ৰয়োগ কৰা দেখা যায়। আকৌ উচ্চ শ্ৰেণীৰ সুশিক্ষিতা মহিলাৰ কথাত সৌৰসেনী প্ৰাকৃত ভাষাৰ প্ৰয়োগ কৰা হয়। মধ্যম শ্ৰেণীৰ লোক আৰু দাসী বিলাকৰ কথাত ও সৌৰসেনী ভাষাৰ প্ৰয়োগ কৰা হয়। ৰাজঅন্তঃপুৰনিবাসী পৰিচাৰক সকলৰ ভাষা মাগধীপ্ৰাকৃত হ'ব লাগে। ৰাজপুত্ৰ আদি শ্ৰেষ্ঠজনৰ বা সদাগৰ সকলৰ ভাষা অৰ্ধমাগধী হ'ব লাগে। এনেদৰে বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পণত ভাষাৰ বিশদ আলোচনা কৰা হৈছে।

ওপৰত আলোচিত লক্ষণ স্বৰূপৰ ভিতৰত পোনপ্ৰথমেই আলোচনা কৰা নাটকৰ দৈৰ্ঘ্য গৰুৰ নেজৰ নিচিনা হ'ব লাগে বুলি থকা অংশলৈকে কেৱল নাটকৰ বিশেষ স্বৰূপ বা লক্ষণ। বাকী অংশ আন ৰূপক সমূহৰ ক্ষেত্ৰত একেই কেৱল নামকৰণৰ বিভিন্নতা আছে।

**১.৪.২ প্ৰকৰণ ঃ**

এখন প্ৰকৰণৰ বিষয়বস্তু সদায় লৌকিক আৰু কৱিৰ কল্পনাপ্ৰসূত হ'ব লাগে। প্ৰকৰণৰ প্ৰধান ৰস শৃংগাৰ ৰস হ'ব লাগে। নায়কজন ব্ৰাহ্মণ, অমাত্য বা মন্ত্ৰী বা বণিক্ হ'ব লাগে। আকৌ নায়কজন ধীৰপ্ৰশান্ত প্ৰকৃতিৰ হ'ব লাগে। বিপৰীত পৰিস্থিতিৰ মাজতো ধৰ্ম, অৰ্থ আৰু কামৰ সাধনাত ৰত হৈ থাকিব লাগে। এখন প্ৰকৰণত তিনি প্ৰকাৰৰ নায়িকা থাকিব পাৰে। কোনো প্ৰকৰণত কুলস্ত্ৰী, কোনো প্ৰকৰণত বেশ্যা আৰু কোনো প্ৰকৰণত কুলস্ত্ৰী আৰু বেশ্যা উভয় চৰিত্ৰযুক্ত নায়িকা হয়। নায়িকাৰ প্ৰকাৰৰ ওপৰত ভিত্তি কৰি প্ৰকৰণৰ তিনি প্ৰকাৰ কৰা হৈছে। ইয়াৰ ভিতৰত তৃতীয় প্ৰকাৰ প্ৰকৰণত ধূৰ্ত্ত, দ্যুতকাৰ, বিট আৰু ভৃত্য আদি চৰিত্ৰ বহুলভাৱে চিত্ৰিত কৰা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

প্ৰকৰণৰ লক্ষণৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা (৫০ টা শব্দৰ ভিতৰত)

.............................................................................................

.............................................................................................

.............................................................................................

.............................................................................................

### ১.৪.৩ ভাণ

যি ৰূপকত ধূৰ্ত্তলোকৰ চৰিত্ৰ চিত্ৰণ হয় আৰু বিভিন্ন অৱস্থাৰ শ্লেষাত্মক চৰিত্ৰ চিত্ৰণ হয়, তাকেই ভাণ বোলে। ভাণ এটা অংকত ৰচনা কৰা হয়। ইয়াত নায়কজন এজন কাৰ্য্যকুশল বুদ্ধিমান বিট হয়। তেওঁৰেই ৰংগমঞ্চত উপস্থিত হৈ নিজৰ অনুভৱৰ অথবা আনৰ অনুভৱৰ বিষয় সামাজিকৰ সন্মুখত ব্যক্ত কৰি বৰ্ণনা কৰে। এনেদৰে বিষয়ৰ বৰ্ণনা কৰোতে তেওঁ (নায়কজনে) ‘আকাশভাষিত’ৰ আশ্ৰয় লৈ কোনোবা নহয় কোনোবা লোকক সম্বোধন কৰি উক্তি প্ৰত্যুক্তিৰ যোগেদি নিজৰ অভিপ্ৰায় সামাজিকৰ ওচৰত প্ৰকাশিত কৰে। ইয়াত শৃংগাৰ বা বীৰ ৰসৰ অভিব্যঞ্জনা কৰা হয়, যাৰ বাবে বিলাস বৰ্ণনা আৰু শৌৰ্যবৰ্ণনাৰ প্ৰয়োজন হয়। ভাণৰ বিষয়বস্তু কবিকল্পিত হ’ব লাগে। ইয়াত প্ৰায় বেছিকৈ ভাৰতী বৃত্তিৰ প্ৰয়োগ হয়। সন্ধি পাঁচ প্ৰকাৰৰ ভিতৰত ইয়াত মুখ আৰু নিৰ্বহণ সন্ধি দুটাৰ প্ৰয়োগ আৱশ্যকীয়। মনোৰঞ্জনৰ দৃষ্টিৰ পৰা ইয়াত দহ প্ৰকাৰৰ লাস্যাংগৰ সমাৱেশ আৱশ্যক।

### ১.৪.৪ ব্যায়োগ

ব্যায়োগৰ ইতিবৃত্ত বা বিষয়বস্তু প্ৰসিদ্ধ কাহিনীৰ পৰা লোৱা হ’ব লাগে। ইয়াত স্ত্ৰীপাত্ৰৰ সংখ্যা কম আৰু পুৰুষ পাত্ৰৰ সংখ্যা বেছি হয়। ইয়াত গৰ্ভ আৰু বিমৰ্শ সন্ধি নাথাকে। ব্যায়োগত ও মাত্ৰ এটাই অংক। ইয়াত স্ত্ৰী কাৰণ নোহোৱা যুদ্ধৰ বৰ্ণনা কৰা হয়। ইয়াত কৌশিকী বৃত্তিৰ প্ৰয়োগ কৰা নহয়। ব্যায়োগৰ নায়কজন কোনো প্ৰসিদ্ধ বংশৰ ৰাজৰ্ষি বা দেৱতা হয় আৰু ধীৰোদ্ধত প্ৰকৃতিৰ হয়। ইয়াত হাস্য, শৃংগাৰ বা শান্ত ৰস প্ৰধান ৰস হ’ব নোৱাৰে। বাকী সাত প্ৰকাৰ ৰসৰ যিকোনো এটা ৰসেই অংগী বা প্ৰধান ৰস হ’ব পাৰে।

### ১.৪.৫ সমৱকাৰ

সমৱকাৰ নামৰ ৰূপকৰ ইতিবৃত্ত দেৱতাবিষয়ক বা অসুৰবিষয়ক আৰু পুৰাণাদি প্ৰসিদ্ধ হ’ব লাগে। ইয়াত পঞ্চসন্ধিৰ ভিতৰত বিমৰ্শসন্ধিৰ প্ৰয়োগ কৰা নহয়। সমৱকাৰত তিনিটা অংক থাকে। ইয়াৰ প্ৰথম অংকত মুখ আৰু প্ৰতিমুখ সন্ধি, দ্বিতীয় অংকত গৰ্ভ সন্ধি

আৰু তৃতীয় অংকত নিৰ্বহন সন্ধি প্ৰয়োগ কৰা হয়। এই প্ৰকাৰ ৰূপকত বাৰজন নায়ক চিত্ৰিত কৰা হয়। এই নায়ককেইজন ধীৰোদাত্ত প্ৰকৃতিৰ দেৱস্বভাৱসম্পন্ন অথবা মানৱীয়গুণযুক্ত হ'ব লাগে। প্ৰত্যেকজন নায়কৰ প্ৰয়োজন পৃথক পৃথক হ'ব লাগে। সমৱকাৰৰ মূল ৰস কেৱল বীৰ হ'ব লাগে আৰু আন ৰসসমূহ ইয়াৰ সহযোগী বা অংগৰস ৰূপে থাকিব লাগে। ইয়াত কৌশিকী বৃত্তিৰ প্ৰয়োগ কম আৰু তাৰ লগতে বাকী তিনিওটা বৃত্তিৰ প্ৰয়োগ থাকিব লাগে। সমৱকাৰত 'বিন্দু' নামৰ অৰ্থপ্ৰকৃতি আৰু 'প্ৰৱেশক' নামৰ অৰ্থোপক্ষেপৰ প্ৰয়োগ নাথাকে। ইয়াত উপযোগিতাৰ দৃষ্টিৰে তেৰবিধ বীথ্যংগৰ সমাৱেশ আৱশ্যক। আকৌ ইয়াত গায়ত্ৰী আৰু উষ্ণিক্ ছন্দৰ প্ৰাধান্যৰ লগতে বিভিন্ন ছন্দৰ বৈচিত্ৰতাৰ সমাৱেশ হ'ব লাগে। এই ৰূপক ত্ৰিশৃংগাৰ, ত্ৰিকপট আৰু ত্ৰিবিদ্ৰৱ হ'ব লাগে। ইয়াৰ প্ৰথমাংক বাৰ ঘটিকাত, দ্বিতীয়াংক আঠ ঘটিকাত আৰু তৃতীয়াংক চাৰি ঘটিকাত হোৱা হ'ব লাগে।

ওপৰোক্ত ত্ৰিশৃংগাৰ শব্দই ধৰ্মশৃংগাৰ, অৰ্থশৃংগাৰ আৰু কামশৃংগাৰৰ কথা বুজাইছে। ত্ৰিকপট শব্দই স্বাভাৱিক, কৃত্ৰিম আৰু দৈৱজ এই তিনিপ্ৰকাৰৰ কপটক বুজাইছে। ত্ৰিবিদ্ৰৱ শব্দই চেতনকৃত, অচেতনকৃত আৰু চেতনাচেতনকৃত এই তিনি প্ৰকাৰ বিদ্ৰৱ বা উপদ্ৰৱক বুজাইছে। অৰ্থাৎ এইবোৰৰ বৰ্ণনা সমৱকাৰত থাকিব লাগে।

### ১.৪.৬ ডিম

ডিম হ'ল ৰূপকৰ সেইটো প্ৰকাৰ, য'ত মায়া, ইন্দ্ৰজাল, সংগ্ৰাম, ক্ৰোধ আদিৰ দ্বাৰা ব্যগ্ৰহৃদয়যুক্ত ব্যক্তিৰ চেষ্টাৰ বাহুল্যতা চিত্ৰিত হয় আৰু য'ত নিৰ্ঘাত, উল্কাপাত, চন্দ্ৰ গ্ৰহণ, সূৰ্যগ্ৰহণ আদিৰ বৰ্ণনা থাকে। ডিমৰ ইতিবৃত্ত প্ৰখ্যাত হ'ব লাগে। ইয়াত ৰৌদ্ৰৰস অংগী বা মূল ৰস হ'ব লাগে আৰু আন ৰসবোৰ অংগ ৰসৰূপে থাকিব লাগে। ইয়াত চাৰিটা অংক থাকিব লাগে। এইবিধ ৰূপকত বিষ্কম্ভক আৰু প্ৰৱেশকৰ প্ৰয়োগ আৱশ্যক নহয়। ইয়াত যোল্লজন দেৱ, গন্ধৰ্ব, যক্ষ, ৰাক্ষস, সৰ্প, ভূত, প্ৰেত, পিশাচাদি অত্যন্ত উদ্ধত প্ৰকৃতিৰ নায়ক থাকে। কৌশিকী বৃত্তিৰ বাহিৰে আন সকলো বৃত্তি ইয়াত থাকিব লাগে। বিমৰ্শ সন্ধিৰ বাদে আন সকলো সন্ধি ইয়াত থাকিব লাগে। শান্ত, হাস্য আৰু শৃংগাৰৰসৰ বাহিৰে আন সকলো ৰসেই ইয়াত প্ৰদীপ্তমান হৈ থাকিব লাগে।

### ১.৪.৭ ইহামৃগ

ইহামৃগ নামৰ ৰূপকত বিষয়বস্তু ঐতিহাসিক আৰু কল্পিত ঘটনাৰ সংমিশ্ৰণ হ'ব লাগে। ইয়াত চাৰিটা অংক থাকিব লাগে। ইহামৃগত তিনিটা সন্ধি থাকে— মুখ, প্ৰতিমুগ আৰু নিৰ্বহণ। এই ৰূপকত নায়কজন আৰু প্ৰতিনায়কজন দেৱতা আৰু মানুহ যিকোনো এটাই হ'ব লাগিব বুলি কোনো ধৰাবন্ধা নিয়ম নাই। অৰ্থাৎ যদি নায়ক দেৱতা হয় প্ৰতিনায়কও দেৱতাই হ'ব লাগিব, তেনে কোনো নিয়ম নাই। কিন্তু নায়ক আৰু প্ৰতিনায়ক দুয়োজনেই

ইয়াত ধীৰোদ্ধত প্ৰকৃতিৰ প্ৰখ্যাত লোক হ'ব লাগিব। প্ৰতিনায়কজন কোনো অনুচিত কাৰ্য্যত লিপ্ত থকা লোক হয়। তেওঁৰ এনে কাৰ্য্যৰ ভিতৰত তেওঁৰ প্ৰেমক প্ৰত্যাখ্যান কৰা কোনো দিব্যাংগনাক অপহৰণ কৰাৰ ঘটনাও বৰ্ণনা কৰা হয়। এনেকুৱা বৰ্ণনাৰ জৰিয়তে ইহামৃগত কিছু শৃংগাৰ ৰসাভাসৰ সৃষ্টি হয়। ইহামৃগত দহজন দিব্য বা মানৱীয় স্বভাৱসম্পন্ন উদ্ধত প্ৰকৃতিৰ পতাকানায়ক থাকিব লাগে। ইয়াত প্ৰতিনায়কৰ বল যুদ্ধত প্ৰদৰ্শিত কৰি কোনো কৌশলেৰে নায়কক যুদ্ধৰ পৰা বিৰত কৰা হয়। ইয়াত বধযোগ্য হ'লেও ব্যক্তিৰ বধৰ বৰ্ণনা কৰা নহয়। কোনো কোনো নাট্যচাৰ্য্যৰ মতে ইহামৃগৰ অংক কেৱল এটাই হয় আৰু নায়কজন দেৱতা হ'ব লাগে। আনহাতে, অন্য কিছুমানৰ মনে ইয়াত দুজন নায়ক থাকে আৰু কোনো দিব্যাংগনাৰ বাবে পৰস্পৰৰ মাজত যুদ্ধৰ বৰ্ণনা চিত্ৰিত কৰা হয়।

### ১.৪.৮ অংক

অংক নামৰ ৰূপকত মাত্ৰ এটাই অংক থাকে। ইয়াৰ নায়কজন সাধাৰণ ব্যক্তি হয়? এইবিধ ৰূপকৰ মূল ৰস করুণ হয়, কাৰণ ইয়াৰ নাৰীৰ বিলাপ প্ৰচুৰ ভাৱে বৰ্ণনা কৰা হয়। অংকৰ ইতিবৃত্ত প্ৰসিদ্ধ কাহিনীৰ পৰা লোৱা হয়। অংকৰ ইতিবৃত্ত প্ৰসিদ্ধ কাহিনীৰ পৰা লোৱা হ'ব লাগে আৰু নাট্যকাৰে ইয়াক নিজৰ কল্পনাৰ দ্বাৰা বিস্তাৰিত ৰূপত বৰ্ণনা কৰে। অংকৰ সন্ধি, বৃত্তি আৰু ইয়াৰ অংগবোৰৰ প্ৰয়োগ ভাণৰ নিচিনা একেই হয়। ইয়াত জয়-পৰাজয়, যুদ্ধ-নিযুদ্ধ আদি বাণীৰ দ্বাৰা প্ৰকাশ কৰা হয়। লগতে ইয়াত নিৰ্বেদযুক্ত বচনৰ ও বাহুল্যতা দেখা যায়।

### ১.৪.৯ ৰীথী

বীথী নামৰ ৰূপকৰ ও এটাই অংক থাকে। এইবিধ ৰূপকত এজন নায়কেই আকাশভাষিতৰ জৰিয়তে চিত্ৰ-বিচিত্ৰ, উত্তৰ-প্ৰত্যুত্তৰ পূৰ্বক আলাপ আন কাল্পনিক পাত্ৰৰ সৈতে কৰা চিত্ৰিত কৰা হয়। ইয়াত শৃংগাৰ ৰসৰ অভিব্যক্তি অধিক আৰু আন ৰসৰ অভিব্যক্তি কম কৰা হয়। বীথীত কেৱল মুখ আৰু প্ৰতিমুখ সন্ধিয়েই থাকে, কিন্তু পাঁচোটা অৰ্থপ্ৰকৃতি থাকে। বীথীৰ তেৰটা অংগ আছে। সেইকেইটা হ'ল— (১) উদ্‌ঘাত্যক (২) অৱলগিত (৩) প্ৰপঞ্চ (৪) ত্ৰিগত (৫) ছল (৬) বাক্‌কেলি (৭) অধিবল (৮) গণ্ড (৯) অৱস্যন্দিত (১০) নালিকা (১১) অসৎপ্ৰলাপ (১২) ব্যাহাৰ (১৩) মৃদৱ বা মাৰ্দ্দৱ।

### ১.৪.১০ প্ৰহসন

প্ৰহসনত সন্ধি আৰু ইয়াৰ অংগবোৰ, লাস্যাংগ আৰু অংকৰ সমাৱেশ ভানৰ দৰে হয়। ইয়াৰ বৰ্ণনীয় ইতিবৃত্তটো কৱিকল্পিত হ'ব লাগে। প্ৰহসনত অধম প্ৰকৃতিৰ নায়কৰ চৰিত্ৰ চিত্ৰিত কৰা হয়। এইবিধ ৰূপকত আৰভটী বৃত্তি নাথাকে আৰু বিস্কম্ভক আৰু প্ৰৱেশকো

নাথাকে। প্ৰহসনৰ প্ৰধান ৰস হ'ল হাস্যৰস। বীথীৰ অংগৰ প্ৰয়োগ ইয়াত অতিৰিক্ত, অনিবাৰ্য্য নহয়।

প্ৰহসন দুই প্ৰকাৰৰ— শুদ্ধ প্ৰহসন আৰু সংকীৰ্ণ প্ৰহসন।

এনেদৰে দহপ্ৰকাৰৰ ৰূপকৰ বিষয়ে ভৰতৰ নাট্যশাস্ত্ৰ, ধনঞ্জয়ৰ দশৰূপক, বিশ্বনাথ কবিৰাজৰ সাহিত্যদৰ্পণ আদিত অতি সুন্দৰভাৱে আলোচনা কৰা হৈছে।

### ১.৫ উপৰূপক

দহ প্ৰকাৰ ৰূপকৰ বাহিৰেও ওঠৰ প্ৰকাৰৰ উপৰূপকক আলংকাৰিক সকলে দৃশ্যকাব্যৰ অন্তৰ্ভুক্ত কৰিছে। সেই ওঠৰ প্ৰকাৰ উপৰূপক হ'ল— নাটিকা, ত্ৰোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্ৰস্থান, উল্লাপ্য, কাব্য, প্ৰেঙ্খন, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা, দুৰ্মল্লিকা, প্ৰকৰণী, হল্লীশক, আৰু ভাণিকা। বিশেষ লক্ষণক বাদ দি এই ওঠৰ প্ৰকাৰ উপৰূপকৰ ও সাধাৰণ লক্ষণবোৰ নাটকাদি ৰূপকৰ দৰে একেই। উপৰূপকসমূহৰ ভিতৰত নাটিকাৰ জনপ্ৰিয়তা অধিক।

### ১.৫.১ নাটিকা

সৰ্বপ্ৰথম উপৰূপক হ'ল নাটিকা। বিশ্বনাথ কবিৰাজে তেওঁৰ সাহিত্যদৰ্পণ নামৰ অলংকাৰ শাস্ত্ৰত ইয়াৰ স্বৰূপ এনেদৰে ব্যাখ্যা কৰিছে—

নাটিকাৰ বিষয়বস্তু কৱিৰ কল্পনা প্ৰসূত হ'ব লাগে। ইয়াত অধিকভাৱে স্ত্ৰীচৰিত্ৰ চিত্ৰিত হয়। নাটিকা চাৰি অংকযুক্ত হ'ব লাগে। নাটিকাৰ নায়কজন প্ৰখ্যাত বংশত জন্মগ্ৰহণ কৰা ধীৰললিত স্বভাৱৰ ৰজা হ'ব লাগে। নায়িকা গৰাকীও নায়কৰ অন্তঃপুৰৰ লগত সম্বন্ধ থকা নাইবা সংগীত কলাত নিপুণ, ৰাজকুলোৎপন্না তথা নবানুৰক্তা কন্যা হ'ব লাগে। নায়ক ৰজাৰ নায়িকাৰ প্ৰতি থকা প্ৰেমভাৱ দেৱী বা ৰাজমহিষীৰ ভয়ৰ জৰিয়তে শংকিত ৰূপত প্ৰকাশ কৰিব লাগে। ইয়াত দেৱী বা ৰাজমহিষী হ'ল কোনো ৰাজ বংশত জন্ম গ্ৰহণ কৰা প্ৰগল্ভ প্ৰকৃতিৰ প্ৰথম বিবাহিতা পত্নী গৰাকী। তেওঁ পদে পদে ৰজাৰ ওপৰত অভিমান কৰে। তেওঁৰ অনুগ্ৰহতেই নায়ক-নায়িকাৰ প্ৰেম মিলন বৰ্ণিত হয়। নাটিকাত কৌশিকী বৃত্তিৰ প্ৰাধান্য পৰিলক্ষিত হয় আৰু অলপ বিমৰ্শ সন্ধিৰ সৈতে বাকী চাৰিটা সন্ধিৰ প্ৰয়োগ কৰা হয়। ইয়াৰ বাহিৰে আন লক্ষণবোৰ নাটকৰ প্ৰধান লক্ষণৰ পিছত আলোচনা কৰা লক্ষণবোৰৰ সৈতে একেই। কেৱল নামাকৰণৰ বিভিন্নতা আছে। নাটিকাৰ নামাকৰণ নায়িকাৰ নাম অনুসৰি হ'ব লাগে।

এনেদৰে ত্ৰোটক, গোষ্ঠী, প্ৰস্থানক আদি বাকী সোতৰ প্ৰকাৰ উপৰূপকৰ ও সুকীয়া সুকীয়া বৈশিষ্ট্য অতি সুন্দৰভাৱে বিশ্বনাথ কবিৰাজে সাহিত্যদৰ্পনৰ ষষ্ঠ পৰিচ্ছেদত আলোচনা কৰিছে। নাটিকাৰ প্ৰসিদ্ধতাৰ বাবে কেৱল সেইটোৰেই স্বৰূপ আলোচনা কৰা হ'ল এই বিভাগটোত।

**আত্মমূল্যায়ন প্ৰশ্ন**

নাটিকাৰ লক্ষণসমূহ বৰ্ণনা কৰা (৫০ টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ১.৬ কেইখনমান ৰূপক আৰু উপৰূপক

কেইখনমান প্ৰসিদ্ধ ৰূপক আৰু উপৰূপকৰ বিষয়ে তলত বৰ্ণনা দিয়া হ'ল—

**অভিজ্ঞান শকুন্তলম্—**

মহাকৱি কালিদাসৰ দ্বাৰা বিৰচিত ই এখন সৰ্বশ্ৰেষ্ঠ নাটক। ইয়াৰ বিষয়বস্তু মহাভাৰতৰ বনপৰ্ব আৰু পদ্মপুৰাণৰ পৰা লোৱা। নাটকখনৰ নায়ক হৈছে হস্তিনাপুৰৰ ৰজা দুষ্যন্ত আৰু নায়িকা মহৰ্ষি কন্বৰ পালিতা কন্যা শকুন্তলা। দৰাচলতে শকুন্তলা মুনি বিশ্বামিত্ৰ আৰু অপ্সৰা মেনকাৰ কন্যা। কিন্তু নাটকখনত কন্বৰ আশ্ৰমত পালিতা কন্যাৰূপে উপস্থাপন কৰা হৈছে। নাটকখনৰ মূল ৰস শৃংগাৰ। নায়ক দুষ্যন্ত এজন ধীৰোদাত্ত নায়ক। সাতটা অংকবিশিষ্ট্য এই নাটকখনৰ বিষয়বস্তু এনেধৰণৰ—

প্ৰথম অংকত মৃগয়াৰ্থী ৰজা দুষ্যন্তই মৃগয়া কৰিবলৈ আহি কন্বমুনিৰ আশ্ৰমত প্ৰৱেশ কৰে। তেতিয়া তেওঁ গছ-লতাৰ গুৰিত পানী দি থকা অৱস্থাত অনসূয়া আৰু প্ৰিয়ম্বদাৰে সৈতে শকুন্তলাক দেখা পায়। শকুন্তলাৰ প্ৰতি তেওঁৰ মন আকৰ্ষিত হয় আৰু ভোমোৰা এটাৰ আশ্ৰয় লৈ তেওঁ শকুন্তলাৰ সন্মুখত উপস্থিত হৈ তাইৰ বিষয়ে যথোচিত তথ্য লাভ কৰে। দ্বিতীয় অংকত ৰজাই পুনৰ আশ্ৰমত অহাৰ সুযোগ পাই আশ্ৰমৰ ঋষিসকলৰ দ্বাৰা হোৱা যজ্ঞৰ নিমন্ত্ৰণ মৰ্মে। কোনো কাৰণত ৰজামাতাই দূতমুখে তেওঁক মাতি পঠিয়াই যদিও তেওঁ বিদূষকক পঠিয়াই নিজে সাৰথিৰ লগত আশ্ৰমতেই থাকে। তৃতীয় অংকত ৰজাক শকুন্তলাৰ প্ৰেমত নিমজ্জিত হৈ থকা দেখুওৱা হয়। বিস্কম্ভক নামৰ অৰ্থোপক্ষেপকৰ প্ৰয়োগৰ জৰিয়তে অংকটোৰ আৰম্ভণিতেই শকুন্তলাও দুষ্যন্তৰ প্ৰেমত পৰি অসুস্থ হৈ পৰা বুলি দৰ্শকক জনোৱা হয়। মূল অংকত ৰজাই শকুন্তলাৰ অৱস্থাৰ বুজা লয় আৰু শকুন্তলাইও মনৰ ব্যথা ৰজাক ব্যক্ত কৰে। শকুন্তলাই পদ্মপত্ৰত ৰজালৈ মনৰ কথা লিখে আৰু সখীয়েক অনসূয়া আৰু প্ৰিয়ম্বদাই পঢ়ি শুনাই ৰজাৰ সন্মুখত। তাৰপিছত ৰজাই গান্ধৰ্ববিবাহৰ প্ৰস্তাৱ দিয়ে। কিন্তু গৌতমীৰ প্ৰৱেশত দুয়োৰে মিলনৰ বাধা হয় আৰু ৰজাই যজ্ঞৰক্ষা কৰিবলৈ ওলাই যায়। চতুৰ্থ অংকৰো আৰম্ভণিত বিস্কম্ভকৰ প্ৰয়োগৰ দ্বাৰা অনসূয়া আৰু প্ৰিয়ম্বদাৰ কথোপকথনৰ জৰিয়তে ৰজাই শকুন্তলাক কেইদিনমানতে ৰাজধানীলৈ নিয়াৰ প্ৰতিশ্ৰুতি

দি ৰাজ্যলৈ উভতি যোৱাৰ কথা প্ৰকাশিত হয়। মূল অংকত দুৰ্বাসা মুনিৰ আশ্ৰমৰ প্ৰৱেশ দেখুওৱা হয়। তেওঁ শকুন্তলাৰ কুটিৰৰ বাহিৰত অনেক সময় অপেক্ষাৰ অন্তত কোনো ওলাই নহাৰ ক্ষণত শকুন্তলাক অভিশাপ দিয়ে যে ভিতৰত যিয়ে যাৰ কথা মনত ভাবি থাকি তেওঁক এনেকুৱা কৰিলে সেইজনে তেওঁক (শকুন্তলাক) পাহৰি যাব। পিছত প্ৰিয়ম্বদাৰ অনুৰোধতহে তেওঁ কয় যে কোনো অভিজ্ঞান বা চিহ্ন দেখাব পাৰিলেহে মনত পৰিব। এই অংকতেই কণ্বমুনিয়ে তীৰ্থ ভ্ৰমণৰ পৰা আহি শকুন্তলা যোগ্য পাত্ৰৰ সৈতে বিয়া হৈ অন্তসত্বা হোৱা কথা গম পায় আৰু পতিগৃহলৈ পঠোৱাৰ ব্যৱস্থা কৰে। পঞ্চম অংকত শকুন্তলা সমন্বিতে আশ্ৰমবাসী ৰাজ দুৱাৰত উপস্থিত হৈ ৰজাক সাক্ষাৎ কৰে। কিন্তু দুৰ্বাসাৰ শাপৰ বাবে ৰজাই শকুন্তলাক মনত কৰিব নোৱাৰিলে। শকুন্তলাই নিজেও ৰজাক মনত পেলাবৰ সক্ষম নহ'ল। তেতিয়া শকুন্তলাই ৰজাই চিহ্নৰূপে দিয়া আঙুঠিটো দেখুৱাব খোজোতে সেইটো নোহোৱা দেখি আচৰিত হয়। শেষত উপায় নাপাই শকুন্তলাই তাৰপৰা উভতি আহোতে ৰাজপথত এক জ্যোতিয়ে তেওঁক লৈ যায়। ষষ্ঠ অংকত প্ৰৱেশক নামৰ অৰ্থোপক্ষেপকৰ দ্বাৰা মাছমৰীয়া এজনে ৰজাৰ নাম থকা শকুন্তলাৰ অভিজ্ঞানৰূপী আঙুঠিটো বিক্ৰী কৰিবলৈ অনা মাছৰ পেটৰ পৰা উলিওৱা দেখুওৱা হৈছে। সেইটো পাই তেওঁ ৰজাৰ ওচৰলৈ লৈ গৈ দেখুওৱাত ৰজাৰ শকুন্তলাৰ প্ৰতি সকলো কথা মনত পৰে। মূল অংকত ৰজাই শকুন্তলাৰ বিৰহত দুখিত হৈ পৰা দেখা যায়। সেই সময়তেই ইন্দ্ৰৰ সাৰথি মাতলিয়ে শত্ৰু নিধনৰ ৰজাক লৈ যায়। সপ্তম অংকত মাতলিৰ সৈতে ৰজা দুষ্যন্তই হেমকূটত প্ৰৱেশ কৰোতে অতি নাটকীয়ভাৱে শকুন্তলা আৰু তেওঁলোকৰ পুত্ৰ সৰ্বদমনৰ লগত সাক্ষাৎ হয়। তাতেই মহৰ্ষি কাশ্যপ আৰু অদিতিৰ আশীৰ্বাদ লৈ দুষ্যন্তই সৰ্বদমন আৰু শকুন্তলাক লৈ মাতলিৰ ৰথত উঠি হস্তিনাপুৰলৈ যাত্ৰা কৰে। ইয়াতেই নাটক সমাপ্ত।

নাটকীয় লক্ষণ অনুসৰি ইয়াত পাঁচজন কাৰ্য্যত নিয়োগ হৈ থকা পুৰুষ চৰিত্ৰ দেখা গৈছে - মহৰ্ষি কণ্ব, বিদূষক, শাৰ্ঙ্গৰৱ, শাৰদ্বত আৰু গৌতমী। ইয়াত পঞ্চসন্ধি, অৰ্থোপক্ষেপক, অৰ্থপ্ৰকৃতি আদিৰ সুন্দৰ প্ৰয়োগ কৰা হৈছে। মূল ৰস শৃংগাৰৰ লগতে আন ৰসবোৰ অংগৰূপে উপস্থাপিত হৈছে। বিদূষকৰ আচৰণত হাস্যৰস, মৃগয়া বৰ্ণনাত বীৰৰস, চতুৰ্থ অংকৰ শকুন্তলাৰ বিদায়ত কৰুণাৰস ইত্যাদি সুন্দৰভাৱে উপস্থাপিত হৈছে। নাটকৰ নামাকৰণত ও নাটকীয় লক্ষণ অনুসৰি বিষয়বস্তুৰ ওপৰত ভিত্তি কৰা হৈছে। নান্দী শ্লোকত শিৱৰ আঠটা ৰূপক স্তুতি কৰা হৈছে। নাটকৰ প্ৰস্তাৱনাৰ প্ৰকাৰ অবলগিত। এনেদৰে আন আন লক্ষণ সমূহও অলংকাৰশাস্ত্ৰোক্ত হিচাপত উপস্থাপন কৰা হৈছে। সেইবাবেই কালিদাসৰ অভিজ্ঞানশকুন্তলম্ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ নাটক।

মহাকবি ভাসৰ স্বপ্নবাসৱদত্তা, অভিষেক, প্ৰতিমা, ভট্টনাৰায়ণৰ বেণীসংহাৰ, ভৱভূতিৰ উত্তৰৰামচৰিত ইত্যাদি উৎকৃষ্ট নাটক।

**মৃচ্ছকটিকম্ ঃ** মহাকবি শূদ্রক বিৰচিত ই এখন শ্রেষ্ঠ প্রকৰণ। অলংকাৰ শাস্ত্রত উল্লেখ কৰা এখন প্রকৰণৰ সকলো লক্ষণেই ইয়াত আছে। মৃচ্ছকটিকম্ দহটা অংকবিশিষ্ট। ইয়াত চাৰুদত্ত আৰু বসন্তসেনাৰ প্রেম কাহিনী বৰ্ণনা কৰা হৈছে। প্রকৰণৰ লক্ষণ অনুসৰণ কৰি চাৰুদত্তক এজন ব্ৰাহ্মণ নায়ক আৰু বসন্তসেনাক উজ্জয়িনী নিৱাসী এগৰাকী ধনযুক্তা বেশ্যা নায়িকা ৰূপত উপস্থাপন কৰা হৈছে। প্রকৰণখনৰ বিষয়বস্তুও শূদ্ৰকৰ সম্পূৰ্ণ কল্পনা প্রসূত। বিষয়বস্তু অনুসৰি অলংকাৰ ন্যাস নামৰ প্রথম অংকত বসন্তসেনাই শকাৰ, বিট আৰু চেটৰ পৰা হাত সাৰিবলৈ চাৰুদত্তৰ ঘৰত প্ৰৱেশ কৰে। পিছত চাৰুদত্তই বিদূষক মৈত্রেয়ৰ দ্বাৰা বসন্তসেনাক নিৰাপদে ঘৰলৈ পঠিয়ায়। বসন্তসেনাই তেওঁৰ বহুমূলীয়া আ-অলংকাৰবোৰ ইয়াত থৈ যায়। প্ৰসংগক্ৰমে দেখুওৱা হয় যে বসন্তসেনা চাৰুদত্তৰ প্ৰতি আসক্ত। দ্যূতকৰ সংবাহক নামৰ দ্বিতীয় অংকত জীৱিকা বিচাৰি অহা এজনে চাৰুদত্তৰ ঘৰত সংবাহকৰ চাকৰি কৰে। চাৰুদত্তৰ বিপদৰ সময়ত তেওঁ জুৱা খেলত লিপ্ত হৈ এবাৰ ধন দিব নোৱাৰি পলাই বসন্তসেনাৰ ঘৰত সোমায় আৰু বসন্তসেনাই তেওঁক জুৱাৰীৰ পৰা ঋণমুক্ত কৰে। সন্ধিচ্ছেদ নামৰ তৃতীয় অংকত শৰ্বিলক নামৰ এজন ল'ৰাই বসন্তসেনাৰ লিগিৰী মদনিকাক ভাল পাইছিল আৰু তাইক নিবলৈ চাৰুদত্তৰ ঘৰৰ পৰা বসন্তসেনাৰ অলংকাৰবোৰ চুৰ কৰিছিল। মদনিকা-শৰ্বিলক নামৰ চতুৰ্থ অংকত শৰ্বিলক আৰু মদনিকাৰ কথাৰ পৰা বসন্তসেনাই তেওঁলোকৰ প্রেমৰ বিষয়ে গম পাই আৰু শৰ্বিলকক মদানিকাক দিয়ে। চাৰুদত্তৰ ঘৰত আকৌ বসন্তসেনাৰ অলংকাৰ হেৰুৱাক লৈ হাহাকাৰ লাগে আৰু পত্নীৰ ৰত্নাৱলী হাৰডালকে দিবলৈ মৈত্রেয়ক পঠিয়ায়। বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ আহি কান্দি থকা ৰোহসেনক পায়। সি সোণৰ গাড়ী নাপাই কন্দা বুলি গম পাই বসন্তসেনাই তেওঁৰ অলংকাৰবোৰ ৰোহনসেনৰ গাড়ীত ভৰাই দি সোণৰ গাড়ী কিনিব দিয়ে। দুৰ্দিন নামৰ পঞ্চম অংকত বসন্তসেনাই এগৰাকী অভিসাৰিকাৰ ভাও ধৰি বৰষুণত তিতি সোমায়। তাত তেওঁ কাপোৰসাজ সলাই নতুন এজোৰ পিন্ধি ৰাতিটো কটায়। প্রবহণ বিপৰ্যয় নামৰ ষষ্ঠ অংকত চাৰুদত্তই বসন্তসেনাক লগ পোৱাৰ উদ্দেশ্যে এখন উদ্যানলৈ যায়। বসন্তসেনায়ো যাবলৈ ওলাই আহি ভুলতে শকাৰৰ গাড়ীত উঠে। লগতে আৰ্যক, ৰজা পালক, বীৰক, চন্দনক, শৰ্বিলক আদিৰ কাহিনী দেখুওৱা হয়। আৰ্যকাপহৰণ নামৰ সপ্তম অংকত আৰ্যকে উদ্যানত উপস্থিত হয় আৰু চাৰুদত্তৰ শৰণাপন্ন হয় যদিও বৰ্ধমানৰ সহায়ত আৰ্যক তাৰ পৰা আতৰিও যায়। বসন্তসেনা আহি নোপোৱা দুখত চাৰুদত্ত তাৰ পৰা গুছি যায়। বসন্তসেনা মোটক নামৰ অষ্টম অংকত শকাৰে বসন্তসেনাৰ মন জয় কৰিব নোৱাৰি তেওঁক মাৰিবলৈ উদ্যত হোৱাত বসন্তসেনা অচেতন হৈ পৰে। শকাৰে এই দোষ চাৰুদত্তক জাপি দিব বুলি মনতে ঠিৰাং কৰিছিল যদিও সংবাহকে পাই বসন্তসেনাক সুস্থ কৰি তোলে। ব্যৱহাৰ নামৰ নৱম অংকত শকাৰৰ চলনাৰ বলত চাৰুদত্ত ন্যায়ালয়লৈ যাব লগা হয় আৰু তাত চাৰুদত্তৰ বিপৰীতে প্রমাণ যোৱাত তেওঁক ধন-সম্পদসহ দেশান্তৰ কৰিবলৈ আদেশ দিয়ে। সংহাৰ নামৰ দশম অংকত চণ্ডালসকলে চাৰুদত্তক শূলত দিবলৈ উদ্যত হোৱাৰ সময়তেই

সংবাহকৰ সৈতে বসন্তসেনা সেই ঠাইত উপস্থিত হয় আৰু সকলো কথা কয়। আৰ্যকেও চাৰুদত্তক মৃত্যুদণ্ডৰ পৰা ৰেহাই দি এজন উচ্চ বিষয়াৰূপে নিয়োগ কৰে। শকাৰেও নিজৰ ভূল স্বীকাৰ কৰে। শেষত চাৰুদত্তৰ সৈতে বসন্তসেনাৰ বিৱাহ হয়।

এখন প্ৰকৰণৰ সকলো লক্ষণেই ইয়াত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। চাৰুদত্ত এজন ধীৰ প্ৰশান্তক নায়ক। মৃচ্ছকটিকম্‌খন প্ৰকৰণৰ তৃতীয় প্ৰকাৰ অৰ্থাৎ নায়িকা বেশ্যা আৰু কুলজা উভয়েই। কিট, বিট, চেট, দ্যূতকাৰ ইত্যাদি চৰিত্ৰবোৰও সুন্দৰভাৱে উপস্থাপিত হৈছে। গতিকে সকলো দিশৰ পৰা চালে মৃচ্ছকটিকম্ এখন উৎকৃষ্ট প্ৰকৰণ বুলি ক'ব পাৰি।

ইয়াৰ উপৰিও মালতীমাধৱম্, পুষ্পভূষিতম্ আদিও প্ৰকৰণৰ উদাহৰণ। এনেদৰে আন আন ৰূপকৰ বিভাগবোৰৰ ও উদাহৰণ পোৱা যায়। লীলামধুকৰ ভাণ, সৌগন্ধিকাহৰণ, মধ্যমব্যয়োগ আদি ব্যয়োগ, পঞ্চৰাত্ৰ, সমুদ্ৰমথনম্ সমৱকাৰ, ত্ৰিপুৰাদাহ ডিম, কুসুমশেখৰবিজয় ইহামৃগ, শৰ্মিষ্ঠা-যযাত্তি অংক মালবিকা বীথী আৰু কন্দৰ্পকেলি, ধূৰ্তচৰিতম্ আদি প্ৰহসনৰ উদাহৰণ। একেদৰে উপৰূপক সমূহ ও পোৱা যায়। নাটিকা আটাইতকৈ প্ৰসিদ্ধ উপৰূপক। গতিকে এখন নাটিকাৰ বিষয়ে আলোচনা কৰা হ'ল-

**ৰত্নাৱলী ঃ** হৰ্ষবৰ্ধনৰ দ্বাৰা ৰচিত ই এখন অতি প্ৰসিদ্ধ নাটিকা। তেওঁ প্ৰিয়দৰ্শিকা নামৰ আন এখন নাটিকা আৰু নাগানন্দম্ নামৰ এখন নাটকও ৰচনা কৰিছিল। কিন্তু ৰত্নাৱলী তেওঁৰে সৰ্বজন বিদিত ৰচনা। চাৰি অংকযুক্ত এই নাটিকাত অলংকাৰ শাস্ত্ৰোক্ত সকলো লক্ষণেই উপস্থাপন কৰা হৈছে। সিংহলৰ ৰাজকুঁৱৰী ৰত্নাৱলী আৰু উদয়নৰ প্ৰণয় কাহিনীয়েই মূল বিষয়বস্তু ইয়াৰ। বিষয়বস্তু এনেধৰণৰ যে - প্ৰথম অংকত উদয়নৰ মন্ত্ৰী যৌগন্ধৰায়ণে ৰাজ্যৰ উন্নতিৰ বাবে সিংহলৰ ৰাজকুমাৰী ৰত্নাৱলীক উদয়নৰ লগত বিয়া কৰাব বিচাৰে। সেয়েহে উদয়নক ৰত্নাৱলীৰ প্ৰতি আকৃষ্ট কৰাবলৈ মন্ত্ৰীয়ে উদয়নৰ পত্নী বাসবদত্তা অগ্নিদগ্ধা হৈ মৃত বুলি উৰা বাতৰি প্ৰচাৰ কৰে। মন্ত্ৰীয়ে তেতিয়া ৰত্নাৱলীক আনি তেওঁৰ নাম সাগৰিকা দি ৰাণীৰ ওচৰতেই তেওঁক ৰাখে। মদনপূজাৰ দিনা উদয়নে সাগৰিকাক দেখা পায় আৰু উভয়ৰে অন্তৰত প্ৰেমভাৱ জাগে। দ্বিতীয় অংকত সুযোগ পাই সাগৰিকা আৰু ৰজাৰ মনৰ ভাৱ বিতৰণ হয়। বাসৱদত্তাইও ইয়াতেই সাগৰিকাই অঁকা ৰজা আৰু সাগৰিকাৰ যুগ্ম চিত্ৰ দেখি সকলো গম পায়। তৃতীয় অংকত সাগৰিকাই মন্ত্ৰীৰ কথামতে বাসবদত্তাৰ বেশ ধৰি ৰজাৰ ওচৰলৈ যোৱাৰ আগতেই বাসৱদত্তা গৈ পায়। কিন্তু ৰজাইও তেওঁ সাগৰিকা বুলি ব্যৱহাৰ কৰাত বাসবদত্তা ক্ষুব্ধ হয়। সাগৰিকাই ও আঘাত পাই আত্মহত্যাৰ চেষ্টা কৰে। ৰজাই সাগৰিকাক বাসৱদত্তা বুলি উদ্ধাৰ কৰে। তেনেতে বাসৱদত্তা আহি পাই আৰু ৰজাই ক্ষমা বিচাৰে। কিন্তু তেওঁ সাগৰিকা আৰু বিদূষকক কাৰাৰুদ্ধ কৰে। অন্তিম অংকত বিদূষকক মুক্তি দিয়া হয়। কিন্তু সাগৰিকাক কোনো ঠাইলৈ প্ৰেৰণ কৰা হয়। হঠাৎ ৰাজঅন্তেষপুৰত জুই লাগে। বাসৱদত্তাই সাগৰিকা অগ্নিদগ্ধ হ'ব বুলি ভাবি তেওঁক উদ্ধাৰ কৰিবলৈ ৰজাক পঠিয়ায়। ৰজাইও সাগৰিকাক

উদ্ধাৰ কৰে। তেতিয়াই সিংহলৰ মন্ত্ৰী এজন আহি সাগৰিকাক পৰিচয় কৰায়। বাসৱদত্তাই এই কথা গম পাই ৰজাৰ লগত সাগৰিকাৰ বিৱাহৰ সন্মতি দিয়ে।

অলংকাৰ শাস্ত্ৰৰ লক্ষণ অনুসৰি ৰত্নাৱলী চাৰিটা অংকযুক্ত আৰু স্ত্ৰী পাত্ৰযুক্তা। নায়ক উদয়ন ও প্ৰখ্যাত বংশৰ ধীললিত স্বভাৱসম্পন্ন ৰজা। ৰত্নাৱলী নায়িকাক অন্তঃপুৰত ৰখা হৈছে। বৃত্তি, সন্ধি, অৰ্থোপক্ষেপ, অৰ্থপ্ৰকৃতি আদিৰ সুপ্ৰয়োগ কৰা হৈছে। নাটিকাৰ নামাকৰণৰ লক্ষণ অনুসৰি ইয়াত ও নায়িকা ৰত্নাৱলীৰ নামেৰে নাটিকাখনৰ নামাকৰণ কৰা হৈছে। গতিকে সকলো দিশৰ পৰা ই এখন শ্ৰেষ্ঠ নাটিকা।

### ১.৭ সাৰাংশ (Summing Up)

সংস্কৃত কাব্য সাহিত্যৰ সম্পূৰ্ণ এটা অংশই হৈছে এই ৰূপক বা দৃশ্যকাব্যবোৰ। এই ৰূপক বোৰক বাদ দি সংস্কৃত সাহিত্যৰ ভৰাঁল তেনেই তাকৰ বুলিব লাগিব। সংস্কৃত সাহিত্যত অনেক ৰূপকৰ বা দৃশ্যকাব্যৰ লিখক আৰু কাব্য আছে। মহাকৱি ভাস হৈছে সংস্কৃত সাহিত্যৰ আটাইতকৈ প্ৰাচীনতম আৰু প্ৰসিদ্ধ নাট্যকাৰ। তেওঁৰ দ্বাৰা ৰচিত তেৰখন নাটকেই (ৰূপকেই) সংস্কৃত দৃশ্যকাব্য জগতৰ প্ৰথম চিনাকী। সেইকেইখন হ'ল — দূতবাক্য (ব্যায়োগ), কৰ্ণভাৰ (ব্যায়োগ / উৎসৃষ্টিকাংক), মধ্যমব্যায়োগ (ব্যায়োগ), উৰুভংগ (ব্যায়োগ / উৎসৃষ্টিকাংকঃ), পঞ্চৰাত্ৰ (সমৱকাৰ), বালচৰিত (নাটক), অভিষেক / নাটক), প্ৰতিমা (নাটক), অবিমাকৰ (নাটক), দূতঘটোৎকচ (উৎসৃষ্টিকাংক) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ (নাটক), স্বপ্নবাসৱদত্তম্ (নাটক) আৰু চাৰু দত্ত (অসমাপ্ত প্ৰকৰণ)। তাৰ পিছতেই স্থান হ'ল সৰ্বজনবিদিত প্ৰসিদ্ধ নাট্যকাৰ কবিকুল শিৰোমণি মহাকবি কালিদাস। তেওঁ তিনিখন নাটক ৰচনা কৰিছিল। তাৰ ভিতৰত অভিজ্ঞানশকুন্তলম্ নাটকে সমগ্ৰ বিশ্বতেই জনপ্ৰিয়তা অৰ্জন কৰিছে। কালিদাসৰ আন দুখন নাটক হ'ল— বিক্ৰমোৰ্ৱশীয়ম্ আৰু মালৱিকাগ্নিমিত্ৰম্। ভৱভূতিয়ে তিনিখন নাটক ৰচনা কৰিছিল — উত্তৰৰামচৰিতম্, মহাবীৰ চৰিতম্ আৰু মালতীমাধৱম্ (প্ৰকৰণ)। শূদ্ৰকে মৃচ্ছকটিকম্ প্ৰকৰণ ৰচনা কৰিছিল। এনেদৰে ভট্টনাৰায়ণৰ বেণীসংহাৰম্ (নাটক), বিশাখাদত্তৰ ক্ষুদ্ৰাৰাক্ষসম্ (নাটক), হৰ্ষবৰ্ধনৰ ৰত্নাৱলী (নাটিকা), প্ৰিয়দৰ্শিকা (নাটিকা), নাগান্দম্ (নাটক), মুৰাৰিৰ অনৰ্ঘৰাঘৱ (নাটক), ৰাজশেখৰৰ বালাৰাময়ন (নাটক), কৰ্পূৰমঞ্জৰী (নাটিকা), বিদ্ধশালভঞ্জিকা (নাটিকা) ইত্যাদি অসংখ্যা ৰূপক—উপৰূপক আছে। এইবোৰে সংস্কৃত সাহিত্যৰ ভৰাল চহকী কৰিছে।

### ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত নাটকৰ লক্ষণ আলোচনা কৰা।

২. সংস্কৃত সাহিত্যত উপলব্ধ যিকোনো দুখন ৰূপকৰ বিষয়ে লিখা।

৩. কালিদাসৰ অভিজ্ঞান-শকুন্তলম্ ক এখন নাটক হিচাপে উপস্থাপন কৰা।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ সাহিত্যদৰ্পণ

থানেশ্বৰ শৰ্মা ঃ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত

Satyavrat Singh : Sahityadarpana

Babulal Sukla Sastri : Natyasastra

Wasudev Lazman Sastri : Dasarupaka

## দ্বিতীয় বিভাগ
## সংস্কৃত নাট্য সাহিত্য

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সংস্কৃত নাটকৰ উৎপত্তি
২.৪ সংস্কৃত নাটকৰ প্ৰকাৰভেদ
২.৫ নাট্যকাৰ ভাস
২.৬ ভাসৰ নাটকসমূহৰ সাৰংশ
২.৭ কালিদাসৰ নাটক
২.৮ কালিদাসোত্তৰ নাটক
২.৮.১ শূদ্ৰক ঃ সৃচ্ছকতিকম্
২.৮.২ বিশাসদত্ত ঃ মুদ্ৰা ৰাক্ষস
২.৯ সাৰ সংক্ষিপ্ত (Summing Up)
২.১০ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

সুপ্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষত নাট্যকলা আৰু নাট্য সাহিত্যৰ এক সবল পৰম্পৰাৰ প্ৰচলন আছে। কিন্তু ইয়াৰ উদ্ভৱৰ ইতিহাস উদ্ধাৰ কৰিব পৰা হোৱা নাই। ভাস, কালিদাস, ভৱভূতি, শূদ্ৰক আদি নাট্যকাৰসকলৰ ৰচনাসমূহ সকলোবোৰ নাট্য উপাদানেৰে সমৃদ্ধ এক পূৰ্ণাংগ সাহিত্য। উৎপত্তিকালৰ অপৈণত হাতৰ চিন এই নাটকবিলাকত পোৱা নাযায়। তাৰ পৰা এই কথা সহজে অনুমেয় যে এনে পৈণত ৰূপ পোৱালৈকে ভাৰতীয় নাট্য সাহিত্যই ইতিমধ্যে এক সুদীৰ্ঘ পৰিক্ৰমা সম্পূৰ্ণ কৰিছে। কিন্তু ভাসৰ পূৰ্বৱৰ্তীকালৰ নাটকৰ সাক্ষ্য প্ৰমাণৰ অভাৱত নাটকৰ উৎপত্তিৰ বিষয়ে কোনো সিদ্ধান্ত দিয়াটো দুৰূহ কাম। সামাজিক পৰম্পৰা, ধৰ্মীয় আচাৰ-অনুষ্ঠান, প্ৰচলিত কিংবদন্তী, প্ৰাচীন সাহিত্যৰ স্বৰূপ আদিৰ ভিত্তিত সেয়েহে আধুনিক গৱেষকসকলে ভাৰতীয় নাটকৰ উৎপত্তিৰ বিষয়ে বিভিন্ন মতবাদ আগবঢ়াইছে।

প্ৰাচীন ভাৰতীয় সাহিত্যৰ ইতিহাসক প্ৰধানকৈ তিনিটা ভাগত ভগোৱা হয়, যেনে— উদ্ভৱ কাল, অভ্যুত্থান কাল আৰু অৱসাদ কাল। কালিদাসৰ (৪ ৰ্থ শতিকাৰ) পূৰ্বৱৰ্তী কালছোৱাত সংস্কৃত সাহিত্যৰ প্ৰায় সকলোবোৰ প্ৰধান সাহিত্য শাখাৰ উদ্ভৱ হৈছিল। কালিদাসৰ পৰা শ্ৰীহৰ্ষৰ (১২ শ শতিকা) দিনলৈকে সংস্কৃত সাহিত্যৰ পৰিপূৰ্ণতাৰ কাল আৰু শ্ৰীহৰ্ষৰ পিছৰ পৰা ত্ৰয়োদশ শতিকালৈকে অৱসাদৰ কাল বুলি কোৱা হয়। প্ৰাক্ কালিদাসৰ যুগৰ যি সকল সাহিত্যিকৰ ৰচনাৱলী বৰ্তমান উপলব্ধ হৈছে, সেইসকলৰ

ভিতৰত নাট্যকাৰ ভাস অন্যতম। ভাসৰ কাল খৃষ্টপূৰ্ব প্ৰথম শতিকাৰ পৰা খৃষ্টাব্দৰ প্ৰথম শতিকাৰ ভিতৰত বুলি অনুমান কৰা হয়।

কালিদাস শ্ৰেষ্ঠ ভাৰতীয় নাট্যকাৰসকলৰ অন্যতম। খৃষ্টীয় চতুৰ্থ শতিকাৰ গুপ্তবংশীয় ৰজা বিক্ৰমাদিত্য চন্দ্ৰগুপ্তৰ ৰাজসভাৰ বিশিষ্ট ৰাজ কবি কালিদাসৰ সাতটি তামৰ কৃতিৰ ভিতৰত তিনিখন নাটক পোৱা যায়। সেই কেইখন ক্ৰমে মালবিকাগ্নিমিত্ৰ, বিক্ৰমমোৰ্বশীয়ম আৰু অভিজ্ঞানশকুন্তলম্। তিনিওখন নাটকতে কালিদাসৰ নাট্য নৈপুণ্য প্ৰতিফলিত হৈছে। ভাৰতীয় ইতিহাস আৰু পুৰাবৃত্তৰ পৰা নাটকৰ কাহিনী সংগ্ৰহ কৰা হৈছে যদিও নাট্যকাৰে স্বকীয় উদ্ভাৱন, সংযোজন আৰু পৰিমাৰ্জন ঘটাই তিনিওখন নাটকতে কলাত্মক সৌন্দৰ্য প্ৰদান কৰিছে।

## ২.২ উদ্দেশ্য (Objectives)

ভাৰতীয় নাটকৰ বীজ বেদৰ সংবাদ সূক্ত সমূহতে নিহিত হৈ আছিল বুলি পণ্ডিতসকলে মত পোষণ কৰে যদিও প্ৰাচীনতম নাটকৰ নিদৰ্শন নাট্যকাৰ ভাসৰ নাটাকৱলীতহে পোৱা যায়। সৌভাগ্যৰ বিষয় যে ভাসৰ বুলি স্বীকৃত তেৰখন নাটক ইতিমধ্যে আৱিস্কৃত হৈছে। এইসমূহ নাটকত নাট্যশাস্ত্ৰৰ বিধি বিধানৰ প্ৰভাৱ স্পষ্টৰপত পৰিলক্ষিত নহ'ব এৰি বিপৰীতে এই নাটককেইখনে ভাসৰ স্বকী নাট্য ৰীতিৰ সাক্ষ্য বহন কৰে বাবে ভাসৰ নাটকাৱলীক কালিদাস আদি নাট্যকাৰতকৈ পৃথক এক বিভাগত আলোচনা কৰা হয়। এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- নাটকৰ উৎপত্তি সম্বন্ধে থকা বিভিন্ন পণ্ডিতৰ মতবাদসমূহৰ লগত পৰিচিত হ'ব পাৰিব,
- নাট্যকাৰ ভাসৰ পৰিচয় পাব,
- নাটকৰ উৎস সম্বন্ধে জানিব পাৰিব,
- নাটকৰ আংগিকৰ বৈশিষ্ট্যৰ বিষয়ে জ্ঞান লাভ কৰিব,
- এই বিভাগটিত নাট্যকাৰ কালিদাসৰ দ্বাৰা ৰচিত নাটক কেইখনৰ আলোচনা কৰা হৈছে। মাৱবিকাগ্নিমিত্ৰ, বিক্ৰমোৰ্বশীয়ম আৰু অভিজ্ঞানশকুন্তলমৰ বিষয়বস্তু পৃথক পৃথককৈ আলোচনা কৰা হৈছে। কালিদাসৰ নাটকৰ সাধাৰণ বৈশিষ্ট্য, নাট্যকাৰৰ নাট্য নৈপুণ্য আদি বিষয়ত আলাকপাত কৰা হৈছে।

## ২.৩ সংস্কৃত নাটকৰ উৎপত্তি

পৰম্পৰাগত মতবাদ ভাৰতীয় পৰম্পৰাই সকলো বিদ্যা আৰু কলাৰ দৈৱিক উৎপত্তি স্বীকাৰ কৰে। নাট্যকলাৰো তেনে এক স্বৰ্গীয় উৎপত্তিৰ পৰম্পৰা মানি লোৱা হৈছে। সেই পৰম্পৰা মতে বিশ্বাস কৰা হয় যে এসময়ত দেৱগণে সৃষ্টিকৰ্তা ব্ৰহ্মাক সাক্ষাৎ কৰি তেওঁলোকৰ দৈনিক জীৱনৰ একঘেঞা আমনিকণ গুচাবলৈ আমোদ প্ৰমোদৰ উপায় উদ্ভাৱন কৰিবলৈ অনুৰোধ কৰিলে। ব্ৰহ্মাই তেওঁলোকৰ মনোৰঞ্জনৰ বাবে এক অভিনৱ নাট্যৱেদৰ সৃষ্টি কৰিলে। তাৰ বাবে ঋগ্বেদৰ পৰা পাঠাংশ, সামৱেদৰ পৰা গীত, যজুৰ্বেদৰ পৰা অভিনয় আৰু অথৰ্বৱেদৰ পৰা ৰস সংগ্ৰহ কৰি ব্ৰহ্মাই পঞ্চম ৱেদ ৰূপে নাট্যৱেদ সৃষ্টি কৰিলে। কোৱা হৈছে—

জগ্ৰাহ পাঠ্যং ঋগ্বেদাৎ সামেভ্যো গীতমেৰচ।
যজুৰ্ৰ্বেদাদভি নয়ং ৰসানথৰ্ৱনাদ্ অপি।।

ব্ৰহ্মাৰ এই নতুন সৃষ্টিত বিভিন্ন দেৱ-দেৱীয়ে সহযোগ কৰিলে। শিৱই তাণ্ডৱ নৃত্য আৰু পাৰ্বতীয়ে লাস্য নৃত্য আগবঢ়ালে। বিষ্ণুয়ে তাত চাৰিবিধ ৰীতি যোগ দিলে। বিশ্বকৰ্মাই ৰংগমঞ্চ সাজি উলিয়ালে। অভিনয়ৰ বাবে অপ্সৰা আৰু গন্ধৰ্বসকলক সৃষ্টি কৰা হ'ল। ব্ৰহ্মাই ৰচনা কৰা ত্ৰিপুৰ দাহ আৰু সমুদ্ৰ মন্থন সেই মঞ্চত অভিনয় কৰা হ'ল। পোনতে দেৱতাসকলৰ বিনোদনৰ বাবে আয়োজন নাট্যাভিনয় পিছলৈ মৰ্ত্যৰ মানৱৰ উপযোগী কৰি গঢ় দিয়া হয়। কোনো এক তপঃসিদ্ধ মুনিক উপলুঙা কৰি অভিশপ্ত হোৱা ভাৰতৰ পুত্ৰসকলে নটৰূপে পৃথিৱীত জন্ম গ্ৰহণ কৰি পৃথিৱীত নাট্যাভিনয়ৰ প্ৰচলন কৰে।

পৰম্পৰাগত মতবাদৰ পৰা বুজিব পাৰি যে নাট্যকলাৰ উৎপত্তিৰ অন্তৰালত দৈৱিক প্ৰভাৱ স্বীকাৰ কৰা হৈছিল আৰু দেৱ-দেৱীসকলৰ অৱদান স্বীকাৰ কৰা হৈছিল। চাৰিও বেদৰ পৰা উপাদান সংগ্ৰহ কৰি নাট্যকলা ৰচনা হৈছিল যদিও নাট্যাভিনয়ৰ বাবে সমাজৰ এক বিশেষ শ্ৰেণীৰ লোক নিয়োজিত হৈছিল।

**বীৰ পূজা**—মৃত বীৰসকলৰ সোঁৱৰণত অনুষ্ঠিত অভিনয় অনুষ্ঠানৰ পৰা ভাৰতীয় নাটকৰ উৎপত্তি হৈছিল বুলি ড° ৰিজৱে আদি পাশ্চাত্যৰ পণ্ডিতে অভিমত বুলি প্ৰকাশ কৰে। গ্ৰীক আৰু ভাৰতীয় সভ্যতাত প্ৰাচীন কালৰে পৰা মৃতকৰ গুণগান কৰা প্ৰথাৰ প্ৰচলন আছে। ৰামলীলা, কৃষ্ণলীলা আদি তেনে প্ৰথাৰ পৰিচায়ক বুলি এই চাম পণ্ডিতে যুক্তি উঠি ধৰে। কীথ আদি পণ্ডিতে এনে মতবাদ খণ্ডন কৰি কংসবধাদি নাটকৰ প্ৰাকৃতিক তা ৎপৰ্য ব্যাখ্যা কৰিছে।

**মে'পল সিদ্ধান্ত**— ইন্দ্ৰধ্বজ উৎসৱৰ অনেক বৈসাদৃশ্য লক্ষ্য কৰা যায়। সেয়ে শাস্ত্ৰীৰ এনে সিদ্ধান্তক গ্ৰহণযোগ্য নহয়।

**লীলা ভিত্তিক মতবাদ**— পোনতে কৃষ্ণলীলা আৰু পৰৱৰ্তীকালত ৰামলীলাক কেন্দ্ৰ কৰি সংস্কৃত নাটকৰ জন্ম হয় বুলি বিশ্বাস কৰা হয়। কৃষ্ণলীলাক কেন্দ্ৰ কৰি শূৰসেন দেশতে নাটক অভিনয় কৰা হয় বুলি ভবা হয়। নাটকত জনপ্ৰিয় প্ৰাকৃতৰ ব্যৱহাৰেও তেনে ইংগিত কৰে। অৱশ্যে কৃষ্ণ-সম্প্ৰদায়ৰ পটভূমিত ব্ৰজভাষাৰ বিকাশ ঘটা কথাটোৰেও সংস্কৃত নাটক বিকাশত সহায়ক হৈছে বুলি ভবাৰ থল আছে। কিন্তু ভাৰতীয় নাটক ইতিহাসৰ প্ৰথম স্তৰৰ নাটকবোৰৰ মাজত কৃষ্ণলীলা বিষয়ক নাটকৰ অভাৱে এই মতবাদৰ গ্ৰহণযোগ্যতা খণ্ডন কৰে।

**ধৰ্মনিৰপেক্ষ মতবাদ ঃ** মাইম—পণ্ডিত হিলেব্ৰাণ্ট আৰু ষ্টেনকোনোৱে অনুকৰণাত্মক প্ৰহসনৰ (maim) পৰা ভাৰতীয় নাটকৰ উদ্ভৱ হোৱা বুলি অভিমত আগবঢ়াইছে। এনে প্ৰহসনেৰে সৈতে মহাকাব্যৰ আবৃত্তি যোগ হৈ নাটকৰ জন্ম হোৱা বুলি ধাৰণা কৰা হৈছে। সংস্কৃত নাটকৰ বিষয়বস্তু প্ৰধানকৈ মহাকাব্যৰ পৰা আহৰণ কৰাৰ প্ৰতি লক্ষ্য ৰাখি এনে ধাৰণাত বিশ্বাস কৰা হয়। কিন্তু ড° কীথে এনে ধাৰণা অমূলক বুলি কৈ তেওঁৰ 'সংস্কৃত ড্ৰামা' নামৰ ইংৰাজী গ্ৰন্থত এই মত খণ্ডন কৰি কৈছে যে নাটকৰ উৎপত্তিৰ আগতে চৰিত্ৰানুকৰণাত্মক প্ৰহসন বা কৌতুকাভিনয়ৰ প্ৰচলন থকাৰ প্ৰমাণ পাবলৈ নাই।

**পুতলা নাচ**—জাৰ্মান পণ্ডিত ড° বিশ্চেলৰ মতে পুতলা নাচৰ পৰা ভাৰতীয় নাটকৰ উদ্ভৱ হয়। মহাভাৰত, কথা সৰিৎসাগৰ, ৰাজশেখৰৰ বালৰামায়ণ আদিত পুত্তলিকা, পুত্তিকা, পুত্ৰিকা, দাৰুময়ী, কাষ্ঠময়ী আদি পুতলা বাচক শব্দৰ ব্যৱহাৰ পোৱা যায়। তাৰ পৰা পুতলা নাচৰ ব্যাপক প্ৰচলনৰ কথা অনুমান কৰিব পাৰি। সংস্কৃত নাটকৰ সূত্ৰধাৰ শব্দটোও পুতলা নাচৰ পৰা লোৱা হৈছে বুলি ভবা হয়। কিন্তু নিৰ্জীৱ পুতলা নাচৰ পৰা ৰস-ভাৱ সম্বলিত নাটকৰ উৎপত্তি হোৱা বুলি পতিয়ন যোৱাটো টান। তদুপৰি পুতলা নাচ নিজে নাটকাভিনয়ৰ অনুকৰণ মাত্ৰ। তাৰ বিপৰীতে ইয়াৰ অনুকৰণত নাটক আৰু অভিনয়কলা উৎপত্তি হোৱা কথাষাৰ গ্ৰহণযোগ্য নহয়।

**ছায়া নাটক**—পণ্ডিত ল্যুগৰ্চৰ দৰে কোনো কোনোৱে ভাৰতীয় নাটকৰ উৎপত্তি ছায়া নাটকৰ পৰা হৈছে বুলি সিদ্ধান্ত দিছে। কিন্তু ভাৰতত ছায়া নাটকৰ প্ৰাচীনতা সিদ্ধ হোৱা নাই। 'দূতাংগদ' নামৰ ছায়া নাটকৰ উল্লেখ নাট্য তত্ত্ব বিষয়ক গ্ৰন্থত পোৱা যায় যদিও এনে নাট্যকলাৰ পৰম্পৰা ভাৰতত দেখা নাযায়। সেই সৰল আৰু ৰস-ভাৱ বৰ্জিত লোককলাৰ পৰা অভিজাত সংস্কৃত নাটকৰ উদ্ভৱ হৈছে বুলি ভাবিব নোৱাৰি। মাইম, পুতলা নাচ, ছায়া নাটক আদি কলা নাটকৰ পূৰ্বৱৰ্তী বুলি ভাবিব নোৱাৰি। বৰং নাটকাভিনয়ৰ অনুকৰণতহে এনেবোৰ কলাৰ জন্ম হৈছিল বুলি ভাবিবৰ থল আছে।

**সংবাদ-সূক্তৰ অৱদান**—পণ্ডিত মেক্সম্যুলাৰ আৰু চিলৱান লোৱাৰ মতে ঋগ্বেদত সঞ্চিত সংবাদ সূক্তবোৰত ধৰ্মীয় চৰিত্ৰ বিশিষ্ট নাটকৰ বীজ লুকাই আছে। ঋগ্বেদৰ সংবাদ সূক্তবোৰত ৰহস্যঘন নাটকৰ বীজ লুকাই আছে বুলি এই চাম পণ্ডিত মত প্ৰকাশ কৰে। ওল্ডেনবাৰ্গ আৰু ৱিণ্টাৰনিজেও সংবাসূক্তক দুটা ভাগ লক্ষ্য কৰিছে, যেনে বৰ্ণনাত্মক কাহিনী আৰু নাটকীয় সংলাপ। ইয়াৰে প্ৰথম ভাগৰ পৰা মহাকাব্য আৰু দ্বিতীয় ভাগৰ পৰা নাটকৰ উৎপত্তি হয় বুলি মন্তব্য কৰিছে।

বৈদিক ক্ৰিয়া কাণ্ডৰ মাজত অনেক নাটকীয় উপাদান বিচাৰি পোৱা যায়। নৃত্য, গীত আৰু সংলাপ এই তিনিটা নাটকৰ ঘাই উপাদান। বৈদিক সাহিত্যত এইবোৰ উপাদানৰ উপস্থিতি চকুত পৰে। বিবাহসূক্তত নৃত্যৰ উল্লেখ আছে। সামবেদত গীতৰ প্ৰাচুৰ্য বৰ্তমান। মহাব্ৰতানুষ্ঠানত অগ্নি পৰিক্ৰমণ কৰি যুৱতীসকলে নৃত্য কৰাৰ বিধান আছে। সোমক্ৰয়ৰ সময়ত ক্ৰেতা-বিক্ৰেতাৰ কাজিয়াৰ অভিনয়, বাজপেয়ত পুৰোহিত আৰু যজমান-পত্নীৰ লৌকিক সংলাপ, অশ্বমেধ যজ্ঞত মৃত ঘোঁৰাৰ ওচৰত ৰাজমহিষীৰ শয়নৰ অভিনয়, ৰাজসূয়ত পাশাখেল আৰু অভিষিক্ত ৰজাৰ জয়ৰ অভিনয়, বাজপেয়ত ৰজাৰ ৰথাৰোহণ আৰু দিগ্বিজয়ৰ অভিনয় আদিয়ে সম্ভৱতঃ পিছলৈ নাটকাভিনয় কৰিবলৈ উৎসাহী লোকক অনুপ্ৰেৰণা যোগাইছিল।

জাৰ্মান পণ্ডিত ৱেবাৰৰ দৰে চিন্তাবিদে নাটকৰ ওপৰত গ্ৰীক প্ৰভাৱ বিচাৰি পাইছে। সংস্কৃত নাটকত সঘনে ব্যৱহৃত যৱন, যৱনিকা আদি শব্দৰ উৎপত্তিলৈ লক্ষ্য কৰি সংস্কৃত নাটকৰ জন্ম আৰু বিকাশত গ্ৰীক নাটকৰ প্ৰভাৱ স্বীকাৰ কৰা হয়। কিন্তু ভাৰতীয় নাটকৰ ক্ষেত্ৰত মিলনান্ত বা বিয়োগান্ত নাটকৰ ধাৰণা নাই। গ্ৰীক নাটকৰ তিনি ঐক্যৰ বিয়োগান্ত নাটকৰ ধাৰণা নাই। গ্ৰীক নাটকৰ তিনি ঐক্যৰ ধাৰণাও সংস্কৃত নাটকত নাই। তদুপৰি ভাৰতীয় নাট্যশাস্ত্ৰৰ দ্বাৰা অনুমোদিত মঞ্চব্যৱস্থাও গ্ৰীক নাট্যাভিনয়ৰ ক্ষেত্ৰত দেখা নাযায়।

এনে অনেক বৈশাদৃশ্যৰ বাবে গ্ৰীক আৰু ভাৰতীয় নাটকৰ মাজত সম্বন্ধ স্থাপন কৰিব নোৱাৰি। মেকডনেল, পিশ্চেল আদি পণ্ডিতে ভাৰতীয় নাটকৰ উদ্ভৱত গ্ৰীক প্ৰভাৱ অস্বীকাৰ কৰিছে।

ওপৰত আগবঢ়োৱা বিভিন্ন মতবাদ যুক্তিযুক্ততা বিচাৰ কৰি চাই এনে সিদ্ধান্তলৈ আহিব পাৰি যে ভাৰতীয় সাহিত্যৰ বুকুতে সংস্কৃত নাটকে জন্ম লাভ কৰিছিল। বৈদিক সাহিত্য আৰু ক্ৰিয়া-কাণ্ডত নাটকৰ বীজ নিহিত হৈ আছিল আৰু পৰৱৰ্তী কালত প্ৰতিভাবান নাট্যকাৰসকলৰ হাতত স্থানীয় ৰং-ৰূপেৰে ভাৰতীয় নাটক সমৃদ্ধ হৈ নিজৰ জন্মভূমিৰ বিকাশ লাভ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সংস্কৃত নাটকৰ উৎস সম্বন্ধে ভাৰতীয় পৰম্পৰা কেনে ধাৰণাৰ প্ৰচলন আছে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

২। নাটকৰ উৎপত্তিত সংবাদসূত্ৰৰ অৱদান কেনেধৰণৰ ? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ২.৪ সংস্কৃত নাটকৰ প্ৰকাৰভেদ

প্ৰাচীন ভাৰতীয় সাহিত্যিতাত্ত্বিকসকলে কাব্যক দুটা ভাগত ভাগ কৰি আলোচনা কৰিছিল। শ্ৰব্যকাব্য আৰু দৃশ্যকাব্য। ৰূপক আৰু উপৰূপক ভেদে দৃশ্যকাব্যক দুটা ভাগত বিভক্ত। ৰূপক দহ প্ৰকাৰ যেনে— নাটক, প্ৰকৰণ, ভান, ব্যয়োগ, সমৱকাৰ, ডিম, ঈহামৃগ, অংক, বীথী আৰু প্ৰহসন। যেনে—

**ৰূপকৰ প্ৰকাৰ ভেদ**

নাটক প্ৰকৰণ ভান ব্যয়োগ ডিম অংক বীথী প্ৰহসন

সমৱকাৰ ঈহামৃগ

উক্ত প্ৰতিবিধ ৰূপকৰে সুকীয়া সুকীয়া লক্ষণ নাট্যশাস্ত্ৰত নিৰূপণ কৰি দিয়া হৈছে। উপৰূপককো তেনেদৰে ওঠৰটি প্ৰকাৰ নিৰ্দিষ্ট কৰি প্ৰতিবিধৰে স্বৰূপ-লক্ষণ নিৰূপণ কৰা হৈছে যেনে—

**উপৰূপক**

ত্ৰোটক সট্টক প্ৰস্থান কাব্য ৰাসক শ্ৰীগদিত বিলাসিকা প্ৰকৰণী ভনিকা

নাটিকা গোষ্ঠী নাট্যৰাসক উল্লাপ্য প্ৰেংখন সংলাপ শিল্পক দুৰ্মল্লিকা হল্লীশ

## ২.৫ নাট্যকাৰ ভাস

কালিদাসৰ পূৰ্বৱৰ্তী নাট্যকাৰসকলৰ ভিতৰত কেৱল ভাস বিৰচিত নাটকসমূহহে সম্পূৰ্ণকৈ পোৱা যায়। ঊনবিংশ শতিকাৰ অন্তিম পৰ্যায়লৈকে সংস্কৃত সাহিত্যৰ ভাসৰ নাম প্ৰসংগৰূপেহে পোৱা গৈছিল। কালিদাস, বাণভট্ট আদি সাহিত্যিকে নিজৰ নিজৰ সাহিত্যত নাট্যকাৰ ভাসৰ বিষয়ে সপ্ৰশংস উল্লেখ আগবঢ়াইছে।

আলঙ্কাৰিক ৰাজশেখৰেও ভাসৰ নাটকসমূহৰ ভিতৰত স্বপ্নবাসৱদত্তাৰ শ্ৰেষ্ঠত্বৰ কথা লিখিছে—

ভাস নাটক চক্ৰেপিচ্ছেকৈঃ ক্ষিপ্তে পৰীক্ষিতুম্।
স্বপ্নবাসৱদত্তস্য দাহ কোৎভুন্ন পাৱকঃ।।

দুখৰ কথা যে ৰাজশেখৰে উল্লেখ কৰা ভাস কবিৰ নাটক চক্ৰৰ নাটসমূহ এই শতিকাৰ ১ম দশকলৈ লোকচকুত পৰা নাছিল। সৌভাগ্য বশতঃ ১৯০৯ চনত কেৰেলাৰ ত্ৰিবান্দ্ৰমৰ পণ্ডিত গণপতি শাস্ত্ৰীয়ে তেৰখন নাটকৰ পাণ্ডুলিপি আৱিষ্কাৰ কৰে। ১৯১২ চনত শাস্ত্ৰী ডাঙৰীয়াই ত্ৰিবান্দ্ৰম গ্ৰন্থমেলাত এই নাটককেইখন প্ৰকাশ কৰে। উৎস অনুসৰি নাটককেইখন এনেদৰে ভগাব পাৰিঃ

(১) ৰামায়ণৰ আধাৰত ৰচিত ঃ (১) অভিষেক আৰু (২) প্ৰতিমা; (৩) মহাভাৰতৰ ওপৰত আধাৰিত ঃ (৩) মধ্যম ব্যায়োগ, (৪) দূতঘটোৎকচ, (৫) দূতবাক্য, (৬) কৰ্ণভাৰ (৭) উৰুভঙ্গ, আৰু (৮) পঞ্চৰাত্ৰ, (৩) ভাগৱততয়হৰিবংশৰ আধাৰত ৰচিত ঃ (৯) বালচৰিত; (৪) বৃহৎকথাৰ ওপৰত আধাৰিত ঃ (১০) স্বপ্নবাসৱদত্তা আৰু (১১) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ; (৫) জাতকৰ আধাৰত ৰচিত ঃ (১২) অবিমাৰক ঃ লোক কথাৰ আধাৰত ৰচিত; (১৩) চাৰুদত্ত।

(ক) উক্ত নাটকবোৰৰ মাজত কেতবোৰৰ গাঠনিক তাৎপৰ্যৰ সমতা দেখা পোৱা যায়ঃ যেনে—

(১) এই নাটকবোৰৰ প্ৰায়ভাগ 'নান্দ্যন্তে ততঃ প্ৰৱিশতি সূত্ৰধাৰ'ঃ এই নিৰ্দ্দশনাৰে আৰম্ভ হৈছে।

(২) কৰ্ণভাৰম্ নাটকৰ বাহিৰে সংস্কৃত নাটকত দেখা 'প্ৰস্তাৱনা'ৰ সলনি 'স্থাপনা'ৰ ব্যৱহাৰ চকুত পৰে।

(৩) কেউখন মান নাটকত (স্বপ্ন, প্ৰতিজ্ঞা, প্ৰতিমা, পঞ্চৰাত্ৰ) মঙ্গল শ্লোকত মুদ্ৰাংকাৰৰ মাজেৰে মুখপাত্ৰৰ উল্লেখ কৰিছে।

(৪) নাটকবোৰত নাট্যকাৰৰ নাম নাই।

(৫) প্ৰায়বোৰ নাটকৰ স্থাপনাত সূত্ৰধাৰে 'এব্ম্ আৰ্যমিশ্ৰান্ বিজ্ঞাপয়ামি। অয়ে কিন্নুখলুময়ি বিজ্ঞাপনব্যগ্ৰে শব্দ ইৱ শ্ৰূয়তে। অঙ্গ পশ্যামি' এইদৰে নাটক মুকলি কৰিছে।

(৬) নাটক কেইখনৰ ভৰত বাক্যত ৰাজসিংহৰ উল্লেখ কৰিছে ঃ ইমাং সাগৰ পৰ্যান্তাং হিমবদুবিন্ধ্যকুণ্ডলাম্।

(খ) নাটকচক্ৰৰ নাটকবোৰত নাট্য কৌশল কেতবোৰৰ সাম্য দেখা যায়। যেনে—

(১) কেইখন নাটকত ভৰতৰ নাট্য শাস্ত্ৰীয় বিধি উলঙ্ঘন কৰিছে।

(২) 'বালচৰিত'ত কংসাদিৰ বধ ৰঙ্গমঞ্চতে দেখুৱা হৈছে।

তদুপৰি নাটককেইখনত অন্তৰংগ সাম্য দেখা যায়।

(৩) স্বপ্নবাসৱদত্তাত শয়ন দেখুৱা হৈছে।

(৪) 'পঞ্চৰাত্ৰ'ত দুৰাহ্বানৰ দৃশ্য আছে।

(৫) স্বপ্নত আৰু বালচৰিতত পৰিচাৰকে ৰজাক 'স্বামী' নুবুলি 'আৰ্যপুত্ৰ' বুলি সম্বোধন কৰিছে।

(৬) নাটকবোৰ দ্ৰুতগামী। প্ৰায়ে সিবোৰত নিষ্ক্ৰম্য প্ৰবিশ্য নিৰ্দেশনা দেখা যায়।

(৭) আকাশভাষিতৰ দৰে স্বগতোৎক্তি প্ৰায়েই দেখা যায়।

(৮) কঞ্চুকী প্ৰভৃতিয়ে বিজ্ঞাপন দিবলৈ গৈ 'কইহ ভো কাঞ্চনতোৰণদ্বাৰমশূন্য কুৰুতে' আৰু 'নিবেদ্যতাং নিবেদ্যতাং মহাৰাজয়' আদি ৰচনা পোৱা যায়।

(৯) 'বিজয়'ৰ চৰিত্ৰ বহুকেইখন নাটকতে পোৱা যায়।

এনেকুৱা আৰু অনেক সাদৃশ্যই নাটকবোৰ যে একেহাতৰে কৃতি তাক বুজা যায়। স্বপ্নবাসৱদত্তাৰে যে ৰচক জন আনবোৰ নাটকৰো ৰচক তাক বুজা যায়।

**২.৬ ভাসৰ নাটকসমূহ**

**দূতবাক্য ঃ** পাণ্ডৱ পক্ষই সন্ধিৰ প্ৰস্তাৱ আগবঢ়াই কৃষ্ণক দূত হিচাপে কৌৰৱৰ ওচৰলৈ পঠায়। তাৰ ৰাজসভাত শ্ৰীকৃষ্ণ আৰু দুৰ্যোধনৰ মাজত বাদানুবাদ হয়। দুৰ্যোধনে শ্ৰীকৃষ্ণক বন্দী কৰিব কোৱাত শ্ৰীকৃষ্ণই বিশ্বৰূপ ধাৰণ কৰে। তেতিয়া ধৃতৰাষ্ট্ৰই শ্ৰীকৃষ্ণক স্তুতি কৰে আৰু কৃষ্ণক শান্ত কৰে। শান্তিৰ প্ৰয়াগ ব্যৰ্থ হয়। ই ব্যায়োগ শ্ৰেণীৰ।

**কৰ্ণভাৰম্ ঃ** এইখন নাটক ব্যায়োগ নে উৎসৃষ্টিকাঙ্ক সেই লৈ পণ্ডিতসকল একমত নহয়। নাটকত কৰ্ণৰ দানশীলতা বৰ্ণনা কৰিছে। কৰ্ণই শল্য চালিত ৰথত উঠি যুদ্ধ যাত্ৰা কৰে। এনেতে এজন প্ৰাকৃতভাষী ব্ৰাহ্মণে ডাঙৰ ভিক্ষা কৰে। কৰ্ণই তেওঁক গাই গৰু, হাতী, ঘোঁৰা আদি দিব খোজে। কিন্তু ব্ৰাহ্মণে সিবোৰ দান ল'বলৈ অমান্তি হয়। শেষত কৰ্ণই কবচ কুণ্ডল দিব খোজাত ব্ৰাহ্মণ সন্তুষ্ট হয়। ব্ৰাহ্মণে দান লৈ যোৱাৰ পিছত দেৱদূত এজনে শক্তি এপাত কৰ্ণক দিয়েহি। কৰ্ণই ভূ পায় যে ইন্দ্ৰই ছলনা কৰি কবচ হৰণ কৰি নিলে।

**মধ্যম ব্যায়োগ ঃ** এইখনো ব্যায়োগ শ্ৰেণীৰ নাটক। এই নাটকত ঘটোৎকচে মাকৰ প্ৰাতঃভোজনৰ বাবে এটা ব্ৰাহ্মণৰ ল'ৰাক ধৰি নিয়া সময়তে মধ্যম পাণ্ডৱ ভীমৰ মুখামুখী হয়। ভীমে ব্ৰাহ্মণ পুত্ৰক এৰি তেওঁক লৈ যাবলৈ কয়। এই লৈ দুই পিতা পুত্ৰৰ সংঘৰ্ষ হয়। শেষত দুয়ো গৈ হিড়িম্বাৰ ওচৰ পায়গৈ। হিড়িম্বা-ভীমৰ সমাগম নাটকৰ ইপ্সিত ফল।

**উৰুভঙ্গ ঃ** এইখনো ব্যায়োগ নে উৎসৃষ্টিকাঙ্ক তাকে লৈ পণ্ডিতসকল একমত নহয়। ইয়াৰ বিষ্কম্ভকত তিনিজন সৈনিক ভীম আৰু দুৰ্যোধনৰ মাজত লগা গদা যুদ্ধ বৰ্ণনা কৰে। মূল অঙ্কত আহত দুৰ্যোধনেৰে বলৰামৰ সাক্ষাৎ হয়। তাৰ পাছত ধৃতৰাষ্ট্ৰ প্ৰভৃতিয়ে দুৰ্যোধনক চাবলৈ আহে। পিছত অশ্বত্থামাই পাণ্ডৱক মাৰি দুৰ্জয়ক ৰজা পাতিব বুলি শপত খায়। দুৰ্যোধনৰ মৃত্যু হয়।

পঞ্চৰাত্ৰ ঃ ইয়াত তিনিটা অঙ্ক আছে। ই সমৱকাৰ শ্ৰেণীৰ নাটক। দুৰ্যোধনে এটা যজ্ঞ কৰে। যজ্ঞৰ অন্তত দুৰ্যোধনে দ্ৰোণক কিবা দান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। দ্ৰোণ,

পাণ্ডৱসকলক অৰ্ধৰাজ্য দিবলৈ কয়। পাণ্ডৱসকলক পাঁচ ৰাতিৰ ভিতৰত বিচাৰি আনি দিব পাৰিলে তেওঁলোকক দিব বুলি দুৰ্যোধনে কয়। সেইদৰে গো গ্ৰহণৰ সয়ত হোৱা যুদ্ধত পাণ্ডৱ সকলৰ আত্ম প্ৰকাশ হোৱাত দুৰ্যোধনে পাণ্ডৱক অৰ্ধৰাজ্য দান কৰে ই মহাভাৰতৰ পৰা পৃথক ঘটনা।

**বালচৰিত ঃ** ই এখন পাঁচ অঙ্কীয়া নাটক। ভাগবৎপুৰাণত প্ৰাপ্ত কৃষ্ণৰ বাল্যকালৰ ঘটনা কেতবোৰত উপজীব্য কৰি এই নাটকখন ৰচিত হৈছে। ১ম অঙ্কত কৃষ্ণ জন্ম, যশোদাৰ ঘৰত বালকক থৈ আহা। কংসৰ যোগমায়া বধ, দ্বিতীয় অঙ্কত দেখুৱা হৈছে। ৩য় অঙ্কত কৃষ্ণৰ বাল লীলা দেখুৱা হৈছে। ৪ৰ্থ অংকত কালীয় দমন, ৫ম অঙ্কত চানুৰ মুষ্টিকৰে কৃষ্ণ-বলৰামৰ যুদ্ধ, কংসবধ, উগ্ৰসেনৰ পুনৰাভিষেক আদি ঘটনা বৰ্ণিত হৈছে। কৃষ্ণৰ গুণানুকীৰ্তনেৰে নাটক শেষ হৈছে।

**অভিষেক ঃ** ই ছয় অঙ্কৰ নাটক। ইয়াৰ কথা বস্তু ৰামায়ণৰ কিয়দংশ। ৰামায়ণৰ কিষ্কিন্ধ্যা, সুন্দৰ আৰু যুদ্ধ কাণ্ডৰ ঘটনা ইাৰ উপজীব্য। নাটকৰ বালিবধৰ দৃশ্য, ২য় অঙ্কত হনুমানৰ সাগৰ লঙঘন আৰু লঙ্কাত সীতাৰে সাক্ষাতৰ ঘটনা আছে। ৩য় অংকত হনুমানক বন্দী কৰে। বিভীষণক লঙ্কাৰপৰা বহিষ্কাৰ কৰে। তেওঁ ৰামত শৰণ লয়। ৪ৰ্থ অঙ্কত ৰামৰ লঙ্কা প্ৰবেশ, ৫ম অঙ্কত ৰাৱণে সীতা জয় কৰিবলৈ চেষ্টা কৰে। ৬ষ্ঠ অংকত ৰাৱণক ৰামে বধ কৰে। সেই অঙ্কতে ৰামৰ অভিষেক হয়।

নাটকখন বীৰৰস প্ৰধান। ইয়াত ৰামক বিষ্ণুৰ অৱতাৰ বুলি গণ্য কৰা হৈছে।

**প্ৰতিমা ঃ** ই সাত অঙ্কীয়া নাটক। ইয়াৰ ঘটনাভাগ ৰামায়ণত পোৱা সীতা হৰণৰ পৰা ৰাৱণ বধলৈ সম্প্ৰসাৰিত। ১ম অঙ্কত ৰামৰ বনলৈ গমন আৰু ২য় অঙ্কত দশৰথৰ মৃত্যু বৰ্ণিত হৈছে। ৩য় অঙ্কত ভৰতৰ প্ৰতিমা দৰ্শন দেখুৱা হৈছে। ৪ৰ্থ অংকত ৰাম আৰু ভৰতৰ মাজত দেখা সাক্ষাৎ হয়। ৫ম অংকত ছদ্মবেশী সীতাক হৰণ কৰে। ৬ষ্ঠ অংকৰ আদিতে ৰাৱণৰ অস্ত্ৰাঘাতত জটায়ুৰ মৃত্যু হ'ল। মূল অংকত সীতাক ৰাৱণে হৰণ কৰা জানি ভৰতে ৰাৱণৰে যুদ্ধ কৰিবলৈ ব্যাপক আয়োজন কৰে। ৭ম অংকত ৰাৱণক বধ কৰি ৰামে জন্মস্থানত উপস্থিত। তালৈ মাতৃসকলোৰে সৈতে ভৰত তালৈ আহে আৰু হাতত ৰাজ্যভাৰ প্ৰত্যাৰ্পণ কৰে।

**অৱিমাৰক ঃ** ই ছয় অঙ্কীয়া নাটক। ই জাতকৰ সাধুৰ ওপৰত ভেটি কৰি ৰচিত। ইয়াত ৰজা কুন্তিভোজৰ কন্যা আৰু মহাৰাজ সৌবিৰৰ পুত্ৰ অবিমাৰৰ প্ৰণয় কথা বৰ্ণিত হৈছে। অবিমাৰকে এটা হাতীৰ কবলৰ পৰা কুৰঙ্গীক ৰক্ষা কৰে। তাৰ ফলত কুৰঙ্গী অবিমাৰকৰ প্ৰেমত পৰে। তেওঁলোকৰ প্ৰেম গোপনে চলি থাকে। ৩য় অঙ্কত তেওঁলোকৰ গোপন মিলয়। ৫ ম অঙ্কত বিৰহপীড়িত কুৰঙ্গীয়ে আত্মহত্যা কৰিবলৈ উদ্যত হয়। অৱিমাৰক উপস্থিত হৈ তেওঁক ৰক্ষা কৰে। ৬ষ্ঠ অঙ্কত কাশীৰ ৰাজকুমাৰে কুৰঙ্গীৰ পাণি গ্ৰহণ কৰিবলৈ আহে। এনে সময়তে সৌবিৰ ৰাজে অভিশাপ মুক্ত হৈ কুন্তীভোজক দেখা কৰে। আটায়ে অৱিমাৰকৰ আন্তৰ্ধানত বিস্মিত হয়। তেতিয়া দেবৰ্ষি নাৰদ উপস্থিত হয় আৰু অৱিমাৰক ৰাজপুৰীতে আছে বুলি সকলো কথা কয়। তাৰ পাছত কুৰঙ্গী আৰু অৱিমাৰকৰ বিয়া হয়।

বিভিন্ন ৰসান্বিত নাটকখন অভিনৱ বুলি সমাদ্রিত হয়।

**প্রতিজ্ঞা যৌগন্ধৰায়ণ ঃ** এই চাৰি অঙ্কীয়া নাটকখন বৃহৎকথাৰ ওপৰত ভেটি কৰি ৰচিত। ভাসে উদয়ন কথাক উপজীব্য কৰি প্রতিজ্ঞাযৌগন্ধৰায়ণ আৰু স্বপ্নবাসৱদত্তা ৰচনা কৰে। এই নাটকৰ ১ম অঙ্কত উদয়ন হাতীচিকাৰলৈ যায়। তাতে চিন্তিত হৈ মন্ত্রী যৌগন্ধৰায়ণে ৰজাৰ সুৰক্ষাৰ ব্যৱস্থা কৰে। এনে অৱস্থাতে ৰজাৰ গা-ৰখীয়া এজন সৈনিকে মন্ত্রীক জনাই যে উজ্জয়িনীৰ ৰজা প্রদ্যোতৰ সৈনিকে বন্দী কৰি নিছে। তেতিয়া মন্ত্রীজনে ৰজাক উদ্ধাৰ কৰিবলৈ আয়োজন কৰে। ২য় অংকত ৰজা প্রদ্যোত আৰু ৰাণী অঙ্গৰাৱতীয়ে বাসৱদত্তাৰ বিয়াৰ বিষয়ে আলোচনাকৰি থাকোতে এজন বিষয়াই জনালেহি যে ৰজা উদয়নক বন্দী কৰি অনা হৈছে। তৃতীয় অঙ্কত যৌগন্ধাৰায়ণে বিদূষক বসন্তকে উদয়নক উদ্ধাৰৰ মন্ত্রণা কৰে। ৪ৰ্থ অঙ্কত উদয়ন আৰু বাসৱদত্তই ভদ্রাৱতী উদয়নক অনুসৰণ কৰিবলৈ যোৱাত যৌগন্ধৰায়ণে তাত বাধা দিবলৈ গৈ বন্দী হয়। পিছত মহাসেনে উদয়ন বাসৱদত্তাৰ মিলন আৰু মুক্তি স্বীকাৰ কৰি লয় আৰু যৌগন্ধৰায়ণক মুকলি কৰি ভৃঙ্গাৰ যাচি সন্মান জনায়।

এই নাটকক নাট্যকাৰৰ শ্রেষ্ঠ নাটক স্বপ্ন-বাসৱদত্তাৰ পূৰ্ব-পীথকা বুলিব পাৰি। নাটকখন বীৰ ৰস প্রধান।

**স্বপ্নবাসৱদত্তা ঃ** এইখন ভাসৰ শ্রেষ্ঠ নাটক। ইও উদয়ন কথা। প্রতিজ্ঞা যৌগন্ধৰায়ণৰ পৰৱৰ্তী কথা।

উদয়নে বাসৱদত্তক হৰণ কৰি আনি বিয়া কৰিলে আৰু তেওঁ বাসৱদত্তাৰ প্রতি আসক্ত হৈ পৰিল। তেওঁ ৰাজকৰ্মবোৰ প্রতি আওকনীয়া হ'ল। সুযোগ বুজি সামন্ত ৰজা আৰুণিয়ে ৰাজ্যৰ একাংশ গ্রাস কৰিলে। তাকে দেখি যৌগন্ধৰায়ণে ৰাজ্য উদ্ধাৰৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিলে। তেওঁ বাসৱদত্তাৰ সমৰ্থন আদায় কৰি মগধৰ ৰাজকন্যাক উদয়নলৈ বিয়া কৰাই মগধৰ সহায়ত ৰাজ্যৰ হূত অঞ্চলটো উদ্ধাৰৰ আঁচনি ল'লে। এই আঁচনি কাৰ্যকৰি কৰিবলৈ লোৱা পদক্ষেপ লোৱা কথাৰ ভেটিতে নাটক প্রস্তুত হৈছে।

নাটকৰ ১ ম অঙ্কত পৰিব্রাজকৰ বেশত যৌগন্ধৰায়ণ আৰু আৱন্তিকাৰ বেশত বাসৱদত্তাই লাবাণকৰপৰা গৈ মগধৰ ৰাজগৃহৰ ওচৰত থকা তপোবনত উপস্থিত হয়। আনহাতে ৰাজকুমাৰী পদ্মাৱতীয়ে লিগিৰী আৰু আন লোকৰ সৈতে তপোবনত থকা ৰাজমাতাক দেখা কৰিবলৈ আহে। ৰাজকুমাৰীয়ে প্রাৰ্থীসকলক কাক কি লাগে মাগি ল'বলৈ আহ্বান জনোৱাত পৰিব্রাজকৰ বেশত থকা যৌগন্ধৰায়ণে তেওঁৰ ওচৰলৈ গৈ নিজৰ ভনীয়েক বুলি পৰিচয় দি আৱন্তিকা বেশিনী বাসৱদত্তাক ন্যাসৰূপে কিছুদিন ৰাখিবলৈ অনুৰোধ কৰিলে। পদ্মাৱতী তেওঁৰ কথাত সন্মত হ'ল। এনেতে লাবাণকৰ পৰা এজন ব্রহ্মচাৰী তাত ওলালহি। তেওঁ ক'লে যে যৌগন্ধাৰায়ণ আৰু বাসৱদত্তা অগ্নিদগ্ধা হৈ মৃত্যু বৰণ কৰাত উদয়ন শোকাতুৰ হৈ পৰিছে। ২য় অংকত পদ্মাৱতীয়ে কন্দুক খেলি থকা সময়ত এজনী চেটীয়ে জনালেহি যে উদয়ন আৰু পদ্মাৱতীৰ বিয়াৰ বন্দোবস্ত হৈছে। তাকে শুনি বাসৱদত্তাৰ মনত অন্তৰ্দ্বন্দ্ব উপস্থিত হ'ল। তৃতীয় অঙ্কত পদ্মাৱতীৰ বিয়াৰ আয়োজন হয়। মহাৰাণীৰ ইচ্ছানুসৰি বাসৱদত্তাই বিয়াৰ মঙ্গলমালা গাঁথিবলগীয়া হ'ল। পতিৰ বিৰহত ম্রিয়মান বাসৱদত্তাই সেই কাম নিয়াৰিকৈ কৰিলে।

চতুৰ্থ অঙ্কত উপবনত বিচৰণ কৰা সময়তে পদ্মাৱতীয়ে পতি উদয়ন তেতিয়াও বাসৱদত্তাত আসক্তা বুলি জানিব পাৰিলে।

পঞ্চম অঙ্কত তাৰ ফলত তেওঁৰ মূৰ বিষায়। সেয়ে তেওঁৰ বাবে সমুদ্ৰগৃহত শয্যা প্ৰস্তুত কৰি এহাতে আৱন্তিকাক আৰু আনহাতে ৰজাক পদ্মাৱতীৰ অসুখৰ কথা জনোৱা হয়। পোনতে ৰজাই গৈ উক্ত শয্যাত শুই পদ্মাৱতীলৈ অপেক্ষা কৰে। এনেতে বাসৱদত্তাই পৰিস্থিতি বুজি ৰজাৰ প্ৰশ্নৰ উত্তৰ দিয়ে। ৰজাৰ হাত তুলি দি বাসৱদত্তাই ওলাই যোৱাত ৰজাই সাৰ পাই বাসৱদত্তাক বিচাৰে। এনেতে বসন্তক আহি ওলাই ৰজাৰ ভ্ৰম (?) আঁতৰাবলৈ যত্ন কৰে।

৫ ম অঙ্কৰ শেহলৈ ৰাজ্যোদ্ধাৰৰ বাবে ৰজা উদয়নক সচেষ্ট হ'বলৈ কোৱা হয়। তাৰ পাছত ৰাজ্য উদ্ধাৰ হোৱা বতৰাও জনা যায়।

৬ষ্ঠ অঙ্কত উজ্জয়িনীৰপৰা অহা চেটী কঞ্চুকীৰ সমুখতে পৰিব্ৰাজক বেশী যৌগন্ধৰায়ণে ৰাজসভাত উপস্থিত হৈ পদ্মাৱতীৰ পৰা ন্যাস ৰূপা আবন্তিকাক ঘূৰাই পাব বিচাৰে। তাতে সকলো ৰহস্য ভেদ হয়। উদয়ন আৰু বাসৱদত্তাৰ পুনৰ্মিলন হয়।

নাটকখনে ভাসৰ কথা বস্তু উপস্থাপনৰ কৌশল প্ৰদৰ্শন কৰে। ১ম, ৫ম, ৬ষ্ঠ অঙ্ক কেইটা নাটকীয় কলা-কৌশল চমকপ্ৰদ। নাটকত ৰস, অলংকাৰ, ছন্দ আদিৰ সুষম ব্যৱহাৰ চকুত পৰে।

**চাৰুদত্ত ঃ** এই নাটকখনকে ভাসৰ অন্তিম ৰচনা বুলি কোৱা হয়। ইয়াত চাৰিটা অঙ্ক আছে। নাটকখন হঠাতে শেষ হৈছে।

নাটকৰ কথাবস্তু এনেকুৱা ঃ চাৰুদত্ত নামে এক ব্ৰাহ্মণ সাউদে যথা সৰ্বস্ব হেৰুৱাই চৰিত্ৰমাত্ৰ সাৱোগত কৰি উজ্জয়িনীত বাস কৰে। নগৰৰ শ্ৰেষ্ঠা গণিকা বসন্তসেনা তেওঁৰ প্ৰতি অনুৰক্তা। এদিনাখন তেওঁ ৰাজপথেৰে যাওঁতে বিটক লগত লৈ নষ্ট চৰিত্ৰ ৰাজশ্যালক শকাৰে তেওঁৰ পিছ লয়। বসন্তসেনাই সিহঁতৰ হাত সাৰিবলৈ চাৰুদত্তৰ ঘৰত প্ৰবেশ কৰে। বসন্তসেনাই চাৰুদত্তৰ হাততে অলংকাৰবোৰ থৈ মৈত্ৰেয়ৰ সহায়ত ঘৰলৈ যায়। (১ম অঙ্ক)

আন এদিন চাৰুদত্তাৰ সংবাহকে পাশা খেলত হাৰি দূত্যকাৰৰ ভয়ত বসন্তসেনাৰ ঘৰত সোমাই চাৰুদত্তৰ প্ৰশংসাপৰ কথা কয়। বসন্তসেনাৰ ভৃত্য এজনেও চাৰুদত্তৰ বদান্যৰ কথা কয়। তেতিয়া বসন্তসেনা চাৰুদত্তৰ প্ৰতি অধিক অনুৰক্তা হয়।

ইতিমধ্যে বসন্তসেনৰ পৰিচাৰিকা মদনিকাৰ প্ৰেমাভিলাষী সজ্জলকে প্ৰেয়সীক মুকলি কৰিবলৈ চাৰুদত্তৰ ঘৰত সোমাই বসন্তসেনাই তাত এৰি অহা অলংকাৰ চুৰি কৰি আনে। তাকে দেখি মদনিকাই তেওঁক ভৎৰ্সনা কৰে আৰু অলংকাৰবোৰ চাৰুদত্তই গণিকালৈ দি পঠোৱা বুলি ক'বলৈ দিহা দিয়ে। বসন্তসেনাই আঁৰৰপৰা সেই কথা শুনে। তাৰ মাজতে বিদূষক মৈত্ৰেয়ই বসন্তসেনাৰ অলংকাৰ চাৰুদত্তই জুৱাত হাৰিছে বুলি কৈ চাৰুদত্তৰ পত্নীৰ ৰত্নাৱলী হাৰ দি থৈ যায়। এনেতে সজ্জলকেও বসন্তসেনাৰ অলংকাৰ চাৰুদত্তই দি পঠোৱা বুলি আনি দিয়ে। তাৰ পিছতে তেওঁ চাৰুদত্তৰ ওচৰলৈ যাবলৈ ওলায়। এনেতে নাটকৰ সমাপ্তি ঘটে। চাৰুদত্তৰ কাহিনী লোককথাৰ ওপৰত ভেটি কৰা। ই নাটকৰ কথা চাতুৰ্য প্ৰকাশ কৰে। চৰিত্ৰসমূহ মানৱীয় গুণ সম্পন্ন। শৃঙ্গাৰ ৰসাত্মক নাটকৰ সংলাপ সমূহ সাবলীল।

ভাস কবি সংস্কৃতৰ নাটকৰ বাটকটীয়া হ'লেও তেওঁক প্ৰথমজন নাট্যকাৰ বুলি ক'বলৈ টান। তেওঁৰ পৈণত ৰচনা উদ্ভৱ কালৰ অপূৰ্ণতা ধৰা পেলাব নোৱাৰি। কিন্তু ভাসৰ পূৰ্বৱৰ্তী কোনো নাটক উপলব্ধ নোহোৱাৰ বাবে ভাস কবি পৰৱৰ্তী মহান সংস্কৃত নাট্যকাৰসকলৰ বাবে পথিকৃত হৈ ৰ'ল।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ত্ৰিবান্দম নাটকমালা বুলিলে কি বুজায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................................................

.....................................................................................................

## ২.৭ কালিদাসৰ নাটক

ফলে ফুলে জাতিষ্কাৰ হৈ উঠাৰ দৰে কালিদাসৰ সমাগমে সংস্কৃত সাহিত্যক নতুন সাজপাৰ, নতুন ভাব, নতুন বিচাৰ আৰু নতুন পদ্ধতিৰ দ্বাৰা মনোগ্ৰাহী কৰি তুলিছে। কালিদাসৰ সম্বন্ধে মহাকবি 'গেটে'ৰ ভাবৰাশিক বিশ্বকবি ৰবীন্দ্ৰনাথে এইদৰে শব্দত প্ৰকাশ কৰিছে— "স্বৰ্গ আৰু মৰ্ত্যৰ যি এই মিলন, তাক কালিদাসে সহজতেই সম্পাদিত কৰিছে। এওঁ ফুলক সহজ ভাবৰ দ্বাৰা ফলত পৰিণত কৰিছে, মৰ্ত্যৰ সীমাক এওঁ এইদৰে স্বৰ্গৰ লগত মিলাই দিছে, তাৰ ভেদাভেদ কাৰো অনুভৱ নহয়।"

ইংৰাজী সাহিত্যত চেক্সপিয়েৰ সৰ্বোচ্চ কবি আৰু নাট্যকাৰ হিচাপে পৰিগণিত। যিদৰে চেক্সপিয়েৰৰ নাটকত মহাৰাণী এলিজাবেথৰ সময়ৰ সাহিত্যসমৃদ্ধি ভৰপুৰ, ঠিক সেইদৰে কালিদাসৰ নাটকতো তৎকালীন ভাৰতৰ জনজীৱনৰ অনুভূতি মূৰ্তৰূপে বিৰাজমান। চেক্সপিয়েৰ আৰু কালিদাস দুয়োজন মহান কবি আৰু নাট্যকাৰ। এওঁলোকৰ অসাধাৰণ কৃতিত্ব আজিও কাব্যপ্ৰেমী বিদ্বৎ সমাজৰ মাজত সুপৰিচিত।

**কালিদাসৰ নাটকাৱলী ঃ** কালিদাসে 'মালবিকাগ্নিমিত্ৰম্' 'বিক্ৰৰ্মোবশীয়ম্' আৰু অভিজ্ঞান শকুন্তলম্' নামৰতিনিখন নাট্য সাহিত্য লিখি সংস্কৃত সাহিত্যৰ ভৰাল টনকিয়াল কৰে। 'মালবিকাগ্নিত্ৰম্' কালিদাসৰ প্ৰথম ৰচনা। সেয়েহে ইয়াত কবিৰ নাটকৌশলৰ গভীৰ দৃষ্টিভঙ্গীৰ অভাৱ। ইয়াত দেহজ প্ৰেমৰ চিত্ৰণহে অঙ্কন কৰা হৈছে, আধ্যাত্মিকতা প্ৰেমৰ গোন্ধ নাই। বিক্ৰমোৰ্বশীয়মত কালিদাসৰ প্ৰতিভাৰ পূৰ্বাপেক্ষা অধিক বিকাশ হৈছে। ই কালিদাসৰ দ্বিতীয় নাটক। ইয়াত ইন্দ্ৰিয়জ প্ৰেমৰ গুৰুত্ব বেছিকৈ আৰোপ কৰিছে যদিও বিষয়বস্তু, প্ৰকাশভংগী, ভাষাৰ প্ৰয়োগ আৰু প্ৰাকৃতিক চিত্ৰণৰ ফালৰপৰা মালবিকাগ্নিমিত্ৰম্তকৈ ভালেখিনি উচ্চখাপৰ। শকুন্তলাত কালিদাসৰ পৌঢ় কবি-কৌশলতা প্ৰস্ফুটিত হৈছে। এতেকে ই কালিদাসৰ শেষ ৰচনা। ইয়াত কবিয়ে দেহজ প্ৰেমক অতীন্দ্ৰিয় প্ৰেমলৈ ৰূপান্তৰ কৰাত কৃতকাৰ্যতা লাভ কৰিছে।

১। মালবিকাগ্নিমিত্ৰম্ ঃ ই পাঁচটা অঙ্কৰ সমষ্টি। ইয়াত সুঙ্গবংশী ৰজা অগ্নিমিত্ৰ তথা মালবিকাৰ প্ৰেমকাহিনী নিবদ্ধ কৰা আছে। ৰজাৰ পত্নীসকলৰ মাজত ঈৰ্ষা, ৰজাৰ কামপৰায়ণতা, প্ৰধান মহিষী ধাৰিণীৰ ধীৰতা তথা চতুৰতা আদি বিষয় অতি সুন্দৰভাৱে দেখুৱাইছে।

প্ৰথম অঙ্কত ৰজা অগ্নিমিত্ৰ বিদুষকৰ চিন্তাত ব্যাকুল। ক্ষন্তেক পিচত বিদূষক গৌতমৰ প্ৰৱেশ। তেওঁ মালবিকাৰ লগত বজাৰ কি উপায়ে সাক্ষাৎ সম্ভৱ হ'ব সেই কথা ৰজাক কয়। বিদূষকৰ যুক্তিৰ প্ৰতিক্ৰিয়াস্বৰূপে ৰজাৰ ৰঙ্গশালাৰ আচাৰ্য্য গণদাস আৰু হৰদত্তই কাজিয়া কৰি কৰি মঞ্চত প্ৰৱেশ কৰে। সিহঁতৰ ভিতৰত কোন জন শ্ৰেষ্ঠ তাৰ সিদ্ধান্ত বিচাৰি দুয়ো ৰজাৰ ওচৰত উপস্থিত হয়। আচাৰ্য হৰদত্ত আছিল ৰজাৰ বিশ্বাসপাত্ৰ আৰু অচাৰ্য গণদাস আছিল মহাৰাণী ধাৰিণীৰ বিশ্বাস পাত্ৰ। ৰজাই বিচাৰত পক্ষপাতিত্ব কৰিব বুলি সন্দেহ কৰি ভগৱতী কৌশিকী নামৰ এজনী সন্ন্যাসিনীক বিচাৰপৰি পাতে। তেওঁলোকৰ শ্ৰেষ্ঠত্ব নিজ নিজ শিষ্যসকলৰ কলা-প্ৰদৰ্শনৰ দ্বাৰা নিৰ্ণয় কৰিব বুলি ভগৱতী কৌশিকী ৰায় দিলে। মহাৰাণী ধাৰিণী যিকোনো ৰূপত মালবিকা ৰজাৰ দৃষ্টি গোচৰ হোৱাটো প্ৰচন্দ কৰা নাছিল। কিন্তু এতিয়া কি হ'ব?

দ্বিতীয় অঙ্কৰ আৰম্ভ সুসজ্জিত ৰঙ্গশালৰ দৃশ্যৰপৰা হয়। মালবিকাৰ নৃত্যপ্ৰদৰ্শনৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি গণদাসৰ শ্ৰেষ্ঠত্ব প্ৰমাণিত হয়। নৃত্যৰ আয়োজনৰ সময়ত মহাৰাণী ধাৰিণী চিন্তাত নিমগ্ন। তেওঁৰ চিন্তা আছিল অতি সোনকালে মালবিকাক ৰজাৰ পৰা আঁতৰাই পঠোৱাটো। ইপিনে ৰজা আৰুমালবিকা পৰস্পৰে পৰস্পৰৰ প্ৰতি আসক্ত হয়।

তৃতীয় অংকত মধুকৰিকা আৰু সমাহিতিকাৰ দ্বাৰা আমি এইটো পাওঁ মালবিকা অত্যধিক উদাসীন। অগ্নিমিত্ৰ তেওঁৰ প্ৰতি ব্যাকুল। ইয়াৰ পিচত মালবিকাক উদ্যানত ফুলৰ মালা গাঠি থকা দেখা যায়। সেই সময়ত বিদূষকক লগত লৈ ৰজাই সৰুৰাণী ইৰাৱতীক প্ৰতীক্ষা কৰি উদ্যানত প্ৰৱেশ কৰে। ইৰাৱতী ইয়াতে লুকাই আছিল। অগ্নিমিত্ৰৰ মালবিকাৰ লগত মিলনৰ বাটত ইৰাৱতীয়ে প্ৰাচীৰৰূপে থিয় দিয়ে। ইয়াৰ ভিতৰতে এদিনাখন প্ৰমোদবনত দোহদপূৰণৰ সময়ত বাণী ধাৰিণীৰ ভৰিৰ বিষ হোৱাত মালবিকাক তালৈ পঠাই দিয়ে। ইৰাৱতীয়ে আহি ৰজাক কটুবাক্য শুনাই গুচি যায়।

চতুৰ্থ অঙ্কত, ৰজাৰ সৈতে মালবিকাক মিলন কৰি দিয়াৰ নিমিত্তে বকুলাবলিকা প্ৰযত্নশীল। মহাৰাণী ধাৰিণীয়ে সেই কথা গম পাই মালবিকা আৰু বকুলাববিলাক গুপ্ত কোঠাত বন্দি কৰি থলে। গুপ্ত কোঠাৰপৰা দুয়োজনীক উদ্ধাৰ কৰি অনাৰ নিমিত্তে বিদূষকে এটা বুদ্ধি সাজিলে। তেওঁক সৰ্পই দংশন কৰাৰ ভাওঁ কৰি মহাৰাণী ধাৰিণীৰপৰা বিষনাশক আঙুঠিটো লাভ কৰিলে আৰু সেই আঙুঠিয়ে গুপ্তকোঠা খুলি দুয়োজনীকে মুক্তি দিলে।

পঞ্চম অঙ্কত মালবিকা বিদৰ্ভৰাজ মাধৱসেনৰ ভনী আৰু কৌশিলী মন্ত্ৰীৰ ভনী বুলি পৰিচিত হয়। ইয়াৰ আগলৈকে তেওঁলোকৰ পৰিচয় গুপ্তভাৱে আছিল। তেওঁলোকৰ পৰিচয় অৱগত হোৱাত মহাৰাণী ধাৰিণীৰ সম্মতিক্ৰমে মালবিকা আৰু অগ্নিমিত্ৰৰ বিবাহ সম্পন্ন হয়।

**নাটকীয় সংবিধান—** 'মালবিকাগ্নিমিত্ৰ' কালিদাসৰ প্ৰথম নাটক। ইয়াৰ নায়ক অগ্নিমিত্ৰ। অগ্নিমিত্ৰ আছিল মৌৰ্য্যৰজা বৃহদ্ৰথৰ সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ।

মালবিকাগ্নিমিত্ৰত 'ঘটনা-ঐক্য' প্ৰতীয়মান। ইয়াৰ কথা-বস্তুৰ প্ৰত্যেক পৰিস্থিতি আৰু প্ৰত্যেক অৱস্থাত অগ্নিমিত্ৰৰ প্ৰেম-সিদ্ধিৰ বাবে প্ৰযত্ন কৰা দেখা গৈছে। ইয়াত অবান্তৰ আৰু প্ৰতিকূল ঘটনাৰও সমাবেশ ঘটিছে। কিন্তু আটাইবোৰ ঘটনা মুখ্য ঘটনাৰ সহায়ক। ইয়াত চৰিত্ৰবোৰৰ পূৰ্ণবিকাশ দেখা নাযায়।

**নাটকীয় কলা-কৌশল**ৰ ফালৰপৰা নাটকখন উচ্চাখাপৰ বুলি কৰিব নোৱাৰি। কবিয়ে মালবিকাৰ চৰিত্ৰ সুন্দৰভাৱে চিত্ৰিত কৰিবৰ প্ৰয়াস কৰা নাই। কিন্তু নাচগানৰ মাজেদি কৌশিকীৰ চৰিত্ৰ ভালদৰে ফুটাই তুলিব পাৰিছে। নাটকত বিদূষকে সাধাৰণতে যি হাঁহিৰ খোৰাক যোগায়, মালবিকাগ্নিমিত্ৰত তাক কৰিব পৰা নাই। নাৰী-চৰিত্ৰৰ ভিতৰত অকল কৌশিকীয়ে সংস্কৃত ভাষা ব্যৱহাৰ কৰিছে।

ৰাজপ্ৰসাদৰ ভিতৰ চ'ৰাত গুপ্তপ্ৰেমৰ লীলাখেলা বিৰাজমান। ৰজাৰ মালবিকাৰ প্ৰতি যি আকৰ্ষণ তাত দৈহিক প্ৰেমৰ চিত্ৰণহে অঙ্কিত হৈছে, আদৰ্শ প্ৰেমৰ নহয়। ৰজাৰ বন্ধু বিদূষকৰ মধ্যস্থতাত সৰ্বশেষত সকলো বাধা-বিঘিনী অতিক্ৰম কৰি অগ্নিমিত্ৰৰ মালবিকাৰ লগত মিলনৰ বাট মুকলি হ'ল।

২। **বিক্ৰমোৰ্বশীয়ম্**— নাটকৰ প্ৰথম অংকত ভগবান শঙ্কৰক অৰ্চনা কৰি উৰ্বশী কৈলাশ পৰ্বতৰপৰা ইন্দ্ৰলোকলৈ উভতি আহে। উভতি আহোতে বাটোতে তেওঁক কেশী নামৰ এটা ভয়ঙ্কৰ দৈত্যই আক্ৰমণ কৰে। উৰ্বশীয়ে আৰ্তনাদ কৰাত, সেই কৰুণ ক্ৰন্দনৰ ধ্বনি ৰজা পুৰুৰবাৰ কাণত পৰিল। ৰজাই যুদ্ধ কৰি উৰ্বশীক দৈত্যৰ কৱলৰপৰা ৰক্ষা কৰে। ইয়াতে উৰ্বশী আৰু পুৰুৰবা পৰস্পৰে পৰস্পৰৰ প্ৰতি আসক্ত হয়।

দ্বিতীয় অঙ্কত ৰজাই তেওঁৰ অনুৰাগৰ বৃত্তান্ত বিদূষকক কয়। উৰ্বশী আৰু তেওঁৰ সখী চিত্ৰলেখাই লুকাই থাকি ৰজা আৰু বিদূষকৰ কথা-বতৰা শুনি আছিল। উৰ্বশীয়ে গছৰ পাতত প্ৰেম-পত্ৰ লিখি ৰজাৰ গালৈ দলিয়াই দিয়ে। বিদূষকৰ অসাৱধানতাত চিঠিখন ৰজাৰ পাটমাদৈ ঔশীনৰীৰ ভৰিৰ ওচৰত পৰে। তেওঁ চিঠিখন পঢ়ি খঙত পুৰুৰবাক ভৰ্ৎসনা কৰে। শেষত পুৰুৰবাৰ অনুনয়ত ঔশীনৰী শান্ত হয়।

তৃতীয় অঙ্কত ভৰত মুনিৰ দ্বাৰা নিৰ্দেশিত লক্ষী-প্ৰণয়ৰ এখন নাটকক অভিনীত হয়। উৰ্বশী আছিল ইয়াৰ নায়িকা। এওঁ লক্ষ্মী-দেৱীৰ অভিনয় কৰা সময়ত অন্যমনস্ক হৈ পুৰুযোত্তমৰ ঠাইত 'পুৰুৰবা'ৰ নাম উচ্চাৰণ কৰে। ইয়াতে মহামুনি ভৰতে ক্ৰুদ্ধ হৈ উৰ্বশীক অভিশাপ দিয়ে। শাপৰ ফলত উৰ্বশী মৰ্তলোকলৈ নামি আহে। অভিশপ্ত হৈ পুৰুৰবাৰ ঔৰসত পুত্ৰ সন্তান লাভ নকৰালৈকে উৰ্বশী মৰ্ত-লোকত থাকিব লগা হয়। ঔশীনৰীৰ সন্মতিক্ৰমে উৰ্বশী আৰু পুৰুৰবা প্ৰণয়পাশত আৱদ্ধ হ'ল।

চতুৰ্থ অঙ্কত উৰ্বশী গন্ধমাদন বনত লতাৰ ৰূপ ধাৰণ কৰে। এদিন মন্দাকিনী নদীৰ তীৰত এক বিদ্যাধৰ-কুমাৰীৰ প্ৰতি পুৰুৰবা আকৰ্ষিত হয়। উৰ্বশীয়ে ৰুষ্ট হৈ কাৰ্তিকেয়ৰ গন্ধমাদন বনত প্ৰৱেশ কৰে। কাৰ্তিকেয়ৰ গন্ধমাদন বনত যি নাৰী প্ৰৱেশ কৰে তেওঁ লতালৈ ৰূপান্তৰিত হয়। উৰ্বশীৰ সেয়ে দশা হ'ল। ইয়াতে পুৰুৰবা অত্যন্ত মৰ্মাহত হয়। এনেতে এদিন হঠাতে দৈৱবাণী হ'ল। দৈৱবাণী মতে পুৰুৰবাই সংগমনীয় মণি লগত লৈ লতাৰূপী উৰ্বশীক আলিঙ্গন কৰে। ত্ত পুৰুৰবাই পুনৰ উৰ্বশীক লাভ কৰে। পিচত ৰাজধানীলৈ উভতি আহি দুয়োৰে বিবাহ সম্পন্ন হয়।

পঞ্চম অঙ্কত এটা সেন চৰাই সংগমনীয় মণিটো থাপ মাৰি লৈ যায়। কিন্তু অকস্মাৎ এপাত শৰ আহি সেন চৰাইটোক বিদ্ধ কৰাত সি মাটিত বাগৰি পৰে। পিচত কঞ্চুকীয়ে শৰপাতৰ সৈতে ৰজাক মণিটো দিলে। ৰজাই শৰপাতত লিখা থকা দেখিলে— 'পুৰুৰবাৰ পুত্ৰ আয়ুস'। ৰজাই উৰ্বশীৰ পুত্ৰ-সন্তান হোৱাটো গম পোৱা নাছিল। এনেতে চ্যৱন

মুনিৰ আশ্ৰমৰ পৰা এজনী তপস্বিনীয়ে এজন ল'ৰা লৈ ৰজাৰ ওচৰত উপস্থিত হয়। সেই ল'ৰাটো আছিল আয়ুস, উৰ্বশীৰ পুত্ৰ। শাপমুক্ত হোৱাৰ ভয়ত উৰ্বশীয়ে ল'ৰাটোক চ্যৱন মুনিৰ আশ্ৰমত থৈছিল। পুত্ৰৰ মুখদৰ্শন হোৱাৰ লগে লগে ৰজাৰ পৰা বিচ্ছেদ হোৱাৰ ভয়ত উৰ্বশী ম্ৰিয়মান হ'ল। উৰ্বশীৰ বিচ্ছেদত ৰজাই বানপ্ৰস্থ অৱলম্বন কৰিবলৈ মনস্থ কৰিলে। এনেকুৱা অৱস্থাতে ইন্দ্ৰলোকৰ পৰা নাৰদমুনি আহে। এওঁ আহি পুৰুৰবাক দেৱ-দানৱ যুদ্ধৰ সংবাদ দিয়ে। সেই যুদ্ধত পুৰুৰবাই দেৱতাসকলক সহায় কৰিব লাগিব বুলি নাৰদে ক'লে। লগতে এইটো শুভ সংবাদো দিলে যে ইন্দ্ৰক পুৰুৰবাই যুদ্ধত সহায় কৰাৰ বিনিময়ত যাৱজ্জীৱন উৰ্বশীৰ  লগত কাল কটাব পাৰিব। এই সংবাদত ৰজা আৰু উৰ্বশী সন্তুষ্ট হ'ল। ইন্দ্ৰই আয়ুসক যুৱৰাজ পদত অধিষ্ঠ কৰিলে। জীৱনৰ বাকীছোৱা পুৰুৰবাই সুখ-স্বাচ্ছন্দ্যৰ মাজত কটালে।

**নাটকীয় সংবিধান—** 'বিক্ৰমোৰ্বশীয়' কালিদাসৰ পাঁচটা অঙ্কৰ ত্ৰোটক। ত্ৰোটকৰ গণনা উপৰূপকৰ প্ৰভেদত গ্ৰন্থসমূহত পোৱা যায়। পুৰুৰবাৰ আৰু উৰ্বশীৰ আখ্যান ঋগ্বেদ, মহাভাৰত, বিষ্ণুপুৰাণ, পদ্মপুৰাণ, মৎস্যপুৰাণ, ভাগৱত আৰু কথাসৰিৎসাগৰ আদি অনেক গ্ৰন্থত পোৱা যায়। কিন্তু ভাব, ভাষা, শৈলী, ৰসযোজনা আৰু নাটকীয় প্ৰক্ৰিয়া আদিৰ দৃষ্টিকোণৰপৰা কালিদাসেইয়াক নবীন ৰূপত উপস্থাপিত কৰিছে। বিক্ৰমোৰ্বশীয়ত ভৰতমুনিৰ শাপ, কাৰ্তিকেয়ৰ নিয়ম, উৰ্বশী লতাৰূপত পৰিণত হোৱা আৰু পুৰুৰবাৰ প্ৰলাপ আদি কালিদাসৰ স্বতন্ত্ৰ কল্পনা প্ৰসূত। কল্পিত বস্তুৰ বাবে নাটকৰ কথাবস্তুত প্ৰভাবোৎপাদকতা দেখা যায়।

নাটকত শৃংগাৰৰ সম্ভোগ আৰু বিপ্ৰলম্ভৰ সুন্দৰ চিত্ৰণ দাঙি ধৰিছে। যদিও ইয়াৰ ভাষা সৰল নহয়, তথাপি উয়াত সৌষ্ঠৱতা পৰিলক্ষিত। সৰু সৰু ছন্দৰ প্ৰয়োগে ইয়াক ৰুচিপূৰ্ণ কৰি তুলিছে। কালিদাসে বিশিষ্ট বৰ্ণনাচাতুৰী প্ৰদৰ্শন কৰিলেও নাটকীয় সংবিধানৰ দৃষ্টিকোণৰপৰাই ই উৎকৃষ্ট নহয়। অৱশ্যে ইয়াৰ কবিত্ব-কল্পনা উচ্চস্তৰৰ। কিন্তু নাটকীয় ক্ৰিয়াশীলতাত শিথিল।

বিক্ৰমোৰ্বশীয় নাটকৰ নায়ক  পুৰুৰবা হৈ ধীৰোদত্ত। এওঁ বীৰ, বিখ্যাত, সহৃদয় আৰু ক্ষমতাশালী। কোনো কোনো ক্ষেত্ৰত 'অভিজ্ঞান-শকুন্তলম্'ৰ নায়ক দুষ্যন্ততকৈয়ো শ্ৰেষ্ঠত্ব লাভ কৰিছে। দুষ্যন্ত প্ৰথম ৰজা, পিচত প্ৰেমী। তেওঁৰ চকুত ৰাজকাৰ্য প্ৰথম, পিচতহে প্ৰণয় সম্বন্ধীয় কথা। কিন্তু পুৰুৰবা প্ৰথম প্ৰেমী, তাৰ পিচতহে ৰজা। সেই হেতুকে তেওঁ বহুদিন ধৰি ৰাজধানীৰপৰা আঁতৰত আছিল।

উৰ্বশী নাটকৰ নায়িকা। এওঁ আছিল ৰূপৱতী আৰু গুণৱতী। দেৱী আৰু মানৱী প্ৰবৃত্তিৰ সংমিশ্ৰণ এওঁৰ গাত বিদ্যমান। ৰজাই এওঁক উপকাৰ কৰাৰ প্ৰতিদান স্বৰূপে প্ৰেম নিবেদন কৰে। ৰজাৰ প্ৰতি থকা গভীৰ প্ৰেমৰ বাবে এওঁ নিজৰ নৱজাত শিশুকো আঁতৰত ৰাখিছিল। এওঁক সৰ্বদা উচ্চ কুলবধু ৰূপত দেখা যায়।

ইয়াৰ বাহিৰেও কবিয়ে ঔশীনৰী, কঞ্চুকী, নিপুণিকা আৰু বিদূষকৰ চৰিত্ৰ চিত্ৰণ কৰিছে। কিন্তু এইবোৰ চৰিত্ৰ সিমান প্ৰভাৱশালী আৰু সৰল নহয়। বিদূষকৰ চৰিত্ৰ আৰু চিকৰ।

ঔশীনৰীৰ চৰিত্ৰৰ বিশেষত্ব ইয়াতে যে নিজৰ সুখ নেওচি স্বামীৰ সুখৰ বাবে উৰ্বশীৰ লগত মিলনৰ অনুমতি দিয়ে। সেয়ে উৰ্বশীতকৈ ঐশীনৰীৰ চৰিত্ৰৰ মহত্ব অতি বেছি।

৩। **অভিজ্ঞান শকুন্তলম্**— এই নাটকখনৰ প্ৰথম অঙ্কত হস্তিনাপুৰৰ ৰজা দুষ্যন্তই মৃগয়া কৰি কণ্বমুনিৰ আশ্ৰমত প্ৰৱেশ কৰে। কণ্বৰ আশ্ৰমৰ উদ্যানত ৰজাই প্ৰিয়ম্বদা আৰু অনসূয়াৰ লগত শকুন্তলাক দেখা পায়। হঠাতে এটা ভোমোৰা আহি শকুন্তলাৰ চাৰিওপিনে উৰি ফুৰিব ধৰে। ভোমোৰাৰ ভয়ত-ভীত হৈ শকুন্তলাই ৰক্ষা কৰা বুলি আৰ্তনাদ কৰিবলৈ ধৰাত দুষ্যন্ত গছৰ আঁৰৰপৰা ওলাই আহি ভোমোৰাটো খেদি পঠায়। প্ৰথম দৰ্শনতে দুষ্যন্তৰ প্ৰতি শকুন্তলা আকৰ্ষিত হয়। দুষ্যন্তই সখীয়েক সকলৰপৰা গম পালে যে অনিন্দ্য সুন্দৰী শকুন্তলা, বিশ্বমিত্ৰ আৰু মেনকাৰহে দুহিতা কণ্বমুনিৰ নহয়। শকুন্তলাৰ পৰিচয় পোৱাৰ পিচত ৰজাৰো মন তেওঁৰ প্ৰতি আকৃষ্ট হয়।

দ্বিতীয় অঙ্কত দুষ্যন্তই বন্ধু বিদূষকৰ আগত প্ৰেমৰ কাহিনী বিস্তৃতভাৱে বৰ্ণনা কৰে। ঠিক সেই সময়তে ৰজাৰ সন্মুখত দুটা সমস্যাই দেখা দিয়ে। তপস্বীসকলে তেওঁক কিছুদিন আশ্ৰমত থাকি যজ্ঞ উৎপীড়নকাৰী ৰাক্ষসসকলক নিধন কৰিবলৈ অনুৰোধ কৰিলে। আনপিনে ইন্দ্ৰপ্ৰস্থৰপৰা ৰাণী বসুমতীৰ আদেশ আছিল তেওঁ উপবাস-পাৰায়ণ উৎসৱত উপস্থিত থাকিব লাগে। দুষ্যন্ত ৰাজধানীলৈ উভটি নগ'ল। তেওঁৰ পৰিৱৰ্তে উৎসৱত উপস্থিত থাকিবলৈ বিদূষকক পঠাই দিয়ে। বিদূষকে যাতে ৰাণী বসুমতাৰীৰ আগত তেওঁৰ প্ৰেমৰ কাহিনী ব্যক্ত নকৰে, তাৰ বাবে তেওঁ ভাবিচিন্তি বিদূষকক প্ৰেমৰ কাহিনীটো ধেমালী কৰি কোৱা বুলিহে ক'লে।

তৃতীয় অঙ্কত দুষ্যন্তই শকুন্তলাৰ কামাৱস্থা লুকাই নিৰীক্ষণ কৰিছে। শকুন্তলাই বিৰহৰ বেদনাত উত্তপ্ত হৈ পদুমৰ পাতত চিঠি লিখে। শেষত দুয়ো গন্ধৰ্ব প্ৰথামতে প্ৰণয় পাশত আৱদ্ধ হয়।

চতুৰ্থ অঙ্কত ৰজাই ৰাজকাৰ্যবশতঃ নিজপুৰীলৈ প্ৰত্যাগমন কৰে। যোৱাৰ সময়ত বিৰহ-ব্যথিত শকুন্তলাক স্মৃতি চিহ্ন স্বৰূপে নিজৰ আঙুঠিটো দি এইদৰে আশ্বাসদিলে— "মোৰ নামত যিমান আখৰ আছে সিমানদিনৰ মূৰত মই তোমাক লৈ যাম। কিন্তু দুষ্যন্তই কথা মতে কাম নকৰিলে। দুষ্যন্তৰ চিন্তাত শকুন্তলাই তন্ময় হৈ থাকে। এনেতে দুৰ্বাসামুনি শকুন্তলাৰ ওচৰলৈ আহি ভিক্ষা মাগে। চিন্তাত তন্ময় হৈ থকা হেতু শকুন্তলাই দুৰ্বাসাৰ আতিথ্যৰ পিনে মন-কাণ দিব নোৱাৰিলে। দুৰ্বাসাই ক্ৰোধান্বিত হৈ শকুন্তলাক এইদৰে অভিশাপ দিলে— "যাৰ চিন্তাত তন্ময় হৈ তই অতিথিক অপমান কৰিছ, তেওঁ তোক ভুলি যাব।" দুৰ্বাসাৰ এই অভিশাপ শুনি অনসূয়া আৰু প্ৰিয়ম্বদাই দৌৰি আহি মুনিৰ ওচৰত ক্ষমা ভিক্ষা মাগিলে। মুনিয়ে তেওঁলোকৰ কাকুতি-মিনতি এৰাব নোৱাৰি ক'লে— "অভিজ্ঞান দেখি ৰজাই শকুন্তলাক চিনি পাব।" কণ্বমুনিয়ে সোমতীৰ্থৰ পৰা প্ৰত্যাগমন কৰি আশ্ৰমত শকুন্তলাৰ গান্ধৰ্ব-বিবাহৰ কথা শুনিলে। মুনিয়ে শকুন্তলাক স্বামীৰ গৃহলৈ পঠাই দিবলৈ যো-জা কৰিলে। শকুন্তলাৰ বিদায়ৰ সময়ত তপোবনৰ জীৱ-জন্তু, চৰাই-চিৰিকতি, গছ-গছনি আটায়ে শোকতম্ৰিয়মান হ'ল। শকুন্তলাই চিৰ-সহচৰীসকলক এৰি থৈ শোকাকুল হৃদয়েৰে আশ্ৰম ত্যাগ কৰিলে।

পঞ্চম অঙ্কত গৌতমী, শার্ঙ্গৰব আৰু শাৰদ্বতে শকুন্তলাক লৈ দুয্যন্তৰ ৰাজদৰবাৰত উপস্থিত হয়। কিন্তু দুৰ্ভাগ্যৰ কি পৰিহাস। বাটতে ক'ৰবাত শকুন্তলাৰ হাতৰ আঙুলিৰপৰা স্মৃতিচিহ্ন স্বৰূপ দুয্যন্তই দিয়া আঙুঠিটো ওলাই পৰে। যথা সময়ত শকুন্তলা ৰাজদৰবাৰত উপস্থিত হ'ল। কিন্তু ৰজাই তেওঁক প্ৰত্যাখ্যান কৰিলে। শকুন্তলাই চিন স্বৰূপে আঙুঠিটো উলিয়াই দিব বিচাৰিলে। কিন্তু আঙুঠিটো হাতত নেপাই শকুন্তলা মূৰ্চা গ'ল। অনাদৃতা শকুন্তলাক তাতে এৰি থৈ আশ্ৰমবাসীসকল স্ব-স্থানলৈ প্ৰস্থান কৰিলে। তাৰ পিচত কোনো দৈৱ-শক্তিয়ে শকুন্তলাক আকাশৰ পিনে উঠাই লৈ যায়।

ষষ্ঠ অঙ্কত এজন মাছমৰীয়াই ৰজাৰ নাম অঙ্কিত আঙুঠি এটা বেচিলৈ ধৰোতে ধৰা পৰে। আঙুঠিটোৰ সৈতে মাছমৰীয়াক ৰজাৰ ওচৰলৈ অনা হয়। আঙুঠিটো দেখাৰ লগে লগে ৰজাৰ অতীতৰ সমগ্ৰ ঘটনা চক্ৰ স্মৃতিপটত ভাঁহি উঠে। শকুন্তলাৰ প্ৰতি কৰা অবিচাৰৰ বাবে ৰজাৰ মন অনুতপ্ত হয়।

সপ্তম অঙ্কত ৰজাই 'কালনেমি' নামৰ দৈত্যক পৰাভূত কৰি ইন্দ্ৰলোকৰপৰা প্ৰত্যাগমন কৰে। বাটতে গন্ধমাদন পৰ্বতত মৰীচিৰ দৰ্শন লাভৰ অৰ্থে আশ্ৰমত প্ৰৱেশ কৰে। আশ্ৰমত পুত্ৰ ভৰত আৰু প্ৰিয়া পত্নী শকুন্তলাৰ লগত ৰজাৰ সাক্ষাৎ হয়। পিছে মৰীচিৰ আশীৰ্বাদ লাভ কৰি দুয্যন্তই পুত্ৰ-পত্নী সমন্বিতে ৰাজধানীলৈ উভতি আহে।

**নাটকৰ কথা-বস্তুৰ উৎস**— মহাভাৰতৰ শকুন্তলা উপাখ্যানৰ ওপৰত কালিদাসৰ 'অভিজ্ঞান শকুন্তলা' আধাৰিত বুলি বহুত পণ্ডিতে মত পোষণ কৰে। কিছুমানৰ মতে 'পদ্মপুৰাণ'ৰ শকুন্তলাৰ উপাখ্যানৰও প্ৰভাৱ পৰিছে। কিন্তু 'পদ্ম পুৰাণ'ৰ শকুন্তলা উপাখ্যান কালিদাসৰ প্ৰভাৱ কালিদাসৰ ওপৰত পৰাটো সম্ভৱ নহয়। বৰং 'পদ্মপুৰাণ'ৰ গ্ৰন্থকাৰে 'শকুন্তলা'ৰ অনেক কথা পদ্ম পুৰাণত সংযোগ কৰিছে।

কিন্তু মহাভাৰতৰ শকুন্তলা উপাখ্যান কালিদাসৰ পূৰ্বৰ। এতেকে তাৰ প্ৰভাৱ কালিদাসৰ ওপৰত পৰাটো একো অস্বাভাৱিক নহয়। কিন্তু দুয়োটৰ কথানক অংশ ৰিজাই চালে দেখা যায় 'অভিজ্ঞান শকুন্তলাত' যি কথা বৰ্ণিত আছে, মহাভাৰতত তাক পোৱা নাযায়।

মহাভাৰতত শকুন্তলাৰ পুত্ৰই ছয় বছৰত ভৰি দিয়াৰ পিচতহে শকুন্তলা পতিগৃহলৈ যায়। কিন্তু কালিদাসৰ নাটকত পুত্ৰজন্মৰ আগতেই শকুন্তলা পতিগৃহলৈ গমন কৰে। মহাভাৰতত দুয্যন্তই লোক-অপবাদৰ ভয়ত শকুন্তলাৰ লগত গান্ধৰ্ব বিবাহত সোমাবলৈ অস্বীকাৰ কৰে। দৈৱবাণী হোৱাতহে তেওঁ শকুন্তলাক গান্ধৰ্ব বিবাহ কৰায়। কিন্তু কালিদাসে দুয়োকে গান্ধৰ্ব-বিবাহত আবদ্ধ হোৱা দেখুৱাই।

ইয়াৰ বাহিৰেও দুৰ্বাসাৰ অভিশাপ, আঙুঠি প্ৰাপ্তি আদি কালিদাসৰ স্বকীয় কল্পনা। দুয্যন্তক কলংকৰ কালিমাৰপৰা মুক্ত ৰখাৰ উদ্দেশ্যেহে কালিদাসে এইবোৰ ঘটনা নাটকত অৱতাৰণা কৰিছে।

**নাটকীয় সংবিধান**— নাট্য শাস্ত্ৰকাৰ ভৰতমুনিৰ মতে নাটকত থাকিবলগীয়া আটাইবোৰ গুণ শকুন্তলা নাটকত বিদ্যমান। নাটকৰ মূল কাহিনী হৈছে— দুয্যন্ত আৰু শকুন্তলাৰ প্ৰেম কাহিনী।

ঘটনাৰ ঐক্য নাটকখনত বিদ্যমান। নাটকৰ মূল-কাহিনী সুচাৰুৰূপে আগবঢ়াই নিয়াত কবিক গান্ধৰ্ব-বিবাহ, অভিশাপ, আঙুঠিহেৰণ আদি প্ৰতিকূল ঘটনাই যথেষ্ট সহায় কৰিছে। উক্ত ঘটনাবোৰ কবিৰ কল্পনা-প্ৰসূত আৰু সেইবোৰে নাটকখনৰ সৌষ্ঠৱতা বৃদ্ধি কৰিছে।

ঘটনাৰ ঘাত-প্ৰতিঘাতৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰি চালে দেখা যায়, গোপন-বিবাহ, কণ্বৰ ভয়ত দুষ্যন্তৰ আশ্ৰম পৰিত্যাগ, দুৰ্বাসাৰ অভিশাপ আদি ঘটনাই কথা-বস্তুৰ গতিপথত যথেষ্ট সৃষ্টি কৰিছে।

গোপনীয় গান্ধৰ্ব বিবাহে শকুন্তলা আৰু দুষ্যন্তৰ মনত গভীৰ ভয় আৰু চিন্তা সঞ্চাৰ কৰে। ৰাজদৰবাৰত শকুন্তলাৰ প্ৰত্যাখান আৰু গৌতমীৰ দ্বাৰা ৰজাক ভৰ্ৎসনা আদিয়ে সেই ভয় আৰু চিন্তা কাৰ্য্যত পৰিণত কৰে। গৌতমী, শাৰ্ঙ্গৰব আৰু শাৰদ্বত আদিয়ে ৰজাৰ প্ৰণয়ৰ কাহিনী প্ৰমাণ কৰিবলৈ যত্ন কৰে। দুষ্যন্তৰ অন্তৰত তুমুল অন্তৰ্দ্বন্দ্ব লাগে। ধৰ্মভয় আৰু লোকভয়ত শকুন্তলাক প্ৰত্যাখান কৰিলেও ৰজাৰ অন্তৰ শকুন্তলাৰ প্ৰতি সমবেদনাত জৰ্জৰিত। পৰিত্যক্তা হৈ অবলা শকুন্তলাই উচ্চস্বৰে কান্দিবলৈ ধৰে। নাট-শাস্ত্ৰীয় সংবিধানৰ ফালৰপৰা 'অভিজ্ঞান শকুন্তলা' এখন শ্ৰেষ্ঠ নাটক।

**বোধজ্ঞান সমীক্ষা আৰু আৰ্হিপ্ৰশ্ন অভিজ্ঞান শকুন্তলম্**

ঝ) অভিজ্ঞান শকুন্তলম্ নাটকৰ সমীক্ষা দাঙি ধৰক।

ঞ) অভিজ্ঞান শকুন্তলম্ নাটকৰ চতুৰ্থাংকৰ শ্ৰেষ্ঠত্ব প্ৰতিবাদ কৰক।

ট) কালিদাসৰ নাটক সমূহৰ বিষয়ে আলোচনা কৰক।

ঠ) কালিদাসৰ নাটবোৰৰ বৈশিষ্ট্য আলোচনা কৰক।

## ২.৮ কালিদাসোত্তৰ নাটক

### ২.৮.১ শূদ্ৰক ঃ মৃচ্ছকটিকম্

মৃচ্ছকটিকম্ কালিদাসোত্তৰ যুগৰ ৰচিত অন্যতম প্ৰসিদ্ধ নাটক। শূদ্ৰকক ইয়াৰ ৰচয়িতা বুলি জনা যায়। নাটকৰ প্ৰস্তাৱনাত প্ৰাপ্ত বিৰৰণ অনুসাৰে শূদ্ৰক নামে এজন ৰজা আছিল। তেওঁ হস্তিবিদ্যাত জ্ঞানচক্ষু লাভ কৰিছিল। তেওঁ এশ বছৰ দহ দিন জীয়াই আছিল। পুতেকক ৰাজসিংহাসনত বহুৱায় তেওঁ অগ্নিত প্ৰৱেশ কৰে। দেখা সুদৰ্শন শূদ্ৰক বেদাদি বিদ্যা আৰু সুকুমাৰ কলাত নিষ্ণাত আছিল। তেওঁ অশ্বমেধ যজ্ঞ সম্পন্ন কৰিছিল। এই বিৰৰণখিনি শূদ্ৰকৰ নিজ হাতৰ দ্বাৰা ৰচনা নহয় বুলি পণ্ডিতসকলে কয়?

স্কন্দ পুৰাণত আন্ধ্ৰভৃত্য বংশৰ ১ম ৰজা সিমুকৰ উল্লেখ আছে। নেকে সিমুককে শূদ্ৰক বুলি কোৱা হৈছে। তেওঁৰ কাল খৃঃপূঃ ২য় শতাব্দী। সেয়ে হ'লে কালিদাসে (খৃঃ ৪ৰ্থ শতিকা) তেওঁক ভাসৰ সৈতে উল্লেখ কৰিলেহেঁতেন।

অষ্টম শতিকাত বামণে 'কাব্যালংকাৰ সূত্ৰ বৃত্তি'ত শূদ্ৰকৰ উল্লেখ কৰিছে। তেওঁৰ আগৰ কবি দণ্ডীয়েও কাব্যদৰ্শত লিম্পতীৰ তমোঙ্গনি পদ্যাংশক অলংকাৰৰ উদাহৰণ দিছে। গতিকে মৃচ্ছকটিকৰ ৰচক তেওঁলোকৰ আগৰ কবি হ'ব।

**কথাবস্তু ঃ** মৃচ্ছকটিক প্ৰকৰণ বিধৰ ৰচনা। ইয়াত দহটা অঙ্ক আছে। চাৰুদত্ত ব্ৰাহ্মণ বণিক আৰু বসন্ত সেনা উজ্জয়িনীৰ ধনাঢ্য বেশ্যা-এওঁলোকৰ প্ৰেমকথাক উপজীব্য কৰি নাটকখন ৰচিত হৈছে।

'অলংকাৰ ন্যাস' নামে ১ম অঙ্কত চাৰুদত্তই গধূলি বিদূষক মৈত্ৰেয়ক ৰদনিকাৰ সৈতে চতুষ্পথত মাতৃবলি দিবলৈ পঠিয়ায়। এনেতে ৰাজপথত বেশ্যা বসন্তসেনাক অনুসৰণ কৰা শকাৰ, বিট আৰু চেটক দেখা যায়। সিহঁতৰ হাত এৰাবলৈ বসন্তই সুযোগ বুলি চাৰুদত্তৰ ঘৰত সোমায়। আন্ধাৰত শকাৰে চিনিব নোৱাৰি ৰদনিকাক সাৱতি ধৰেহি। তেতিয়া মৈত্ৰেয়ই ধমক দি সিহঁতক খেদি পঠিয়ায়। পিছত চাৰুদত্তই বসন্তসেনাক মৈত্ৰেয়ক লগত দি ঘৰলৈ পঠিয়ায়। তাৰ আগতে বসন্তসেনাই তেওঁৰ বহুমূলীয়া অলংকাৰবোৰ চাৰুদত্তৰ হাতত থৈ যায়। কথোপ-কথনৰ বুজা যায় যে কামদেৱৰ উদ্যানত দেখাৰে পৰা বসন্তসেনাৰ মনত চাৰুদত্তৰ প্ৰতি প্ৰেমৰ ভাব ওপজে।

২য় অঙ্কটো 'দূতক সংবাহক' নামে জনাজাত। এই অঙ্কত সংবাহকেৰে সাক্ষাৎ হয়। এওঁ চাৰুদত্তৰ গা-পিটিকা লোক আছিল। চাৰুদত্তৰ বিপৰ্যয়ৰ সময়ত চাকৰি এৰি জুৱা খেলত লিপ্ত হয়। জুৱাত হাৰি ধন দিব নোৱাৰি আত্মৰক্ষাৰ বাবে সন্তসেনাৰ ঘৰত সোমায়। তেওঁৰ দুৰ্ভাগ্যৰ কথা শুনি বসন্তসেনাই নিজৰ অলংকাৰ এপদ দি সংবাহকক মুক্ত কৰে। তাতে মনত আত্মগ্লানি হোৱাত সংবাহকে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰে।

৩য় অঙ্ক 'সন্ধিচ্ছেদ' বুলি জনা যায়। এই অঙ্কত শৰ্বিলক নামে ডেকাই বসন্তসেনাৰ লিগিৰী মদনিকাক ভাল পাই তেওঁক মুকলি কৰিবলৈ বুলি চাৰুদত্তৰ ঘৰত সিন্ধি দি (বসন্ত সেনাৰ) অলংকাৰবোৰ চুৰি কৰে।

৪ৰ্থ অঙ্কৰ নাম 'মদনিকা-শৰ্বিলক'। এই অঙ্কত ইতিমধ্যে ঘৰৰপৰা চুৰি কৰি অনা অলংকাৰবোৰ লৈ শৰ্বিলকে মদনিকাক লগ পাবলৈ বসন্তসেনাৰ ঘৰলৈ যায়। মদনিকা আৰু শৰ্বিলকৰ মাজত হোৱা গোপন আলোচনা বসন্তসেনাই আঁৰৰ পৰা শুনে আৰু দুয়োৰে প্ৰেমৰ কথা শুনি তেওঁ মদনিকাক শৰ্বিলকৰ হাতত সমৰ্পণ কৰে। সিফালে বসন্তসেনাৰ অলংকাৰবোৰে চোৰে নিয়াত চাৰুদত্ত বিপাঙত পৰে। অগত্যা পত্নী ধূতাৰ ৰত্নাৱলী হাৰডালকে বসন্তসেনাক দিবলৈ মৈত্ৰেয়ক বসন্তসেনাৰ ঘৰলৈ পঠিয়ায়। বসন্তসেনাই চাৰুদত্তৰ ঘৰলৈ গৈ সোণৰ গাড়ী নেপাই মাটিৰ গাড়ীৰে খেলি কান্দি থকা ৰোহসেনৰ গাড়ীত অলংকাৰবোৰ পূৰাই দি তাৰে সোণৰ গাড়ী কিনিবলৈ ক'লে।

৫ম অঙ্কটো 'দুৰ্দিন' নামে জনাজাত। এই অঙ্কত বসন্তসেনাই এদিন বিটক লগত লৈ চাৰুদত্তৰ ঘৰলৈ যায়? তেওঁ বৰষুণত তিতি বুৰি প্ৰেমিকৰ ঘৰলৈ গৈ তাত এৰাতি কটায়।

৬ষ্ঠ অঙ্কটো 'প্ৰৱহণ বিপৰ্যয়' নামে জনাজাত। ইয়াত চাৰুদত্তই বসন্তসেনাক লগ পাবলৈ 'পুষ্পকৰণ্ডক উদ্যানলৈ যায়। বসন্তসেনায়ো উদ্যানলৈ যাবলৈ ওলাই গৈ ভুলতে বাটত ৰৈ থকা শকাৰৰ গাড়ীত উঠে। এনেতে ৰাজ কাৰাগাৰৰ পৰা পলোৱা আৰ্যক বসন্তসেনাৰ বাবে ৰখা গাড়ীত উঠেহি। এই আৰ্টকে নামে গৰখীয়া ল'ৰাজন ভৱিষ্যতে ৰজা হ'ব বুলি শুনি ৰজা পালকে তেওঁক কাৰাগাৰত বন্দী কৰি ৰাখিছিল। এতিয়া তেওঁ কাৰাগাৰৰপৰা পলাই সাৰি বসন্তসেনাৰ বাবে নিৰ্দ্দিষ্ট গাড়ীত উঠি গ'ল।

ৰাজপথত চন্দনক আৰু ধীৰক নামে আৰক্ষী দুজনে গাড়ী খানাতালাচ কৰিবলৈ আহে। আৰ্যকক দেখি অভয় দিয়ে আৰু বীৰকক আগত সেয়া বসন্তসেনা বুলি কয়। সেইলৈ বীৰকৰ সৈতে চন্দন কাজিয়া হয়। চন্দনকে আৰ্যকক নিজৰ হাতৰতৰোৱালখন দি নিজেও শৰ্বিলকৰ বিদ্ৰোহী গোটত যোগদান কৰিবলৈ যায়।

পাছৰ অঙ্কটো 'আৰ্যকাপহৰণ' নামে জনাজাত। বসন্তসেনাৰ গাড়ীৰে গৈ আৰ্যকে পুষ্পকৰণ্ডক উদ্যানত চাৰুদত্তক সাক্ষাৎ কৰে আৰু তেওঁ চাৰুদত্তৰ শৰণাপন্ন হয়। চাৰুদত্তই তেওঁক অভয় দান দিয়ে। বৰ্ধমানে আৰ্যকৰ ভৰিত লাগি শৃঙ্খল আঁতৰাই দিলে। আকৌ সেই একেখন গাড়ীত উঠি আৰ্যক আতৰি যায়। বসন্তসেনা আহি নোপোৱাত চাৰুদত্ত বিমৰ্ষ হৈ ঘৰমুৱা হয়।

৮ম অঙ্ক 'বসন্তসেনা মোটক' নামে জনাজাত। এই অঙ্কত প্ৰৱহণ বিপৰ্যয় হেতুকে বসন্তসেনাই চাৰুদত্তক সাক্ষাৎ কৰাৰ শকাৰৰ সন্মুখীন হয়। শকাৰে বসন্তসেনাৰ মন জয় কৰিব নোৱাৰি তেওঁক ডিঙি চেপি বধ কৰিবলৈ যত্ন কৰে। বসন্তসেনা তাতে অচেতন হয় আৰু শকাৰে তেওঁ মৃত বুলি ভাবি উদ্যানতে পেলাই থৈ যায়। এই অপৰাধ চাৰুদত্তৰ গাত জাপিবলৈ সি সংকল্প লয়। কিন্তু সৌভাগ্যক্ৰমে নকৈ বৌদ্ধধৰ্ম লোৱা সংবাহকে অচেতন অৱস্থাত বসন্তসেনাক দেখি তেওঁ শুশ্ৰূষা কৰি তেওঁক সুস্থ কৰি তোলে। তাৰ পাছত সংবাহকে বসন্তসেনাক বৌদ্ধবিহাৰলৈ লৈ যায়।

'ব্যৱহাৰ' নামে ৯ম অঙ্কত শকাৰে ন্যায়ালয়লৈ গৈ চাৰুদত্তই বসন্তসেনাক অলংকাৰৰ লোভত হত্যা কৰিছে বুলি অভিযোগ কৰে। পোনতে বিচাৰকে শকাৰৰ কথা পতিয়ন যোৱা নাছিল, যদিও কেতবোৰ সাক্ষ্য প্ৰমাণ চাৰুদত্তৰ বিপৰীতে যোৱাত বিচাৰকে মনুৰ ধৰ্মশাস্ত্ৰমতে ধন সম্পদ সহ দেশান্তৰৰ আদেশ দিয়ে। কিন্তু ৰজা পালতে ন্যায়ালয়ৰ ৰায় অনুমোদন কৰাৰ পৰিৱৰ্তে চাৰুদত্তক শূলত দি বধ কৰিবলৈ আদেশ দিয়ে।

দশম অঙ্কটো 'সংহাৰ' নামে জনাজাত। ইয়াত চণ্ডালহঁতে চাৰুদত্তক শূলত দিবলৈ বধ্যভূমিলৈ লৈ যায়। এনে সময়তে সংবাহকে বসন্তসেনাক লগত লৈ সেই ঠাইত উপস্থিত হয়। তেনে সময়তে ৰাষ্ট্ৰবিপ্লৱ হয় আৰু শৰ্বিলক প্ৰভৃতিৰ সহায়ত আৰ্যকে পালকক সংহাৰ কৰি নিজে ৰজা হয়। আৰ্যকে চাৰুদত্তক মৃত্যুদণ্ডৰপৰা ৰেহাই দি তেওঁক উচ্চ ৰাজবিষয়া ৰূপে নিয়োগ কৰে। তেওঁ বসন্তসেনাক চাৰদত্তৰ পত্নীৰূপে স্বীকৃতি দিয়ে। শকাৰে নিজৰ দোষৰ বাবে চাৰুদত্তৰ ওচৰত ক্ষমা বিচাৰে। শৰ্বিলকৰ বাধা স্বত্ত্বেও চাৰুদত্তই শকাৰক ক্ষমা কৰে।

আলংকাৰিক-সাহিত্য শাস্ত্ৰীসকলৰ মতে মৃচ্ছকটিক প্ৰকৰণৰ শ্ৰেণীৰ ৰূপক। সাহিত্য দৰ্পণত (৬/২৪/২৫) প্ৰকৰণৰ লক্ষণ এনেদৰে দিছে।

ভবেৎ প্ৰকৰণং বৃত্তং লৌকিকং কবিকল্পিতম্।
শৃঙ্গাৰোহঙ্গী নায়কস্তু বিপ্ৰোহমাত্যোহথবোবণিক।
সাপায়ধৰ্মকামাৰ্থপৰোধীৰ প্ৰশান্তকঃ।
নায়িকা কুলজা ক্বাপি বেশ্যা ক্বাপি দ্বয়ং ক্বচিৎ।।

অৰ্থাৎ প্ৰকৰণ কাহিনী কবিকল্পিত, নায়ক বণিক পেচা-ধাৰী ব্ৰাহ্মণ, অমাত্য, নায়িকা চৰিত্ৰৱতী নাৰী বা বেশ্যা আৰু শৃঙ্গাৰৰস প্ৰধান হ'ব লাগে। নায়ক ধীৰ প্ৰশান্ত হোৱা উচিত। মৃচ্ছকটিকত এই সকলোবোৰ লক্ষণ আছে। এই নাটকখনত দুটা ঘটনা সমান্তৰালভাৱে অঙ্কণ কৰা হৈছে। বণিক চাৰুদত্ত আৰু বেশ্যা বসন্তসেনাৰ প্ৰেম-পৰিণয় নাটকৰ অধিকাৰিক কথা বস্তু। ১ম অঙ্কৰপৰা ১০ম অঙ্কলৈ এই ঘটনা বিস্তৃত। ৭ম অঙ্কৰ প্ৰৱহণ বিপৰ্যয় আৰু ৮ম অংকত আৰ্যকাপহৰণৰ পৰা ৰাজনৈতিক সমস্যা আৰু ৰাষ্ট্ৰ বিপ্লৱৰ ঘূৰ্ণৱৰ্তই ক্ৰিয়া কৰিছে। ৭ম অঙ্কত চন্দনকে শৰ্বিলকক বিপ্লৱৰ সৈতে জড়িত কৰে আৰু দশম অংকত তেওঁক সেই ৰূপতে দেখা যায়।

**২.৮.২ বিশালখদত্ত ঃ মুদ্ৰাৰাক্ষস**

অন্যান্য কবি-নাট্যকাৰৰ দৰে বিশাখদত্তাৰ বিষয়েও অধিক কথা জনা নাযায়। মুদ্ৰাৰাক্ষস নাটকৰ প্ৰস্তাৱনাত কোৱা হৈছে সামন্ত বটেশ্বৰ দত্তৰ নাতিয়েক আৰু মহাৰাজ ভাস্কৰদত্তৰ পুতেক বিশাখাদত্তই মুদ্ৰাৰাক্ষস নাটক ৰচনা কৰিছিল। কিছুমান পাণ্ডুলিপিত তেওঁৰ নাম বিশাখদেৱ আৰু পিতৃৰ নাম পৃথু বুলি পোৱা যায়।

বিশাখদত্তৰ কাল লৈ পণ্ডিতসকল একমত নহয়। বেছিভাগ পণ্ডিতে নাটকৰ ভৰত বাক্যত উল্লিখিত চন্দ্ৰগুপ্তৰ সভাত বিশাখদত্ত পণ্ডিতৰূপে আছিল বুলি ভাবে। কোৱা হৈছে দেশত ম্লেচ্ছৰ উৎপীড়ণ বাঢ়ি যোৱাত ভগৱান বিষ্ণুৱে ৰজাৰ মূৰ্ত্তি ধৰি পৃথিৱীখনক ম্লেচ্ছৰ কবলৰ পৰা ৰক্ষা কৰিছিল। বিষ্ণুৰ এই মূৰ্ত্তি চন্দ্ৰগুপ্ত নামে জনাজাত। তেনে চন্দ্ৰগুপ্তই পৃথিৱীত চিৰকাল শাসন কৰক, তেওঁৰ অণ্ডহী-বণ্ডহীৰ শ্ৰীবৃদ্ধি হওক।

বাৰাহীমাত্মযোনেস্তনুমবনবিধাৱস্থিত স্যানুৰূপাং
যস্য প্ৰাগদন্তকোটিং প্ৰলয়পৰিগতা শিশ্ৰিয়ে ভূতধাত্ৰী।
ম্লেচ্ছৈৰুদ্ধেজ্যমানা ভূজযুগ মধুনা সংশ্ৰিতা ৰাজমূৰ্ত্তেঃ
স শ্ৰীমদ্বন্ধুভৃত্যচিৰমৱতু মহীং পাৰ্থিৱশ্চন্দ্ৰ গুপ্তঃ।।

ইয়াৰ পৰা অনুমান কৰিব পাৰি যে চন্দ্ৰগুপ্ত বিশাখদত্তৰ পৃষ্ঠপোষক আছিল। গতিকে বিশাখদত্তৰ আৱিৰ্ভাৱ গুপ্তকালত হৈছিল বুলি ক'ব পাৰি। সেয়ে হ'লে তেওঁ ২য় চন্দ্ৰগুপ্তৰ কালৰ (খৃঃ ৩৮০-৪১৩) লোক আছিল। চন্দ্ৰগুপ্তৰ সময়ত হুনসকলৰ আক্ৰমণ হৈছিল। ষ্টেনকোনোৱে এই মত পোষণ কৰিছে। জয়সৱাল প্ৰভৃতিয়েও এই মত সমৰ্থন কৰিছে।

**নাটকৰ কথা বস্তু ঃ** বিশাখদত্তই একমাত্ৰ মুদ্ৰা ৰাক্ষস নাটক ৰচনা কৰিছিল আৰু তাৰ মাজেৰে তেওঁৰ প্ৰতিভা প্ৰকাশিত হৈছে। কোনো কোনো পণ্ডিতে ক'ব খোজে যে তেওঁ 'দেৱী চন্দ্ৰগুপ্ত' আৰু 'অভিসাৰিক বনচিত্তক' নামে আন দুখন নাটক ৰচনা কৰিছিল। কিন্তু ইবিলাকৰ কোনে পাণ্ডুলিপি আৱিষ্কৃত হোৱা নাই।

১ম অঙ্কত দেখা যায় যে নন্দ বংশ নষ্ট কৰি ৰাক্ষসক বশীভূত কৰিবলৈ চাণক্য দৃঢ় প্ৰতিজ্ঞ হয়। ইতিমধ্যে তেওঁ অনুগত চন্দ্ৰগুপ্ত মৌৰ্য্যক মগধৰ সিংহাসনত বহুৱাইছে। সেয়ে নন্দ ৰাজ পৰিয়ালৰ অনুগত ৰাক্ষসক চন্দ্ৰগুপ্তৰ ফলীয়া কৰিবলৈ চাণক্যই অবিৰত চেষ্টা কৰিছে। ইতিমধ্যে ৰাক্ষসে চন্দ্ৰগুপ্তক মাৰিবলৈ মকৰল কৰা বিষকন্যাৰ জৰিয়তে

পৰ্বতেশ্বৰক বধ কৰা বুলি মিথ্যা প্ৰচাৰ কৰে। চাণক্য প্ৰেৰিত চৰ ভাগুৰায়ণে ৰাক্ষসৰ বিশ্বস্ত লোক হৈ পৰিছে। ৰাক্ষসে তেওঁৰ পৰিয়াল বৰ্গক নিৰাপত্তাৰ খাতিৰত শ্ৰেষ্ঠী চন্দনদাসৰ ঘৰত ৰাখে। শকটদাস চন্দনদাসৰ বিশ্বস্ত লোক। এদিনাখন এজন বালকে চন্দনদাসৰ পদূলিত ৰাক্ষসৰ নামাঙ্কিত আঙঠি পেলায়। নিপূণক নামে গুপ্তচৰে সেইটো বুটলি নি চাণক্যৰ হাতত দিয়ে। চাণক্যই চন্দনদাসক ৰাক্ষসৰ পৰিয়াল বৰ্গক তেওঁৰ হাতত সমৰ্পণ কৰিবলৈ আদেশ দিয়ে। চন্দনদাসে তেতিয়া চাণক্যৰ আদেশ অস্বীকাৰ কৰে। সেই অপৰাধতে অপৰাধী কৰি চন্দনদাসক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত আৱদ্ধ কৰিলে। এই অঙ্কটো মুদ্ৰালাভ নামে পৰিচিত।

২য় অঙ্কত ৰাক্ষসে চাণক্যৰ অপকাৰ কৰিবলৈ যত্নপৰ হয়। গুপ্তচৰ বিৰাধকৰ পৰা জনা গ'ল যে চন্দ্ৰগুপ্তক বধ কৰাৰ সকলো ষড়যন্ত্ৰ চাণক্যৰ দ্বাৰা বিফল কৰা হ'ল। তেতিয়া ৰাক্ষসে নতুনকৈ কৌশল ৰচনা কৰিলে। তেওঁ চন্দ্ৰগুপ্তৰ বৈতালিকৰ পদবীত নিজৰ গুপ্তচৰক নিয়োগ কৰিলে। বৈতালিকৰ প্ৰশস্তি শুনি চন্দ্ৰগুপ্ত আৰু চাণক্যৰ মাজত যাতে বিৰোধ হয় তাৰ বাবে যত্ন কৰে। চন্দ্ৰগুপ্তৰ মনত বৈতালিকৰ প্ৰশস্তিয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু চন্দ্ৰগুপ্ত চাণক্যৰ প্ৰতি ৰুষ্ট হয়। তাকে দেখি ৰাক্ষসে আনন্দিত হয়। কুসুমপুৰত প্ৰৱেশ কৰাৰ সময়ত চন্দ্ৰগুপ্তক মাৰি পেলাবলৈ ৰাক্ষসে গুপ্তচৰৰ সহযোগত এক গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল। কিন্তু দূৰদৰ্শী চাণক্যৰ সজাগতাৰ ফলত সেই ষড়যন্ত্ৰ ব্যৰ্থ হয়।

**'কৃতক কলহ ঃ'** নামে ৩য় অঙ্কত কৌমুদীমহোৎসৱ নিষেধ কৰা কথা লৈ চাণক্য আৰু চন্দ্ৰগুপ্তৰ মাজত কৃত্ৰিম বিৰোধ দেখা দিয়ে। তাকে দেখি ৰাক্ষসে নিজৰ কূট-কৌশল সফল হোৱা বুলি আত্মপ্ৰসাদ লাভ কৰে।

'প্ৰলোভন' নামে ৪ৰ্থ অঙ্কত ৰাক্ষসে নিজৰ নীতি ব্যৰ্থ হোৱা বুলি উপলব্ধি কৰে। ৰাক্ষসে নন্দৰ সিংহাসত মলয়কেতুক বহুৱাবলৈ যত্ন কৰে। মলয়কেতুৱে নিজে ৰাক্ষসৰে সাক্ষাৎ কৰি মৃত পিতৃৰ অলংকাৰবোৰ পিন্ধিবলৈ দিয়ে।

'কূটলেখঃ' নামে ৫ম অঙ্কত ঘটনাই চৰম বিন্দু পায়। তাত মুদ্ৰিত লেখ আৰু অলঙ্কাৰৰ পেৰাৰে সৈতে সিদ্ধাৰ্থক ধৰা পৰাত মলয়কেতুৰ মনত ৰাক্ষসৰ প্ৰতি সন্দেহৰ ভাব ওপজে। ৰাক্ষস প্ৰকৃততে চন্দ্ৰগুপ্তৰ হিতাকাঙ্ক্ষী বুলি ভাবি মলয়কেতু ৰাক্ষসৰপৰা আঁতৰি যায়। চাণক্য কূট কৌশলে ফল ধৰে। ৰাক্ষসৰে বিৰোধ হোৱাত মলয়কেতু তেওঁৰ সহযোগী ৰজাসকলৰ কবলত পৰে।

'কুটপাশ' নামে ষষ্ঠ অঙ্কত ৰাক্ষসে চন্দন দাসৰ প্ৰবৃত্তি বুজিবলৈ কুসুমপুৰলৈ উভতি আহে। তেওঁৰে সাক্ষাৎ হোৱা লোক এজনৰ মুখে ৰাক্ষসে চন্দন দাসৰ আসন্ন প্ৰাণ নাশৰ বাতৰি পায়। 'সংগ্ৰহণং' নামে ৭ম অঙ্কত চণ্ডালে চন্দন দাসক শূলত দিবলৈ বধ্যভূমিলৈ লৈ যায়। তেওঁৰ পত্নী আৰু পুত্ৰয়ো তেওঁক অনুসৰণ কৰিবলৈ ঠিৰাং কৰে। নিজৰ অন্তৰঙ্গ বন্ধুক বিপদৰপৰা সৰুৱাবলৈ ৰাক্ষসে নিজে ঘটনা স্থলত উপস্থিত হয় আৰু চাণক্যৰ বশংবদ বন্ধু হোৱাৰ প্ৰতিশ্ৰুতি দি চন্দন দাসক মুক্ত কৰে। তেওঁ চাণক্যৰ কথামতে চন্দ্ৰগুপ্ত মৌৰ্যৰ মন্ত্ৰীত্ব পদ স্বীকাৰ কৰিবলৈ সন্মতি দিয়ে। এই খিনিতে চাণক্যৰ নীতি সাফল্য মণ্ডিত হয়।

নাটকৰ বৈশিষ্ট্য ঃ সকলো ফালৰপৰা বিবেচনা কৰি মুদ্ৰাৰাক্ষস নাটকখন অপূৰ্ব আৰু অনুপম ৰচনা বুলিব পাৰি। নাটকখন পৰম্পৰাগত নাট্য শ্ৰেণীৰ ব্যতিক্ৰম। ইয়াত কোনে সস্তীয়া প্ৰেমকথাও নাই, হাস্য শৃঙ্গাৰ ৰসৰ লেশ নাই, নাই নাৰীৰ সমাগম। ই এক পুৰুষসৰ্বস্ব নাটক।

ৰাজনীতিৰ কিছু কথা ভাসৰ প্ৰতিজ্ঞা যৌগন্ধৰায়ণ আৰু স্বপ্নবাসৱদত্ততো পোৱা যায়। কিন্তু মুদ্ৰাৰাক্ষস পূৰ্ণ ৰাজনীতিমূলক নাটক। ইয়াত দুজন পৈণত ৰাজনীতিজ্ঞই ৰাজনীতিৰ দবাখেল খেলিছে। চাণক্যই এই খেলত অংশ গ্ৰহণ কৰি চন্দ্ৰগুপ্ত আৰু চৰসকলক পণিৰ দৰে ব্যৱহাৰ কৰিছে। ৰাক্ষসেও মলয়কেতু, চন্দন দাস, শকট দাস আদিক একেদৰে প্ৰয়োগ কৰিছে। একমাত্ৰ পৰ্বতেশ্বৰক বলি দি চাণক্যই আনসকলক ৰক্ষা কৰিছে। তেওঁ তৰা জালত ৰাক্ষস সবান্ধৱে বান্ধ খাইছে।

'মুদ্ৰাৰাক্ষস' স্কন্দৰ নাৰী বৰ্জিত ভূখণ্ড। তাত নাৰীৰ স্থান নাই। সেইবাবে তাত প্ৰেম নাই, শৃঙ্গাৰ ৰসো নাই। একমাত্ৰ বিষকন্যা আৰু চন্দনদাসৰ পত্নীৰ বিলাপ শুনা যায়।

নাটকখনক বীৰ ৰস প্ৰধান বুলিব পাৰি। বীৰসকলে অস্ত্ৰেৰে যুদ্ধ নকৰি নীতিৰে যুদ্ধ কৰিছে। নাটকত শীতল যুদ্ধ নকৰি আদিৰপৰা অন্তলৈ চলিছে। প্ৰায়সকল পাত্ৰ ছদ্মবেশী। তেওঁলোকে কাৰ অনুচৰ তাক কোৱা টান। সেইবুলি নাটকখন নীৰস নহয়। বৰঞ্চ প্ৰতি খোজতে উৎকণ্ঠা।

চৰিত্ৰসকল সজীৱ, ঘটনাও গতিশীল। প্ৰতিটো চৰিত্ৰ বৈশিষ্ট্যপূৰ্ণ। চাণক্য আৰু ৰাক্ষস যথাৰ্থ নামা ব্যক্তি। চন্দ্ৰগুপ্ত যোগ্য গুৰুৰ যোগ্য শিষ্য। ক্ষুদ্ৰ চৰিত্ৰবিলাকৰ বুদ্ধিত ক্ষুদ্ৰতা নাই। তেওঁলোক বুদ্ধিদীপ্ত আৰু কৰ্ম প্ৰৱণ।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। বিশাখদত্তৰ কাল নিৰ্ণয় কৰক। (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ২.৯ সাৰাংশ (Summing Up)

সংস্কৃত নাটকৰ উৎপত্তি সম্পৰ্কে উপলব্ধ বিভিন্ন পণ্ডিতৰ মতবাদসমূহ আলোচনা কৰক। কালিদাসৰ নাটকসমূহ ভাৰতীয় নাট্যসাহিত্যৰ উত্তম সম্পদ। তেনেদৰে বিশাখদত্তৰ মুদ্ৰাৰাক্ষস একমাত্ৰ প্ৰাচীন ভাৰতীয় ৰাজনৈতিক নাটক তথা শ্ৰেষ্ঠ নাটকৰ উদাহৰণ।

## ২.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত বা ভাৰতীয় নাটকৰ উৎপত্তি সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰক।

২। সংস্কৃত নাটকৰ উৎপত্তি সম্বন্ধে প্ৰচলিত মতবাদসমূহ আলোচনা কৰক।

৩। উক্ত মতবাদ সমূহৰ কোনটো মতবাদ গ্ৰহণযোগ্য বুলি আপুনি ভাবে যুক্তি সহকাৰে আলোচনা কৰক।

৪। ভাস সমস্যাৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

৫। ত্ৰিবান্দ্ৰাম নাটকমালাৰ ওপৰত ভাসৰ কৰ্তৃত্ব সম্বন্ধে আলোচনা কৰক।

৬। ভাস নাটক চক্ৰৰ সকলো নাটকক সামৰি এটি পৰিচয়মূলক টোকা লিখক।

## ২.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


কামাখ্যা চৰণ ভাৰতী ঃ *সংস্কৃত সাহিত্যৰ জিলিঙনি*

থানেশ্বৰ শৰ্মা ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*

গৌৰী নাথ শাস্ত্ৰী ঃ *সংস্কৃত সাহিত্যৰ ইতিহাস*

হৰমোহন দাস ঃ *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*

A.B. Keith : *History of Sanskrit Literature*

M. Winternitz : *History of Indian Literature*

C.K. Raja : *Survey of Sanskrit Literature*

## তৃতীয় বিভাগ

## কালিদাসীয় নাট্যৰীতি

**বিভাগৰ গঠন ঃ**

৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ কালিদাসৰ জীৱন বৃত্ত

৩.৪ কালিদাসৰ নাটকৰ বিষয়বস্তুৰ চমু আভাস

৩.৫ সংস্কৃত নাটকৰ বৈশিষ্ট্য

৩.৬ নাট্যৰীতি অনুসৰি কালিদাসৰ নাটক

৩.৬.১ কালিদাসৰ নাটকত ৰস

৩.৬.২ কালিদাসৰ নাটকৰ চৰিত্ৰ

৩.৬.৩ কালিদাসৰ নাটকত প্ৰকৃতি

৩.৬.৪ কালিদাসৰ নাটকত অতিপ্ৰাকৃতিক উপাদান

৩.৬.৫ কালিদাসৰ নাটকত সমাজ জীৱনৰ প্ৰতিচ্ছবি

৩.৭ নাটক সৃষ্টিত কালিদাসৰ বিশেষত্ব

৩.৭.১ নাটকৰ নামকৰণ

৩.৭.২ নাটকৰ নান্দী

৩.৭.৩ নাটকৰ প্ৰস্তাৱনা

৩.৭.৪ নাটকৰ কথাবস্তু

৩.৮ কালিদাসৰ নাটকৰ বৈশিষ্ট্য

৩.৯ সাৰাংশ (Summing Up)

৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.১১ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

সংস্কৃত সাহিত্যৰ বুৰঞ্জীৰ দিশটো চালিজালি চালে মহাকবি কালিদাসক মানদণ্ড হিচাপে ৰাখি সাহিত্যৰ যুগত তিনিটাভাগত বিভাজন কৰা হৈছে। সেইকেইটা হৈছে— কালিদাসৰ পূৰ্বৱৰ্তী যুগ, কালিদাসৰ যুগ আৰু কালিদাসৰ পৰৱৰ্তী যুগ। নাটক হৈছে সাধাৰণ দৰ্শক আৰু পাঠকৰ অতি সহজে অন্তৰলৈ যাব পৰা এটি মাধ্যম। কালিদাসৰ মুঠ ৰচনাৱলীৰ মাজত তিনিখন নাটক। নাট্যশাস্ত্ৰৰ সম্পূৰ্ণ নাটকীয় ৰীতি যথাযথভাৱে প্ৰয়োগ

কৰি নাটক ৰচনা কৰা মহাকবিজন হৈছে কালিদাস। বসন্তৰ আগমনে প্ৰকৃতিৰ ৰূপ যেনেদৰে শুৱনি কৰি তোলে কালিদাসৰ সমাগমে সংস্কৃত সাহিত্যৰ সম্ভাৰ নদন-বদন কৰি তুলিছিল। কালিদাসে তেখেতৰ নাট্য সাহিত্যৰ মাজেদি নাটকৰ ৰীতি, সেই সময়ৰ সমাজ ব্যৱস্থা, প্ৰেমৰ দৰ্শন আদি বিভিন্ন দিশ অংকিত কৰিছে। তেওঁ নাট সৃষ্টিত অদ্বিতীয়। আমি পাঠটিৰ মাজেৰে কালিদাসৰ 'নাট্যৰীতি'ৰ বিষয়ে কিছু আলোচনা আগবঢ়াম। এই পাঠটিৰ জৰিয়তে সংস্কৃত নাটকৰ বৈশিষ্ট্যৰ লগতে কালিদাসৰ নাটত সেইয়া বিদ্যমান হয় নে নহয় এই বিষয়ে কিছু আভাস দিয়া হ'ব। নাট্য সাহিত্যৰ মাজত কালিদাসৰ বিশেষত্ব ৰসৰ প্ৰয়োগ আদি বিষয়ে কিছু পৰিমাণে ধাৰণা দিবলৈ প্ৰয়াস কৰা হৈছে।

## ৩.২ উদ্দেশ্য

এই পাঠটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কালিদাসৰ জীৱনবৃত্ত সম্পৰ্কে কিছু আভাস পাব।
- কালিদাসৰ নাটককেইখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব।
- নাটকৰ বৈশিষ্ট্যসমূহ কি কি তাৰ অৱতাৰণা কালিদাসৰ নাটত কেনেদৰে উপলব্ধ সেই বিষয়ে কিছু আভাস পাব।
- কালিদাসৰ নাটকত ৰসৰ ব্যৱহাৰ সম্পৰ্কে বৰ্ণনা কিছু পাব।
- কালিদাসৰ নাটকৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে জানিব পাৰিব।
- কালিদাসৰ নাটকত প্ৰকৃতি বৰ্ণনা, অতিপ্ৰাকৃতিক উপাদান, সমাজ জীৱনৰ প্ৰতিচ্ছবি আদিৰ বিষয়ে অৱগত হ'ব।
- নাটকৰ নামকৰণ, নান্দী, প্ৰস্তাৱনা, কথা বস্তুৰ বিষয়ে কিছু তথ্য জানিব পাৰিব।
- কালিদাসৰ নাটকৰ বৈশিষ্ট্যৰ বিষয়েও জানিব পাৰিব।

## ৩.৩ কালিদাসৰ জীৱন বৃত্ত

সমগ্ৰ বিশ্বতে কালিদাসৰ নাম নুশুনা লোকৰ সংখ্যা বিৰল। তেওঁৰ অমৰ সৃষ্টিৰ জৰিয়তে সংস্কৃত সাহিত্যক এক সন্মানজনক স্থানত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এনে কবিসকলে জন্মভূমি আৱিৰ্ভাৱ লগ্ন, পাৰিবাৰিক জীৱন সম্বন্ধে এটি বাক্যও উচ্চাৰণ কৰা নাই। এই নিৰৱতাৰ ফলত জন্ম হৈছে কেইবাটাও কিংবদন্তীৰ। ইয়াৰে কিছুমান একেবাৰে আচহুৱা।

এটি পৰম্পৰা অনুসৰি কালিদাসৰ জন্ম হৈছিল ব্ৰাহ্মণ কুলত। শৈশৱকালতে পিতৃ-মাতৃৰ বিয়োগ হোৱাত এজন পশুপালকৰ মৰমত ডাঙৰ-দীঘল হয় আৰু ওঠৰ বছৰ বয়সলৈকে শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ থাকে। এসময়ত কাশী ৰজাৰ ৰাজকুমাৰী

বিদ্যাৰতীৰ জ্ঞানক লৈ বহুত অহংকাৰ আছিল। তেওঁ এটা চৰ্ত দিছিল, যিজনে তেওঁক জ্ঞানত হৰুৱাব পাৰিব, তাৰ লগতহে তেওঁৰ বিয়া হ'ব। পিছত পণ্ডিতসকলে কালিদাসক মূৰ্খ বুলি জানিব পাৰি লৈ আনি বিদ্যাৰতীৰ সন্মুখত থিয় কৰালে। বিদ্যাৰতীয়ে প্ৰশ্নকেইটা মুখেৰে নুশুধি আকাৰে-ইংগিতেৰে সুধিলে। সংকেতেৰে উত্তৰ দি বিজয়ী হৈ বিদ্যাৰতীক বিয়া কৰালে। বিয়াৰ পিছত তেওঁৰ মূৰ্খতাৰ পৰিচয় পোৱাত তেওঁ বিদ্যা আহৰণৰ বাবে ঘৰ এৰি কালীদেৱীৰ আৰাধনাত ৰত হয়। আৰাধনাৰ অন্তত পাণ্ডিত্য অৰ্জন কৰি ঘৰলৈ উভতি অহাত পত্নীয়ে জানিব বিচৰাত তেওঁ ক'লে— 'অস্তি কশ্চিদ্বাগ্বিশেষঃ বাক্যটোত শুদ্ধ সংস্কৃত শুনি তেওঁ আচৰিত হ'ল। পৰৱৰ্তী সময়ত কালিদাসে সেই তিনিটা শব্দৰে তিনিখন কাব্য ৰচনা কৰিছিল। 'অস্তি' শব্দৰে 'কুমাৰ সম্ভৱ', 'কশ্চিদ্' শব্দৰে 'মেঘদূত কাব্য' আৰু 'বাক্' শব্দৰে আৰম্ভ কৰি 'ৰঘুবংশ' মহাকাব্য ৰচনা কৰিছিল।

জনশ্ৰুতি অনুসৰি পত্নীৰ অনুপ্ৰেৰণাত কাব্য ৰচনা কৰা বাবে পত্নীক মাতৃ সম্বোধন কৰিছিল, সেয়েহে পত্নীয়ে নাৰীৰ হাততে মৃত্যুবৰণ কৰিব লাগিব বুলি অভিশাপ দিছিল। শেষত এগৰাকী বেশ্যাৰ হাততে কালিদাসে প্ৰাণ হেৰুৱাবলগা হৈছিল। আন এটা জনশ্ৰুতি অনুসৰি কালিদাসক বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ এজন বুলি জনা যায়। কিছুমান পণ্ডিতৰ মতে তেওঁৰ জন্মস্থান কাশ্মীৰ, কিছুমানৰ মতে বিদিযা আৰু কিছুমানৰ মতে উজ্জয়িনী। কালিদাস আছিল শৈৱ। সম্ভৱতঃ তেওঁ উজ্জয়িনীৰ বিখ্যাত মহাকাল মন্দিৰৰ মহাদেৱৰ উপাসক। তেখেতৰ আৱিৰ্ভাৱ কাল সম্পৰ্কেও মতানৈক্য দেখা যায়। জাৰ্মান পণ্ডিত মেক্সমুলাৰ, ডাঃ হাৰ্নলী আদিৰ মতে কালিদাস গুপ্ত যুগৰ। ডাঃ কুন্হন্ ৰাজাৰ মতে এওঁৰ আৱিৰ্ভাৱকাল খ্ৰীঃপূঃ দ্বিতীয় শতাব্দী।

**জানি থওঁ আহা ঃ**

- জনশ্ৰুতি অনুসৰি মহাকবি কালিদাস খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতাব্দীৰ।
- জনশ্ৰুতি অনুসৰি মহাকবি কালিদাস বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ এজন।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

- কালিদাসৰ জীৱনৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা (৫০টা শব্দৰ ভিতৰত)

## ৩.৪ কালিদাসৰ নাটকৰ বিষয়বস্তুৰ চমু আভাস

কালিদাসীয় নাট্যৰীতি প্ৰসংগত আলোচনা কৰিব লাগিলে আমি প্ৰথমতে কালিদাসৰ নাটকসমূহৰ ওপৰত আলোকপাত কৰিব লাগিব। কালিদাসৰ ৰচনা সমগ্ৰৰ মাজত আছে তিনিখন নাটক— 'মালৱিকাগ্নিমিত্ৰম্', 'বিক্ৰমোৰ্বশীয়ম্' আৰু 'অভিজ্ঞান-

শকুন্তলম্'। সংস্কৃতত এষাৰ কথা আছে 'কাব্যেষু নাটকং ৰম্যম্।' কাব্যৰ ভিতৰত নাটক আটাইতকৈ ৰমণীয়, যাৰ জৰিয়তে সহৃদয়ৰ হৃদয়ত স্থান বনাবলৈ আৰু নিজৰ ক'বলগা কথা দৰ্শক-পাঠকৰ হৃদয়ত অতি সহজে বিলাবলৈ সমৰ্থ হোৱা যায়— তেনে তিনিখন নাট হৈছে মহাকবি কালিদাসৰ নাটককেইখন।

**মালৱিকাগ্নিমিত্ৰম্ ঃ** 'মালৱিকাগ্নিমিত্ৰম্' মহাকবি কালিদাসৰ পাঁচটা অংকযুক্ত প্ৰেম কাহিনী। ইয়াত শুঙ্গবংশী ৰজা বিদিষাধিপতি 'অগ্নিমিত্ৰ' আৰু বিদৰ্ভৰাজকন্যা মালবিকাৰ প্ৰেম কাহিনী বৰ্ণনা কৰা হৈছে। সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ অগ্নিমিত্ৰ। ঐতিহাসিক পটভূমিত ৰচিত এইখন নাটক। প্ৰথম অংকত অগ্নিমিত্ৰ আৰু বিদূষক গৌতমক চিন্তাত ব্যাকুল দেখা যায়। মালবিকাৰ ৰূপ সৌন্দৰ্যত মোহিত হৈ ৰজা অগ্নিমিত্ৰই দুজনী পত্নী থকাৰ পিছত মালবিকাৰ প্ৰতি আসক্ত হৈছিল। কেনেদৰে মালবিকাক লগ কৰিব পৰা যায় তাৰ উপায় ক'লে। ইয়াত ৰঙ্গশালাৰ বৰ্ণনা পোৱা যায়।

দ্বিতীয় অংকৰ পটভূমি ৰঙ্গশালা। মালৱিকাৰ নৃত্যক শ্ৰেষ্ঠত্ব ঘোষণা কৰা হয়। নৃত্য আয়োজনৰ কালত মহাৰাণী ধাৰিণী চিন্তাত নিমগ্ন। তেওঁ বিচাৰিছিল ৰজা আৰু মালবিকাক কেনেদৰে আঁতৰাই ৰাখিব পাৰি।

তৃতীয় অংকত মধুৰিকা আৰু সমাহিতকাৰ দ্বাৰা আমি এইটো গম পাওঁ যে মালবিকা অত্যাধিক উদাসীন। আৰু অগ্নিমিত্ৰও তেওঁৰ প্ৰতি ব্যাকুল। অগ্নিমিত্ৰ আৰু মালবিকাৰ মিলনত ৰজাৰ আনগৰাকী পত্নী ইৰাৱতীয়েও বাধা হৈ থিয় দিলে।

চতুৰ্থ অংকত বকুলাবলিকাই ৰজা আৰু মালবিকাৰ মিলনৰ বাবে চেষ্টা কৰে, কিন্তু ৰজাৰ আনগৰাকী পত্নী ধাৰিণীয়ে গম পাই মালবিকা বকুলাবলিকাক বন্দি কৰি থ'লে। বিদূষকৰ বুদ্ধিৰ জৰিয়তে পিছত দুয়োগৰাকীক মুকলি কৰে। পঞ্চম অংকত মালবিকাক বিদৰ্ভৰাজ্যৰ ৰাজকন্যা আৰু কৌশিকীক মন্ত্ৰীৰ ভনী বুলি জানিব পাৰি মহাৰাণী ধাৰিণীৰ সন্মতিক্ৰমে মালবিকা আৰু অগ্নিমিত্ৰৰ বিবাহ সম্পন্ন হয়।

**বিক্ৰমোৰ্বশীয়ম্ ঃ** কালিদাসৰ দ্বিতীয়খন নাটক। পঞ্চঅংকযুক্ত নাটকখনৰ বিষয়বস্তু হ'ল প্ৰেম। ৰজা পুৰুৰৱাৰ লগত স্বৰ্গৰ অপ্সৰা উৰ্বশীৰ প্ৰেম কাহিনী অংকিত হৈছে এইখন নাটকত। এই প্ৰেম কাহিনী মৎস পুৰাণতো উপলব্ধ। ইয়াত দেৱতা আৰু মানৱৰ মিলনৰ হেতু 'ত্ৰোটক' প্ৰকৃতিৰ ৰূপক বুলি কোৱা হয়।

নাটখনৰ প্ৰথম অংকত উৰ্বশীয়ে ভগৱান শঙ্কৰক অৰ্চনা কৰি কৈলাস পৰ্বতৰ পৰা ইন্দ্ৰলোকলৈ উভতি আহে। উভতি আহোঁতে বাটতে তেওঁক কেশী নামৰ ভয়ংকৰ দৈত্য এটাই আক্ৰমণ কৰে। মেনকা, ৰম্ভা আদি পৰীসকলে আকাশেদি উৰি যাওঁতে 'ৰক্ষা কৰা! ৰক্ষা কৰা' বুলি চিঞৰিলে। উৰ্বশীৰ আৰ্তনাদৰ ধ্বনি চন্দ্ৰবংশৰ ৰজা পুৰুৰৱাৰ কাণত কৰাত ৰক্ষাৰ নিমিত্তে আগবাঢ়ি গ'ল। বাকী পৰীসকলৰ পৰা কেশীদৈত্যই উৰ্বশীক ঈযাণ

কোণৰপিনে লৈ যোৱা বুলি গম পোৱাত পুৰুৰৱাই উৰ্বশীক উদ্ধাৰ কৰি পৰীসকলৰ হাতত গটাই দিলে। এই সময়তে উৰ্বশী আৰু ৰজা পুৰুৰৱা পৰস্পৰে পৰস্পৰৰ প্ৰতি আসক্ত হয় যদিও দুয়ো দুয়োৰে পৰা আঁতৰি থাকিবলগা হয়।

দ্বিতীয় অংকত ৰজাই তেওঁৰ প্ৰেমৰ বৃত্তান্ত বিদূষকৰ ওচৰত ব্যক্ত কৰিছিল। ৰজা আৰু বিদূষকৰ কথা-বতৰা মনে মনে উৰ্বশী আৰু চিত্ৰলেখাই শুনি উৰ্বশীয়ে গছৰ পাতত প্ৰেমপত্ৰ লিখি ৰজাৰ গাত দলিয়াই দিয়ে। বিদূষকৰ অসাৱধানতাত চিঠিখন কাশীৰজাৰ জীয়ৰী আৰু ৰজাৰ পাটমাদৈ ঔশীনৰীৰ হাতত পৰে। তেওঁ চিঠিখন পঢ়ি খঙতে ককৰ্থনা কৰে। অৱশেষত পুৰুৰৱাৰ অনুনয় বিনয়ত ঔশীনৰী কিছু পৰিমাণে শান্ত হয়।

তৃতীয় অংকত ৰজাৰ মন উৰ্বশীৰ চিন্তাৰে ভৰি আছিল আনহাতে উৰ্বশী স্বৰ্গত থাকিলেও তেওঁৰ মন পুৰুৰবাৰ প্ৰতি আকৃষ্ট হৈ আছিল। নাট্যগুৰু ভৰতমুনিৰ দ্বাৰা নিৰ্দেশিত লক্ষ্মী প্ৰণয়ৰ এখন নাটক কৰাৰ বাবে অপ্সৰাসকলক প্ৰশিক্ষণ দিছিল। লক্ষ্মী দেৱীৰ ভূমিকা উৰ্বশীয়ে অভিনয় কৰাৰ সময়ত অন্যমনস্ক হৈ পুৰুযোত্তমৰ ঠাইত 'পুৰুৰবা'ৰ নাম উচ্চাৰণ কৰে। ক্ৰুদ্ধ মহামুনিয়ে উৰ্বশীক অভিশাপ দিয়ে। বাসৱক প্ৰমাণ কৰি অভিশপ্ত উৰ্বশীয়ে চিত্ৰলেখাৰ সৈতে মৰ্ত্যলোকলৈ নামি আহে। পুৰুৰবাৰ ঔৰসত আৰু উৰ্বশীয়ে সন্তান লাভ নকৰালৈ মৰ্ত্যলোকতে আৱদ্ধ হৈ থাকিবলগীয়া হয়। ঔশীনৰীৰ সন্মতিক্ৰমে উৰ্বশী আৰু পুৰুৰবা প্ৰণয়পাশত আৱদ্ধ হ'ল.

চতুৰ্থ অংকত মন্ত্ৰীসকলৰ হাতত ৰাজ্যভাৰ দি পুৰুৰবাই উৰ্বশীক লৈ গন্ধমাৰ্দন পৰ্বতলৈ গ'ল। কিছুদিন সুখেৰে অতিবাহিত হোৱাৰ পিছত ৰজাৰ চকু উদয়বতী নামৰ গন্ধৰ্ব বালিকা এজনীৰ ওপৰত পৰিল। উৰ্বশীয়ে খঙতে কাৰ্তিকেয়ৰ গন্ধমাৰ্দন বনত প্ৰৱেশ কৰে আৰু এডাল লতালৈ পৰিৱৰ্তিত হয়। উৰ্বশীৰ এই দশা দেখি ৰজা বলিয়াৰ দৰে হ'ল। হঠাৎ এডাল মালা দেখি বুটলি লোৱাৰ লগে লগে আকাশবাণী হ'ল— 'তুমি এই মালাধাৰি পৰিধান কৰা, তেতিয়াহে উৰ্বশীক বিচাৰি পাবা। অলপ দূৰ গৈ নিয়ৰৰ টোপাল লাগি থকা পাত নোহোৱা লতা এডাল দেখি আলিঙ্গন কৰিলে আৰু উৰ্বশীক ঘূৰাই পালে। ৰজাধানীলৈ ওভতাৰ পিছত দুয়োৰে বিবাহ সম্পন্ন হয়।

পঞ্চম অংকত ৰজাই ৰাজকাৰ্য চলাই থাকিলেও পুত্ৰৰ মুখ দেখা পোৱা নাছিল। এটা পৰ্বদিনত ৰজাই উৰ্বশীক লৈ ত্ৰিবেণীত গা ধুবলৈ গৈছিল। উৰ্বশীৰ মণি এটা আছিল। গা ধুবৰ সময়ত ৰঙা ফটা-কানি এখনত বান্ধি উৰ্বশীয়ে মণিটো এগৰাকী বান্দিৰ হাতত দিছিল। মাংস বুলি এটা সেন চৰায়ে থাপ মাৰি লৈ গ'ল। কিন্তু অকস্মাৎ শৰ এপাত আহি সেন চৰাইটোক বিদ্ধ কৰাত চৰাইটো বাগৰি পৰিল। কঞ্চুকিয়ে মণিটো ৰজাক দিলে। ৰজাই শৰপাতত 'পুৰুৰবাৰ পুত্ৰ আয়ুস' বুলি লিখা থকা দেখিলে। ৰজাই উৰ্বশীৰ পুত্ৰ পোৱা খবৰটোৰে পোৱা নাছিল। এনেতে চ্যৱন মুনিৰ আশ্ৰমৰ পৰা ল'ৰা এটা লৈ

তপস্বীনি এগৰাকী আহি সেইটো ৰজাৰ পুত্ৰ বুলি পৰিচয় দিলে আৰু শাপমুক্ত হোৱাৰ ভয়ত উৰ্বশীয়ে তাক তাত জন্মাৰ পিছতে থৈ অহা বুলি ক'লে। পুত্ৰ দৰ্শনৰ লগে লগে উৰ্বশী ম্ৰিয়মান হ'ল। উৰ্বশী গুচি গ'লে ৰজাই বাণপ্ৰস্থ ল'ব বুলি মনস্থ কৰিলে। এনেতে নাৰদ মুনি উপস্থিত হৈ দেৱাসুৰৰ যুঁজত দেৱতাসকলক যদি পুৰুৰবাই সহায় কৰে তেন্তে উৰ্বশী মৰ্ত্যৰ পৰা যাবলগীয়া নহয়। ইপিনে স্বৰ্গৰপৰা সামগ্ৰী আনি আয়ুসক যুৱৰাজ পাতি বাকী দিনকেইটা উৰ্বশীৰ লগত সুখেৰে অতিবাহিত কৰিলে।

**অভিজ্ঞান শকুন্তলম্ ঃ** সাতটা অংকযুক্ত শৃংগাৰ ৰসাত্মক এখন সম্পূৰ্ণ নাট। এই নাটকখনৰ মাজেৰে কবি কালিদাসে স্বকীয় স্থান এটি নিৰূপণ কৰে।

সূত্ৰধাৰে নান্দী শ্লোক পাঠ কৰি প্ৰস্তাৱনাত কি নাটক অভিনয় কৰা হ'ব কথোপকথনৰ জৰিয়তে জনাই মঞ্চত নায়কৰ প্ৰৱেশ সুচল কৰি দিয়ে।

নাটকখনৰ প্ৰথম অংকত মৃগয়া কৰিবলৈ যোৱা দুষ্যন্তই বৈখানসৰ অনুৰোধক্ৰমে মৃগয়া এৰি আশ্ৰমৰ কুশলবাৰ্তা ল'বলৈ আশ্ৰমত প্ৰৱেশ কৰি শকুন্তলা, অনসূয়া আৰু প্ৰিয়ম্বদাৰ লগত নাটকীয় পৰিস্থিতিত সাক্ষাত হয়। অতিথিক বচনেৰে আপ্যায়ন কৰে। ফুলত পানী দি ভাগৰুৱা আটাইকেইগৰাকী শিলাতলত বহি শকুন্তলাৰ জন্ম পৰিচয়ৰ বিষয়ে ৰজাক অৱগত কৰে। ৰজা আৰু শকুন্তলা দুয়ো দুয়োৰে প্ৰতি অনুৰক্ত হয় যদিও কোনেও ব্যক্ত নকৰে। ৰজাই নিজৰ পৰিচয় ব্যক্ত নকৰাকৈয়ে নিজৰ নামাংকিত আঙুঠি এটা উপহাৰ হিচাপে দিছিল। এনে সময়তে হাতী এটাই প্ৰৱেশ কৰি আশ্ৰমৰ শান্তি ভংগ কৰে। ফলত তিনিওগৰাকী কুটীৰলৈ যায়, ৰজাইও আশ্ৰমৰ শান্তি ৰক্ষাৰ নিমিত্তে প্ৰস্থান কৰে।

নাটকৰ দ্বিতীয় অংক আৰম্ভ হয় বিদূষক মাধব্যৰ হাস্যৰসিক বচনেৰে। ৰজাই শকুন্তলাৰ প্ৰতি যে অনুৰক্ত আৰু কেনেদৰে আশ্ৰমত পুনৰ প্ৰৱেশ কৰিব সেই বিষয়ে ভাবি থাকোতেই আশ্ৰমৰ পৰা ঋষি কুমাৰ দুজনে আশ্ৰম ৰক্ষাৰ নিমিত্তে ৰজাক অনুৰোধ কৰে আৰু ৰজাইও যাম বুলি প্ৰতিশ্ৰুতি দিয়ে। এইখিনি সময়তে মাতৃৰ দূত কৰভক আহি মাতৃয়ে পুত্ৰৰ মঙ্গলৰ বাবে পতা যজ্ঞত মতা বুলি অৱগত কৰে। ৰজাই কোনটো কাম কৰিব দোমোজাত পৰি বিদূষকক পুত্ৰৰ দায়িত্ব পালন কৰিব কয়। কিন্তু বিদূষকে ৰাজপ্ৰসাদত কিবা কেনা লগাব পাৰে বুলি শকুন্তলাৰ বিষয়ে কোৱা কথাবোৰ সঁচা নহয় বুলি কয়।

তৃতীয় অংকত ৰজাই ৰাক্ষস আঁতৰ কৰাৰ পিছত মালিনী নদীৰ তীৰত ৰজা আৰু শকুন্তলাৰ নাটকীয় পৰিস্থিতিত মিলন হয় আৰু গান্ধৰ্ব প্ৰথামতে বিবাহপাশত আৱদ্ধও হয়।

চতুৰ্থ অংকত ৰজাই এৰি যোৱাত শকুন্তলা ৰজাৰ প্ৰেমত আপোনপাহৰা হৈ সুলভ খঙৰ অধিকাৰী দুৰ্বাসা মুনিৰ উপস্থিতি গম নোপোৱা বাবে অভিশপ্তা হ'বলগীয়া

হয়। লগে লগে দুয়ো সখীয়ে ঋষিৰ ভৰিত পৰি অভিশাপৰ নিবৃত্তিৰ উপায় বিচাৰে। তেতিয়া ঋষিয়ে কয় যে কিবা যদি আভৰণ বা অলংকাৰ অভিজ্ঞানস্বৰূপে দেখুৱাব পাৰে তেন্তে ৰজাৰ সকলো মনত পৰিব। সিহঁতে আঙুঠিটো থকাত স্বস্তিৰ নিশ্বাস পেলালে। কণ্বমুনিয়ে অন্তঃসত্বা শকুন্তলাৰ বিষয়ে অগ্নিশৰণ গৃহত প্ৰৱেশ কৰি গম পাই শকুন্তলাক স্বামীৰ গৃহলৈ পঠিওৱাৰ ব্যৱস্থা কৰে। পঞ্চম অংকত ৰজাই শকুন্তলাক চিনি নাপাই প্ৰত্যাখ্যান কৰে, ইফালে আশ্ৰমৰ পৰা লৈ অহা শাঙ্গৰৱ, শাৰদ্বত আৰু গৌতমীয়েও শকুন্তলাক এৰি আশ্ৰমলৈ গতি কৰে। ৰাজপুৰোহিতে সন্তানটো জন্ম নোহোৱালৈকে তেওঁৰ লগতে ৰাখিম বুলি লৈ গৈ থাকোতে এটি উজ্জ্বল পোহৰ আহি শকুন্তলাক লৈ অন্তৰ্ধান হ'ল।

ষষ্ঠ অংকত ৰজাই মাছৰ পেটত পোৱা আঙুঠিটো দেখি সকলো কথা মনত পৰি গ'ল। বেজাৰতে ৰাজ্যত সকলো উৎসৱ বৰ্জন কৰিলে। ইফালে শকুন্তলাক লৈ মেনকাই মাৰিছৰ আশ্ৰমত ৰাখিলে যদিও ৰজাৰ মনত সকলো পৰিছে নে নাই চাবৰ বাবে সানুমতী নামৰ অপ্সৰা এগৰাকীক পঠিয়ালে। সানুমতীয়ে তিৰস্কৰিণী বিদ্যাৰ জৰিয়তে সকলো জানি উভতি গ'ল।

সপ্তম অংকত স্বৰ্গৰাজ্য উদ্ধাৰৰ বাবে ইন্দ্ৰৰ সাৰথি মৰ্ত্যলৈ আহি ৰজাক স্বৰ্গলৈ লৈ যায়। তাত স্বৰ্গৰাজ্য উদ্ধাৰ কৰাৰ পিছত এবাৰ স্বৰ্গৰাজ্য পৰিভ্ৰমণ কৰোঁতে সৰ্বদমনক দেখি আগবাঢ়ি যায় আৰু তাতেই অতি নাটকীয় ভঙ্গীমাৰে দুষ্যন্ত শকুন্তলা আৰু সৰ্বদমনৰ মিলন হয়।

**জানি থওঁ আহা ঃ**

- 'মালবিকাগ্নিমিত্ৰম্' নাটত ৰজা অগ্নিমিত্ৰ সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ।
- 'বিক্ৰমোৰ্বশীয়ম্' নাটত নায়ক ৰজা পুৰূৰবা।
- অভিজ্ঞান শকুন্তলম' নাটত কণ্বমুনিৰ আশ্ৰম মালিনী নদীৰ তীৰত।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

নাট তিনিখনৰ যিকোনো এখনৰ কাহিনী ৫০টা শব্দৰ ভিতৰত বৰ্ণনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৫ সংস্কৃত নাটকৰ বৈশিষ্ট্য

অলংকাৰ শাস্ত্ৰানুসৰি সংস্কৃত কাব্য দৃশ্য-শ্ৰব্য ভেদে দুই প্ৰকাৰৰ। দৃশ্য কাব্যৰ দশৰূপকৰ প্ৰথমটো হৈছে নাটক। নাটকৰ বিষয়ে বহলভাৱে আচাৰ্য ভৰত মুনিয়ে নাট্যশাস্ত্ৰতে বৰ্ণনা কৰিছে। নাট্যশাস্ত্ৰৰ সপ্তদশ অধ্যায়ত নাট্যৰ লক্ষণ প্ৰসংগত কৈছে যে— ভূষণ, অক্ষৰ সংঘাত, শোভা, উদাহৰণ, হেতু, সংশয়, দৃষ্টান্ত, প্ৰাপ্তি, অভিপ্ৰায়, নিদৰ্শন, নিৰুক্ত, সিদ্ধি, বিশেষণ, গুণাতিপাত, গুণৰ আতিশায্য, মালা, দাক্ষিণ্য, গ্ৰহণ, অৰ্থাপত্তি, প্ৰসিদ্ধি, পৃচ্ছা, সাৰূপ্য, মনোৰথ, লেশ, সংক্ষোভ, গুণ-কীৰ্তন, অনুক্তসিদ্ধি, প্ৰিয়বাক্য এই ৩৬টা নাট্যৰ লক্ষণ। বিশ্বনাথ কবিৰাজে সাহিত্যদৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত নাটকৰ লক্ষণ প্ৰসংগত কৈছে— 'নাটকং খ্যাত বৃত্তং স্যাত্' নাটকৰ কাহিনীভাগ খ্যাত বিষয়ৰ ওপৰত আশ্ৰিত হ'ব লাগে। 'পঞ্চসন্ধিসমন্বিতম্' অৰ্থাৎ মুখ-প্ৰতিমুখ-গৰ্ভ-বিমৰ্ষ আৰু নিৰ্বহণ নামেৰে পাঁচটা সন্ধিৰ সমাহাৰ হ'ব লাগে। ইয়াৰ উপৰিও যি দৃশ্যকাব্য বিলাস আৰু অভ্যুদয় আদি গুণৰ সমাবেশত আৰু নানা বিভূতিৰ যোগত উদাত্ত আৰু সমৃদ্ধ হয়, মানৱৰ সুখ-দুখৰ অনুভূতিৰ পৰা যাৰ উদ্ভৱ আৰু যাৰপৰা নানা ৰসৰ অনুভূতি হয় সেয়ে নাটক। নাটকত অংকৰ সংক্যা পাঁচটাতকৈ বেছি দহটাতকৈ কম হ'ব লাগে। নায়কজন প্ৰখ্যাত বংশৰ ৰাজৰ্ষি আৰু ধীৰোদাত্ত গুণৰ অধিকাৰী হ'ব লাগে। নাটকত অঙ্গীৰস হিচাপে কেৱল মাত্ৰ শৃংগাৰ অথবা বীৰ ৰসহে থাকিব লাগে। আন আটাইকেইটা ৰসে মুখ্য ৰসৰ সহকাৰী হৈ থাকিব লাগে। নাট্যশাস্ত্ৰত উল্লেখ আছে যে— 'অষ্টৌ নাট্যে ৰসাঃ স্মৃতাঃ'। অৰ্থাৎ নাটকত আঠটা ৰস থকাটো বাঞ্ছনীয়। নাটকৰ সামৰণি গৰুৰ নেজ সদৃশ হ'ব লাগে। অৰ্থাৎ নাটকৰ সামৰণি মিলনাত্মক। নাটত কিছুমান চিন দেখুওৱাৰ পৰা বিৰত থাকিবলৈ কৈছে। যেনে— দূৰাহ্বান, মৰা-কটা, যুদ্ধ, ৰাজ্য দেশ আদিৰ বিপ্লৱ, বিয়া, ভোজন, শাপ, মল-মূত্ৰ ত্যাগ, মৃত্যু, ৰতিক্ৰীড়া, দন্তক্ষত, নখক্ষত আৰু অন্যান্য যিবোৰ লজ্জাজনক কথা আছে, সেইবিলাক শয়ন, অধৰপান (চুম্বন) আদি, নগৰ, দুৰ্গ আদিৰ অবৰোধ, স্নান, অনুলেপন আদি। নাটকৰ আৰম্ভণিৰ শ্লোকটোক 'নান্দী' আৰু সামৰণিৰ শ্লোকটোক 'ভৰতবাক্য' বুলি কোৱা হয়। নান্দী সদায় নাটকৰ আৰম্ভণিতে সূত্ৰধাৰে পাঠ কৰে আৰু 'ভৰতবাক্য' নাটকৰ নায়কজনে পাঠ কৰে।

**জানি থওঁ আহা ঃ**

- নাটকৰ বিষয়বস্তু প্ৰখ্যাত বিষয়ৰ ওপৰত আশ্ৰিত হ'ব লাগে।
- নাটকত অংকৰ সংখ্যা ৫টাতকৈ বেছি দহটাতকৈ কম।
- নাটকৰ প্ৰথম শ্লোকটোক নান্দী শ্লোক বুলি কোৱা হয়।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

পঞ্চসন্ধি কি? ৫০টা শব্দৰ ভিতৰত বৰ্ণনা কৰা।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

## ৩.৬ নাট্যৰীতি অনুসৰি কালিদাসৰ নাটক

নাট্যৰীতিৰ ফালৰ পৰা তিনিওখন নাটৰ ভিতৰত অভিজ্ঞান-শকুন্তলম্ অন্যতম। নাটকৰ লক্ষণসমূহ যেন কালিদাসৰ শকুন্তলা নাট ৰচনাৰ পিছতহে নিৰূপিত হৈছে। অৰ্থাৎ প্ৰতিটো লক্ষণেই এইখন নাটকত উপলব্ধ।

মালবিকাগ্নিমিত্ৰম্ কালিদাসৰ প্ৰথম নাট। নাটকখনৰ পটভূমি ঐতিহাসিক। নায়ক অগ্নিমিত্ৰ মৌৰ্যৰজা বৃহদ্ৰথৰ সেনাপতি পুষ্যমিত্ৰৰ পুত্ৰ। নাটকীয় কলা-কৌশলৰ ফালৰ পৰা উৎকৃষ্ট বুলি নক'লেও প্ৰত্যেক অৱস্থাতে অগ্নিমিত্ৰৰ প্ৰেম সিদ্ধিৰ বাবে প্ৰযত্ন কৰা হৈছে। ইয়াত কিছুমান আনুসঙ্গিক ঘটনাৰ অৱতাৰণা কৰা হৈছে যদিও ঘটনাবোৰ মুখ্য ঘটনাৰ সহায়ক। ৰস শৃংগাৰ আৰু অংকৰ সংখ্যা পাঁচ। শেষত নায়ক-নায়িকাৰ মিলনে নাট্যৰ লক্ষণ পূৰ্ণ কৰিছে।

'বিক্ৰমোৰ্বশীয়ম্'ৰ কাহিনীভাগ ঋগ্বেদ, মৎসপুৰাণ, মহাভাৰত, বিষ্ণুপুৰাণ আৰু পদ্মপুৰাণতো পোৱা যায়। গতিকে খ্যাত বিষয়ৰ ওপৰত আশ্ৰিত। নাটকখনত মুখ-প্ৰতিমুখ আদি কৰি প্ৰতিটো সন্ধি সুন্দৰকৈ সংযোগ কৰিছে। শৃংগাৰ ৰসক মুখ্যভাৱে লৈ নাটকখন নবীন ৰূপত উপস্থাপন কৰিছে। মূল কাহিনীটোক সাৰথি হিচাপে ৰাখি কবিৰ সংযোজনেৰে নাটকখন বেলেগ ৰূপত প্ৰকাশিত হৈছে। নাটকখনৰ নায়ক পুৰূৰবা ধীৰোদাত্ত, বীৰ বিখ্যাত সহৃদয়, ক্ষমতাশালী ৰজা। নাটকত অংকৰ সংখ্যাও পাঁচ। বহু বাধা নেওচিও শেষত নায়ক-নায়িকাৰ পুনৰ্মিলন সম্ভৱ হৈছে।

'কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যা শকুন্তলা' কাব্যৰ ভিতৰত ৰমণীয় নাট আৰু নাটৰ ভিতৰত আটাইতকৈ ৰমণীয় 'অভিজ্ঞান শকুন্তলম্'। নাটকৰ কাহিনীভাগ মহাভাৰতৰ আদি পৰ্বৰ পৰা লোৱা। কিন্তু মহাকবি কালিদাসে মহাভাৰতৰ কাহিনীভাগৰ বহু পৰিৱৰ্তন আৰু সংযোজন ঘটাই স্বকীয় ৰূপত প্ৰতিষ্ঠা কৰিছে। সেয়ে এইখন সকলো ফালৰ পৰাই সৰ্বশ্ৰেষ্ঠ নাট। প্ৰথম অংকৰ আৰম্ভণিতেই কবিয়ে বৈখানসৰ বচনতেই মুখ সন্ধিৰ বীজ ৰোপণ কৰিছিল। এই বীজেই পৰৱৰ্তী সময়ত বিকাশ লাভ কৰে আৰু আটাইকেইটা সন্ধিৰ সঠিক উপস্থাপন কৰা দেখা যায়। নায়ক ৰজা দুষ্যন্ত। দুষ্যন্ত ধীৰোদাত্ত প্ৰকৃতিৰ,

উদাৰ, ধৰ্মপৰায়ণ সংযমী ৰজা। কালিদাসৰ সৃষ্টিত ৰজা দুষ্যন্ত সফল নায়ক ৰূপেৰে প্ৰতিপন্ন হৈছে। নাটকখনৰ আৰম্ভণি হৈছে এটি সুন্দৰ নান্দী শ্লোকেৰে। প্ৰস্তাৱনা, বিষ্কম্ভক, প্ৰবেশক সকলোৱে সফল প্ৰয়োগ দেখা যায় শকুন্তলা নাটত। নাটকত অংকৰ সংখ্যা সাত। অঙ্গীৰস শৃংগাৰ। শকুন্তলা নাটত প্ৰতিটো চৰিত্ৰই সজীৱ। নাটকৰ সামৰণিত নায়ক-নায়িকাৰ মিলন সম্ভৱ হৈছে। অভিশাপৰ চিন নাটকৰ নেপথ্যতহে সংঘটিত হৈছে। শেষত নায়ক ভৰতবাক্য পাঠেৰে নাটকৰ সামৰণি কৰিছে।

### ৩.৬.১ কালিদাসৰ নাটকত ৰস

আলংকাৰিকসকলৰ দৃষ্টিত ৰসাত্মক বাক্যই হৈছে কাব্য। অৰ্থাৎ কাব্যৰ বাবে ৰস অত্যাৱশ্যকীয়। ৰস সৃষ্টি হৈছে সংস্কৃত কবি, নাট্যকাৰসকলৰ প্ৰধান উদ্দেশ্য। আচাৰ্য ভৰতমুনিৰ মতে ৰস আঠ প্ৰকাৰৰ ঃ শৃংগাৰ, বীৰ, হাস্য, অদ্ভুত, বিভৎস, ৰৌদ্ৰ, ভয়ানক আৰু কৰুণ। পৰৱৰ্তী আলংকাৰিকসকলে শান্তৰসক নৱম ৰসৰ ভিতৰত ৰাখিছে। কিন্তু নাটকত ৰস আঠবিধেই থাকে। তাৰ ভিতৰত শৃংগাৰ অথবা বীৰ ৰস নাটকত অঙ্গীৰস ৰূপেৰে ব্যৱহাৰ হয়। ভৰতৰ মতে— 'বিভাৱানুভাৱ-ব্যভিচাৰি সংযোগাদ্ৰসঃ নিষ্পত্তিঃ?' অৰ্থাৎ বিভাৱ অনুভাৱ আৰু ব্যভিচাৰিবাৱৰ সংযোগত ৰসৰ নিষ্পত্তি হয়। বিভাৱ দুই প্ৰকাৰৰ আলম্বন বিভাৱ আৰু উদ্দীপণ বিভাৱ। আলম্বন বিভাৱ হৈছে যাক কেন্দ্ৰ কৰি ৰসৰ উৎপত্তি হয়। অৰ্থাৎ নায়ক-নায়িকা নাটকৰ চৰিত্ৰসমূহ। উদ্দীপন বিভাৱ হৈছে সামগ্ৰিক পৰিৱেশ। যি পৰিৱেশ ৰসৰ বাবে অনুকুল। অনুভাৱ হৈছে হৃদয়ত ৰস অংকুৰিত হ'লে বাহিৰত যি প্ৰকাশ হয়। উদাহৰণস্বৰূপে শৃংগাৰৰস অংকুৰিত হ'লে দৃষ্টিনিক্ষেপ, চকুটিপুওৱা আদি। ব্যভিচাৰি ভাৱ হৈছে অনুভাৱৰ পিছত দেখা দিয়া কিছুমান প্ৰতিক্ৰিয়া। প্ৰতিজন মানুহৰ অন্তৰত প্ৰতিটো ৰসৰ স্থায়ীভাৱ শুপ্ত অৱস্থাত থাকে। যেনে শৃংগাৰ ৰসৰ স্থায়ীভাৱ হৈছে— 'ৰতি'। মানৱ হৃদয়ত শুপ্ত অৱস্থাত থকা ৰতি স্থায়ীভাৱটো সুন্দৰ পৰিৱেশত প্ৰকাশ পাই পৰিৱৰ্তিত হয় শৃংগাৰ ৰসলৈ। ৰস প্ৰয়োগৰ ফলতেই নাটক এখনে সকলোৰে অন্তৰত সোমাই পৰে। সেইবাবে 'সাহিত্যদৰ্পণ' গ্ৰন্থত কৈছে— 'এক এৱ ভৱেদ্ অঙ্গী শৃংগাৰ বীৰ এৱ বা।' ৰসৰ প্ৰাচুৰ্যতা প্ৰতিখন সংস্কৃত নাটতে দেখা যায় যদিও কিছুমান নাটত ৰস প্ৰয়োগত নাট্যৰীতি উলংঘা কৰা দেখা যায়।

কালিদাসৰ তিনিওখন নাটেই শৃংগাৰ ৰস প্ৰধান। 'মালবিকাগ্নিমিত্ৰম' নাটকত প্ৰমুখ্য ৰস শৃংগাৰ। ইয়াত নায়ক অগ্নিমিত্ৰ আৰু নায়িকা মালবিকা। কালিদাসে এইখন নাটকত নাটকীয় কলা প্ৰয়োগত বিফল যদিও ৰস প্ৰয়োগত ঠিকে আছে। মালবিকা আৰু অগ্নিমিত্ৰৰ মিলনৰ সামগ্ৰিক পৰিৱেশৰো সৃষ্টি কৰিছে। কালিদাসৰ এইখন ডেকা বয়সৰ সৃষ্টি সেয়েহে ইয়াত দেহজ প্ৰেমক অগ্ৰাধিকাৰ দিছে। 'বিক্ৰমোৰ্বশীয়ম্' নাটত আলম্বন

বিভাৱ ৰজা ‘পুৰুৰবা’ আৰু অপ্সৰা ‘উৰ্বশী’। দুয়োজনৰ প্ৰথম মিলন অতিকৈ শুৱনি স্বৰ্গৰাজ্যত কেশীদৈত্যই অপহৰণ কৰি লৈ গৈ থাকোতে ৰজা পুৰুৰবাই উদ্ধাৰ কৰে। মাজত দুয়োজনৰ বিচ্ছেদ হোৱাৰ ভয় আৰু শেষত পুনৰ মিলন। ইয়াত শৃংগাৰৰ বিপ্ৰলম্ভ আৰু সম্ভোগ দুয়োটাই অংকন কৰা হৈছে।

শকুন্তলা নাট কবিৰ পূৰ্ণ পৰশৰ ফলশ্ৰুতি। শকুন্তলা নাটৰ প্ৰমুখ্য ৰস শৃংগাৰ। শৃংগাৰৰ দুয়োটা ভাগ সম্ভোগ আৰু বিপ্ৰলম্ভ দুয়োটাই পূৰ্ণৰূপত পোৱা যায়। আলম্বন বিভাৱ ৰজা দুষ্যন্ত আৰু শকুন্তলা। দুয়োজনৰ প্ৰথম দেখা-দেখি কণ্বমুনিৰ আশ্ৰমত মালিনী নদীৰ তীৰত। কবি কালিদাসে প্ৰথম অংকতেই শকুন্তলাৰ কৃত্ৰিম খং, উভতি উভতি দেৰিকৈ যোৱা আদি কাৰ্যৰ জৰিয়তে অনুভাৱৰ সফল প্ৰয়োগ কৰিছে। তৃতীয় অংকত শকুন্তলাৰ দেহৰ পীড়া ব্যভিচাৰী ভাৱৰ আত্মপ্ৰকাশ। প্ৰেম নিবেদনৰ বাবে প্ৰেমপত্ৰ লিখা এইয়া শৃংগাৰ ৰসৰ বহিঃপ্ৰকাশ। গান্ধৰ্ব প্ৰথামতে বিবাহপাশত আৱদ্ধ হোৱা, শকুন্তলা অন্তঃসত্বা হোৱা সম্ভোগ শৃংগাৰৰ বাহ্যিক ৰূপ। পঞ্চম অংকত ৰজাই শকুন্তলাক প্ৰত্যাখ্যান আৰু ষষ্ঠ অংকত মাছৰ পেটৰ পৰা পোৱা আঙুঠিটো দেখি সকলো মনত পৰি দুখত ভাগি পৰা চিন বিপ্ৰলম্ভ শংগাৰ ৰসৰ উদাহৰণ। শৃংগাৰ ৰসক উদ্দীপনা যোগোৱাৰ বাবে আৰু বাকীকেইটা ৰসৰো প্ৰয়োগ দেখা যায়। প্ৰথম অংকত ৰজাই মৃগয়া কৰিবলৈ যাওঁতে হৰিণৰ দৃশ্যটো ‘গ্ৰীবাভঙ্গাঙিৰামং’ ভয়ানক ৰসৰ উদাহৰণ। প্ৰথম অংকৰ বাকী ছোৱাত শৃংগাৰ ৰসে প্ৰাধান্য পালেও অংকৰ সামৰণিত ‘হস্তিবৃত্তান্ত’ৰ যোগেদি আকৌ ভয়ানক ৰসৰ প্ৰয়োগ কৰিছে। ৰজাক হেৰুৱাৰ দুখে বিপ্ৰলম্ভ শৃংগাৰকো প্ৰয়োগ দেখুৱাইছে। চতুৰ্থ অংকৰ বিজ্ঞম্ভকত থকা দুৰ্বাসাৰ অভিশাপত ৰৌদ্ৰৰসৰ প্ৰয়োগ আৰু তাৰ পিছত গোটেই অংকটোত কৰুণ ৰসে বিৰাজ কৰিছে। পিতৃগৃহৰ পৰা কন্যা বিদায়ৰ দৃশ্য সঁচাকৈয়ে হৃদয় বিদাৰক। পঞ্চম অংকত বিপ্ৰলম্ভ শৃংগাৰৰ লগতে হাস্য, বীৰ আৰু অদ্ভুত ৰসৰো প্ৰয়োগ আছে। ষষ্ঠ অংকত ৰজা শকুন্তলাৰ বিৰহত ম্ৰিয়মান, গতিকে ইয়াত কৰুণ, বিপ্ৰলম্ভ শৃংগাৰ ৰসো পোৱা যায়। নাটকৰ অন্তিম অংকৰ আৰম্ভণিতে বীৰ ৰস আছে যদিও তাৰ পিছত বাৎসল্য প্ৰেম আৰু নায়ক-নায়িকাৰ অন্তিম মিলনত সম্ভোগ শৃংগাৰ ৰসেই আছে।

নাট্যৰীতিৰ দিশৰ পৰা কালিদাসীয় নাট্যৰীতিৰ প্ৰধান দিশটো হৈছে শৃংগাৰ ৰসৰ অৱতাৰণা।

**জানি থওঁ আহা ঃ**

- কালিদাসৰ নাটকৰ অঙ্গীৰস শৃংগাৰ।
- বাকী সাতটা ৰসে মূল ৰসটোক উদ্দীপনা যোগোৱাত সহায় কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ৰস বুলিলে কি বুজা? কেইপ্ৰকাৰৰ ৰস নাটকত প্ৰয়োগ হয় আৰু কি কি? (৫০টা শব্দৰ ভিতৰত লিখা)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৬.২ কালিদাসৰ নাটকৰ চৰিত্ৰ

নাটকৰ চৰিত্ৰ নাটকৰ অপৰিহাৰ্য অংগ। চৰিত্ৰৰ সঠিক চিত্ৰণে নাটক সহৃদয়ৰ হৃদয়ত আকৰ্ষণৰ কেন্দ্ৰ বিন্দু কৰি তোলে। সূত্ৰদাৰে নাটক পৰিচালনা কৰোঁতেই মঞ্চত কেনেদৰে চৰিত্ৰসমূহ প্ৰৱেশ কৰিব কোন প্ৰস্থান কৰিব তাৰবাবে পথ সুচল কৰি দিয়ে। কালিদাসৰ প্ৰতিখন নাটকৰে চৰিত্ৰসমূহ সজীৱ। এটাও চৰিত্ৰ অতিৰিক্তভাৱে সংযোজন হোৱা নাই কালিদাসৰ 'অভিজ্ঞান শকুন্তলম্' নাটত।

'মালৱিকাগ্নিমিত্ৰম্' নাটক মূল চৰিত্ৰসমূহ হৈছে— নায়ক- অগ্নিমিত্ৰ, বিদূষক- গৌতম, সূত্ৰধাৰ, ৰঙ্গশালাৰ আচাৰ্য গণ দাস আৰু হৰদত্ত, মহাৰাণী ধাৰিণী আৰু ইৰাৱতী, বিচাৰপতি- ভগৱতী কৌশিকী, বহতক- অগ্নিমিত্ৰৰ মন্ত্ৰী, নিপুণিকা, চন্দ্ৰিকা- ইৰাৱতীৰ দাসী, বকুল বলিকা আদি। কালিদাসৰ প্ৰথম নাট হ'লেও অপ্ৰাসংগিক চৰিত্ৰ অংকন হোৱা নাই। ইয়াত নায়ক অগ্নিমিত্ৰ বীৰ যোদ্ধা হ'লেও প্ৰেমিক ৰূপেৰেও দেখিবলৈ পাওঁ। নাটকত কৌশিকীৰ চৰিত্ৰটো প্ৰবল।

'বিক্ৰমোৰ্বশীয়ম্' নাটত নায়ক পুৰুৰবা, নায়িকা-উৰ্বশী, বিদূষক-মাণবক, পুৰুৰবাৰ পত্নী- ঔশীনৰী, পুৰুৰবাৰ পুত্ৰ- আয়ুস, মহামুনি ভৰত, ইন্দ্ৰ আদিয়েই প্ৰধান চৰিত্ৰ। নাটকত পুৰুৰবা ধীৰোদাত্ত প্ৰকৃতিৰ নায়ক। পুৰুৰবাৰ চিত্ৰণ কবিয়ে প্ৰথমতে প্ৰেমিক পিছতহে ৰজাৰ ৰূপত অংকন কৰিছে। সেয়েহে বহুদিন ধৰি ৰাজধানীৰ পৰা আঁতৰত আছিল। পিছত পুত্ৰক ৰাজ্যভাৰ দি উৰ্বশীৰ লগত সুখেৰে দিন অতিবাহিত কৰিছিল।

'অভিজ্ঞান শকুন্তলম্' নাটত মহাকবি কালিদাসে প্ৰতিটো চৰিত্ৰই অতি সুন্দৰকৈ অংকন কৰিছে। মহাভাৰতৰ ৰজা দুষ্যন্তৰ চৰিত্ৰ আৰু শকুন্তলা নাটৰ দুষ্যন্তৰ চৰিত্ৰৰ মাজত কোনো মিল নাই। শকুন্তলা নাটৰ নায়ক ৰজা দুষ্যন্ত অত্যন্ত দায়িত্ব পৰায়ণ, সংযমী, সঠিক সিদ্ধান্ত ল'ব পৰা, ধীৰোদাত্ত আৰু এজন প্ৰকৃত প্ৰেমিক। প্ৰথম অংকত দুষ্যন্তৰ প্ৰৱেশ, বৈশানসৰ অনুৰোধক্ৰমে মৃগয়া পৰিত্যাগ কৰি ৰজাৰ ত্ৰাণকৰ্তাৰূপে দায়িত্ব পালন

আদি তেখেতৰ চৰিত্ৰৰ নিদৰ্শন। বিদূষক মাধব্যৰ চৰিত্ৰটো হাস্যৰসিক। শকুন্তলা, অনসূয়া, প্ৰিয়ম্বদা তিনিওগৰাকীয়ে সমবয়সীয়া আৰু অপৰূপা। ৰজাই বনলতাৰ লগত ৰিজাইছেও। শকুন্তলা গছ-লতা, তৰু-তৃণৰ মাজত ডাঙৰ হৈ সেই সকলোকে ভাতৃ-ভগ্নীৰ স্নেহেৰে ধৰি ৰাখিছে। কালিদাসে শকুন্তলাক ভগৱানৰ অদ্বিতীয় সৃষ্টি বুলি কৈছে। অনসূয়া প্ৰিয়ম্বদাতকৈ ভাবুক, আনৰ অহিত চিন্তা নকৰা আৰু তৎপৰ। মহৰ্ষি কণ্বমুনি বা কাশ্যপ মুনিৰ চৰিত্ৰটো চতুৰ্থ অংকতেই আছে। ব্ৰহ্মচাৰী হোৱা সত্বেও পিতৃৰ পূৰ্ণ দায়িত্ব পালন কৰিছে। শকুন্তলাক গাৰ্হস্থ্য জীৱনত কেনেদৰে আগবাঢ়িব লাগিব তাৰো পৰামৰ্শ আগবঢ়াইছে— 'শুশ্ৰুস্বস্য গুৰুন্ কৰু প্ৰিয়সখী বৃত্তিং সপত্নী জনে.....' (চতুৰ্থ অংক)। শকুন্তলা নাটৰ প্ৰমুখ্য চাৰিটা শ্লোক কবিয়ে কণ্বমুনিৰ মুখতেই দিছে। বৈখানস, শাৰ্ঙ্গৰব, শাৰদ্বত, গৌতম আদি ঋষি কুমাৰসকলৰ ভূমিকাও অন্যতম। নাটকখনত প্ৰথম বীজ ৰোপণ বিখানসৰ বক্তব্যৰ জৰিয়তে হয়। নাৰী চৰিত্ৰবোৰৰ ভিতৰত আন দুটা চৰিত্ৰ হৈছে গৌতমী আৰু সানুমতী। গৌতমী কণ্ব মুনিৰ আশ্ৰমত থকা মাতৃতুল্যা তপস্বী এগৰাকী। আৰু সানুমতী হৈছে শকুন্তলাৰ মাতৃ মেনকাৰ প্ৰিয়সখী। এই চৰিত্ৰটোৰ যোগেদি নাট্যকাৰে নায়ক-নায়িকাৰ পুনৰ্মিলনৰ পথ সুচল কৰি দিছে। সানুমতীয়ে তিৰস্কৰিণী বিদ্যাৰ অধিকাৰী। সেই বিদ্যাৰ জৰিয়তে ষষ্ঠ অংকত শকুন্তলাৰ বিৰহত ৰজা দুষ্যন্তই সকলো উৎসৱ ৰাজ্যত পৰিহাৰ কৰা আৰু অনুতপ্ত ৰজাৰ হৃদয়ৰ ব্যথা মেনকাক জনাইছে। তাৰেই ফলশ্ৰুতি হৈছে সপ্তম অংকত। ইন্দ্ৰৰ সাৰথি মাতলিয়ে স্বৰ্গৰাজ্য উদ্ধাৰৰ নিমিত্তে ৰজা দুষ্যন্তক স্বৰ্গলৈ লৈ গৈছে। সানুমতীৰ চৰিত্ৰ কালিদাসৰ স্বসংযোজন।

কালিদাসে প্ৰতিটো চৰিত্ৰ নাটকীয় দৃষ্টিকোণৰ পৰাহে সংযোজন কৰিছে আৰু প্ৰতিটোৰ উপস্থাপন সময় সাপেক্ষ। কোনো এটা চৰিত্ৰৰ অৱতাৰণাই দৰ্শকক আমনি দিয়া নাই বৰঞ্চ সকলোৰে হৃদয় আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

**জানি থওঁ আহা ঃ**

- কালিদাসে তেওঁৰ নাটসমূহত সৰু-ডাঙৰ প্ৰতিটো চৰিত্ৰ প্ৰয়োজনৰ বিত্তিতহে উপস্থাপন কৰিছে।
- মূল গ্ৰন্থত নথকা কেইবাটাও চৰিত্ৰ কালিদাসৰ নাটকত পোৱা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। কালিদাসৰ নাটক কেইখনৰ নায়ক কোন কোন?

..............................................................................................................

..............................................................................................................

২। কালিদাসৰ নাটত চৰিত্ৰ সংযোজনৰ উদ্দেশ্য কি বহলাই লিখা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৩.৬.৩ কালিদাসৰ নাটকৰ প্ৰকৃতি**

কবি কালিদাসৰ প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ অতি বেছি। তেওঁৰ দৃষ্টিত প্ৰকৃতিয়ে কথা কয়, মানুহৰ অন্তৰৰ অনুভূতি বুজি পায়। অৰ্থাৎ মানৱত্বাৰোপ (Personification) কবিৰ প্ৰধান বিশেষত্ব। তিনিওখন নাটতে নদী, আশ্ৰমৰ বৰ্ণনা উপলব্ধ। বিশেষকৈ শকুন্তলা নাটৰ প্ৰথম চাৰিটা অংক কণ্বমুনিৰ আশ্ৰমতে তৰু-তৃণৰ মাজতে দৃশ্যায়িত কৰা হৈছে। আচলতে প্ৰকৃতিক বাদ দিলে নাটকৰ সৌন্দৰ্যই অটুত নাথাকে। শকুন্তলা নাটৰ পঞ্চম আৰু ষষ্ঠ অংকক বাদ দি সপ্তম অংকও প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ মাজতে অংকন কৰিছে। 'মালৱিকাগ্নিমিত্ৰম্' নাটৰ তৃতীয় অংকত প্ৰমোদ বনৰ বিষয়ে পোৱা যায়। 'বিক্ৰমোৰ্বশীয়ম্' নাটকৰ আৰম্ভণিতে ভগৱান শঙ্কৰক অৰ্চনা কৰি কৈলাশ পৰ্বতৰ পৰা ইন্দ্ৰলোকলৈ উভতি আহে। নাটকৰ চতুৰ্থ অংকত উৰ্বশীয়ে গন্ধমাদন বনত লতাৰ ৰূপ ধাৰণ কৰে। পঞ্চম অংকত চ্যৱন মুনিৰ আশ্ৰমৰ বিষয়েও পোৱা যায়। আনহাতে শকুন্তলা নাটৰ শকুন্তলা প্ৰকৃতিৰে জীয়ৰী। পিতৃ-মাতৃৰ দ্বাৰা পৰিত্যক্তা হোৱাত চৰায়ে ৰক্ষা কৰিছিল, সেয়ে তেওঁৰ নাম শকুন্তলা। প্ৰকৃতিৰ কন্যা শকুন্তলাৰ তৰু-তৃণ, লতা আটাইৰে প্ৰতি ভাতৃ-ভগ্নীসুলভ স্নেহ। শকুন্তলাৰ দৈহিক সৌন্দৰ্যকো প্ৰকৃতিৰ লগতে ৰিজাইছে।

'অধৰঃ কিশলয় ৰাগঃ কোমল বিটপানুকাৰিণো বাহুঃ।
কুসুমমিৱ লোভনীয়ং যৌৱনমঙ্গেযু সন্নধ্বম্।।'

শকুন্তলাৰ ওঁঠ দুটি কোমল কুঁহি পাতৰ দৰে ৰঙা, বাহু যুগল কোমল শাখাৰ দৰে আৰু ফুলৰ দৰে লোভনীয় যৌৱন অংগত সন্নিভূত হৈছে। প্ৰথম অংকৰ পাতে পাতে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ আভাস পোৱা যায়। চতুৰ্থ অংকত প্ৰকৃতিয়ে বহু কাম সাধন কৰিছে। প্ৰভাত বৰ্ণনাৰে চতুৰ্থ অংক আৰম্ভ হৈছে। শকুন্তলাক বিদায়ৰ বাবে সকলো সামগ্ৰী প্ৰকৃতিয়ে প্ৰদান কৰিছে। প্ৰকৃতি আৰু মানুহৰ সহাৱস্থান এই চতুৰ্থ অংকত দেখা যায়। কণ্বমুনিৰ আশ্ৰমৰ আটায়ে শকুন্তলাৰ বিচ্ছেদ সহ্য কৰিবলৈ অসমৰ্থ। শকুন্তলায়ো পতি গৃহলৈ যাবলৈ ওলাই গছ-লতা সকলোৰে পৰা অনুমতি লৈছে। আৰু কুলিৰ মাতৰ জৰিয়তে শকুন্তলাকো অনুমতি দিছে। শকুন্তলাৰ বিদায় বেলাত তপোবন ব্যাকুল হৈ আছিল, ময়ূৰবোৰে নৃত্য পৰিত্যাগ কৰিছিল, লতাবোৰে শুকান পাত সৰাই চকুৰ পানী টুকিবলৈ ধৰিলে।

‘উদগীৰ্ণদৰ্ভকবলা মৃগী পৰিত্যক্তনৰ্তনা ময়ূৰী।

অপসৃত পাণ্ডুপত্ৰা মুঞ্চন্তি অশ্রু ইৰ লতাঃ।।’

কালিদাসৰ লিখনিত প্ৰকৃতিয়ে প্ৰাণ পাই উঠিছে। নাটকৰ সামৰণিত স্বৰ্গৰ হেমকূট পৰ্বতত থকা মাৰিছৰ আশ্ৰমৰ বৰ্ণনাও পোৱা যায়।

**জানি থওঁ আহা ঃ**

কালিদাসৰ প্ৰকৃতি বৰ্ণনাৰ প্ৰধান বিশেষত্ব মানৱত্বাৰোপ।

**আত্মমূল্যায়ন প্ৰশ্ন**

কালিদাসে কাব্যত প্ৰকৃতিক কেনেদৰে বৰ্ণনা কৰিছে অভিজ্ঞান শকুন্তলমৰ আধাৰত লিখা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৩.৬.৪ কালিদাসৰ নাটকত অতি প্ৰাকৃতিক উপাদান**

অতি প্ৰাকৃতিক অৰ্থাৎ প্ৰকৃতিতকৈ ভিন্ন, যিটো বাস্তৱ জগতৰ বস্তু নহয় বা সহজতে উপলব্ধ নহয়। এটা শব্দত ক'বলৈ গ'লে অতি প্ৰাকৃতিক মানে অদ্ভুত, অলৌকিক, আশ্চৰ্যজনক, দৈৰিক বা আধিভৌতিক। মহাকবি কালিদাসে অতিপ্ৰাকৃতিক উপাদানসমূহ নাটকৰ কাহিনীত প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য ৰাখি প্ৰয়োগ কৰা যেন লাগে। প্ৰতিটো বৰ্ণনা দাপোণত দেখা প্ৰতিবিম্বৰ নিচিনা।

কালিদাসৰ প্ৰতিখন নাটতে অতি প্ৰাকৃতিক উপাদানৰ প্ৰয়োগ বেছি। ‘মালবিকাগ্নিমিত্ৰম্’ নাটত অতি প্ৰাকৃতিক উপাদানৰ পয়োভৰ দেখা যায়। মহাৰাণী ধাৰিণীৰ বিষনাশক আঙুঠিৰ প্ৰসংগত অতিপ্ৰাকৃতিক উপাদান পৰিলক্ষিত হয়। ‘বিক্ৰমোৰ্বশীয়ম্’ নাটত মূল নায়িকা, নায়িকাৰ সঙ্গী আটাইবোৰে অতিপ্ৰাকৃতিক। উৰ্বশী, মেনকা, ৰম্ভা আদি স্বৰ্গৰ অপ্সৰা। তেওঁলোকক ৰাক্ষসে আক্ৰমণ কৰাটোও অতিপ্ৰাকৃতিক। দ্বিতীয় অংকত ভৰত মুনিৰ অভিশাপত উৰ্বশী অভিশপ্ত হৈ মৰ্তলৈ আহে। অভিশাপ অতিপ্ৰাকৃতিক। নাটকখনত গন্ধমাৰ্দন পৰ্বতত উৰ্বশীয়ে এডাল লতালৈ পৰিৱৰ্তিত হয়। লতাডালক আলিঙ্গন কৰাৰ লগে লগে আকৌ উৰ্বশীলৈ পৰিৱৰ্তিত হয়। এই কাহিনীবোৰো অতিপ্ৰাকৃতিক।

শকুন্তলা নাটত শকুন্তলা অমানৱী সন্তান। তেওঁ স্বৰ্গৰ অপ্সৰা মেনকাৰ কন্যা। দ্বিতীয় অংকত কণ্বমুনিৰ অনুপস্থিতিত ৰাক্ষসৰ উপদ্ৰৱৰ বাবে যজ্ঞ আয়োজনত বিভিন্ন

ব্যাঘাত অহাত কণ্বশিষ্য দুজনে ৰজাক আশ্ৰমলৈ নিমন্ত্ৰণ জনায়। ৰাক্ষসৰ অৱতাৰণা নাটকৰ তৃতীয় অংকৰ আৰম্ভণিতো দেখা যায়। ৰাক্ষস মানুহ শ্ৰেণীৰ অন্তৰ্গত নহয়। চতুৰ্থ অংকত বিষ্কম্ভকত অংকিত দুৰ্বাসাৰ অভিশাপো অতিপ্ৰাকৃতিক। শকুন্তলাৰ পিতৃ কণ্বই শকুন্তলাৰ বিবাহ আৰু অন্তঃসত্বা হোৱাৰ বৃত্তান্ত অগ্নিশৰণ গৃহত প্ৰৱেশ কৰিয়েই গম পাইছিল। অগ্নিশৰণ গৃহও অতিপ্ৰাকৃতিক। সকলো পিতৃৰ দৰে তেওঁৰো এটা মন সন্তানক সুন্দৰকৈ সজাই পৰাই বিয়া দিয়াটো, কিন্তু আশ্ৰম সদায় অভিলাসবিহীন। তথাপিও প্ৰকৃতিয়ে নিজে শকুন্তলাক আনি দিছে বিধে বিধে বস্তু, পিন্ধনৰ বাবে পাটৰ কাপোৰ, অলংকৰণৰ বাবে অলংকাৰ আৰু লাক্ষাৰস আদি। এই সকলো প্ৰকৃতিৰ দ্বাৰা প্ৰদায়িত হ'লেও প্ৰকৃতিয়ে এইবোৰ সামগ্ৰী দিব পৰা কথাটো অস্বাভাৱিক। কালিদাসৰমতে প্ৰকৃতিয়ে মানুহৰ অন্তৰৰ অনুভূতি বুজিও পায় আৰু প্ৰকাশো কৰিব পাৰে। এই ভাৱ অতিপ্ৰাকৃতিক। পঞ্চম অংকত ৰজা দুষ্যন্তই শকুন্তলাক প্ৰত্যাখ্যান কৰাৰ পিছত এক পোহৰৰ বিশেষ মূৰ্তি আহি শকুন্তলাক লৈ অন্তৰ্ধান হয়। এই প্ৰসংগও অতিপ্ৰাকৃতিক। শকুন্তলাক প্ৰত্যাখ্যানৰ পিছত ৰজাৰ মনত অনুশোচনাৰ ভাৱ জাগিছে নে নাই এই বিষয়ে জানিবলৈ ষষ্ঠ অংকত মেনকাই তেওঁৰ সখী সানুমতীক ৰাজ্যলৈ পঠায়। এই সানুমতীৰ চৰিত্ৰও অতিপ্ৰাকৃতিক। ষষ্ঠ অংকৰ অন্তিম দৃশ্য আৰু সপ্তম অংকৰ প্ৰাৰম্ভিক পৰ্যায়ত দেখা পোৱা গৈছে আন এটি অতি প্ৰাকৃতিক চৰিত্ৰ। সেইয়া ইন্দ্ৰৰ সাৰথি মাতলি। ইয়াৰোপৰি মাৰীচৰ আশ্ৰমত খেলি থকা সৰ্বদমনৰ হাতৰ ৰক্ষাকবচ অপৰাজিতাও এই অলৌকিক উপাদান, যিটো কেৱল পিতৃ-মাতৃয়েহে স্পৰ্শ কৰিব পাৰে। এই অপৰাজিতা প্ৰয়োগৰ বাবে ৰজা দুষ্যন্ত আৰু শকুন্তলাৰ মিলন সম্ভৱ হ'ল। কালিদাসৰ সময়ত হয়তো ভাৰতীয় সমাজ ব্যৱস্থাত অলৌকিক বস্তুৰ প্ৰতি বিশ্বাস বেছি আছিল। ভুলৰ শাস্তিস্বৰূপে অভিশাপৰ প্ৰয়োগ আদিয়ে নাটকৰ কাহিনীটোক সম্পূৰ্ণ গতিশীলতা প্ৰদান কৰিছে। কবি কালিদাস প্ৰকৃতিৰ কবি হৈয়ো অতিপ্ৰাকৃতিক উপাদানৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

### জানি থওঁ আহা

- কালিদাসে নাটকত প্ৰয়োজনীয়তাৰ ওপৰত লক্ষ্য ৰাখি অতি প্ৰাকৃতিক উপাদানসমূহ প্ৰয়োগ কৰিছে।
- সৰ্বদমনৰ ৰক্ষাকবচটোৰ নাম 'অপৰাজিতা'।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। অতিপ্ৰাকৃতিক উপাদান কি?

..................................................................................................

..................................................................................................

২। কালিদাসৰ নাটকত অতিপ্ৰাকৃতিক উপাদানৰ ব্যৱহাৰ কেনেকুৱা বৰ্ণনা কৰা।

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

### ৩.৬.৫ কালিদাসৰ নাটকত সমাজ জীৱনৰ প্ৰতিচ্ছবি

নাটকৰ কাহিনী বৰ্ণনা কৰোঁতে সেই সময়ৰ সমাজ ব্যৱস্থাৰ প্ৰতিচ্ছবি বৰ্ণনাৰ মাজতে প্ৰকাশ পায়। কাৰণ সাহিত্য হৈছে সমাজৰ দাপোণ। ব্যক্তি হৈছে সমাজৰ অভিন্ন অংগ। গতিকে সমাজ এখনৰ চিত্ৰ, নাটকৰ পটভূমি সদায় দেখা যায়। কালিদাসৰ সময়ত থকা-খোৱা, জীৱিকা-নিৰ্বাহ, ধৰ্মবিশ্বাস, বিবাহপ্ৰথা প্ৰায়বোৰ বিষয়ে তেওঁৰ নাটকত পোৱা যায়। সমাজৰ ক্ৰিয়া-কলাপসমূহেই হৈছে সংস্কৃতিৰ উৎস। ধৰ্মবিশ্বাস, লোকবিশ্বাস, শিক্ষা-দীক্ষা, নীতি-নিয়ম আদিয়ে এখন সমাজৰ বা জাতিৰ সংস্কৃতিৰ পৰিচয়।

বৰ্ণাশ্ৰম ধৰ্মব্যৱস্থা সেই সময়ত সমাজত বিশেষভাৱে গা-কৰি উঠিছিল। মালবিকাগ্নিমিত্ৰম্ নাটত মালবিকা আৰু অগ্নিমিত্ৰৰ বিবাহৰ ক্ষেত্ৰত ৰাজকন্যা নহয় বুলি বাধা আহিছিল। পিছত ৰজাৰে ভগ্নী বুলি জানিব পাৰি বিবাহ সম্পন্ন হৈছিল। শকুন্তলা নাটতো প্ৰথম দৃষ্টিতে শকুন্তলাৰ প্ৰতি আকৰ্ষিত ৰজাই আশ্ৰমৰ কন্যা ক্ষত্ৰিয়ৰ বিবাহযোগ্যা হয় নে নহয় বুলি সন্দেহ প্ৰকাশ কৰিছিল।

'আশঙ্কগে যদগ্নিং তদিদং স্পৰ্শক্ষমং ৰত্নম্।।"

ক্ষত্ৰিয়সকলে দেশ ৰক্ষা কৰে। সেই সময়ত শাসন ব্যৱস্থা ৰজাত হাততে ন্যস্ত আছিল। বৈশ্যসকলে বেপাৰ-বাণিজ্য কৰিছিল। শকুন্তলা নাটৰ ধনমিত্ৰৰ উপাখ্যানৰ পৰা গম পায় যে বণিকসকলে সমুদ্ৰৰে বেপাৰ-বাণিজ্য কৰিছিল। ধীৱৰসকল আছিল মাছৰ ব্যৱসায়ৰ লগত জড়িত।

সেই সময়ত বহুবিবাহ প্ৰথাৰ প্ৰচলন আছিল। কাৰণ কালিদাসৰ তিনিওখন নাটতে নায়কৰ বহুকেইগৰাকী পত্নী থকাৰ কথা উল্লেখ আছে। ধৰ্মশাস্ত্ৰত উল্লেখ থকা আঠপ্ৰকাৰ বিবাহ বিধিৰ ভিতৰত শকুন্তলা নাটত গান্ধৰ্ব বিধিৰ বিষয়ে উল্লেখ আছে। 'মালবিকাগ্নিমিত্ৰম্' নাটত অগ্নিমিত্ৰৰ পত্নী আছিল 'ধৰিণী' আৰু 'ইৰাৱতী'। 'বিক্ৰমোৰ্বশীয়ম্' নাটত ৰজা পুৰুৰবা কাশী ৰজাৰ জীয়ৰী 'ঔশীনৰী'ৰ স্বামী আছিল। তাৰ পিছত পুৰুৰবা উৰ্বশীৰ প্ৰতি আসক্ত হৈছিল। ঠিক তেনেদৰে শকুন্তলা নাটৰ নায়ক ৰজা দুষ্যন্তই হংসপদিকাকে আদি কৰি কেইবাগৰাকী পত্নী আছিল। নাটকত উল্লেখ আছে যে— 'পৰিগ্ৰহ বহুত্বেহপি দ্বে প্ৰতিস্থে কুলস্য মে।'

সমাজত নাৰীৰ স্থানো মন কৰিবলগীয়া। অলংকাৰ শাস্ত্ৰৰ ৰীতি অনুসৰি নাটকত নাৰীয়ে সংস্কৃতত কথা নকয়। কিন্তু শকুন্তলা নাটত শকুন্তলাক সাজ-সজ্জা কৰাৰ সময়ত ইতিহাসত পোৱা তথ্যমতে অনসূয়া আৰু প্ৰিয়ম্বদাই সজায়। শকুন্তলা শিক্ষা-দীক্ষাত আগবঢ়া আছিল। সেয়েহে শকুন্তলাই নলিনী পত্ৰত অক্ষৰ বিন্যাস কৰি প্ৰেমপত্ৰ লিখিছিল। এইফালে 'বিক্ৰমোৰ্বশীয়ম্' নাটতো আচাৰ্য ভৰতে পৰীসকলক নাট্যবিদ্যা শিকায়। 'মালবিকাগ্নিমিত্ৰম্' নাটত কৌশিকীয়ে সংস্কৃততে কৈছে। 'বিক্ৰমোৰ্বশীয়ম্' নাটত উৰ্বশীয়ে গছৰ পাতত প্ৰেমপত্ৰ লিখা ৰজাৰ গালৈ দলিয়াই দিয়ে। গতিকে নাৰীৰ শিক্ষাত অধিকাৰ সেইসময়ত আছিল।

শকুন্তলা নাটৰ চতুৰ্থ অংকত শকুন্তলাৰ বিদায় মুহূৰ্তত কণ্বমুনিয়ে এগৰাকী নাৰীৰ দায়িত্বৰ বিষয়ে বুজায়। জ্যেষ্ঠসকলক সেৱা-শুশ্ৰূষা, সপত্নীসকলক নিজৰ বাই-ভনীৰ দৰে আচৰণ কৰিবলৈ কৈছিল। স্বামীয়ে খঙত কিবা এটা ক'লে ওলোটাই উত্তৰ দিবলৈ মানা কৰিছিল। প্ৰজাসকলক সন্তানৰ দৰে ব্যৱহাৰ কৰি দান দিবলৈও কৈছিল। এনেদৰে এগৰাকী যুৱতীয়ে সুগৃহিণীৰ আসন লাভ কৰে, অন্যথা সেইগৰাকী নাৰীয়ে এখন সংসাৰ ধ্বংসৰ কাৰণ হৈ পৰে। নাটককেইখনৰ জৰিয়তে সেই সময়ৰ ৰাজনৈতিক বিচাৰ, দণ্ড, শিক্ষা-দীক্ষা আদিৰ বিষয়েও ধাৰণা পোৱা যায়। কৰ ব্যৱস্থাও আছিল সেই সময়ছোৱাত। সম্পত্তিৰ ভাগ-বতৰা যেনে পিতৃৰ বিয়োগৰ পিছত পুত্ৰই কেনেদৰে লাভ কৰে সেই বিষয়েও ধনমিত্ৰৰ আখ্যানৰ পৰা গম পোৱা যায়। ধনমিত্ৰ বণিক আছিল, তেওঁৰ মৃত্যুৰ পিছত সন্তান নোহোৱা বাবে সকলো সম্পত্তি ৰাজভঁৰাললৈ আনিব খোজাত ৰজাই তেওঁৰ কোনোবা পত্নী অন্তঃসত্বা হয় নে নহয় সুধি এগৰাকী অন্তঃসত্বা বুলি জানিব পাৰি সকলো সম্পত্তি তেওঁক দি দিছিল। 'অতিথি সৎকাৰ'ৰ বিষয়েও শকুন্তলা নাটতে আভাস পোৱা যায়। ৰজা আশ্ৰমত প্ৰৱেশ কৰাৰ পিছতে অনসূয়া শকুন্তলা প্ৰিয়ম্বদাই ফল-মূল আৰু পানীৰে অতিথি সৎকাৰ কৰিবলৈ বিচাৰে। আনহাতে চতুৰ্থ অংকত অতিথি হিচাপে অহা দুৰ্বাষা মুনিক অৱমাননা কৰাৰ বাবেই শকুন্তলা অভিশপ্ত হৈছিল। গতিকে দণ্ডনীতিও মন কৰিবলগীয়া।

### জানি থওঁ আহা

- কালিদাসৰ সময়ৰ সমাজ ব্যৱস্থাৰ বৰ্ণাশ্ৰম ধৰ্মৰ প্ৰচলন আছিল।
- নাৰীৰ শিক্ষাত অধিকাৰ আছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

কালিদাসৰ সময়ৰ সমাজ ব্যৱস্থাৰ বিষয়ে নাটকৰ আলমত বৰ্ণনা কৰা।

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৭ নাটক সৃষ্টিত কালিদাসৰ বিশেষত্ব

কালিদাসে অভিজ্ঞান শকুন্তলম্‌ৰ জৰিয়তে সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিছে। তেওঁৰ প্ৰতিভাৰ নিদৰ্শন নাটকৰ প্ৰতিটো অংশতে উপলব্ধি হয়। পুৰণিকালত কবিসকলৰ গণনা প্ৰসংগত কালিদাসৰ নামটো কনিষ্ঠ আঙুলিত অধিস্থিত কৰিছিল, আজিও তেওঁৰ সমকক্ষ কবি নোহোৱা বাবে অনামিকা স্বাৰ্থৰতী হৈ ৰৈ গ'ল।

"পুৰা কবীনাং গণনা প্ৰসঙ্গে
কনিষ্ঠিকাধিস্থিতা কালিদাসা।
অদ্যাপি তৎতুল্য কৱেৰভাৱাদ
নামিকা স্বাৰ্থৰতী বভূব।।"

কালিদাস বৈদৰ্ভী ৰীতি প্ৰয়োগত নিপুণ। শৃংগাৰ ৰসৰ কাব্যত সাধাৰণতে মাধুৰ্য গুণব্যঞ্জক বৰ্ণ আৰু বৈদৰ্ভী ৰীতিৰ ব্যৱহাৰ অত্যাৱশ্যকীয়। যিহেতু তিনিওখন নাটকে শৃংগাৰ ৰসাত্মক সেয়েহে বৈদৰ্ভী ৰীতিৰ সফল প্ৰয়োগ নাটককেইখনক দেখা যায়। অলংকাৰ প্ৰয়োগৰ ক্ষেত্ৰতো কালিদাসৰ বিষয়ে কোৱা আছে যে— 'উপমা কালিদাসস্য' কালিদাস উপমা প্ৰয়োগৰ বাবে বিখ্যাত। তেওঁ তিনিওখন নাটকতে বেছিভাগ সাদৃশ্যবাচী অলংকাৰৰ প্ৰয়োগ কৰিছে। উপমা শব্দই সকলো সাদৃশ্যবাচী অলংকাৰকে নিৰ্দেশ কৰিছে। গোটেইকেইখন কাব্যতে মিলি মুঠ ১২৫০টাত উপমা অলংকাৰৰ প্ৰয়োগ কৰিছে। তাৰে শকুন্তলাত ৭০টা আৰু মালবিকাগ্নিমিত্ৰম আৰু বিক্ৰমোৰ্বশীয়ম নাটত মুঠ ২৭০টাত উপমা অলংকাৰৰ প্ৰয়োগ আছে। শৃংগাৰ ৰস প্ৰকাশ কৰাত উপমা অলংকাৰে বিশেষভাৱে সহায় কৰে। শৃংগাৰ ৰসৰ ক্ষেত্ৰত নায়ক-নায়িকা আলম্বন বিভাৱ। উপমা অলংকাৰৰ দ্বাৰা সেই নায়িকা গৰাকীক অধিক হৃদয়গ্ৰাহী ৰূপত ফুটাই তুলিব পাৰে। শকুন্তলা নাটৰ 'অধৰঃ কিশলয়ৰাগঃ...' শ্লোকত শৃংগাৰ ৰসৰ স্থায়ীবাৰ ৰতিক অধিক পৰিপুষ্ট কৰি তুলিছে। ছন্দ প্ৰয়োগতো কবি দূৰদৰ্শী। শকুন্তলা নাটৰ প্ৰথম নান্দী শ্লোকতে স্ৰগ্ধৰা ছন্দ প্ৰয়োগ কৰি বিশেষ পাণ্ডিত্যৰ চানেকি বহন কৰিছে। স্ৰগ্ধৰা ছন্দত প্ৰতি সাতটা বৰ্ণৰ মূৰে মূৰে যতি থাকে। এই কথাটোৰ জৰিয়তে কবিয়ে শকুন্তলা নাটত সাতটা অংক থকাৰ কথাটোক

নির্দেশ কৰিছে। ইয়াৰ উপৰিও তিনিওখন নাটতে উপজাতি, ইন্দ্ৰবজ্ৰা, বংশস্থবিল, বসন্ততিলক, শিখৰিণী মন্দাক্ৰান্ত, শাৰ্দূলবিক্ৰীড়িত, আৰ্যা আদি ছন্দৰ প্ৰয়োগ দেখা যায়।

### ৩.৭.১ নাটকৰ নামকৰণ

নাটক নামকৰণৰ ক্ষেত্ৰত কালিদাসৰ বিশেযত্ব পৰিলক্ষিত হয়। তিনিওখন নাটৰ নামত দেখা যায় যে কালিদাসে নায়িকা গৰাকীৰ ওপৰত বিশেষ গুৰুত্ব দিছে। 'মালবিকাগ্নিমিত্ৰম্' নাটকত নায়ক-নায়িকা দুয়োজনৰে নাম আছে, কিন্তু নায়িকাৰ নাম প্ৰথমত আছে। 'বিক্ৰমোৰ্বশীয়ম্' নাটকত নায়িকা উৰ্বশীৰ নাম আছে। উৰ্বশীক পাবলৈ ৰজা পুৰুৰবাৰ পৰাক্ৰমৰ বিষয়ে বৰ্ণনা পোৱা যায়। 'বিক্ৰমেণ লব্ধা যা উৰ্বশী তাম্ অধিকৃত্য কৃতং নাটকম্'। শকুন্তলা নাটৰ নামটোৱে গোটেই কাহিনীটোকে বহন কৰিছে। 'শকুত্ ত্ৰায়তে ইতি যা শকুন্তলা।' 'অভিজ্ঞায়তে অনেন ইতি অভিজ্ঞানম্' যি চিনৰ দ্বাৰা কোনো এজনক স্মৰণ কৰা হয় সেয়ে অভিজ্ঞান। 'শকুন্তলাম্ অধিকৃত্য কৃতং নাটকং শাকুন্তলম্'। শকুন্তলা নামে নায়িকাক উপজীব্য কৰি লিখা নাটকেই শাকুন্তলম্। নাটকখনৰ নামটো কিছুমানে 'অভিজ্ঞান শাকুন্তলম্' আৰু কিছুমানে অভিজ্ঞান শকুন্তলম্ বুলি ব্যৱহাৰ কৰে। গতিকে ক'ব পাৰি যে কালিদাসৰ নায়িকাৰ প্ৰতি দুৰ্বলতা বহু বেছি। কিন্তু এই বুলি নায়কৰ ওপৰত গুৰুত্ব নিদিয়াকৈ থকা নাই। নায়কৰ চৰিত্ৰকেইটাও কোনো চেকা নপৰাকৈ সুন্দৰকৈ বৰ্ণনা কৰিছে।

### ৩.৭.২ নান্দী

নাটকৰ প্ৰথম শ্লোকটোক নান্দী শ্লোক বুলি কোৱা হয়। এই শ্লোকটি সূত্ৰধাৰে পাঠ কৰে 'সূত্ৰধাৰঃ পঠেন্দ্ৰান্দী।' 'নান্দী' শব্দ 'নন্দ্' ধাতুৰ পৰা হোৱা। 'নন্দ্' মানে আনন্দ দিয়া বা সন্তুষ্ট কৰা। সকলোৰে মঙ্গলৰ নিমিত্তে নাটকৰ আৰম্ভণিতে সূত্ৰধাৰে নান্দী শ্লোক পাঠ কৰে। নাট্য শাস্ত্ৰৰ মতে 'নান্দী'ৰ লক্ষণ হৈছে—

'আশীৰ্বচন সংযুক্তা নিত্যং যস্মাৎ প্ৰযুজ্যতে।
দেৱ দ্বিজনৃপাদীনাং তস্মাৎ নান্দীতি সংঙ্গিতা।।'

য'ত আশীৰ্বাদসূচক বচন সংযুক্ত হৈ থাকে, য'ত দেৱ-দ্বিজ-নৃপ আদিৰ নাম জড়িত হৈ থাকে তাকে নান্দী শ্লোক বুলি কোৱা হয়। কেতিয়াবা নান্দী শ্লোক কেৱল মঙ্গলবাচী শব্দৰ জৰিয়তেও কৰা হয়। নান্দী পূৰ্বৰঙ্গৰ অংশবিশেষ। নান্দী শ্লোকৰ জৰিয়তে নাটকৰ বিষয়বস্তুৰ আভাস দিয়ে। 'মালবিকাগ্নিমিত্ৰম্' নাট সূত্ৰধাৰে নান্দী শ্লোক পাঠেৰে আৰম্ভ কৰিছে।

'একৈশ্বৰ্যে স্থিতোহপি প্ৰণতবহুফলে যঃ স্বয়ং কৃত্তিবাসাঃ
কান্তসংমিশ্ৰদেহোৎপ্যবিষয়মনসাং য়ঃ পৰস্তাদ্ যতীনাম্।

অষ্টাভির্যস্য কৃৎস্নং জগদপি তনুভির্বিভ্রতো নাভিমানঃ

সন্মাৰ্গালোকনায় ব্যপনয়তু স বস্তামসীং বৃত্তিমীশঃ।।

'বিক্রমোর্বশীয়ম্' নাটতো শিৰক প্ৰণাম জনাই আৰম্ভ কৰিছে। এই শ্লোকটোতে 'এক পুৰুষঃ' পুৰুৰবাক নিৰ্দেশ কৰি নাটকৰ বিষয়বস্তুক নিৰ্দেশ কৰিছে।

'বেদান্তেযু য়মাহুৰেকপুৰুষঃ ব্যাপ্য স্থিতং ৰোদসী

য়স্মিন্নীশ্বৰ ইত্যনন্যবিষয়ঃ শব্দো যথাৰ্থক্ষৰঃ

অন্তৰ্যস্য মুমুক্ষুভিৰ্নিয়মিত প্ৰাণাদিভিৰ্মৃগ্যতে

স স্থাপুঃ স্থিৰ ভক্তি যোগ সুলভো নিঃশ্ৰেয়মায়াস্তৰঃ।।

অভিজ্ঞান শাকুন্তলম্ নাটত নান্দী শ্লোকতে কালিদাসৰ পাণ্ডিত্যৰ প্ৰমাণ পোৱা যায়। সূত্ৰধাৰে অষ্টমূৰ্তিধাৰী ভগৱানক প্ৰাৰ্থনা জনাই সকলোৰে মঙ্গল কামনা কৰিছে। নান্দী শ্লোকটো হৈছে—

যা সৃষ্টিঃ স্ৰষ্টুৰাদ্যা বহতি বিধিহতং যা হবিৰ্যা চ হোত্ৰী

য়ে দ্বে কালং বিধত্বঃ শ্ৰুতিৰ্বিষয়গুণা য়া স্থিতা ব্যাপ্য বিশ্বম্।

য়ামাহু সৰ্ববীজ প্ৰকৃতিৰিতি য়য়া প্ৰাণিনঃ প্ৰাণবন্তঃ

প্ৰত্যক্ষাভিঃ প্ৰপন্ন স্তনুভিৰৱতু বস্তাভিৰষ্টাভিৰীশঃ।।'

এই শ্লোকটিৰ মুখ্যাৰ্থ হৈছে— ক্ষিতি, অপ, তেজ, মৰুত্, ব্যোম, চন্দ্ৰ, সূৰ্য আৰু যজমান এই আঠটা প্ৰত্যক্ষিত ভগৱানে দৰ্শকসকলক ৰক্ষা কৰক। এই অৰ্থৰ উপৰিও নাটকীয় ঘটনাৰ বিষয়েও এই শ্লোকটোত অভিব্যঞ্জনা কৰিছে। 'য়া সৃষ্টিঃ স্ৰষ্টুৰাদ্যা' অংশই যিগৰাকী কবিৰ আদি সৃষ্টি সেইয়া শকুন্তলা, 'বহতি বিধিহুতং য়া হবিঃ' অংশই শকুন্তলাই গান্ধৰ্ব বিবাহ বিধিৰ জৰিয়তে দুষ্যন্তৰ বীৰ্য গ্ৰহণ কৰা কথাৰ নিৰ্দেশ কৰিছে। হোত্ৰী শব্দই কণ্বমুনি, 'যে দ্বে কালং বিধত্তঃ' অংশই অনসূয়া আৰু প্ৰিয়ম্বদাক, 'শ্ৰুতি বিষয় গুণায়া স্থিতা বাপ্য বিশ্বম্' অংশই শকুন্তলাৰ বিখ্যাত কাহিনীক আৰু 'য়য়া প্ৰাণিনঃ প্ৰপবন্তঃ' অংশই নায়ক-নায়িকা আৰু সৰ্বদমনৰ মিলনক বুজাইছে। এই নান্দী শ্লোকটো পত্ৰাৱলী নান্দী। কবি কালিদাসে নান্দী শ্লোকত প্ৰত্যক্ষ কোনো চৰিত্ৰৰ নাম অৱতাৰণা নকৰিলেও চৰিত্ৰসমূহ শব্দৰে ব্যঞ্জিত কৰিছে।

### ৩.৭.৩ প্ৰস্তাৱনা

সংস্কৃত নাটকৰ প্ৰস্তাৱনা এৰাব নোৱাৰা অংগ। আগৰ দিনত আৰম্ভণিতে কি নাটক, কাৰ নাটক আদি উপস্থাপন কৰাৰ বিশেষ ব্যৱস্থা নাছিল। সেয়েহে নাট্যকাৰে নাট চাবলৈ সকলো দৰ্শকক আকৰ্ষণ কৰিব পৰাকৈ সূত্ৰধাৰ আৰু কোনো এটা বা দুটা চৰিত্ৰৰ উপস্থিতিত কি নাটক, কাৰ নাটক আৰু চৰিত্ৰসমূহক মঞ্চত প্ৰৱেশৰ পথ সুচল কৰি দিয়া অংশই হৈছে প্ৰস্তাৱনা। প্ৰস্তাৱনাৰ সংজ্ঞা 'সাহিত্যদৰ্পণ' গ্ৰন্থত এনেদৰে দিছে—

'নটো বিদূষকো বাপি পাৰিপাৰ্শ্বিক এৱ বা
সূত্রধাৰেণ সহিতাঃ সংলাপং য়ত্র কুর্বতে
চিত্রৈর্বাক্যৈঃ স্বকার্যোৎথৈঃ প্রস্তুতাক্ষেপিভির্মিথঃ।
আমুখং তত্তু বিঙ্গেয়ং নাম্না প্রস্তাৱনাপি সা।।'

প্রস্তাৱনাক আমুখ বুলিও কোৱা হয়। এই প্রস্তবিনাও নাটকৰ পুর্বৰঙ্গৰে অংশ। প্রস্তাৱনাৰ মাজেৰে নাটকৰ কথাবস্তু, বীজ মুখ আৰু পাত্র শ্লেষ বা ধ্বনিৰে এই চাৰিবিধৰ এটাৰ সৈতে দৰ্শকক পৰিচয় কৰাই দিয়ে। বিশ্বনাথ কবিৰাজৰ মতে প্রস্তাৱনা পাঁচ প্ৰকাৰৰ। উদঘাতক, কথোদ্ঘাত, প্রয়োগাতিশয়, প্রবর্তক আৰু অৱলগিত। 'মালবিকাগ্নিমিত্রম্' নাটকৰ প্রস্তাৱনাত সূত্ৰধাৰে নাটকৰ বিষয়বস্তুৰ সূচনা দি আৰম্ভ কৰিছে। ইয়াত সূত্ৰধাৰে পাৰিপাৰ্শ্বিকক মাৰিষ বুলি সম্বোধন কৰি বসন্ত-উৎসৱৰ সময়ত নাট উপস্থাপন কৰা হ'ব বুলি প্ৰকাশ কৰি সংগীত পৰিৱেশন কৰিবলৈ কয়। তাৰ পিছত পাত্রসমূহৰ প্রৱেশ পথ সুচল কৰাত প্রস্তাৱনা অন্ত হয়।

'বিক্রমোর্বশীয়ম্' নাটকতো সূত্ৰধাৰে নান্দী শ্লোক পাঠ কৰাৰ পিছত পাৰিপাৰ্শ্বিকক মাৰিষ বুলি সম্বোধন কৰি 'বিক্রমোর্বশীয়ম্' নাট উপস্থাপনৰ বিষয়ে উল্লেখ কৰে। নেপথ্যত হোৱা শব্দবোৰ শুনি সূত্ৰধাৰে কোনোবা অপ্সৰাৰ চিঞৰ বুলি অনুমান কৰে। আৰু কৈলাশৰ পৰা ওভতাৰ পথত কোনো ভগৱানৰ শত্রুই বন্দী কৰা বাবে অপ্সৰাসকলৰ কান্দোন শুনা গ'ল। এনেদৰে প্রস্তাৱনাৰ অন্ত হয় আৰু প্ৰথম অংকত মঞ্চত অপ্সৰাসকলে প্রৱেশ কৰে। এই প্রস্তাৱনাটোক 'প্রয়োগাতিশয়' প্রস্তাৱনা বুলি কোৱা হয়। কাৰণ প্রস্তাৱনাতেই সূত্ৰধাৰে 'অপ্সৰাসাং গণোহয়ম্' বুলি অপ্সৰাসকলৰ লগত পৰিচয় কৰাই দিছে।

শকুন্তলা নাটৰ প্রস্তাৱনাই সুকীয়া। প্রস্তাৱনাত সূত্ৰধাৰে নটীৰ লগত কথোপকথন কৰে। নেপথ্যৰ বিধান সমাপ্ত হোৱাত নটীক মঞ্চলৈ মাতি আনি সকলো দৰ্শকৰ জ্ঞাতাৰ্থে কালিদাসৰ দ্বাৰা নতুনকৈ ৰচতি 'অভিজ্ঞানশাকুন্তলম্' নামৰ নাটকখন মঞ্চস্থ কৰা হ'ব বুলি জনায়। সূত্ৰধাৰে নিজৰ পৰিচালনাৰ প্রতি সন্দেহ প্ৰকাশ কৰে। তেওঁ নটীক দৰ্শকসকলৰ শ্রুতি আমোদৰ বাবে গ্রীষ্মকালক কেন্দ্র কৰি এটি গীত পৰিৱেশন কৰিবলৈ অনুৰোধ কৰে। নটীৰ সুন্দৰ গীতত সূত্ৰধাৰে বিস্মৃতি গৰ্ভত সোমাই কি প্ৰকৰণ বুলি কৈ নাটকৰ বিষয়বস্তুকে নিৰ্দেশ কৰে। নটীৰ সংগীতত মুগ্ধ হৈ তেওঁ যেনেকৈ সকলো পাহৰি গ'ল, তেনেদৰে ৰজা দুষ্যন্তয়ো সকলো পাহৰি হৰিণৰ পিছে পিছে ধনু-কাঁড় লৈ খেদি গৈ আছে। আৰু এনেদৰেই ৰজা দুষ্যন্তই ৰথত উঠি ধনু-কাঁড় লৈ মৃগয়াৰ উদ্দেশ্যে হৰিণৰ পিছে পিছে মঞ্চত প্রৱেশ কৰিছে। সেয়েহে এই প্রস্তাৱনাটোক অৱলগিত প্রস্তাৱনা বুলি কোৱা হয়।

### ৩.৭.৪ কথাবস্তু

নাটক কেইখনৰ মূল বিষয় সম্পৰ্কে আলোচনা কৰা হৈছে যদিও কালিদাসে নাটকত সেই বিষয়ৰ বহু পৰিৱৰ্তন ঘটাই উপস্থাপন কৰিছে। 'বিক্রমোৰ্বশীয়ম্' নাটকৰ কাহিনী মৎস পুৰাণ আদিৰ পৰা লোৱা যদিও কবিয়ে নাট্য ৰূপ দিওঁতে পৰিৱৰ্তন ঘটাইছে। কেইবাটাও চৰিত্ৰ নিজাকৈ সংযোজন ঘটাইছে। মূল কথাবস্তুক নাট্যৰূপ দিওঁতে আগৰটোৰ পৰিৱৰ্তন ঘটাইছে। শেষত পুৰুৰৱা উৰ্বশীৰ মিলনেৰে সামৰিছে। 'মালবিকাগ্নিমিত্ৰম্' নাটকৰ কাহিনী ঐতিহাসিক পটভূমিৰ ওপৰত বিৰচিত। কেনেকৈ অগ্নিমিত্ৰ ৰজা হ'ল সেই বিষয়ে ইয়াত বৰ্ণনা কৰা নাই, ইয়াত কেৱল কেনে ঘাত-প্ৰতিঘাতৰ মাজেৰে অগ্নিমিত্ৰই মালবিকাক পালে সেই বিষয়ে পোৱা যায়।

শকুন্তলা কাব্যটো মহাভাৰতৰ আদিপৰ্বৰ পৰা লোৱা যদিও কবিয়ে ইয়াত সম্পূৰ্ণ পৰিৱৰ্তন ঘটাইছে। মহাভাৰতত ৰজা দুষ্যন্তই প্ৰলোভন দি শকুন্তলাক বিয়া কৰাই আশ্ৰমতে এৰি গৈছিল। ন বছৰ পিছত কণ্বমুনিয়ে শকুন্তলাক স্বামীৰ গৃহলৈ পঠোৱাৰ পিছত সমাজৰ ভয়ত ৰজাই স্বীকাৰ কৰা নাছিল। কিন্তু অভিজ্ঞান-শকুন্তলম্ নাটকত অতি সুন্দৰকৈ কালিদাসে শকুন্তলা আৰু দুষ্যন্তৰ প্ৰথম মিলন দেখুৱাইছে, য'ত দুয়ো দুয়োৰে প্ৰতি আকৰ্ষণ বাঢ়ি গৈছে, কিন্তু কেৱল কথা-বতৰাতে সীমাবদ্ধ ৰাখিছে। এই প্ৰেমে পূৰ্ণতা পাইছে তৃতীয় অংকত। দুৰ্বাসাৰ অভিশাপে এই মিলনত বাধাৰূপে থিয় দিছে। দুষ্যন্ত-শকুন্তলা এই মিলনৰ কাহিনী বনাবলৈ বিদূষক, হংসপদিকা, সানুমতী আদিৰ দৰে কেইবাটাও চৰিত্ৰৰ সংযোজন ঘটাইছে। দুৰ্বাসাৰ অভিশাপো কবিৰ নিজা সৃষ্টি।

**জানি থওঁ আহা ঃ**

- অভিজ্ঞান শাকুন্তলম্ নাটৰ 'নান্দী' পত্ৰাৱলী নান্দী।
- বিক্রমোৰ্বশীয়ম্ নাটৰ প্ৰস্তাৱনা প্ৰয়োগাতিশয় প্ৰস্তাৱনা।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

নান্দী বুলিলে কি বুজা? অভিজ্ঞান শাকুন্তলম নাটকৰ নান্দী শ্লোকৰ নাটকীয় তাৎপৰ্য ব্যাখ্যা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৮ কালিদাসৰ নাটকৰ বৈশিষ্ট্য

তিনিওখন নাটক অধ্যয়নৰ অন্তত কালিদাসৰ নাটক সৃষ্টিত কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়।

- তিনিওখন নাটকৰে মুখ্য ৰস শৃংগাৰ। নায়ক-নায়িকাৰ প্ৰেমৰ কাহিনী প্ৰকাশ কৰিবলৈ বৈদৰ্ভী ৰীতিৰ প্ৰয়োগ।
- প্ৰকৃতি বৰ্ণনাত কবিৰ পটুতা পৰিলক্ষিত হয়। মানৱত্বাৰোপ কবি কালিদাসৰ বিশেষত্ব।
- নান্দী শ্লোকৰ জৰিয়তে নাটকেইখন আৰম্ভ হৈছে। কবিয়ে শিৱকেই অৰ্চনা কৰিছে, লগতে বিষয়বস্তুকো নিৰ্দেশ কৰিছে।
- দুখন নাটকৰ প্ৰস্তাৱনাত সূত্ৰধাৰে পাৰিপাৰ্শ্বিকৰ লগত কথা-বতৰাৰ জৰিয়তে বিষয়বস্তু আৰু নাটকৰ নাম ঘোষণা কৰে। আৰু এখনত সূত্ৰধাৰে নটীৰ লগত কথোপকথনৰ জৰিয়তে আৰম্ভ কৰে।
- অতি প্ৰাকৃতিক উপাদানসমূহৰ ওপৰতো কবিৰ গুৰুত্ব বেছি।
- অভিশাপৰ ব্যৱহাৰ দুখন নাটকত দেখা যায়।
- প্ৰেমপত্ৰ লিখা বিষয়টোও দুখন নাটকত দেখা যায়।
- আকাশভাষিত অৰ্থাৎ আকাশবাণীৰ প্ৰয়োগো নাটকেইখনত পৰিলক্ষিত হয়।
- বহুবিবাহ প্ৰথাৰ প্ৰচলন সেই সময়ৰ সমাজ ব্যৱস্থাৰ এটি বিশেষ দিশ। তিনিওখন নাটতে নায়কৰ কেইবাগৰাকীও পত্নী থকাৰ কথা উল্লেখ আছে। নাটকেইখনত সেই পত্নীসকলৰ চৰিত্ৰও কবিয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে।
- প্ৰকৃতি আৰু মানুহৰ মাজত কবিয়ে সম্পৰ্ক স্থাপন কৰিছে।
- নাটক দুখনত স্বৰ্গ আৰু মৰ্ত্য দুয়োটাৰে অৱতাৰণা আছে।
- অপ্সৰাক নায়িকাৰ ৰূপতো বৰ্ণনা কৰিছে।
- ‘মালবিকাগ্নিমিত্ৰম্’ আৰু ‘বিক্ৰমোৰ্বশীয়ম্’ নাট লিখাৰ সময়ত নাটকৰ বিষয়ে প্ৰশিক্ষণ লৈ থকাৰ অনুমান কৰিব পাৰি।
- প্ৰথম দুখনত ৰৈ যোৱা ত্ৰুটিবোৰ আঁতৰাই তৃতীয়খন সম্পূৰ্ণ ৰূপত পোৱা যায়।
- উপমা অলংকাৰৰ প্ৰয়োগ কবি কালিদাসৰ বিশেষত্ব।
- বিদূষক চৰিত্ৰ তিনিওখনতে আছে যদিও শকুন্তলা নাটৰ বিদূষকৰ চৰিত্ৰটোহে অলংকাৰ শাস্ত্ৰৰ নীতি অনুসৰি অংকন কৰিছে। তিনিওখন নাটতে সংগীতৰ প্ৰয়োগ আছে।
- ভৰতবাক্য নাটকেইখনত নাটকৰ নায়কে পাঠ কৰিছে।
- নাটককেইখনত প্ৰৱেশক, বিষ্কম্ভক আদিৰ ব্যৱহাৰ আছে।
- নাট তিনিওখনৰে সামৰণি মিলনাত্মক।

## ৩.৯ সাৰাংশ (Summing Up)

সংস্কৃত কবি কালিদাসৰ অমৰ সৃষ্টিৰাজিৰ জৰিয়তে বিশ্বসাহিত্যৰ ক্ষেত্ৰখনত এখন উচ্চ আসন অধিকাৰ কৰি আছে। তেওঁৰ ৰচনাৰাজিত শিল্পীমনৰ পৰিচয় পোৱা যায়। কালিদাসে পৈণত বয়সত লিখা নাটকীয় কলা-কৌশল, নাট্যপ্ৰতিভা সকলোৰে স্বাক্ষৰ বহন কৰিছে। সেইবাবে কোৱা হয়— 'কালিদাসস্য সৰ্বস্বমভিজ্ঞান শাকুন্তলম্'। কালিদাসে প্ৰেমক স্বীকাৰ কৰিছে, কিন্তু প্ৰেমত স্বাৰ্থপৰ হোৱাটো বিচৰা নাই। য'তেই স্বাৰ্থপৰ হোৱাটো অনুভৱ কৰিছে, তাতেই দণ্ড হিচাপে অভিশাপৰ চিন ব্যৱহাৰ কৰিছে। সেয়ে 'কালিদাসীয় নাট্যৰীতি' অন্য সংস্কৃত কবিসকলতকৈ ভিন্ন।

## ৩.১০ আৰ্হি প্ৰশ্ন (Sample Questions)

১। কালিদাসৰ নাটক কেইখন আৰু কি কি?

২। কালিদাসৰ নাটককেইখনৰ যিকোনো এখনৰ কাহিনী সম্পৰ্কে বৰ্ণনা কৰক।

৩। কালিদাসৰ নাটকত চৰিত্ৰ চিত্ৰণ সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰিব।

৪। কালিদাসৰ প্ৰকৃতি প্ৰীতিৰ বিষয়ে বৰ্ণনা কৰক।

৫। কালিদাসৰ যিকোনো এখন নাটকৰ আলমত অতিপ্ৰাকৃতিক উপাদান সম্পৰ্কে বহলাই লিখক।

৬। কালিদাসৰ নাট্য প্ৰতিভা সম্পৰ্কে বৰ্ণনা কৰিব।

৭। 'কালিদাসস্য সৰ্বস্বম অভিজ্ঞান শাকুন্তলম্' কথাষাৰৰ যথাৰ্থতা বৰ্ণনা কৰক।

৮। কালিদাসৰ সময়ৰ সমাজ জীৱনৰ প্ৰতিচ্ছবি তেওঁৰ নাটকত কেনেদৰে প্ৰকাশ কৰিছে চমুকৈ বৰ্ণনা কৰক।

৯। 'কাব্যেযু নাটকং ৰম্যং তত্ৰৰম্যা শকুন্তলা' কথাষাৰৰ বিষয়ে বহলাই লিখক।

## ৩.১১ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

১। প্ৰফেচাৰ বোস ৰমেন্দ্ৰ মোহন সম্পাদিত 'অভিজ্ঞান শাকুন্তলম্' কালিদাসৰ মডাৰ্ণ বুক এজেন্সী প্ৰাইভেট লিমিটেড্, কলিকতা।

২। ড° চক্ৰৱৰ্তী সত্যনাৰায়ণ সম্পাদিত কালিদাসৰ 'অভিজ্ঞান শাকুন্তলম্', সংস্কৃত পুস্তক ভাণ্ডাৰ, ২০১০।

৩। কালে এম্ আৰ্ সম্পাদিত কালিদাসৰ 'The Abhijnnanasakuntalam' মতিলাল বনাৰসী দাস পাব্লিচাৰ্চ, দিল্লী, ১৯৯৪।

৪। ড° শৰ্মা থানেশ্বৰ 'অভিজ্ঞান শাকুন্তলম্ ঃ এক সমীক্ষা', চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৭।

৫। দেৱধৰ চি. আৰ্ সম্পাদিত ‘কালিদাসৰ বিক্ৰমোৰ্বশীয়ম্’, মতিলাল বনাৰসী দাস, দিল্লী, ১৯৬৬।

৬। ড° বসুৰত্না সম্পাদিত, ‘কালিদাসৰ মালবিকাগ্নিমিত্ৰম্’, নৱপত্ৰ প্ৰকাশন, কলিকতা।

৭। ড° শৰ্মা মুকুন্দ মাধৱ ‘উপমা কালিদাসস্য, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, গুৱাহাটী, ২০০১।

৮। পতি মধুসূদন ‘Sanskrit Drama’ অমৰ প্ৰকাশন, দিল্লী, ১৯৯১।

৯। ড° আচাৰ্য্য দেৱেশ কুমাৰ ‘সংস্কৃত সাহিত্যেৰ সক্ষিপ্ত ইতিহাস’, প্ৰজ্ঞা বিকাশ, কলিকতা, ১৯৯৮।

১০। ড° শৰ্মা, থানেশ্বৰ ‘সংস্কৃত সাহিত্যৰ ইতিবৃত্ত’, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫।

১১। দেৱ গোস্বামী হৰমোহন ‘সংস্কৃত সাহিত্যৰ বুৰঞ্জী’, বুকলেণ্ড, গুৱাহাটী, ১৯৯২।

১২। ভাগৱতী কামাখ্যা চৰণ ‘সংস্কৃত নাট্য সাহিত্য’, বনলতা, ২০০০।

১৩। দেৱ শৰ্মা শাস্ত্ৰী উমাকান্ত সম্পাদিত ‘ভৰতৰ নাট্যশাস্ত্ৰ’ দ্বিতীয় খণ্ড, অসম নাট্য সন্মিলন, ২০০৬।

১৪। ড° বৰা ইন্দিৰ শইকীয়া, ড° দেৱী নীলাক্ষি সম্পাদিত ‘সাহিত্য চিন্তা তৰঙ্গ’, প্ৰাগজ্যোতিষ মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতি, গুৱাহাটী, ২০০৯।

১৫। শাস্ত্ৰী কৃষ্ণমোহন আচাৰ্য্য ‘সাহিত্য দৰ্পণ’, চৌখম্ভা সংস্কৃত সংস্থান, বাৰাণসী, ১৯৯৬।

## চতুৰ্থ বিভাগ
## সংস্কৃত প্ৰকৰণ

**বিভাগৰ গঠন ঃ**

৪.১ ভুমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ সংস্কৃত দৃশ্যকাব্য
 ৪.৩.১ দৃশ্যকাব্যৰ পৰিচয়
 ৪.৩.২ দৃশ্যকাব্যৰ প্ৰধান উপাদানসমূহ
 ৪.৩.৩ দৃশ্যকাব্যৰ আন কেতবোৰ বিষয়
৪.৪ সংস্কৃত প্ৰকৰণ—সাধাৰণ ধাৰণা
 ৪.৪.১ প্ৰকৰণৰ বৈশিষ্ট্যসমূহ
 ৪.৪.২ সংস্কৃত নাটক আৰু প্ৰকৰণৰ পাৰ্থক্য
৪.৫ মহাকবি ভাসৰ চাৰুদত্ত
 ৪.৫.১ মহাকবি ভাসৰ পৰিচয়
 ৪.৫.২ চাৰুদত্তৰ কাহিনীভাগ
 ৪.৫.৩ প্ৰকৰণ হিচাপে চাৰুদত্ত
 ৪.৫.৪ 'চাৰুদত্ত' প্ৰকৰণৰ মূল্যায়ন
৪.৬ মহাকবি শূদ্ৰকৰ 'মৃচ্ছকটিকম্'
 ৪.৬.১ মহাকবি শূদ্ৰকৰ পৰিচয়
 ৪.৬.২ 'মৃচ্ছকটিকম'ৰ কাহিনীভাগ
 ৪.৬.৩ প্ৰকৰণ হিচাপে 'মৃচ্ছকটিকম্'
 ৪.৬.৪ 'মৃচ্ছকটিকম্' প্ৰকৰণৰ মূল্যায়ন
৪.৭ মহাকবি ভৱভূতিৰ মালতীমাধৱ
 ৪.৭.১ মহাকবি ভৱভূতিৰ পৰিচয়
 ৪.৭.২ 'মালতীমাধৱ'ৰ কাহিনীভাগ
 ৪.৭.৩ প্ৰকৰণ হিচাপে 'মালতীমাধৱ'
 ৪.৭.৪ 'মালতীমাধৱ' প্ৰকৰণৰ মূল্যায়ন
৪.৮ সাৰাংশ (Summing Up)
৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ৪.১ ভুমিকা (Introduction)

সংস্কৃত প্ৰকৰণ হৈছে সংস্কৃত দৃশ্যকাব্যৰ অন্তৰ্গত। ইতিমধ্যে আপোনালোকৰ নাটকৰ বিষয়ে নিশ্চিতভাৱে এটি ধাৰণা আছে। সংস্কৃত দৃশ্যকাব্যত কোনো এটা বিষয় অভিনয়ৰ জৰিয়তে দেখুওৱা হয়। সংস্কৃত নাটক আৰু প্ৰকৰণ উভয়েই হৈছে দৃশ্যকাব্যৰ দুটা ভিন্ন ভাগ। এই অধ্যায়ত আপোনালোকে প্ৰকৰণৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব। কিন্তু তাৰ আগতে সংস্কৃত দৃশ্যকাব্যৰ বিষয়ে জনাটো বিশেষভাৱে প্ৰয়োজনীয়।

## ৪.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

* সংস্কৃত দৃশ্যকাব্যৰ এক সাধাৰণ ধাৰণা লাভ কৰিব পাৰিব।
* সংস্কৃত দৃশ্যকাব্যৰ অন্যতম এক প্ৰকাৰ প্ৰকৰণৰ বিষয়ে বিস্তৃত জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।
* সংস্কৃত নাটক আৰু প্ৰকৰণৰ প্ৰভেদসমূহৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিব পাৰিব।
* গুৰুত্বপূৰ্ণ সংস্কৃত প্ৰকৰণ গ্ৰন্থসমূহৰ বিষয়ে বিশদভাৱে জ্ঞাত হ'বলৈ সক্ষম হ'ব।

## ৪.৩ সংস্কৃত দৃশ্যকাব্য

### ৪.৩.১ দৃশ্যকাব্যৰ পৰিচয়

সংস্কৃত দৃশ্যকাব্য হৈছে সংস্কৃত কাব্যৰ এটা ভাগ। সংস্কৃত কাব্যক বহলভাৱে দুই ভাগত ভগোৱা হয়। সেয়া হৈছে শ্ৰব্যকাব্য আৰু দৃশ্যকাব্য। যিসমূহ কাব্য-কেৱল শ্ৰৱণ আৰু পঠন কৰিব পৰা যায় সেইসমূহক শ্ৰব্যকাব্য হিচাপে নামকৰণ কৰা হয়। আকৌ যিসমূহ কাব্য অভিনয়ৰ জৰিয়তে প্ৰদৰ্শন কৰিব পৰা যায় তাকেই দৃশ্যকাব্য বুলি কোৱা হয়।

সংস্কৃত দৃশ্যকাব্যসমূহক আকৌ ৰূপক আৰু উপৰূপক—এই দুই শ্ৰেণীত ভগাব পাৰি। এই ৰূপক হৈছে দহ প্ৰকাৰৰ। সেইসমূহ হৈছে—নাটক, প্ৰকৰণ, ভাণ, ব্যায়োগ, সমবকাৰ, ডিম, ঈহামৃগ, অঙ্ক, বীথী আৰু প্ৰহসন।

এই ৰূপকসমূহৰ উপৰিও ১৮ প্ৰকাৰৰ উপৰূপক আছে। সেই সমূহ হৈছে—নাটিকা, ত্ৰোটক, গোষ্ঠী, সট্টক, নাট্যৰাসক, প্ৰস্থান, উল্লাপ্য, কাব্য, প্ৰেঙ্খণ, ৰাসক, সংলাপক, শ্ৰীগদিত, শিল্পক, বিলাসিকা, দুৰ্মল্লিকা, প্ৰকৰণী, হল্লীশক আৰু ভাণিকা।

### ৪.৩.২ দৃশ্যকাব্যৰ প্ৰধান উপাদানসমূহ

সংস্কৃত দৃশ্যকাব্যৰ কেতবোৰ প্ৰধান উপাদান আছে। সেইবোৰ ইয়াত আলোচনা কৰা হ'ল।

**বস্তু**

বস্তু বা নাট্য সাহিত্যৰ বিষয়বস্তুৰ দুটা বিভাগ আছে। তাৰে এটা হৈছে আধিকাৰিক আৰু আনটো হৈছে প্ৰাসংগিক। ইয়াৰে আধিকাৰিক মুখ্য চৰিত্ৰসমূহৰ লগত সম্পৰ্কিত আৰু সমগ্ৰ ঘটনাৱলীৰ লগত জড়িত হৈ থাকে। ইয়াৰ বিপৰীতে মুখ্য চৰিত্ৰৰ বাহিৰে আন চৰিত্ৰৰ লগত জড়িত থকা বিষয় হৈছে প্ৰাসংগিক।

'বস্তু'ক আকৌ পাঁচটা ভাগত ভগাব পাৰি। সেয়া হৈছে বীজ, বিন্দু, পতাকা, প্ৰকৰী আৰু কাৰ্য্য। এইসমূহক অৰ্থপ্ৰকৃতি বুলিও কোৱা হয়।

নাট্য সাহিত্যৰ বিষয়বস্তু পাঁচটা অৱস্থাৰ মাজেৰে বিকশিত হয়। সেয়া হৈছে আৰম্ভ, যত্ন, প্ৰাপ্ত্যাশা, নিয়তাপ্তি আৰু ফলাগম।

নাট্য সাহিত্যৰ মুখ্য বিষয়সমূহ আৰু গৌণ বিষয়সমূহৰ লগত উক্ত অৱস্থাসমূহৰ সংযোগ সাধনৰ বাবে আকৌ পাঁচ প্ৰকাৰৰ সন্ধিৰ ব্যৱস্থা আছে। এই পঞ্চসন্ধি হৈছে—মুখ, প্ৰতিমুখ, গৰ্ভ, বিমৰ্ষ আৰু নিৰ্বহণ।

নাট্য সাহিত্যৰ বিষয়বস্তু বা কাহিনী ভাগৰ আকৌ দুটা বিভাজন আছে। ইয়াৰ প্ৰথমটো ইংগিতৰদ্বাৰা বুজোৱা হয়। যাক কোৱা হয় সূচ্য। আনটো আকৌ সম্পূৰ্ণৰূপে দেখুৱাব বা শুনিব পৰা যায় আৰু তাক কোৱা হয় দৃশ্যশ্ৰব্য।

ইয়াৰে ভিতৰত সূচ্য বা ইংগিত পাঁচ ধৰণে প্ৰদান কৰা হয়। সেয়া হৈছে— বিষ্কম্ভক, প্ৰবেশক, অঙ্কাৱতাৰ, অঙ্কমুখ আৰু চূলিকা।

নাট্য সাহিত্যৰ বিষয়বস্তুৰ প্ৰকাশ হয় সংলাপ বা উক্তিৰ জৰিয়তে। এই উক্তি আকৌ পাঁচ প্ৰকাৰৰ। সেয়া হৈছে স্বগত, প্ৰকাশ, জনান্তিক, অপবাৰিত আৰু আকাশভাষিত।

**নেতা বা মুখ্য চৰিত্ৰ**

সংস্কৃত দৃশ্যকাব্যসমূহত যি গুৰিধৰোতা বা মুখ্য চৰিত্ৰ থাকে তাকে নেতা বা নায়ক হিচাপে কোৱা হয়।

নায়ক এজন কেনেকুৱা লক্ষণবিশিষ্ট হ'ব লাগে সেই সম্পৰ্কে সাহিত্য দৰ্পণ নামৰ অলংকাৰ শাস্ত্ৰত কোৱা হৈছে। নায়ক হ'ব লাগে ত্যাগী, কৃতী, সদ্বংশজাত কুলীন, সুশ্ৰী, ৰূপ-যৌৱনেৰে ভৰপূৰ, উৎসাহী, দক্ষ, আকৰ্ষণীয়, তেজস্বী, জ্ঞানী আৰু সৎচৰিত্ৰৱান।

সংস্কৃত দৃশ্যকাব্যৰ নায়ক চাৰিপ্ৰকাৰৰ। সেয়া হৈছে ধীৰোদাও, ধীৰললিত, ধীৰপ্ৰশান্তক আৰু ধীৰোদ্ধত। নায়কৰ সহায়কৰূপেও দৃশ্যকাব্যত কোনো কোনো চৰিত্ৰ থাকে। সেয়া হৈছে বিদূষক, পীঠমৰ্দ আদি।

দৃশ্যকাব্যত নায়িকা তিনিধৰণৰ থাকিব পাৰে সেয়া হৈছে স্বীয়া, সামান্যা আৰু পৰকীয়া। নায়কৰ থাকিব লগা গুণসমূহেই নায়িকাৰ গাতো থাকিব লাগে।

**ৰস**

সংস্কৃত কাব্যত ৰস হৈছে আটাইতকৈ প্ৰয়োজনীয় উপাদান। দৃশ্যকাব্য যিহেতু কাব্যৰ এটা বিভাগ সেয়েহে দৃশ্যকাব্যৰ ক্ষেত্ৰতো ৰস হৈছে নিতান্ত প্ৰয়োজনীয়। কাব্যসমূহত একাধিক ৰস থাকিব পাৰে। কিন্তু ইয়াৰে ভিতৰত এটা ৰসহে অংগী বা মুখ্য ৰস হিচাপে থাকে। আন ৰসসমূহ অংগ বা গৌণ হিচাপে অৱস্থান কৰে।

বিভাব, অনুভাৱ আৰু সঞ্চাৰী বা ব্যভিচাৰী ভাবৰ সহযোগত যেতিয়া ৰতি আদি স্থায়ীভাবসমূহ সহৃদয়ৰ হৃদয়ত প্ৰকাশিত হয় তেতিয়া তাকেই ৰস বুলি অভিহিত কৰা হয়।

সংস্কৃত অলংকাৰশাস্ত্ৰত নটা ৰস স্বীকাৰ কৰা হৈছে। সেইসমূহ হৈছে—শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। এই নৱৰসৰ প্ৰত্যেকৰে আকৌ একোটাকৈ স্থায়ীভাব আছে। সেয়া হৈছে—ৰতি, হাস, শোক, ক্ৰোধ, উৎসাহ, ভয়, জুগুপ্সা, বিস্ময় আৰু নিৰ্বেদ।

দৃশ্যকাব্যসমূহৰ ভিতৰত 'নাটক'ত শৃঙ্গাৰ নাইবা বীৰ মুখ্যৰস হিচাপে থাকে। প্ৰকৰণত আকৌ কেৱল শৃঙ্গাৰ ৰসহে মুখ্য হিচাপে থাকে। বাকী ৰসসমূহ গৌণ হিচাপে থাকিব পাৰে।

### ৪.৩.৩ দৃশ্যকাব্যৰ আন কেতবোৰ বিষয়

দৃশ্যকাব্যসমূহৰ মূল অংক আৰম্ভ হোৱাৰ আগতে প্ৰথমেই এটা প্ৰস্তাৱনা থাকে। প্ৰস্তাৱনাত নটী, বিদূষক নাইবা পাৰিপাৰ্শ্বিকে সূত্ৰধাৰৰ লগত বাৰ্তালাপ কৰে। তেওঁলোকে বিচিত্ৰ বাক্য-ভংগীমাৰে স্বকীয় কাৰ্য্য সম্পৰ্কে কথোপকথন কৰে আৰু সেই কথোপকথনতেই প্ৰস্তুত অভিনয়ৰ কথা ওলাই পৰে। এনে সংলাপ বা কথোপকথনকে আমুখ বা প্ৰস্তাৱনা বুলি কোৱা হয়। এই প্ৰস্তাৱনা পাঁচ প্ৰকাৰৰ— উদ্‌ঘাত্যক, কথোদ্‌ঘাত, প্ৰৱৰ্তক, অৱলগিত আৰু প্ৰয়োগাতিশয়।

প্ৰস্তাৱনাৰ আৰম্ভণিতে ৰঙ্গশালাৰ বিঘ্নবিনাশনৰ বাবে দৃশ্য কাব্যসমূহত এটি নান্দী শ্লোক পাঠ কৰা হয়। নান্দী শ্লোকত দেৱতা, দ্বিজ, ৰজা আদিৰ আশীৰ্বাদবচন যুক্ত স্তুতি প্ৰয়োগ কৰা হয়। নান্দীশ্লোক সূত্ৰধাৰে পাঠ কৰে।

প্ৰস্তাৱনা শেষ হোৱাৰ লগে লগে নাটকৰ মূল কাহিনী আৰম্ভ হয়। মূল কাহিনীটো বিভিন্ন অংকত ভাগ কৰা হয়। অংকসমূহত নায়কাদি চৰিত্ৰসমূহৰ চাল-চলন আদিৰ অভিনয় প্ৰত্যক্ষ কৰিব পৰা যায়। ইয়াত ব্যৱহৃত হোৱা শব্দ আৰু অৰ্থসমূহ সহজ বোধগম্য হ'ব লাগে। ইয়াত যিসমূহ ঘটনা উপস্থাপন কৰা হয় সেইসমূহ নায়ক আদিৰ আৱশ্যকীয় কৰ্মসমূহৰ বিৰোধী হ'ব নালাগে। অংকত কিছুমান কথা দেখুৱাব নালাগে যেনে—দূৰাহ্বান, বধ, যুদ্ধ, ৰাজ্য, দেশ আদিৰ বিপ্লৱ, বিয়া ভোজন, শাপ ইত্যাদি। অংক এটাৰ শেষত সকলো পাত্ৰ বা চৰিত্ৰ ৰংগমঞ্চৰপৰা ওলাই যায়।

**অগ্ৰগতি নিৰীক্ষণ**

১) সংস্কৃত কাব্যক কেইভাগত ভগাব পাৰি? সেইবোৰ কি কি?
২) সংস্কৃত দৃশ্যকাব্য বুলিলে কি বুজা যায়?
৩) ৰূপক কেইপ্ৰকাৰৰ আৰু কি কি?
৪) উপৰূপক কেইপ্ৰকাৰৰ আৰু কি কি?
৫) বীজ আৰু বিন্দু হৈছে_______________ৰ দুটা ভাগ। (খালী ঠাই পূৰণ কৰক)
৬) দৃশ্যকাব্যৰ উক্তি কেইপ্ৰকাৰৰ আৰু কি কি?
৭) সংস্কৃত দৃশ্যকাব্যত থকা কিছুমান চৰিত্ৰৰ বিষয়ে লিখক।
৮) সংস্কৃত সাহিত্যত কেইপ্ৰকাৰৰ ৰস স্বীকাৰ কৰা হৈছে?
৯) নান্দী শ্লোক কেতিয়া আৰু কি উদ্দেশ্যেৰে পাঠ কৰা হয়?

### ৪.৪ সংস্কৃত প্ৰকৰণ—সাধাৰণ ধাৰণা

ইতিমধ্যে আপোনালোকে এই কথা অৱগত হৈছে যে সংস্কৃত সাহিত্যৰ দহ প্ৰকাৰৰ ৰূপকৰ অন্যতম হৈছে প্ৰকৰণ। ৰূপকসমূহৰ ভিতৰত নাটকৰ পিছত প্ৰকৰণে স্থান লাভ কৰিছে।

### ৪.৪.১ প্ৰকৰণৰ বৈশিষ্ট্যসমূহ

সংস্কৃত প্ৰকৰণৰ ধাৰণা অতি প্ৰাচীন। ভৰতমুনিৰদ্বাৰা প্ৰণীত নাট্যশাস্ত্ৰত প্ৰকৰণৰ সুন্দৰ আলোচনা পোৱা যায়। পৰৱৰ্তীসময়ত বিশ্বনাথ কবিৰাজৰদ্বাৰা ৰচিত অলংকাৰ

শাস্ত্র সাহিত্যদৰ্পণতো প্ৰকৰণৰ বিশদ আলোচনা পোৱা যায়। তলত প্ৰকৰণৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল।

১) প্ৰকৰণত বিষয়বস্তু অৰ্থাৎ বৰ্ণনীয় বিষয় আৰু নায়ক আদি চৰিত্ৰসমূহ লৌকিক আৰু কবিকল্পিত হোৱা উচিত। ইয়াৰ অৰ্থ হৈছে এই যে ইয়াত বৰ্ণনীয় বিষয় আৰু চৰিত্ৰসমূহ মৰ্ত্ত্যলোক সম্বন্ধীয় হ'ব লাগে যি দিব্যপ্ৰভাৱ সম্পন্ন নহয়। তদুপৰি নাটকৰ দৰে ইয়াৰ বিষয়বস্তু আৰু চৰিত্ৰসমূহ পুৰাণাদি প্ৰসিদ্ধ নহয়। সেয়া হয় কবিকল্পিত অৰ্থাৎ কবিৰ স্বকীয় প্ৰতিভাৰদ্বাৰা নিৰ্মিত।

২) প্ৰকৰণত কেৱল শৃংগাৰ ৰস হৈছে প্ৰধান বা মুখ্য ৰস। ইয়াক অংগীৰস বুলিও কোৱা হয়।

৩) প্ৰকৰণৰ নায়কজন কেতিয়াবা বিপ্ৰ বা ব্ৰাহ্মণ বৰ্ণৰ, কেতিয়াবা ৰাজ অমাত্য আৰু কেতিয়াবা বণিক বা বৈশ্য হ'ব পাৰে।

৪) প্ৰকৰণৰ নায়ক ধীৰ-স্থিৰ বিচাৰশীল স্বভাৱৰ আৰু লগতে ধৰ্ম-অৰ্থ আৰু কাম— এই তিনিওটাতে আসক্তি মুক্ত হয়। ইয়াৰ নায়ক ধীৰ প্ৰশান্তক নামৰ নায়কৰ শ্ৰেণীৰ অন্তৰ্গত।

৫) প্ৰকৰণৰ অন্যান্য চৰিত্ৰসমূহ সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ মাজৰ পৰা হ'ব লাগে।

৬) প্ৰকৰণত নাটকৰ দৰে অংক সংখ্যা পাঁচটাৰ পৰা দহটাৰ ভিতৰত হ'ব লাগে।

৭) প্ৰকৰণৰ শিৰোনাম নায়িকা বা নায়কৰ নামেৰে হ'ব লাগে।

**প্ৰকৰণৰ ভেদ—**

নায়িকাৰ ভেদ অনুসৰি প্ৰকৰণৰ তিনিটা ভেদ পোৱা যায়।

কোনো কোনো প্ৰকৰণৰ নায়িকা হয় কুলজা বা কুলস্ত্ৰী। কোনো কোনো প্ৰকৰণৰ নায়িকা বেশ্যা বা গণিকা হোৱা দেখা যায়। আকৌ কেতিয়াবা কুলজা আৰু বেশ্যা এই দুই ধৰণৰ নাৰী চৰিত্ৰ প্ৰকৰণৰ নায়িকা হিচাপে থাকে।

এই ধৰণে প্ৰকৰণৰ তিনিটা ভেদ পোৱা যায়। এই ভেদসমূহৰ তৃতীয় বিধত (অৰ্থাৎ—য'ত কুলজা আৰু বেশ্যা এই দুই প্ৰকাৰৰ নাৰী চৰিত্ৰ থাকে) কিতৱ অৰ্থাৎ ধূৰ্ত তথা দ্যূতকাৰ বা জুৱাৰী আৰু বিট, চেট আদি চৰিত্ৰসমূহ থাকে।

**৪.৪.২ সংস্কৃত নাটক আৰু প্ৰকৰণৰ পাৰ্থক্য**

**সংস্কৃত নাটকৰ বৈশিষ্ট্যসমূহ**

ইতিমধ্যে এই বিষয়ে আপোনালোকে অৱগত হৈছে যে সংস্কৃত নাটক আৰু প্ৰকৰণ উভয়েই দশৰূপকৰ অন্তৰ্গত। অৰ্থাৎ নাটক আৰু প্ৰকৰণ উভয়কেই মঞ্চত অভিনয়ৰ জৰিয়তে প্ৰদৰ্শন কৰিব পাৰি। কিন্তু তেনে হ'লেও সংস্কৃত নাটক আৰু প্ৰকৰণৰ মাজত কিছুমান বিশেষ ধৰণৰ পাৰ্থক্য আছে। পাৰ্থক্যসমূহ দেখুওৱাৰ আগতে সংস্কৃত নাটকৰ বৈশিষ্ট্যসমূহ থূলমূলকৈ দাঙি ধৰা হ'ল।

সংস্কৃত নাটকৰ কাহিনী বা বিষয়বস্তু প্ৰখ্যাত হোৱা উচিত অৰ্থাৎ ই ৰামায়ণ, মহাভাৰত, পুৰাণ আদি গ্ৰন্থত ইতিমধ্যে উপলব্ধ হ'ব লাগে। নাটকত পঞ্চসন্ধি থাকে।

বিলাস, অভ্যুদয় আদি গুণ আৰু নানা বিভূতিৰে ই সমৃদ্ধ হয়। নাটকত অংক সংখ্যা হ'ল পাঁচৰ পৰা দহৰ ভিতৰত। ইয়াৰ নায়ক দিব্য অদিব্য বা দিব্যাদিব্য—এই তিনি প্ৰকাৰৰ হ'ব পাৰে। নায়কজন হ'ব লাগে ধীৰোদাও গুণসম্পন্ন। নাটকত শৃংগাৰ নাইবা বীৰ মুখ্য ৰস হিচাপে থাকে আৰু অন্যান্য ৰসসমূহ গৌণ হিচাপে থাকিব পাৰে।

এই সমূহেই হৈছে নাটকৰ মূল বৈশিষ্ট্য।

**এতিয়া নাটক আৰু প্ৰকৰণৰ মূল পাৰ্থক্যসমূহ দেখুওৱা হ'ল—**

১) নাটকৰ ক্ষেত্ৰত বিষয়বস্তু ৰামায়ণ, মহাভাৰত, পুৰাণ আদি কোনো প্ৰখ্যাত বৃত্তান্তৰ পৰা গ্ৰহণ কৰা হয়। অৰ্থাৎ ইয়াত কবিয়ে তেওঁৰ কল্পনাশক্তিৰ সহায়ত বিষয়বস্তু সৃষ্টি কৰিব নোৱাৰে। যেনে—'অভিজ্ঞানশকুন্তলম্' নামৰ মহাকবি কালিদাসৰদ্বাৰা প্ৰণীত নাটকখনৰ বিষয়বস্তু অৰ্থাৎ শকুন্তলাৰ কাহিনীটো ইতিমধ্যে মহাভাৰত আৰু পদ্মপুৰাণত লাভ কৰা যায়। নাটকৰ বিষয়বস্তু লৌকিকৰ উপৰিও অলৌকিক ঘটনা সম্বলিত হ'ব পাৰে। কিন্তু প্ৰকৰণৰ ক্ষেত্ৰত বিষয়বস্তু কোনো প্ৰখ্যাত বৃত্তান্তৰপৰা লোৱা নহয়। ইয়াত কবিয়ে তেওঁৰ কল্পনা শক্তিৰে কাহিনীটো তৈয়াৰ কৰি ল'ব পাৰে। যেনে শূদ্ৰকৰদ্বাৰা বিৰচিত মৃচ্ছকটিকম্। ইয়াৰ কাহিনী কোনো মহাকাব্য, পুৰাণ আদিত ইতিমধ্যে উপলব্ধ নহয়। তদুপৰি প্ৰকৰণৰ বিষয় বস্তুৰ ক্ষেত্ৰত সদায় লৌকিক বিষয়ৰহে অৱতাৰণা কৰিব পৰা যায়। ইয়াত অলৌকিকতাৰ স্থান নাথাকে।

২) নাটকৰ ক্ষেত্ৰত নায়কজন কেতিয়াবা দিব্য গুণ সম্পন্ন হ'ব পাৰে অৰ্থাৎ দেৱতাসকলৰ দৰে অলৌকিক শক্তি সম্পন্ন হ'ব পাৰে। কেতিয়াবা আকৌ নায়কজন অদিব্য অৰ্থাৎ মানৱীয় স্বভাৱ সম্পন্ন হ'ব পাৰে অৰ্থাৎ সৰলভাষাত মানৱ হ'ব পাৰে। আন কেতিয়াবা আকৌ নায়কজন দিব্যাদিব্য অৰ্থাৎ দিব্য আৰু অদিব্য উভয় স্বভাৱ বিশিষ্ট হ'ব পাৰে।

প্ৰকৰণৰ বিষয়বস্তু যিহেতু সদায় লৌকিক বিষয়ৰ ওপৰত আধাৰিত হয় সেয়ে ইয়াত নায়ক বা আন কোনো চৰিত্ৰ দিব্য গুণ সম্পন্ন হ'ব নোৱাৰে। ইয়াৰ নায়কক ধৰি সকলো চৰিত্ৰ লৌকিক মানৱ।

নাটকৰ নায়ক ধীৰোদাত্ত প্ৰকাৰৰ। অৰ্থাৎ যি চাৰিধৰণৰ নায়ক থাকে তাৰে ভিতৰত নাটকৰ নায়কজন হৈছে সৰ্বশ্ৰেষ্ঠ ধীৰোদাত্ত নায়ক।

কিন্তু প্ৰকৰণৰ নায়কজন ধীৰ প্ৰশান্ত প্ৰকাৰৰ।

৩) নাটকৰ মুখ্য ৰস হৈছে শৃংগাৰ নাইবা বীৰ। কিন্তু প্ৰকৰণত কেৱল শৃংগাৰ ৰসহে মুখ্য বা প্ৰধান ৰস হিচাপে থাকিব পাৰে।

৪) চৰিত্ৰৰ ভেদ অনুসৰি নাটকৰ কোনো ভেদ নাথাকে। কিন্তু প্ৰকৰণত নায়িকাৰ ভেদ অনুসৰি ৩ ধৰণৰ ভেদ থকা দেখা যায়।

## জানি থোৱা ভাল

নাট্যসম্বন্ধীয় আটাইতকৈ পুৰণি সংস্কৃত অলংকাৰশাস্ত্ৰ হৈছে নাট্যশাস্ত্ৰ। এই নাট্যশাস্ত্ৰখন ভৰতমুনিৰদ্বাৰা ৰচিত হৈছিল। নাট্যশাস্ত্ৰত নাটকৰ দৈৱিক উৎপত্তি

সম্বন্ধে কোৱা হৈছে। এবাৰ দেৱতাসকলে তেওঁলোকৰ মনোৰঞ্জনৰ কিছু ব্যৱস্থা কৰিবলৈ ব্ৰহ্মাৰ ওচৰত গৈ প্ৰাৰ্থনা জনাইছিল। ব্ৰহ্মাই তেতিয়া নাট্যবেদৰ সৃষ্টি কৰিছিল। এই কাৰ্য্য সম্পাদনত তেওঁ চাৰিওখন বেদৰপৰা চাৰিটা উপাদান গ্ৰহণ কৰিছিল। সেই অনুসৰি তেওঁ ঋগ্বেদৰপৰা পাঠ্য, যজুৰ্বেদৰপৰা অভিনয়, সামবেদৰপৰা গীত আৰু অথৰ্ববেদৰ পৰা ৰস গ্ৰহণ কৰিছিল। শিৱই তাণ্ডৱ নৃত্য আৰু পাৰ্বতীয়ে লাস্য নৃত্য আগবঢ়াইছিল। এই নাট্যকলা পৃথিৱীত প্ৰচাৰৰ বাবে ভৰতমুনিক দায়িত্ব প্ৰদান কৰা হৈছিল।

### অগ্ৰগতি নিৰীক্ষণ

১) সংস্কৃত প্ৰকৰণত প্ৰধানভাৱে কি ৰস থাকিব লাগে?

২) সংস্কৃত প্ৰকৰণৰ নায়কজন ধীৰোদাত্ত/ধীৰপ্ৰশান্তক।

(শুদ্ধ উত্তৰটো লিখক)

৩) সংস্কৃত প্ৰকৰণত কেইধৰণৰ নায়িকা থাকিব পাৰে? বিশদভাৱে লিখক।

৪) সংস্কৃত নাটকৰ বৈশিষ্ট্যসমূহ কি কি? সংস্কৃত নাটক আৰু প্ৰকৰণৰ নায়ক আৰু মুখ্যৰসৰ ক্ষেত্ৰত কি ধৰণৰ পাৰ্থক্য দেখা যায়?

## ৪.৫ মহাকবি ভাসৰ চাৰুদত্ত

### ৪.৫.১ মহাকবিভাসৰ পৰিচয়

কালিদাসৰ পূৰ্বৱৰ্ত্তী নাট্যকাৰসকলৰ ভিতৰত অন্যতম হৈছে মহাকবি ভাস। মহাকবি ভাস হৈছে 'চাৰুদত্ত' নামৰ প্ৰকৰণখনৰ ৰচক। ভাসে সৰ্বমুঠ ১৩ খন নাটক ৰচনা কৰিছিল। অৱশ্যে ভাসৰ ৰচনাৰাজিক লৈ পণ্ডিতসকলৰ মাজত বহু মতানৈক্য আছে। প্ৰকৃততে ১৯০৯ চনতহে ভাসৰ এই ১৩ খন নাটকৰ পাণ্ডুলিপি আৱিষ্কাৰ হয়। ত্ৰিবান্দ্ৰমৰ পণ্ডিত গণপতি শাস্ত্ৰীয়ে এই নাটককেইখনৰ পাণ্ডুলিপি আৱিষ্কাৰ কৰাৰ পিছত ১৯১২ চনত এইসমূহ প্ৰকাশ কৰা হয়।

ভাসৰদ্বাৰা ৰচিত ১৩ খন নাটকৰ নাম হৈছে—

১) দূতবাক্য ২) কৰ্ণভাৰ ৩) দূতঘটোৎকচ ৪) উৰুভংগ ৫) মধ্যমব্যায়োগ ৬) পঞ্চৰাত্ৰ ৭) অভিষেক ৮) বালচৰিত ৯) অৱিমাৰক ১০) প্ৰতিমা ১১) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ১২) স্বপ্নবাসবদত্তম ১৩) চাৰুদত্ত।

এই নাটকসমূহ আৱিষ্কাৰ হোৱাৰ পিছত দেখা গৈছিল যে এইসমূহৰ ক'তো নাট্যকাৰৰ নাম নাই। বহু পৰীক্ষা নিৰীক্ষাৰ অন্তত পণ্ডিতসকলে এইটো সিদ্ধান্তত উপনীত হৈছিল যে এই নাটককেইখন এজন নাট্যকাৰৰদ্বাৰা ৰচিত আৰু তেৱেঁই হৈছে ভাস। এই নাটকসমূহত কিছুমান সাধাৰণ বৈশিষ্ট্য আছে যেনে নাটকসমূহ নান্দীশ্লোকৰ পৰিৱৰ্তে আৰম্ভ হয় 'নান্দ্যন্তে ততঃ প্ৰবিশতি সূত্ৰধাৰঃ'—এই উক্তিৰদ্বাৰা। তদুপৰি নাটকবোৰত 'প্ৰস্তাৱনাৰ সলনি 'স্থাপনা' শব্দটোহে ব্যৱহাৰ কৰা হৈছে। নাটকসমূহৰ কোনো এখনতে নাট্যকাৰৰ নাম নাই। এনেধৰণে কিছুমান সাধাৰণ বৈশিষ্ট্য নাটককেখনত পৰিলক্ষিত হয়।

ভাসৰ নাটকসমূহত ভাব-ভাষা সৰল। শৃংগাৰ, বীৰ আদি ৰসসমূহো তেওঁ সুন্দৰভাৱে উপস্থাপন কৰিছে। তদুপৰি উপমা, ৰূপক, উৎপ্ৰেক্ষা অৰ্থান্তৰন্যাস, অনুমান আদি অলংকাৰসমূহ তেওঁ উপযুক্তভাৱে তেওঁৰ নাটকসমূহত প্ৰয়োগ কৰিছে।

কালিদাসে তেওঁৰ সাহিত্য সৃষ্টিৰ বহু ক্ষেত্ৰত ভাসৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল।

ভাস আছিল এগৰাকী প্ৰকৃতিৰ সুপৰ্য্যবেক্ষক। সূৰ্যাস্ত, ঘনান্ধকাৰ পৰ্বত, গছ-গছনি আদিৰ প্ৰকৃত চিত্ৰ দাঙি ধৰাত তেওঁ সফল হৈছিল।

### ৪.৫.২ চাৰুদত্তৰ কাহিনীভাগ

প্ৰথম অংকৰ প্ৰথম দৃশ্যত বিদূষকক চাৰুদত্তৰ ওচৰলৈ অহা দেখা যায়। চাৰুদত্তই নিজৰ দৰিদ্ৰতাৰ বাবে ক্ষোভ প্ৰকাশ কৰি বিভিন্ন উক্তি দাঙি ধৰিছিল।

ইয়াৰ পিছত দেখা যায় যে বিট আৰু শকাৰে বসন্তসেনাক পিছে পিছে খেদি আহিছে। শকাৰৰ কথাত বসন্তসেনাই বুজি পালে যে ওচৰত আৰ্য্য চাৰুদত্তৰ ঘৰ। গতিকে তেওঁ গৈ চাৰুদত্তৰ ঘৰত প্ৰৱেশ কৰিলে। ইপিনে বিদূষক আৰু চেটী ৰদনিকা বলি অৰ্পণৰ বাবে বাহিৰলৈ গৈছিল। তেতিয়া বাহিৰত আকৌ বিট আৰু শকাৰে ৰদনিকাক বসন্তসেনা বুলি ভাবি ধৰিছিল। অৱশ্যে বিদূষকে ৰদনিকাক সিহঁতৰ হাতৰপৰা ৰক্ষা কৰিলে।

চাৰুদত্তৰ গৃহত চাৰুদত্তই বসন্ত সেনাক প্ৰথমে চিনিব পৰা নাছিল। বিদূষক আৰু ৰদনিকা যেতিয়া উভতি আহিল তেতিয়াহে বসন্তসেনাক চিনিব পাৰিলে। বসন্তসেনাই চাৰুদত্তৰ ওচৰত নিজৰ অলংকাৰসমূহ কিছুদিনৰ বাবে ন্যাসৰূপে ৰাখিলে আৰু ঘৰলৈ উভতি গ'ল।

দ্বিতীয় অংকত বসন্তসেনাই চেটী মদনিকাক তেওঁৰ চাৰুদত্তৰ প্ৰতি থকা প্ৰণয়ৰ ভাবৰ কথা ব্যক্ত কৰে। ইয়াৰ পিছত দেখা যায় যে সংবাহক নামৰ জুৱাৰী এজন খেলত পৰাজিত হৈ ঋণ পৰিশোধ কৰিব নোৱাৰি পলাই আহি বসন্তসেনাৰ ঘৰত প্ৰবেশ কৰে। বসন্তসেনাই তেওঁক চাৰুদত্তৰ পুৰণি ভৃত্য বুলি জানিব পাৰিলে আৰু তেওঁৰ ঋণসমূহ পৰিশোধ কৰিলে। সংবাহকে ইয়াৰ পিছত দৈনন্দিন জীৱনৰ প্ৰতি বিৰাগ ওপজা বাবে সন্ন্যাস ধৰ্ম গ্ৰহণ কৰিবলৈ ওলাই গ'ল।

তৃতীয় অংকত সজ্জলক নামৰ এজন চোৰৰ চাৰুদত্তৰ গৃহত প্ৰৱেশ ঘটে। বসন্তসেনাই থৈ যোৱা সুবৰ্ণভাণ্ডটো সেইদিনা বিদূষকৰ দায়িত্বত আছিল। কিন্তু চোৰে সেইটো চুৰ কৰি লৈ গ'ল। যেতিয়া চাৰুদত্তই এই কথা গম পালে তেওঁ অতি দুখ পালে। চাৰুদত্তৰ পত্নীয়ে আকৌ তেওঁৰ নিজৰ হাৰডাল বিদূষকৰ হাতত দিলে আৰু চাৰুদত্তই সেইডাল বিদূষকক বসন্তসেনাক অৰ্পণ কৰিবলৈ ক'লে।

চতুৰ্থ অংকত সজ্জলকে বসন্তসেনাৰ গৃহত প্ৰবেশ কৰে। সজ্জলকে মদনিকাক বিবাহ কৰিবলৈ স্থিৰ কৰিছিল আৰু চাৰুদত্তৰপৰা চুৰ কৰি অনা অলংকাৰেৰে মদনিকাক দাসত্বৰপৰা মুক্ত কৰিবলৈ বিচাৰিছিল। সেয়েহে সি অলংকাৰবোৰ মদনিকাৰ হাতত দিলে। মদনিকাই অলংকাৰবোৰ চিনিব পাৰিলে আৰু অলংকাৰখিনি চাৰুদত্তই দি পঠোৱা বুলি বসন্তসেনাক অৰ্পণ কৰিবলৈ ক'লে।

ইয়াৰ পিছত দেখা গ'ল বিদূষক বসন্তসেনাৰ ঘৰলৈ আহিছে। বিদূষকে বসন্তসেনাক হাৰডাল অৰ্পণ কৰিলে আৰু ক'লে যে চাৰুদত্তই বসন্তসেনাৰ অলংকাৰখিনি জুৱা খেলত হেৰুৱাইছে।

পৰৱৰ্তী দৃশ্যত বসন্তসেনাৰ ওচৰলৈ মদনিকাই সজ্জলকক লৈ আহে। সজ্জলকে চাৰুদত্তই দি পঠোৱা বুলি কৈ সুৱৰ্ণভাণ্ডটো বসন্তসেনাক দিবলৈ বিচাৰে। বসন্তসেনাই সেই অলংকাৰখিনি মদনিকাক পিন্ধাই দিলে আৰু পৰিণীতা নায়িকাৰূপে সজ্জলকৰ লগত পঠিয়াই দিলে আৰু নিজে চাৰুদত্তৰ ঘৰলৈ যাবলৈ সাজু হ'ল।

### ৪.৫.৩ প্ৰকৰণ হিচাপে চাৰুদত্ত

ভাসৰদ্বাৰা ৰচিত 'চাৰুদত্ত'ক এখন প্ৰকৰণ শ্ৰেণীৰ ৰূপক বুলি কোৱা হয়। 'চাৰুদত্ত' গ্ৰন্থখনত প্ৰকৰণৰ লক্ষণসমূহ পৰিলক্ষিত হয়। প্ৰকৰণৰ লক্ষণ অনুসৰি চাৰুদত্তৰ কাহিনীটো কবিৰ নিজৰ সৃষ্টি। লগতে ইয়াৰ বিষয়সমূহ সম্পূৰ্ণৰূপে লৌকিক। ৰসসমূহৰ ভিতৰত শৃংগাৰ ৰস প্ৰকৰণৰ মূল বা অংগী ৰস। চাৰুদত্তৰো মূল ৰস হৈছে শৃংগাৰ। প্ৰকৰণৰ নায়কজন হ'ব লাগে বিপ্ৰ, অমাত্য অথবা বণিক। সেই অনুসৰি 'চাৰুদত্ত'ৰ নায়ক চাৰুদত্ত হৈছে এগৰাকী ব্ৰাহ্মণ লোক আৰু লগতে তেওঁ বৃত্তিত এগৰাকী বণিক আছিল। প্ৰকৰণৰ নায়কৰ স্বৰূপ অনুসৰি চাৰুদত্তও আছিল এগৰাকী ধীৰপ্ৰশান্তক নায়ক।

কোনো কোনো প্ৰকৰণত দুগৰাকী নায়িকা থাকিব পাৰে বুলি অলংকাৰশাস্ত্ৰত দিয়া হৈছে। এগৰাকী গণিকা আনগৰাকী কুলজা। সেই অনুসৰি 'চাৰুদত্ত'ত বসন্ত সেনা হৈছে গণিকা বা বেশ্যা আৰু চাৰুদত্তৰ পত্নীগৰাকী কুলজা।

এনেদৰে প্ৰকৰণত থাকিবলগা লক্ষণসমূহ চাৰুদত্তত থকাটো পৰিলক্ষিত হয়।

### ৪.৫.৪ 'চাৰুদত্ত' প্ৰকৰণৰ মূল্যায়ন

মহাকবি ভাসৰদ্বাৰা ৰচিত 'চাৰুদত্ত' হৈছে চাৰিটা অংক বিশিষ্ট এখন প্ৰকৰণ। প্ৰকৰণ হিচাপে শৃংগাৰ হৈছে এই প্ৰকৰণৰ মুখ্য ৰস। কিন্তু অন্যান্য ৰসসমূহৰো ইয়াত প্ৰয়োগ ঘটিছে। তাৰ ভিতৰত কৰুণ ৰস, অদ্ভুত ৰস, হাস্যৰস আদিয়েই প্ৰধান। অলংকাৰৰ প্ৰয়োগৰ ক্ষেত্ৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা, অনুমান, কাব্যলিংগ, অতিশয়োক্তি আদি উল্লেখযোগ্য। ইয়াৰে প্ৰথম অংকত ৰাজমাৰ্গৰ প্ৰদীপ স্বৰূপ উদিত চন্দ্ৰৰ শুভ্ৰ ৰশ্মিৰদ্বাৰা, অন্ধকাৰৰ মাজত হোৱা আলোকৰ বৰ্ষণক পংক বা বোকাত নিপতিত ক্ষীৰধাৰাৰ লগত তুলনা কৰা হৈছে আৰু ইয়াক উপমা আৰু ৰূপক অলংকাৰৰদ্বাৰা সুন্দৰভাৱে উপস্থাপন কৰা হৈছে।

এই প্ৰকৰণত নীতি-অনীতি, কাৰুণ্য-হাস্য, দাৰিদ্ৰ-প্ৰাচুৰ্য—এই সমূহৰ এক অপূৰ্ব সমন্বয় ঘটিছে।

## ৪.৬ মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্

### ৪.৬.১ মহাকবি শূদ্ৰকৰ পৰিচয়

সংস্কৃত প্ৰকৰণসমূহৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য এখন প্ৰকৰণ হৈছে মৃচ্ছকটিকম্। ইয়াৰ ৰচক হৈছে শূদ্ৰক। এই শূদ্ৰক আছিল প্ৰকৃততে এজন ৰজা। সংস্কৃত

সাহিত্যৰ বিভিন্ন গ্ৰন্থত এই ৰজা শূদ্ৰকৰ বিষয়ে পোৱা যায়। যেনে—কাদম্বৰী, হৰ্ষচৰিত, কথাসৰিৎসাগৰ, বেতালপঞ্চবিংশতি ৰাজতৰংগিনী আদি।

মৃচ্ছকটিকগ্ৰন্থৰ প্ৰস্তাৱনাত ইয়াৰ ৰচয়িতা শূদ্ৰকৰ পৰিচয় বিশদভাৱে দিয়া হৈছে। তাত উল্লেখ কৰা হৈছে যে শূদ্ৰকৰ আছিল গজৰাজৰ দৰে গতি। তেওঁৰ মুখাবয়ব পূৰ্ণচন্দ্ৰ সদৃশ। অশেষ পৰাক্ৰমী এই ৰজা শূদ্ৰক অপৰিসীম কবিত্ব শক্তিৰ অধিকাৰী আছিল।

ঋগ্বেদ, সামবেদ আদিৰ উপৰিও গণিত শাস্ত্ৰ, কামশাস্ত্ৰ, হস্তীবিদ্যা আদিত তেওঁ ব্যুৎপত্তি অৰ্জন কৰিছিল। এশবছৰ দহদিন জীৱন পাৰ কৰি শূদ্ৰকে মৃত্যু মুখত পৰিছিল।

### ৪.৬.২ মৃচ্ছকটিকৰ কাহিনীভাগ

মৃচ্ছকটিকম্ নামৰ প্ৰকৰণ গ্ৰন্থখন দহটা অংক বিশিষ্ট। ইয়াৰ নায়কজনৰ নাম হৈছে চাৰু দত্ত আৰু দুগৰাকী নায়িকা ক্ৰমে চাৰু দত্তৰ পত্নী ধূতা আৰু গণিকা বসন্তসেনা। সাৰ্থবাহ চাৰুদত্ত আৰু গণিকাবসন্তসেনাৰ প্ৰণয় কাহিনীক উপজীব্য কৰি এই প্ৰকৰণখন ৰচনা কৰা হৈছিল।

এই প্ৰকৰণৰ প্ৰথম অংকৰ আৰম্ভণিতে বিদূষকে চাৰুদত্তৰ গৃহলৈ যায়। বিদূষক আৰু চাৰুদত্তৰ মাজত দাৰিদ্ৰ সম্পৰ্কে কিছু দীৰ্ঘলীয়া আলোচনা হয়। চাৰুদত্তই কয় যে ধন নোহোৱা কাৰণে তেওঁৰ কোনো দুখ নাই। কিন্তু দৰিদ্ৰলোকৰ প্ৰতি যে মানুহৰ স্নেহৰ ভাব নাইকীয়া হৈ যায় সেই কথাইহে তেওঁক বেছি দুখ দিয়ে। ইফালে ৰাস্তাত দেখা যায় যে শকাৰ নামৰ ৰজাৰ খুলশালিয়েকে বন্ধু বীট আৰু ভৃত্য এজনৰ লগত বসন্তসেনাৰ পিছে পিছে দৌৰি আছিল। বসন্তসেনাই ভয়তে চাৰদত্তৰ গৃহত নজনাকৈ প্ৰৱেশ কৰিলে। অন্ধকাৰত চিনিব নোৱাৰি শকাৰে বসন্তসেনা বুলি চাৰুদত্তৰ দাসী ৰদনিকাক ধৰি পেলায়। কিন্তু লগত থকা বিদূষকে শকাৰ আৰু তাৰ সংগী দুজনক ভৰ্ৎসনা কৰি খেদি পঠিয়ায়।

ইফালে বসন্তসেনাই চাৰুদত্তৰ ঘৰত তেওঁৰ অলংকাৰসমূহ ৰাখে যাতে দুষ্ট লোকৰ পৰা সুৰক্ষিত হৈ থাকিব পাৰে। ইয়াৰ প্ৰকৃত উদ্দেশ্য আছিল যাতে তেওঁ চাৰুদত্তৰ লগত পুনৰ যোগাযোগ ৰাখিব পাৰে।

দ্বিতীয় অংকত বসন্তসেনাই দাসী মদনিকাৰ লগত কথা-বতৰা কৈ থাকে আৰু চাৰুদত্তৰ প্ৰতি থকা তেওঁৰ প্ৰণয়ৰ ভাব প্ৰকাশ কৰে। ইয়াৰ পিছত দেখা যায় যে সংবাহক নামৰ এজন জুৱাৰীয়ে জুৱাখেলত পৰাজিত হৈ ধন দিব পৰা নাছিল। তাৰবাবে আত্মৰক্ষাৰ বাবে সি আহি বসন্তসেনাৰ গৃহত প্ৰৱেশ কৰে। বসন্তসেনাই তেতিয়া তেওঁৰ আ-অলংকাৰসমূহ দি জুৱাৰীজনক ঋণমুক্ত কৰে। ইয়াৰ পিছত সংবাহক নামৰ জুৱাৰীজনে বৌদ্ধধৰ্ম গ্ৰহণ কৰে।

তৃতীয় অংকত শৰ্বিলক নামৰ চোৰ এজন চাৰুদত্তৰ ঘৰত সোমায়। চাৰুদত্তৰ ঘৰৰ পৰা শৰ্বিলকে বসন্তসেনাই ৰাখি থৈ যোৱা-অলংকাৰবোৰ চুৰ কৰি লৈ যায়। প্ৰকৃততে শৰ্বিলকৰ চুৰ কৰাৰ কাৰণটো হৈছে যাতে বসন্তসেনাৰ দাসী মদনিকাক দাসত্বৰপৰা মোকলাব পাৰে আৰু বিবাহ কৰিব পাৰে।

ৰাতিপুৱা যেতিয়া চাৰুদত্তই গম পালে যে বসন্তসেনাৰ অলংকাৰবোৰ চোৰে লৈ গ'ল তেতিয়া তেওঁ চেতনা হেৰুৱাই পেলালে। চাৰুদত্তৰ পত্নী ধূতাই সকলো জনাৰ পিছত তেওঁৰ নিজৰ হাৰডাল বিদূষকৰ হাতত দিলে আৰু চাৰুদত্তই বিদূষকক বসন্তসেনাৰ ওচৰলৈ গৈ হাৰডাল দি থৈ আহিবলৈ ক'লে।

চতুৰ্থ অংকত শৰ্বিলকে চুৰ কৰি অনা অলংকাৰবোৰ লৈ বসন্তসেনাৰ ঘৰত উপস্থিত হয়। মদনিকাই বসন্তসেনাৰ গহনাবোৰ চিনিব পাৰিলে আৰু শৰ্বিলকক সেইবোৰ চাৰুদত্তই পঠিওৱা বুলি কৈ বসন্তসেনাক ঘূৰাই দিবলৈ ক'লে। বসন্তসেনাই তেওঁলোকৰ কথা-বতৰাসমূহ শুনি আছিল। গতিকে শৰ্বিলকে যেতিয়া সেইবোৰ ঘূৰাই দিলে তেওঁ মদনিকাক পিন্ধাই দিলে আৰু লগতে মদনিকাক দাসত্বৰ পৰা মুক্তি দি দুয়োকে যাবলৈ ক'লে।

ইয়াৰ পিছত নেপথ্যৰ পৰা এটা বাৰ্তা দিয়া হ'ল যে আৰ্যক নামৰ গৰখীয়া ল'ৰা এজনক ৰজাই বন্দী কৰিছে। ইয়াৰ পিছত দেখা গ'ল যে শৰ্বিলকে তেওঁৰ বন্ধু আৰ্যকক মুকলি কৰি আনিবৰ বাবে কিছু ব্যৱস্থা হাতত লৈছে।

আন এটি দৃশ্যত দেখা গ'ল বিদূষকে বসন্ত সেনাৰ ঘৰলৈ আহি হাৰডাল বসন্তসেনাক দিছে। বসন্তসেনাইও হাৰডাল গ্ৰহণ কৰিলে আৰু বিদূষকক বিদায় দিলে।

পঞ্চম অংকত প্ৰথমে দেখা যায় যে বিদূষকে চাৰুদত্তক বসন্তসেনাই হাৰডাল গ্ৰহণ কৰা বুলি বাৰ্তা জনায়। লগতে এইটোও জনায় যে সেইদিনা সন্ধিয়া বসন্তসেনা চাৰুদত্তৰ ঘৰলৈ আহিব।

ইয়াৰ পিছত বসন্ত সেনাক দেখা যায় যে তেওঁ চাৰুদত্তৰ ঘৰলৈ আহিছে। তেওঁলোকে বহু সময় উদ্যানতে কটায় আৰু প্ৰৱল বৃষ্টিপাতৰ বাবে অৱশেষত গৃহৰ ভিতৰত প্ৰৱেশ কৰে।

ষষ্ঠ অংকত চাৰুদত্তই পুষ্পকৰণ্ডক নামৰ পুৰণি উদ্যানলৈ যায় আৰু বসন্তসেনাকো সাজু কৰি ৰখা গৰু গাড়ীত উঠি তালৈ যাবৰ বাবে ক'বলৈ বৰ্দ্ধমানকক আদেশ কৰে। বসন্তসেনাই ভুলতে শকাৰৰ গাড়ীত উঠে। আনহাতে ৰাজকাৰগাৰ ভাঙি পলায়ন কৰা আৰ্যকে বসন্তসেনাৰ বাবে সাজু কৰি থোৱা গাড়ীত উঠে। ৰাজপথত বীৰক আৰু চন্দনক নামৰ ৰাজ আৰক্ষী দুজনে গাড়ী খানাতালাচ কৰিবলৈ লয়। চন্দনকে গাড়ীত আৰ্যকক দেখে আৰু বুদ্ধি কৰি আৰ্যকক বচায়।

সপ্তম অংকত দেখা যায় আৰ্যকে চাৰুদত্তৰ শৰণাপন্ন হয়। চাৰুদত্তই তেওঁক অভয় প্ৰদান কৰে। আৰ্যকৰ ভৰিত লাগি থাকা শৃংখল আঁতৰাই পেলোৱা হয়। ইয়াৰ পিছত একেখন গাড়ীয়েই আৰ্য্যকক উঠাই লৈ যায়। ইফালে বসন্তসেনাৰ আগমন নোহোৱা বাবে চাৰুদত্ত দুখমনে তাৰপৰা আঁতৰ হয়।

অষ্টম অংকত বসন্ত সেনাই শকাৰৰ মুখামুখি হয়। শকাৰে বসন্তসেনাক কোনোধৰণে আকৰ্ষিত কৰিব নোৱাৰি ডিঙি চেপি মাৰিবলৈ যত্ন কৰে। বসন্তসেনা অচেতন হৈ পৰে। শকাৰে বসন্তসেনাৰ মৃত্যু হোৱা বুলি ভাবে আৰু অপৰাধৰ বোজা চাৰুদত্তক দিয়াৰ বাবে সংকল্প লয়। ইফালে বসন্তসেনাক বৌদ্ধ ভিক্ষু সংবাহকে দেখে আৰু তেওঁক সুশ্ৰূষা কৰি সুস্থ কৰি তোলে।

নৱম অংকত শকাৰে ন্যায়ালয়ত অভিযোগ দাখিল কৰে যে চাৰুদত্তই বসন্তসেনাক অলংকাৰৰ লোভত হত্যা কৰিছে। অধিক তথ্যৰ বাবে বিচাৰকে বসন্তসেনাৰ মাতৃক ন্যায়ালয়লৈ মাতি পঠিয়ায় আৰু তেওঁৰ ভাষ্য গ্ৰহণ কৰে। মাতৃগৰাকীয়ে কৈছিল যে আগদিনা ৰাতি বসন্ত সেনা চাৰুদত্তৰ ঘৰত আছিল। বিচাৰকে তেতিয়া চাৰুদত্তকো মাতি পঠিয়ায়। চাৰুদত্তই কৈছিল যে বসন্তসেনাই নিজ গৃহলৈ গমন কৰিছে। সকলো ধৰণৰ প্ৰমাণ গ্ৰহণ কৰাৰ পিছত চাৰুদত্তক অভিযুক্ত কৰা হ'ল আৰু ৰজাই তেওঁক মৃত্যু দণ্ডেৰে দণ্ডিত কৰিলে।

দশম অংকত চাৰুদত্তক বধ্যভূমিলৈ লৈ যোৱা হয়। বহু মানুহ সেই বধ্যভূমিত গোট খায়। ইয়াৰ পিছত বিদূষকেও চাৰুদত্তৰ পুত্ৰ ৰোহসেনক সেই স্থানলৈ লৈ আহে। হঠাৎ ভিক্ষু সংবাহকে বসন্তসেনাক লৈ সেই স্থানলৈ অহা দেখা গ'ল। চাৰুদত্তক বধ কৰিবলৈ লোৱা চাণ্ডাল দুজনে সেই সময়লৈ চাৰুদত্তক বধ নকৰা বাবে বৰ সুখী হ'ল। ইপিনে বসন্তসেনাক দেখা পাই শকাৰে পলায়ন কৰিলে।

ইয়াৰ পিছত শৰ্বিলকে বাৰ্তা আনিলে যে দুষ্ট ৰজা পালকক নিধন কৰা হৈছে আৰু আৰ্যকক ৰজা পতা হৈছে। আৰ্য্যকে ৰজা হৈয়েই কুশৱতী নামৰ নগৰীখন চাৰুদত্তক প্ৰদান কৰিলে। শকাৰে চাৰুদত্তক তাৰ জীৱন বচাবলৈ ভৰিত পৰি প্ৰাৰ্থনা কৰিলে। দয়ালু চাৰুদত্তইও তেওঁক অভয় প্ৰদান কৰিলে। চাৰুদত্তৰ পত্নী ধূতাই অগ্নিত প্ৰৱেশ কৰিবলৈ লৈছিল। কিন্তু চাৰুদত্তৰ মুক্তিৰ বাৰ্তা পাই সুখী হ'ল। শৰ্বিলকে এক বাৰ্তা আনিলে যে ৰজাই বসন্তসেনাক 'বধূ' এই উপাধি প্ৰদান কৰিছে। শেষত ভৰত বাক্যৰে অংকটোৰ সামৰণি মৰা হয়।

### ৪.৬.৩ প্ৰকৰণ হিচাপে মৃচ্ছকটিকম্

মহাকবি শূদ্ৰকৰদ্বাৰা বিৰচিত মৃচ্ছকটিকম্ নামৰ প্ৰকৰণৰ বৰ্ণনীয় বিষয় হৈছে সম্পূৰ্ণৰূপে মৌলিক আৰু কবিৰ কল্পনা প্ৰসূত। ইয়াৰ মুখ্যৰস হৈছে শৃংগাৰ। নায়ক চাৰুদত্ত হৈছে এজন ব্ৰাহ্মণ বণিক। তেওঁ ধীৰপ্ৰশান্তক নামৰ নায়কৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত। অন্যান্য চৰিত্ৰসমূহ সমাজৰ সাধাৰণ শ্ৰেণীৰ অন্তৰ্গত। ইয়াত অংকৰ সংখ্যা ১০টা। ইয়াত দুই ধৰণৰ নায়িকা আছে। সেয়া হৈছে কুলজা আৰু বেশ্যা। নায়ক চাৰুদত্তৰ পত্নী ধূতা হৈছে কুলজা আৰু বসন্তসেনা হৈছে গণিকা। সেই অনুসৰি মৃচ্ছকটিকম্ হৈছে প্ৰকৰণৰ তিনিটা ভাগৰ তৃতীয়টোৰ অন্তৰ্গত য'ত দুয়োপ্ৰকাৰৰ নায়িকাই থাকে। প্ৰকৰণত থাকিবলগা ধৰণে বীট, জুৱাৰী, ধূৰ্ত আদি চৰিত্ৰসমূহো ইয়াত বিদ্যমান। এই ধৰণে মৃচ্ছকটিকম্ এখন সৰ্বাংগ সুন্দৰ প্ৰকৰণ।

### ৪.৬.৪ মৃচ্ছকটিকম্ প্ৰকৰণৰ মূল্যায়ন

মহাকবি শূদ্ৰকৰদ্বাৰা বিৰচিত মৃচ্ছকটিকম্ এখন উল্লেখযোগ্য প্ৰকৰণ। এই প্ৰকৰণৰ বৰ্ণনাশৈলী অতি স্বাভাৱিকধৰ্মী। ইয়াৰ ভাষা অতি সৰল আৰু স্পষ্ট। দীৰ্ঘসমাসৰপৰা এই প্ৰকৰণ বিশেষভাৱে মুক্ত। ইয়াৰ হাস্য-ব্যংগ উক্তিসমূহ অতি আকৰ্ষণীয়। এই প্ৰকৰণৰ নায়ক চাৰুদত্ত হৈছে এনে এজন লোক যিয়ে তেওঁৰ দানশীল স্বভাৱৰ বাবে দাৰিদ্ৰৰ কবলত পৰিবলগা হৈছিল। নায়িকা গণিকা বসন্তসেনাৰ ব্যক্তিত্বও

অসাধাৰণ। ইয়াৰ উপৰিও দুষ্টপ্ৰকৃতিৰ 'শকাৰ'ৰ চৰিত্ৰটোক অতি আমোদজনক ৰূপত সজাই তোলা হৈছে।

মৃচ্ছকটিকমত বিষয়বস্তুৰ লগত সংগতি থকা বহু শ্লোক অন্তৰ্ভুক্ত কৰা হৈছে। এই শ্লোকসমূহৰ বহুকেইটা গভীৰ অৰ্থবহ আৰু নীতিবাক্য সম্বলিত। মানুহে ইজনে সিজনৰ লগত থাকিবলগা আন্তৰিক সম্পৰ্কৰ পৰিৱৰ্তে যে পাৰ্থিৱ বিষয়ৰ প্ৰতিহে বেছি আসক্ত হয় সেই কথা সুন্দৰভাৱে এই প্ৰকৰণত প্ৰতিফলিত হৈছে। ইয়াত কোৱা হৈছে যে দাৰিদ্ৰই মানুহৰ মাজৰ স্নেহৰ বন্ধন শিথিল কৰি তোলে।

এই প্ৰকৰণৰ মুখ্য ৰস শৃংগাৰ। অৱশ্যে ইয়াত অন্যান্য ৰসসমূহৰো পৰিস্ফুৰণ ঘটিছে। যেনে—হাস্য, কৰুণ, বীভৎস আদি। মৃচ্ছকটিকম্ গ্ৰন্থত সেই সময়ৰ সমাজ ব্যৱস্থাৰ এটা সুন্দৰ আভাস পোৱা যায়। বৰ্ণব্যৱস্থা সেইসময়ত সম্পূৰ্ণ স্বীকৃত আছিল আৰু ব্ৰাহ্মণসকলক অতি উচ্চ স্থান দিয়া হৈছিল।

সেইসময়ত বাণিজ্য ব্যৱস্থা অতিশয় উন্নত আছিল আৰু বহু দূৰ-দূৰণিৰ স্থানলৈ প্ৰসাৰ লাভ কৰিছিল। জুৱাখেল, দাসত্ব প্ৰথা আদিৰ লগতে বিভিন্ন ধাৰ্মিক কাৰ্য্য আৰু উৎসৱৰ বিষয়েও ইয়াত উল্লেখ কৰা হৈছে যাৰদ্বাৰা সমাজত সেইবোৰ প্ৰচলন সম্পৰ্কে উমান পাব পাৰি।

## ৪.৭ মহাকবি ভৱভূতিৰ মালতীমাধৱ

### ৪.৭.১ মহাকবি ভৱভূতিৰ পৰিচয়

মালতীমাধৱৰ ৰচক ভৱভূতি হৈছে সংস্কৃত নাট্য সাহিত্যত এগৰাকী উল্লেখযোগ্য নাট্যকাৰ। বহুতো পণ্ডিতৰ মতে, কালিদাসৰ পিছতেই সংস্কৃত নাট্যজগতত তেওঁ স্থান লাভ কৰে।

ভৱভূতি আছিল মহাৰাষ্ট্ৰৰ বিদৰ্ভৰ অন্তৰ্গত পদ্মপুৰৰ নিবাসী। তেওঁৰ পিতৃৰ প্ৰকৃত নাম আছিল নীলকণ্ঠ আৰু মাতৃৰ নাম আছিল জাতুকৰ্ণী। শ্ৰীকণ্ঠ নীলকণ্ঠ আছিল ভৱভূতিৰ প্ৰকৃত নাম। বহু তথ্য প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰি পোৱা হৈছে যে ভৱভূতি অষ্টম শতিকাৰ এগৰাকী কবি।

ভৱভূতি এগৰাকী অত্যন্ত জ্ঞানী লোক আছিল। বেদ, উপনিষদ, দৰ্শন, নীতিশাস্ত্ৰ, অৰ্থশাস্ত্ৰ, পুৰাণ, অলংকাৰশাস্ত্ৰ, ছন্দশাস্ত্ৰ আদি সকলো শাস্ত্ৰতে তেওঁ ব্যুৎপত্তি লাভ কৰিছিল।

ভৱভূতিয়ে দুখন নাটক আৰু এখন প্ৰকৰণ ৰচনা কৰিছিল। ভৱভূতিৰদ্বাৰা ৰচিত নাটক দুখন হৈছে উত্তৰ ৰামচৰিত আৰু মহাবীৰ চৰিত আৰু প্ৰকৰণখন হৈছে মালতী মাধৱ।

'মালতী মাধৱ'ক ভৱভূতিৰ দ্বিতীয় নাট্যকৃতিৰূপে ধৰা হয়। তেওঁৰদ্বাৰা ৰচিত প্ৰথম নাটক হৈছে মহাবীৰচৰিত।

### ৪.৭.২ মালতীমাধৱৰ কাহিনীভাগ

ভূৰিৱসু আছিল পদ্মাৱতী ৰাজ্যৰ মন্ত্ৰী। তেওঁ বাল্যকালত বিদৰ্ভ ৰজাৰ মন্ত্ৰী দেৱৰাতৰ লগত একেলগে গুৰুকুলত শিক্ষা লাভ কৰিছিল। সেই সময়তে তেওঁলোকে

থিক কৰিছিল যে ভৱিষ্যতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ মাজত তেওঁলোকে বৈৱাহিক সম্বন্ধ স্থাপন কৰিব। এই কথা কামন্দকীৰ উপস্থিতিত হৈছিল।

মাধৱৰ পিতৃ দেৱৰাতই মাধৱক কুণ্ডিনপুৰৰপৰা পদ্মাৱতীলৈ শিক্ষালাভৰ বাবে পঠিয়াইছিল। ইপিনে পদ্মাৱতীৰ ৰজাই তেওঁৰ সংগী নন্দনলৈ মালতীক বিয়া দিব বিচাৰিছিল। আনহাতে কামন্দকীয়ে মালতী আৰু মাধৱৰ বিয়াৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে। ইয়াৰ উপৰি কামন্দকীয়ে বুদ্ধৰক্ষিতাক নন্দনৰ ভগ্নী মদয়ন্তিকাই যাতে মাধৱৰ বন্ধু মকৰন্দৰ প্ৰতি আকৃষ্ট হয় তাৰ বাবে আদেশ কৰিলে।

মালতীৰ দেউতাক ভূৰিবসুয়ে ৰজাক কথা দিলে যে তেওঁ মালতীক নন্দনৰ লগত বিয়া দিব। মালতীয়েও পিতৃৰ বিৰুদ্ধাচৰণ কৰিব বিচৰা নাছিল। কিন্তু কামন্দকীয়ে মালতীক বুজাইছিল আৰু মাধৱৰ বহু গুণানুকীৰ্তন কৰিছিল। লগতে মালতীৰ পিতৃৰ কাৰ্য্যত সন্দেহৰ ভাব জাগ্ৰত কৰিছিল।

ইয়াৰ পিছত দেখা গ'ল এটা বাঘে মদয়ন্তিকাক আক্ৰমণ কৰিছে। মকৰন্দই মদয়ন্তিকাক বাঘৰ কবলৰপৰা ৰক্ষা কৰিলে যদিও বাঘটোৱে মকৰন্দক আক্ৰমণ কৰিলে আৰু মকৰন্দ অচেতন হৈ গ'ল। অৱশ্যে লাহে লাহে পুনৰ চেতনা ঘূৰাই পালে।

সেইসময়তে এজন বাৰ্তাবাহকে এই কথা অৱগত কৰালে যে ৰজাই মালতীক নিজেই মদয়ন্তিকাৰ ককায়েক নন্দনক মালতীৰ পিতৃৰ সন্মতি সাপেক্ষে প্ৰদান কৰিছে।

এই বাৰ্তাটোৱে মালতী আৰু মাধৱ উভয়কে হতাশা কৰিলে। মাধৱে হতাশাগ্ৰস্ত হৈ শ্মশানত নৰমাংস বিক্ৰী কৰিবলৈ স্থিৰ কৰিলে। মাধৱে শ্মশানত থকা সময়ত এদিন এটা নাৰী কণ্ঠৰ আৰ্তনাদ শুনিবলৈ পালে। মাধৱে লগে লগে চিঞৰটো অনুসৰণ কৰি গৈ কৰালাদেৱীৰ মন্দিৰ পালে। তাত তেওঁ দেখিলে যে অঘোৰঘণ্ট আৰু কপালকুণ্ডলাই মালতীক কৰালা দেৱীৰ ওচৰত অৰ্পণ কৰিবলৈ লৈছে। মাধৱে মালতীক উদ্ধাৰ কৰি অঘোৰঘণ্টৰ লগত যুদ্ধত লিপ্ত হ'ল।

অঘোৰঘণ্টক নিধন কৰা বাবে কপালকুণ্ডলা মাধৱৰ ওপৰত যথেষ্ট ক্ৰোধান্বিত হ'ল। এনে সময়তে এটি ঘোষণা শুনা গ'ল যে মালতীৰ বিবাহ অনুষ্ঠিত কৰা হৈছে আৰু তেওঁৰ মাতৃৰদ্বাৰা আদেশ কৰা হৈছে যে মালতী নগৰৰ দেৱতাৰ মন্দিৰলৈ বিঘ্নবিনাশনৰ বাবে যাব লাগে। কপালকুণ্ডলাই লগে লগে মন স্থিৰ কৰিলে যে তেওঁ এই সময়তেই মাধৱক অন্যায় কৰিব। মালতীয়ে তেওঁৰ সংগী লৱঙ্গিকাৰ লগত মন্দিৰলৈ গৈছিল। মালতীয়ে লৱঙ্গিকাক মাধৱৰ প্ৰতি থকা তেওঁৰ প্ৰণয়ভাৱৰ কথা ব্যক্ত কৰিলে আৰু নিজৰ জীৱনটো শেষ কৰি দিবলৈ বিচাৰিলে। সেই সময়ত মাধৱ আৰু মকৰন্দ মন্দিৰৰ ভিতৰতে আছিল। লৱঙ্গিকাৰ ইংগিতত মাধৱ সেই স্থানলৈ আহিছিল। লৱঙ্গিকা আৰু মকৰন্দই মালতী আৰু মাধৱক গান্ধৰ্ব বিবাহ কৰিবলৈ পৰামৰ্শ দিলে। কিন্তু মালতীয়ে সেয়া মানি নল'লে। সেই সময়ত তাত কামন্দকী উপস্থিত হৈ মকৰন্দক মালতীৰ সাজ পিন্ধি নন্দনৰ লগত বিয়াত বহিবলৈ ক'লে আৰু মালতী আৰু মাধৱক উদ্যানলৈ পঠিয়ালে। ইতিমধ্যে সেই উদ্যানত অৱলোকিতাই তেওঁলোকৰ বিবাহৰ বাবে ব্যৱস্থা কৰি ৰাখিছিল।

মালতীৰ বেশত নন্দনৰ লগত মকৰন্দৰ বিবাহ সম্পাদন হোৱাৰ বৃত্তান্ত ৭ম অংকত

বুদ্ধৰক্ষিতাই দাঙি ধৰে। নন্দন যে ক্রোধান্বিত হৈ পৰে এই কথাও তেওঁ দোহাৰে। ইফালে বুদ্ধৰক্ষিতাই মদয়ন্তিকা আৰু মকৰন্দৰ মিলন ঘটাব বিচাৰে। মদয়ন্তিকাই মকৰন্দৰ প্রতি থকা তেওঁৰ প্রণয়ভাবৰ কথা প্রকাশ কৰে। মকৰন্দই নিজৰ প্রকৃত বেশত আহি মদয়ন্তিকাৰ হাতত ধৰেহি।

অষ্টম অংকত অৱলোকিতা, মালতী আৰু মাধৱৰ মাজত কথোপকথন চলে। পিছলৈ বুদ্ধৰক্ষিতা, লৱঙ্গিকা, মদয়ন্তিকা আৰু কলহংসকইও তালৈ আগমন কৰে। তেওঁলোকৰ পৰা জানিব পৰা গ'ল যে নগৰৰ আৰক্ষীৰ লগত encounter-ত লিপ্ত হৈছে। মাধৱে তেতিয়া মকৰন্দক সহায় কৰিবলৈ কলহংসকৰ লগত গ'লগৈ। মালতীয়ে বুদ্ধৰক্ষিতা, অৱলোকিতা আৰু লবঙ্গিকাক কামন্দকী আৰু মাধৱৰ ওচৰলৈ পঠিয়ালে। মালতীক অকলে থকা দেখা পাই কপালকুণ্ডলাই মালতীক শ্রীপর্বতলৈ লৈ যায়। মালতীৰ সংগীসকল উভতি আহি তেওঁক ক'তো বিচাৰি নাপালে।

নৱম অংকত সৌদামিনীয়ে শ্রীপর্বতৰ পৰা আহি মাধৱক জনায় যে মালতী শ্রীপর্বতত নিৰাপদে আছে। তেওঁ ইয়াকো জনায় যে কপালকুণ্ডলাই মালতীক বধ কৰিবলৈ শ্রীপর্বতলৈ লৈ যায়। কিন্তু তেওঁ মালতীক উদ্ধাৰ কৰিব পাৰিলে। ইয়াৰ পিছত সৌদামিনীয়ে মাধৱক লৈ আকাশলৈ উৰা মাৰিলে।

দশম অংকত দেখা যায় যে মালতীক হেৰুওৱা দুখ সহ্য কৰিব নোৱাৰি কামন্দকী, লবঙ্গিকা আৰু মদয়ন্তিকাই নিজৰ নিজৰ জীৱনৰ অৱসান ঘটাব বিচাৰিছে। মালতীৰ পিতৃ ভূৰিবসুৱে সুৱর্ণবিন্দু পর্বতলৈ গৈছে আৰু মালতীৰ শোকত অগ্নিত প্রৱেশ কৰিবলৈ স্থিৰ কৰিছে। ইফালে মালতী আৰু মাধৱেও শ্রীপর্বতৰপৰা নামি আহে আৰু মালতীয়ে পিতৃক তেনে কার্য্যৰ পৰা বিৰত হ'বলৈ কয়। মালতী ইয়াৰ পিছত অচেতন হৈ পৰে আৰু সৌদামিনীৰ সহায়ত পুনৰ চেতনা লাভ কৰে। ইয়াৰ পিছত ৰজাৰ পৰা এক বার্তা পোৱা গ'ল যে ৰজাই দুয়োখন বিবাহৰ বাবে অনুমোদন জনাইছে। সৌদামিনীয়ে এই কথা ক'লে যে ইয়াৰদ্বাৰা ভূৰিবসু আৰু দেৱৰাত নামৰ দুয়োগৰাকী মন্ত্রীৰ তেওঁলোকৰ সন্তানদ্বয়ৰ মাজত বিবাহ অনুষ্ঠিত কৰাৰ যি ইচ্ছা সেয়া পূর্ণ হ'ল। সকলোৱে খুব আনন্দ লাভ কৰিলে।

### ৪.৭.৩ প্রকৰণ হিচাপে মালতীমাধৱ

মালতীমাধৱ হৈছে মহাকবি ভৱভূতি বিৰচিত এখন উল্লেখযোগ্য প্রকৰণ। ইয়াত অলংকাৰ শাস্ত্রত উল্লেখিত প্রকৰণত থাকিব লগা আটাইকেইটা বৈশিষ্ট্যই থকাটো পৰিলক্ষিত হয়। ইতিমধ্যে প্রকৰণৰ বৈশিষ্ট্যসমূহ পূর্ব আলোচনাত উল্লেখ কৰা হৈছে। সেই বৈশিষ্টসমূহ মালতীমাধৱত কিদৰে পৰিস্ফুট হৈছে তলত সেয়া প্রদর্শন কৰা হ'ল।

মালতীমাধৱৰ যি বিষয়বস্তু সেয়া নাটকৰ দৰে কোনো প্রসিদ্ধ কাহিনীৰ আধাৰত নির্মিত নহয়। ইয়াৰ কাহিনীটো কবিকল্পিত অর্থাৎ কবিয়ে নিজৰ কল্পনা শক্তিৰ জৰিয়তে ইয়াৰ কাহিনীটো তৈয়াৰ কৰি লৈছে। তদুপৰি মালতী মাধৱৰ কাহিনীটো লৌকিক জীৱনৰ ওপৰত আধাৰিত।

প্রকৰণত শৃংগাৰ ৰস প্রধান বা অংগীৰস হিচাপে থাকিব লাগে আৰু মালতীমাধৱতো শৃংগাৰ-ৰসেই প্রধান ৰস হিচাপে আছে। ইয়াৰ উপৰিও প্রকৰণৰ

নায়কজন হ'ব লাগে বিপ্ৰ বা ব্ৰাহ্মণ, অমাত্য বা মন্ত্ৰী পৰ্য্যায়ৰ অথবা বণিক। মালতী মাধৱৰ দেখা যায় যে ইয়াৰ নায়ক মাধৱ বিদৰ্ভৰাজ্যৰ মন্ত্ৰী পুত্ৰ। প্ৰকৰণৰ নায়কজন হ'ব লাগে ধীৰ প্ৰশান্তক। সেই অনুসৰি দেখা যায় যে মালতীমাধৱৰ নায়ক মাধৱো হৈছে ধীৰ প্ৰশান্তক।

অলংকাৰ শাস্ত্ৰমতে প্ৰকৰণৰ নায়িকা হ'ব লাগে কেতিয়াবা কুলজা কেতিয়াবা বেশ্যা আৰু কেতিয়াবা ইয়াত দুয়োধৰণৰ নায়িকা থাকিব পাৰে। এনে ধৰণে নায়িকাৰ প্ৰকাৰ অনুসৰি প্ৰকৰণ তিনিধৰণৰ হ'ব পাৰে। মালতীমাধৱৰ নায়িকা মালতী হৈছে এগৰাকী কুলজা নায়িকা। তেওঁ পদ্মাৱতী ৰাজ্যৰ মন্ত্ৰী ভূৰিবসুৰ পুত্ৰী গতিকে মালতীমাধৱ হৈছে প্ৰথম প্ৰকাৰৰ প্ৰকৰণ।

এনেদৰে দেখা গৈছে যে মালতীমাধৱত প্ৰকৰণত থাকিব লগা আটাইবোৰ বৈশিষ্ট্যই আছে। গতিকে ই এখন সাৰ্থক প্ৰকৰণ।

### ৪.৭.৪ 'মালতীমাধৱ' প্ৰকৰণৰ মূল্যায়ন

সংস্কৃত সাহিত্যত মহাকবি ভৱভূতিৰদ্বাৰা ৰচিত 'মালতী মাধৱ' নামৰ প্ৰকৰণে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। ভৱভূতিৰ মালতী মাধৱৰ কাহিনীটো সম্পূৰ্ণৰূপে মৌলিক আৰু অতিশয় আকৰ্ষণীয়। ইয়াৰ ঘটনাসমূহ বিস্তৃত আৰু বৈচিত্ৰ্যময়। কবিয়ে ইয়াক অতি নিপুণতাৰে উপস্থাপন কৰিছে। ইয়াৰ নায়ক মাধৱ এগৰাকী সজ আৰু সাহসী লোক। নায়িকা মালতীও অত্যন্ত সৰল স্বভাৱৰ। প্ৰতিটো চৰিত্ৰই ইয়াত অতি নিপুণভাৱে অংকিত হৈছে। দীৰ্ঘ সমাস, কঠিন পদ আৰু দুৰ্বোধ্য শব্দৰ ব্যৱহাৰ ভৱভূতিৰ ৰচনাৰ কেতবোৰ বৈশিষ্ট্য যিবোৰ মালতী মাধৱতো চকুত পৰে।

মালতী মাধৱৰ মুখ্যৰস শৃংগাৰ যদিও আন কিছুমান যেনে কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, অদ্ভুত আদি ৰসমূহৰো ইয়াত সুন্দৰ প্ৰয়োগ ঘটিছে। অলংকাৰসমূহৰ ভিতৰত শব্দালংকাৰ আৰু অৰ্থালংকাৰ দুয়োপ্ৰকাৰৰে ইয়াত সমাবেশ দেখা যায়। তাৰ ভিতৰত যমক, শ্লেষ, অনুপ্ৰাস উপমা, ৰূপক, উৎপ্ৰেক্ষা, দৃষ্টান্ত, নিদৰ্শনা, অপহ্নুতি, ব্যতিৰেক, পৰিকৰ আদি অলংকাৰ প্ৰধান। সেই সময়ৰ সমাজ ব্যৱস্থাৰ এক বাস্তৱ চিত্ৰ এই কাব্যত অংকিত হৈছে। উদাহৰণস্বৰূপে বৰ্ণ ব্যৱস্থা, সমাজত নাৰীৰ স্থান, শিক্ষা ব্যৱস্থা আদিৰ বিষয়ে এই প্ৰকৰণৰ পৰা অৱগত হ'ব পৰা যায়।

**অগ্ৰগতি নিৰীক্ষণ**

১) 'চাৰুদত্ত' নামৰ প্ৰকৰণৰ ৰচক কোন? ইয়াত কেইটা অংক আছে?
২) শূদ্ৰকৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।
৩) শূদ্ৰকৰদ্বাৰা ৰচিত 'মৃচ্ছকটিকম্'ৰ নায়ক কোন?
৪) 'মৃচ্ছকটিকম্' গ্ৰন্থত কেইগৰাকী নায়িকা আছে? তেওঁলোকৰ নাম কি কি?
৫) প্ৰকৰণ হিচাপে 'মালতী মাধৱ'ৰ দুটা বৈশিষ্ট্য লিখক।
৬) 'মালতী মাধৱ' কোন শ্ৰেণীৰ প্ৰকৰণ গ্ৰন্থ?

## ৪.৮ সাৰাংশ (Summing Up)

এই বিভাগটোৰ পুংখানুপুংখ অধ্যয়নৰ জৰিয়তে আপুনি সংস্কৃত দৃশ্যকাব্য সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিছে। এই প্ৰসংগতে সংস্কৃত দৃশ্যকাব্যৰ বিভিন্ন উপাদানসমূহৰ বিষয়ে বিস্তৃত জ্ঞান লাভ কৰিব পাৰিছে। প্ৰকৰণ যে সংস্কৃত দৃশ্যকাব্যৰ অন্তৰ্গত আৰু ইয়াৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে সেই সম্পৰ্কেও অৱগত হৈছে। ইয়াৰ পিছত সংস্কৃত নাটকৰ লগত প্ৰকৰণৰ পাৰ্থক্য কি সেই বিষয়ে জ্ঞান লাভ কৰিছে। সংস্কৃত সাহিত্যত যিসমূহ প্ৰকৰণ গ্ৰন্থ আছে সেই সমূহৰ ভিতৰত ভাসৰদ্বাৰা ৰচিত চাৰুদত্ত, শূদ্ৰকৰ মৃচ্ছকটিকম্ আৰু ভৱভূতিৰ মালতী মাধৱ হৈছে বিশেষভাৱে উল্লেখযোগ্য। এই অধ্যায়ত এই প্ৰকৰণসমূহৰ প্ৰতিগৰাকী ৰচকৰ বিষয়ে অৱগত হোৱাৰ উপৰিও প্ৰতিখন গ্ৰন্থৰ বিষয়বস্তু সম্পৰ্কে এক সম্যক জ্ঞান লাভ কৰিছে। লগতে এই গ্ৰন্থসমূহত প্ৰকৰণৰ বৈশিষ্ট্যসমূহ প্ৰতিফলিত হৈছে নে নাই সেই সম্পৰ্কেও সুন্দৰভাৱে জানিব পাৰিছে।

## ৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) সংস্কৃত দৃশ্যকাব্যৰ বিষয়ে বিশদভাৱে আলোচনা আগবঢ়াওঁক।
২) সংস্কৃত প্ৰকৰণৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।
৩) মৃচ্ছকটিকম্ এখন প্ৰকৰণ গ্ৰন্থ হিচাপে যথাৰ্থতা প্ৰতিপন্ন কৰক।
৪) তলত উল্লেখ কৰা প্ৰকৰণ গ্ৰন্থ দুখনৰ পৰিচয় প্ৰদান কৰক।
(ক) চাৰুদত্ত (খ) মালতীমাধৱ।

## ৪.১০ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

সাহিত্যদৰ্পণ ঃ (লক্ষ্মী ব্যাখ্যা বিভূষিত), চৌখম্ভা সংস্কৃত সংস্থান, বাৰাণসী।
কিথ, এ.বি., সংস্কৃত ড্ৰামা, অক্সফৰ্ড ইউনিভাৰ্চিটি প্ৰেছ।
উইণ্টাৰনিট্জ, এম্, এ হিষ্টৰি অৱ ইণ্ডিয়ান লিটাৰেচাৰ, (Vol.III) ইউনিভাৰ্চিটি অৱ কলকাতা।
পুচলকাৰ, এ.ডি., ভাস—এ ষ্টাডি, মেহাৰ চান্দ লচমন দাস।
কালে, এম, আৰ., মৃচ্ছকটিকম্, মতিলাল বানাৰসী দাস পাবলিসাৰ্স প্ৰাইভেট লিমিটেড্, নিউ দেল্হী।

## পঞ্চম বিভাগ

## চম্পূৰ লক্ষণ, উদ্ভৱ আৰু ক্ৰমবিকাশ

**বিভাগৰ গঠন**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ চম্পূৰ লক্ষণ
৫.৪ চম্পূৰ উদ্ভৱঃ
ত্ৰিবিক্ৰমভট্টৰ 'নলচম্পূ'
৫.৫ চম্পূৰ ক্ৰমবিকাশ
৫.৫.১ সোমদেৱ সূৰিৰ 'য়শস্তিলকচম্পূ'
৫.৫.২ হৰিশ্চন্দ্ৰৰ 'জীৱন্ধৰ চম্পূ'
৫.৫.৩ ভোজৰ 'ৰামায়ণচম্পূ'
৫.৫.৪ অভিনৱ কালিদাসৰ 'ভাগৱত চম্পূ'
৫.৫.৫ সোঢ্ঢলৰ 'উদয়সুন্দৰী কথা'
৫.৫.৬ অনন্তভট্টৰ 'ভাৰতচম্পূ'
৫.৫.৭ চিদাম্বৰৰ 'পঞ্চকল্যাণচম্পূ'
৫.৫.৮ মিত্ৰমিশ্ৰৰ 'আনন্দকন্দ চম্পূ'
৫.৫.৯ নীলকণ্ঠ দীক্ষিতৰ 'নীলকণ্ঠবিজয়চম্পূ'
৫.৫.১০ বেঙ্কটাধ্বৰীৰ 'ৰিশ্বগুণাদৰ্শচম্পূ'
৫.৫.১১ অন্যান্য চম্পূকাব্য
৫.৫.১২ চম্পূকাব্যৰ বিভাজন
৫.৫.১৩ ৰাম আৰু কৃষ্ণকথাৰ ওপৰত আধাৰিত চম্পূকাব্য
৫.৫.১৪ আঞ্চলিক ভাষাৰ সাহিত্যত চম্পূকাব্যৰ স্থান
৪.৬ সাৰাংশ (Summing Up)
৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৫.১ ভূমিকা (Introduction)

সু-প্ৰাচীন তথা সুবিশাল সংস্কৃত সাহিত্যৰ জগতখনত তুলনামূলকভাৱে কমকৈ চৰ্চিত যদিও এক অপৰিহাৰ্য অংগ হৈছে কাব্যৰ এক বিশেষ ধাৰা 'চম্পূকাব্য'। চম্পূ-সাহিত্যৰ অন্তৰ্গত প্ৰতিখন চম্পূকাব্যৰ বিশদৰূপত চৰ্চা কৰাটো নিশ্চয়কৈ গৱেষণাৰ বিষয়। এই গোটটিত সংস্কৃত চম্পূসাহিত্যৰ লক্ষণ, উদ্ভৱ আৰু ক্ৰমবিকাশৰ ৰূপটো স্পষ্টভাৱে প্ৰকাশ পোৱাকৈ তাৰ ওপৰত এটি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

### ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটিত চম্পূকাব্যৰ এক সামগ্রিক ৰূপৰেখা প্রস্তুত কৰা হৈছে। বিভাগটি অধ্যয়ন কৰি আপোনালোকে ---

- চম্পূকাব্যৰ লক্ষণৰ বিষয়ে জানিব পাৰিব।
- চম্পূকাব্যৰ উদ্ভৱৰ বিষয়ে জানিব পাৰিব।
- চম্পূকাব্যৰ ক্রমবিকাশৰ বিষয়ে জানিব পাৰিব।
- বিভিন্ন চম্পূকাব্যসমূহৰ বিষয়ে থূলমূলকৈ জানিব পাৰিব।

### ৫.৩ চম্পূৰ লক্ষণ

সংস্কৃত কাব্যশাস্ত্রসমূহত কাব্যক দুই শ্রেণীত বিভক্ত কৰা হৈছে -- দৃশ্য আৰু শ্রব্যকাব্য। দৃশ্যকাব্যৰ ভিতৰত নাটক আদি দহপ্রকাৰৰ ৰূপক আৰু ওঠৰ প্রকাৰৰ উপৰূপকক ৰখা হয়। শ্রব্যকাব্যক প্রবন্ধ আৰু মুক্তক তথা প্রবন্ধকাব্যৰ মহাকাব্য, খণ্ডকাব্য আদি ভেদ কৰা হয়। এই শ্রব্যকাব্যসমূহৰ ৰচনাৰ ক্ষেত্রত পদ্য, গদ্য আৰু পদ্য-গদ্যমিশ্রিত শৈলী কবিসকলৰদ্বাৰা প্রয়োগ কৰা দেখা যায়। পদ্য-গদ্যমিশ্রিত শৈলীত ৰচিত কাব্যসমূহকে 'চম্পূকাব্য' আখ্যা দিয়া হয়।

এই চম্পূকাব্যৰ লক্ষণ বিভিন্ন সংস্কৃত কাব্যশাস্ত্রীয় গ্রন্থত পোৱা যায়। পোনপ্রথমেই চম্পূৰ লক্ষণ পোৱা যায় সপ্তম শতিকাৰ সংস্কৃত কাব্যশাস্ত্রীয় গ্রন্থ দণ্ডিৰদ্বাৰা বিৰচিত 'কাব্যাদর্শ'ত। দণ্ডীয়ে প্রথমে মিশ্রকাব্যৰ অৱতাৰণা কৰি কৈছে যে নাটক আদি মিশ্রকাব্য (মিশ্রাণি নাটকাদীনি, কাব্যাদর্শ, ১.৩১)। কিন্তু নাটক হৈছে মিশ্র দৃশ্যকাব্য। আনহাতে চম্পূ হৈছে মিশ্র শ্রব্যকাব্য। এই চম্পূৰ লক্ষণ তেওঁ দিছে এইবুলি -- 'গদ্যপদ্যময়ী কাচিচ্চম্পূৰিত্যভিধীয়তে' (কাব্যাদর্শ, ১.৩১) অর্থাৎ গদ্যপদ্যময় কাব্যক চম্পূ বুলি কোৱা হয়।

বিশ্বনাথ কবিৰাজেও তেওঁৰ 'সাহিত্য-দর্পণ'ত দণ্ডীয়ে কোৱাৰ দৰেই চম্পূৰ লক্ষণ আগবঢ়াই কৈছে -- 'গদ্যপদ্যময়ং কাব্যং চম্পূৰিত্যভিধীয়তে' (সাহিত্য-দর্পণঃ, ৬/৩৩৬) অর্থাৎ গদ্য-পদ্যমিশ্রিত কাব্যকেই চম্পূ বুলি কোৱা হয়।

জানি থওঁ আহা

চম্পূৰ উক্ত লক্ষণে কিন্তু চম্পূকাব্যৰ স্বৰূপ স্পষ্টৰূপত প্ৰকাশ কৰিব নোৱাৰে। উপলব্ধ চম্পূকাব্যসমূহৰ আধাৰত ক'ব পাৰি যে চম্পূকাব্য কথানকবদ্ধ গদ্য-পদ্যমিশ্ৰিত কাব্যবিধা। চম্পূকাব্য কথা আৰু আখ্যায়িকাৰ পৰা ভিন্ন, কাৰণ কথা আদিত পদ্যৰ প্ৰয়োগ উপদেশ বা নীতিকথনৰ বাবে কৰা হয়। আনহাতে চম্পূত পদ্য আৰু গদ্য প্ৰায় সমানুপাতিক। (কে.ডী. পঞ্চোলী, ত্ৰিৰিক্ৰমকৃত নলচম্পূ কে মৌলিক পৰিৱৰ্তনো কী সমীক্ষা, Journal of Humanity, Knowlege Consortium of Gujarat, Year-2, Issue-3)

চম্পূৰ লক্ষণৰ বিষয়ে বিভিন্ন তথ্য কোষ আদিত পোৱা যায়—

- চম্পূ হৈছে সাহিত্যৰ এক ধাৰা য'ত কথাবস্তুৰ উপস্থাপন পদ্য আৰু গদ্যৰ মিশ্ৰিত ৰূপত কৰা হয় আৰু য'ত সুন্দৰ বৰ্ণনাৰ সমাহাৰ হয়। পদ্য আৰু গদ্যৰ উপৰিও চম্পূত 'দণ্ডক'ৰ প্ৰয়োগ দেখা যায় যিবিলাক দৰাচলতে অতি দীৰ্ঘ পদ্যাত্মক গদ্য। এই কাব্যধাৰা মূলতঃ সংস্কৃতত প্ৰথমে পোৱাযায় আৰু পিছলৈ অন্য ভাৰতীয় ভাষাৰ সাহিত্যতো কিছু অভিযোজনাৰে ইয়াৰ প্ৰয়োগ দেখা পোৱা যায়। সংস্কৃত চম্পূৰ গদ্যাংশ বিশুদ্ধ গদ্য, আনহাতে মালায়ালম ভাষাৰ চম্পূৰ গদ্যাংশ কিছু লয়াত্মক। মালায়ালমত দুশৰো অধিক চম্পূ উপলব্ধ। পুনম নম্বুথিৰি, মহামঙ্গলম্ নম্বুথিৰি, নীলকণ্ঠ আদি মালায়ালমৰ প্ৰখ্যাত চম্পূ-ৰচয়িতা। (source: archieve.org: Puranic Encyclopedia)
- চম্পূ হৈছে একপ্ৰকাৰৰ বিস্তৃত ৰচনা য'ত একেটা বিষয়কে পৰ্যায়ক্ৰমে গদ্য আৰু পদ্যত ৰচনা কৰা হয়। (source: The Practical Sanskrit-English Dictionary)
- চম্পূ শব্দৰ নিষ্পত্তি দেখুওৱা হৈছে এনেধৰণেৰে -- চম্ ধাতু যাৰ অৰ্থ হৈছে খোৱা। ইয়াৰদ্বাৰা চম্পূৰ ব্যুৎপত্তিগত অৰ্থ কৰা হৈছে -- ৰসিক ব্যক্তিৰ দ্বাৰা আস্বাদ্য। (source: Cologne Digital Sanskrit Dictionaries: Shabda-Sagara Sanskrit-English Dictionary)

জানি থওঁ আহা

এই পদ্য-গদ্যমিশ্রিত শৈলীত ৰচিত কাব্যসমূহক মিশ্ৰকাব্য বুলি কোৱা হয়। এই মিশ্ৰকাব্যসমূহো প্ৰবন্ধ আৰু মুক্তক দুই প্ৰকাৰৰ। মুক্তক মিশ্ৰকাব্যৰ শাৰীত কৰম্ভক, বিৰুদ, ঘোষণা আদি কাব্যপ্ৰকাৰ অন্তৰ্ভুক্ত কৰিব পাৰি। আনহাতে খ্যাত বা প্ৰবন্ধাত্মক মিশ্ৰকাব্যৰ সৰ্বোৎকৃষ্ট অংগৰূপে আলোচ্য চম্পূকাব্যক ৰাখিব পাৰি বুলি ড. ছবিনাথ ত্ৰিপাঠীয়ে তেওঁৰ হিন্দী ভাষাৰ গ্ৰন্থ 'চম্পূকাব্য কা আলোচনাত্মক এৰং ঐতিহাসিক অধ্যয়ন' শীৰ্ষক গ্ৰন্থৰ প্ৰস্তাৱনাত উল্লেখ কৰিছে।

অগ্ৰগতিৰ খতিয়ান

প্ৰশ্নঃ চম্পূৰ লক্ষণ কি?

প্ৰশ্নঃ চম্পূকাব্য কথা আৰু আখ্যায়িকাৰ পৰা ভিন্ন কিয়?

### ৫.৪ চম্পূৰ উদ্ভৱ

চম্পূকাব্যৰ ধাৰা সংস্কৃত সাহিত্যৰ অন্য কাব্যধাৰাৰ বহু পিছৰ। ক'বলৈ গ'লে খ্ৰীষ্টীয় দশম শতিকাৰপৰাহে এনেধৰণৰ কাব্যৰ প্ৰচলন দেখা পোৱা যায়। কিন্তু চম্পূশৈলীৰ অৰ্থাৎ গদ্য-পদ্যমিশ্ৰিত শৈলীৰ প্ৰথম উদাহৰণ যজুৰ্বেদ আৰু অথৰ্ববেদৰ মন্ত্ৰসংহিতাসমূহতেই পোৱা যায়। বেদৰ ব্যাখ্যানৰূপ গ্ৰন্থ ব্ৰাহ্মণ-সাহিত্যতো গদ্য আৰু পদ্যৰ মিশ্ৰিত প্ৰয়োগ দেখা পোৱা যায়। উদাহৰণস্বৰূপে, ঋগ্বেদৰ ব্ৰাহ্মণ-গ্ৰন্থ 'ঐতৰেয়-ব্ৰাহ্মণ'ৰ 'শুনঃশেপ আখ্যান'ৰ বৰ্ণনাত গদ্যৰ মাজে মাজে 'গাথা'ৰ প্ৰয়োগ দৃষ্টিগোচৰ হয়। মহাভাৰতৰ গদ্যাংশৰ মাজতো পদ্যৰ প্ৰয়োগ দেখা পোৱা যায়। আকৌ বৌদ্ধ পালি-সাহিত্যত, বিশেষকৈ সূত্তপিটকৰ সাহিত্যত এই শৈলীৰ বহুল প্ৰয়োগ চকুত পৰে। হৰিষেণ-বিৰচিত সমুদ্ৰগুপ্তৰ প্ৰয়াগ-প্ৰশস্তি (৩৫০ খ্ৰী.) য'ত সমুদ্ৰগুপ্তৰ দিগ্বিজয়ৰ বৰ্ণনা তথা বৌদ্ধ কবি আৰ্যশূৰ (চতুৰ্থ শতিকা) প্ৰণীত জাতকমালা য'ত ৩৪ টা জাতক বিশুদ্ধ কাব্যশৈলীৰে অলংকৃত গদ্য-পদ্যত বৰ্ণিত হৈছে, চম্পূৰ আদিমতম ৰূপ বুলি স্বীকাৰ কৰিব পাৰি। পিছলৈ সংস্কৃত সাহিত্যৰ অন্য এক ধাৰা গল্প বা কথানক সাহিত্যৰ (Fable Literature) গ্ৰন্থ পঞ্চতন্ত্ৰ, হিতোপদেশ, শুকসপ্ততি আদিত এই গদ্য-পদ্যমিশ্ৰিত শৈলীৰ প্ৰয়োগ বিশেষ ৰূপত প্ৰকাশ পায়।

গদ্য-পদ্যমিশ্রিত এই শৈলীৰ প্ৰয়োগ উত্তৰ-বৈদিক যুগৰপৰা আৰম্ভ কৰি পৰৱৰ্তী বিভিন্ন ধাৰাৰ গ্ৰন্থত হোৱা সত্ত্বেও বিশ্বনাথ আদি আলংকাৰিকসকলে উক্ত প্ৰয়োগসমূহক বা উক্ত কাব্যসমূহক কিন্তু চম্পূৰ শ্ৰেণীত ৰখা নাই। আৰু এইখিনিতে মনকৰিবলগীয়া যে এই আলংকাৰিকসকলে চম্পূৰ এক সামান্য লক্ষণ তেওঁলোকৰ গ্ৰন্থত দিয়াৰ বাদে ইয়াৰ ওপৰত কোনোধৰণৰ বিস্তৃত সমীক্ষা আগবঢ়োৱা দেখা পোৱা নাযায়। তেওঁলোকে যিবোৰ গ্ৰন্থৰ নাম চম্পূ বুলি উদ্ধৃতি দিছে সেইবোৰ দশম শতিকাৰ বা পৰৱৰ্তী সময়ৰ।

### ৫.৪.১ ত্ৰিবিক্ৰমভট্টৰ ‘নলচম্পূ’

বৰ্তমান উপলব্ধ চম্পূকাব্যসমূহৰ ভিতৰত সৰ্বপ্ৰথম বুলি যিখনক বুৰঞ্জীবিদসকলে স্বীকাৰ কৰে সেইখন হৈছে ত্ৰিবিক্ৰমভট্টৰ ‘নলচম্পূ’। ত্ৰিবিক্ৰমভট্ট হৈছে শাণ্ডিল্যগোত্ৰীয় দেৱাদিত্য বা নেমাদিত্যৰ পুত্ৰ তথা শ্ৰীধৰৰ পৌত্ৰ। তেওঁ ৰাষ্ট্ৰকূট বংশৰ ৰজা তৃতীয় ইন্দ্ৰৰ (সময় ৯১৪-৯১৬ খ্ৰী.)ৰাজসভাৰ কবি আছিল।

ত্ৰিবিক্ৰমভট্টৰ ‘নলচম্পূ’ৰ উপজীব্য হৈছে মহাভাৰতৰ বনপৰ্বৰ নল-দময়ন্তী আখ্যান। এই কাব্য সাতটা উচ্ছ্ৱাসত বিভক্ত। কাব্যখনৰ সৰ্বত্ৰ সভংগ শ্লেষৰ উপস্থিতি দেখিবলৈ পোৱা যায়। ত্ৰিবিক্ৰমে সুবন্ধু আৰু বাণভট্টৰ অনুকৰণ কৰা দেখা যায়। তেওঁ গঙ্গা আৰু যমুনাৰ অতিশয়োক্তি কৰাৰ বাবে তেওঁক যমুনা-ত্ৰিবিক্ৰম বুলিও কোৱা হয়।

ত্ৰিবিক্ৰমভট্টৰ অন্য এখন চম্পূ হৈছে ‘মদালসা চম্পূ’।

জানি থওঁ আহা

সুবন্ধু, বাণ আৰু দণ্ডীৰ কথা আৰু আখ্যায়িকাৰ ছত্ৰছায়াত বা তাৰ প্ৰতিফলনৰূপেহে সাহিত্যত অভিনৱত্ব আনয়নৰ অজুহাতত ‘চম্পূ’ কাব্য ৰচিত হ’বলৈ ধৰে। দণ্ডীয়ে সপ্তম-অষ্টম শতিকাত চম্পূৰ সংজ্ঞা ৰচি গ’লেও তেতিয়া ৰচনা কৰা চম্পূৰ কোনো নিদৰ্শন উপলব্ধ হোৱা নাই। (থানেশ্বৰ শৰ্মা, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত)

**আত্মমূল্যায়ন প্ৰশ্ন**

১। চম্পূকাব্যৰ উদ্ভৱৰ ওপৰত এটি টোকা লিখা।

উত্তৰঃ .................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। নলচম্পূৰ ওপৰত এটি টোকা লিখা।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৫.৫ চম্পূৰ ক্ৰমবিকাশ**

**৫.৫.১ সোমদেৱ সূৰিৰ 'য়শস্তিলকচম্পূ'**

সোমদেৱ বা সোমপ্ৰভসূৰিৰ দুখন গ্ৰন্থ উপলব্ধ হয় -- 'য়শস্তিলকচম্পূ' আৰু 'নীতিবাক্যামৃত'। 'য়শস্তিলক'ক 'য়শোধৰ মহাৰাজচৰিত' বুলিও জনা যায়। লেখক দেৱসংগ নামৰ জৈন সম্প্ৰদায়ৰ মুনি আছিল। এওঁ নেমিদেৱৰ শিষ্য আছিল। এওঁ 'স্যাদবাদাচলসিংহ', 'তাৰ্কিকচক্ৰৱৰ্তী', 'বাদীভপঞ্চানন', 'বাক্কলোলপয়োনিধি' আৰু 'কৱিকুলৰাজ' প্ৰভৃতি উপাধিৰে বিভূষিত আছিল।

সোমদেৱে ৯৫৯ খৃ. ৰ চ'ত মাহৰ মদন ত্ৰয়োদশী তিথিত 'য়শস্তিলকচম্পূ' নামৰ গ্ৰন্থখনি ৰচনা কৰিছিল বুলি জনা যায়। এওঁ চালুক্যৰাজ দ্বিতীয় অৰিকেশৰিৰ পুত্ৰ তথা তৃতীয় অৰিকেশৰিৰ পিতৃ ভদ্ৰদেৱৰ ৰাজত্বকালত এই গ্ৰন্থ ৰচনা কৰিছিল। জৈন নীতি আৰু মতবাদ দাঙি ধৰিবলৈ তেওঁ এই গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থখন আঠটা উচ্ছ্ৱাসত ৰচিত। জৈন পুৰাণত প্ৰসিদ্ধ ৰজা য়শোধৰৰ চৰিত্ৰ ইয়াত বিস্তাৰপূৰ্বক দাঙি ধৰা হৈছে। কাব্যখনিৰ অন্তিম

তিনিটা উচ্ছ্বাসত জৈনধৰ্মৰ সিদ্ধান্তসমূহৰ বিস্তৃত বিৱৰণ পোৱা যায়। গ্ৰন্থখনিত সেই যুগৰ নানান ধাৰ্মিক, আৰ্থিক আৰু সামাজিক বিষয়সমূহৰ বিৱৰণ উপলব্ধ। এই গ্ৰন্থখন নীতিকথাৰ ভঁৰাল। এওঁৰ লিখনিত সুবন্ধু আৰু বাণভট্টৰ প্ৰভাৱ পৰিলক্ষিত হয়।

### ৫.৫.২ হৰিশ্চন্দ্ৰৰ 'জীৱন্ধৰ চম্পূ'

হৰিশ্চন্দ্ৰৰ দ্বাৰা বিৰচিত 'জীৱন্ধৰ চম্পূ' জৈননীতিসম্বলিত অন্য এক চম্পূকাব্য। এই গ্ৰন্থৰ ৰচনাৰ সময় ৯০০ খৃ. ৰ পিছৰ বুলি ঠাৱৰ কৰা হৈছে। জীৱক জীৱন্ধৰ হৈছে এই চম্পূৰ নায়ক।

### ৫.৫.৩ ভোজৰ 'ৰামায়ণচম্পূ'ঃ

পৰমাৰ বংশী ধাৰাৰ অধিপতি ভোজৰ দ্বাৰা বিৰচিত 'ৰামায়ণচম্পূ' এক অতি জনপ্ৰিয় চম্পূকাব্য। ৰামায়ণৰ কথাৰ আধাৰত ৰচিত এই কাব্যখনি ৰজা ভোজে কিষ্কিন্ধাকাণ্ডলৈকেহে ৰচনা কৰা বুলি জনা যায়। পৰৱৰ্তীকালত লক্ষ্মণভট্টই যুদ্ধকাণ্ডৰ আৰু ৱেংকটৰাজে উত্তৰকাণ্ডৰ ৰচনা কৰি কাব্যনি সম্পূৰ্ণ কৰে। ইয়াত প্ৰায় সকলোবোৰ ছন্দৰ প্ৰয়োগ কৰা হৈছে। পদ্যসমূহ সৰল বৈদৰ্ভীৰীতিত ৰচিত। আনহাতে গদ্য অংশ দীৰ্ঘ সমাসবহুল।

### ৫.৫.৪ অভিনৱ কালিদাসৰ 'ভাগৱত চম্পূ'

অভিনৱ কালিদাস উপাধি বা ছদ্মনামেৰে কোনো অজ্ঞাত কবিয়ে প্ৰায় খৃ. ১০৫০ ত 'ভাগৱত চম্পূ' নামৰ কাব্য ৰচনা কৰে। এই কাব্যখনি ছটা উচ্ছ্বাসত বিভক্ত।

### ৫.৫.৫ সোঢ্ঢলৰ 'উদয়সুন্দৰী কথা'

সোঢ্ঢলে একাদশ শতিকাত 'উদয়সুন্দৰী কথা' নামেৰে এক চম্পূকাব্য ৰচনা কৰে। এই কাব্যখনিৰ কাহিনীভাগ নাগলোকৰ কুঁৱৰী উদয়সুন্দৰী আৰু কুমাৰ মলয়বাহনৰ বিবাহক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে।

### ৫.৫.৬ অনন্তভট্টৰ 'ভাৰতচম্পূ'

অনন্তভট্ট হৈছে অভিনৱ কালিদাসৰ সমকালীন। কোনো কোনোৱে পিছে এওঁক

অভিনৱ কালিদাসৰ পৰৱৰ্তী বুলি ক'ব খোজে। অনন্তভট্টক 'ভাৰতচম্পূ'ৰ ৰচক অভিনৱ কালিদাসৰ অন্যতম প্ৰতিস্পৰ্ধী বুলি জনা যায়। অভিনৱ কালিদাসৰ কাব্যখনিক তল পেলাবলৈকে অনন্তভট্টই একে নামৰ কাব্য ৰচনা কৰাও বলি কোৱা হয়।

অনন্তভট্টৰচিত 'ভাৰতচম্পূ'ত মহাভাৰতৰ কাহিনীৰ সাৰাংশ দ্বাদশ স্তৱকত পঢ়িবলৈ পোৱা যায়। তেওঁৰ শব্দভাণ্ডাৰ অতি চহকী। তেওঁৰ কাব্যখনিত অনেক অলংকাৰ তথা ছন্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

### ৫.৫.৭ চিদাম্বৰৰ 'পঞ্চকল্যাণচম্পূ'

'ৰাঘৱপাণ্ডৱযাদৱীয়' নামৰ কাব্য ৰচনা ৰচনা কৰি কীৰ্তি অৰ্জন কৰা কবি চিদাম্বৰৰ দ্বাৰা বিৰতি এক চম্পূকাব্য হৈছে 'পঞ্চকল্যাণচম্পূ'। এই কাব্যত কবিয়ে ভগৱান ৰাম, কৃষ্ণ, বিষ্ণু, শিৱ আৰু স্কন্দৰ বিবাহৰ আখ্যানসমূহ বৰ্ণনা কৰিছে। এওঁ ভিজিয়া নগৰৰ ৰজা প্ৰথম ভেঙ্কটৰ (সময় ১৫৮৬-১৬৪৮ খৃ.) পৃষ্ঠপোষকতা লাভ কৰিছিল। এওঁৰ অন্য এখন চম্পূ হৈছে 'ভাগৱত চম্পূ'।

### ৫.৫.৮ মিত্ৰমিশ্ৰৰ 'আনন্দকন্দ চম্পূ'

মিত্ৰমিশ্ৰই ওৰচ্চাৰ ৰজা বীৰসিংহদেৱৰ (সময় ১৬০৫-১৬২৭ খৃ.) পৃষ্ঠপোষকতাত 'আনন্দকন্দচম্পূ' ৰচনা কৰে। এই কাব্যত ৰচকে শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ বৰ্ণনা কৰিছে।

### ৫.৫.৯ নীলকণ্ঠ দীক্ষিতৰ 'নীলকণ্ঠবিজয়চম্পূ'

নীলকণ্ঠ দীক্ষিতে ১৬৩৭ খৃ.ত 'নীলকণ্ঠবিজয়চম্পূ' কাব্যখনি ৰচনা কৰে। এই কাব্যখনি পাঁচটা সৰ্গত ৰচিত। এই কাব্যত দেৱাসুৰৰ সমুদ্ৰ-মন্থনত নিৰ্গত হোৱা হলাহল বিষ শিৱৰ দ্বাৰা পান কৰাৰ কাহিনী বৰ্ণিত হৈছে।

### ৫.৫.১০ বেঙ্কটাধ্বৰীৰ 'ৱিশ্বগুণাদৰ্শচম্পূ'

বেঙ্কটাধ্বৰী অপ্পয়দীক্ষিতৰ সমকালীন আছিল। তেওঁ সপ্তদশ শতিকাৰ শেষৰফালে 'ৱিশ্বগুণাদৰ্শচম্পূ' কাব্যখনি ৰচনা কৰে। এই কাব্যত কবিয়ে আকাশমাৰ্গেৰে গমন কৰা দুজন গন্ধৰ্ৱৰ কথোপকথনৰ মাজেৰে তীৰ্থস্থান, বৃত্তি আদিৰ ভাল আৰু বেয়া দিশবোৰ দাঙি

ধৰিছে। কাব্যখনত যথেষ্ট ব্যঙ্গ্যোক্তি আৰু মানৱ-জীৱনৰ সমালোচনা দেখিবলৈ পোৱা যায়। ৰচনাশৈলী, ৰীতি, ছন্দ আদি সকলোফালৰপৰা ই এক উত্তম কাব্য।

**৫.৫.১১ অন্যান্য চম্পূকাব্য**

উক্ত চম্পূকাব্যসমূহৰ বাহিৰেও আৰু বহুতো চম্পূকাব্যই সংস্কৃত সাহিত্যক সমৃদ্ধ কৰি ৰাখিছে। সেইবোৰৰ ভিতৰত শেষ শ্ৰীকৃষ্ণৰ 'পাৰিজাতহৰণচম্পূ', চক্ৰকবিৰ 'দ্ৰৌপদীপৰিণয়চম্পূ', ৰাজাসৰভোজীৰ 'কুমাৰসম্ভৱচম্পূ', নাৰায়ণৰ 'স্বাহাসুধাকৰচম্পূ', কেশৱভট্টৰ 'নৃসিংহচম্পূ', শঙ্কৰৰ 'শঙ্কৰচেতোৱিলাসচম্পূ' আদি উল্লেখনীয়। সংস্কৃত সাহিত্যৰ বুৰঞ্জী গ্ৰন্থসমূহত চম্পূকাব্যৰ স্থান অতি নগণ্য। কেৱল শ্ৰীকৃষ্ণমাচাৰীয়ে চম্পূকাব্যৰ এখন দীঘলীয়া সূচী প্ৰস্তুত কৰি উলিয়াইছে। ৭৪ খন চম্পূকাব্য বিভিন্ন স্থানৰ পৰা প্ৰকাশিত হৈছে। কিন্তু সেইবোৰৰ ভিতৰতো কিছুসংখ্যকৰহে বুৰঞ্জীবিদসকলে নামোল্লেখ কৰি গৈছে।

**৫.৫.১২ চম্পূকাব্যৰ বিভাজন**

ড. ছৱিনাথ ত্ৰিপাঠীয়ে বৰ্ণ্য বিষয় আৰু উপজীব্য কাব্যৰ ওপৰত আধাৰ কৰি চম্পূকাব্যসমূহক বিভিন্ন শ্ৰেণীত ভাগ কৰি দেখুৱাইছে। এই ভাগসমূহ এনেধৰণৰ ---

- ৰামায়ণৰ ওপৰত আধাৰিত চম্পূকাব্য
- মহাভাৰতৰ ওপৰত আধাৰিত চম্পূকাব্য
- ভাগৱত পুৰাণৰ ওপৰত আধাৰিত চম্পূকাব্য
- শিৱ পুৰাণৰ ওপৰত আধাৰিত চম্পূকাব্য
- জৈন পুৰাণৰ ওপৰত আধাৰিত চম্পূকাব্য
- চৰিত চম্পূকাব্য
- যাত্ৰা প্ৰৱন্ধাত্মক চম্পূকাব্য
- স্থানীয় দেৱতা আৰু মহোৎসৱ-সম্বন্ধী চম্পূকাব্য
- কাল্পনিক কথা আধাৰিত চম্পূকাব্য
- দাৰ্শনিক চম্পূকাব্য

### ৫.৫.১৩ ৰাম আৰু কৃষ্ণকথাৰ ওপৰত আধাৰিত চম্পূকাব্য

ৰাম আৰু কৃষ্ণৰ চৰিত্ৰৰ আলম লৈ অনেক প্ৰতিভাশালী কবিয়ে চম্পূৰীতিৰে কাব্য ৰচনা কৰি গৈছে। এনে কাব্যসমূহৰ ভিতৰত ভোজৰাজৰ 'ৰামায়ণচম্পূ', অনন্তভট্ট আৰু অভিনৱ কালিদাসৰ একে নামৰ 'ভাৰতচম্পূ', শেষ শ্ৰীকৃষ্ণৰ 'পাৰিজাতহৰণচম্পূ', কবি কৰ্ণপূৰৰ 'আনন্দবৃন্দাবনচম্পূ', জীৱ গোস্বামীৰ 'গোপালচম্পূ', মিত্ৰমিশ্ৰৰ 'আনন্দকন্দচম্পূ' আদি কাব্য অন্যতম প্ৰসিদ্ধ কাব্য।

### ৫.৫.১৪ আঞ্চলিক ভাষাৰ সাহিত্যত চম্পূকাব্যৰ স্থান

সংস্কৃত সাহিত্যত অনেক শতাব্দী পৰ্যন্ত কাব্যৰ এক অন্যতম শৈলীৰ ৰূপত চম্পূকাব্যৰ স্থান থকাৰ পিছতো আঞ্চলিক ভাষাৰ সাহিত্যত ই বৰ এটা প্ৰভাৱনীয় স্থান লাভ কৰা দেখা নাযায়। হিন্দী সাহিত্যত মৈথিলীশৰণ গুপ্তৰ 'য়শোধৰা'ক চম্পূকাব্যৰ মৰ্যাদা সমালোচকসকলে দিয়ে। উড়িয়া তথা দ্ৰাবিড়মূলীয় ভাষাসমূহত বিশেষকৈ তেলুগু আৰু কন্নড় ভাষাত এই কাব্যধাৰাৰ এক সুদৃঢ় স্থান পৰিলক্ষিত হয়।

| অগ্ৰগতিৰ খতিয়ান |
|---|
| চম্পূকাব্যৰ বিভাজন কিদৰে কৰা হৈছে? |

## ৫.৬ সাৰাংশ (Summing Up)

সংস্কৃত সাহিত্যত চম্পূৰীতিৰ প্ৰয়োগ যদিও বৈদিক যুগৰপৰাই হৈছিল, তথাপি আলংকাৰিকসকলৰ দৃষ্টিত চম্পূকাব্যৰ ৰচনা নৱম-দশম শতিকাৰ পৰাহে আৰম্ভ হয়। অন্য কাব্যৰীতিৰ তুলনাত এইবিধ কাব্যৰীতিয়ে সাহিত্য-সমালোচকসকলৰ হাতত কমকৈ চৰ্চা লাভ কৰা পৰিলক্ষিত হয়। কিন্তু গুণগত দিশৰপৰা এই কাব্যধাৰা কোনোগুণে কম নহয়। আঞ্চলিক ভাষাৰ সাহিত্যত এই কাব্যৰীতিৰ জনপ্ৰিয়তাই ইয়াৰ প্ৰমাণ। ভৱিষ্যতে সাহিত্যৰ

ছাত্ৰ-ছাত্ৰী তথা গৱেষকসকলৰ বাবে চম্পূকাব্যৰ ওপৰত বিতংকৈ অধ্যয়ন কৰাৰ যথেষ্ট থল আছে।

### ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। চম্পূকাব্যৰ লক্ষণৰ ওপৰত এটি টোকা লিখা।

২। চম্পূকাব্যৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ ওপৰত আলোচনা কৰা।

৩। মহাভাৰতৰ আধাৰত ৰচনা কৰা চম্পূকাব্যৰ নাম লেখকসহ উল্লেখ কৰা।

৪। চম্পূকাব্যৰ বিভাজন কিদৰে কৰা হৈছে?

### ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

ভাগৱতী, কামাখ্যাচৰণ ঃ সংস্কৃত সাহিত্যৰ জিলিঙণি, গ্ৰন্থপীঠ, গুৱাহাটী, ১৯৮৮

শৰ্মা, থানেশ্বৰ ঃ সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ২০২০

Sharma, Dipak : Sanskrit Cappu Literature

## প্ৰথম বিভাগ

## সংস্কৃত গদ্যকাব্যৰ উদ্ভৱৰ ইতিহাস

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ সংস্কৃত গদ্য কাব্যৰ স্বৰূপ

১.৪ সংস্কৃত গদ্যকাব্যৰ উদ্ভৱ

১.৫ সংস্কৃত গদ্যকাব্যৰ বিকাশ

১.৬ সাৰাংশ (Summing Up)

১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested

### ১.১ ভূমিকা (Introduction)

প্ৰাচীন ভাৰতীয় কাব্য সাহিত্যক প্ৰধানকৈ দুই ভাগত ভগোৱা হয় — শ্ৰব্যকাব্য আৰু দৃশ্য কাব্য। শ্ৰৱণৰ দ্বাৰা উপভোগ্য কাব্য সমূহক শ্ৰব্যকাব্য বোলা হয় আৰু অভিনয় দৰ্শনৰ যোগেদি উপভোগ্য কাবক দৃশ্যকাব্য বোলে। এই দুইবিধ কাব্যৰে বহুতো উপবিভাগ আছে। শ্ৰব্যকাব্য দুই প্ৰকাৰৰ— পদ্যকাব্য আৰু গদ্যকাব্য। সংস্কৃত সাহিত্যত গদ্যকাব্যই এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই গদ্য সাহিত্যৰ ইতিহাস বৰ পুৰণি। এক দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে আহি সংস্কৃত গদ্যকাব্যই আজিৰ ৰূপ পাইছে। বৈদিক যুগৰ পৰা আৰম্ভ কৰি সংস্কৃত গদ্যকাব্যৰ বিকাশৰ যি ধাৰা সেই সম্পৰ্কে এই পাঠত আলোচনা কৰা হ'ব।

### ১.২ উদ্দেশ্য (Objectives)

এই পাঠত সংস্কৃত গদ্যকাব্যৰ উদ্ভৱ তথা বিকাশৰ এক সামগ্ৰিক ৰূপ দাঙি ধৰা হৈছে। এই শিতানত কৰা আলোচনাৰ পৰা আপোনালোকে —

- সংস্কৃত গদ্যকাব্যৰ প্ৰাচীনতা সম্পৰ্কে জানিব পাৰিব,
- সংস্কৃত গদ্যকাব্যৰ বিকাশ সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব,
- সংস্কৃত গদ্য সাহিত্যৰ সম্যক জ্ঞান লাভ কৰিবলৈ সমৰ্থ হ'ব।

## ১.৩ সংস্কৃত গদ্যকাব্যৰ স্বৰূপ ঃ

যিবোৰ ৰচনা ছন্দোবদ্ধ নহয় সেই সমূহেই গদ্য। গদ্যকাব্য দুই শ্ৰেণীত বিভক্ত— কথা আৰু আখ্যায়িকা। কথাত কাহিনীৰ বক্তা নায়ক নহয়, আন ব্যক্তিহে হয়। এনে গদ্যত ঠাইভেদে আৰ্য্যা ছন্দ, বক্ত্ৰ বা অপবক্ত্ৰ ছন্দৰ শ্লোকৰো সমাৰেশ ঘটে। মাংগলিক শ্লোকৰ দ্বাৰা কথা আৰম্ভ কৰা হয়। ইয়াত দুষ্টজনক নিন্দা কৰা হয় তথা সজ্জনৰ প্ৰশংসা কৰা হয়। কথা সংস্কৃত নাইবা অপভ্ৰংশত ৰচিত। সাহিত্য দৰ্পণত কথাৰ লক্ষণ এনেদৰে দেখা যায়—

কথায়ং সৰসং বস্তু গদ্যৈৰেব বিনিৰ্মিতম্।।
ক্বচিদত্ৰ ভবেদাৰ্যা ক্বচিদ্বক্ত্ৰাপবক্ত্ৰকে।
আদৌ পদ্যৈৰ্নমস্কাৰঃ খলাদেৰ্বৃত্তকীৰ্তনম্।।

(সাহিত্য দৰ্পণ, ষষ্ঠ পৰিচ্ছেদ, শ্লোকঃ ৩৩২,৩৩৩)

আন এক গদ্যকাব্য আখ্যায়িকাৰত নায়কৰ অভিজ্ঞতা অতি মনোগ্ৰাহী আৰু সৰল ৰূপত উপস্থাপিত হয়। আখ্যায়িকাৰ কাহিনী ভাগত কন্যাহৰণ, বিচ্ছেদ আৰু নায়কৰ জয়লাভৰ কথা সুন্দৰকৈ বৰ্ণিত হয়। আখ্যায়িকা সংস্কৃতত ৰচিত। আখ্যায়িকাৰ লক্ষণ সম্বন্ধে বিশ্বনাথ কবিৰাজে কৈছে—

আখ্যায়িকা কথাবৎস্যাঙ্কৱেৰ্বশানুকীৰ্তনম।
অসামন্যকবীনাং চ বৃত্তা পদ্যং ক্বচিত্ক্বচিৎ।।
কথাংশানাং ব্যবচ্ছেদ আশ্বাস ইতি বধ্যতে।
আৰ্যাবক্ত্ৰাপবক্ত্ৰানাং ছন্দসা যেন কেনচিৎ।।
অন্যাপদেশেনাশ্বাসমুখে ভাব্যৰ্থসূচনম্।

(সাহিত্য দৰ্পণ, ষষ্ঠ পৰিচ্ছেদ, শ্লোকঃ ৩৩৪,৩৩৫)

এনে কথা আৰু আখ্যায়িকাত চাৰি প্ৰকাৰৰ গদ্য ব্যৱহাৰ হয়। সেইসমূহ— মুক্তক, বৃত্তগন্ধি, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক। মুক্তক হ'ল সমাসৰহিত গদ্যৰচনা। ছন্দোময় ললিত গদ্যক বৃত্তগন্ধি গদ্য বোলে। ৰসযুক্ত আৰু দীৰ্ঘসমাসযুক্ত গদ্যক উৎকলিকাপ্ৰায় গদ্য বোলা হয় আৰু সৰু সৰু সমস্ত পদেৰে নিৱন্ধ গদ্যক চূৰ্ণক বোলে। তলৰ শ্লোকটিত এই চাৰিপ্ৰকাৰৰ গদ্যৰ লক্ষণসমূহ এনেদৰে উল্লেখ কৰা হৈছে —

বৃত্তগন্ধোজ্ঝিতাং গদ্যাং মুক্তকং বৃত্তগন্ধি চ।
ভবেদুৎকলিকা প্ৰায়ং চূৰ্ণকং চ চতুৰ্বিধম্।।

আদ্যং সমাসৰিহতং বৃত্তভাগযুতং পৰম ।

অন্যদীৰ্ঘ সমাসাঢ্যং তুৰ্য চাল্পসমাসকসম।।

(সাহিত্য দৰ্পণ, ষষ্ঠ পৰিচ্ছেদ, শ্লোক-৩৩১)

দণ্ডীয়ে তেওঁৰ কাব্যাদৰ্শত কৈছে যে কাহিনীৰ বক্তা নায়কেই হওঁক বা আন কোনো ব্যক্তিয়েই হওঁক, ইয়াৰ কথাবস্তু উচ্ছাসত বিভক্ত হওঁকেই বা নহওঁকেই, ইয়াত বক্ৰ বা অপবক্ৰ ছন্দৰ সমাবেশ হওঁক বা নহওঁকেই আটাইবোৰ কথাৰ দ্বাৰা ইয়াত মৌলিকতাত কোনো পাৰ্থক্য নাই। বাস্তৱিকতে কথা আৰু আখ্যায়িকা একে গদ্যশৈলীৰ দুই প্ৰকাৰ। ইয়াত কোনো ভেদ নাই। (কাব্যাদৰ্শ, প্ৰথম পৰিচ্ছেদ, শ্লোক ঃ ২৪-২৮)

ৰুদ্ৰটে এই বিষয়ত মধ্যমপন্থা অৱলম্বন কৰি কৈছে যে কথাৰ প্ৰাৰম্ভিক পদ্যত গুৰু তথা দেৱতাৰ অৰ্চনা, তাৰ পিচত কবিৰ নিজ বংশৰ চমু পৰিচয় বৰ্ণনা, সানুপ্ৰাস পদ্যৰ দ্বাৰা কথাৰ আৰম্ভ মুখ্যকথা প্ৰস্তুত কৰিবলৈ ভূমিকাত কথান্তৰৰ সমাবেশ আৰু বিষয় কন্যাপ্ৰাপ্তি (নিজৰাজ্যপ্ৰাপ্তি ৰূপ) হোৱা উচিত। ইয়াৰ ভাষা সংস্কৃত হ'লে গদ্যত আৰু অন্য ভাষাত হ'লে কথা পদ্যত ৰচিত হোৱা উচিত। (কাব্যালঙ্কাৰ, ষোড়শ অধ্যায়, শ্লোকঃ ২০—২৩)

ৰুদ্ৰটে আখ্যায়িকা সম্বন্ধে কৈছে যে আখ্যায়িকাতো কথাৰ নিচিনাকৈয়ে কবিয়ে গুৰু তথা দেৱতাৰ স্তুতি কৰে লগতে ৰজাৰ ওপৰত ভক্তি ৰাখি আন আন লোকৰো গুণানুকীৰ্ত্তন কৰা হয়। আখ্যায়িকাৰ ৰচনা গদ্যত কৰা হয়। ইয়াত সৰ্গৰ ঠাইত উচ্ছাসৰ প্ৰয়োগ হয়। প্ৰাসংগিক হ'লে যথাস্থানত অন্যোক্তি, সমাসোক্তি, শ্লেষ আদি অলংকাৰ যুক্ত দুই এক পদ্যৰো প্ৰয়োগ হোৱা দেখা যায়। (কাব্যালঙ্কাৰ, ষোড়শ অধ্যায়, শ্লোকঃ ২৪—২৯)

### ১.৪ সংস্কৃত গদ্যকাব্যৰ উদ্ভৱ

সংস্কৃত গদ্য সাহিত্যৰ পৰম্পৰা অতি প্ৰাচীন। বৈদিক সংহিতাতেই সংস্কৃত গদ্যৰ আৰম্ভণি হোৱা বুলি ক'ব পাৰি। কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত ব্ৰাহ্মণ গ্ৰন্থ, তৈত্তিৰীয় সংহিতা, কঠক সংহিতা, মৈত্ৰায়ণি সংহিতা, আৰণ্যক, উপনিষদ, নিৰুক্ত, মহাভাৰত আৰু মহাভাষ্য আদিত সংস্কৃত গদ্য-সাহিত্যৰ সংবৰ্ধনশীল পৰম্পৰা উপলব্ধ হয়। সংহিতা সমূহৰ পিছতে ব্ৰাহ্মণগ্ৰন্থ সমূহৰ স্থান। সংহিতা সমূহ স্বৰূপতে পদ্যাত্মক হয়। কিন্তু ব্ৰাহ্মণ সাহিত্য গদ্যাত্মক। যজুৰ্বেদত গদ্যৰ প্ৰয়োগ দেখিলেও প্ৰকৃততে ব্ৰাহ্মণ সাহিত্যতহে পূৰ্ণাঙ্গ ৰূপত গদ্যৰ প্ৰকাশ হোৱা দেখা যায়। যদিও ব্ৰাহ্মণ সাহিত্যত গাথাৰো ব্যৱহাৰ হৈছে। পৰৱৰ্ত্তীকালৰ বিভিন্ন

টীকা, ব্যাখ্যা, কথাকাব্য, আখ্যায়িকা গ্ৰন্থ আৰু চম্পু নাটক আদিত গদ্যৰ ৰূপ দেখিবলৈ পোৱা যায়। কল্পাদি সূত্ৰত সূত্ৰাত্মক শৈলীয়ে গদ্যৰ নতুন ধাৰাৰ পৰিচয় দিয়ে। মহাভাষ্যৰ দৰে গ্ৰন্থত সৰল গদ্য চকুত পৰে। প্ৰাচীন শিলালিপি, তাম্ৰলিপি, বিভিন্ন দৰ্শনৰ ভাষ্য সমূহতো সুন্দৰ গদ্য সাহিত্যৰ নিদৰ্শন পোৱা যায়। সংস্কৃত গদ্য সাহিত্যৰ নিদৰ্শন স্বৰূপ গাথা আৰু আখ্যায়িকা সমূহ কালৰ বুকুত লীন হ'লেও তাৰ কেতবোৰৰ উল্লেখ পৌৰাণিক গ্ৰন্থ কিছুমানত দৃষ্টিগোচৰ হয়। সুপ্ৰসসিদ্ধ বাৰ্তিককাৰ কাত্যায়ন (৪০০ খৃ.পূ) তেনে আখ্যায়িকাৰেই পৰিচিত আছিল। পতঞ্জলিয়েও (২০০ খৃঃপূ) 'বাসৱদত্তা', সুমনোত্তৰা, ভৈমৰথী প্ৰভৃতি আখ্যায়িকাৰ নাম উল্লেখ কৰিছে। প্ৰসিদ্ধ গদ্যকাৰ বাণ ভট্টই ভট্টাৰক হৰিশ্চন্দ্ৰক গদ্যলেখক হিচাপে গণ্য কৰিছে। তেনেদৰে জল্হনৰ মত অনুসৰি বৰৰুচিৰ চাৰুমতী, ৰোসিল্ল-সৌমিল্লৰ শূদ্ৰককথা প্ৰাচীন গদ্য সাহিত্যৰ চানেকী। ধনপালৰ মতে শ্ৰীপালি বিৰচিত তৰঙ্গৱতী কথা আৰু সাতবাহন সকলৰ দিনত ৰচিত 'শাতকৰ্ণি হৰ'' আৰু 'নমোৱন্তী কথা' গ্ৰন্থসমূহ প্ৰাচীন গদ্য সাহিত্যৰ পৰিচায়ক। গদ্যশৈলীত ৰচিত বহুতো গদ্যকাব্য লোপ পাইছে যদিও ষষ্ঠ শতিকাৰ পৰা অষ্টম শতিকাৰ ভিতৰত ৰচিত কিছু গদ্য কাব্য তাৰ চানেকী স্বৰূপে বৰ্ত্তমানেও উপলব্ধ হয়।

দাৰ্শনিক পণ্ডিত শবৰস্বামী (৪০০ খ্ৰীঃ), শংকৰাচাৰ্য (৭০০ খ্ৰীঃ) আৰু জয়ন্তভট্টৰ (৯০০ খ্ৰীঃ) নাম উল্লেখ কৰিব পাৰি দৰ্শন শাস্ত্ৰৰ শাস্ত্ৰীয় গদ্য ৰচনাৰ ক্ষেত্ৰত। প্ৰসিদ্ধ মীমাংসক শবৰস্বামীৰ 'কৰ্মমীমাংসা-ভাষ্য', পণ্ডিত শংকৰাচাৰ্যৰ 'ব্ৰহ্মপুত্ৰ' নামেৰে গীতা আৰু উপনিষদৰ ভাষ্য, নৈয়ায়িক পণ্ডিত জয়ন্তৰ দ্বাৰা বিৰচিত 'ন্যায়মঞ্জুৰী' — এই সমূহ গ্ৰন্থ হ'ল দৰ্শনশাস্ত্ৰৰ গদ্য সাহিত্য।

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

সংস্কৃত গদ্যকাব্যৰ লক্ষণ সম্বন্ধে এটি আলোচনা আগবঢ়োৱা। (৪০টা শব্দৰ ভিতৰত)

..........................................................................................

..........................................................................................

..........................................................................................

**১.৫ সংস্কৃত গদ্যকাব্যৰ বিকাশ ঃ**

গদ্য সাহিত্যৰ পূৰ্ণবিকাশ বুলি ক'বলৈ হ'লে দণ্ডী, সুবন্ধু আৰু বাণৰ লিখনি সমূহৰ কথা ক'ব লাগিব। তিনিওজন গদ্যকাৰে ৫৫০ খ্ৰীষ্টাব্দৰ পৰা ৬৫০ খ্ৰীষ্টাব্দৰ ভিতৰত কাব্যচৰ্চা কৰিছিল।

সুবন্ধুৰ কাল বিচাৰ কৰিলে দেখা যায় যে কিছুসংখ্যক পণ্ডিতৰ মতে তেওঁ বাণৰ পূৰ্ব্বৱৰ্ত্তী, আন কিছুসংখ্যকৰ মতে তেওঁ বাণৰ পৰৱৰ্ত্তী।

তথাপিও বাসৱদত্তাত উল্লিখিত কিছু তথ্যৰ পৰা সুবন্ধুক বাণৰ পূৰ্ব্বৱৰ্ত্তী বুলি ক'ব পৰা যায়।

সুবন্ধুৰ একমাত্ৰ গদ্যকাব্য হৈছে বাসৱদত্তা। বাসৱদত্তাৰ কাহিনী ভাগ এনেধৰণৰ চিন্তামণি নামেৰে এজন প্ৰতাপী ৰজা আছিল। তেওঁৰ সৰ্বগুণসম্পন্ন কন্দৰ্পকেতু নামেৰে এজন পুত্ৰ আছিল। এদিন কন্দৰ্পকেতুই সপোনত এজনী ওঠৰ বছৰীয়া পৰমসুন্দৰী ৰাজ্যকন্যাক দেখা পালে। সেই লাৱণ্যময়ী কন্যাক বিচাৰি উলিয়াবৰ বাবে কন্দৰ্পকেতুই প্ৰিয়বন্ধু মকৰন্দৰ লগত নগৰৰ পৰা ওলাই গ'ল। ভ্ৰমণকালত ক্লান্ত হৈ দুয়ো বিন্ধ্য পৰ্বতৰ পাদদেশৰ এজোপা জম্বুক গছৰ তলত জিৰণি ল'লে। বিশ্ৰাম লৈ থকা সময়তে গছৰ ওপৰত থকা শুক-সাৰিকা এহালৰ কথা বতৰা শুনিবলৈ পালে। সিহঁতৰ কথোপকথনৰ আলম লৈ কন্দৰ্পকেতুৱে কুসুমপুৰৰ ৰজা শৃঙ্গাৰশেখৰ আৰু ৰাণী অনঙ্গৰতীৰ কন্যা বাসৱদত্তাৰ বিষয়ে সবিশেষ জানিবলৈ পালে। শুক-সাৰিকাৰ কথাৰ পৰা ইয়াকো জানিব পাৰিলো যে বাসৱত্তায়ো একেধৰণে সপোনত কন্দৰ্পকেতুক দেখিবলৈ পাইছে। বাসৱদত্তাই সেইমৰ্মে ৰাজপুত্ৰৰ অনুসন্ধান কৰিবলৈ সখীয়েক তমালিকাক পঠালে। পিছলৈ কন্দৰ্পকেতু আৰু বাসৱদত্তাৰ মিলন হ'ল। কিন্তু বাসৱদত্তাৰ পিতৃ শৃঙ্গাৰশেখৰে কোনো এজন বিদ্যাধৰলৈ বাসৱদত্তাক বিয়া দিবলৈ মনত কৰা কথা শুনি বাসৱদত্তাক লগত লৈ কন্দৰ্পকেতুৱে কুসুমপুৰৰ ৰাজ প্ৰাসাদৰপৰা ওলাই গৈ বিন্ধ্যপৰ্বতৰ হাবিত আশ্ৰয় লয়। পিছদিনা ৰাতিপুৱা কন্দৰ্পকেতু শুই থকা সময়ত ইফালে সিফালে ফুৰি থকা বাসৱদত্তাক দেখি তেওঁৰ ৰূপত মুগ্ধ হৈ তেওঁক পাবলৈ উদ্বাউল হোৱা দুজন কিৰাতৰ মাজত তয়াময়া যুদ্ধ হয়। যুদ্ধত দুয়োজন কিৰাতৰে মৃত্যু হয়। যুদ্ধৰ ফলত সেই হাবিত থকা ঋষি এজনৰ আশ্ৰমত ক্ষতি হোৱাত ঋষিজনে যুদ্ধৰ কাৰণস্বৰূপা বাসৱদত্তাক শিলামূৰ্তি হ'বলৈ অভিশাপ দিয়ে আৰু ঋষিৰ শাপত বাসৱদত্তা শিলামূৰ্তি হৈ পৰে। কন্দৰ্পকেতুয়েও প্ৰিয়াক বিচাৰি নাপাই সেই দুখতে আত্মহত্যা কৰিবলৈ উদ্যত হয় আৰু তেনে সময়তে এক আকাশবাণীয়ে তেওঁক তেনে কাৰ্য্য কৰাৰ পৰা বাৰণ কৰাই অচিৰেই প্ৰিয়াৰ লগত মিলন হ'ব বুলি আশ্বাস দিয়ে। কন্দৰ্পকেতুৱে মিলনৰ আশাত সেই ঋষিক আশ্ৰমত ঘূৰি ফুৰোতে তাত থকা শিলামূৰ্ত্তি এটিৰ সৈতে প্ৰিয়াৰ সাদৃশ্য দেখি মূৰ্তিটোক আলিঙ্গন কৰে আৰু বাসৱদত্তাই জীৱন্ত ৰূপ লাভ কৰে। পিছত মকৰন্দৰ সৈতেও

লগালগি হয় আৰু নিজ ৰাজ্যলৈ গৈ কন্দৰ্পকেতুই বাসৱদত্তাৰ লগত বহুকাল মনোবাঞ্চিত সুখ উপভোগ কৰে।

লিখনশৈলীৰ দিশলৈ চালে দেখা যায় যে সুবন্ধুৰ ৰচনাত বৰ দীঘল দীঘল বাক্যৰ প্ৰয়োগ নাই। তেখেতৰ ৰচনাত দীৰ্ঘ সমাসান্ত পদ প্ৰয়োগ কৰিলেও কথোপকথনৰ ক্ষেত্ৰত কিন্তু চুটি চুটি বাক্যৰহে প্ৰয়োগ কৰিছে। শ্লিষ্ট প্ৰয়োগৰ ক্ষেত্ৰত সুবন্ধুয়ে বিচক্ষণতাৰ পৰিচয় দিছে। সুবন্ধুৰ কাব্য গোড়ীৰীতি প্ৰধান। তেওঁৰ ৰচনাত বক্ৰোক্তিৰ প্ৰাধান্য চকুত পৰে।

বাণভট্টৰ হৰ্ষচৰিত এখন ঐতিহাসিক গ্ৰন্থ। ইয়াত সেই সময়ৰ ভাৰতৰ সাংস্কৃতিক আৰু বৌদ্ধিক জীৱন সুন্দৰকৈ প্ৰতিফলিত হৈছে। হৰ্ষচৰিতৰ আৰম্ভণিতে বাণে বংশ পৰিচয় দাঙি ধৰে। বাণে ইয়াত বাংস্যায়ন গোত্ৰীয় ব্ৰাহ্মণ সকলৰ উৎপত্তিৰ বিষয়ে উল্লেখ কৰাৰ লগতে দুৰ্বাসাই সৰস্বতী শাপ দিয়াৰ কথাও লিপিবদ্ধ কৰে। এনে শাপৰ ফলতেই সৰস্বতীৰ জন্ম হয় মৰ্ত্যলোকত। সৰস্বতীৰ লগত পৃথিৱীলৈ আহে সাৱিত্ৰী। দুয়ো এটা নদীৰ পাৰত বহি থাকোঁতে সসৈন্যে ঘোঁৰাত উঠি অহা এজন ওঠৰ বছৰীয়া যুৱক দেখিবলৈ পায়। যুৱকজনৰ সৰস্বতীৰ ওপৰত চকু পৰে আৰু দুয়ো দুয়োৰে প্ৰতি আসক্ত হয়। যুৱকজন আছিল চ্যৱন ঋষিৰ পুত্ৰ; যাৰ নাম দধীচি। সৰস্বতীৰ গৰ্ভত সাৰস্বত নামৰ এজন পুত্ৰ-সন্তান জন্ম হয়। সাৰস্বতক অক্ষমালা নামৰ এগৰাকী ঋষিপত্নীয়ে লালন-পালন কৰে। এই বংশতেই পিচলৈ চিত্ৰভানুৰ ঔৰসত বাণৰ জন্ম হয়। ইয়াৰ পিছত বাণে কৃষ্ণৰ পৰা চিঠি পাই ৰজাক দেখা কৰিবলৈ নিজ পুৰী এৰি ৰাজ দৰাবাৰলৈ ৰাওনা হয়। এই উচ্ছাসৰ আৰম্ভণিতে গ্ৰীষ্মৰ বৰ্ণনা আৰু ৰাজ দৰবাৰৰ বৰ্ণনা খুব সাৱলীলভাৱে উপস্থাপন কৰা হৈছে। পিছলৈ দেখা যায় বাণে কিছুদিনৰ পিছত নিজ পুৰীলৈ উভতি আহে আৰু ভায়েকৰ অনুৰোধমৰ্মে হৰ্ষৰ চৰিত বৰ্ণনা কৰে। এই উচ্ছাসত থানেশ্বৰৰ বিস্তৃত বৰ্ণনা তথা পুষ্পভূমিৰ সংকেট দিয়ে। পুষ্পভূমি আছিল হৰ্ষৰ পূৰ্বপুৰুষ। ইয়াৰ পিছত ৰাজ মহিষী যশোৱতীৰ স্বপ্নৰ বৰ্ণনা পোৱা যায়। যশোৱতীৰ সন্তান প্ৰসৱ আৰু ৰাজবৰ্দ্ধনৰ জন্মৰ পিচত হৰ্ষ আৰু ৰাজ্যশ্ৰীৰ জন্মৰ বৰ্ণনা আৰু মৌখিক গৃহবৰ্মাৰ লগত ৰাজ্যশ্ৰীৰ বিবাহৰ কথা বৰ্ণিত হৈছে। মৃগয়া কৰি থকা অৱস্থাত হৰ্ষই পিতৃৰ অসুস্থতাৰ খবৰ পাই ৰাজধানীলৈ উভতি যায়। প্ৰভাকৰবৰ্দ্ধনৰ অন্তিম অৱস্থা দেখি যশোৱতীয়ে সতী জাহ যাবলৈ ইচ্ছা কৰে যদিও হৰ্ষই বাধা দিয়ে। কিন্তু যশোৱতীয়ে স্বামী বিয়োগৰ পূৰ্বে ইহসংসাৰ ত্যাগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। এনেদৰে হৰ্ষই মাতৃবিয়োগৰ দুখ সহিবলগীয়া হয়। ইতিমধ্যে প্ৰভাকৰবৰ্দ্ধনৰ পৰলোক গমন হয়।

রাজ্যবৰ্দ্ধনে হুণবিলাকক পৰাজিত কৰি উলটি আহে। তেওঁ ৰাজ্যভাৰ হৰ্ষক দিবলৈ ইচ্ছা প্ৰকাশ কৰে। ইতিমধ্যে মালৱৰাজে গ্ৰহবৰ্মাক বধ কৰি ৰাজ্যশ্ৰীক বন্দী কৰাৰ বাতৰি পায়। ৰাজ্যবৰ্দ্ধনে মালৱৰাজক পৰাজয় কৰি উভতি আহোতে বাটত গৌড়াধিপতিয়ে তেওঁক বধ কৰে। হৰ্ষই বিন্ধ্যপৰ্বতৰ হাবিত প্ৰৱেশ কৰে আৰু নিষাদৰ সহায়ত ৰাজ্যশ্ৰীক উদ্ধাৰ কৰিবলৈ হাবিত প্ৰৱেশ কৰে। দুয়ো গৈ দিৱাকৰ মিত্ৰ নামৰ ঋষিৰ আশ্ৰমত উপস্থিত হ'ল। হৰ্ষই দিবাকৰ মিত্ৰক ৰাজ্যশ্ৰীৰ কথা সোধা সময়তে এজন ভিক্ষু আহি খবৰ দিয়ে যে এগৰাকী তিৰোতাই চিতাত জাঁপ দি প্ৰাণ বিসৰ্জন দিবলৈ ওলাইছে। হৰ্ষই শীঘ্ৰে গৈ চিতাত জাঁপ দিবলৈ ওলোৱা অৱস্থাত ৰাজ্যশ্ৰীক উদ্ধাৰ কৰিলে। ৰাজ্যশ্ৰীক লৈ হৰ্ষ ৰাজধানীলৈ উভতি আহে। ইমানতে হৰ্ষচৰিতৰ সমাপ্তি ঘটে।

কাদম্বৰী হ'ল সংস্কৃত গদ্যকাব্যৰ উৎকৃষ্ট নিদৰ্শন। কাদম্বৰী দুই ভাগত বিভক্ত— পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ। গ্ৰন্থখনৰ দুই তৃতীয়াংশই হ'ল পূৰ্বাৰ্ধ আৰু ই বাণৰ দ্বাৰা ৰচিত। উত্তৰাৰ্ধ কাদম্বৰী কেৱল তৃতীয় অংশহে। পিতৃবিয়োগৰ পিচত পুলিন্দভট্টই এই অংশটো ৰচনা কৰি কাদম্বৰী গ্ৰন্থখন সম্পূৰ্ণ কৰে। ইয়াত চন্দ্ৰাপীড় তথা পুণ্ডৰীক দুয়োজন নায়কৰ তিনিটা জন্মৰ কাহিনী বৰ্ণিত হৈছে। পূৰ্বাৰ্দ্ধৰ আৰম্ভণিতে বিদিশাৰ ৰজা শূদ্ৰকৰ বিস্তৃত বৰ্ণনা পোৱা যায়। এদিন শূদ্ৰকৰ ৰাজ দৰবাৰত এজনী চণ্ডাল কন্যাই মানুহৰ নিচিনাকৈ মাত মাতিব পৰা বৈশম্পায়ন নামৰ এটা ভাটৌ চৰাই আনিলে। বৈশম্পায়নৰ মুখৰ পৰা কাদম্বৰীৰ কথাৰ লগতে জাবালিৰ দ্বাৰা কোৱা চন্দ্ৰাপীড় আৰু বৈশম্পায়নৰ কথা ওলায়। ইয়াৰ মাজতে মহাশ্বেতা আৰু পুণ্ডৰীকৰ প্ৰণয় কাহিনীও বৰ্ণিত হয়। পিচলৈ চন্দ্ৰাপীড়ৰ কাদম্বৰীৰ লগতে সাক্ষাৎ হয় আৰু ইজনে সিজনৰ প্ৰতি আসক্ত হয়। পিচত যেতিয়া চন্দ্ৰাপীড় উজ্জয়িনীলৈ উভতি আহে, তেতিয়া তাম্বুল কৰঙ্কবাহিনী পত্ৰলেখা চন্দ্ৰাপীড়ৰ ওচৰলৈ আহে আৰু কাদম্বৰীৰ খবৰ বাতৰি জনায়। ইমানতেই কাদম্বৰীৰ পূৰ্বভাগ সমাপ্ত হয়। উত্তৰাৰ্ধত চন্দ্ৰীপীড় কাদম্বৰীৰ ওচৰলৈ ৰাওনা হৈ মহাশ্বেতাৰ কাষ চাপে। ইপিনে বৈশম্পায়নে মহাশ্বেতাক দেখি মোহিত হৈ প্ৰণয়ৰ প্ৰস্তাৱ দিয়ে। কিন্তু তপস্বিনী মহাশ্বেতাই তেওঁক অভিশাপ দিয়ে আৰু বৈশম্পায়ন এটি ভাটৌ চৰাই হৈ পৰে। বন্ধুৰ এনে বিপত্তিৰ খবৰ শুনি চন্দ্ৰাপীড়ো পৰলোকগামী হয়। কাদম্বৰীয়ে বিলাপ কৰিবলৈ ধৰে আৰু পুত্ৰৰ মৃত্যুৰ বাতৰি পাই দেৱী বিলাসৱতী আৰু তাৰাপীড় উদ্বিগ্ন হৈ পৰে। জাবালিৰ কথা ইমানতে অন্ত পৰে। এদিন ভাটৌ চৰাইটো জাবালিৰ আশ্ৰমৰ পৰা উৰি গুচি যায়। পিচত চণ্ডালে ভাটৌ চৰাইটো শূদ্ৰকৰ ওচৰলৈ লৈ আহে। চন্দালৰ কন্যাই নিজৰ প্ৰকৃত পৰিচয় দি কয় যে, তেওঁ পুণ্ডৰীকৰ মাতৃ লক্ষ্মীদেৱী। পুণ্ডৰীক

হ'ল পূৰ্বজন্মৰ বৈশম্পায়ন আৰু ইহ জন্মৰ ভাটৌ চৰাই। শূদ্ৰক হ'ল পূৰ্ব জন্মৰ চন্দ্ৰাপীড়। এইখিনি কৈ লক্ষ্মীদেৱী অন্তৰ্ধান হয় আৰু শূদ্ৰক আৰু ভাটৌ চৰাইটোৱে নিজৰ শৰীৰ ত্যাগ কৰে। চন্দ্ৰাপীড় পুনৰ জীৱিত হ'ল আৰু আকাশৰ পৰা পুণ্ডৰীক নামি আহিল। প্ৰেমিক-প্ৰেমিকাৰ মাজত থকা অভিশাপ আঁতৰি গ'ল আৰু মহাশ্বেতাৰ লগত পুণ্ডৰীকৰ আৰু কাদম্বৰীৰ লগত চন্দ্ৰাপীড়ৰ মিলন হ'ল। এনেদৰে কাদম্বৰীৰ কাহিনীভাগ সামৰণি পৰে।

বাণৰ গদ্য সমাসবদ্ধ পদেৰে পৰিপূৰ্ণ। শ্লেষ, বক্ৰোক্তি আদিৰ যথাযথ প্ৰয়োগ তেওঁৰ কাব্যৰ বৈশিষ্ট্য বাণৰ শব্দ ভাণ্ডাৰৰ প্ৰাচুৰ্য্যও লেখত ল'বলগীয়া। বাণে উপৰোক্ত দুয়োখন কাব্যতেই শব্দালংকাৰ আৰু অৰ্থলংকাৰৰ প্ৰয়োগ প্ৰায় বিবিধ চৰিত্ৰ চিত্ৰণত আছিল বাণভট্টৰ নিপুণতা। বাণে তেওঁৰ ৰচনাত কোনো এটা ক্ষেত্ৰত বাদ দিয়া নাই বাবে সহৃদয় সমালোচকে সমস্ত কাব্যসাহিত্যক বাণৰ উচ্ছিষ্ট বুলি ঘোষণা কৰিছে —'বাণোচ্ছিষ্টং জগৎ সৰ্বম্।'

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

বাণভট্টৰ দ্বাৰা ৰচিত গদ্যকাব্যৰ বিষয়ে এটি টোকা লিখক। (৫০টা শব্দৰ ভিতৰত)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

আন এক গদ্যকাব্য দশকুমাৰচৰিতৰ ৰচক হ'ল দণ্ডী। এই গ্ৰন্থ দুই ভাগত বিভক্ত— পূৰ্ব পীঠিকা আৰু উত্তৰ-পীঠিকা। মগধৰ ৰজা ৰাজহংসৰ মন্ত্ৰী তিনিজনৰ পুত্ৰসকলে উত্তৰাধিকাৰী সূত্ৰে মন্ত্ৰীৰ পদ লাভ কৰে। এবাৰ যেতিয়া ৰাজহংস আৰু মালৱাধিপতি মানসাৰৰ মাজত যুদ্ধ হয়, তেতিয়া সেই যুদ্ধত অস্ত্ৰৰ আঘাতত ৰাজহংস সংজ্ঞাহীন হৈ পৰে। তেওঁৰ ৰথৰ ঘোঁৰাবোৰে ভয়তে বিন্ধ্য পৰ্বতৰ ফালে ৰথখন লৈ যায়। ইপিনে ৰজা অপহৃত হোৱা বুলি শোকতে ৰাণীয়ে স্বেচ্ছাই মৃত্যু বৰণ কৰিবলৈ উদ্যত হয়। তেনে সময়তে ৰজাৰ সংজ্ঞা ঘূৰি আহিল আৰু পুণৰ ৰজা আৰু ৰাণীৰ মিলন হ'ল। ৰাণীৰ গৰ্ভত ৰাজবাহন নামেৰে এটি পুত্ৰ সন্তান ওপজে। সেই সময়তে মন্ত্ৰী চাৰি গৰাকীৰো চাৰিজন পুত্ৰ জন্ম হয়। সেই চাৰি পুত্ৰৰ নাম ক্ৰমে — প্ৰমতী, মিত্ৰগুপ্ত, মাতঙ্গগুপ্ত আৰু বিশ্ৰুত। এই পুত্ৰসকলে যেতিয়া যৌৱনত ভৰি দিয়ে তেতিয়া তেওঁলোকক ৰজাই দিগ্বিজয়ৰ অৰ্থে পঠিয়াই। তেনে সময়তে

ৰজাৰ বিন্ধ্যপৰ্বতত মাতঙ্গ নামৰ এজন ব্ৰাহ্মণৰ সৈতে মিলিত হয়। মাতঙ্গই ৰজাক এটা সুৰংগেৰে পাতাললৈ লৈ যায়। ৰাজবাহনে তাৰ পিচত উজ্জয়িনীত উপস্থিত হৈ সেই দেশৰ ৰাজকুমাৰী অৱন্তিক বিয়া কৰায়। পিচলৈ আটাই কেইজন ৰাজকুমাৰ উজ্জয়িনীলৈ গৈ সকলো লগা-লগি হয়। পিচলৈ তেওঁলোকে মালৱা অধিকাৰ কৰি পুষ্পপুৰলৈ আহে আৰু ৰজাক শ্ৰদ্ধা জনায়। ৰজাই ৰাজকুমাৰ সকলৰ মাজত জয় কৰা ৰাজ্য সমূহ ভগাই দিয়ে। ৰাজবাহনে পুষ্পপুৰ আৰু উজ্জয়িনী ৰাজ্য লাভ কৰে। সেই ৰাজপুত্ৰসকলে ৰাজবাহনৰ নেতৃত্বত সুন্দৰকৈ ৰাজ্য শাসন কৰে।

ভাষাৰ প্ৰয়োগত দণ্ডী অতি সিদ্ধ হস্ত। সৰল প্ৰৱাহময় ভাষাৰ দ্বাৰা তেওঁ বৈদৰ্ভী ৰীতিৰ প্ৰয়োগ কৰিছে। তেওঁৰ ৰচনাত ঠায়ে ঠায়ে সমাসান্ত শৈলী ব্যৱহাৰ কৰিছে। অভিব্যঞ্জনাৰ স্বাভাৱিকতা আৰু অৰ্থৰ স্পষ্টতাৰ দিশত দণ্ডীৰ পটুতা আছে। প্ৰকৃতি বৰ্ণনাৰ ক্ষেত্ৰতো দণ্ডীৰ নাম উল্লেখযোগ্য। লালিত্যপূৰ্ণ পদপ্ৰয়োগত দণ্ডীৰ নিপুণতাৰ প্ৰশংসা কৰি কোৱা হয় — 'দণ্ডিন ঃ পদলালিত্যম্' এইবুলি।

### ১.৬ সাৰাংশ (Summing Up)

এই পাঠৰ পৰা আমি জানিব পাৰো যে সংস্কৃত গদ্যকাব্যৰ ইতিহাস অতি পুৰণি। বৈদিক যুগতেই ইয়াৰ আৰম্ভণি বুলি ক'ব পাৰি। ব্ৰাহ্মণ গ্ৰন্থ সমূহত এই গদ্যসমূহে পূৰ্ণতা পায়। কাব্যাদৰ্শ, কাব্যালঙ্কাৰ, সাহিত্যদৰ্পণ আদি অলঙ্কাৰ শাস্ত্ৰ সমূহত গদ্যৰ লক্ষণ সম্বন্ধে সৱিশেষ আলোচনা লাভ কৰা যায়। সংস্কৃত সাহিত্যৰ কেইবাখনো গদ্যকাব্যই বিশেষ স্থান অধিকাৰ কৰি আছে। তাৰ ভিতৰত বাণভট্ট, সুবন্ধু আৰু দণ্ডীৰ দ্বাৰা ৰচিত গদ্যকাব্য সমূহ উল্লেখযোগ্য। সপ্তম শতিকাত বাণভট্টৰ ৰচনাত সংস্কৃত গদ্যশৈলীয়ে চৰম উন্নতি লাভ কৰে। এই গদ্যকাব্য সমূহে সংস্কৃত সাহিত্যত পৰিপূৰ্ণতা আনিছে।

### ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত গদ্যকাব্যৰ প্ৰাচীনতা সম্বন্ধে এক আলোচনা যুগুত কৰা।

২। সংস্কৃত গদ্যকাব্যৰ বিকাশৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

৩। কেইখনমান উল্লেখযোগ্য সংস্কৃত গদ্যকাব্যৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

## ১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


১। অসমত সংস্কৃত চৰ্চাৰ ইতিহাস ঃ মালিনী গোস্বামী

২। সংস্কৃত সাহিত্যৰ বুৰঞ্জীঃ হৰমোহন দেৱ গোস্বামী

৩। সংস্কৃত সাহিত্যৰ ইতিবৃত্তঃ ড° থানেশ্বৰ শৰ্মা

৪। History of Sanskrit Literature : A.B. Keith

৫। History of Indian Literature : M. Winternitz

৬। Survey of Sanskrit Literature : C.K. Raja

## দ্বিতীয় বিভাগ

## সংস্কৃত গদ্যকাব্যৰ লক্ষণ আৰু বিভাগ

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Objectives)

২.৩ গদ্যকাব্যৰ লক্ষণ

২.৪ গদ্যকাব্যৰ প্ৰকাৰ

২.৫ গ্ৰন্থাকাৰ আৰু গ্ৰন্থৰ বিষয়বস্তুৰ আলোচনা

২.৫.১ সুবন্ধু আৰু বাসবদত্তা ঃ

২.৫.২ বাণভট্ট আৰু তেওঁৰ ৰচনাৱলী ঃ

২.৫.৩ দণ্ডী আৰু দশকুমাৰ চৰিত ঃ

২.৬ গদ্যশৈলী

২.৬.১ সুববন্ধুৰ গদ্যশৈলী ঃ

২.৬.২ বাণৰ গদ্যশৈলী ঃ

২.৬.৩ দণ্ডীৰ গদ্যশৈলী ঃ

২.৭ সাৰাংশ (Summing Up)

২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

গদ্য বুলিলে সাধাৰণ অৰ্থত ছন্দবিহীন শব্দৰ সুনিয়ন্ত্ৰিত বিন্যাসক বুজা যায়। সংস্কৃত সাহিত্যত গদ্যৰ প্ৰথম নিদৰ্শন যৰ্জুবেদত পোৱা যায়। যৰ্জুবেদৰ এটা অংশ গদ্যমিশ্ৰিত হোৱা বাবেই এইবেদ কৃষ্ণ আৰু শুক্ল নামেৰে দুভাগত বিভক্ত। কৃষ্ণ যৰ্জুবেদ গ্ৰন্থত গদ্য-পদ্যমিশ্ৰত ৰূপত পোৱা যায়, যাৰ অন্য নাম তৈতিৰীয় সংহিতা। বৈদিক সাহিত্যৰ কাঠকসংহিতা, মৈত্ৰায়ণী সংহিতা আদিবোৰটো গদ্য উপলব্ধ। ঠিক সেইদৰে বেদসমূহৰ ভিন্ন ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ সমূহটো গদ্য সন্নিবিষ্ট হৈছে। বেদাংগ সাহিত্যৰ ভিতৰত নিৰুক্ত, সুত্ৰ গ্ৰন্থসমূহতো গদ্য পোৱা যায়। ইতিহাসগ্ৰন্থ মহাভাৰত, বিষ্ণুপুৰাণ আৰু ভাগৱত পুৰাণত গদ্যাংশৰ উল্লেখ আছে। পতঞ্জলীৰ মহাভাৰত লিপিবদ্ধ গদ্য উল্লেখযোগ্য। অতীতৰ সাক্ষ্য বহনকাৰী শিলালিপি সমূহ যথা 'গিৰ্নাৰৰ প্ৰশস্তি', 'সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তি' আদিত গদ্য-সাহিত্যৰ নিদৰ্শন আছে। দৰ্শন শাস্ত্ৰৰ ভাষ্যকাৰসকল উদাহৰণস্বৰূপে শবৰস্বামী, শঙ্কৰাচাৰ্য্যৰ ভাষ্যত গদ্য সন্নিবিষ্ট হৈছিল। পৰবৰ্তীকালত সুহৃদয়পাঠকৰ মন আকৰ্ষণ কৰিব পৰাকৈ আনুপ্ৰাসিক পদ, কেতিয়াবা

দীৰ্ঘ সমাসৰ বহুল প্ৰয়োগ, কেতিয়াবা সমাসৰবিৰলতা আৰু অলংকাৰাবদিৰ প্ৰয়োগেৰে এক অভিনৱ কাব্যধৰ্মী গদ্যাত্মক ৰছনাৰ সৃষ্টি হ'ল। যাৰ ফলশ্ৰুতিত সুবন্ধু, দণ্ডী, বানভট্টৰ দৰে প্ৰৌঢ় গদ্যকাৰসকলৰ উচ্চ গুণবিশিষ্ট আৰু পৈনত গদ্যধাৰাৰ আৱিৰ্ভাৱ হ'ল, এই সকলৰ কৃতিসমূহেও প্ৰাচীন গদ্য-পৰম্পৰাৰ আৰ্হিৰে গদ্য শৈলীতেই এক কাব্যিক চাৰুতাৰ প্ৰদৰ্শন কৰিছিল।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰি আপোনালোকে

- গদ্যকাব্যৰ লক্ষণ সম্পৰ্কে বিচাৰ কৰিব পাৰিব,
- গদ্যকাব্যৰ প্ৰকাৰ বিভাজন কৰিব পাৰিব,
- সংস্কৃত সাহিত্যৰ বিভিন্ন গদ্যকাৰ আৰু তেওঁলোকৰ গ্ৰন্থৰ বিষয়বস্তু সম্পৰ্কে পাৰ্যালোচনা কৰিব পাৰিব আৰু
- সুবন্ধু, বাণ আৰু দণ্ডীৰ গদ্যশৈলী সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

### ২.৩ গদ্যকাব্যৰ লক্ষণ

ছন্দোহীন অৰ্থাৎ কোনো ছন্দৰ সম্পৰ্ক নোহোৱাকৈ ৰচিত বাক্যয়েই সাধাৰণভাৱে গদ্যৰ লক্ষণ বহন কৰে। গদ্যত মানৱ মনৰ ভাৱ-অনুভূতিৰ প্ৰত্যক্ষ আৰু স্পষ্ট প্ৰকাশ পায়। যথাৰ্থ শব্দ প্ৰয়োগ, শৃংখলাবদ্ধ পদ সন্নিৱেশ আৰু ঋজু কথনশৈলীৰে ছন্দোবিহীন পদ সমষ্টিয়েই গদ্য।

### ২.৪ গদ্যকাব্যৰ প্ৰকাৰ

সংস্কৃত সাহিত্যত কাব্যৰ মূল ভেদ দুই প্ৰকাৰৰ — দৃশ্য আৰু শ্ৰব্য। শ্ৰব্যকাব্য পুনঃ পদ্যকাব্য আৰু গদ্যকাব্যত বিভক্ত। গদ্যকাব্যৰ পুনৰ কথা আৰু আখ্যায়িকা ভাগত বিভাজিত। কবিৰ কল্পিত কাহিনীক আশ্ৰয় কৰি কথা ৰচিত আৰু আখ্যায়িকাত সত্যকাহিনী বৰ্ণিত হয়।

কথাত গদ্যৰ মাধ্যমেৰে সৰস কাহিনী বৰ্ণিত হয়। কাহিনীৰ আদিতে শ্লোকেৰে ইষ্ট-দেৱতাৰ স্তুতি থাকে। দুৰ্জন আৰু সন্তৰ চৰিত্ৰ বৰ্ণনাৰে পৰিলকল্পিত কাহিনীৰ বৰ্ণনা থাকে। অৱশ্যে কেতিয়াবা গদ্যৰ মাজত আৰ্যা, বক্ৰ আৰু অপবক্ৰ ছন্দৰ শ্লোক লিপিবদ্ধ হ'ব পাৰে।

আখ্যায়িকাত ৰচয়িতাৰ বংশৰ পৰিচয় থাকে। ইয়াৰ কাহিনী কেইবাটাও উচ্ছ্বাসত বিভক্ত হয়। প্ৰকৃততে আখ্যায়িকা কথাৰ দৰেই, য'ত, বিস্তৃতভাৱে কন্যাহৰণ, যুদ্ধ-বিগ্ৰহ, বিবাহ-বিচ্ছেদ, জয়যাত্ৰাদিৰ বিস্তৃত বৰ্ণন পোৱা যায়।

কথা আৰু আখ্যায়িকা দুয়োবিধ ৰচনাতে চাৰি প্ৰকাৰৰ গদ্য ব্যৱহাৰ হয়। মুক্তক, বৃত্তগন্ধি, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক। সমাসহীন গদ্যক মুক্তক বোলে। য'ত আংশিকভাৱে ছন্দৰ সম্পৰ্ক থাকে সেয়ে বৃত্তগন্ধি গদ্য। দীঘল সমাসযুক্ত পদৰদ্বাৰা ৰচিত গদ্যক উৎকলিক প্ৰায় বোলে। চুটি চুটি সমাসযুক্ত পদৰদ্বাৰা ৰচিত গদ্যক চূৰ্ণক বুলি কোৱা হয়।

**জানি থওঁ আহা**

- ❑ সংস্কৃত সাহিত্যত কাব্যক দৃশ্য আৰু শ্ৰব্যভেদে দুভাগত ভাগ কৰা হৈছে।
- ❑ শ্ৰব্যকাব্য দুই প্ৰকাৰৰ— পদ্য আৰু গদ্যকাব্য।
- ❑ কথা আৰু আখ্যায়িকা নামে গদ্য দ্বিধা বিভাজিত।

**আত্ম মূল্যায়ন প্ৰশ্ন**

১) কথা আৰু আখ্যায়িকাৰ পাৰ্থক্য লিখা।

### ২.৫ গ্ৰন্থকাৰ আৰু গ্ৰন্থৰ বিষয়বস্তুৰ আলোচনা

#### ২.৫.১ সুবন্ধু আৰু বাসবদত্তা

বাসবদত্তা নামৰ কথা গ্ৰন্থৰ ৰচয়িতা সুবন্ধুক বৰ্ত্তমানৰ গদ্যকাৰসকলৰ প্ৰথম। তেওঁৰ কাল ৫০০-৬০০ খৃষ্টাব্দৰ মাজত বুলি পণ্ডিতসকলে ঠিৰাং কৰিছে। সুবন্ধুৰ একমাত্ৰ গদ্যকাব্যখনৰ কাহিনীভাগ এনেধৰণৰ — চিন্তামণি নামৰ এজন প্ৰজাৰঞ্জক ৰজাৰ কন্দৰ্পকেতু নামে এজন ৰূপৱান, গুণবান পুত্ৰ আছিল। যৌৱন কালত ভৰি দিয়া কন্দৰ্পকেতুৱে সপোনত দেখা দিয়া এগৰাকী ৰূপৱতী কন্যাক পাবলৈ ব্যাকুল হৈ পৰিছিল। উপায়ন্তৰ হৈ ৰাজকোঁৱৰে তেওঁৰ বন্ধু মকৰন্দক লগত লৈ স্বপ্নদৃষ্টা কন্যাক বিচাৰি নগৰৰ পৰা ওলাই গ'ল। তেওঁলোক বিন্ধ্যাৰণ্যৰ মাজত সোমাল আৰু ৰাতিটো জম্বুবৃক্ষৰ তলত জিৰণি ল'লে, সেই গছৰ ওপৰত বাস কৰা শুক-সাৰিকা এহালৰ কথোপকথনৰ পৰা কন্দৰ্পকেতুৱে জানিব পাৰিলে যে, কুসুমপুৰৰ ৰজা শৃংগাৰশেখৰ আৰু ৰাণী অনঙ্গৱতীৰ পুত্ৰী বাসবদাত্তায়ো অনুৰূপ সপোনত কন্দৰ্পকেতুক দেখিবলৈ পাইছে, আনকি তেওঁৰ নাম পৰ্যন্ত জানিছে। সেয়ে বাসবদত্তাই

ৰাজপুত্ৰৰ অনুসন্ধান কৰিবলৈ তমালিকা নামে পৰিচাৰিকাক পাচিছে। তমালিকাৰ জৰিয়তে নায়ক-নায়িকাৰ মিলন হ'ল কিন্তু কন্যা পিতৃ শৃংগাৰশেখৰে কোনো এজন বিদ্যাধৰলৈ বাসৱদত্তাক বিয়া দিবলৈ মনস্থ কৰা কথা শুনি বাসৱদত্তাক লৈ কন্দৰ্পকেতু বিন্ধ্যাটবীত আশ্ৰয় লয়। তাতেই ঘটনাক্ৰমে বাসবদত্তা ঋষিৰ অভিষাপত শিলামূৰ্তি হয়, যাক বিচাৰি নাপাই কন্দৰ্পকেতু আত্মহত্যা কৰিবলৈ উদ্যত হয়। কিন্তু তেনেতে অচিৰেই প্ৰিয়াৰ মিলন হ'ব বুলি আকাশবাণী শুনা যায়। কন্দৰ্পকেতুৱে মিলনৰ আশাত ঘূৰি ফুৰি ঋষিৰ আশ্ৰমতে থকা প্ৰতিমূৰ্তিৰ ওচৰ পায়। মূৰ্তিৰ লগত প্ৰিয়াৰ সাদৃশ্য দেখা পাই ৰাজকুমাৰে মূৰ্তি আলিংগন কৰাত বাসবদত্তাৰ জীৱন্ত ৰূপ প্ৰকট হয় আৰু নায়ক-নায়িকাৰ মিলন হয়।

**জানি থওঁ আহা**

- বাসবদত্তা কথা শ্ৰেণীৰ গদ্যকাব্য।
- সুবন্ধু বাসবদত্তাৰ ৰচয়িতা।
- বাসবদত্তাৰ নায়ক কন্দৰ্পকেতু আৰু নায়িকা বাসবদত্তা।
- নায়ক-নায়িকাৰ মিলনত সহায় কৰা পৰিচাৰিকা গৰাকীৰ নাম তমালিকা।

**আত্ম মূল্যায়ন প্ৰশ্ন**

১) বাসবদত্তা গ্ৰন্থত গদ্যকাব্যৰ কি লক্ষণ দেখা যায়?

**২.৫.২ বাণভট্ট আৰু তেওঁৰ ৰচনাৱলী**

সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজত্বকালৰ ওপৰত ভিত্তি কৰি বাণৰকাল খ্ৰীষ্টীয় ষষ্ঠ শতকৰ শেষভাগৰপৰা সপ্তম শতকৰ প্ৰথমভাগলৈ বুলি নিশ্চিত কৰা হৈছে। বংসগোত্ৰীয় ব্ৰাহ্মণ বাণভট্টৰ পিতৃ চিত্ৰভানু আৰু মাতৃ ৰাজদেৱী। আত্মপৰিচয় স্বগ্ৰন্থত লিপিবদ্ধ কৰা বাণভট্ট ৰজা হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ কবি আছিল।

সংস্কৃতি সাহিত্যৰ পৰম্পৰাত বাণভট্টৰ দহখন গ্ৰন্থৰ প্ৰচলন আছে। সেইবোৰ ক্ৰমে কাদম্বৰী, হৰ্ষচৰিত, চণ্ডীশতক, শিৱশতক, মুকুতাড়িতক সৰ্বচৰিত, শাৰদচন্দ্ৰিকা, পাৰ্বতীপৰিণয়, ৰত্নাৱলী আদি চাৰিখন নাটক, পদ্যকাদম্বৰী নামে খণ্ডকাব্য আৰু বেদান্ত তত্ত্বৰ এখন দাৰ্শনিক গ্ৰন্থ। তলত আখ্যায়িক খ্যাত হৰ্ষচৰিত আৰু কাদম্বৰী কথা কাব্যৰ চমু আভাষ উল্লেখ কৰা হৈছে—

**হৰ্ষচৰিত ঃ**

হৰ্ষচৰিতৰ প্ৰথম উচ্ছ্বাস ২৩ টা পদ্যৰ প্ৰস্তাৱনাৰে আৰম্ভ। ইয়াত কবিয়ে তেওঁৰ পূৰ্বৱৰ্তী শ্ৰেষ্ঠ কবি আৰু গদ্যকাৰসকলৰ যশগুণ কীৰ্তন কৰিছে। প্ৰস্তাৱনাত মহাভাৰত ৰচয়িতা ব্যাস, 'বাসৱদত্তা'ৰ ৰচক সুবন্ধু তথা হৰিশ্চন্দ্ৰৰ গদ্য-প্ৰবন্ধক শ্ৰদ্ধাসহকাৰে স্মৰণ কৰিছে। ইয়াৰ বাহিৰেও শাতবাহনৰ প্ৰাকৃত গদ্যসমূহ, প্ৰৱৰসেনৰ সেতুবন্ধ, ভাসৰ নাটক তথা কালিদাসৰ 'মধুৰসান্দ্ৰ' কবিতা আৰু গুণাঢ্যৰ বৃহৎকথাৰ নাম উল্লেখ কৰিছে।

প্ৰথম উচ্ছ্বাসত প্ৰথমে বাণে বংশ পৰিচয় দিয়ে। বাণে ইয়াত বাৎস্যায়ন গোত্ৰ ব্ৰাহ্মণসকলৰ উৎপত্তিৰ সংকেত কৰাৰ লগতে দুৰ্বাসাই সৰস্বতীক শাপ দিয়াৰ কথা লিপিবদ্ধ কৰে। শাপৰ ফলত সৰস্বতীৰ জন্ম হয় মৰ্ত্যলোকত। সৰস্বতীৰ লগত সাবিত্ৰীও পৃথিৱীলৈ আহে। দুয়ো এটা নদীৰ তীৰত লতাগুল্মৰ তলত বহি থাকোঁতে সসৈন্যে ঘোঁৰাত উঠি অহা এজন ওঠৰ বছৰীয়া যুৱক দেখা পালে। যুৱকৰ সৰস্বতীৰ ওপৰত দৃষ্টি পৰে আৰু দুয়ো দুয়োৰে প্ৰতি আসক্ত হয়। যুৱকজন আছিল চৱন ঋষিৰ পুত্ৰ দধীচি। সৰস্বতী তথা দধীচিৰ প্ৰণয় কাহিনী প্ৰথম উচ্ছ্বাসত বিস্তৃতভাৱে বৰ্ণনা কৰিছে। সাৱিত্ৰী আৰু দধীচিৰ বন্ধু বিকুক্ষিৰ যত্নত প্ৰেমিক-প্ৰেমিকা দুয়োৰে মিলন হ'ল। সৰস্বতীৰ গৰ্ভত সাৰস্বত নামৰ এজন পুত্ৰ-সন্তান ওপজে। সাৰস্বতক লালন-পালন কৰে অক্ষমালা নামৰ এজন ঋষিপত্নীয়ে। অক্ষমালাৰ পুত্ৰ বৎসই সাৰস্বতৰ লগত খেলা-ধূলা কৰি ডাঙৰ-দীঘল হয়। এই বংশতেই বাণৰ বংশধৰ কুবেৰৰ জন্ম হয়। ইয়াৰ কেইবা পীড়িমান পিছত জন্ম হয় চিত্ৰভানুৰ। চিত্ৰভানুৰ ঔৰসত জন্ম হয় বাণৰ।

দ্বিতীয় উচ্ছ্বাসত বাণে কৃষ্ণৰপৰা চিঠি পাই ৰজাক দেখা কৰিবলৈ নিজ পুৰী এৰি ৰাজদৰবাৰলৈ ৰাওনা হয়। দ্বিতীয় উচ্ছ্বাসৰ আৰম্ভণিত গ্ৰীষ্মৰ প্ৰচণ্ডতাৰ বৰ্ণনা তথা ৰাজদৰবাৰৰ বৰ্ণনা অত্যাধিক অলংকৃত আৰু কলাত্মক।

তৃতীয় উচ্ছ্বাসত বাণে কিছুদিনৰ পিছত নিজ পুৰীলৈ উভতি আহে। গাওঁলৈ উভতি আহি ভায়েকৰ অনুৰোধ ক্ৰমে বাণে হৰ্ষৰ চৰিত্ৰ বৰ্ণনা কৰে। এই উচ্ছ্বাসত থানেশ্বৰৰ বিস্তৃত বৰ্ণনা তথা ৰজাসকলৰ বংশৰ বৰ্ণনা কৰি কাল্পনিক অৰ্দ্ধ ঐতিহাসিক ৰজা পুষ্পভুতিৰ সংকেত দিয়ে। পুষ্পভূতি আছিল হৰ্ষৰ পূৰ্বপুৰুষ। ইয়াত পুষ্পভূতি আৰু ভৈৰবাচাৰ্য্য নামক শৈৱ যোগীৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

হৰ্ষচৰিতৰ বাস্তৱিক কথা আৰম্ভ হয় চতুৰ্থ উচ্ছ্বাসৰপৰা। প্ৰভাকৰবৰ্দ্ধনৰ বৰ্ণনা কৰাৰ সময়ত তেওঁৰ শৌৰ্য্য-বীৰ্য্যৰ কথা লিপিৱদ্ধ কৰা নাই। আৰম্ভণিত ৰাজমহিষী যশোৱতীৰ প্ৰথম প্ৰসৱৰ সংকেত দিয়ে। ৰাজ্যৱৰ্দ্ধনৰ জন্মৰ পিছত হৰ্ষ আৰু ৰাজ্যশ্ৰীৰ জন্মৰ বৰ্ণনা আৰু মৌখৰি গৃহবৰ্মাৰ লগত ৰাজ্যশ্ৰীক বিবাহৰ কথা নিৱদ্ধ কৰা আছে। ইয়াত ৰাজ্যৱৰ্দ্ধনে হুণবিজয়ৰ

বাবে যাত্তা কৰাৰ কথা পোৱা যায়। হৰ্ষইও ৰাজ্যবৰ্দ্ধনৰ লগত যাত্ৰ কৰে, কিন্তু মাজবাটতে তেওঁ মৃগয়া কৰিবলৈ ৰৈ যায়। মৃগয়া কৰি থাকোতে হৰ্ষই পিতাকৰ বেমাৰ হোৱা বুলি খবৰ পাই ৰাজধানীলৈ উভতি গ'ল। পিতাকৰ অৱস্থা অতি সঙ্কটজনক। প্ৰভাকৰবৰ্দ্ধনৰ অন্তিম অৱস্থা দেখি যশোৱতীয়ে আগেয়ে নদীৰ তীৰত চিতাত সতী যাবলৈ ইচ্ছা কৰে। হৰ্ষই চকুলো টুকি টুকি বাধা দিয়ে। কিন্তু যশোৱতীয়ে পতি বিয়োগৰ পূৰ্বে ইহসংসাৰ ত্যাগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। এইদৰে হৰ্ষই মাতৃবিয়োগ দুখ সহ্য কৰিব লগা হয়। ইতিমধ্যে প্ৰভাকৰবৰ্দ্ধনৰ পঞ্চত্ব প্ৰাপ্ত হ'ল।

ষষ্ঠ উচ্ছ্বাসত ৰাজ্যবৰ্দ্ধনে হুণবিলাকক পৰাজয় কৰি উলটি আছে। এওঁ ৰাজ্যভাৰ হৰ্ষক দিবলৈ ইচ্ছা কৰে। ইতিমধ্যে মালৱৰাজে গ্ৰহবৰ্মাক বধ কৰি ৰাজ্যশ্ৰীক বন্দী কৰা বুলি খবৰ পায়। ৰাজ্যবৰ্দ্ধনে মালৱৰাজক আক্ৰমণ কৰিবলৈ সসৈন্যে প্ৰস্থান কৰে। হৰ্ষ ৰাজধানীতে থাকিল। ৰাজ্যবৰ্দ্ধনে মালৱৰাজক পৰাজয় কৰি উলটি আহোতে বাটত গৌড়াধিপতিয়ে তেওঁক বধ কৰে। হৰ্ষই খবৰ পাই গৌড়াধিপতিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ ওলাল। কিন্তু সেনাপতি সিংহনাদৰ পৰামৰ্শমতে যুদ্ধ ঘোষণা কিছুদিনৰ বাবে স্থগিত ৰাখিলে।

সপ্তম উচ্ছ্বাসত হৰ্ষৰ সেনাসকলৰ বিস্তৃত বৰ্ণনা পোৱা যায়। প্ৰাগ্জ্যোতিষপুৰৰ ৰজাৰ দুতে ৰাজসভালৈ আহি নৰক ৰজাক বৰুণে দিয়া ছত্ৰটো হৰ্ষক উপহাৰ স্বৰূপে দিয়ে। এই ছাতিটো বংশপৰম্পৰা হিচাবে ভগদত্তই পায় আৰু এওঁৰ কেই পীড়িমান পিছত প্ৰাগ্জ্যোতিযেশ্বৰে পায়। প্ৰাগ্জ্যোতিষৰ ৰজাই মিত্ৰতাৰ চিন স্বৰূপে এই ছাতিটো হৰ্ষক উপহাৰ দিয়ে।

অষ্টম উচ্ছ্বাসত হৰ্ষই বিন্ধ্যপৰ্বতৰ হাবিত প্ৰৱেশ কৰে আৰু নিষাদৰ সহায়ত ৰাজ্যশ্ৰীক উদ্ধাৰ কৰিবলৈ হাবিত প্ৰৱেশ কৰে। দুয়ো গৈ দিবাকৰ মিত্ৰ নামৰ ঋষিৰ আশ্ৰমত উপস্থিত হ'ল। হৰ্ষই দিবাকৰ মিত্ৰক ৰাজ্যশ্ৰীৰ কথা সুধিলে। এনেতে এজন ভিক্ষু আহি কোনো এজনী তিৰোতাই চিতাত জাপ দি প্ৰাণ বিসৰ্জন দিবলৈ ওলোৱা বুলি খবৰ জনালে। হৰ্ষই শীঘ্ৰে গৈ চিতাত জাপ দিবলৈ ওলোৱা অৱস্থাত ৰাজ্যশ্ৰীক উদ্ধাৰ কৰিলে। ৰাজ্যশ্ৰীক লৈ হৰ্ষ ৰাজধানীলৈ উভটিল। এইয়ে হৰ্ষচৰিতৰ কাহিনী।

**কাদম্বৰী ঃ**

কাদম্বৰী বাণৰ শ্ৰেষ্ঠ ৰচনা। ই দুই ভাগত বিভক্ত— পূৰ্বাৰ্দ্ধ আৰু উত্তৰাৰ্দ্ধ। পূৰ্বাৰ্দ্ধ গ্ৰন্থখনৰ দুই-তৃতীয়াংশ আৰু ই ৰাণৰ ৰচিত। উত্তৰাৰ্দ্ধ কাদম্বৰী কেৱল তৃতীয় অংশহে। পিতৃবিয়োগৰ পিচত ভূষণভট্টই এই অংশ ৰচনা কৰি কাদম্বৰী সম্পূৰ্ণ কৰে। কাদম্বৰী সংস্কৃত গদ্য-সাহিত্য কাননৰ কাঞ্চন-মণি।

কাদম্বৰী কথাত চন্দ্ৰাপীড় তথা পুণ্ডৰীক দুয়োজন নায়কৰ তিনিটা তিনিটা জন্মৰ কাহিনী বৰ্ণিত। পূৰ্বদ্ধৰ আৰম্ভণিত বিদিশাৰ ৰজা শূদ্ৰকৰ বিস্তৃত বৰ্ণনা পোৱা যায়। এদিন শূদ্ৰকৰ ৰাজদৰবাৰত এজনী চণ্ডালকন্যাই মানুহৰ মাত মাতিব পৰা এটা ভাটৌ চৰাই আনিলে। বৈশম্পায়ন নামৰ ভাটৌটোৰ মুখৰপৰা কাদম্বৰীৰ কথা শুনালে। ভাটৌচৰাইটোৰ কথাৰ মাজত জাবালিৰ দ্বাৰা কোৱা চন্দ্ৰাপীড় আৰু বৈশম্পায়নৰ কথা ওলায়। ইয়াৰ মাজতে পুনৰ মাশ্বেতাৰ দ্বাৰা কোৱা মহাশ্বেতা তথা পুণ্ডবীকৰ প্ৰণয় কাহিনী বৰ্ণিত। মহাশ্বেতাৰ লগত মিলন হোৱাৰ পিচত চন্দ্ৰপীডৰ কাদম্বৰীৰ লগত সাক্ষাৎ হয় আৰু দুয়ো পৰস্পৰে পৰস্পৰৰ প্ৰতি আসক্ত হয়। কাদম্বৰী তথা চন্দ্ৰাপীডৰ প্ৰণয় কাহিনী কাদম্বৰীৰ বহুত পিচত অৱতৰণা কৰিছে। চন্দ্ৰাপীড় উজ্জয়িনীলৈ উভটি আহে। তাম্বুলকৰঙ্কবাহিনী পত্ৰলেখা চন্দ্ৰাপীড়ৰ ওচৰলৈ আহি কাদম্বৰীৰ খবৰ-বাতৰি জনায়। ইয়াতেই কাদম্বৰীৰ পূৰ্বভাগ সমাপ্ত হয়। উত্তৰাৰ্দ্ধত চন্দ্ৰাপীড় কাদম্বৰীৰ ওচৰলৈ ৰাওনা হৈ মহাশ্বেতাৰ কাষ চাপে। মহাশ্বেতাৰপৰা তেওঁৰ বন্ধু বৈশম্পায়নৰ বিপত্তিৰ কথা জানে। বৈশম্পায়নে মহাশ্বেতাক দেখি মোহিত হৈ প্ৰণয়ৰ প্ৰস্তাৱ দিয়ে। ইয়াতে তপস্বিনী মহাশ্বেতাই তেওঁক অভিশাপ দিয়ে। ফলত বৈশম্পায়ন এটা ভাটৌ চৰাই হয়। ইপিনে বন্ধুৰ বিৰ্য্যয়ৰ বাৰ্তা শুনি চন্দ্ৰাপীড়েও দেহত্যাগ কৰে। কাদম্বৰীয়ে আহি বিলাপ কৰিব ধৰিলে। চন্দ্ৰাপীড়ৰ শৰীৰৰ মৃত্যুৰ পিচতো নিৰ্বিকাৰ হৈ থাকিল। তাৰাপীড আৰু দেৱী বিলাসৱতী পুত্ৰৰ মৃত্যুৰ বাতৰি পাই অত্যাধিক অদ্বিগ্ন হৈ উঠিল। জাৱালিৰ কথা ইয়াতে সমাপ্ত হয়। পিচত শুকক (পুণ্ডবীকক) অন্বেষণ কৰি তেওঁৰ মিত্ৰ কবিঞ্জলে জাবালিৰ আশ্ৰমলৈ আহে আৰু বন্ধুৰ এনেকুৱা মাৰ্মিক দশা দেখি তেওঁৰ অন্তৰ আবেগত কান্দি উঠিল। এদিন ভাটৌ চৰাইটো জাবালিৰ আশ্ৰমৰপৰা উৰি গুছি গ'ল। এজন চণ্ডালে ভাটৌচৰাইটো ধৰি আনি জীয়েকক দিলে। চণ্ডাল কন্যাই ভাটৌটো শূদ্ৰকৰ ওচৰলৈ লৈ আহে। চণ্ডাল কন্যাই নিজৰ প্ৰকৃত পৰিচয় দিয়াৰ সময়ত ক'লে যে তেওঁ পুণ্ডৰীৰকৰ মাতৃ লক্ষ্মীদেৱী। পুণ্ডৰীকেই পূৰ্বজন্মৰ বৈশম্পায়ন আৰু ইহ জন্মৰ ভাটৌচৰাই। শূদ্ৰক পূৰ্বৰ জন্মৰ চন্দ্ৰাপীড়। এই কথা কৈ লক্ষ্মীদেৱী অন্তৰ্ধান হ'ল। পিছত শূদ্ৰক আৰু ভাটৌচৰাইটোৱে নিজৰ শৰীৰ ত্যাগ কৰে। চন্দ্ৰাপীড পুনৰ্জীৱিত হৈ উঠিল আৰু আকাশৰপৰা পুণ্ডৰীক নামি আহিল। প্ৰেমিক-প্ৰেমিকাৰ মাজত অভিশাপে যি বিপৰ্য্যৰ ঘটাইছিল, সি আঁতৰি গ'ল। মহাশ্বেতাৰ পুণ্ডৰীকৰ আৰু কাদম্বৰীৰ লগত চন্দ্ৰাপীড়ৰ লগত মিলন হ'ল।

**জানি থওঁ আহা**

- ❑ হৰ্ষচৰিত এখন ঐতিহাসিক গ্ৰন্থ বাবে এইখন আখ্যায়িকা শ্ৰেণীৰ গদ্যকাব্য আৰু কাদম্বৰী কবিকল্পনাত সৃষ্ট হোৱা বাবে ই এখন কথা কাব্য।
- ❑ স্বজনসকলৰ অনুৰোধ ক্ৰমে বাণভট্টই শ্ৰীহৰ্ষৰ কাহিনীসমৃদ্ধ 'হৰ্ষচৰিত' গ্ৰন্থত লিপিবদ্ধ কৰে।
- ❑ শ্ৰীহৰ্ষৰ ৰাজসভাত থকা পণ্ডিতসকল হৈছে বাণভট্ট, মাতঙ্গদিবাকৰ আৰু ময়ূৰভট্ট।
- ❑ কাদম্বৰীৰ পূৰ্বাৰ্দ্ধৰ ৰচক বাণভট্ট আৰু উত্তৰাৰ্দ্ধৰ তেওঁৰ পুত্ৰ ভূষণভট্টৰ দ্বাৰা ৰচিত।
- ❑ বাণৰ গদ্য সমাসবদ্ধ পদেৰে ভৰপূৰ, সেয়ে জাৰ্মান পণ্ডিত ওৱেবাৰে তেওঁৰ কাব্যক 'ভাৰতীয় ঘনাৰণ্য' বুলি উল্লেখ কৰিছে।
- ❑ কাদম্বৰীৰ মূল কাহিনী গুণাঢ্যৰ বৃহৎকথাৰ পৰা লোৱা হৈছে।

### ২.৫.৩ দণ্ডী আৰু দশকুমাৰ চৰিত

'অৱন্তিসুন্দৰী কথা'ত গদ্যলেখক দণ্ডীৰ পূৰ্বপুৰুষসকল গুজৰাটৰ আনন্দপুৰ নামৰ ঠাইৰ নিবাসী বুলি উল্লেখ আছে। তাৰপৰা এওঁলোক নাসিকলৈ আহে। তাৰ পিছত 'অচলপুৰ'লৈ আহি তাত বাস কৰে। এই বংশত কৌশিকগোত্ৰীয় ব্ৰাহ্মণ নাৰায়ণস্বামীৰ জন্ম হয়। তেওঁৰ পুত্ৰৰ নাম আছিল দামোদৰ। ভাৰৱিৰ পিচত দণ্ডীৰ পৰম্পৰা সম্বন্ধে 'অৱন্তিসুন্দৰী কথা'ত লিখিছে। ভাৰৱিৰ মাজু পুত্ৰৰ নাম মনোৰথ। এওঁৰ চাৰিজন পুত্ৰ। এওঁলোকৰ ভিতৰত বীৰদত্ত কনিষ্ঠ। বীৰদত্তৰ পত্নীৰ নাম আছিল গৌৰী। বীৰদত্ত আৰু গৌৰী দণ্ডীৰ পিতৃ-মাতৃ। দণ্ডী দাক্ষিণাত্যৰ ব্ৰাহ্মণ আৰু এওঁৰ জন্মস্থান কাঞ্চী। এওঁৰ জন্মস্থান সম্পৰ্কে মতভেদ আছে। এওঁ যে দক্ষিণাত্যৰ লোক তাৰ প্ৰমাণ 'কাব্যাদৰ্শত' উল্লিখিত সয়ানিল, কাঞ্চী, কাবেৰী, চোল আৰু 'দশকুমাৰচৰিত'ত উল্লিখিত কাঞ্চী, লাটদেশ, কালপটনদ্বীপ, অঙ্গদেশ, অনঙ্গদেশ, চম্পা, উজ্জৈন, শ্ৰাৱন্তী, আৰু পুংদ্ৰদেশ আদি দক্ষিণ ভাৰতৰ প্ৰসিদ্ধ ঠাই। কিন্তু এওঁৰ দুয়োখন গ্ৰন্থতে বিদৰ্ভৰ উল্লেখ বেছিকৈ থকা দেখা যায়। ইয়াৰ আধাৰত বহুতো পণ্ডিতে দণ্ডী বিদৰ্ভৰ বুলি মতপোষণ কৰে। এওঁৰ ৰচনাশৈলী বৈদৰ্ভী-প্ৰধান। সেইবাবে এওঁক বিদৰ্ভবাসী বুলি কোৱা হয়। কিন্তু 'অৱন্তিসুন্দৰী কথাত' এওঁ নিজে কাঞ্চীবাসী বুলি উল্লেখ কৰিছে। এওঁৰ জন্মস্থান অৱশ্যে কাঞ্চী, কিন্তু বিদৰ্ভৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। উপৰুক্ত আলোচনাই দণ্ডী তিনিখন গ্ৰন্থৰ ৰচয়িতা হিচাপে সাক্ষী দিয়ে— অৱন্তীসুন্দৰী, কাব্যাদৰ্শ আৰু দশকুমাৰ চৰিত।

**দশকুমাৰ চৰিত ঃ**

দণ্ডীৰ 'দশকুমাৰ চৰিত' দুই ভাগে বিভক্ত — পূৰ্ব পীঠিকা আৰু উত্তৰ পীঠিকা। পূৰ্ব-পীঠিকা। পূৰ্ব-পীঠিকা আৰু উত্তৰ-পীঠিকা মুঠতে আঠটা উচ্ছাসৰ সমষ্টি। উত্তৰ-পীঠিকাৰ শেষৰ চাৰিটা উচ্ছাসৰ নাম শেষ। মগধৰাজ ৰাজহংসৰ মন্ত্ৰী তিনিজনৰ পুত্ৰসকলে উত্তৰাধিকাৰী সূত্ৰে মন্ত্ৰীত্ব পদ লাভ কৰে। এবাৰ ৰাজহংস আৰু মালৱাধিপতি মানসাৰৰ মাজত যুদ্ধ হয়। যুদ্ধত ৰাজহংস অস্ত্ৰৰ আঘাতত সংজ্ঞাহীন হৈ পৰি যায়। তেওঁৰ ৰথৰ ঘোঁৰাবোৰে ভয়তে বিন্ধাপৰ্বতৰ অভিমুখে ৰথখন লৈ যায়। ৰজা অপহৃত হোৱা বুলি শোকতে ৰাণীয়ে চিপজৰী লগাই মৃত্যুবৰণ কৰিবলৈ উদ্যত হয়। এনেতে ৰজাৰ সংজ্ঞা ঘুৰি আহিল আৰু ৰাণীৰ মাত বুজি পালে। পুনৰ দুয়োৰে মিলন হ'ল। ৰাজবাহন নামে ৰাণীৰ এটি পুত্ৰ-সন্তান ওপজে। ঠিক সেই সময়তে মন্ত্ৰী চাৰিগৰাকীৰো ক্ৰমে প্ৰমতী, মিত্ৰগুপ্ত, মাতঙ্গগুপ্ত আৰু বিশ্ৰুত নামে চাৰিজন পুত্ৰ জন্মে। তেওঁলোকৰ সৈতে আন পাচজন কোঁৱৰো গোট খায়। পিচত ৰজাৰ পুত্ৰ সকলৰ জন্ম আৰু লালন-পালনৰ কথা অতি বিস্তৃতভাৱে বৰ্ণনা কৰিছে। যথাসময়ত ৰাজকুমাৰসকল ডেকা জীৱনৰ দুৱাৰদলিত ভৰি দিলত, ৰজাই তেওঁলোকক দিগ্বিজয়ৰ অৰ্থে পঠালে। ৰজাৰ বিন্ধ্যপৰ্বতত মাতঙ্গ নামৰ এজন ব্ৰাহ্মণৰ লগত সাক্ষাৎ হয়। মাতঙ্গই ৰজাক পাতালৰ এটা সুৰঙ্গ দ্বাৰেৰে পাতাললৈ লৈ যায়। আন এজন ৰাজকুমাৰে ৰাজবাহনে উজ্জয়িনীলৈ যাত্ৰা কৰাৰ কথা গম নেপালে। তেওঁলোকে শেষত উজ্জয়িনীত ভেটা-ভেটি হ'ব বুলি ভিন্ ভিন্ পথেৰে যাত্ৰা আৰম্ভ কৰিলে। ৰাজবাহনে উজ্জয়িনী পাই সেই দেশৰ ৰাজকুমাৰী অৱন্তিক বিয়া কৰায়। সৰ্বশেষত আটাইবোৰ ৰাজকুমাৰে উজ্জয়িনীতে লগালগি হয়। পিছত তেওঁলোকে মালৱা অধিকাৰ কৰি পুষ্পপুৰলৈ আহি ৰজাক শ্ৰদ্ধা নিবেদন কৰে। জয় কৰা ৰাজ্যসমূহ ৰজাই ৰাজকুমাৰসকলৰ মাজত ভগাই দিয়ে। ৰাজবাহনে পুস্পপুৰ আৰু উজ্জয়িনী ৰাজ্য পায়। ৰাজবাহানৰ নিৰ্দেশত ৰাজকুমাৰসকলে অতি সুচাৰুৰূপে ৰাজ্য পৰিচালনা কৰে। উত্তৰ-পীঠিকাত কোৱা হৈছে যে দশকুমাৰ চৰিতৰ বৃত্তান্তসমূহৰ কাল-পৰিমাণ যোল্ল বছৰ।

**জানি থওঁ আহা**

- দণ্ডী কিৰাতাৰ্জুনীয়মৰ প্ৰণেতা ভাৰৱিৰ বংশধৰ।
- দণ্ডী তিনিখন গ্ৰন্থৰ ৰচয়িতা— অৱন্তীসুন্দৰী, কাব্যাদৰ্শ আৰু দশকুমাৰ চৰিত।
- দশকুমাৰ চৰিতত দহজন কুমাৰ জীৱন বৰ্ণিত আছে।

### ২.৬ গদ্যশৈলী

গদ্যশৈলী বুলি ক'লে সাধাৰণতে এজন গদ্যকাৰৰ তেওঁৰ সৃষ্ট সাহিত্যবিধত প্ৰতিফলিত শব্দচয়ন, বাক্যগঠন, অলংকাৰ, ৰীতি আদিৰ পুংখানুপুংখ অধ্যয়ন আৰু বিশ্লেষণকেই বুজা যায়। গদ্যৰ মূল উপাদান শব্দক উপযুক্ত ভাব প্ৰকাশক হিচাপে উপযুক্ত স্থানত সংস্থাপন কৰাটোও গদ্যকাৰৰ পাৰদৰ্শিতা। একাধিক পদচয়নেৰে কেনো ক্ৰিয়াকৰ্মৰ পূৰ্ণভাৱ বাক্যৰ দ্বাৰা প্ৰকাশিত হয়, য'ত সমাসবদ্ধ, যুক্তাক্ষৰযুক্ত পদাৱলীৰ ব্যৱহাৰো দেখা যায়। অলংকাৰ প্ৰয়োগেৰে যিদৰে মানৱদেহৰ শোভাবৰ্ধন হয়, ঠিক সেইদৰে কাব্যত অলংকাৰৰ প্ৰয়োগে কাব্য সৌন্দৰ্যৰ লগতে তাৰ অৰ্থঘনত্বও বৃদ্ধি কৰে। সংস্কৃত গদ্যৰ ক্ষেত্ৰত গৌড়ী, পাঞ্চালী, বৈদৰ্ভী, লাটী এই চাৰিবিধ ৰীতিৰ প্ৰভাৱেৰে শব্দচয়ন, সমাসৰ প্ৰয়োগ আদি গদ্যত প্ৰতিফলিত হয়। তাৰোপৰি গদ্যৰ বিষয়বস্তুৰ দ্বাৰাও গদ্যকাব্যৰ শৈলী উমান পাব পাৰি।

#### ২.৬.১ সুবন্ধুৰ গদ্যশৈলী

সুবন্ধুৰ ৰচিত বাসবদত্তাৰ বৰ্ণনশৈলী দীৰ্ঘ আৰু কলাত্মক। বৰ্ণনাৰ চমৎকাৰীত্বৰ লগতে শ্লেষৰ প্ৰয়োগে গ্ৰন্থখনিক উৎকৃষ্ট কৰিছে। আখ্যানোপাখ্যান, নাটক, ৰামায়ন, পুৰাণ, মহাভাৰত আদিৰ পৰা সংগৃহীত শ্লেষৰ প্ৰয়োগত টীকাকাৰ সকলো নিমাত হৈ পৰিছে। সেয়ে সুবন্ধুৰ ৰচনাশৈলীত শ্লেষ প্ৰাণস্বৰূপ বুলি কোৱা হয়। অৱশ্যে অনুপ্ৰাস আৰু বক্ৰোক্তিৰ ব্যৱহাৰো তেওঁৰ গ্ৰন্থত দেখা যায়। সুবন্ধুৰ কাব্য গৌড়ীৰীতি প্ৰধান।

**জানি থওঁ আহা**

- ❑ সুবন্ধুৰ ৰচনাত শ্লেষ, বক্ৰোক্তি আৰু অনুপ্ৰাসাদি অলংকাৰৰ প্ৰাচুৰ্য্যতা দেখা যায়।
- ❑ সুবন্ধুৰ কাব্য গৌড়ীৰীতি প্ৰধান।

#### ২.৬.২ বাণৰ গদ্যশৈলী

মূৰ্তিমান সাহিত্য-প্ৰতিভা বুলি পৰিচিত বানভট্টক সোড়ঢলে 'সৰ্বেশ্বৰ' সন্মানেৰে সন্মানিত কৰিছে। প্ৰকৃততে জগতৰ সকলোবোৰ বস্তুকে বানৰ বৰ্ণনাই সামৰি লোৱা বাবে পণ্ডিতসকলে 'বাণোচ্ছিষ্টং জগৎ সৰ্বম্' এই প্ৰশংসাসূচক মন্তব্য আগবঢ়াইছে।

বাণৰ দুয়োখন গদ্য প্ৰধানতঃ পাঞ্চালী ৰীতিৰ যদিও বিষয়বস্তু অনুসাৰে তেওঁ স্বকীয় শৈলী পৰিবৰ্তিত কৰিছে। বিন্ধ্যাটবী-বৰ্ণনা, উজ্জয়িণী-বৰ্ণনা, ইন্দ্ৰায়ুধ-বৰ্ণনাৰ প্ৰশংগত

নিপুনগদ্যকাৰ বাণে গৌড়ী ৰীতিৰো প্ৰয়োগ কৰিছে। বাণভট্টৰ কাব্যত বেদৰ্ভী ৰীতিৰ ব্যৱহাৰো দেখা যায়। উদাহৰণস্বৰূপে 'শুকনাসৰ উপদেশ, মহাশ্বেতা, পুণ্ডৰীক আৰু কাদম্বৰীৰ বিৰহাৱস্থা-বৰ্ণনত প্ৰকাশ পোৱা মৃদুতা বৈদৰ্ভীৰীতিৰেই প্ৰতিফলন। বাণৰ গদ্যত সংস্কৃত গদ্যৰ চাৰিপ্ৰকাৰ ভেদ-মুক্তক, বৃত্তগন্ধী উৎকলিকাপ্ৰায় আৰু চূৰ্ণক প্ৰত্যেকৰেই প্ৰয়োগ বহুল ৰূপত দেখিবলৈ পোৱা যায়। 'নিৰন্তশ্লেষঘনা' এই মতৰ বক্তা বাণৰ গদ্য শ্লেষ প্ৰধান। ইয়াৰোপৰি তেওঁৰ পৰিপক্ক গদ্যত অনুপ্ৰাস, উপমা, ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি, সমাসোক্তি, অৰ্থান্তৰন্যাস, বিৰোধাভাস আদি অলংকাৰৰ প্ৰয়োগ প্ৰধানকৈ পৰিলক্ষিত হয়। থানেশ্বৰৰ ৰাজপ্ৰসাদ আৰু ৰজাৰ প্ৰতিচ্ছবিবোৰ গদ্যকাৰৰ হাতত প্ৰাণ পাই উঠিছিল।

নাৰীৰ সৌন্দৰ্য আৰু পুৰুষৰ আকৃতি বৰ্ণনাত বাণৰ পৈণত পৰ্যবেক্ষণ শক্তিৰ পৰিচয় পোৱা যায়। প্ৰকৃতিবৰ্ণনাত নিপুণ কবি বাণে অংকণ কৰা ৰমণীয় পৰিবেশ সহৃদয় পাঠকৰো কল্পনাত ফট্‌ফটীয়াকৈ ভাহি উঠিছে। বাণৰ গদ্যত একত্ৰ সন্নিবিষ্ট ৰসপ্ৰৱণতা আৰু কলা সৌন্দৰ্য্যই তেওঁৰ বিশাল জ্ঞানৰাশিৰ লগতে পৈণত বৰ্ণনা-চাতুৰ্যও প্ৰকাশ কৰিছে।

**জানি থওঁ আহা**

- বাণৰ গদ্য প্ৰধানত ঃ পাঞ্চালী ৰীতিৰ। অৱশ্যে তেওঁৰ ৰচনাত গোড়ী, বিদৰ্ভী ৰীতিৰো যথোপযুক্ত প্ৰয়োগ দেখা যায়।
- বাণৰ গদ্য শ্লেষপ্ৰধান।

**আত্ম মূল্যায়ণ প্ৰশ্ন**

১) 'বাণোচ্ছিষ্টং জগতসৰ্বম্' কথাফাঁকি বহলাই লিখা।

### ২.৬.৩ দণ্ডীৰ গদ্যশৈলী

গদ্যৰছনাৰে সংস্কৃতভাষা চহকী কৰাসকলৰ অন্যতম দণ্ডী। দণ্ডীৰ গদ্যশৈলী অত্যন্ত সৰল, পৰিস্কাৰ আৰু প্ৰসাদযুক্ত। দণ্ডী বৈদৰ্ভী ৰীতিৰ গদ্যকাৰ য'ত দৰাচলতে সমাঘবদ্ধ পদ আৰু শ্লেষৰ প্ৰয়োগ নহয়। পণ্ডিতসকলৰ মাজত 'দণ্ডিনঃ পদলালিত্যং' এই বাক্যৰেই দণ্ডীৰ প্ৰশংসা দেখা যায়। য'ত পদবিন্যাস অনুপ্ৰাসময় আৰু মনোৰম হয়, তাকেই পদলালিত্য বুলি বুজা যায়। পদসমূহৰ শৃংখলাবদ্ধ আৰু সুন্দৰ উপস্থাপনত দণ্ডীৰ শব্দবিন্যাসৰ চাৰুতা প্ৰদৰ্শিত হৈছে। দীঘলীয়া সমাসৰ প্ৰায়ে অভাৱ হোৱা বাবে দণ্ডীৰ গদ্য চুটি বাক্যৰে সুশোভিত। অৱশ্যে তেওঁৰ লিখনশৈলীত যমক অলংকাৰৰ জমকতাও পৰিলক্ষিত হয়। গদ্যশৈলীৰ শিষ্টতা, স্বাভাৱিকতা আৰু সজীৱতাই দণ্ডিক সংস্কৃত গদ্যৰ ইতিহাসত উচ্চ আসনত ঠাই দিয়াইছে।

**জানি থওঁ আহা**

- দণ্ডীৰ বৈদৰ্ভী ৰীতিৰ গদ্যকাৰ। পদলালিত্য দণ্ডীৰ কাব্যৰ মূল ৰহস্য।
- দশকুমাৰচৰিতৰ প্ৰতিটো পদতে আনুপ্ৰাসিক চমৎকাৰ লক্ষণীয়।

## ২.৭ সাৰাংশ (Summing Up)

সংস্কৃত সাহিত্যত গদ্যাত্মক সাহিত্যৰ উদ্ভৱৰ কাল ৪০০ খ্ৰীষ্টাব্দৰ আগৰ বুলি পণ্ডিতসকলে নিৰ্ণয় কৰিছে। বৈদিক সংহিতা, আৰণ্যক, উপনিষদ, পুৰাণ, মহাভাৰত, উপাকথাসমূহ আৰু বেদাংগ সাহিত্যটো গদ্যৰ ব্যৱহাৰ হৈছিল যদিও একছেটিয়াভাৱে গদ্যকাব্যৰ উদ্ভৱ পৰৱৰ্তী কালতহে হৈছিল। বৰ্তমান উপলব্ধ গদ্যকাৰসকলৰ ভিতৰত সুবন্ধুৱেই জ্যেষ্ঠ। তেওঁৰ গদ্যকাব্য বাসবদত্তা এখন কথাকাব্য, য'ত কুসুমপুৰৰ ৰজা শৃংগাৰশেখৰ আৰু ৰাণী অনঙ্গৱতীৰ পুত্ৰী বাসবদত্তা আৰু কন্দৰ্পকেতুৰ প্ৰণয় কথা বৰ্ণিত আছে। বাসবদত্তা গ্ৰন্থত দীঘলীয়া বৰ্ণনাই গদ্যকাব্যৰ প্ৰাচীন শাস্ত্ৰসমূহৰ বিস্তৃত অধ্যয়নৰো ইংগিত দিয়ে। সুবন্ধুৱে নিজৰ গ্ৰন্থৰ প্ৰস্তাৱনাতেই তেওঁৰ কাব্যত শ্লেষৰ প্ৰাধান্যতাৰ ইংগিত দিছে। কবিৰাজ নামৰ পণ্ডিতজনে গদ্যত বক্ৰোক্তিৰ প্ৰাধান্যতাৰ বাবে সুবন্ধুক ভূয়সী প্ৰশংসা কৰিছে। দীৰ্ঘসমাসবদ্ধ পদ, যুক্তাক্ষৰবদ্ধপদ আৰু শ্লেষাত্মক পদৰ প্ৰয়োগেৰে সুবন্ধুৰ বাসবদত্তাত গোড়ীৰীতিৰ প্ৰাধান্য পৰিলক্ষিত হয়।

সম্ৰাট হৰ্ষবৰ্দ্ধনৰ পৃষ্ঠপোষকতা লাভ কৰি গদ্য ৰচনাৰে স্বনাম জিলিকোৱা নিপুণ গদ্যলেখক বাণভট্টক 'হৃদয়বসতিঃ পঞ্চবাণস্তু বাণঃ' অৰ্থাৎ কবিতাৰূপিনী কামিনীৰ হৃদয়ত বাস কৰা মদন বুলি কবি জয়দেৱে উল্লেখ কৰিছে। সাহিত্যসৃষ্টিত সকলো বিষয়ৰ অভিজ্ঞতা আৰু জ্ঞানৰাশিৰ যথোপযুক্ত প্ৰয়োগেৰে তেওঁ পৰৱৰ্তী গদ্যলেখকৰ উপজীব্য হৈ পৰিছে।

'গদ্য কবীনাং নিকষং বদন্তি' অৰ্থাৎ গদ্য কবিসকলৰ কষটিশীলা— এই জনশ্ৰুতি অনুসৰি গদ্য ৰচনাৰে প্ৰখ্যাত হোৱাটো একেবাৰেই সহজসাধ্য নাছিল। কিন্তু অপৰিসীম বৰ্ণনাশক্তি, চৰিত্ৰ-চিত্ৰণত নিখুত আৰু শব্দসম্ভাৰৰ প্ৰাচুৰ্য্যতাই বাণভট্টক গদ্যসাহিত্যৰ 'সৰ্বেশ্বৰ' হৈ পৰিছিল।

আখ্যায়িকা হিচাপে প্ৰসিদ্ধ হৰ্ষচৰিত এখন ঐতিহাসিক গ্ৰন্থ য'ত সেই সময়ৰ ভাৰতৰ ৰাজনৈতিক জীৱনৰপৰা সামাজিক, বৌদ্ধিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ হুবহু চিত্ৰ চিত্ৰিত কৰিছে দক্ষ বাণভট্টই।

পৰিপক্ক হাতেৰে লিখি উলিওৱা কথাকাব্য কাদম্বৰীৰে গদ্যকাব্যৰ সকলো লক্ষণ সামৰি লৈছে। কল্পনা আৰু বৰ্ণনাৰ সঠিক প্ৰকাশ, ভাষা আৰু ভাবৰ পৰস্পৰ সম্পৰ্ক, অলংকাৰ

আৰু ৰসৰ যথাযথ সমাৱেশৰে কাদম্বৰী সংস্কৃত গদ্যসাহিত্যৰ এক অদ্বিতীয় কাব্য। শ্ৰীহৰ্ষৰ পৃষ্ঠপোষকতাত শান্তিৰে কাল অতিবাহিত কৰি বাণে এই কাব্য ৰচিছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে গ্ৰন্থখনিৰ সমাপ্তি নৌহওঁতেই বাণে ইহ সংসাৰ ত্যাগ কৰে। অৱশ্যে পুত্ৰ ভূষণভট্টই কাদম্বৰীৰ কাহিনীভাগ সমাপ্ত কৰে। বাণভট্টই কাদম্বৰীৰ কাহিনীৰ অৱলম্বন হিচাপে গুণাঢ্যৰ বৃহৎ কথাৰ কাহিনীৰ ওপৰত ৰচিত 'কথাসৰিৎসাগৰ' গ্ৰন্থৰ দশম লম্বকৰ ত্ৰয়োধস তৰঙ্গত বৰ্ণিত কাহিনী গ্ৰহণ কৰিছে। বাণভট্টই অতুলনীয় প্ৰতিভা, অভিজ্ঞতা আৰু নৈপুণ্যতাৰে কাদম্বৰীক এখন উৎকৃষ্ট কাব্যৰূপে সৃষ্টি কৰিছে। মহাশ্বেতা আৰু পুণ্ডৰীক, কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ প্ৰণয় কাহিনীক কেন্দ্ৰ কৰি কাদম্বৰীৰ কাহিনীভাগ সজোৱা হৈছে। বাণৰ সূক্ষ্ম নিৰীক্ষণ শক্তি আৰু বৰ্ণনা নৈপুণ্যৰ বলত কাদম্বৰীৰ প্ৰতিটো বৰ্ণনাই পাঠকৰ হৃদয়স্পৰ্শী হৈছে। কাদম্বৰীত নানাবিধ ৰসৰ অপূৰ্ণ সংমিশ্ৰণ ঘটিছে। সেয়ে বাণৰ গদ্য 'ৰসভাৱবতী' অৰ্থাৎ ৰস আৰু ভাৱ-প্ৰকাশক সাহিত্য হিচাপে প্ৰখ্যাত। পণ্ডিত সমাজত উৎকৃষ্ট কাব্যৰূপে সমাদৃত কাদম্বৰী গ্ৰন্থৰ প্ৰাচীন আৰু অৰ্বাচীন বহু টীকা পোৱা যায়।

সুললিত শব্দবিন্যাসেৰে গদ্যৰাজীক চৰম পৰ্যায়লৈ উন্নীত কৰা দণ্ডীৰ দশকুমাৰ চৰিত কাব্য গদ্যত্ৰয়ৰ অন্যতম। ঘটনাবহুল কাহিনীৰে ৰচিত এই গদ্য সংযত, প্ৰবাহময় আৰু মনোৰম। সৰল শৈলীৰে দণ্ডীয়ে দশকুমাৰ চৰিতত অনেক বিচিত্ৰ আৰু বিপৰীতধৰ্মী লোকচৰিত্ৰ চিত্ৰিত কৰিছে।

সংস্কৃত গদ্যৰ ধাৰা সুবন্ধু, দণ্ডী আৰু বাণভট্টৰ সৃষ্টিৰাজিতেই স্তব্ধ নহৈ পৰৱৰ্তী কাললৈও সম্প্ৰসাৰিত হৈছে। তাৰেই সাক্ষী হিচাপে ধনপালৰ তিলকমঞ্জৰী, বাদীভসিংহৰ গদ্যচূড়ামণি, সোড়ঢলৰ উদয়সুন্দৰী, বামণভট্টৰ বেমভূপালচৰিত আদি গদ্যসমূহ উপলব্ধ। অব্যাবধি সংস্কৃত ভাষাত গদ্যকাব্যৰ লিখিত পৰম্পৰা প্ৰচলিত হৈ আছে। উদাহৰণস্বৰূপে অভিৰাজ ৰাজেন্দ্ৰমিশ্ৰৰ নাম উল্লেখযোগ্য।

### ২.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। সংস্কৃত গদ্যসাহিত্যৰ উৎস সম্বন্ধে এটি টোকা লিখা।

২। কথা আৰু আখ্যায়িকা লক্ষণসমূহ লিখা।

৩। সংস্কৃত গদ্যৰ চাৰি লক্ষণৰ বিষয়ে লিখা।

৪। 'বাণোচ্ছিষ্ট জগৎসৰ্বম' কথাষাৰ বহলাই লিখা।

৫। 'দণ্ডিনঃ পদলালিতং' উক্তিৰ যথাৰ্থ ব্যাখ্যা কৰা।

৬। বৰ্তমান উপলব্ধ গদ্যকাৰ আৰু গদ্যকাব্যৰ চমু আলোচনা আগবঢ়োৱা।

২.৯ প্ৰসংগ গ্ৰন্থ **(References/Suggested Readings)**

১। সংস্কৃত সাহিত্য ইতিবৃত্ত — ড° থানেশ্বৰ শৰ্মা

২। সাহিত্য দৰ্পন— বিশ্বনাৰায়ণ শাস্ত্ৰী

৩। A Concise History of Classical Sanskrit Literature by Gaurinath Sastri

## চতুৰ্থ বিভাগ
## সংস্কৃত গদ্যকাব্যৰ বিশেষ শৈলী

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলী
৪.৪ সংস্কৃত সাহিত্যৰ সুপ্ৰসিদ্ধ গদ্য কাব্য সমূহৰ চমু পৰিচয় আৰু কাব্যিক বৈশিষ্ট্য
৪.৫ সাৰাংশ (Summing Up)
৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৭ প্ৰসঙ্গ গ্ৰন্থ(References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

সংস্কৃত সাহিত্যত গদ্য সাহিত্যয়ো এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত সংস্কৃত ভাষাত বিৰচিত ঋগ্‌বেদ পৃথিৱীৰ প্ৰাচীনতম সাহিত্য। ঋগ্‌বেদৰ মন্ত্ৰসমূহ পদ্যাত্মক। বৈদিক সংহিতা সাহিত্যতে গদ্য সাহিত্যৰ বীজ অংকুৰিত হৈছিল বুলি ক'ব পৰা যায়। পৰবৰ্তীকালত ব্ৰাহ্মণ সাহিত্য, উপনিষদ, কল্প সাহিত্য, দৰ্শনৰ ভাষ্যসমূহ, শিলালেখ, তাম্ৰলিপি ইত্যাদি বিভিন্ন সময়ত বিভিন্ন কৃতিৰ মাধ্যমেৰে প্ৰবাহিত হৈ সুবন্ধু, দণ্ডী, বাণভট্ট আদি প্ৰসিদ্ধ গদ্যকাৰসকলৰ অমূল্য কৃতিৰ অম্লান কীৰ্ত্তিৰে সংস্কৃত গদ্য সাহিত্য সুসমৃদ্ধ তথা প্ৰাচুৰ্য্যময়। দৰাচলতে সুবিশাল সংস্কৃত বাঙ্ময়ত কাব্য শব্দটোৰে পদ্যাত্মক আৰু গদ্যাত্মক সকলো ধৰণৰ ৰচনাকে সামৰি লোৱা হয়। সেয়ে পদ্যাত্মক ৰচনাশৈলীৰে সুপ্ৰসিদ্ধ কাব্য ৰচনা কৰি মহাকবি কালিদস যিদৰে অনন্য ঠিক তেনেদৰে সুপ্ৰসিদ্ধ গদ্য ৰচনা কৰি গদ্যকাৰ বামভট্টও অতুলনীয়।

### ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগত সংস্কৃত গদ্য সাহিত্যৰ এক সামগ্ৰিক ৰূপৰেখা দাঙি ধৰিবলৈ যত্ন কৰা হৈছে —

- গদ্যৰ স্বৰূপ সম্বন্ধে আলোচনা কৰা হ'ব
- সংস্কৃত গদ্য সাহিত্যৰ প্ৰাচীনতা আৰু পৰম্পৰা সম্বন্ধে জানিবলৈ সক্ষম হ'ব
- সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলীৰ বিষয়ে অৱগত হ'ব
- সংস্কৃত সাহিত্যৰ সুপ্ৰসিদ্ধ গদ্য কাব্য সমূহৰ চমু পৰিচয় আৰু সেই সমূহৰ কাব্যিক বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ব পাৰিব।

## ৪.৩ গদ্য সাহিত্যৰ স্বৰূপ

সংস্কৃত সাহিত্যত 'কাব্য' শব্দৰ অৰ্থ আৰু পৰিসৰ ব্যাপক। 'কৰোৰিদং কৰ্ম কাব্যম্' — এইদৰে কবিৰ কৰ্মকে কাব্য বুলি ক'ব পৰা যায় কাব্য শব্দৰ ব্যুৎপত্তিৰ ফালৰ পৰা। এইখিনিতে প্ৰশ্ন হয় কবিৰ সকলো কৰ্ম জানো কাব্য বুলি ক'ব পৰা যাব? সংস্কৃত অলঙ্কাৰ শাস্ত্ৰসমূহত কাব্যৰ স্বৰূপ সম্বন্ধে সুবিস্তৃত আলোচনা উপলব্ধ হয়। শব্দাৰ্থময় কাব্য শৰীৰত ৰসকে আত্মা হিচাপে স্বীকাৰ কৰা সাহিত্য দৰ্পণকাৰ বিশ্বনাথ কবিৰাজে 'বাক্যং ৰসাত্মাকং কাব্যম্' সংজ্ঞাৰে কাব্যৰ সংজ্ঞা আগবঢ়ায়। এই সংজ্ঞাৰে কাব্যৰ পৰিসৰে সুশৃঙ্খলিত মৰ্য্যদা লাভ কৰে।

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰসমূহত কাব্যৰ বিভাজন সম্পৰ্কে আলোচনা উপলব্ধ হয়। ভামহ, দণ্ডী, বামন, হেমচন্দ্ৰ, বিশ্বনাথ কবিৰাজ আদি আলঙ্কাৰিক সকলে কাব্যৰ বিভাজনৰ ওপৰত সুবিস্তৃত আলোচনা আগবঢ়াইছে। প্ৰায়বোৰ আলঙ্কাৰিকে কাব্যৰ গদ্য আৰু পদ্যৰ এই দুটা ভাগ স্বীকাৰ কৰিছে। কাব্যৰ বিভাজন সম্পৰ্কে বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণৰ ষষ্ঠ পৰিচ্ছেদত প্ৰদত্ত কাব্যৰ বিভাজনৰ সংক্ষিপ্ত আভাস দাঙি ধৰা হ'ল। কাব্য বাঙ্ময়ক দৃশ্য আৰু শ্ৰব্য ভেদে দুটা ভাগত ভাগ কৰা হৈছে। অভিনয়ৰ যোগ্য কাব্য দৃশ্য আনহাতে পঠন, পাঠন তথা শ্ৰৱণৰ যোগ্য কাব্য শ্ৰব্য। এই শ্ৰব্য কাব্যক গদ্যময়, পদ্যময় আৰু মিশ্ৰ ভেদে তিনি ভাগত ভাগ কৰা হৈছে। ছন্দোৰদ্ধ কৰি পদ্যত ৰচনা কৰা কাব্যই হৈছে পদ্যকাব্য — "ছন্দোৰদ্ধপদং পদ্যম্" — (সাহিত্য দৰ্পণ -৬)। আকৌ ছন্দাবিহীন ৰচনা হৈছে গদ্য "বৃত্তগন্ধোজ্ঝিতং গদ্যম্" — (সাহিত্য দৰ্পণ-৬)। গতিকে পদ্য আৰু গদ্যৰ পাৰ্থক্যৰ বিষয়ে বুজিব পৰা গ'ল।

## ৪.৫ সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলী

সংস্কৃত সাহিত্যত গদ্যতকৈ পদ্যাত্মক ৰচনাৰ প্ৰাচুৰ্য্য দেখা যায়। ছন্দোৰদ্ধ ৰচনা হৈছে পদ্য আনহাতে ছন্দবিহীন ৰচনা হৈছে গদ্য। পদ্যৰ শ্ৰুতিমাধুৰ্য্যই সহজতে পাঠকক আকৰ্ষণ কৰিব পাৰে। পদ্য মনত ৰাখিবলৈ সহয়। সেয়ে শ্ৰুতি মাধ্যমেৰে পদ্যৰ গতিদশীলতা তথা জনপ্ৰিয়তা অধিক। আকৌ পদ্য ছন্দৰ নিয়মেৰে শৃঙ্খলিত। মাত্ৰা ছন্দই হওঁক বা বৰ্ণবৃত্তই হওঁক দুয়োবিধতে সুনিৰ্দিষ্ট বৰ্ণৰ সংখ্যা থাকিব লাগে। লঘু-গুৰু বৰ্ণৰ সীমাৰেখা অতিক্ৰম কৰিব নোৱাৰে কবিয়ে। আনহাতে যতি বা বিৰামৰ কথা আছে। এনেবোৰ নিয়মৰ ৰজ্জুৰে বান্ধি থোৱা কবি বাণী প্ৰায়েই অৱৰুদ্ধ হ'ব লগা হয়। কবি গৰাকী যেন স্বতন্ত্ৰ নহয়, সুনিৰ্দিষ্ট নিয়মৰ অধীন। আনহাতে ইয়াৰ সম্পূৰ্ণ বিপৰীত ক্ষেত্ৰভূমি হৈছে গদ্য। গদ্যত যেন কবি মুক্ত। কবিয়ে কাব্য কলাৰ পূৰ্ণ প্ৰয়োগ ঘটাব পাৰে গদ্যভূমিত। গদ্যকাৰ সকলেও পদ্যকাব্যৰ লালিত্য, মাধুৰ্য্য আনিবলৈ আনুপ্ৰাসিক গদ্য আৰু দীৰ্ঘ সমাসৰ প্ৰয়োগৰ দ্বাৰা গদ্যকাব্য ৰচনা কৰিবলৈ ধৰিলে। সাধাৰণ গদ্যকাব্যত কাব্যিক গুণ সম্পন্ন বাক্য প্ৰয়োগ হ'ল। গদ্যকাৰ সকলে লোককথা সমূহৰ পৰা বিষয়বস্তু আহৰণ কৰি কবি কল্পনাৰ প্ৰাচুৰ্য্যৰে অলঙ্কাৰ, গুণ, ৰীতি আদি কাব্যিক উপাদান সমৃদ্ধ

গদ্য কাব্য ৰচিত কৰিব ধৰে ছন্দবিহীন গদ্যত কাব্যিক কমনীয়তা ফুটাই তোলাটো সহজ সাধ্য কৰ্ম নাছিল। পদ্যতকৈ অধিক প্ৰযত্নৰে কাব্যিক মৰ্য্যদাৰে আকৰ্ষণীয় গদ্য ৰচনা কৰা কাৰ্য্য কবিসকলৰ বাবে কষ্ট সাধ্য কৰ্ম আছিল। এনেবোৰ প্ৰসঙ্গতে আলঙ্কাৰিক ৰামনে এযাৰ লোকোক্তি উল্লেখ কৰিছিল 'ক্যাব্যালঙ্কাৰসূত্ৰ বৃত্তি' গ্ৰন্থত — "গদ্যং কৱীনাং নিকষং ৰদন্তি।" অৰ্থাৎ গদ্যই হৈছে কবিসকলৰ কষটি শিল। গদ্যতহে কবিসকলৰ প্ৰতিভা পৰীক্ষা কৰা হয় যিদৰে কষটি শিলত সোণৰ বিশুদ্ধতা নিৰূপিত হয়। এই ধৰণৰ এক ধাৰণা থকা হেতুকে সম্ভৱত সংস্কৃত বাঙ্ময়ত পদ্যাত্মক কাব্যতকৈ গদ্যকাব্যৰ ক্ষেত্ৰখন সীমিত হৈছিল। এইখিনিতে ক'ব পৰা যায় যে ৰামনে উদ্ধৃত কৰা বাক্যশাৰীত তদানীন্তন কালৰ কবিসকলৰ ধাৰণাৰ প্ৰতিফলন ঘটিছে। সেয়ে ই এক বিশ্বজনীন অভিমত হ'ব নোৱাৰে। সময়ৰ গতিৰ লগে কবিৰ সৃষ্টি প্ৰবাহো গতিশীল হয় আৰু ই এক নিত্যান্তই স্বাভাৱিক প্ৰক্ৰিয়া।

সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলী প্ৰসঙ্গত পোন প্ৰথমতেই ক'ব লাগিব ছন্দবিহীন ৰচনা হৈছে গদ্য। এই প্ৰসঙ্গত দণ্ডীয়ে কাব্যাদৰ্শত প্ৰদত্ত গদ্যৰ সংজ্ঞা — "অপাদঃ পদসন্তানোগদ্যম্' অৰ্থাৎ পাদ (চতুষ্পদী পদ্যৰ অন্যতম অঙ্গ, ছন্দ নিৰ্ণয়ৰ বাবে অপৰিহাৰ্য্য অংশ য'ত গুৰু বৰ্ণ অথবা মাত্ৰা নিৰ্ণয় কৰা হয়) বিহীন পদসমূহকে গদ্য বুলি কোৱা হয়। ঠিক তেনেদৰে বিশ্বনাথৰ সাহিত্য দৰ্পণতো "বৃত্তগন্ধোজ্ঝিতং গদ্যম' — বুলি গদ্যৰ সংজ্ঞা উপলব্ধ হয়। এই গ্ৰন্থতো স্পষ্টকৈ কোৱা হৈছে যে ছন্দোবদ্ধ কৰি পদ্যত ৰচিত ৰচনা পদ্য আনহাতে ছন্দবিহীন ৰচনা গদ্য।

সংস্কৃত গদ্যৰ বীজ বৈদিক সাহিত্যতে অঙ্কুৰিত হৈছিল। বৈদিক সাহিত্যৰ গদ্য সহজ-সৰল কথোপকথনৰ আৰ্হিৰ দেখা গৈছিল। বৈদিক সাহিত্যৰ গদ্যত চুটি চুটি বাক্য দেখা গৈছিল। সমাসৰ প্ৰয়োগ লৌকিক সংস্কৃতৰ তুলনাত বহু কম আছিল। 'হ', 'বৈ', 'উ' আদি অব্যয় সমূহ বাক্যালংকাৰৰূপে ব্যৱহৃত হৈছিল। উপমা, ৰূপক আদি সহজ বোধগম্য অলঙ্কাৰৰ প্ৰয়োগ উপলব্ধ হয়। উদাহৰণ স্বৰূপে বৈদিক সাহিত্য গদ্যৰ দুই এটা নিদৰ্শন দিয়া হ'ল —

(ক) তদেকমভৱৎ, তল্ললামমভৱৎ, তন্নমহদভৱৎ; তজ্জেষ্ঠমভৱৎ, তদ ব্ৰহ্মাভৱৎ, তত্তপোহৱৎ, তৎসত্যমভৱৎ, তেন প্ৰজায়ত (অথৰ্ব, ১৫ কাণ্ড, ১ সূক্ত)

(খ) অগ্নিৰ্বৈ দেৱানামৱমো ৱিষ্ণুঃ পৰমস্তদন্তৰেণ সৰ্বা অন্যা দেৱতা। (ঐতৰেয় ব্ৰাহ্মম- ১)

(গ) য়ত্ৰ নানাৎ পশ্যতি নান্যচ্ছৃণোতি নান্যদ ৱিজানাতি তদ্‌ভূমা। অথ য়ত্ৰান্যৎ পশ্যতি অন্যচ্ছৃনোতি অন্যদ্বিজানাতি তদল্পং য়ো বৈ ভূমা তদমৃতমথ য়দল্পং তন্মৰ্ত্যম্।"
(ছান্দোগ্য উপনিষদ ৭।২৪)

পুৰাণৰ যুগৰ গদ্যত বৈদিক আৰু লৌকিক সংস্কৃতৰ সংমিশ্ৰণত প্ৰসাদ গুণযুক্ত গদ্য শৈলী উপলব্ধ হয়। উদাহৰণস্বৰূপে বিষ্ণুপুৰাণৰ কিয়দংশ উদ্ধৃত কৰা হ'ল —

"শৰ্য্যাতেঃ নাম সুকন্যা নামাভৱৎ। যামুপয়েমে চ্যৱনঃ। আনৰ্ত্তশ্চ নাম ধাৰ্মিকঃ শৰ্য্যাতি পুত্ৰোহৱৎ। আনৰ্ত্তস্যাপি ৰেৱতো নাম পুত্ৰো জজ্ঞে।" (বিষ্ণুপুৰাণ ৪।১)

উদ্ধৃত গদ্যাংশত সহজ সৰল চুটি চুটি বাক্য দেখা গ'ল। আকৌ একেখন পুৰাণত সমাস বহুল উপমাদি অলঙ্কাৰ সমৃদ্ধ গদ্যাংশত উপলব্ধ হয় —

'পাতালে চাশ্বং পৰিভ্ৰমন্তমৰণীপতিনন্দনাস্তে দদৃশুঃ। নাতিদুৰস্থিতঞ্চ ভগৱন্তমপঘনে শৰৎকালে-হৰ্কমিৱ তেজোভিৰনৱৰতমুৰ্দ্ধমধশ্চাশেষদিশশ্চোদ্ভায়মানং কপিলৰ্ষিমপশ্যন্।'

(বিষ্ণুপুৰাণ ৪।৪।১০)

লাহে লাহে গদ্যকাব্যত সমাস বহুলতা অন্যতম বৈশিষ্ট্য হিচাবে পৰিগণিত হোৱা দেখা যায়। ওজঃ গুণৰ সমুপস্থিতিত গাঢ়বন্ধ, অলঙ্কাৰ বহুল ৰচনা গদ্যৰ বৈশিষ্ট্যৰূপে পৰিগণিত হোৱা দেখা যায়। সেয়ে আলঙ্কাৰিক দণ্ডীয়ে কাব্যাদৰ্শত ওজঃগুণৰ সংজ্ঞা প্ৰসঙ্গত কৈছিল — 'ওজঃ সমাসভূয়স্ত্বমেতদ্ গদ্যস্য জীৱিতম্' — অৰ্থাৎ সমাস বহুলতা ওজঃ গুণৰ লক্ষণ, ই হৈছে গদ্যৰ প্ৰাণ। উল্লেখযোগ্য যে গদ্য সাহিত্যৰ স্বৰ্ণ যুগতে দণ্ডীৰো আবিৰ্ভাৱ ঘটিছিল আৰু সুবন্ধু, বাণভট্টাদিৰ ৰচনাত গদ্যৰ এই বৈশিষ্ট্যৰ পদে পদে নিদৰ্শন দেখা যায়।

এইখিনিতে উল্লেখ কৰিব পৰা যায় যে গদ্য সাহিত্যৰ সমাস বহুলতা, অলঙ্কাৰৰ প্ৰাচুৰ্য্য, গাঢ়বন্ধতাদি বৈশিষ্ট্য যদিও গদ্যসাহিত্যৰ প্ৰসিদ্ধ কাব্যসমূহত অতিশয় চমৎকাৰ পূৰ্ণ ৰূপত উপলব্ধ হয় কিন্তু প্ৰাচীন শিলালিপি সমূহৰ গদ্যাংশতো এই বৈশিষ্ট্য দেখা যায়। উদাহৰণ স্বৰূপে পশ্চিম ভাৰতৰ মহাক্ষত্ৰপ ৰুদ্ৰদামনৰ গিৰ্নাৰ শিলালেখৰ নাম ল'ব পৰা যায়। উদাহৰণ স্বৰূপে কিয়দংশ উদ্ধৃত কৰা হ'ল —

"য়থাৱদৰ্থধৰ্ম ব্যৱহাৰ দৰ্শনেৰনুৰাগমভিবৰ্দ্ধয়তা শক্তেন দান্তেনাচপলেনাৱিস্মিতেনাৰ্য়ে নাহাৰ্য়েন স্বধিষ্ঠিতা ধৰ্ম কীৰ্তিয়শাংসি ভৰ্তুৰভিৱৰ্দ্ধয়তানুষ্ঠিতমিতি।" (ৰুদ্ৰদামন, গিনীৰ শিলালেখ)

এনে গদ্য শৈলী অনুধাৱন কৰিলে গদ্য সম্ৰাট বাণভট্টৰ ৰচনাশৈলীৰ প্ৰতিফলন ঘটা যেন লাগে কিন্তু উল্লেখনীয় এয়ে যে এইখন শিলালেখ বাণভট্টৰ আৰ্বিভাৱ কালৰ প্ৰায় ৫০০ বছৰ পূৰ্বত অৰ্থাৎ ১৫০ খ্ৰীষ্টাব্দত খোদিত কৰা হৈছিল বুলি ঐতিহাসিক তথ্য উপলব্ধ হয়। তেনেদৰে কবি হৰিষেন কৃত সম্ৰাট সমুদ্ৰগুপ্তৰ প্ৰয়াগ প্ৰশস্তিটো সমাস বহুল গদ্য শৈলী দেখা যায়।

কাব্যৰ অন্যতম নিদৰ্শন হিচাবে গদ্য কাব্যতো বিশেষকৈ সুবন্ধু, বাণভট্ট, দণ্ডী প্ৰভৃতি গদ্যকাৰ সকলৰ ৰচনাত বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আদি ৰীতিসমূহৰ প্ৰাচুৰ্য্য দেখা গ'ল। সুবন্ধু, বাণভট্ট, কবিৰাজ — এই তিনিগৰাকীক বক্ৰোক্তি মাৰ্গ নিপুণ বুলি অভিহিত কৰি প্ৰশংসামূলক প্ৰসিদ্ধ শ্লোক উপলব্ধ হয় —

সুবন্ধুৰ্বাণভট্টশ্চ কৱিৰাজ ইতি ত্ৰয়ঃ।
বক্ৰোক্তি মাৰ্গনিপুণাশ্চতুৰ্থো ৱিদ্যতে ন ৱা।।

(ৰাঘৱপাণ্ডৱীয়ম্ ১।৪১)

তেনেদৰে, বাণভট্টৰ পাঞ্চালী ৰীতিৰ প্ৰয়োগত থকা নিপুনতা সম্বন্ধে উপলব্ধ হয় —

শব্দাৰ্থয়োঃ সমো গুম্ভঃ পাঞ্চালীৰীতিৰিষ্যতে।

শীলাভট্টাৰিকাৰাচি ৰানোক্তিষু চ সা য়দি।।

এনেবোৰ প্ৰসিদ্ধ শ্লোকৰ পৰা যথাৰ্থতেই সংস্কৃত গদ্যৰ বৈশিষ্ট্য তথা শৈলীৰ আভাস পোৱা যায়। আকৌ পদ লালিত্য পূৰ্ণ ৰচনাৰে গদ্যকাৰ দণ্ডীয়ে এক বিশেষ স্থান অৰ্জন কৰিছিল। সেয়ে সংস্কৃত সাহিত্যত অতি সুপৰিচিত শ্লোক এফাঁকি উপলব্ধ হয় —

উপমা কালিদাসস্য ভাৰৱেৰৰ্থ গৌৰৱম।

দণ্ডিনঃ পদ লালিত্যং মাঘে সন্তি ত্ৰয়োগুণাঃ।।

লালিত্যময়, অনুপ্ৰাসিক শব্দ বিণ্যাসৰ চাতুৰ্য্যৰ বাবে দণ্ডীৰ গদ্যৰ এই প্ৰসিদ্ধ পৰিলক্ষিত হয়।

সংস্কৃত গদ্যৰ প্ৰকাৰ প্ৰসংগত বিশ্বনাথ কৱিৰাজে সাহিত্য দৰ্পণত মুক্তক, বৃত্তগন্ধী, উৎকলিকা প্ৰায় আৰু চূৰ্ণক — এই চাৰিবিধ গদ্যৰ উল্লেখ কৰিছে। সমাসবিহীন সহজ সৰল গদ্য হৈছে মুক্তক। সাধাৰণতে কথোপকথন, উপদেশ প্ৰদান, প্ৰেম, বিৰহাৱস্থা আদি বৰ্ণনাতে এই ধৰণৰ গদ্য দেখা যায়। কোনো ছন্দৰ চৰন বিশেষেৰে নিৰ্মিত পক্তিযুক্ত গদ্য বৃত্তগন্ধী, দীৰ্ঘসমাস বদ্ধ পদযুক্ত গদ্য উৎকলিকাপ্ৰায় আৰু লঘু সমাস যুক্ত পদ; কোমল আৰু মধুৰ পদৰ প্ৰয়োগত ৰচিত গদ্য চুৰ্ণক শ্ৰেণীৰ। এনে বিভাজনৰ পৰাও গদ্যৰ বৈশিষ্ট্য আৰু শৈলীৰ বিষয়ে জানিব পৰা যায়।

**জানি থওঁ আহা**

ছন্দোৱদ্ধ ৰচনা হৈছে পদ। ছন্দবিহীন ৰচনা গদ্য। পদ্য শ্ৰুতিমাধুৰ্য্য আৰু গতিশীলতাই সহজে পাঠকক আকৰ্ষিত কৰে। গদ্য কথোপকথনৰ দৰে মুক্ত। পদ্যত ছন্দৰ বান্ধোন আছে। ‘গদ্যং কবীনাং নিকষং ৱদন্তি’ — বামনৰ কাব্যলঙ্কাৰ সূত্ৰবৃত্তিত উল্লেখিত জনপ্ৰিয় লোকোক্তি।

বৈদিক সাহিত্যৰ গদ্যত সমাসৰ ব্যৱহাৰ কম আছিল, ক্ৰমে ক্ৰমে সমাসবহুলতা গদ্যৰ অন্যতম বৈশিষ্ট্য হৈ পৰে।

**অগ্ৰগতিৰ খতিয়ান**

**১ নং প্ৰশ্ন ঃ** সংস্কৃত গদ্য আৰু পদ্যৰ সাধাৰণ বৈশিষ্ট্য কি?

**২ নং প্ৰশ্ন ঃ** ‘গদ্যং কবীনাং নিকষং ৱদন্তি’ — উক্তি ফাঁকিৰ তাৎপৰ্য্য ব্যাখ্যা কৰক।

**৩ নং প্ৰশ্ন ঃ** সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলীৰ ওপৰত বিস্তৃত আলোচনা যুগুত কৰক।

## আত্মমূল্যায়ণ প্ৰশ্ন

**১ নং প্ৰশ্ন ঃ** সংস্কৃত গদ্যৰ বীজ বৈদিক সাহিত্যত অঙ্কুৰিত হৈছিল বুলি ভাৱেনে? যুক্তিসহ প্ৰমাণ কৰি দেখুৱাওক।

**২ নং প্ৰশ্ন ঃ** 'ওজঃ সমাসভূয়স্তমেতদ্ গদ্যস্য জীৱিতম' কথাষাৰৰ যুক্তিযুক্ততা প্ৰমাণ কৰি দেখুৱাওক।

## ৪.৬ সংস্কৃত সাহিত্যৰ সুপ্ৰসিদ্ধ গদ্যকাব্য সমূহৰ চমু পৰিচয় আৰু কাব্যিক বৈশিষ্ট্য

সংস্কৃত গদ্য কাব্যৰো পদ্যকাব্যৰ দৰে সোণালী অধ্যায় উপলব্ধ হয়। অলঙ্কৃত গদ্য শৈলী পূৰ্ণ গদ্যকাব্যকাৰ সকলৰ ভিতৰত সুবন্ধুৰ নাম প্ৰথমতে লোৱা হয়। সুবন্ধুৰ একমাত্ৰ প্ৰসিদ্ধ গদ্য কাব্য হৈছে 'ৱাসৱদত্তা'। ৱাসৱদত্তা কথা শ্ৰেণীৰ অন্তৰ্গত উৎকৃষ্ট গদ্য কাব্যৰ নিদৰ্শন। সুবন্ধুৰ আৰ্বিভাৱ কাল সম্বন্ধে ভিন্ন অভিমত উপলব্ধ হয়। কিছুমানে সুবন্ধুক বাণভট্টৰ পৰবৰ্তী আৰু আন কিছুমানে পূৰ্ববৰ্তী বুলি ক'ব খোজে। বাণভট্টই 'হৰ্ষচৰিতম'ৰ প্ৰাৰম্ভত 'ৱাসবদত্ত'ৰ প্ৰশংসা কৰিছে —

কৱীনামগলদ্দৰ্পো নুনং ৱাসৱদত্তয়া।
শক্তোৱ পাণ্ডুপুত্ৰাণাং গতয়া কৰ্ণগোচৰম।।

বাণভট্টই ৱাসৱদত্তা নামৰ কাব্যৰ দ্বাৰা কবীসকলৰ দৰ্প চূৰ্ণ হোৱা কথা কৈছে। সম্ৰাট হৰ্ষবৰ্দ্ধনৰ (৬০৬-৪৮ খ্ৰীষ্টাব্দ) সভাপণ্ডিত হোৱা বাবে বাণভট্টৰ আৰ্বিভাৱ কালৰ বিষয়ে অনুমান কৰিব পৰা যায়। সেয়ে বাণৰ পূৰ্ববৰ্তী হিচাবে সুবন্ধুৰ সময় ৫০০-৬০০ খৃষ্টাব্দৰ মাজত বুলি ক'ব পৰা যায়। তেনেদৰে পৰবৰ্তী কালৰ হোৱা বাবে গদ্যকাব্যৰ প্ৰসিদ্ধ গদ্যকাৰ ত্ৰয়ীৰ সময় ক্ৰম সুবন্ধু-বাণভট্ট-দণ্ডী — এইদৰেও গ্ৰহণ কৰিব পৰা যায়। বাণভট্টই 'কাদম্বৰী' কথাৰ উপক্ৰমণিকা শ্লোকৰ সামৰণিত 'অলব্ধবৈদগ্ধ্যৱিলাসমুগ্ধয়া ধিয়া নিবদ্ধেয়মতিদ্বয়ী কথা' বুলি কৈ শ্লেষালংকাৰৰ সহায়ত 'অতিদ্বয়ী কথা' পদেৰে গুণাঢ্যৰ 'বৃহৎকথা' আৰু সুবন্ধুৰ 'বাসবদত্তা'কে সূচাইছে বুলি পণ্ডিতসকলে অভিমত আগবঢ়ায়। গতিকে এনেবোৰ যুক্তি প্ৰমাণৰ আধাৰত সুবন্ধুক বাণভট্টৰ পূৰ্ববৰ্তী কালৰ গদ্যকাৰ বুলি ভৱা হয়।

### ৪.৬.১ বাসবদত্তাৰ বিষয়বস্তু

সুবন্ধুৰ একমাত্ৰ কৃতি 'ৱাসৱদত্তা' এখন প্ৰসিদ্ধ কথা কাব্য। সংস্কৃত সাহিত্যৰ অতি জনপ্ৰিয় প্ৰেম কাহিনী উদয়ন আৰু বাসবদত্তাৰ কাহিনীৰ লগত এই গ্ৰন্থৰ কোনো সম্বন্ধ নাই। পৌৰাণিক আখ্যান উদয়ন-বাসবদত্তাৰ লগত নায়িকাৰ নামৰ সাগৃশ্যৰ বাহিৰে অন্য কোনো সম্বন্ধ নাই। সেয়ে এই কথা কাব্যখনৰ কাহিনী সম্পূৰ্ণভাৱে কবি কল্পিত বুলি ক'ব পৰা যায়।

সংক্ষিপ্ত ৰূপত কথা ভাগৰ এটি আভাস দাঙি ধৰা হ'ল।

ৰজা চিন্তামণিৰ পুত্ৰ ৰাজকুমাৰ কন্দৰ্পকেতুই এদিনাখন সপোণত

অতিশয় ৰূপৱতী ৰাজকন্যা এগৰাকীক দেখিলে আৰু এই ৰাজকুমাৰীৰ অন্বেষণত বন্ধু মকৰন্দৰ সৈতে নগৰৰ পৰা ওলাই আহিল। বিন্ধ্যাৰণ্যৰ মাজত তেওঁলোকে ৰাতি জম্বুবৃক্ষৰ তলত জিৰণি ল'লে। তাৰ পাছত গছৰ ওপৰত থকা এহাল শুক সাৰিকাৰ কথাবাৰ্তা তেওঁলোকৰ কাণত পৰিল। পক্ষীহালৰ কথাৰ পৰা জানিব পাৰিলে যে কুসুমপুৰৰ ৰজা শৃঙ্গাৰশেখৰ আৰু ৰাণী অনঙ্গৱতীৰ কন্যা ৱাসৱদত্তাইও সপোণত কন্দৰ্পকেতুক দেখিছিল আৰু কন্দৰ্পকেতুক বিচাৰি উলিয়াবলৈ তমালিকা নামৰ বিশ্বাসী সাৰিকাক সেই দায়িত্ব অৰ্পণ কৰিছে। তমালিকাৰ (সাৰিকাৰ) সহায়ত তেওঁলোকৰ মিলন হ'ল। কিন্তু ৱাসৱদত্তাৰ পিতৃ শঙ্কাৰশেখৰে ৱাসৱদত্তাক কোনোবা এজন ৱিদ্যাধৰলৈ দিবলৈ প্ৰস্তুত হোৱা বুলি জানি দুয়ো ৰাজপ্ৰসাদৰ পৰা পলাই বিন্ধ্যাটৱীত আশ্ৰয় লয়। মনোজৱ নামৰ এটা যাদুকৰী ঘোঁৰাত উঠি দুয়ো পলাই গুচি আহিছিল। কন্দৰ্পকেতু শুই থকা সময়ত পিছদিনাখন ৱনাসৱদত্তা বনত ইফালে সিফালে ঘুৰি আছিল। ৱাসৱদত্তাৰ ৰূপত আকৃষ্ট হৈ দুজন কিৰাতৰ মাজত যুদ্ধ হৈ দুয়োজনৰ মৃত্যু হ'ল। দুই কিৰাৰতৰ যুদ্ধৰ ফলত এজন ঋষিৰ আশ্ৰমৰ ক্ষতি হোৱাত ঋষিয়ে বিবাদৰ মূল ৱাসৱদত্তাক শিলা হৈ যাবলৈ অভিশাপ দিলে আৰু প্ৰিয়জনৰ স্পৰ্শত পুনৰ জীৱন ঘুৰাই পাব বুলি ৱাসৱদত্তাক শাপ মুক্তিৰ উপায় দিয়ে। ইফালে ৱাসৱদত্তাৰ বিৰহত আকাশবাণী উচ্চাৰিত হৈ তেনে কাৰ্য্যৰ পৰা বিৰত হ'বলৈ কয় আৰু অচিৰেই প্ৰিয়াৰ সৈতে মিলন হ'ব বুলি আশাৰ বাণী শুনায়। দুঃখ বেদনাত অনাই বনাই ঘুৰি ফুৰা কন্দৰ্পকেতুই সেই ঋষিৰ আশ্ৰমত ৱাসৱদত্তাৰ সৈতে সাদৃশ্য থকা শিলা মূৰ্তিটোক আলিঙ্গন কৰাত ৱাসৱদত্তাই প্ৰাণ পাই উঠে। এইদৰে নায়ক-নায়িকাৰ পুনৰ মিলনত ঘটে।

### ৪.৬.২ কাব্যিক বৈশিষ্ট্য

বাসৱদত্তাৰ কথাবস্তু অধিক চমৎকাৰ পূৰ্ণ নহয় যদিও গদ্যকাৰ গৰাকীৰ বৰ্ণন চাতুৰ্য্যৰ বাবে কথা কাব্যখন এখন ৰোমাঞ্চক প্ৰেমমূলক কাব্যৰূপে সমাদৃত হৈ আহিছে। ৱাসৱদত্তাৰ কাহিনী লৌলিক প্ৰেম কাহিনী। সংস্কৃত সাহিত্যত পুৰূৰৱা-উৰ্বশী, নল দময়ন্তী আদি পৌৰাণিক প্ৰেম গাঁথা জনপ্ৰিয়, যিসমূহৰ উৎস বেদ, মহাভাৰত, পুৰাণদি শাস্ত্ৰসমূহ। গুণাঢ্যৰ বৃহৎকথা গ্ৰন্থও সংস্কৃত সাহিত্যৰ বহুতো জনপ্ৰিয় লৌকিক প্ৰেম আধ্যায়নৰ উৎস। কিনতু সুবন্ধুই চিত্ৰিত কৰা কন্দৰ্পকেতু বাসবাদত্তাৰ কাহিনীৰ সম্পূৰ্ণৰূপে কবি কল্পিত, সেয়ে অলঙ্কাৰ শাস্ত্ৰোক্ত কথা সংজ্ঞক গদ্য কাব্যৰ পৰম্পৰা ৰক্ষা কৰিব পাৰিছে।

প্ৰসিদ্ধ সমালোচক ড° ভোলাশঙ্কৰ ব্যাসে তেওঁৰ 'সংস্কৃত কবি দৰ্শন'ত বাসবদত্তাৰ কাহিনীৰ উপস্থাপনত কেতবোৰ বৈশিষ্ট্য যেনে - নায়িকা-নায়কৰ স্বপ্ন দৰ্শন আৰু প্ৰেমভাৱৰ জাগৰণ, নায়ক-নায়িকাৰ মিলনত শুক পক্ষীৰ সহায়,

শুকৰ মুখৰ পৰা নায়ক-নায়িকাৰ মনৰ ভাৱৰ বিষয়ে জ্ঞান লাভ, মনৰ দৰে গতিশীল ঘোঁৰাত উঠি প্ৰেমিক-প্ৰেমিকাহালৰ পলায়ন, শাপ উচ্চাৰণ আৰু বাসবদত্তা শিলাত পৰিণত, আকাশবাণী উচ্চাৰিত হৈ নায়কক আত্মহত্যাৰ পৰা নিবাৰণ ইত্যাদি উপকৰণবোৰ সংস্কৃত সাহিত্যৰ অন্যান্য জনপ্ৰিয় প্ৰেম আখ্যানতো উপলব্ধ হয়। উদাহৰণ স্বৰূপে উষা-অণিৰুদ্ধৰ আখ্যানত স্বপ্ন, কাদম্বৰী কথাত শুপ পক্ষীৰ ভূমিকা, নল-দময়ন্তী আখ্যানত হংসৰ ভূমিকা, উদয়ন-বাসবদত্তা কাহিনীত ভদ্ৰাৱতী নামৰ হাতীৰে পলায়ন ইত্যাদি। তেনেদৰে উৰ্বশী, অহল্যা, শকুন্তলা আদি শাপগ্ৰস্থা হোৱাৰ বৰ্ণনা সমুপলব্ধ হয়। গতিকে কাহিনীৰ বিচিত্ৰতা তথা অভিনৱত্বৰ চমৎকাহিত্ব নাই বুলি ক'ব পৰা যায়। প্ৰকৃতাৰ্থত গদ্যকাৰ গৰাকীয়ে কাব্যিক উপাদানৰ পৰিপুষ্টি ঘটাবলৈ কলাত্মক দিশ, নায়ক-নায়িকাৰ শৰীৰ অঙ্গ-প্ৰত্যঙ্গ সমূহৰ কাব্যিক বৰ্ণনা, নায়ক-নায়িকাৰ মিলনাকাংঙ্খা, বিৰহ ইত্যাদি বিষয়ত অধিক গুৰুত্ব দিয়া দেখা যায়। তেনেদৰে কাহিনীৰ লগত সঙ্গতি ৰাখি, কাব্যখনত নগৰ, সমুদ্ৰ, পৰ্বত, ঋতু, সূৰ্যোদয়, সূৰ্য্যাস্ত, চন্দ্ৰোদয়, যুদ্ধ আদিৰ অত্যধিক কলাত্মক বৰ্ণনা উপলব্ধ হয়। বহু ক্ষেত্ৰত গদ্যকাৰ গৰাকীৰ শাস্ত্ৰীয় বিদগ্ধতাৰ প্ৰদৰ্শনত নিৰত থকা হেতুকে কাহিনীৰ আকৰ্ষণীয় ম্লান পৰা দেখা যায়।

সুবন্ধুৰ সংস্কৃত ভাষাৰ ওপৰত থকা জ্ঞান অনস্বীকৰণীয়। বিশেষকৈ শব্দ ভাণ্ডাৰ সুন্দৰ প্ৰয়োগ অন্যতম বৈশিষ্ট্য সুবন্ধুৰ শব্দ বিন্যাসৰ চাতুৰ্য্য বিষয়বস্তুৰ অনুৰূপ আছিল। শব্দ চিত্ৰৰ চাতুৰ্য্যৰে গদ্যকাৰ গৰাকীয়ে প্ৰাসঙ্গিক বিষয়বস্তু ফুটাই তুলিব পৰা দক্ষতা আছিল। উদাহৰণস্বৰূপে মলয় পৰ্বতৰ বতাহৰ বৰ্ণনাত কবিয়ে শব্দচিত্ৰৰেই যেন বলি থকা বতাহৰ ধাৰণা দিব যত্ন কৰিছে। তেনেদৰে বিষয়বস্তুৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজন অনুসৰি সুদীৰ্ঘ সমাসবদ্ধ ৰচনা উপলব্ধ হয় আকৌ বাৰ্তালাপ, বিৰহাদি বৰ্ণত সহজ সৰল সমাসবিহীন বাক্য শৈলী উপলব্ধ হয়। সুবন্ধুই প্ৰসঙ্গক্ৰমে ধ্বন্যাত্মক শব্দ ব্যৱহাৰ কৰিছিল। যাৰ ফলত বৰ্ণনীয় বিষয় আৰু অধিক সজীৱ হৈ উঠিছিল।

সংস্কৃত সাহিত্য অগাধ শব্দভাণ্ডাৰৰ সম্যক জ্ঞান থকা হেতুকে একেটা শব্দৰে অনেক সমানাৰ্থক শব্দ ব্যৱহাৰ কৰিছিল। উদাহৰণস্বৰূপে বিষ্ণুৰ সমাৰ্থক হিচাবে অচ্যুত, কৃষ্ণ, চক্ৰধৰ, জনাৰ্দন, নাৰায়ণ, পীতাম্বৰ, মহাবৰাহ ইত্যাদি। তেনেদৰে কামদেৱক বুজাবলৈ অজ, অনঙ্গ, কুসুমশৰ, কুসুমায়ধু, মন্মথ, মদন, মকৰধ্বজ, সমৰ, মকৰকেতু, কুসুমকেতু ইত্যাদি। এনেধৰণৰ অনেক প্ৰসঙ্গই সুবন্ধুৰ শব্দচয়নৰ পাৰদৰ্শিতা প্ৰকটিত কৰে।

সুবন্ধুৰ বাসবদত্তা গৌড়ী ৰীতি প্ৰধান। সেয়ে দীৰ্ঘ সমাসবদ্ধ আড়ম্বৰ পূৰ্ণ ৰচনা ইয়াৰ প্ৰাণস্বৰূপ। উপমা, ৰূপক, উৎপ্ৰেক্ষা, বিৰোধাভাস, স্বভাৱোক্তি অলঙ্কাৰৰ প্ৰাচুৰ্য্য উপলব্ধ। সকলো অলঙ্কাৰৰ ভিতৰত শ্লেষালঙ্কাৰ সুবন্ধুৰ

প্ৰাণস্বৰূপ। কবি গৰাকীয়ে কাব্যৰ প্ৰাৰম্ভত নিজেই ব্যক্ত কৰিছে যে দেৱী সৰস্বতীৰ বৰ লাভ কৰি সজ্জনৰ একমাত্ৰ বন্ধু সুবন্ধুয়ে প্ৰত্যেক অক্ষৰতে শ্লেষালঙ্কাৰ প্ৰয়োগ কৰি এই কাব্য ৰচনা কৰিছে —

সৰস্বতীদত্তৱৰপ্ৰাদশ্চক্ৰে সুবন্ধুঃ সুৰ্জনৈকবন্ধুঃ।
প্ৰত্যক্ষৰশ্লেষময়প্ৰৱন্ধবিন্যাসবৈদগ্ধ্যনিধিৰ্নিবন্ধনম্।।
(ৱাসৱদত্তা - ১৩)

বিশেষকৈ শ্লেষ অলঙ্কাৰ সাধন কৰিববৈ যাওঁতে কবি গৰাকীয়ে, ৰামায়ণ, মহাভাৰত, বিভিন্ন শাস্ত্ৰ, আখ্যান, উপাখ্যান আদিৰ পৰা উপাদান গ্ৰহণ কৰিছে। শ্লেষালঙ্কাৰৰ ফলত দ্বয়াৰ্থক ব্যাখ্যা দিববৈ যাওঁতে অনেক ক্ষেত্ৰত টীকাকাৰ সকলো বিপাঙত পৰা দেখা যায়। সেয়ে গদ্যকাৰ বাণভট্টই শ্লেষালঙ্কাৰ প্ৰয়োগ কৰি সুবন্ধুক প্ৰশংসা কৰিছিল — 'কৱীনামগলদ্দৰ্পো নুনং ৱাসৱদত্তয়া' (হৰ্ষচৰিত)

কাব্যখনত বিশেষভাৱে শ্লোষানুপ্ৰাণিত উপমা, বক্ৰোক্তি, অনুপ্ৰাসাদি অলঙ্কাৰ সমূহৰ সৰ্বাধিক প্ৰয়োগ পৰিদৃষ্ট হয়। এই সন্দৰ্ভত ৰাঘৱপাণ্ডৱীয় গ্ৰন্থত উল্লেখিত বাসবদত্তাকাৰৰ প্ৰশংসা উল্লেখনীয় —

সুবন্ধুৰ্বাণভট্টশ্চ কৱিৰাজ ইতি ত্ৰয়ঃ।
বক্ৰোক্তিমাৰ্গনিপুনাশ্চতুৰ্থো ৱিদ্যতে ন ৱা।। (ৰাঘৱপাণ্ডৱীয় ১।৪১)

সমালোচক সকলে সুবন্ধুৰ শ্লেষালঙ্কাৰৰ চাতুৰ্য্যৰ প্ৰতি অধিক দৃষ্টি ৰখা দেখা যায় যদিও 'বাসবদত্তা' কাব্যত প্ৰসঙ্গ অনুসৰি সহজ সৰল, তথা প্ৰাঞ্জল ৰচনাও পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে সৎ কবিসকলৰ বাণীৰ প্ৰশংসাপূৰ্বক এটি শ্লোক উপস্থাপন কৰা হ'ল —

অবিদিতগুণাহপি সৎকবিভণিতিঃ কৰ্ণেষু ৰমতি মধুধাৰাম্।
অনধিগতপৰিমলাহপি হি হৰতি দৃশং মালতীমালা।। (বাসবদত্তা -১১)

অৰ্থাৎ গুণৰ (মাধুৰ্য্যাদি) বিষয়ে নাজানিলেও সৎ কবিসকলৰ উক্তিয়ে কাণত মধুধাৰা বৰ্ষন কৰে, যেনেকৈ সৌৰভ আস্বাদন কৰিব নাপালেও মালতীমালাই চকুৰ দৃষ্টি হৰণ কৰে। উল্লেখযোগ্য যে বিশ্বনাথ কবিৰাজে সাহিত্যদৰ্পণত দৃষ্টান্ত অলঙ্কাৰৰ উদাহৰণ দিববৈ উক্ত শ্লোকফাঁকি উদ্বৃত কৰিছে। প্ৰকৃতিবৰ্ণনতো সুবন্ধু সিদ্ধহস্ত আছিল। এই প্ৰসঙ্গত বিন্ধ্যাচলবৰ্ণন, ৰেৱাবৰ্ণন, গঙ্গাবৰ্ণন, বসন্তবৰ্ণন, সাগৰবৰ্ণন, বৰ্ষাবৰ্ণন, বিন্ধ্যাটৱীবৰ্ণন আদি উল্লেখযোগ্য। তেনেদৰে প্ৰভাতবৰ্ণন, সূৰ্য্যাস্ত বৰ্ণন, সন্ধ্যাবৰ্ণন, চন্দ্ৰোদয়বৰ্ণন আদি প্ৰকৃতিৰ নৈসৰ্গিক দৃশ্যৰ কাব্যিক বৰ্ণনা সুন্দৰ ৰূপত বৰ্ণিত হৈছে। পৰিশেষত ক'ব পৰা যায় যে গদ্য কাব্যৰ প্ৰোজ্জ্বল নক্ষত্ৰ বাণভট্টৰ তুলনাত সুবন্ধুক যদিও কিছু পৰিমাণে নিস্প্ৰভ যেন লাগে তথাপি গদ্যকাব্যৰ পথপ্ৰদৰ্শক হিচাবে সুবন্ধু তথা বাসবদত্তা সদায় সমাদৃত হৈ থাকিব।

## জানি থওঁ আহা

সুবন্ধুৰ একমাত্ৰ কৃতি ৰাসৱদত্তা। ৰাসৱদত্তা এখন কথা শ্ৰেণীৰ গদ্যকাব্য। সংস্কৃত সাহিত্যৰ গদ্যকাৰত্ৰয়ৰ সময় সীমাৰ ক্ৰমে সুবন্ধ - বাণভট্ট-দণ্ডী। বাসৱদত্তাৰ কাহিনী কবি কল্পিত। সুবন্ধুৰ গদ্য শ্লেষালঙ্কাৰ প্ৰধান।

## অগ্ৰগতিৰ খতিয়ান

**৪ নং প্ৰশ্ন ঃ** গদ্যকাৰ হিচাপে সুবন্ধুৰ কাব্যৰ বৈশিষ্ট্য আলোচনা কৰক।
**৫ নং প্ৰশ্ন ঃ** সুবন্ধুৰ ৰাসৱদত্তাৰ কাহিনীৰ ওপৰত আলোকপাত কৰক।
**৬ নং প্ৰশ্ন ঃ** সুবন্ধুৰ গদ্যশৈলীৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াওক।

## আত্মমূল্যায়ণ প্ৰশ্ন

**৩ নং প্ৰশ্ন ঃ** সুবন্ধুক এগৰাকী সফল গদ্যকাৰ বুলি ভাবেনে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

### ৪.৬.৩ বাণভট্ট ঃ

সংস্কৃত গদ্যকাব্য জগতত বাণভট্ট অনন্য তথা অদ্বিতীয় গদ্যকাৰ। সাধাৰণতে সংস্কৃত সাহিত্যৰ মহাকবিসকলৰ আত্মপৰিচয় তথা কাল নিৰূপন এক জটিল বিষয় হৈ পৰা দেখা যায়। পৰম্পৰাগত ভাৰতীয় দৰ্শনৰে অনুপ্ৰাণিত কবিসকলে প্ৰায়েই আত্মপ্ৰশংসা পৰাঙ্মুখী হৈ নিজ পৰিচয় প্ৰদানৰ পৰাও বিৰত থকা দেখা যায়। গদ্য সম্ৰাট বাণভট্ট কিন্তু এই ক্ষেত্ৰত বিলক্ষণ। বাণভট্টই তেওঁৰ 'কাদম্বৰী'ৰ উপক্ৰমণিকা শ্লোক এঘাৰটাত নিজৰ বংশ পৰিচয় দিছে। 'হৰ্ষচৰিতম'ৰো প্ৰথম তিনিটা আশ্বাসত কবিয়ে বংশ পৰিচয় আগবঢ়াইছে। 'হৰ্ষচৰিতম'ত উপলব্ধ তথ্য অনুসৰি বাণভট্টৰ পিতামহৰ নাম অৰ্থপতি, পিতৃৰ নাম চিত্ৰভানু আৰু মাতৃৰ নাম ৰাজদেৱী। বাৎসগোত্ৰীয় ব্ৰাহ্মণ কুলত জন্ম লাভ কৰা বাণভট্ট নিচেই সৰু থাকোতে মাতৃহাৰা হয় আৰু চৈধ্য বছৰ বয়সত পিতৃকো হেৰুৱায়। বাণভট্টৰ পূৰ্বপুৰুষ সকলৰ দিনৰ পৰাই হিৰণ্যকহু (শোণ) নামৰ নদৰ পশ্চিম তীৰত থকা প্ৰীতিকুট নামৰ গাঁৱত বাস কৰি আছিল। পিতৃ-মাতৃক হেৰুৱাই বাণভট্টই লগৰীয়াৰ সৈতে বহু ঠাই ভ্ৰমণ কৰি বাসস্থান প্ৰীতিকুটলৈ আহে। হৰ্ষবৰ্ধনৰ ভ্ৰাতৃৰ অনুগ্ৰহত সম্ৰাট অনুগ্ৰহ লাভ কৰে আৰু কালক্ৰমত ৰাজসভাত স্থান লাভ কৰে।

### ৪.৬.৪ বাণভট্টৰ কাল ঃ

বাণভট্ট সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ কবি আছিল। মহাকবি গৰাকীয়ে পৃষ্ঠ-পোষক গৰাকীৰ জীৱনৰ আধাৰত 'হৰ্ষচৰিতম্' গ্ৰন্থ ৰচনা কৰে। চীন দেশীয়

পৰিব্ৰাজক হিউয়েন চাঙে খৃষ্টীয় ৬০৬ - ৬৪৫ চনৰ কালছোৱাত ভাৰত ভ্ৰমণ কৰি ভাৰত সম্বন্ধে টোকা লিখি থৈ গৈছিল। এইগৰাকী পৰিব্ৰাজকে সম্ৰাট হৰ্ষবৰ্দ্ধন আৰু তেওঁৰ শাসনৰ বিষয়ে উল্লেখ কৰিছে। সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজত্ব কাল ৬০৬ - ৬৪৬ বা ৬৪৭ খ্ৰীষ্টাব্দ বুলি জনা যায়। এইগৰাকী নৃপতিৰ সমসাময়িক হিচাবে বাণভট্টৰ আৰ্বিভাৰ কাল খ্ৰীষ্টিয় ষষ্ঠ শতকৰ শেষ ভাগৰ পৰা সপ্তম শতাব্দীৰ প্ৰথম ভাগ বুলি নিশ্চিত কৰিব পৰা যায়।

### ৪.৬.৫ বাণভট্টৰ কৃতিসমূহ ঃ

সংস্কৃত গদ্য সাহিত্যৰ অনন্য প্ৰতিভাধৰ বাণভট্টৰ কৃতি হিচাবে কেইবাখনো গ্ৰন্থৰ নাম সংযুক্ত হয়। ইয়াৰ ভিতৰতে বাণভট্টক সততে 'কাদম্বৰী' আৰু 'হৰ্ষচৰিতম্' - এই প্ৰসিদ্ধ গদ্য কাব্য দুখনৰ ৰচয়িতা বুলি উল্লেখ কৰা হয়। কিন্তু ভাৰতীয় পৰম্পৰাই আন কেইবাখনো গ্ৰন্থ বাণভট্টৰ ৰচনা বুলি দাবী কৰি আহিছে। বাণভট্টৰ কাদম্বৰী কথা শ্ৰেণীৰ গদ্য কাব্য। 'হৰ্ষচৰিতম্' আখ্যায়িকা শ্ৰেণীৰ প্ৰসিদ্ধ গদ্য গ্ৰন্থ। আখ্যায়িকা হোৱা হেতুকে ই ঐতিহাসিক কাব্যৰ শাৰীত অন্তৰ্ভুক্ত হয়। আঠটা উচ্ছ্বাসত বিভক্ত এই গ্ৰন্থখনত প্ৰথম দুটা উচ্ছ্বাসত গ্ৰন্থকাৰে স্বপৰিচয় আগবঢ়াইছে আৰু পাছৰ উচ্ছ্বাস কেইটাত সম্ৰাট হৰ্ষবৰ্দ্ধনৰ জীৱন বৃত্ত কীৰ্তিত হৈছে।

'চণ্ডী শতকম' নামৰ দেৱী শ্ৰীশ্ৰীকালীৰ অন্য ৰূপ চণ্ডীৰ স্তুতিমূলক ১০২ টা পদ্যত ৰচনা কৰা গীতিকাব্য বাণভট্টৰ কৃতি বুলি কোৱা হয়। শাৰ্দূলবিক্ৰীড়িত ছন্দত ৰচিত এই কাব্যখনৰ উৎস গ্ৰন্থ হৈছে মাৰ্কণ্ডেয় পুৰা। বাণভট্টৰ দেৱী ভক্তিৰ বিষয়ে কাদম্বৰী কাবৰৰ চণ্ডিকা মন্দিৰৰ সুন্দৰ বৰ্ণনাৰ পৰাও বুজিব পৰা যায়।

'পাৰ্বতী পৰিণয়' নামৰ পাঁচটা অঙ্ক যুক্ত এখন নাটক বাণভট্টই ৰচনা কৰা বুলি প্ৰসিদ্ধি আছে। এই নাটকখন ৱামণভট্ট বাণ বা অভিনৱ বাণে ৰচনা কৰা বুলি অভিমত পোৱা যায় যদিও পি.ভি.কাণে, এছ. ভি. দীক্ষিত আদি সমালোচক সকলে বাণভট্টৰ ৰচনা বুলি দৃঢ়তাৰে প্ৰতিপন্ন কৰা দেখা যায়।

'মুকুতাড়িতকম্' নামৰ নাটক এখনে গুণবিজয়গণি নামৰ জৈন পণ্ডিত এগৰাকীয়ে ত্ৰিবিক্ৰমভট্ট বিৰচিত 'নলচম্পূ' কাব্যৰ টীকাত উল্লেখ কৰিছে।

ইয়াৰোপৰিও 'শিৱাশতকম্' আৰু 'শাৰদাচন্দ্ৰিকা' নামৰ দুখন গ্ৰন্থ বাণভট্টৰ ৰচনা বুলি পণ্ডিত এম কৃষ্ণ মাচাৰ্যাৰে মন্তব্য কৰিছে। শাৰদাতনয়াৰ 'ভাৱ প্ৰকাশ' আৰু ধনঞ্জয়ৰ 'দশৰূপকম' গ্ৰন্থত এই দুখন গ্ৰন্থৰ বাণভট্টৰ ৰচনা বুলি উল্লেখ কৰা হৈছে।

### ৪.৬.৬ বাণভট্টৰ প্ৰশংসা ঃ

বাণভট্ট বাগ্‌দেৱী সৰস্বতীৰ বৰপুত্ৰ আছিল বুলি কবিসমাজত সুপ্ৰসিদ্ধি দেখা যায়। অপৰিমেয় প্ৰতিভাৰ স্বাক্ষৰ স্বৰূপ বাণভট্ট পৰৱৰ্তীকালৰ কবিসকলৰ প্ৰশংসাৰে কৃতধন্য। পণ্ডিত গোবৰ্দ্ধনাচাৰ্য্যই বাণভট্টক বাগদেৱীৰ সাক্ষাৎ অৱতাৰ বুলি প্ৰশংসা কৰিছে —

জাতা শিখণ্ডিণী প্ৰাগ্ যথা শিখণ্ডী তথাহৱগচ্ছামি প্ৰাগল্‌ভ্যমধিকমাপ্তুং ৱাণী বাণো বভূৱেতি।। (আৰ্য়াসপ্তশতী, ৩৭)

অৰ্থাৎ যেনেকৈ প্ৰথমতে শিখণ্ডিণী হৈ জন্ম লাভ কৰি পাছত শিখণ্ডী হৈছিল তেনেকৈ হয়তো অধিকৰূপত প্ৰকাশ পাবলৈ বাণীয়ে বাণ ৰূপ লৈছে। বাণভট্টৰ ৰচনাৰ লালিত্য তথা মাধুৰ্য্যত বিমুগ্ধ হৈ ধৰ্মদাস নামৰ কবি গৰাকীয়ে তেওঁৰ ‘বিদগ্ধমুখমণ্ডনম্’ নামৰ গ্ৰন্থত কৈছে —

ৰুচিৰস্বৰবৰ্ণপদা ৰসভাৱৱতী জগন্মনো হৰতি।

সা কিং তৰুণী? নহি নহি ৱাণী বাণস্য মধুৰশীলস্য।

অৰ্থাৎ জগতৰ মন হৰণ কৰোতা, সুন্দৰ স্বৰ, সুন্দৰ বৰণ আৰু ৰসময়ী, ভাৱ প্ৰকাশশীলা এই এগৰাকী তৰুণী নেকি? নহয়, নহয়, সেই সুন্দৰ স্বৰ, সুন্দৰ অক্ষৰ সৰস আৰু ভাৱ প্ৰকাশক সেয়া বাণৰ সাহিত্যহে।

সোড্‌ঢলে ‘উদয়সুন্দৰীকথা’ (৮।৫) গ্ৰন্থত মহাকবি কালিদাসক ‘ৰসেশ্বৰ’ বুলি কৈ বাণভট্টক আকৌ ‘সৰ্বেশ্বৰ’ বুলি কৈছে —

‘ৰসেশ্বৰং স্তৌমি চ কালিদাসং বাণং তু সৰ্বেশ্বৰমানতোহস্মি।”

কবি জয়দেৱে বাণক কবিতাৰূপিনী কামিণীৰ হৃদয়ত বাস কৰা কামদেৱ বুলি অভিহিত কৰিছে —

“হৃদয়ৱসতিঃ পঞ্চবাণস্তু বাণঃ।” (প্ৰসন্নৰাঘৱ) কবি ত্ৰিবিক্ৰম ভট্টই নলচম্পু কাব্যত বাণভট্টৰ প্ৰশংসা এইদৰে কৰিছে —

“হৃদয়ৱসতিঃ পঞ্চবাণস্তু বাণঃ।” (প্ৰসন্নৰাঘৱ)

কবি ত্ৰিবিক্ৰম ভট্টই ‘নলচম্পু’ কাব্যত বাণভট্টৰ প্ৰশংসা এইদৰে কৰিছে —

শশ্বদ্বাণদ্বিতীয়েন নমদাকাৰধাৰিণা।

ধনুষেৱ গুণাঢ্যেন নিঃশেষো ৰঞ্জিতো জনঃ।।

অৰ্থাৎ নিৰন্তৰ বাণভট্টৰ সৈতে অগৰ্বিত আকাৰ ধাৰী গুণাঢ্য কবিয়ে সকলো লোককে অনুৰঞ্জিত কৰিছিল যিদৰে নিৰন্তৰ শৰৰ সৈতে বক্ৰ আকৃতিধাৰী গুণযুক্ত ধনুই শত্ৰুক জয় কৰে।

কবিতাৰূপ বিন্ধ্যাটৱীত নিৰ্ভৰ বিচৰণ কৰা বাণভট্টক সিংহৰ লগত তুলনা কৰি চন্দ্ৰদেৱ নামৰ কবি গৰাকীয়ে প্ৰশংসা কৰিছে — ‘শ্লেষে কেচন শব্দগুম্ভৰিশয়ে কেচিদ্ৰসে চাপৰেহলঙ্কাৰে কতিচিৎসদৰ্থ বিষয়ে চাণ্যে

কথাবৰ্ণনে' আ সৰ্বত্ৰ গভীৰধীৰ কৰিতাৰিন্ধ্যাটৰীচাতুৰী সঞ্চাৰী কৰিকুম্ভিকুম্ভভিদুৰো বাণস্তু পঞ্চাননঃ'। অৰ্থাৎ কিছুমানে শ্লেষৰ (শ্লেষ নামৰ অলঙ্কাৰ বিশেষ) প্ৰয়োগত, কোনো কোনোৱে শব্দ যোজনাত, কোনোয়ে ৰস আৰু অলঙ্কাৰত, কোনোৱে অৰ্থ প্ৰকাশত, কোনোয়ে কথা বস্তু বৰ্ণনাত নিপুনতা লাভ কৰে, (কিন্তু) সকলো বিষয়তে নিপুণতা প্ৰকাশ কৰি কাব্যৰূপ বিন্ধ্যাটৰীত চাতুৰ্য্যৰে বিচৰণ কৰি কবি ৰূপী হাতী সমূহৰ কুম্ভ ভেদ কৰা সিংহ হল বাণ।"

বাণভট্টৰ 'কাদম্বৰী' কাব্যক উপজীব্য কৰি সহৃদয় সমাজত অনেক প্ৰশংসাসূচক মন্তব্য উপলব্ধ হয়। সোমেশ্বৰ দত্ত নামৰ কবিগৰাকীয়ে কীৰ্তিৰ্কৌমুদী গ্ৰন্থত কৈছে যে কাদম্বৰী কথাৰ দ্বাৰা বাণ (ভট্টৰ) ধ্বনি শুনাৰ লগে লগে কবিসকল নিজ নিজ ৰচনাৰ পৰা মৌন (বিৰত) হ'ব লগা হয়, যিদৰে বাণ (শৰ) সংযোজনৰ ধ্বনি শুনিলে শ্ৰুতি অধ্যয়নৰ অনধ্যয়ে হয় —

কাদম্বৰী কথাং শ্ৰুত্বা কবয়ো মৌনমাগতাঃ।
বাণধ্বনাৱনধ্যায়ো ভৱতীতি শ্ৰুতিৰ্যতঃ।।

তেনেদৰে কাদম্বৰীৰ প্ৰসঙ্গত উপলব্ধ হয় কাদম্বৰী (সুৰা) পান কৰোতা জনৰ আহাৰৰ প্ৰতি ৰুচি নোহোৱা হয় ঠিক তেনেকৈ কাদম্বৰী গ্ৰন্থৰ ৰসাস্বাদন কৰা জনৰো আহাৰৰ প্ৰতি ৰুচি নোহোৱা হৈ যায় —

কাদম্বৰী ৰসজ্ঞানমাহাৰোঽপি ন ৰোচতে।
কাদম্বৰী ৰসজ্ঞানমাহাৰোঽপি ন ৰোচতে।।

কাদম্বৰী গ্ৰন্থৰ সম্পূৰ্ণ নৌহওঁতে বাণভট্টৰ মৃত্যু হোৱাত তেওঁৰ সুযোগ্য পুত্ৰ ভূষণভট্টই গ্ৰন্থখন সম্পূৰ্ণ কৰে। সেয়ে বাণভট্টই ৰচনা কৰা কাদম্বৰী (পূৰ্বভাগ) আৰু ভূষণভট্টই সম্পূৰ্ণ কৰা অৱশিষ্ট অংশ কাদম্বৰী (উত্তৰভাগ) বুলি জনা যায়। ভূষণভট্টই কাদম্বৰী কাব্যৰ প্ৰশংসা কৰি নিজৰ যোগ্যতা সম্পৰ্কে যেন সংশয়ান্বিত হৈ পৰিছে—

কাদম্বৰীৰসভৰেন সমস্ত এৱ মত্তো ন কিঞ্চিদপি চেতয়তে জনোঽয়ম্।
ভতোঽস্মি য়ন্ন ৰসবৰ্ণবিবৰ্জিতেন তচ্ছেষমাত্মবচসাঽপ্যনুসন্দৰ্ধানঃ।।

এনেধৰণৰ অনেক প্ৰশংসাপৰক বাক্য ৰাশিৰে বাণভট্ট তথা বাণভট্টৰ কৃতি কাদম্বৰীৰ যথোচিত মৰ্য্যাদ প্ৰদান কৰি আহিছে সহৃদয় সুধীবৃন্দই।

### ৪.৬.৭ কাদম্বৰী ঃ

সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ দৃষ্টিৰে কাদম্বৰী কথা শ্ৰেণীৰ গদ্য কাব্য। কাদম্বৰী দুভাগত বিভক্ত — পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ। পূৰ্বাৰ্ধ বাণভট্টৰ ৰচনা আৰু উত্তৰাৰ্ধ পিতৃৰ নিৰ্দেশ অনুসৰি পুত্ৰ ভূষণভট্টই সমাপ্ত কৰে। এই সন্দৰ্ভত ভূষণভট্টৰ উক্তি উপলব্ধ হয়—

য়াতে দিৱং পিতৰি তদ্বচসৈৱ সাধং
ৱিচ্ছেদমাপ ভূৰি য়স্তু কথা প্ৰৱন্ধঃ

দুঃখং সতাং তদসমাপ্তিকৃতং বিলোক্য

প্ৰাৰদ্ধ এৱ স ময়া ন কৱিদৰ্পাৎ।।

এইগৰাকী ভূষণভট্টৰ ভূষণবাণ, পুলিন্নদভট্ট আৰু পুলিণভট্ট — এই নাম কেইটাও উপলব্ধ হয়। খৃঃ দশম শতাব্দীৰ তিলকমঞ্জৰীকাৰ ধন পালে বাণভট্টৰ প্ৰশংসাসূচক এটি শ্লোকত বাণভট্টৰ পুত্ৰৰ নাম ‘পুলিন্দ’ বুলি উল্লেখ কৰা দেখা যায় —

কেৱলোহপি স্ফুৰন্বানঃ কৰোতি ৱিমদান্‌কবীন্।

কিং পুনঃ ক্লৃপ্তসন্ধানঃ পুলিন্দকৃতসন্নিধিঃ।.

কাদম্বৰীৰ উৎস ঃ

সংস্কৃত সাহিত্যৰ বহুতো জনপ্ৰিয় কথাৰ তথা প্ৰেম কাহিনীৰ উৎস গ্ৰন্থ, গুণাঢ্য কবিয়ে পৈশাচী প্ৰাকৃতত ৰচিত ‘বৃহৎকথা’ৰ দ্বাৰা বাণভট্ট অনুপ্ৰাণিত হৈছিল। গুণাঢ্যৰ বৃহৎকথা অধুনা বিলুপ্ত। ‘বৃহৎকথা’ৰ সংস্কৃত ৰূপ হিচাবে সোমদেৱৰ (খৃষ্টীয় একাদশ - দ্বাদশ শতিকা) দ্বাৰা ৰচিত “কথাসৰিৎসাগৰ” উপলব্ধ হয়। ‘বৃহৎকথা’ৰ আধাৰত ক্ষেমেন্দ্ৰৰ (একাদশ শকিতা) বৃহৎকথামঞ্জৰী আৰু বুধস্বামীৰ (অষ্টম-নৱম শকিতা) বৃহৎ কথা শ্লোকসংগ্ৰহঃ গ্ৰন্থ উপলব্ধ হয়।

বাণভট্টই কাদম্বৰীৰ কাহিনীভাগৰ উৎস হিচাবে সোমদেৱৰ কথাসৰিৎসাগৰৰ দশম লম্বকৰ ত্ৰয়োদশ তৰঙ্গত বৰ্ণিত কাহিনীভাগ গ্ৰহণ কৰিছিল বুলি ক’ব পৰা যায়। ইয়াৰোপৰি ক্ষেমেন্দ্ৰৰ বৃহৎকথা মঞ্জৰীত (১৬।১৮৩-২৪৮) বৰ্ণিত কাহিনীভাগৰ সৈতে কাদম্বৰীৰ কাহিনীভাগৰ সাদৃশ্য দেখা যায়। বাণভট্টই কাদম্বৰীত কাহিনীভাগৰ কিছু পৰিৱৰ্তন সাধন কৰিছে যদিও কাদম্বৰীত ঘটনাৰ স্থান আৰু পাত্ৰসকলৰ নামৰ অধিক পৰিৱৰ্তন কৰিছে। উদাহৰণ স্বৰূপে কাদম্বৰীত বৰ্ণিত বিদিশ নগৰীৰ ৰজা শূদ্ৰকজন কথাসৰিৎ সাগৰত কাঞ্চনপুৰীৰ ৰজা সুমনা (সুমনস), কাদম্বৰীৰ চণ্ডাল কন্যাগৰাকী কথাসৰিৎ সাগৰত মুক্তালতা (ব্যাধ দুহিতা), কাদম্বৰীৰ ভাটৌ পোৱালীটোৰ জন্মস্থান বিন্ধ্য পৰ্বতৰ শাল্মলি বৃক্ষ, কথাসৰিৎসাগৰত আকৌ ৰোহিণী বৃক্ষ। কাদম্বৰীত ভাটৌ পোৱালীটো মণিকুমাৰ হাৰীতে পিতৃ জাবালিৰ ওচৰলৈ লৈ গৈছে, মূলত আকৌ মৰীচিমুনিয়ে পুলস্ত্যৰ আশ্ৰমলৈ লৈ গৈছে।

কাদম্বৰীৰ ঐশ্চৰ্য্যময়ী নগৰী উজ্জয়িনী ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতী মূল গ্ৰন্থ কথাসৰিৎসাগৰত ৰত্নাকৰ নগৰৰ ৰজা জ্যোতিষপ্ৰভা আৰু ৰাণী হৰ্ষৱতী। সেইদৰে তাৰাপীড়ৰ পুত্ৰ চন্দ্ৰাপীড় কথাসৰিৎ সাগৰত জ্যোতিষপ্ৰভৰ পুত্ৰ সোমপ্ৰভ। চন্দ্ৰাপীড়প ঘোঁৰা ইন্দ্ৰায়ুধ কথাসৰিৎসাগৰত সোমপ্ৰভৰ ঘোঁৰা আশুশ্ৰব্য। তেনেদৰে কাদম্বৰীৰ নায়িকা কাদম্বৰী আৰু মহাশ্বেতা যথাক্ৰমে মূলক মকৰন্দিকা আৰু মনোৰথপ্ৰভা। পুণ্ডৰীক, শুকনাস, বৈশাম্পায়ন যথাক্ৰমে উৎস গ্ৰন্থত ৰশ্মিৱান, প্ৰভাকৰ আৰু প্ৰিয়ংকৰ ইত্যাদি।

এনেদৰে স্থান আৰু পাত্ৰসমূহৰ নামৰ যথেষ্ট বৈসাদৃশ্য পৰিলক্ষিত হয়। বাণভট্টৰ অনন্য বৰ্ণন চাতুৰ্য্যৰ বলত অনুপম গদ্য কাব্যৰূপে পৰিণত হয়।

### ৪.৬.৮ কাদম্বৰীৰ কথাবস্তু

বিদিশা নৃপতি শূদ্ৰকৰ বৰ্ণনাৰে কথামুক প্ৰাৰম্ভ হৈছে। শূদ্ৰকৰ ৰাজসভালৈ এগৰাকী চণ্ডাল কন্যাই পিঞ্জৰাবদ্ধ শুকপক্ষী এটা লৈ আহে। ৰজাক উপহাৰ দিয়া মানুহৰ দৰে কথা কোৱা পক্ষীটোৱে তাৰ নিজৰ কথা কবলৈ ধৰে। বিন্ধ্যাৰণ্যৰ দণ্ডক বনত থকা অগস্ত্য মুণিৰ আশ্ৰমৰ নাতিদূৰত থকা পম্পাসৰোবৰৰ পাৰত থকা শাল্মলী বৃক্ষত তাৰ জন্ম হয়। সৰুতে মাতৃক হেৰুৱা শুক পক্ষীটোত পিতৃও এদিনাখন শবৰৰ হাতত মৃত্যু মুখত পৰে। ভাগ্যক্ৰমে প্ৰাণৰক্ষা পৰা শুক পক্ষীটোক ঋষি জাবালিৰ পুত্ৰ হাৰীতে পাই আশ্ৰমলৈ নিয়ে আৰু ঋষি জাবালিয়ে তাক দেখি তাৰ পূৰ্বজন্মৰ কাহিনী মুনিসকলৰ আগত ক'ব ধৰে।

উজ্জয়িণীৰ ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতীৰ পুত্ৰ চন্দ্ৰাপীড়ৰ যিদিনাখন জন্ম হৈছিল সেইদিনাখনেই ৰজাৰ মন্ত্ৰী শুকনাস আৰু পত্নী মনোৰমাৰ পুত্ৰ বৈশম্পায়নৰ জন্ম হৈছিল। দুয়ো একেলগে বিদ্যাশিক্ষা লাভ কৰিলে যথাসময়ত চন্দ্ৰাপীড়ে মিত্ৰ বৈশম্পায়ন আৰু সৈন্যবাহিনী লৈ দিগ্‌বিজয় যাত্ৰা আৰম্ভ কৰিলে। ঘটনাক্ৰমে অচ্ছোদ সৰোবৰৰ তীৰত শিৱ মন্দিৰৰ সমীপত সুন্দৰী তৰুণী মহাশ্বেতাক লগ পালে আৰু মহাশ্বেতাৰ মুখৰ পৰা শ্বেতকেতু মুনি পুণ্ডৰীকৰ অকাল মৃত্যুৰ কথা জানিব পাৰিলে। অনুৰোধ অনুসৰি চন্দ্ৰাপীড় গন্ধৰ্বলোকলৈ গ'ল আৰু কাদম্বৰীক দেখা পালে। দুয়ো দুয়োৰ প্ৰতি আকৃষ্ট হয়। ইয়াত কিছুদিন পাছত চন্দ্ৰাপীড় পিতৃৰ নিৰ্দেশ অনুসৰি উজ্জয়িনীলৈ প্ৰত্যাগমণ কৰে। কাদম্বৰীৰ বাৰ্তা লৈ পত্ৰলেখা আহিব বুলি চন্দ্ৰাপীড়ে অপেক্ষা কৰি থাকিল। ইয়াতেই কাদম্বৰী কাব্যৰ পূৰ্বাদ্ধৰ অন্ত পৰিছে।

বাণভট্টৰ মৃত্যুৰ পাছত পুত্ৰ ভুষণভট্টই উত্তৰাৰ্ধ প্ৰাৰম্ভ কৰে। পত্ৰলেখাৰ মুখৰ পৰা কাদম্বৰীৰ বিৰহাবস্থাৰ বিষয়ে জানিব পাৰি চন্দ্ৰাপীড় ব্যথিত হৈ পৰে। পত্ৰলেখাৰ হাতত কাদম্বৰীৰৰ ওচৰলৈ বাৰ্তা প্ৰেৰণ কৰি বৈশম্পায়নৰ সন্ধানত দশপুৰলৈ যায়। ইন্দ্ৰায়ুধ অশ্বত আৰোহন কৰি অচ্ছোদ সৰোবৰৰ তীৰ পালে। মহাশ্বেতাক তাত দেখা পায় আৰু মহাশ্বেতাৰ শাপত বৈশ্পায়নৰ মৃত্যু হোৱা বুলি শুনি দুঃখত ভাগি পৰে। মহাশ্বেতাৰ সৈতে বাৰ্তালাপ কৰি থকা সময়ত এজন ব্ৰাহ্মণৰ শাপত চন্দ্ৰাপীড় শুক যোনিত জন্ম প্ৰাপ্ত হ'ব বুলি অভিশাপ বাণী শ্ৰুতিগোচৰ হয়। চন্দ্ৰাপীড়ৰ মৃত্যু ঘটাত মহাশ্বেতা, তৰলিকা আৰু সহযাত্ৰীসকল শোকত ম্ৰিয়মান হৈ পৰে। আশ্ৰমত সেই সময়ত কাদম্বৰী উপস্থিত হৈ প্ৰিয়জনৰ শৱদেহ দেখি মুৰ্চ্ছিতা হৈ পৰে। মদনলেখাই কাদম্বৰীকগ মাটিত নপৰাকৈ ৰাখে। কাদম্বৰীয়ে চন্দ্ৰাপীড়ৰৰ চৰণ দুখন কোলাত তুলি

লোৱাত চন্দ্ৰৰ দৰে জ্যোতি নিৰ্গত হ'ল আৰু দৈববাণী উচ্চাৰিত হ'ল যে পুণ্ডৰীকৰ দেহ চন্দ্ৰলোকত সুৰক্ষিত হৈ আছে। অচিৰেই মহাশ্বেতাৰ সৈতে মিলন হ'ব। চন্দ্ৰাপীড়ৰ সৈতে কাদম্বৰীৰো মিলন হ'ব। চন্দ্ৰাপীড় হৈছে চন্দ্ৰৰ অংশ। পত্ৰলেখা আৰু ইন্দ্ৰায়ূধ অদৃশ্য হৈছিল। সৰোবৰৰ পৰা তপস্বী এগৰাকী ওলাই আহে তেওঁ পুণ্ডৰীকৰ বন্ধু কপিঞ্জল বুলি কয়। কপিঞ্জলে শ্বেতকেতু মুনিৰ ওচৰলৈ বেগাবেগীকৈ যাওতে এজন ঋষিৰ দ্বাৰা অশ্ব হৈ জন্ম পাবলৈ অভিশপ্ত হয়। সেই ঋষিয়ে জনালে যে চন্দ্ৰ ৰজা তাৰাগীভৰ পুত্ৰ চন্দ্ৰাপীড় আৰু পুণ্ডৰীক মন্ত্ৰী শুকনাসৰ পুত্ৰ হৈ জন্ম পাব।

জাপলি মুনিয়ে ঋষিসকলৰ আগত ভাটৌটোৰ পূৰ্বজন্মৰ কাহিনী বৰ্ণনা কৰিলে। ভাটৌটোৰ প্ৰথম জন্ম পুণ্ডৰীক আৰু লক্ষ্মীদেৱী তেওঁৰ মাতৃ। ৰজা শূদ্ৰক পূৰ্ব জন্মত চন্দ্ৰাপীড় আছিল। মহাশ্বেতাৰ আশ্ৰমত কাদম্বৰীৰ স্পৰ্শত চন্দ্ৰাপীড়ে জীৱন লাভ কৰিলে। শাপৰ অন্ত পৰা কবে শূদ্ৰকৰ প্ৰাণ চন্দ্ৰাপীড়ৰ শৰীৰত প্ৰৱেশ কৰিলে। চন্দ্ৰাপীড়ে উজ্জয়িনীলৈ আহি আত্মীয় সকলৰ দৰ্শন দিলে। চন্দ্ৰাপীড় কেতিয়াবা উজ্জয়িনীত, কেতিয়াবা কাদম্বীৰৰ জন্মভূমি হেমকূটত আৰু কেতিয়াবা ৰোহিণীৰ বাসস্থান চন্দ্ৰলোকত বাস কৰিব ধৰিলে।

### ৪.৬.৯ বাণভট্টৰ কাব্যিক বৈশিষ্ট ঃ

সংস্কৃত গদ্য কাব্য জগতত বাণভট্ট অতুলনীয় তথা অনন্য গদ্যকাৰ। মহাকবি কালিদসে পদ্য বা মহাকাব্যাদি ৰচনাৰ ক্ষেত্ৰত যি স্থান লাভ কৰে বাণভট্টই নিসন্দেহে গদ্য কাব্যৰ ক্ষেত্ৰত সেই স্থান লাভ কৰে বুলি সকলোৱে একেমুখে স্বীকাৰ কৰে।

বাণভট্টই সুপ্ৰসিদ্ধ গদ্য কাব্য দুখন হৈছে কাদম্বৰী আৰু হৰ্ষচৰিত। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰৰ দৃষ্টিকোণেৰে কাদম্বৰী কথা শ্ৰেণীৰ গদ্য কাব্য আৰু হৰ্ষচৰিত আখ্যায়িকা শ্ৰেণীৰ গদ্যকাব্য। সুপ্ৰসিদ্ধ অলঙ্কাৰ শাস্ত্ৰসমূহত সুনিৰ্দিষ্ট কৰা কাব্যশাস্ত্ৰীয় লক্ষণ দুয়োখনতে সিদ্ধ হোৱা দেখা যায়। এই দুয়োখনৰ ভিতৰত কাদম্বৰী বাণভট্টৰ সৰ্বশ্ৰেষ্ঠ কৃতি। প্ৰকৃতাৰ্থত এখন সৰ্বোৎকৃষ্ট ৰচনা হ'বলৈ যিবোৰ কাব্যিক উপাদানৰ সুষম প্ৰয়োগ প্ৰয়োজনীয় বাণভট্টৰ কাদম্বৰীত এই আটাইবোৰ উপাদানেই উপলব্ধ হয়। বাণভট্টৰ চমৎকাৰপূৰ্ণ বৰ্ণন-নৈপুন্য, অতি সূক্ষ্ম পৰ্য্যবেক্ষণ শক্তি, শক্তিশালী তথা যথাযথ চৰিত্ৰচিত্ৰণ, বৰ্ণনীয় বিষয়বস্তু অনুসৰি গদ্যশৈলী তথা যথোপযুক্ত শব্দচয়ন, শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ কাব্যিক সৌন্দৰ্য্যৰ প্ৰাচুৰ্য্য, প্ৰকৃতিৰ নৈসৰ্গিক ৰূপ চিত্ৰণ, তদানীন্তন সমাজখনৰ শিক্ষা, সংস্কৃতি, ৰাজনীতি, লোকবিশ্বাস, লোকন্যায়, ৰাজতন্ত্ৰ, সামৰিক জীৱন, ৰজাৰ পৰা আৰম্ভ কৰি বৃদ্ধ তপস্বীৰ আৰণ্যক জীৱন ইত্যাদি সকলোবোৰ দিশৰে সজীৱ তথা সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা আকৰ্ষণীয় ৰূপত উপলব্ধ হয়।

বাণভট্টৰ কাদম্বৰীত চৰিত্ৰ চিত্ৰণ অতি আকৰ্ষণীয়। কাদম্বৰীৰ নায়ক-নায়িকা, (চন্দ্ৰাপীড়-কাদম্বৰী) পাৰ্শ্ব চৰিত্ৰ (পণ্ডুৰীক-মহাশ্বেতা), কপিঞ্জল, পত্ৰলেখা, বৈশম্পায়ন আদি চৰিত্ৰসমূহে তিনিটাকৈ জন্ম অতিক্ৰম কৰিছে। প্ৰকৃতাৰ্থত প্ৰায় প্ৰত্যেকটো পাত্ৰই পূৰ্বজন্মৰ সৈতে সংযুক্ত। সমগ্ৰ কাহিনী এটি শুক পক্ষীৰ দ্বাৰা বৰ্ণিত হৈছে, যি প্ৰকৃততে কথা কাব্যখনৰ উপনায়ক পুণ্ডৰীক। গদ্যকাৰ বাণভট্টই এই বিস্ময়জনক কৌতুহলপূৰ্ণ কাহিনী তথা পাত্ৰ সমূহক বিভিন্ন কথা-কথানকৰ মাজত সম্পৃক্ত কৰি ক'তো অকণো খোকোজা নলগাকৈ একসূত্ৰৰে বান্ধি ৰাখিব পাৰিছে। এফালৰ পৰা চাবলৈ গ'লে কাদম্বৰীৰ কথা সমূহৰ উপস্থাপন যথেষ্ট জটিল কিন্তু বাণভট্টৰ অদ্ভূত কল্পনা শক্তি আৰু অভিনৱ সংযোজনৰ চাতুৰ্য্যৰ বাবে মূলতকৈ এই সমূহ অধিক কৌতুহলোদ্দীপক আৰু ৰমণীয় হৈ উঠিছে। সকলোতকৈ আচৰিত কথা এয়ে যে চৰিত্ৰসমূহৰ বিচিত্ৰতা, কোনোবাটো চৰিত্ৰ দেৱতা, কিন্তু অভিশাপৰ বাবে মৰ্ত্যলোক পাইছে, কোনোবাটো গান্ধৰ্ব, কোনোজন মনুষ্য আৰু কোনোজন ইতৰ প্ৰাণী। নিজ নিজ ক্ষেত্ৰত সকলোবোৰ পাত্ৰই স্বকীয় বৈশিষ্ট্যৰে সমুজ্জল চৰিত্ৰ। প্ৰায় প্ৰত্যেক পাত্ৰই পূৰ্বজন্মৰ কৃতকৰ্মৰ ফল ভোগ কৰি পৰজন্মৰ ভূমিকা পালন কৰা দেখা যায়।

বাণভট্টই চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰত দেখা যায় সকলো চৰিত্ৰই স্বকীয় গুণেৰে সমলংকৃত। প্ৰজাপালক পৰাক্ৰমী ৰজা শূদ্ৰকৰ আদৰ্শ নৃপতিত্বৰ বৰ্ণনাই সকলোকে উৎসাহিত কৰে, তেনেদৰে শান্ত সৌম্য তপস্বহাৰীত, জ্ঞানবৃদ্ধ জাবালি মুনি, আদৰ্শ নৃপতি তাৰাপীড়, শাস্ত্ৰজ্ঞ তথা লোকজ্ঞান পাৰদৰ্শী অভিজ্ঞ মন্ত্ৰী শুকনাস, শুভবসনা তপস্বিনী মহাশ্বেতা, অপূৰ্ব সুন্দৰী কাদম্বৰী ইত্যাদি সকলোৰে পাত্ৰই একো একোটা সমুজ্জল ব্যক্তিত্বৰে মহিমামণ্ডিত।

বাণভট্টৰ গদ্য শৈলী পৰবৰ্তী কালৰ কবিসকলৰ আদৰ্শ হৈ পৰা পৰিলক্ষিত হয়। বাণভট্টৰ গদ্য পাঞ্চালী ৰীতি প্ৰধান। মাধুৰ্য্য আৰু সৌকুমাৰ্য গুণেৰে অলংকৃত ৰচনা হৈছে পাঞ্চালী ৰীতি। বামনে 'কাব্যলঙ্কাৰসূত্ৰবৃত্তিঃ' গ্ৰন্থত উল্লেখ কৰিছে — "মাধুৰ্য্য সৌকুমাৰ্য়োপপন্না পাঞ্চালী।" বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণত পাঞ্চালী ৰীতিৰ বিষয়ে কৈছে যে বৈদৰ্ভী আৰু গৌড়ীৰ প্ৰকাশক গুণ অৰ্থাৎ মাধুৰ্য্য আৰু ওজঃ গুণৰ বাহিৰে অৰ্থাৎ প্ৰসাদ গুণ ব্যঞ্জক পাঁচটা বা ছয়টা পদৰ সমাসবদ্ধ পদতকৈ বেছি সমাসবদ্ধ পদ নাথাকে তেনে ৰচনাক পাঞ্চালী ৰীতি বুলি কোৱা হয় — "বৰ্নৈ শেষৈঃ পুনৰ্দ্বয়োা। সমস্তপঞ্চষপদো বন্ধঃ পাঞ্চালিকা মতা।।" (সাহিত্যদৰ্পণ)

বাণভট্টৰ গদ্যত পাঞ্চালী ৰীতিৰ প্ৰাচুৰ্য্য লক্ষ্য কৰি সংস্কৃত সাহিত্যত জনপ্ৰিয় মন্তব্য সমুপলব্ধ হয়। জলহনৰ 'সূক্তি মুক্তাৱলী' গ্ৰন্থত উদ্ধৃত এটি শ্লোকত কোৱা হৈছে —

শব্দাৰ্থয়োঃ সমো গুম্ফঃ পাঞ্চালীৰীতিৰিষ্যতে।

শীলাভট্টাৰিকাৱাচি ৰানোক্তিষু চ সা য়দি।।

অৰ্থাৎ য'ত শব্দ আৰু অৰ্থৰ ব্যৱহাৰত সামঞ্জস্য থাকে তাকে পাঞ্চালী ৰীতি বুলি কোৱা হয়। শীলাভট্টাৰিকা আৰু বাণৰ গদ্যতহে এই ৰীতি দেখা যায়। উল্লেখনীয় যে শীলাভট্টাৰিকাৰ ৰচনা অধুনা বিলুপ্ত। বাণভট্টৰ ৰচনাত পাঞ্চালী ৰীতি সততে বিদ্যমান। শব্দ আৰু অৰ্থৰ সুষম প্ৰয়োগ, বৰ্ণনীয় বিষয়বস্তু অনুসৰি শব্দৰ বিন্যাস বাণভট্টৰ অন্যতম বৈশিষ্ট্য আৰু ইয়ে পাঞ্চালী ৰীতিৰ প্ৰাণ। বাণভট্টই বৰ্ণনীয় বিষয়বস্তুৰ স্বৰূপ অনুসৰি শব্দ বিন্যাস তথা বাক্যশৈলী প্ৰয়োগ কৰিছিল। উদাহৰণস্বৰূপে বিন্ধ্যাটৱীৰ ঘনাৰণ্য প্ৰকাশ কৰিবলৈ উৎকৰ্ষ সমাসবদ্ধ পদাৱলী পৰিলক্ষিত হয় আনহাতে নায়িকাদিৰ কমনীয় কান্তি বৰ্ননাত, বিৰহ বেদনাদি হৃদয়ৰ সুকোমল অনুভূতি প্ৰসঙ্গত সহজ-সৰল, লালিত্য পূৰ্ণ পদাৱলী চকুত পৰে। বিন্ধ্যাটবীৰ বৰ্ণনা আৰম্ভ হৈছে —

"অস্তি পূৰ্বাপৰজলনিধি বেলাবনলগ্না মধ্যদেশালঙ্কাৰভূতা মেখলেৰ ভূৰঃ, বনকৰিকুলমদজল-সেক সংৱৰ্দ্ধিতৈৰতিবিকচ-ধৱলকুসুমনিকৰমত্যুচ্চতয়া তাৰাগনমিৱ-শিখৰদেশলগ্নমুদ্বহদ্ভিঃ পাদপৈৰুপশোভিতা" — অৰ্থাৎ পূব আৰু পশ্চিম সাগৰৰ পাৰৰ বননিলৈকে সংলগ্ন হৈ থকা মধ্যদেশৰ অলঙ্কাৰ স্বৰূপ পৃথিৱীৰ কৰধনিৰ দৰে বিন্ধ্যাচৱী নামৰ এখন অৰণ্য আছে। য'ত বণৰীয়া হাতীবোৰৰ মদজলৰে সেমেকা হৈ ভূমিত বাঢ়ি অহা অতিশয় ওখ গছ-গছনিবোৰৰ প্ৰস্ফুটিত ফুলসমূহক অতি উচ্চতাত থকা বাবে তাৰকামণ্ডলীৰ দৰে দেখা গৈছিল।" তেনেদৰে যুৱাৰাজ চন্দ্ৰাপীড়ৰ নগৰীত প্ৰৱেশ কালত পুৰনাৰী সকলৰ মনত উদয় হোৱা ভাৱৰ চিত্ৰ পোৱা যায় — "ত্বৰিতগমন। মামপি প্ৰতিপালয়। দৰ্শনোন্মত্তে। গৃহানোত্তৰীয়ম। চপলে। উল্লাসয় অলকলতামা-ননাবলম্বিনীম। মূঢ়ে। চন্দ্ৰলেখামুপাহাৰ। উপহাৰ-কুসুম-স্খলিত চৰণা পতসি মদনান্ধে।" — অৰ্থাৎ হেৰা বেগা-বেগীকৈ যোৱাজনী! মোলৈ ও অপেক্ষা কৰা। দৰ্শনৰ বাবে উন্মত্তা হৈ থকা জনী! চাদৰখন তুলি লোৱা। চঞ্চলাজনী! মুখলৈ ওলমি থকা অলক কেইডাল সামৰি লোৱা। হেৰা মূঢ়জনী চন্দ্ৰলেখা ধাৰ তুলি লোৱা! হেৰা মদনৰ প্ৰভাৱত অন্ধহোৱাজনী সিচৰিত হৈ থকা ফুলবোৰত ভৰি পিছল খাব।"

বাণভট্টৰ ৰচনাত পাঞ্চালী ৰীতিৰ উপৰিও বৈদৰ্ভী আৰু গৌড়ী ৰীতিৰো সুন্দৰ নিদৰ্শন উপলব্ধ হয়। বৰ্ণনীয় বিষয়ৰ মৃদুতা আৰু স্নিগ্ধতা বৈদৰ্ভী ৰীতিৰ মাধ্যমত প্ৰকাশিত হয়। বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণত বৈদৰ্ভী ৰীতি প্ৰসঙ্গত উল্লেখ কৰিছে — "মাধুৰ্যব্যঞ্জকৈৰ্বনৈঃ ৰচনা ললিতাত্মিকা। আবৃত্তিৰল্পবৃত্তিৰ্বা বৈদৰ্ভী ৰীতিৰিষ্যতে।।" অৰ্থাৎ মাধুৰ্য্য গুণ ব্যঞ্জক বৰ্ণৰ সমাবেশত সুললিত সমাসবিহীন বা অলপ সমাস থকা ৰচনা বৈদৰ্ভী ৰীতি বিশিষ্ট ৰচনা হয়। কাদম্বৰীত 'শুকনাসৰ উপদেশ', 'মহাশ্বেতা-পুণ্ডৰীকৰ বৰ্ণনা', কাদম্বৰীৰ বিৰহাৱস্থা আদিত বৈদৰ্ভী ৰীতিৰ নিদৰ্শন উপলব্ধ হয়। উদাহৰণ স্বৰূপে 'শুকনাসৰ

উপদেশ' প্ৰসঙ্গত লক্ষ্মীৰ বৰ্ণনাত বৈদৰ্ভীৰীতিযুক্ত বাক্য উপলব্ধ হয় — "গঙ্গেৰ ৰসুজনন্যপি তৰঙ্গবুদবুদচঞ্চলা দিবাকৰ-গতিৰিৱ প্ৰকটিত বিবিধ সংক্ৰান্তি। পাতালগৃহেৰ তমো বহুলা। হিডিম্বেৰ ভীমসাহসৈকাহাৰ্য্যহৃদয়া।" ইত্যাদি।

বাণভট্টৰ কাদম্বৰীত গৌড়ী ৰীতিবিশিষ্ট ৰচনাৰ প্ৰাচুৰ্য্য মনকৰিবলগীয়া। ৰামনে 'কাব্যলঙ্কাৰসুত্ৰবৃত্তি' গ্ৰন্থত - 'ওজঃ কান্তিমতী গৌড়ীয়া' — অৰ্থাৎ ওজঃ গুণৰ বিষয়ে ৰামনে কৈছে — 'গাঢ়বন্ধত্বমোজঃ' (কাব্যলঙ্কাৰ সূত্ৰবৃত্তি ৩।১।৫) অৰ্থাৎ পদবন্ধনৰ গাঢ়তা অৰ্থাৎ দীৰ্ঘসমাসবদ্ধ পদ, কঠিন পদাংশ, যুক্তাক্ষৰ যুক্ত পদ আৰু শ্লেষাত্মক পদসমূহৰ যি ৰচনাত দেখা যায় সেয়াই ওজা গুণযুক্ত ৰচনা। এই সমাসবহুল ওজঃ গুণযুক্ত ৰচনাকেই গদ্যৰ প্ৰাণ বুলি দণ্ডীয়ে উল্লেখ কৰিছে — "ওজঃ সমাস-ভূয়ত্বমেতদ্ -গদ্যস্য জীৱিতম্" (কাব্যাদৰ্শ ১।৮০) বাণভট্টৰ ৰচনাত গৌড়ী ৰীতিযুক্ত এই ধৰণৰ ৰচনা 'বিন্ধ্যটৰী বৰ্ণনা, ইন্দ্ৰায়ুধ বৰ্ণনা, অচ্ছোদসৰোবৰ বৰ্ণনা, চন্দ্ৰাপীড়দিগ্‌বিজয় বৰ্ণনা ইত্যাদি গৌড়ী ৰীতি ভূষিত ৰচনা দৃষ্ট হয়।

অলঙ্কাৰ শাস্ত্ৰসমূহত আলোচিত চাৰিপ্ৰকাৰ গদ্যৰ উপস্থিতি কাদম্বৰীত অনায়াসে পৰিদৃষ্ট হয়। বিশ্বনাথে 'সাহিত্য দৰ্পন' গ্ৰন্থত চাৰিবিধ গদ্যৰ বৈশিষ্ট্য উল্লেখ কৰিছে —

বৃত্তগন্ধোজিঝতং গদ্যং মুক্তকং বৃত্তগন্ধি চ
ভৱেদুৎকলিকাপ্ৰায়ং চূৰ্নকং চ চতুৰ্বিধম্।
আদ্যং সমাসৰহিতং বৃত্তভাগযুতং পৰম্।
অন্যদ্দীৰ্ঘসমাসাঢ্যং তুৰ্য্যং চাল্পসমাসকম্।। (সাহিত্য দৰ্পণ ৬।৩৩০-৩২)

অৰ্থাৎ মুক্তশ্ৰেণীৰ গদ্য হৈছে সমাসবিহনীন গদ্য। কাদম্বৰী মহাশ্বেতা, কাদম্বৰী, কপিঞ্জল আদিৰ বিৰহাৱস্থা বৰ্ণনাত এই ধৰণৰ গদ্যৰ প্ৰাচুৰ্য্য দেখা যায়। তেনেদৰে চন্দ্ৰীপীড়ৰ দৰ্শনৰ বাবে উৎসুক পুৰনাৰীসকলৰ বৰ্ণনাতো এই ধৰণৰ চুটি চুটি সমাসবিহীন প্ৰাঞ্জল বৰ্ণনা উপলব্ধ হয়। আকৌ কোনো ছন্দৰ চৰণবিশেষৰ পংক্তিৰে ৰচিত গদ্যক বৃত্তগন্ধি বুলি কোৱা হয়। এই ধৰণৰ গদ্যও কাদম্বৰীত উপলব্ধ হয়, দীৰ্ঘ সমাস বহুল ৰচনাক উৎকলিকা প্ৰায় বুলি কোৱা হয়। গদ্য কাব্যৰ এইবিধ গদ্য কাদম্বৰীত সততে উপলব্ধ হয়। উজ্জয়িনী বৰ্ণনা, ৰাজকুল বৰ্ণনা, ইন্দ্ৰায়ুধ বৰ্ণনা, ৰাজভোগবিলাস বৰ্ণনা, শাল্মলীতৰু বৰ্ণনা ইত্যাদি প্ৰায় অধিকাংশ বৰ্ণনাতে এই শ্ৰেণীৰ গদ্য দৃষ্ট হয়। কম সংখ্যক সমাসবদ্ধ পদৰ গদ্য হৈছে চতুৰ্থবিধ অৰ্থাৎ চূৰ্ণক শ্ৰেণীৰ গদ্য। সহজ-সৰল প্ৰাঞ্জল শব্দৰ সমাবেশত সহজেই বোধগম্য হোৱা এইবিধ গদ্যও কাদম্বৰীত দেখা যায়। বিশেষকৈ হৃদয়ৰ অনুভূতি বৰ্ণনা, বাৰ্তালাপ, হৰ্ষ-বিষাদ আদি ভাৱাবেগৰ বৰ্ণনাত। অলঙ্কাৰৰ সুষম প্ৰয়োগত বাণভট্ট অতি উচ্চ স্থান অধিকাৰ কৰা দেখা যায়। শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ দুয়োটাৰে উপস্থাপনত বাণভট্ট সিদ্ধহস্ত আছিল।

শব্দলংকাৰৰ ভিতৰত অনপ্ৰাস, শ্লেষ আদি অলঙ্কাৰৰ বহুল প্ৰয়োগ দেখা যায়। তেনেদৰে অৰ্থালঙ্কাৰৰ ভিতৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা, পৰিসংখ্যা, ব্যতিৰেক, বিৰোধাভাস আদি অলঙ্কাৰৰ প্ৰাচুৰ্য্য উপলব্ধ হয়। ইয়াৰ উপৰিও স্বাভাৱোক্তি, নিদৰ্শনা, বিষম, সমাসোক্তি, অতিশয়োক্তি, কাব্যলিংগ, সমুচ্চয়, তুল্যয়োগিতা, দৃষ্টান্ত, অপ্ৰস্তুত প্ৰশংসা পৰিকৰ, সহোক্তি, ব্যাজোক্তি, বিভাৱনা তদ্‌গুণ আদি অলঙ্কাৰৰ যথাৰ্থ প্ৰয়োগ পৰিলক্ষিত হয়।

বাণভট্টৰ কাদম্বৰীত সঘনে চকুত পৰা অলঙ্কাৰ হৈছে শ্লেষ। শ্লেষানুপ্ৰাণিত উপমাৰেই প্ৰায়বোৰ চৰিত্ৰ, বৰ্ণনীয় বিষয় উপস্থাপন কৰা দেখা যায়। এই সন্দৰ্ভত বাণভট্টই নিজেই তেওঁৰ কথা কাব্যত প্ৰয়োগ কৰিবলৈ লোৱা অলঙ্কাৰ শ্লেষ, উপমা, দীপক আদিৰ বিষয়ে কাদম্বৰীৰ প্ৰাৰম্ভত ব্যক্ত কৰিছে —

হৰন্তি কং নোজ্জ্বলদীপকোপমৈৰ্নবৈঃ পদাৰ্থৈৰুপপাদিতাঃ কথাঃ।
নিৰন্তৰশ্লেষঘনাঃ সুজাতয়ো মহাস্ৰজশ্চম্পককুড্‌মলৈৰিব।।

অৰ্থাৎ উজ্জ্বল চাকিৰ দৰে মাজে মাজে জাঁতি ফুল দিয়া ঘন ঘন কে গঁথা চম্পক কলিৰ মালাধাৰিয়ে কাৰনো হিয়া শাঁত নেপেলাই যিদৰে নতুন নতুন বিষয়ৰ মাজে মাজে শ্লেষ অলঙ্কাৰ থকা জাতি ছন্দত ৰচিত স্পষ্ট দীপক উপমাদি অলঙ্কাৰে কাক আনন্দ নিদিব ? উল্লেখযোগ্য যে উক্ত শ্লোকফাঁকি উপমা আৰু অৰ্থাপত্তি অলঙ্কাৰৰ সংমিশ্ৰণত সঙ্কৰ অলঙ্কাৰৰ সুন্দৰ নিদৰ্শন।

কাদম্বৰীত শ্লিষ্ট উপমা, উৎপ্ৰেক্ষা আদি অলঙ্কাৰৰ প্ৰাচুৰ্য্য অন্যতম বৈশিষ্ট্য। শ্লেষ আৰু উপমাৰ সঙ্কৰালঙ্কাৰৰ উদাহৰণ এটি দাঙি ধৰা হ'ল — "অপ্ৰত্যয়বহুলা চ দিৱসান্ত-কমলমিৱ সমুপচিত-মূল-দণ্ড-কোশ-মণ্ডলমপি মুঞ্চতি ভূভৃজম্। লতেৱ বিটপকানধ্যাৰোহিত।"

লক্ষ্মীৰ বৰ্ণনা প্ৰসঙ্গত শুকনাসৰ মুখেৰে প্ৰকাশ কৰা বাক্যশাৰীত কমল আৰু ৰজাসমূহৰ ক্ষেত্ৰত মূল, দণ্ড, কোশ আদি শব্দই দুটা বেলেগ বেলেগ অৰ্থ সূচাইছে। তেনেদৰে বিটপ শব্দই গছৰ ডাল বুজোৱাৰ লগতে ধূৰ্তজনক বুজাইছে।

উৎপ্ৰেক্ষালঙ্কাৰৰ নিদৰ্শন হিচাবে নিম্নোক্ত বাক্যসমূহ - 'বিশ্বৰূপমিৱ গ্ৰহীতুমাশ্ৰিতা নাৰায়ণমূৰ্তিম্', 'সৰস্বতীপৰিগৃহীতমীৰ্য্যযেৱ নালিঙ্গতি।', 'জনং গুণৱন্তমপবিত্ৰমিৱ ন স্পৃশতি', 'মনস্বিনমুন্মত্তমিবোপহসতি।' — এইদৰে উক্ত বাক্যসমূহত উৎপ্ৰেক্ষা আৰু উপমা অলঙ্কাৰৰ উপস্থিতি দেখা যায়।

বহুক্ষেত্ৰত দেখা বিৰোধাভাস অলঙ্কাৰৰ সহায়ত বক্তব্য বিষয়ৰ গুৰুত্ব অধিক উজ্জ্বল কৰি প্ৰকাশ কৰা হৈছে। উদাহৰণ স্বৰূপে বিৰোধাভাসৰ নিদৰ্শন দেখুওৱা হ'ল — 'তোয়ৰাশিসম্ভৱাপি তৃষ্ণাং সংবৰ্দ্ধয়তি'। অৰ্থাৎ লক্ষ্মী ক্ষীৰ সমুদ্ৰ সম্ভৱা হৈও তৃষ্ণা বৃদ্ধিকাৰিণী। এইক্ষেত্ৰত ধনৰ তৃষ্ণা বৃদ্ধি কাৰিণী গ্ৰহণ কৰিলে বিৰোধ পৰিহাৰ হয়। তেনেদৰে 'অমৃতসহোদৰাপি কটুকবিপাকা, বিগ্ৰহবত্যপ্য-প্ৰত্যক্ষদৰ্শণা। পুৰুষোত্তমৰতাহপি খলজনপ্ৰিয়া।" ইত্যাদি

বাক্যবোৰতো বিৰোধাভাস অলঙ্কাৰ আছে আৰু বিবোধ পৰিহাৰ কৰি বৰ্ণনীয় বস্তুৰ যোগসূত্ৰ ৰক্ষা কৰিব পৰা যায়। পূৰ্ণোপমালঙ্কাৰৰ সমুপস্থিতিও কাদম্বৰীত সততে চকুত পৰে। উদাহৰণ স্বৰূপে লক্ষ্মীৰ বৰ্ণনা প্ৰসঙ্গত নিমোক্ত সুন্দৰভাৱে পুৰ্ণোপমা দেখা যায় — "য়থা য়থা চেয়ং চপলা দীপ্যতে তথা তথা দীপশিখেৱ কজ্জলমলিনমেৱ কৰ্ম কেৱলমুদ্বমতি।' অৰ্থাৎ যিভাৱেই এই গৰাকী চঞ্চলা (লক্ষ্মী) আৰ্বিভূতা হয় সেইদৰেই দীপশিখাই কাজল উৎপাদন কৰাৰ দৰে মলিন কৰ্ম প্ৰকটিত কৰে। এনেদৰে প্ৰায় প্ৰত্যেক পাত্ৰ তথা বিষয়ৰ উপস্থাপনত উপমা, উৎপ্ৰেক্ষা তথা ৰূপকালঙ্কাৰৰ অধিকাধিক প্ৰয়োগ পৰিলক্ষিত হয়।

পৰিসংখ্যা অলঙ্কাৰৰ প্ৰয়োগত বাণভট্ট সদৃশ কবি দুৰ্লভ বুলি কলেও অত্যুক্তি কৰা নহয়। ৰজা শূদ্ৰক, উজ্জয়িনী নগৰী, নৃপতি তাৰাপীড়ৰ বৰ্ণনা ইত্যাদিত পৰিসংখ্যা অলঙ্কাৰৰ চিত্ৰণে বৰ্ণনীয় বস্তুৰ মহত্ব অধিক চমৎকাৰপূৰ্ণ হৈ উঠিছে। উদাহৰণ স্বৰূপে তাৰাপীড়ৰ শাসনকালৰ বৰ্ণনাত প্ৰজাগণৰ বৰ্ণনা শাব্দী পৰিসংখ্যা আৰু শ্লেষ অলঙ্কাৰৰ চিত্ৰণৰে মনোগ্ৰাহী ৰূপত উপস্থাপিত হোৱা দেখা যায়। "য়স্মিশ্চ ৰাজনি গিৰীনাংৰিপক্ষতা প্ৰত্যয়ানাং পৰত্বম্, দৰ্পনানামভিমুখাবস্থানম্, শূলপাণিপ্ৰতিমানাং দুৰ্গাশ্লেষ, ..... মহাভাৰতে দুঃশাসনাপৰাধাকৰ্ণময়্, বয়ঃ পৰিণামে দণ্ড গ্ৰহণম্।" ইত্যাদি। অৰ্থাৎ 'সেই তাৰাপীড়ৰ শাসন কালত পৰ্বতসমূহৰ বিপক্ষতা অৰ্থাৎ পক্ষ হীনতা আছিল প্ৰজাগণৰ মাজত শত্ৰুতা নাছিল, প্ৰত্যয়ৰ ক্ষেত্ৰতহে পৰত্ব আছিল, প্ৰজাগণৰ মাজত শত্ৰুতা নাছিল, দৰ্পনৰ ক্ষেত্ৰতহে অভিমুখত্ব আছিল প্ৰজাগণৰ মাজত নাছিল, মহাদেৱৰ মূৰ্ত্তিৰ ক্ষেত্ৰতহে দুৰ্গাৰ আশ্লেষ অৰ্থাৎ আলিঙ্গন আছিল প্ৰজাগণৰ মাজত দুৰ্গৰ বন্ধন নাছিল, মহাভাৰততহে দুঃশাসনৰ অপৰাধ শ্ৰৱণ আছিল, প্ৰজাগণৰ মাজত দুষ্ট শাসনৰ শ্ৰৱণ নাছিল, বয়সৰ পৰিণামতহে দণ্ড অৰ্থাৎ ঘাঠি লৈছিল, প্ৰজাৰ মাজত দণ্ড বিধান নাছিল ইত্যাদি।' এইদৰে সমগ্ৰ গ্ৰন্থখনতে শব্দালংকাৰ আৰু অৰ্থালঙ্কাৰৰ প্ৰাচুৰ্য্য বাণভট্টৰ গদ্যৰ অন্যতম বৈশিষ্ট্যৰূপে চিত্ৰিত হোৱা দেখা যায়।

ৰসসমূহৰ সম্যক অভিব্যঞ্জনাৰ ফলত কাব্যৰ উৎকৰ্ষতা প্ৰকটিত হয়। বাণভট্টৰ বৰ্ণনাত পাত্ৰসমূহৰ আবেগ অনুভূতিৰ মূৰ্ত প্ৰকাশ উপলব্ধ হয়। সেয়ে প্ৰাচীন সমালোচক ধৰ্মদাসৰ উক্তি — "ৰুচিৰ-স্বৰ-বৰ্ণপ্ৰদা ৰসভাৱৰতী" — কথাযাৰ কাদম্বৰীৰ পাত্ৰসমূহৰ চিত্ৰণত দেখা যায়।

কাদম্বৰীৰ কাহিনী প্ৰেমমূলক। যথাৰ্থতেই শৃঙ্গাৰ ৰসৰ প্ৰাধান্য বৰ্ণিত হৈছে। সম্ভোগ আৰু বিপ্ৰলম্ভ এই দুবিধ ভেদেৰে সমৃদ্ধ অলঙ্কাৰ শাস্ত্ৰত বৰ্ণিত এই দুয়োবিধ ভেদৰে সম্যক চিত্ৰণ ঘটিছে কাদম্বৰীত। কাদম্বৰীৰ মুখ্যৰস বিপ্ৰলম্ভ শৃঙ্গাৰ। পুণ্ডৰীক আৰু মহাশ্বেতা, চন্দ্ৰাপীড় আৰু কাদম্বৰী — এই দুই হাল প্ৰেমিক-প্ৰেমিকাৰ প্ৰণয় কাহিনীৰ অৱলম্বন কৰি কাদম্বৰীৰ কথাভাগ আগবাঢ়িছে। অচ্ছোদ সৰোবৰৰ তীৰত পুণ্ডৰীক আৰু মহাশ্বেতাৰ পৰস্পৰৰ

মাজত দৰ্শন, স্পৰ্শ আদিৰ বৰ্ণনাত সম্ভোগ শৃঙ্গাৰ অভিব্যঞ্জিত হৈছে। তেনেদৰে গন্ধৰ্বলোকৰ কন্যান্তঃপুৰত কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ পৰস্পৰৰ প্ৰতি অনুৰাগাদি বৰ্ণনাত সম্ভোগ শৃঙ্গাৰৰ অভিব্যঞ্জনা ঘটিছে। কাদম্বৰীত সম্ভোগ শৃঙ্গাৰ বৰ্ণিত হৈছে যদিও বাণভট্টৰ মাৰ্জিত ৰুচিৰ পৰিচয় অনুমতি হয় কিয়নো ক'তো অশ্লীলতা সুলভ বৰ্ণনা দেখা নাযায়। কাদম্বৰীত সম্ভোগ শৃঙ্গাৰতকৈ অধিক শক্তিশালী ৰূপত বিপ্ৰলম্ভ শৃঙ্গাৰ বৰ্ণিত হৈছে। 'ন বিপ্ৰলম্ভেন ৱিনা শৃঙ্গাৰঃ পুষ্টিমশ্নুতে' — এই উক্তি শাৰীৰ যথাৰ্থতা কাদম্বৰীত পৰি্তফিলতি হৈছে।

পুণ্ডৰীকৰক অৰ্বতমানত মহাশ্বেতাৰ মনৰ অৱস্থা বৰ্ণনত বিপ্ৰলম্ভ শঙ্গাৰ ফুটি উঠিছে। সংস্কৃত অলঙ্কাৰ শাস্ত্ৰত 'কামদশা' বৰ্ণন প্ৰসঙ্গত উল্লেখ কৰা আটাইবোৰ অৱস্থাৰ চিত্ৰম কাদম্বৰীত উপলব্ধ হয়। বিশ্বনাথ কবিৰাজে সাহিত্য দৰ্পণত উল্লেখ কৰা দহবিধ কামদশা হ'ল —

অভিলাষশ্চিন্তা স্মৃতিগুণকথনোদ্বেগসম্প্ৰলাপাশ্চ।
উন্মাদোহথ ব্যাধিৰ্জড়তা মৃত্যুৰিতি দশাহত্ৰ কামদশাঃ।।

(সাহিত্য দৰ্পণ ৩।১৯০)

অৰ্থাৎ অভীষ্ট প্ৰাপ্তিৰ ইচ্ছা, পৰস্পৰৰ প্ৰাপ্তিৰ বাবে ভৰা-গুণাই চিন্তা, স্মৰণ, গুণকীৰ্ত্তন, উদ্বেগ, প্ৰলাপ, উন্মাদ, ব্যাধি, জড়তা আৰু মৃত্যু — এই দহটা হৈছে মদনপীড়িতৰ অৱস্থা। সংস্কৃত সাহিত্যৰ অন্যান্য কাব্যত চিত্ৰিত নকৰা 'মৃত্যু' দশাও বাণভট্টই পুণ্ডৰীকৰ প্ৰাণ ত্যাগৰ দ্বাৰা চিত্ৰিত কৰিছে। চন্দ্ৰাপীড়ৰ বিৰহত 'ব্যাধি' নামৰ কামদশাত ভূগি থকা কাদম্বৰীৰ বাবে বাণভট্টই হিমগৃহৰ অভিনৱ বৰ্ণনা দিছে।

কৰুণ ৰসৰ চিত্ৰণো কাদম্বৰীত উপলব্ধ হয় কথামুখত বৰ্ণিত নিষ্ঠুৰ ব্যাধজনে ভাটৌ চৰাই কেইটাৰ ওপৰত কৰা অত্যাচাৰৰ বৰ্ণনাত। শুক শাৱকটিৰ মুখত পিতৃ বিয়োগৰ বৰ্ণনাত কৰুণ ৰসৰ উদ্ৰেক হয়। পুণ্ডৰীকৰ মৃত্যুত মহাশ্বেতাৰ বিলাপ, কপিঞ্জলৰ শোক আদিত কৰুণ ৰসৰ পৰিস্ফুৰণ ঘটিছে। মাতঙ্গ নামৰ শবৰসেণাপতিৰ মৃগয়া বৰ্ণনাত ৰৌদ্ৰ ৰস অনুভূত হয়। আনহাতে চন্দ্ৰাপীড়ৰ দিগ্‌বিজয় যাত্ৰাত বীৰ ৰসৰ স্ফুৰণ ঘটিছে। গৌড়ীৰ ৰীতিৰ সম্যক প্ৰকাশ ঘটা সেই বৰ্ণনাসমূহ বীৰ ৰসৰ অভিব্যঞ্জনাৰে সমৃদ্ধ। মৃগয়া ৰত সৈন্যৰ চাল চলনত বিন্ধ্যাটৱীৰ অৰণ্যৰ জীৱ-জন্তুৰ মাজত ভয়ানক ৰসৰ অভিব্যক্তি ফুটি উঠিছে। দ্ৰাৱিড়দেশীয় বৃদ্ধ ধাৰ্মিকৰ অদ্ভুত কাৰ্য্যকলাপে বীভৎস ৰসৰ উদ্ৰেক কৰে। বসন্তৰোগৰ বাবে গাত ফোঁহাৰ চিনে বিকৃত কৰা অম্বিকাদেৱীৰ মন্দিৰৰ মজিয়াত শোৱা বাবে ক'লা বৰণৰ সন্যাসীজনৰ কপালৰ টেমুনা বাঢ়ি গৈছিল। এটা চকুৰে নেদেখা বাবে দিনতে ঘুৰি ফুৰা পেটুৱা বৃদ্ধজনে বহুবাৰ বান্দৰৰ নখৰ আঁচোৰ খাইছিল। ভালুকে আঁচুৰি গাল ছিৰাছিৰ কৰিছিল। এনেধৰণৰ বিস্তৃত বৰ্ণনাত বীভৎস ৰসৰ অনুভৱ জাগৃত হয়। এইজন বৃদ্ধৰে আকৌ কিছুমান কাৰ্য্যই হাস্য

ৰসৰ উদ্ৰেক কৰিছে। বৃদ্ধ ধাৰ্মিকে নাৰী বশীকৰণৰ বাবে চূৰ্ণ ব্যৱহাৰ, দক্ষিণাপথ লাভৰ বাবে দেৱীক কৰা প্ৰাৰ্থনা, কালিন্দী নামৰ সাৰিকা আৰু পৰিহাস নামৰ শুকৰ কোলাহলপূৰ্ণ তৰ্ক-বিতৰ্ক শ্ৰৱণতো হাস্যৰসৰ উদ্ৰেক অনুভূত হয়। তেনেদৰে পুণ্ডৰীক চন্দ্ৰাপীড়ৰ পুনৰ্জন্ম, নায়ক-নায়িকাৰ বহু সংঘাতৰ অন্তত মিলন, পুণ্ডৰীকৰ মৃতদেহ আকাশমাৰ্গৰে তুলি নিয়া কাৰ্য্য, বৈশাম্পায়ণ নামৰ শুক পক্ষীৰ পূৰ্বস্মৃতি স্মৰণ, পাণ্ডিত্য আদি অদ্ভূত কাৰ্য্যাৱলীয়ে যথাৰ্থতে অদ্ভূত ৰসৰ আস্বাদন দিছে। তেনেদৰে তাৰাপীড়ী আৰু ৰাণী বিলাসৱতীৰ পুত্ৰ চন্দ্ৰাপীড়লৈ স্নেহানুভূতিৰ বৰ্ণনাত বাৎসল্য ৰস অনুভূত হয়। শুক-শাৱকৰ প্ৰতি তাৰ পিতৃৰ আকুলতা বৰ্ণনাত বাৎসল্য ৰসৰ পৰিস্ফুৰণ ঘটিছে।

মানৱ মনৰ অনুভূতি আদি সুকোমল দিশটোৰ চিত্ৰণত বাণভট্ট সিদ্ধহস্ত আছিল। পুণ্ডৰীকৰ বিচ্ছেদত মহাশ্বেতাৰ অন্তৰৰ বেদনা বাণভট্টৰ শব্দৰ মায়াজালেৰে প্ৰকটিত হৈছে। তেনেদৰে কাদম্বৰীৰ মনৰ অৱস্থা বৰ্ণনতো মনোবৈজ্ঞানিক বিশ্লেষণ ফুটি উঠা দেখা যায়। বাণভট্টৰ প্ৰেমৰ চিত্ৰণ অতি উচ্চ মৰ্য্যদা সম্পন্ন আছিল। বাহ্যিক দিশটোতকৈ হৃদয়ৰ অন্তঃস্থলৰ অনুভূতি প্ৰাধান্য দিছিল। প্ৰকৃত প্ৰেমে কুল তথা সমাজৰ মৰ্য্যদা উলঙঘন নকৰে, ই সংযত আৰু পৱিত্ৰ। প্ৰকৃত প্ৰেম জন্ম জন্মান্তৰৰ সম্বন্ধ। কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ তিনিটা জন্ম অতিক্ৰম কৰা প্ৰেমবন্ধনে তাকেই প্ৰমাণ কৰিছে। কৰ্মফল হেতু বিভিন্ন শৰীৰ তথা নানা যোনিত জন্ম ল'লেও প্ৰেমৰ বন্ধনে জন্ম-জন্মান্তৰ অনুগমণ কৰে। কাদম্বৰী কথাৰ পাত্ৰ সমূহৰ প্ৰেমৰ চিত্ৰনেৰে বাণভট্টই তাকেই প্ৰমাণিত কৰা দেখা যায়।

প্ৰকৃতি চিত্ৰণত বাণভট্টৰ বৰ্ণনা অদ্বিতীয় বুলি ক'ব পৰা যায়। সংস্কৃত সাহিত্যৰ মহাকাব্যাদিত সাধাৰণতে প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য্যৰ দিশত অধিক গুৰুত্ব দেখা যায়, ভয়ংকৰ ৰূপৰ বৰ্ণনা নাথাকে। কিন্তু বাণভট্টই ৰচনাত প্ৰকৃতিৰ কমনীয় দিশটোৰ লগেত ঘোৰ অৰণ্যৰ ভয়ংকৰ ৰূপৰো বৰ্ণনা উপলব্ধ হয়। বনৰীয়া জীৱ-জন্তুৰ বিচৰণৰ ভয় লগা দৃশ্যও উপলব্ধ হয়। বিন্ধ্যাটৱী, অগস্ত্যাশ্ৰম, জাবালিমুনিৰ আশ্ৰম, পম্পা সৰোবৰ, অচ্ছোদ সৰোবৰ আদিৰ বৰ্ণনাত প্ৰকৃতিৰ অতি যথাযথ বৰ্ণনা উপলব্ধ হয়। প্ৰায়বোৰ বৰ্ণনাত শ্লিষ্ট উপমা, উৎপ্ৰেক্ষা আদি অলঙ্কাৰৰ সহায়ত পৌৰাণিক আখ্যান চৰিত্ৰ আদিৰো উপস্থাপনৰে প্ৰকৃতিৰ বৰ্ণনা কৰাৰ অভিনৱ কৌশল দেখা যায়। বিন্ধ্যাটৱী, অগস্ত্যাশ্ৰম বৰ্ণনা ইত্যাদিত এইধৰণৰ বৰ্ণনাৰ প্ৰাচুৰ্য্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে 'অগস্ত্যাশ্ৰম' বৰ্ণনা প্ৰসঙ্গত দেখা যায় —

"যত্ৰ চ দশৰথ-সুত-নিশ্চিত-শৰ-নিকৰ-নিপাত-নিহত-ৰজনীচৰ-বল-বহল-ৰুধিৰ-সিক্ত-মূলমদ্যাপি তদ্ৰাগাবিদ্ধ নিৰ্গত পলাশমিবাভাতি নবকিয়লয়মৰণ্যম্" — অৰ্থাৎ য'ত দশৰথ নন্দন ৰাম-লক্ষ্মণৰ তীক্ষ্ণ শৰসমূহৰ আঘাতত নিহত ৰাক্ষস সৈন্যৰ তেজৰ ধাৰাৰে এই অৰণ্যৰ গছ সমূহৰ মূলসমূহ

সিক্ত হৈছিল বাবে আজিও নৱকিসলয় যুক্ত অৰণ্যৰ বৃক্ষসমূহ সেই ৰঙেৰে ৰঞ্জিত হৈ আছে। এই বৰ্ণনাত সুন্দৰভাৱে উৎপ্ৰেক্ষা অলঙ্কাৰৰ চিত্ৰণ উপলব্ধ হয়।

প্ৰভাত বৰ্ণনা, সন্ধ্যা বৰ্ণনা, শাল্মলীতৰু বৰ্ণনা ইত্যাদিতো প্ৰকৃতি চিত্ৰণৰ মনোৰম বৰ্ণনা উপলব্ধ হয় যিবোৰ পৰৱৰ্তী কালৰ কবিসকলৰ আদৰ্শ স্বৰূপ হৈ পৰা দেখা যায়। তদানীন্তন ভাৰতবৰ্ষৰ গছ-গছনি, ফল-মূল, নদ-নদী, পৰ্বত-পাহাৰ আদিৰো ছবি একোখন বিচাৰি পোৱা যায়। উদাহৰণস্বৰূপে জাবালিমুনিৰ আশ্ৰমৰ বৰ্ণনা উল্লেখ কৰিব পৰা যায়। গছ-গছনি, চৰাই-চিৰকতিৰে পৰিপূৰ্ণ অত্যন্ত আপোন মনে বিচৰণ কৰা পশু-পক্ষীৰ জাকেৰে সমৃদ্ধ এখন আশ্ৰম। আশ্ৰমখনৰ বৰ্ণনাৰ প্ৰাৰম্ভতে পুষ্পফলৰে সমৃদ্ধ এক পৰিবেশৰ ছবি অঙ্কিত হৈছে —

অনতিদূৰমিব গত্বা দিশি সদাসন্নিহিত-কুসুমৰ্ফলৈঃ তাল-তিলক-তমাল-হিন্তাল-বকুল-বহুলৈঃ, এলালতাকুলিত-নাৰিকেল-কলাপৈঃ আলোল-লোধ্ৰ-লৱলী-লৱঙ্গ-পলৱৈঃ, উল্লসৎ চূত ৰেণু পটলৈঃ, অলিকুল-ভ্ৰঙ্কাৰ-মুখৰ সহকাৰৈঃ উন্মদ-কোকিল-কুল-কলালাপ-কোলাহলিভিঃ, উৎফুল্ল-কেতকী-কুসুম-মঞ্জৰীৰজঃ পুঞ্জ-পিঞ্জৰৈঃ" — অৰ্থাৎ নাতিদূৰত ঘন ঘন ফুল ফলেৰে সমৃদ্ধ বনৰাজিৰে আবৃত আশ্ৰম আছিল য'ত তাল, তিলক, তমাল, হিন্তাল বহু পৰিমাণে বকুল গছ আছিল, নাৰিকল গছবোৰক এলাচি লতাই আৱৰি আছিল, লোধ্ৰ, লৱলী আৰু লৱঙ্গ লতাৰ কোমল কুঁহিপাত বতাহত কম্পিত হৈ আছিল, আমৰ মল সিচঁৰিত হৈ পৰি আছিল, ভোমোৰাৰ গুঞ্জনৰে মুখৰিত হৈ আছিল আমগছ সমূহ, কুলি চৰাইৰ মাতেৰে বননিত কোলাহল উঠি আছিল, কেতেকী ফুলৰ মঞ্জৰীৰ পৰাগ ৰেণুৰে বননি হালধীয়া হৈ আছিল। এই ধৰণৰ বৰ্ণনাৰে প্ৰাচুৰ্য্যময় কাদম্বৰীৰ আশ্ৰম তথা অটৱী আদিৰ বৰ্ণনা। জাৱালি মুনিৰ আশ্ৰমৰ মনোৰম পৰিবেশৰ বৰ্ণনাই প্ৰাচীন ভাৰতৰ আৰণ্যক জীৱনৰ শান্ত সৌম্য দিশটো সুন্দৰভাৱে প্ৰকাশ কৰে।

বাণভট্টৰ বৰ্ণন-চাতুৰ্য্যৰ চূড়ান্ত নিদৰ্শন কাদম্বৰীৰ বুকুত সততে চকুত পৰে। শূদ্ৰকৰ ৰাজসভাৰ বৰ্ণানা, উজ্জয়িনী বৰ্ণনা, ৰাজকুল বৰ্ণনা, তাৰাপীড় বৰ্ণনা, কাদম্বৰীৰ অন্তঃপুৰ বৰ্ণনা, কাদম্বৰীৰ হিমগৃহ বৰ্ণনা, চণ্ডিকাদেৱী বৰ্ণনা ইত্যাদি বাণভট্টৰ সূক্ষ্ম পৰ্য্যবেক্ষন শক্তি, কল্পনা শক্তি, অন্তঃদৃষ্টি আদি দিশবোৰ ফুটি উঠা দেখা যায়। চণ্ডাল কন্যাৰ বৰ্ণনা, ৰাণী বিলাসৱতীৰ বৰ্ণনা, পত্ৰলেখাৰ বৰ্ণনা, মহাশ্বেতাৰ বৰ্ণনা, কাদম্বৰীৰ বৰ্ণনা ইত্যাদি নাৰী সৌন্দৰ্য্য বৰ্ণনাৰ অনুপম চিত্ৰ উপলব্ধ হয়; ঠিক তেনেদৰে শূদ্ৰকৰ বৰ্ণনা, শবৰ সেনাপতিৰ বৰ্ণনা, তাৰাপীড় বৰ্ণনা, চন্দ্ৰাপীড় বৰ্ণনা ইত্যাদিত পুৰুষৰ সৌন্দৰ্য্য বৰ্ণনাৰ সমৃদ্ধিশালী ৰূপ এটি পৰিলক্ষিত হয়। ইন্দ্ৰায়ুধ নামৰ অশ্বটিৰ অপূৰ্ব চিত্ৰণে বাণভট্টৰ অনন্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। ইয়াৰোপৰি গৰ্ভৱতী বিলাসৱতীৰ বৰ্ণনা, সূতিকা গৃহৰ বৰ্ণনা, পুত্ৰ জন্মোৎসৱৰ বৰ্ণনা ইত্যাদিয়ে তদানীন্তন ভাৰতীয় সমাজখনৰ লোকবিশ্বাস,

লোকপৰম্পৰা ইত্যাদি ধৰ্মীয় তথা সাংস্কৃতিক দিশৰ আভাস দিয়ে। চন্দ্ৰাপীড়ৰ শিক্ষা গ্ৰহণৰ বৰ্ণনাত প্ৰাচীন ভাৰতৰ বহু বিস্তৃত পাঠ্যক্ৰমৰ সম্যক ছবি এখন বিচাৰি পোৱা যায়। গুৰুকুল শিক্ষা ব্যৱস্থাৰ অংশ হিচাবে ৰাজপুত্ৰ চন্দ্ৰাপীড়ৰ ব্যাকৰণ, মীমাংসা, ন্যায়, বৈশেষিক আদি দৰ্শন, মন্বাদি ধৰ্মশাস্ত্ৰ, শুক্ৰাচাৰ্য্য কামন্দকাদিৰ ৰাজনীতিশাস্ত্ৰ, ব্যায়াম শিক্ষা, ধনু-চক্ৰ-চৰ্ম, কৃপান তোমৰ, পৰশু, গদা আদি অস্ত্ৰশিক্ষা, ৰথ-গজ-অশ্বাৰোহনৰ প্ৰশিক্ষণ, বীণা-বেণু-সুৰজ-কৰতাল-দুৰ্দুৰপটাদি বাদ্য শিক্ষা, নৃত্যশিক্ষা, গান্ধৰ্ববিদ্যা, হস্তীশিক্ষা, তুৰগবয়োজ্ঞান, পুৰুষলক্ষণ, চিত্ৰকৰ্ম, যন্ত্ৰচ্ছেদ্য, পুস্তকব্যাপাৰ, লেখ্যকৰ্ম, দ্যুতকলা, গন্ধশাস্ত্ৰ, শকুনিনিৰুতজ্ঞান, গ্ৰহগণিত, ৰত্ন পৰীক্ষা, দাৰুকৰ্ম, গজদন্তব্যাপাৰ, বাস্তুবিদ্যা, আয়ুৰ্বেদ, মন্ত্ৰব্যাপাৰ, বিষাপহৰণ, সুৰাঙ্গপভেদ, সন্তৰণ, লঙঘণ, প্লুতি, আৰোহণ, ৰতিতন্দ্ৰ, ইন্দ্ৰজাল, কথা, নাটক, আখ্যায়িকা, কাব্য, মহাভাৰত, পুৰাণ, ইতিহাস, ৰামায়ণ, সৰ্বলিপি, বিবিধ ভাষাজ্ঞান, সংজ্ঞাজ্ঞান, সৰ্বশিল্প, ছন্দ, শিল্প আদি কলাসমূহ এইদৰে বাণভট্টৰ ৰচনাত তদানীন্তন সমাজখনৰ ৰাজতন্ত্ৰৰ স্বৰূপ, শাসন ব্যৱস্থা, ৰাজপ্ৰাসাদৰ চিত্ৰ, সামৰিক ব্যৱস্থা, বৰ্ণ প্ৰথা, বিবাহ, পুত্ৰ জন্ম আদি সংস্কাৰ, শক্তিপূজা, বৈদিক ধৰ্ম ইত্যাদিৰ প্ৰতিফলন ঘটিছে। ৰাজকীয় জীৱনৰ লগতে আৰণ্যক জীৱনৰো ছবি বিচাৰি পোৱা যায়।

শব্দ সম্ভাৰৰ প্ৰাচুৰ্য্য বাণভট্টৰ গদ্যত অতুলনীয়। একোটা শব্দৰ অনেক পৰ্য্যায়বাচক শব্দৰে বাণভট্টৰ ৰচনা সমৃদ্ধিশালী। কাদম্বৰীত প্ৰযুক্ত শব্দ সম্ভাৰৰ দুটামান উদাহৰণ দাঙি ধৰা হ'ল।

কমল — পঙ্কজ, পদ্ম, কুৱলয়, অম্বুজ, উৎপল, ৰাজীৱ, সৰোজ, নলিন, অৰবিন্দ, তামৰস, কুশেশয়ু, অম্বুৰুহ, পুণ্ডৰীক, পঙ্কেৰুহ ইত্যাদি।

কামদেৱ — কন্দৰ্প, কুসুমায়ুধ, অনঙ্গ, কাম, পঞ্চশৰ, কুসুমশৰ, মকৰকেতু, মনোভৱ, মন্মথ, মকৰধ্বজ, মনসিজ, মকৰলাঞ্ছন ইত্যাদি।

সমূহ — সংহতি, সাৰ্থ, পেটক, পটল, নিকট, পুঞ্জ, গণ, বাত, দল, কপাল, মণ্ডল, জাল, নিবহ, ৰাশি, কুল, য়ুথ, বৃন্দ, গ্ৰাম, প্ৰকৰ, কদম্বক, জাল, সঞ্চয়, নিচয় ইত্যাদি।

শব্দ — নিনাদ, ধ্বনি, ৰণিত, ৰসিত, ঝঙ্কাৰ, কেঙ্কাৰ, নাদ, কোলাহল, নিঃস্বন, কলকল, ৰৱ, ঘৰ্ঘৰ, হুংকৃত, ক্কণিত, বিৰুত, গৰ্জিত, কুজিত, টংকাৰ, ঝন-ঝন, চীৎকৃত, স্বন, স্বৰ, ঘোষ, ধ্বান, হ্ৰাস ইত্যাদি।

এনোবোৰ বৈশিষ্ট্যৰে সমৃদ্ধ, গদ্যকাব্য জগতৰ মূধন্যতম গদ্যকাৰ বাণভট্ট মহাকবিসকলৰ অগ্ৰগণ্য, অদ্বিতীয় চুড়ামণি হিচাবে বন্দনীয় হৈ আছে। কবি সোড়ঢলৰ মন্তব্য সেয়েহে যথাৰ্থতেই গ্ৰহণীয় হৈ থাকিব —

ৱাগীশ্বৰং হন্ত! ভজতেহভিনন্দমৰ্থেশ্বৰংৱাক্পতিৰাজমীড়ে।
ৰসেশ্বৰংস্তৌমি চ কালিদাসংবানংতুসৰ্বেশ্বৰমানতোহস্মি।।

### জানি থওঁ আহা

বাণভট্ট সংস্কৃত সাহিত্যৰ অদ্বিতীয় গদ্যকাৰ। বাণভট্টৰ প্ৰসিদ্ধ গদ্যকাব্য দুখন - 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত'। 'কাদম্বৰী' কথা শ্ৰেণীৰ গদ্যকাব্য আৰু 'হৰ্ষচৰিত' আখ্যায়িকা শ্ৰেণীৰ গদ্যকাব্য। কাদম্বৰীৰ দুটা ভাগ - পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ। পূৰ্বাৰ্ধ বাণভট্টৰ ৰচনা আৰু উত্তৰাৰ্ধ তেওঁৰ পুত্ৰ ভূষণভট্টই ৰচনা কৰে। কাদম্বৰীৰ উৎস গ্ৰন্থ সেমদেৱৰ কথাসৰিৎসাগৰ।

### অগ্ৰগতিৰ খতিয়ান

**৭ নং প্ৰশ্ন ঃ** বাণভট্টৰ কাদম্বৰীৰ কাহিনী চিত্ৰণৰ ওপৰত আলোকপাত কৰক।
**৮ নং প্ৰশ্ন ঃ** কাদম্বৰীৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে আলোচনা উপস্থাপন কৰক।
**৯ নং প্ৰশ্ন ঃ** বাণভট্টৰ বৰ্ণন নৈপুন্যৰ আভাস দাঙি ধৰক।
**১০ নং প্ৰশ্ন ঃ** বাণভট্টৰ গদ্য শৈলীৰ ওপৰত বিস্তৃত আলোচনা উপস্থাপন কৰক।
**১১ নং প্ৰশ্ন ঃ** কাদম্বৰীৰ ৰস চিত্ৰণৰ ওপৰত এটি টোকা প্ৰস্তুত কৰক।

### আত্মমূল্যায়ণ প্ৰশ্ন

**৪ নং প্ৰশ্ন ঃ** বাণভট্টৰ কাব্যিক বৈশিষ্ঠ্য সংস্কৃত সাহিত্যৰ গদ্য-কাব্যৰ আদৰ্শ হৈ পৰিছিল বুলি ভাবেনে?
**৫ নং প্ৰশ্ন ঃ** বাণভট্টৰ কাব্যিক উপাদানৰ চিত্ৰণৰ ওপৰত সুবিস্তৃত আলোচনা উপস্থাপন কৰিব পাৰি বুলি ভাবেনে? যুক্তি সহকাৰে দেখুৱাই দিয়ক।

### ৪.৬.১০ দণ্ডী

দণ্ডী সংস্কৃত সাহিত্যৰ অন্যতম এগৰাকী প্ৰসিদ্ধ গদ্যকাৰ। দণ্ডীৰ জীৱন কালৰ বিষয়ে দণ্ডীকৃত 'অৱন্তীসুন্দৰীকথা' গ্ৰন্থৰ পৰা কিছু তথ্য লাভ কৰিব পৰা যায়। সেই তথ্য অনুসৰি দণ্ডীৰ জন্ম কৌশিক গোত্ৰীয় ব্ৰাহ্মণকুলত দণ্ডীৰ জন্ম হৈছিল। দণ্ডীৰ পূৰ্বপুৰুষ সকলে গুজৰাটত আছিল। পাছলৈ মহাৰাষ্ট্ৰৰ নাসিক ওচৰৰ অচলপুৰত বাস কৰে। তাৰ পাছত কাঞ্চীলৈ যায় আৰু এই বংশতে প্ৰসিদ্ধ কিৰাতাৰ্জুনীয়ম মহাকাব্যৰ প্ৰণেতা ভাৰৱিৰ জন্ম হয়। দামোদৰ ওৰফে ভাৰৱিৰ মধ্যম পুত্ৰ মনোৰথৰ চাৰিজন পুত্ৰৰ ভিতৰত মাজু গৰাকী পুত্ৰ হৈছে শ্ৰীবীৰদত্ত। দাৰ্শনিক পণ্ডিত শ্ৰীবীৰদত্তৰ পত্নী গৌৰি প্ৰিয়াৰ গৰ্ভত দণ্ডীৰ জন্ম হয়। শৈশৱতে পিতৃ-মাতৃক হেৰুৱাবলগীয়া হোৱা দণ্ডীয়ে আনুমানিক ৬৫৫ খৃষ্টাব্দত চালুক্য নৃপতি বিক্ৰমাদিত্যৰ কাঞ্চী অৱৰোধৰ বাবে সেই নগৰী ত্যাগ কৰি নানা ঠাই পৰিভ্ৰমণ কৰি বহু বিদ্যা অৰ্জন কৰে। পাছলৈ ৰজা নৰসিংহবৰ্মনে পুনৰ কাঞ্চী অধিকাৰ কৰাত দণ্ডী স্বনগৰীলৈ আহে আৰু ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰে।

দণ্ডী দাক্ষিণাত্যবাসী আছিল বুলি বহু তথ্য উপলব্ধ হয়। বিশেষকৈ 'কাব্যাদর্শ', 'দশকুমাৰ-চৰিত'ত উল্লেখিত কাঞ্চী, সুক্ষ্মদেশ, লাটদেশ, উজ্জয়িনী, শ্ৰাৱন্তী ইত্যাদি স্থানৰ প্ৰতি থকা পক্ষপাতিত্বই এই যুক্তি সমৰ্থন কৰে। আনহাতে বিদৰ্ভ নগৰীৰ সঘন উল্লেখ, বৈদৰ্ভী ৰীতিৰ প্ৰাচুৰ্য্য অৱন্তী সুন্দৰীৰ বৰ্ণনা আদিয়ে দণ্ডীক দাক্ষিণাত্যবাসী হলেও বিদৰ্ভৰ সৈতে সংযুক্ত আছিল বুলি সমৰ্থন আগবঢ়ায়। দণ্ডীয়ে কাঞ্চীৰ পল্লৱৰাজকুলৰ ছত্ৰছায়াত কাব্য ৰচনা কৰিছিল বুলি ইতিহাস আৰু কিম্বদন্তীৰ সমৰ্থন উপলব্ধ হয়।

**৪.৬.১১ দণ্ডীৰ আৰ্বিভাৱ কাল ঃ**

সংস্কৃত সাহিত্যৰ প্ৰায় সকলোবোৰ মহাকবিৰ জন্মস্থান, কাল আদিৰ সঠিক সিদ্ধান্ত নথকাৰ দৰে দণ্ডীৰো আবিৰ্ভাৱ কাল সম্বন্ধে ভিন্নমত দেখা যায়। খ্ৰীষ্টীয় নৱম শতিকাত ৰচিত কেইবাখনো গ্ৰন্থত দণ্ডীৰ নামৰ সুস্পষ্ট উল্লেখ পোৱা যায় ইয়াৰ পৰা বুজা যায় দণ্ডী নৱম শকিতাৰ আগৰ কালৰ হ'ব লাগিব। দণ্ডীৰ কাব্যাদৰ্শত, ভাস, কালিদাস আৰু বাণভট্টৰ ৰচনাৰ সুস্পষ্ট প্ৰভাৱ উপলব্ধ হয়। দণ্ডীৰ ৰচনাত বাণভট্টৰ গদ্যৰ প্ৰভাৱ, আদৰ্শ তথা কল্পনাৰ প্ৰভাৱ প্ৰসিদ্ধ সমালোচক কৃষ্ণ মাচাৰিয়াৰে বিশদভাৱে দেখুৱাই দিছে বাণভট্ট ৰজা শ্ৰীহৰ্যৰ (খৃ. ৬০৬-৮৬) ৰাজসভাৰ সভাকবি আছিল বুলি সৰ্বসন্মত সিদ্ধান্ত উপলব্ধ হয়। গতিকে বাণভট্ট আৰু দণ্ডীৰ কাল সপ্তম শতিকাৰ আদিভাগ বুলি গ্ৰহণ কৰিব পৰাযায়। বামনে 'কাব্যালঙ্কাৰ সূত্ৰবৃত্তি' গ্ৰন্থত ৰীতিসিদ্ধান্তৰ আলোচনাত দণ্ডীৰ কাব্যাদৰ্শৰ প্ৰভাৱৰ কথা সমালোচক সকলে দেখুৱাই দিছে। বামনৰ স্থিতিকাল খৃঃ ৮০০ শতিকা বুলি ভৰা হয়। গতিকে নিশ্চিতভাৱে দণ্ডীৰ স্থিতিকাল খ্ৰীষ্টীয় সপ্তম শতিকাৰ আদিভাগ বুলি ভাৱিব পৰা যায়।

**৪.৬.১২ দণ্ডীৰ কৃতিসমূহ ঃ**

সংস্কৃত গদ্য সাহিত্য জগতত দণ্ডীৰ ৰচনা সমূহেও এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। দণ্ডীৰ ৰচনাসমূহৰ বিষয়েও সমালোচক সকলৰ মাজত ভিন্ন মত দেখা যায়। আলঙ্কাৰিক ৰাজশেখৰে দণ্ডীৰ তিনিখন গ্ৰন্থ আছে বুলি এটি শ্লোক উল্লেখ কৰিছে —

ত্ৰয়োহগ্নয়স্ত্ৰয়ো দেৱাস্ত্ৰয়ো বেদোস্ত্ৰয়ো গুণাঃ।
ত্ৰয়ো দণ্ডিত্ৰবন্ধাশ্চ ত্ৰিষু লোকেষু ৱিশ্ৰুতা।।

অৰ্থাৎ তিনি অগ্নি, দেৱতা তিনিগৰাকী, তিনিখন বেদ, তিনি গুণ আৰু তিনিখন দণ্ডীৰ ৰচনা তিনি লোকত সুপ্ৰসিদ্ধ। দণ্ডী বিৰচিত এই তিনিখন গ্ৰন্থৰ বিষয়ে মতানৈক্য দেখা যায়। কিছুমান পণ্ডিতৰ মতে 'কাব্যাদৰ্শ', 'দশকুমাৰচৰিত' আৰু 'অৱন্তীসুন্দৰী কথা' দণ্ডীৰ দ্বাৰা বিচৰিত গ্ৰন্থত্ৰয়। আন কিছুমানে আকৌ 'কাব্যাদৰ্শ', 'দশকুমাৰ চৰিত' আৰু 'দ্বিসন্ধানকাব্য' — এই

তিনিখনক দণ্ডীৰ গ্ৰন্থত্ৰয় বুলি ক'ব খোজে। উল্লেখনীয় যে ভোজৰাজে 'শৃঙ্গাৰ প্ৰকাশ' গ্ৰন্থত — ''ৰামায়ণ মহাভাৰতয়োৰ্দণ্ডিদ্বিসন্ধানমিৱ' বুলি দ্বিসন্ধানকাব্য দণ্ডীৰ ৰচনা বুলি উল্লেখ কৰিছে। কিন্তু 'দ্বিসন্ধান কাব্য' সম্প্ৰতি অনুপলব্ধ। সেয়েহে কাব্যদৰ্শ নামৰ অলঙ্কাৰশাস্ত্ৰ, দশকুমাৰচৰিত আৰু অৱন্তীসুন্দৰীৰ কথা নামৰ গদ্যকাব্য দুখন দণ্ডীকৃত প্ৰসিদ্ধ ৰচনা বুলি গ্ৰহণ কৰা হয়।

''অৱন্তী সুন্দৰী কথা'' ঃ অৱন্তীসুন্দৰী এখন কথা শ্ৰেণীৰ গদ্যকাব্য। বাণভট্টৰ কাদম্বৰীৰ কথাভাগৰ প্ৰভাৱ অতি সুস্পষ্ট। গ্ৰন্থৰ প্ৰাৰম্ভত গ্ৰন্থকাৰে পূৰ্বজ কবিসকলৰ স্তুতিমূলক শ্লোক উপস্থাপন কৰাৰ লগতে নিজৰ বংশৰ বৰ্ণনা আগবঢ়াইছে। উদাত্তশৈলীৰ গদ্যৰে সমৃদ্ধ ৰচনা পৰিলক্ষিত হয়। বৰ্ণনীয় বিষয় অনুসৰি গাঢ়বন্ধৰ উপযুক্ত সমাসবহুল গদ্য তথা প্ৰয়োজন অনুসৰি সহজ সৰল সমাস বিহীন সুললিত পদবিন্যাস দেখা যায়।

### ৪.৬.১৩ দশকুমাৰ চৰিত ঃ

'দশকুমাৰ চৰিত' এখন সুপ্ৰসিদ্ধ গদ্যকাব্য সুবন্ধুৰ 'বাসবদত্তা', বাণভট্টৰ 'কাদম্বৰী' আৰু দণ্ডীৰ 'দশকুমাৰচৰিত' — এই তিনিখন গ্ৰন্থ সংস্কৃত সাহিত্যত 'গদ্যত্ৰয়' নামেৰে জনা যায়। 'দশকুমাৰ চৰিত' নামটোৰ পৰাই বুজা যায় যে দহজন কুমাৰৰ কাহিনী বৰ্ণিত হৈছে। গ্ৰন্থখন তিনিটা ভাগত বিভক্ত। পূৰ্ব পীঠিকা, দশকুমাৰ চৰিত আৰু উত্তৰ পীঠিকা। পূৰ্ব আৰু উত্তৰ পীঠিকা দুয়োটা অংশ দণ্ডীৰ নহয় বুলি পণ্ডিতসকলে স্বীকাৰ কৰে। মধ্যস্থ অংশত আঠজন কুমাৰৰ বৈচিত্ৰ্যপূৰ্ণ ঘটনা আছে আৰু আন দুজন কুমাৰৰ চৰিত পিছত সংযোজিত হয়। পূৰ্ব পীঠিকাৰ ৰচকৰ বিষয়ে জনা নাযায় কিন্তু উত্তৰ পীঠিকাৰ ৰচক চক্ৰপাণি বুলি জনা যায়।

### ৪.৬.১৪ কাহিনীভাগ ঃ

মগধনৃপতি ৰাজহংসই মালবেশ্বৰ মানসাৰক যুদ্ধত পৰাস্ত কৰাত মানসাৰে তপস্যাৰ বলত সিদ্ধি লাভ কৰি পাটলিপুত্ৰ অধিকাৰ কৰে। পৰাভূত ৰজা ৰাজহংসই অৰণ্যত আশ্ৰয় লৈ থকা কালত ৰাজবাহন নামৰ পুত্ৰ সন্তানটিৰ জন্ম হয়। সেই অৰণ্যতেই তেওঁৰ চাৰিগৰাকী অমাত্যৰ চাৰিজন পুত্ৰ জন্ম হয়। তেওঁলোকৰ সৈতে আন পাঁচজন ৰাজকুমাৰ লগ হয়। যথা সময়ত সৰ্ববিদ্যা শিক্ষা প্ৰাপ্ত হৈ কুমাৰসকল দিগ্‌বিজয় যাত্ৰাত ওলাল। ৰাজবাহনে মাতঙ্গ নামৰ ব্ৰাহ্মণ এগৰাকীক বিন্ধ্যাৰণ্যত লগ পালে। দেশ দেশান্তৰ ভ্ৰমি তেওঁলোক অৱশেষত আহি এখন উপবনত লগ হ'ল আৰু সকলোৱে নিজ নিজ দুঃসাহসিক ঘটনাবহুল অভিজ্ঞতা ব্যক্ত কৰিলে। এইদৰে ৰোমাঞ্চকৰ কৌতুহলোদ্দীপক ঘটনাৰ বৰ্ণনাৰে দশকুমাৰ চৰিতৰ কাহিনীভাগ বৰ্ণিত হৈছে।

### ৪.৬.১৫ দণ্ডীৰ কাব্যিক বৈশিষ্ট্য ঃ

সকলো কবিৰে স্বকীয় বৈশিষ্ট্য থকাৰ দৰে গদ্যকাৰ দণ্ডীৰো ৰচনাৰাশিত কিছুমান বৈশিষ্ট্য উপলব্ধ হয়। দশকুমাৰ চৰিত এখন ঘটনা বহুল গদ্যকাব্য। নানাবিধ কাহিনীৰ উল্লাসময় বৰ্ণনত পাঠক কেতিয়াবা পৰম কৌতুহলী হৈ পৰাৰ লগতে কেতিয়াবা বিষন্ন হ'ব লগা হয়। কেতিয়াবা পাঠকে ভয়ানক অৰণ্যৰ মাজত ভয়ংকৰ জন্তুৰ চীৎকাৰ শুনিব লগা হয় আকৌ উত্তাল সমুদ্ৰৰ মাজত ডুবি যোৱা জাহাজৰ দৃশ্য প্ৰত্যক্ষ কৰিবলগা হয়। মিত্ৰগুপ্ত নামৰ কুমাৰজনৰ কাহিনীত জলযাত্ৰাৰ ৰোমাঞ্চকৰ তথা শিহৰণকাৰী বৰ্ণনা উপলব্ধ হয়।

দণ্ডীৰ 'দশকুমাৰ চৰিতত' বিভিন্ন চৰিত্ৰৰ সমাবেশ ঘটিছে। সমাজৰ সুন্দৰ দিশটোৰ লগতে অন্ধকাৰ দিশটোৰো ছবি ফুটি উঠা দেখা যায়। ৰাজকীয় জীৱন শৈলীৰ লগতে নিম্নবৰ্গৰ লোকৰ জীৱনো চৰ্চিত হৈছে। দাম্ভিক তপস্বী, কপট ব্ৰাহ্মণ, ছলনাময়ী, বেশ্যা আদিৰো বৈশিষ্ট্যপূৰ্ণ চৰিত্ৰ চিত্ৰিত হৈছে। 'অপহাৰবৰ্মা' নামৰ কুমাৰৰ চৰিত কথনত কামমঞ্জৰী নামৰ বেশ্যা আৰু মৰীচি নামৰ ভণ্ড তপস্বীৰ ছলনাময় কাৰ্য্যকলাপ বৰ্ণিত হৈছে। নাৰী হৃদয়ৰ বিচিত্ৰ অনুভূতি বৰ্ণনাত দণ্ডীৰ কল্পনাশক্তিৰ পৰিচয় পোৱা যায়। 'গোমিনী' নামৰ পতিব্ৰতা নাৰীৰ উজ্জ্বল চৰিত্ৰ বৰ্ণনাৰ বিপৰীতে 'ধূমিনী' এগৰাকী স্ত্ৰীৰ নিষ্ঠুৰ হৃদয়ৰ ছবি অঙ্কিত হৈছে।

কাহিনীৰ বিচিত্ৰতাৰ বাবে গ্ৰন্থখনত অদ্ভূত ৰসৰ প্ৰাচুৰ্য্য ঘটিছে। ৰাজনীতি, কামশাস্ত্ৰ তথা তদানীন্তন সমাজৰ ধাৰ্মিক দিশটোৰ অনেক তথ্য দণ্ডীৰ ৰচনাত ফুটি উঠিছে। সেই সময়ৰ বিদেহী সকলৰ সৈতে থকা বাণিজ্যিক দিশটোৰ কথাও উল্লেখিত হৈছে। ইৰাণী বণিকসকলৰ ভাৰতৰ সৈতে থকা বেপাৰ বাণিজ্যৰ কথা কাহিনীৰ মাজত উপলব্ধ হয়।

দণ্ডীৰ 'দশকুমাৰ চৰিত'ত প্ৰাচীন ভাৰতীয় সমাজৰ বহু দিশৰ প্ৰতিফলন উপলব্ধ হয়। সেই সময়ৰ সমাজখনৰ অৰ্থব্যৱস্থা, ন্যায় ব্যৱস্থা, শাসন ব্যৱস্থা ইত্যাদিৰ আভাস ফুটি উঠা দেখা যায়। দণ্ডীৰ স্থিতিকালত বিদেশী জাতিৰ ভাৰতত প্ৰৱেশ ঘটিছিল আৰু বহুতো বিদেশী ভাষাৰ শব্দ দণ্ডীয়ে তেওঁৰ ৰচনাত অন্তৰ্ভুক্ত কৰিছে। পাৰিভাষিক শব্দ নিৰ্মাণত দণ্ডী সিদ্ধহস্ত আছিল। ভাৰতীয় নৌ পৰিবহন আৰু নৌ শব্দাৱলী দণ্ডীৰ লেখনীত ঠাই পাইছে। উদাহৰণ স্বৰূপে 'মদ্‌গু' নামৰ ডাঙৰ যুদ্ধপোত বুজাবলৈ ব্যৱহাৰ কৰিছিল দৈনন্দিন ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় উপকৰণ সমূহৰ বাবে দণ্ডীয়ে অনেক শব্দ নিৰ্মাণ কৰিছিল।

### ৪.৬.১৬ দণ্ডীন ঃ পদলালিত্যম্ ঃ

সংস্কৃত সাহিত্যৰ কেইগৰাকীমান অতি জনপ্ৰিয় মহাকবিৰ কাব্যৰ অন্যতম বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি এটি অতি প্ৰসিদ্ধ শ্লোক উপলব্ধ হয় —

উপমা কালিদাসস্য ভাৰৱেৰৰ্থ গৌৰৱম্।

নৈষধে পদলালিত্যং মাঘে সন্তি ত্ৰয়ো গুণাঃ।।

এই শ্লোকফাঁকিৰে দ্বিতীয় শাৰীৰ প্ৰথম পাদৰ 'নৈষধে পদলালিত্যং' অংশটি কোনো কোনোৱে 'দণ্ডিনঃ পদলালিত্যং' অংশটি সংযুক্ত কৰা দেখা যায়। এইখিনিতে প্ৰশ্ন হয় পদলালিত্য নো কি? লালিতস্য ভাৱঃ লালিত্যম্। পদগতং লালিত্যম্ পদলালিত্যম্। অৰ্থাৎ পদৰ সৌন্দৰ্য্যই লালিত্য। আলঙ্কাৰিক উদ্ভটে তেওঁৰ 'কাব্যালঙ্কাৰসাৰ সংগ্ৰহ' নামৰ গ্ৰন্থত কাব্যত তিনিটা বৃত্তি স্বীকাৰ কৰি তিনিবিধ অনুগ্ৰাস অলঙ্কাৰ স্বীকাৰ কৰিছে। উপনাগৰিকা বৃত্তি, পুৰুষাবৃত্তি আৰু গ্ৰাম্যাবৃত্তি। এই উপনাগৰিকা বৃত্তিকেই অভিনৱগুপ্ত আদি আলঙ্কাৰিকে ললিতাবৃত্তি বুলি স্বীকাৰ কৰিছে। প্ৰতিহাৰেন্দুৰাজ নামৰ আলঙ্কাৰিক গৰাকীয়ে সৰলভাৱে দেখুওৱাই দিছে যে একে আখৰৰ দ্বিত্বৰ যদি যুক্তাক্ষৰ হয় (যেনে ক্ক, প্প, চ্চ ইত্যাদি) তেনেদৰে যদি বৰ্গৰ পঞ্চম বৰ্ণৰ যুক্তাক্ষৰ হয় (যেনে - ন্ত, ঙ্গ, ন্দ ইত্যাদি) তাৰ ফলত যদি অনুপ্ৰাস হয় তেতিয়া হ'লে উপনাগৰিকাবৃত্তি হয়। গতিকে ক'ব পৰা যায় যে শৃঙ্গাৰ, কৰুণ শান্ত আদি মাধুৰ্য্য গুণ সম্পন্ন ৰস সমূহৰ অনুকূল অনুপ্ৰাস অলঙ্কাৰৰ প্ৰাচুৰ্য্যত লালিত্যৰ সৃষ্টি হয়। পদসমূহৰ সৌন্দৰ্য্যই হৈছে লালিত্য। দণ্ডীৰ ৰচনাত এই পদলালিত্যৰ প্ৰাচুৰ্য্য বিদ্যমান। সেয়ে দণ্ডীৰ কাব্যৰ অন্যতম বৈশিষ্ট্যৰূপে পদ লালিত্যৰ কথা কোৱা হৈছে। শাস্ত্ৰীয় ব্যাখ্যাৰ উপৰিও যদি ললিত পদৰ সাধাৰণ অৰ্থ সুন্দৰ বা ৰমণীয় অৰ্থ গ্ৰহণ কৰা যায় তেতিয়াহ'লেও দেখা অনুপ্ৰাস আৰু যমক অলঙ্কাৰৰ প্ৰাচুৰ্য্যত দণ্ডীৰ ৰচনা ৰমণীয়। উদাহৰণস্বৰূপে নিম্নোদ্ধৃত বাক্যশাৰীত অনুপ্ৰাসৰ লালিত্য দেখা যায় — 'সহকাৰ কিসলয়মকৰন্দাস্বাদনৰক্তকণ্ঠানাং মধুকৰকলকণ্ঠানাং কাকলীলককলেন দিক্চক্ৰ বাচালয়ন্, মানিনীমানসোৎকলিকামুপনয়ন'... ইত্যাদি। দণ্ডীৰ গদ্য সহজ, সৰল, বোধগম্য আৰু প্ৰবাহময়। অবান্তৰ বৰ্ণনাই পাঠকক ৰস আস্বাদনত ব্যাঘাত নজন্মায়। প্ৰায়েই চুটি চুটি বাক্য শৈলী তথা প্ৰবচনমূলক উক্তিসমৃদ্ধ গদ্য। সুবন্ধুৰ দৰে শ্লেষময় অথবা বাণভট্টৰ দৰে শ্লিষ্টোপমা, উৎপ্ৰেক্ষাদি অলঙ্কাৰ বহুল, গাঢ়বন্ধযুক্ত সমাসবহুল গদ্যশৈলী নহয় দণ্ডীৰ গদ্য। 'দশকুমাৰচৰিত' প্ৰায় প্ৰতি পাতে পাতে আনুপ্ৰাসিক পদাৱলী। গতিকে সহজেই বোধগম্য, প্ৰবাহময় আনুপ্ৰাসিক চমৎকাৰৰ বাবে দণ্ডীৰ গদ্যই সহৃদয় সকলৰ হৃদয়গ্ৰাহ্যতা দখল কৰি আহিছে।

### জানি থওঁ আহা

দণ্ডী বিৰচিত গদ্যকাব্য দুখন — 'অৱন্তীসুন্দৰী কথা' আৰু 'দশকুমাৰচৰিত'। দুয়োখন কথা শ্ৰেণীৰ গদ্যকাব্য।

দণ্ডীকৃত অলঙ্কাৰ শাস্ত্ৰ — কাব্যাদৰ্শ।

সংস্কৃত সাহিত্যৰ গদ্যত্ৰয় — সুবন্ধুৰ ৱাসৱদত্তা, বাণভট্টৰ 'কাদম্বৰী' আৰু দণ্ডীৰ 'দশকুমাৰচৰিত'।

দণ্ডিনঃ পদলালিত্যম্ — দণ্ডীৰ কাব্যৰ প্ৰশংসামূলক এটি প্ৰসিদ্ধ বাক্য।

### অগ্ৰগতিৰ খতিয়ান

**১২ নং প্ৰশ্ন ঃ** সংস্কৃত সাহিত্যত দণ্ডীৰ অৱদানৰ ওপৰত আলোকপাত কৰক।
**১২ নং প্ৰশ্ন ঃ** দণ্ডীৰ কাব্যৰ বৈশিষ্ট্যৰ ওপৰত বিস্তৃত আলোচনা প্ৰস্তুত কৰক।
**১৩ নং প্ৰশ্ন ঃ** 'দণ্ডিনঃ পদলালিত্যম্' — কথাষাৰ যুক্তি সহকাৰে দেখুৱাই দিয়ক।

### আত্মমূল্যায়ণ প্ৰশ্ন

**৬ নং প্ৰশ্ন ঃ** দণ্ডীক সংস্কৃত সাহিত্যৰ এগৰাকী সফল গদ্যকাৰ বুলি ভাবেনে (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

#### ৪.৬.১৭ ধনপাল ঃ

সুবন্ধু, বাণভট্ট আৰু দণ্ডীৰ আৰ্বিভাৱৰ পাছৰ কালৰ এগৰাকী প্ৰসিদ্ধ গদ্যকাৰ হৈছে ধনপাল। ধনপালৰ 'তিলকমঞ্জৰী' এখন কথা শ্ৰেণীৰ গদ্যকাব্য। বাণভট্টৰ কাদম্বৰী কথা কাব্যৰ অনুকৰণত ৰচিত এখন প্ৰেমমূলক কাব্যগ্ৰন্থ।

ধনপাল উজ্জয়িনীৰ কাশ্যপগোত্ৰীয় ব্ৰাহ্মণ সৰ্বদেৱৰ পুত্ৰ আছিল। ঘটনাক্ৰমে ধনপালে জৈন ধৰ্ম গ্ৰহণ কৰে। ধনপাল ভোজৰাজৰ পিতৃব্য মুঞ্জনৃপতি (খৃঃ ৯৭৫-১০২২) সভাকবি আছিল আৰু ৰজাৰ পৰা 'সৰস্বতী' উপাধি লাভ কৰিছিল বুলি ধনপালে উল্লেখ কৰিছে 'তিলকমঞ্জৰী' গ্ৰন্থত। ধনপালৰ স্থিতিকাল সেয়ে খৃঃ ১০ ম শতিকাৰ আদিভাগ বুলি ভাৱিব পৰা যায়। ৰজা ভোজৰ অনুপ্ৰেৰণাত 'তিলকমঞ্জৰী' কথাখন লিখে। তিলকমঞ্জৰী আৰু সমৰকেতুৰ প্ৰেম গাঁথা ইয়াত চিত্ৰিত হৈছে। কাদম্বৰীৰ প্ৰভাৱ অতি সুস্পষ্ট। বাণভট্টই প্ৰদৰ্শন কৰা গদ্যশৈলী ধনপালে অতি সফলতাৰে অনুসৰণ কৰিছে। আনহাতে বাণভট্টতকৈ তুলনামূলকভাৱে ধনপালৰ গদ্য সৰল আৰু সহজে বোধগম্য। উপমা, উৎপেক্ষা পৰিসংখ্যা আদি অলঙ্কাৰৰ অতি সুন্দৰ প্ৰয়োগ দেখা যায়। বাণভট্টৰ দৰে বৰ্ণনচাতুৰ্য্যশালী ধনপাল বৰ্ণনীয় বিষয় অনুসৰি কোমল অথবা কঠোৰ বৰ্ণৰ সমাবেশ ঘটাই ঘটনা প্ৰবাহ আগবঢ়াই নিয়া দেখা যায়। ধনপালৰ

'তিলকমঞ্জৰী'ত সংস্কৃত গদ্যৰ ব্যৱহাৰিক ৰূপৰ নিদৰ্শন সততে দেখা যায়।

**৪.৬.১৮ বাদীভসিংহ ঃ**

বাদীভসিংহ ৰচিত 'গদ্যচিন্তামণি' এখন মনোৰম গদ্য কাব্য। এঘাৰটা লম্বকত বিভক্ত এই গ্ৰন্থখনত জিনসেনৰ মহাপুৰাণ (খৃঃ ৮৯৭)ত বৰ্ণিত জীৱন্ধৰৰ কাহিনী বৰ্ণিত হৈছে। বাদীভসিংহৰ স্থিতিকাল একাদশ শতিকাৰ বুলি ভৰা হয়।

**৪.৬.১৯ ধনপাল ঃ**

সোড্‌ঢলৰ 'উদয় সুন্দৰী কথা' এখন সুপ্ৰসিদ্ধ গদ্য কাব্য। গ্ৰন্থখনৰ ৰচনাকাল খৃষ্টীয় ১০২৬-১০৮০ বৰ্ষ বুলি ভবা হয়, কিয়নো এই সময়ছোৱাত ৰাজত্ব কৰা বৎস ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল গদ্যকাৰ গৰাকীয়ে। নাগৰাজ কন্যা উদয়সুন্দৰী আৰু প্ৰতিষ্ঠান নৃপতি মলয়াবাহনৰ প্ৰেম কাহিনী গ্ৰন্থখনত চিত্ৰিত হৈছে। 'উদয়সুন্দৰী কথা' ৮ টা উচ্ছ্বাসত বিভক্ত। গ্ৰন্থৰ প্ৰাৰম্ভত কবিৰ বংশ বৰ্ণনা আৰু বাক্যৰচনাৰ ভূমিকা বৰ্ণিত হৈছে।

**৪.৬.২০ বামণভট্ট বান ঃ**

বামণভট্ট বাণৰ 'বেমভূপাল চৰিত' এখন প্ৰসিদ্ধ গদ্যকাব্য। পঞ্চদশ শতাব্দীৰ ৰেড্ডীবংশীয় ৰজা বেমভূপাল কবি হোৱাৰ উপৰিও কবিসকলৰ আশ্ৰয়দাতা আছিল। বাণৰ হৰ্ষচৰিতৰ আৰ্হিত বিৰচিত 'বেমভূপালচৰিত' নিঃসন্দেহে ঐতিহাসিক তথ্যৰ আঁকৰ। গ্ৰন্থখনৰ গদ্যশৈলী অলঙ্কাৰপূৰ্ণ আৰু সুমধুৰ পদাৱলী বিশিষ্ট।

**জানি থওঁ আহা**

ধনপালৰ 'তিলকমঞ্জৰী' এখন কথা শ্ৰেণীৰ গদ্য কাব্য। বাণভট্টৰ 'কাদম্বৰী'ৰ আৰ্হিত ৰচিত ৰমণীয় গদ্যকাব্য। 'গদ্যচিন্তামণি'ৰ ৰচক বাদীভসিংহ।
'উদয়সুন্দৰী কথ'ৰ ৰচক সোড্‌ঢল।

**অগ্ৰগতিৰ খতিয়ান**

**১৪ নং প্ৰশ্ন ঃ** সংস্কৃত গদ্যকাব্যৰ ইতিহাস আৰু ক্ৰম বিকাশৰ ওপৰত বিস্তৃত আলোচনা দাঙি ধৰক।
**১৫ নং প্ৰশ্ন ঃ** গদ্যকাৰ দণ্ডীৰ পৰৱৰ্তী কালৰ গদ্যকাৰ সকলৰ অৱদানৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

## ৪.৭ সাৰাংশ (Summing Up)

বৈদিক সাহিত্যৰ বুকুতে গদ্য সাহিত্যৰ বীজ অঙ্কুৰিত হৈছিল। সংস্কৃত ভাষাৰ প্ৰাচীনতম সাহিত্যকৃতি ঋগ্‌বেদ পদ্যাত্মক। ঋগ্‌বেদৰ নিগদাধ্যায়, কৃষ্ণজুৰ্বেদৰ তৈত্তিৰীয় সংহিতা, কাঠক সংহিতা, মৈত্ৰয়েনী সংহিতা, অথৰ্ববেদৰ ব্ৰাত্যকাণ্ড ইত্যাদিত সহজ-সৰল বাক্যৰ গদ্যৰ উপস্থিতি দেখা যায়। যাস্কৰ নিৰুক্ত, কল্পসূত্ৰ সমূহতো একশ্ৰেণীৰ সূত্ৰাত্মক শৈলীৰ গদ্যৰ উপস্থিতি পৰিলক্ষিত হয়। পুৰাণ সাহিত্যত বিশেষকৈ বিষ্ণু পুৰাণ আৰু শ্ৰীমদ্ভাগৱতত গদ্যৰ ৰচিত কিছু অংশ উপলব্ধ হয়। মহাভাৰততো গদ্যত ৰচিত কিছু অংশ পোৱা যায়। পতঞ্জলিৰ মহাভাষ্য, শিলালেখ কেইখনমানত গদ্যৰ উপস্থিতি দেখা যায়। এইক্ষেত্ৰত ‘ৰুদ্ৰাদামনৰ গিৰ্নাৰ শিলালিপি’ ‘সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তি’ উল্লেখনীয়। শাস্ত্ৰীয় গ্ৰন্থসমূহত বিশেষকৈ দৰ্শনৰ টীকাগ্ৰন্থ সমূহত আকৰ্ষণীয় ৰূপত গদ্য উপস্থাপিত হয়।

ব্যাকৰণ শাস্ত্ৰৰ প্ৰসঙ্গত পাণিনিৰ ‘অষ্টাধ্যায়ীত’ কেইখনমান গদ্যকাব্যৰ নাম উল্লেখিত হয় যদিও সেইসমূহ অধুনা অনুপলব্ধ। পৰৱৰ্তী কালত সুবন্ধুৰ পৰা সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ গৌৰৱময় অধ্যায় আৰম্ভ হয়। এই গদ্যকাব্যই সুবন্ধু বাণভট্ট আৰু দণ্ডীৰ হাতত পূৰ্ণ বিকাশৰ স্তৰত উপনীত হয়। গদ্যকাব্যৰ সুবিস্তৃত পৰিক্ৰমাত তিনিটা স্তৰ লক্ষ্য কৰিব পৰা যায় — বৈদিক গদ্য, শাস্ত্ৰীয় গদ্য আৰু লৌকিক সংস্কৃত কাব্যাত্মক গদ্যকাব্য।

সংস্কৃত সাহিত্যত গদ্যতকৈ পদ্যৰ প্ৰাচুৰ্য্য বেছি। ছন্দোৱদ্ধ ৰচনা হৈছে পদ্য আনহাতে ছন্দবিহীন ৰচনা হৈছে গদ্য। পদ্যৰ শ্ৰুতি মাধুৰ্য্যই সহজে পাঠকক আকৰ্ষিত কৰে। পদ্য মনত ৰাখিবলৈ সহজ। পদ্য, বৰ্ণ, মাত্ৰা, ছন্দই নিয়ন্ত্ৰিত কৰে। আনহাতে গদ্য মুক্ত। কবি কল্পনাৰ মুক্ত প্ৰকাশ ঘটাব পৰা যায় গদ্যত। পদ্যতকৈ অধিক প্ৰযত্নৰে গদ্য ৰচনা কৰি আকৰ্ষণীয় কৰোতে কবিসকলৰ নৈপুণ্য পৰীক্ষিত হয়। কষটি শিলত সোণৰ বিশুদ্ধতা নিৰূপণৰ দৰে গদ্যতহে কবিত্ব নিৰূপিত হয় প্ৰকৃতাৰ্থত। এনেধৰণৰ ধাৰনাবোৰেও গদ্যৰ বিকাশ ক্ৰমে ক্ৰমে আগবাঢ়িব ধৰে।

অলঙ্কাৰশাস্ত্ৰসমূহে গদ্যৰ সংজ্ঞা গদ্যৰ প্ৰকাৰ আদ সুনিৰ্দিষ্ট কৰি দিয়া দেখা যায়। ছন্দবিহীন ৰচনাৰ গদ্য বুলি কোৱা হৈছে যদিও ছন্দৰ চৰণৰ বৈশিষ্ট্য বিশিষ্ট গদ্যৰ কথাও উল্লেখ কৰা দেখা যায়। সমাসৰ নুন্যতা অথবা আধিক্যই গদ্যৰ ভেদৰ ভেটি হোৱা পৰিলক্ষিত হয়। গদ্যত সমাসবহুলতা এক প্ৰকাৰ গদ্যকাৰ চাতুৰ্য্য প্ৰকাশৰ মাধ্যম হিচাবেও দেখা যায়। সমাসৰ আধিক্যই গদ্যৰ প্ৰাণ বুলি গদ্যসাহিত্যৰ বিকাশৰ প্ৰৱণতাৰ দেখা যায়। লাহে লাহে অলঙ্কাৰ শাস্ত্ৰোক্ত ৰীতি সমূহৰ সমুচিত প্ৰয়োগত গদ্যকাৰসকলৰ মান নিবিষ্ট হয়। বৈদৰ্ভী, গৌড়ী, পাঞ্চালী আদি ৰীতিসমূহৰ চাতুৰ্য্যময় প্ৰকাশৰে গদ্যকাব্যৰ উৎকৃষ্টতা প্ৰকাশ পায়। সুবন্ধু, বাণভট্ট আৰু কবিৰাজ - এই তিনিগৰাকী বক্ৰোক্তি মাৰ্গত সুনিপুণ বুলি খ্যাতি অৰ্জন কৰে। বাণভট্টই পাঞ্চালী ৰীতিৰ প্ৰয়োগত নিপুনতা অৰ্জন

কৰে বুলি প্ৰসিদ্ধি পোৱা যায়। দণ্ডিনঃ পদ লালিত্যম বুলি দণ্ডীয়ে খ্যাতি অৰ্জন কৰা উপলব্ধ হয়। সেইদৰে সৰ্বপ্ৰথম গদ্যকাব্যকাৰ হিচাবে সুপ্ৰসিদ্ধ আকৌ শ্লেষালঙ্কাৰৰ সুনিপুণ প্ৰয়োগেৰে কবিসমাজত সমাদৃত। সুবন্ধুৰ একমাত্ৰ কৃতি বাসবদত্তা কবি কল্পনাসমৃদ্ধ এক মনোৰোম গদ্যকাব্য। গদ্যসাহিত্যৰ অদ্বিতীয় অনন্য গদ্যকাৰ বাণভট্ট সৰ্বকালৰ এজন সৰ্বশ্ৰেষ্ঠ গদ্যকাৰ। কাদম্বৰী আৰু হৰ্ষচৰিত এই দুইখন গদ্য কাব্যৰে বাণভট্ট পৰবৰ্তী কালৰ আদৰ্শ গ্ৰন্থ প্ৰণেতা। বাণভট্টৰ বৈশিষ্ট্যপূৰ্ণ গদ্যশৈলীত, অতি আকৰ্ষণীয় বৰ্ণন নৈপুন্য, ৰস, গুণ, অলঙ্কাৰ, প্ৰকৃতিচিত্ৰণ চৰিত্ৰ বৰ্ণন আদি অলেখ কাব্যিক উপাদানেৰে পৰিপুষ্ট কাদম্বৰী সংস্কৃত গদ্যসাহিত্যৰ অনুপম কৃতি। কাদম্বৰী এখম কাব্যই নহয় তদানীন্তন ভাৰতৰ সমাজ জীৱনৰ সকলোবোৰ দিশৰে প্ৰতিফলন ঘটা এখন বিশাল ভাণ্ডাৰ। সেয়ে বাণভট্টই কবিসমাজত চিৰ নমস্য কবি। দণ্ডীৰ গদ্যশৈলীও বিশেষ গুণবিশিষ্ট। দশকুমাৰচৰিত গ্ৰন্থখনতো প্ৰাচীন ভাৰতৰ সেই সময়ৰ ৰাজীকয় ব্যৱস্থা, জলপৰিবহন, আৰ্থিক ব্যৱস্থা, বিদেশী জাতিৰ আগমণ, লোক ব্যৱহাৰ আদিৰ প্ৰতিফলন ঘটিছে। দণ্ডীৰ পাছত গদ্য সাহিত্যৰ উজ্জ্বলতম কৃতি দেখা নাযায় যদিও ধনপাল সোড্‌ঢল আদি গদ্যকাৰ সকলৰ উপস্থিতি দেখা যায়।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত গদ্যসাহিত্যৰ উদ্ভৱ, প্ৰাচীনতা আৰু ক্ৰম বিকাশ সম্বন্ধে আলোচনা যুগুত কৰা।

২. সংস্কৃত গদ্যৰ বৈশিষ্ট্য আৰু শৈলী সম্বন্ধে এটি আলোচনা উপস্থাপন কৰক।

৩. 'বাণোচ্ছিষ্টং জগৎ সৰ্বম্' — কথাষাৰিৰ তাৎপৰ্য্য বিশ্লেষণ কৰক।

## ৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১) শৰ্মা, ড° থানেশ্বৰ, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী -১, ২০১৭

২) শৰ্মা, প্ৰভাত চন্দ্ৰ, কাদম্বৰী, আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা, অসম, ২০০০

৩) গোস্বামী, হৰমোহন দেৱ, সংস্কৃত সাহিত্যৰ বুৰঞ্জী, বুকলেণ্ড, গুৱাহাটী-১, সপ্তম প্ৰকাশ, ১৯৯২

৪) শাস্ত্ৰী, কৃষ্ণমোহন, কাদম্বৰী, চৌখম্বা সংস্কৃত সংস্থান, বাৰাণসী, ২০০০

৫) শাস্ত্ৰী, বিশ্বনাৰায়ণ, সাহিত্য দৰ্পণ, শৰাইঘাট প্ৰকাশন, গুৱাহাটী ২১, ১৯৯৯

৬) কালে, এম আৰ, দশকুমাৰচৰিত, মতীলাল বেনাৰসী দাস, নিউ দিল্লী, ১৯৮৬

৭) উপাধ্যায়, বলদেৱ, সংস্কৃত সাহিত্য কা ইতিহাস, খণ্ডেলৱাল প্ৰেস এণ্ড পাবলিকেশনস্ বাৰাণসী, ১৯৯৯

## পঞ্চম অধ্যায়

## সংস্কৃত গদ্যকাৰ নব্যধাৰা

**বিভাগৰ গঠন ঃ**

৫.১ ভূমিকা (Introduction)
৫.২ উদ্দেশ্য (Objectives)
৫.৩ আধুনিক সংস্কৃত গদ্য সাহিত্যৰ বিকাশ
৫.৪ আধুনিক সংস্কৃত গদ্যকাব্যৰ ভাগসমূহ
৫.৫ আধুনিক সংস্কৃত গদ্য সাহিত্যৰ কেইজনমান উল্লেখযোগ্য গদ্যকাৰ
৫.৬ আধুনিক সংস্কৃত গদ্য সাহিত্যৰ কেইখনমান উল্লেখনীয় গদ্যকাব্য
৫.৭ সাৰাংশ(Summing Up)
৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৫.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৫.২ ভূমিকা (Introduction)

সংস্কৃত সাহিত্য মূলতে দুটা ভাগত বিভক্ত। সেইকেইটা হ'ল — বৈদিক সংস্কৃত সাহিত্য আৰু লৌকিক সংস্কৃত সাহিত্য। বৈদিক সাহিত্যৰ ভিতৰত সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদ অন্তৰ্ভুক্ত আৰু ইয়াৰ পৰবৰ্তী সাহিত্যসমূহ লৌকিক সংস্কৃতৰ অন্তৰ্ভুক্ত। বৈদিক সাহিত্যৰ সংহিতাভাগৰ অধিকাংশই যদিও পদ্যাত্মক। বৈদিক সাহিত্যতেই সংস্কৃত গদ্য সাহিত্যৰ বীজ ৰোপন হৈছিল বুলি ক'ব লাগিব। কিয়নো ঋগবেদৰ নিগদাধ্যায়, কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয়-সংহিতা, কঠসংহিতা, মৈত্ৰায়নি সংহিতা, অথৰ্ববেদৰ ব্ৰাত্যকাণ্ড আদিয়ে প্ৰাচীন গদ্য সাহিত্যৰ চিনাকী দিয়ে। ইয়াৰ উপৰিও সমগ্ৰ ব্ৰাহ্মণ সাহিত্য, আৰণ্যক আৰু উপনিষদৰ কিছুমান আখ্যানৰ মাজেৰেও সংস্কৃত গদ্য সাহিত্যই বিকাশ লাভ কৰে। সূত্ৰ সাহিত্যসমূহতো কিছু গদ্য সাহিত্যৰ আভাস পোৱা যায়। এইক্ষেত্ৰত মহাভাৰত আৰু পুৰাণসমূহৰ গদ্যাংশসমূহৰ কথাও আমি উল্লেখ কৰিব লাগিব। আনহাতে চিকিৎসা বিষয়ক গ্ৰন্থ যেনে চৰক সংহিতা আৰু সুশ্ৰুত সংহিতাৰ গদ্যংশভাগ, পতঞ্জলীৰ মহাভাষ্য, পুৰণি শিলালেখ, তাম্ৰলেখ আদিত গদ্যাত্মক শৈলীৰ প্ৰতিফলন ঘটা দেখা যায়। আনহাতে, বিভিন্ন গ্ৰন্থৰ ওপৰত লিখা ভাষ্যসমূহ যেনে — 'মীমাংসা সূত্ৰ'ৰ ওপৰত লিখা শবৰভাষ, 'নাট্যসূত্ৰ'ৰ ওপৰত লিখা বাৎসায়ণভাষ্য, ব্ৰহ্মসূত্ৰৰ ওপৰত লিখা শংকৰভাষ্য ইত্যাদি ভাষ্যসমূহৰ অধিকাংশই গদ্যশৈলীত ৰচিত। সংস্কৃত সাহিত্যৰ বিভিন্ন ৰচনাত যদিও গদ্য কাব্যৰ আংশিক প্ৰদৰ্শন দেখা যায়, কথা আৰু আখ্যায়িকাৰ মাজেৰে সংস্কৃত গদ্যকাব্যই পূৰ্ণতা লাভ কৰে।

সংস্কৃত সাহিত্যই যদিও খুব তীব্ৰ বেগত বিকাশ লাভ কৰা দেখা যায়, গদ্যকাব্যৰ সংখ্যা কিন্তু তেনেই তাকৰ। লেখক আৰু পাঠকৰ পদ্যৰ প্ৰতিহে অধিক আগ্ৰহ থকা দেখা গৈছিল। কণ্ঠস্থ কৰিবলৈ সুবিধা হোৱাৰ বাবে গদ্যতকৈ পদ্যৰ ৰচনা তথা পঠনৰ

ক্ষেত্ৰত মানুহে অধিক গুৰুত্ব দিয়া দেখা গৈছিল। কিন্তু ইমানখিনিৰ পিছতো গদ্য কাব্যই নিজৰ ব্যৱহাৰিক মহত্বৰ বলত সমাসত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। গদ্যৰ ক্ষেত্ৰত সেয়েহে কোৱা হৈছিল — "গদ্যং কৱীনাং নিকষং বদন্তি" অৰ্থাৎ "গদ্য কবিসকলৰ কষটিশীলা"। সংস্কৃত সাহিত্যত নিজৰ গদ্য-কাব্যৰ জৰিয়তে প্ৰসিদ্ধি লাভ কৰা গদ্যকাৰসকলৰ ভিতৰত সুবন্ধু, বাণভট্ট, দণ্ডী, ধনপাল, বাদীভসিংহ, সোওঢ়ল, বামণভট্ট, বাণ আদিৰ নাম উল্লেখনীয়।

সংস্কৃত সাহিত্যৰ বৰ্তমান উপলব্ধ গদ্যকাৰ সকলৰ ভিতৰত সুবন্ধুকেই প্ৰতম বুলি স্বীকাৰ কৰে। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থখন হ'ল বাসবদত্তা। আনহাতে, কাব্য তথা নাটকৰ ক্ষেত্ৰখনত কালিদাসে যেনেদৰে অভূতপূৰ্ব কীৰ্তি লাভ কৰিছে, ঠিক তেনেদৰে গদ্যকাব্যৰ ক্ষেত্ৰখনত বাণভট্টয়ো বিশেষ যশস্যা লাভ কৰিবলৈ সক্ষম হৈছে। বাণভট্টৰ দ্বাৰা ৰচিত দুখন গদ্যকাব্য হ'ল — কাদম্বৰী আৰু হৰ্ষচৰিত। কাদম্বৰী কথাকাব্য আৰু হৰ্ষচৰিত আখ্যায়িকাৰূপে সুপ্ৰসিদ্ধ। সুবন্ধুৰ 'বাসবদত্তা' আৰু বাণভট্টৰ 'কাদম্বৰী'ৰ পিছতেই দণ্ডীৰ 'দশকুমাৰচৰিত'ৰ খ্যাতি জগতজোৰা। এই তিনিওখন গ্ৰন্থক একেলগে 'গদ্যত্ৰয়' বুলি জনা যায়। দণ্ডীৰ দশকুমাৰচৰিত দহজন কুমাৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনৰ চৰিতপুথি। আকৌ, ধনপালৰ তিলকমঞ্জৰী, বাদীভসিংহৰ 'গদ্য চূড়ামণি', সোড়ঢলৰ 'উদয়সুন্দৰী', বামণভট্ট বাণৰ 'বেমভূপাল চৰিত' আদি গদ্যকাব্যই সংস্কৃত গদ্য সাহিত্যৰ ভেটি টনককিয়াল কৰি থৈ গৈছে।

**জানি থোৱা ভাল**

সংস্কৃত কাব্য দুটা ভাগত বিভক্ত — দৃশ্যকাব্য আৰু শ্ৰব্যকাব্য। দৃশ্যকাব্যসমূহ দৃষ্ট আৰু শ্ৰব্যকাব্যসমূহ পাঠিত বা শ্ৰুত হয়। শ্ৰব্যকাব্যসমূহৰ কিছুমান গদ্যত আৰু কিছুমান পদ্যত ৰচিত। পদ্যত ৰচিত কাব্যসমূহক মহাকাব্য আৰু লঘূকাব্য হিচাপে নামাকৰণ কৰা হয় আৰু গদ্যত ৰচিত কাব্যক গদ্যকাব্য বুলি কোৱা হয়। গদ্যকাব্যৰ সংজ্ঞা বিশ্বনাথ কবিৰাজে তেখেতৰ সাহিত্যদৰ্পণ গ্ৰন্থত এনেদৰে দিছে — "বৃত্তগন্ধোজ্ঝিতং গদ্যম্" ইতি। গদ্য আকৌ চাৰি প্ৰকাৰৰ যেনে — মুক্তক, বৃত্তগন্ধি, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক। (সাহিত্যদৰ্পণ, ৬.৩৩০-৩৩২)

## ৫.১ উদ্দেশ্য (Objectives)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- সংস্কৃত গদ্য সাহিত্যৰ বিকাশ সম্পৰ্কে জানিব পাৰিব
- বৈদিক আৰু লৌকিক সংস্কৃত সাহিত্যৰ মাজেৰে আহি গদ্য সাহিত্যই কেনেদৰে আধুনিক সংস্কৃত সাহিত্যত বহুমুখী ৰূপ ধাৰণ কৰিলে সেই বিষয়ে জানিবলৈ পাৰিব।
- আধুনিক সংস্কৃত গদ্য সাহিত্যৰ ভাগসমূহৰ বৈশিষ্ট সমূহৰ বিষয়ে জানিব পাৰিব

● আধুনিক সংস্কৃত গদ্য সাহিত্যৰ কেইজনমান উল্লেখযোগ্য গদ্যাকাৰৰ বিষয়ে তথা তেওঁলোকৰ দ্বাৰা ৰচিত গদ্যকাব্য সমূহৰ বিষয়ে পৰিচয় লাভ কৰিব।

## ৫.৩ আধুনিক সংস্কৃত গদ্য-সাহিত্যৰ বিকাশঃ

সংস্কৃত সাহিত্যত পদ্যৰ পিছতেই গদ্য-কাব্যৰ বিকাশ ঘটা পৰিলক্ষিত হয়। বৈদিক বাঙ্ময় গদ্য আৰু পদ্য উভয়তেই নিবন্ধ আছিল। ঋগবেদ পদ্যবদ্ধ আৰু যজুৰ্বেদ গদ্যবদ্ধ আছিল। ব্ৰাহ্মণ, আৰণ্যক, উপনিষদ সমূহতো গদ্যবদ্ধ দফা পোৱা যায়। ইয়াৰ পিছত পঞ্চতন্ত্ৰ, হিতোপদেশ আদি কথা সাহিত্যৰ মাজেৰে সংস্কৃত গদ্য সাহিত্যই বিকাশ লাভ কৰিলে। 'বৃহৎকথা', 'বেতাল পঞ্চবিংশতিকা', সিংহাসনদ্বাত্ৰিংশিকা আদি গ্ৰন্থসমূহেও কথাকাব্যৰ বিকাশত বৃহৎ অৰদান আগবঢ়াই। আনহাতে কথা আৰু আখ্যায়িকাৰ জৰিয়তে প্ৰাচীন গদ্য সাহিত্যই পূৰ্ণতা লাভ কৰা দেখা যায়। এনেদৰে বিভিন্ন গদ্যকাব্যৰ মাজেদি সংস্কৃত গদ্য সাহিত্যই বিকাশ লাভ কৰি আধুনিক যুগত খোজ পেলাই। বিভিন্ন আধুনিক সংস্কৃত লেখকৰ উপন্যাস, নিবন্ধ, লঘুকথা, দীৰ্ঘকথা, জীৱনবৃত্ত, যাত্ৰাবৃত্ত আদিৰ মাজেৰে আধুনিক সংস্কৃত গদ্য-সাহিত্যই বিকাশ লাভ কৰিবলৈ ধৰে।

সংস্কৃত গদ্য সাহিত্যৰ নতুন নতুন শৈলীসমূহত ৰচিত গদ্যকাব্যসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত পত্ৰিসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হয়। সৰ্বপ্ৰথম সংস্কৃত উপন্যাস হিচাপে সৰ্বজনস্বীকৃত পণ্ডিত অম্বিকাদত্ত ব্যাসদেৰৰ দ্বাৰা ৰচিত উপন্যাস "শিবৰাজবিজয়" 'সংস্কৃত চন্দ্ৰিকা' নামে পত্ৰিকাখনত ধাৰাবাহিক ৰূপত প্ৰকাশ পায়। ইয়াৰ উপৰিও অপ্পাশাস্ত্ৰী ৰাশিবডেকৰৰ 'কুমুদ্বতী' নামৰ উপন্যাসখনতো 'সংস্কৃত চন্দ্ৰিকা'ত প্ৰকাশ পায় আৰু বিশেষ সমাদৰ লাভ কৰে। বাণভট্টৰ কাদম্বৰী আদি গ্ৰন্থ যদিও উপন্যাস শৈলীৰ পূৰ্বজ বুলি ধৰা হয় তথাপি আধুনিক কালৰ সংস্কৃত উপন্যাস সমূহৰ লিখনশৈলী সম্পূৰ্ণ পৃথক। ইয়াৰ উপৰিও কিছুমান ললিত নিবন্ধ, বংগ্যাৰ্থমূলক কাহিনী, লঘূকথা, কথানিকা, জীৱনবৃত্ত, যাত্ৰাবৃত্ত আদি বিভিন্ন পত্ৰিকাত প্ৰকাশ পায় আৰু এনেদৰে আধুনিক সংস্কৃত গদ্য ৰচনাসমূহে প্ৰসাৰতা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত ভট্ট মথুৰানাথ শাস্ত্ৰীয়ে 'সংস্কৃত ৰত্নাকৰ'ত এশ কথা, উপন্যাস, নিবন্ধ আদি লিখে যাৰ ফলত আধুনিক গদ্যসাহিত্যই বিকাশ লাভ কৰে। ঠিক তেনেদৰে ড° বেংকটৰাঘবনেও (১৯০৮-৭৯) দেশৰ সাহিত্য অকাদমীৰ মুখ্য পত্ৰিকা 'সংস্কৃত প্ৰতিভাৰদ্বাৰা ভাৰতৰ সংস্কৃত নৱলেখকসকলক প্ৰোৎসাহিত কৰি আধুনিক সংস্কৃত সাহিত্যৰ বিকাশ লাভৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

আধুনিক যুগৰ গদ্য কাব্যসমূহৰ বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত যথেষ্ট পৰিবৰ্তন দেখা যায়। আধুনিক যুগৰ সংস্কৃত গদ্যকাৰসকলে দেৱ-দেৱীসকলৰ স্তুতি বা আখ্যানৰ পৰিবৰ্তে ৰাষ্ট্ৰনেতা, সমাজসেৱক, বিশ্বশান্তিৰ আৱশ্যকতা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অৱস্থা, দুৰ্নীতি, ভ্ৰষ্টাচাৰ, দুৰ্বলীৰ ওপৰত বলীৰ প্ৰভাৱ, পুৰুষপ্ৰধান দেশৰ

নগ্ন স্বৰূপ, মহিলাসকলৰ দৈনন্দিন সংগ্ৰাম আদি বিভিন্ন নিত্য নৈমিত্তিক ঘটনা তথা ব্যৱহাৰিক দিশক বিষয়বস্তু হিচাপে লৈ গদ্য ৰচনা কৰা দেখা যায়। সামাজিক বিভিন্ন দিশৰ ওপৰত সংস্কৃত ভাষাত উপন্যাস, নিবন্ধ আদি ৰচনা কৰা হৈছে। ইয়াৰ উপৰিও সমাজত সৃষ্টি হোৱা অনিয়ম, বিষমতা, ৰাজনৈতিক চক্ৰপাক আদিৰ ওপৰতো সংস্কৃত ভাষাত বিভিন্ন ব্যংগাৰ্থক নিবন্ধ ৰচনা কৰা হৈছে। বিষয়বস্তুৰ নবীনতা তথা ব্যৱহাৰিক দিশসমূহে আধুনিক গদ্য সাহিত্যক এক বিস্তৃত পৰিসৰ প্ৰদান কৰা দেখা যায়।

**জানি থোৱা ভাল**

আধুনিক যুগৰ সংস্কৃত সাহিত্যৰ বিকাশক তিনিটা যুগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল — অপ্পাশাস্ত্ৰী যুগ (১৮৯০-১৯৩০), ভট্টমথুৰানাথ শাস্ত্ৰী যুগ (১৯৩০-১৯৬০) আৰু ৰাঘৱণ যুগ (১৯৬০-১৯৮০) চন। এই সময়ছোৱাতেই গদ্য সাহিত্যই এক অভূতপূৰ্ব বিকাশ লাভ কৰে।

## ৫.৪ আধুনিক সংস্কৃত গদ্যকাব্যৰ ভাগসমূহ ঃ

সংস্কৃত গদ্য কাব্যৰ বিভিন্ন ভাগ যেনে কথা আখ্যায়িকা আদি প্ৰাচীন কালৰ পৰা যে প্ৰচলিত হৈ আছে। মহাকবি বাণভট্টৰ ৰচনা হৰ্ষচৰিত আৰু কাদম্বৰীক সংস্কৃত সাহিত্যৰ সৰ্বোৎকৃষ্ট গদ্য হিচাপে মনা হয় আৰু পিছৰ যুগত এই দুয়োখন গদ্যকাব্যৰেই আলম লৈ গদ্যকাৰসকলে বিভিন্ন গ্ৰন্থ ৰচনা কৰা দেখা যায়। আনকি যেতিয়া আধুনিক কালত পাশ্চাত্য প্ৰভাৱৰ ফলত সংস্কৃত গদ্য সাহিত্যত উপন্যাস, লঘুকথা আদিৰ দৰে গদ্যৰ অইন অইন ভাগসমূহৰ আৱিৰ্ভাৱ হ'ল তথাপিও কিছুমান গদ্যকাৰে সেই প্ৰাচীন ধাৰাকেই অৱলম্বন কৰি গদ্যকাব্য ৰচনা কৰি গ'ল। আনফালে আধুনিক সংস্কৃত গদ্যকাৰসকলে এক সহজ সৰল তথা নতুন পদ্ধতি অৱলম্বন কৰি গদ্যকাব্য ৰচনা কৰা দেখা যায়, যিসমূহ গদ্যকাব্য অতি সহজে বোধগম্য। যদিও আধুনিক যুগত পদ্যতকৈ গদ্যৰ সৃষ্টি কম তথাপিও প্ৰাচীন কালৰ সংস্কৃত গদ্য কাব্যৰ নব্যধাৰা বৰ্তমানেও প্ৰৱহমান হৈ আছে।

গদ্য মূলতে চাৰিপ্ৰকাৰৰ। সেই কেইটা হ'ল — মুক্তক, বৃত্তগন্ধি, উৎকলিকাপ্ৰায় আৰু চুৰ্ণক। এই চাৰিপ্ৰকাৰৰ গদ্য য'ত বিৰাজমান সেয়াই গদ্যকাব্য। প্ৰতিপাদ্য বিষয়বস্তুৰ ফালৰ পৰা গদ্যকাব্য কথা আৰু আখ্যায়িকা ৰূপে বিভক্ত। কথা হ'ল কবিকল্পিত আৰু আখ্যায়িকা হ'ল সত্য ঘটনাৰ ওপৰত আধাৰিত। ইয়াৰ উপৰিও হেমচন্দ্ৰই 'কাব্যানুশাসন' গ্ৰন্থত আখ্যায়িকা, কথা, খণ্ড-কথা, পৰিকথা, আখ্যান, উপাখ্যান, প্ৰৱহ্লিকা, মণিকুল্যা, বৃহৎকথা, সকলকথা, উপকথা আৰু ক্ষুদ্ৰকথা ৰূপে গদ্যকাব্যক বিভিন্ন ভাগত ভাগ কৰিছে। আধুনিক সংস্কৃত গদ্যকাব্যসমূহৰো বিভিন্ন শৈলী দেখা যায়। আধুনিক সংস্কৃত পণ্ডিত অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰই নব্য সংস্কৃত গদ্যকাব্যৰ চাৰিটা ভাগ স্বীকাৰ কৰা দেখা যায়।

সেইকেইটা হ'ল — উপন্যাস, লঘূকথা, দীৰ্ঘকথা আৰু কথানিকা। আনহাতে, নিবন্ধ, যাত্ৰাবৃত্ত, জীৱনবৃত্ত, আত্মকথা আদিও আধুনিক সংস্কৃত গদ্য সাহিত্যৰ অন্তৰ্গত। আধুনিক গদ্যকাব্যৰ এই ভাগসমূহৰ বিষয়ে তলত সংক্ষেপে আলোচনা কৰা হ'ল —

**উপন্যাস** ঃ ভাৰতবৰ্ষত উপন্যাসৰ অস্তিত্ব সহস্ৰবৰ্ষ প্ৰাচীন। সুবন্ধুৰ বাসবদত্তা আৰু বাণভট্টৰ কাদম্বৰীৰো কিছু ক্ষেত্ৰত ঔপন্যাসিক বৈশিষ্ট্য থকা পৰিলক্ষিত হয় কিয়নো আধুনিক যুগৰ উপন্যাসসমূহত থকাৰ দৰে এই দুখন গ্ৰন্থতো কিছুমান সৰু সৰু উপাদান বা দৃশ্যৰ বিস্তৃত তথা জীৱিত বৰ্ণনা পোৱা যায়। আধুনিক যুগৰ গদ্যসাহিত্য কিন্তু অত্যাধিক সমাসবদ্ধ তথা শ্লেষযুক্ত হোৱাৰ পৰিবৰ্তে খুব সহজ সৰল আৰু সহজেই বোধগম্য। আধুনিক সংস্কৃত গদ্যকাৰ সকলৰ মাজত আমি ১৮ শতিকাৰ বিশ্বেশ্বৰ পাণ্ডেয়ৰ “মন্দাৰমঞ্জৰী”ৰ কথা পাওঁ। “মন্দাৰমঞ্জৰী” এখন উপন্যাসধৰ্মীয় গদ্যকাব্য। এই উপন্যাসখন উত্তৰাখণ্ডৰ 'অলমোৰা' নামে জিলাত ৰচিত বুলি জনা যায়। যদিও ১৮ শতিকাৰ 'মন্দাৰমঞ্জৰী'ৰ কথা পোৱা যায়, তথাপিও সংস্কৃত পণ্ডিতসকলে প্ৰ. অম্বিকাদত্ত বিৰচিত 'শিবৰাজবিজয়ম্' নামৰ উপন্যাসখনকেই আধুনিক যুগৰ সৰ্ব প্ৰথম সংস্কৃত উপন্যাস হিচাপে স্বীকৃতি প্ৰদান কৰে। ভাৰতত মোগলৰ সাম্ৰাজ্য, শাসন, অত্যাচাৰ আদিৰ বিৰুদ্ধে সত্ৰপতি শিৱাজী মহাৰাজে যি সশস্ত্ৰ আন্দোলন কৰিছিল, তাৰেই ভেটিতেই ৰচিত অম্বিকাদত্তৰ “শিৱৰাজবিজয়ম্” নামৰ উপন্যাসখন। দক্ষিণ ভাৰতৰ অন্ধ্ৰপ্ৰদেশৰ বিজয়নগৰৰ ৰজা আনন্দ গজপতিনাথৰ ৰাজ পণ্ডিত প্ৰসিদ্ধ বিদ্বান পণ্ডিত নৰসিংহাচাৰ্য্যই 'সৌদামিনী' নামৰ এখন উপন্যাস ৰচনা কৰে (১৯০৫ চন)। 'সৌদামিনী' আঠটা ভাগত বিভক্ত। বালকুন্নন নম্বুদ্ৰিৰ 'সুভদ্ৰা' (১৮৯১-১৯৪৬) নামৰ উপন্যাসখনত নাৰীজীৱনৰ ব্যথা সম্পৰ্কে বৰ্ণনা আছে। আনহাতে, অসমৰ সুপ্ৰসিদ্ধ পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰীৰ সংস্কৃত উপন্যাস অৱিনাশি অন্যতম (১৯৮৬)। উক্ত উপন্যাস ৭ ম শতিকাৰ ৰজা ভাস্কৰবৰ্মাৰ জীৱন-বুৰঞ্জীৰ ওপৰত আধাৰিত। ইয়াৰ উপৰিও আধুনিক প্ৰখ্যাত গদ্যকাৰ ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ দ্বাৰা ৰচিত বিক্ৰমচৰিত, অন্যচ্চ আৰু তাণ্ডৱ নামে তিনিখন সংস্কৃত ভাষাত ৰচিত উপন্যাস গ্ৰন্থ আছে। লঘূ উপন্যাসমূহৰ ভিতৰত নগেন্দ্ৰনাথ সেন (১৯১৮)ৰ কল্যাণী, বলভদ্ৰ শৰ্মাৰ বিয়োগিনী বালা (সংস্কৃত চন্দ্ৰিকা, ১৯০৬), গোপাল শাস্ত্ৰীৰ অতিৰূপাচৰিতম্ (সঃ সাঃ পৰিষদ পত্ৰিকা, ১৯০৮), ভট্ট মথুৰানাথ শাস্ত্ৰীকৃত 'অনাদৃতা' আদি অন্যতম।

বিংশতি শতিকাৰ মাজভাগত একাধিক গদ্যকাৰে শৈলী তথা বিষয়বস্তুৰ বিভিন্ন প্ৰয়োগ কৰি বহুতো উপন্যাস ৰচনা কৰি উলিয়াই। ইয়াৰে ভিতৰত ড° ৰামজী উপাধ্যায় বিৰচিত “দ্বা সম্পূৰ্ণা” আৰু 'সত্যহৰিশ্চন্দ্ৰোদয়ম্' সুপ্ৰসিদ্ধ। প্ৰ। নাৰায়ণ শাস্ত্ৰীয়ে দেশৰ দৰিদ্ৰ শ্ৰেণীৰ কথা বৰ্ণনা কৰি “দৰিদ্ৰাণাং হৃদয়ম্” নামে উপন্যাস ৰচনা কৰে। ঠিক তেনেদৰে আধুনিক সংস্কৃত উপন্যাস সমূহৰ ভিতৰত আচাৰ্য্য ৰামদেৱ ৰচিত 'জয়দৰিদ্ৰনাৰায়ণ', বিহাৰীলাল শৰ্মাৰদ্বাৰা ৰচিত 'মংগলায়তন', বিদ্যাধৰ দ্বিবেদীৰদ্বাৰা

ৰচিত 'চক্ৰবত্ পৰিবৰ্তন্তে' ইত্যাদি অন্যতম। ইয়াৰ উপৰিও আধুনিক যুগৰ প্ৰমুখ উপন্যাসকাৰ সকলৰ ভিতৰত অম্বিকাদত্ত ব্যাস, মেধাব্ৰত শাস্ত্ৰী, শ্ৰীনিবাস শাস্ত্ৰী, ৰুদ্ৰদত্ত পাঠক, দুৰ্গাদত্ত শাস্ত্ৰী, শ্ৰীনাথ হসুৰকৰ, সত্যপ্ৰকাশ সিংহ, শ্যাম বিমল, শ্ৰীকান্ত আচাৰ্য্য, ৰামশৰণ ত্ৰিপাঠী আদিৰ নাম উল্লেখযোগ্য।

**লঘুকথা** ঃ ভাৰতবৰ্ষত আধুনিক যুগৰ লঘুকথাৰ বিকাশৰ ক্ষেত্ৰত যদিও পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ থকা বুলি বহুতেই ক'ব খোজে, তথাপিও এই কথা বিনাদ্বিধাই মানি ল'ব নোৱাৰি। কিয়নো বেদ আৰু পুৰাণৰ সংক্ষিপ্ত আখ্যানবোৰ লঘুকথা বুলিয়েই ক'ব পাৰি। আনহাতে পঞ্চতন্ত্ৰৰ কাহিনী সমূহকো গল্প সাহিত্যৰ জননী বুলিব পাৰি, যিসমূহক লঘুকথাৰ অন্তৰ্গত বুলি ধৰিব পাৰি। আধুনিক সংস্কৃত গদ্য সাহিত্যৰ পথাৰখনত লঘুকথাৰ অত্যাধিক জনপ্ৰিয়তা দেখা যায়। প্ৰায় ডেৰ হাজাৰ বছৰ ধৰি সংস্কৃত ভাষাত আধুনিক সংস্কৃত গদ্যকাৰসকলে ৰচনা কৰি আহিছে।

ইয়াৰ ভিতৰত প্ৰ. শ্ৰীধৰ ৰচিত 'কথা-কৌতুক' নামৰ লঘুকথা গ্ৰন্থখন য়ুসুফ আৰু জুলেখাৰ কাহিনীৰ ওপৰত আধাৰিত। আনহাতে, নাৰায়ণ বালকৃষ্ণ গোডবোলে নামৰ গদ্যকাৰজনে ঈসপৰ সাধুসমূহ সংস্কৃতত অনুবাদ কৰি "ঈসব্‌নীতি কথা" নামে লঘুকথা নিৰ্মাণ কৰে। সময়ে সময়ে বিভিন্ন সংস্কৃত পত্ৰিকা সমূহতো কিছুমান লঘুকথা প্ৰকাশিত হোৱা দেখা যায়। এই পত্ৰিকা সমূহৰ ভিতৰত 'সংস্কৃত-চন্দ্ৰিকা', 'সংস্কৃত সাহিত্য পৰিষদ পত্ৰিকা' আদি অন্যতম। পত্ৰিকাসমূহত প্ৰকাশিত লঘুকথাসমূহ ভিতৰত বৰদাৰাজ শৰ্মাৰদ্বাৰা ৰচিত "কস্যামপৰাধঃ" (১৯৩৬-১৯৩৭), 'কিমিদমাকুতম্' (১৯৩৭-৩৮), 'গৰ্তে-পতেত্ ক্ৰোধন' (১৯৩৭-৩৮), 'কিং স্বতন্ত্ৰা অহো অন্যথা' (১৯৩৯-৪০), 'কস্যাহম্' (১৯৩৯-৪০) আদি উল্লেখনীয়। দক্ষিণ ভাৰতৰ আৰ. ৰাংগাচাৰ্য্য শিৰোমণি দেৱৰ দ্বাৰা ৰচিত 'আই. চী. এচ. জামাতা' শীৰ্ষক লঘুকথা 'সংস্কৃত সাহিত্য পৰিষদ পত্ৰিকা'ত প্ৰকাশ পায়। উক্ত লঘুকথা কাব্য হাস্যৰসাত্মক। ইয়াৰ উপৰিও তেখেতৰ দ্বাৰা ৰচিত 'নগৰপৰি পালন সভা' শীৰ্ষক লঘুকথা কাব্যখনৰ কাহিনীভাগ নগৰপালিকাৰ নিৰ্বাচৰ ওপৰত আধাৰিত। আনহাতে বিংশ শতিকাৰ গদ্যকাৰ সকলৰ ভিতৰত ভট্টমথুৰানাথ শাস্ত্ৰী, গিৰিধৰ শৰ্মা চতুৰ্বেদী, সূৰ্য্যনাৰায়ণ আচাৰ্য্য, গণেশ ৰাম শৰ্মা (ৰাজস্থান), শ্ৰীধৰ প্ৰসাদ পন্ত সুধাংশু (উত্তৰ প্ৰদেশ) আদিৰ নাম উল্লেখনীয়। ইয়াৰ উপৰিও আধুনিক লঘুকথা নিৰ্মাতাসকলৰ ভিতৰত হৰিকৃষ্ণ শাস্ত্ৰী, অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰ, স্বামীনাথ আত্ৰেয়, ৰেৱাপ্ৰসাদ দ্বিবেদী, কেশৱ চন্দ্ৰ দাস, ৰাধাবল্লভ ত্ৰিপাঠী, পদম শাস্ত্ৰী আদিৰ নাম সন্নিবিষ্ট কৰা হৈছে। স্বামিনাথ আত্ৰেয়ৰ দ্বাৰা ৰাজনৈতিক প্ৰেক্ষাপটৰ ওপৰত ৰচিত "বুদবুদ্‌পৃষ্ঠে যশকঃ" নামৰ লঘুকথা উল্লেখনীয়। ৰাধাবল্লভ ত্ৰিপাঠীৰ দ্বাৰা ৰচিত লঘুকথা "মহাকবিঃ কন্টক" এখন ৰাজনৈতিক পটভূমিৰ ওপৰত ৰচিত ব্যংগাত্মক তথা হাস্যৰসাত্মক গ্ৰন্থ।

**নিবন্ধ** ঃ আধুনিক সংস্কৃত গদ্য সাহিত্যৰ ক্ষেত্ৰখনত নিবন্ধসমূহকো অন্তৰ্ভুক্ত কৰিব পাৰি। নিবন্ধসমূহত বিশেষকৈ লেখকজনে কোনো এটা বিষয়ৰ ওপৰত গৱেষণা

কৰি পোৱা মৌলিক তথা সৰ্বজনাত্মক তথ্যসমূহ নিজৰ ভাষাত এক গদ্যাত্মক শৈলী অনুসৰি প্ৰকাশ কৰা দেখা যায়। নিবন্ধসমূহৰ ভিতৰত গদ্যবদ্ধ নিবন্ধ, বিমৰ্শাত্মক নিবন্ধ, প্ৰবন্ধ নিবন্ধ, ললিত নিবন্ধ আদি উল্লেখযোগ্য। সংস্কৃত নিবন্ধ সংকলনসমূহৰ ভিতৰত ড° মংগলদেৱ শাস্ত্ৰীৰ 'প্ৰবন্ধ প্ৰকাশ' প্ৰ. চাৰুদেৱশাস্ত্ৰীৰ 'প্ৰস্তাৰতৰংগিনী', ড° ৰামজী উপাধায় আৰু ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ (দ্বৈতভাৱে) 'নিবন্ধকলিকা' আৰু 'সংস্কৃতনিবন্ধাৱলী', আচাৰ্য্য কেশবসেন শুক্লৰ 'নিবন্ধ বৈভৱ', ড° কপিলদেৱ দ্বিবেদীৰ 'সংস্কৃতনিবন্ধশককম্', ড° ৰামকৃষ্ণ আচাৰ্য্যৰ 'সংস্কৃত নিবন্ধাজলি', ড° পাৰসনাথ দ্বিবেদীৰ 'সংস্কৃতনিবন্ধনবগীতম্', ড° ৰামসূতি শৰ্মাৰ 'সংস্কৃত নিবন্ধাদৰ্শ', কৈলাশনাথ দ্বিবেদীৰ 'কালিদাসীয় নিবন্ধ বিষয়', ড° ৰমেশচন্দ্ৰ শুক্লৰ 'প্ৰৱন্ধৰত্নাকৰ' অন্যতম। ইয়াৰ উপৰিও সংস্কৃত নিবন্ধ গ্ৰন্থ হিচাপে শ্ৰীকৰ্ণবীৰ নাগেশ্বৰ ৰায়ৰ 'বাণীনিবন্ধমণিমালা' (মাদ্ৰাছ), প্ৰ. ৰঘুনাথ শৰ্মাৰ 'চিত্ৰনিবন্ধাৱলী' (বেনাৰস, ১৯৬৪), কৃষ্ণদেৱ উপাধ্যায়ৰ 'নিবন্ধচন্দ্ৰিকা' (বেনাৰস, ১৯৭৬), প্ৰ. নৱলকিশোৰ কাংকৰৰ 'প্ৰবন্ধমকৰন্দ' (জয়পুৰ, ১৯৭৮), পণ্ডিত বটুকানাথ শাস্ত্ৰীৰ 'সাহিত্যমঞ্জৰী' (বেনাৰস, ১৯৭৬), নৰসিংহাচাৰ্য্যৰ 'সাহিত্যসুধালহৰী' (অন্ধ্ৰপ্ৰদেশ), ড° কৃষ্ণকুমাৰ অৱস্থীৰ 'সংস্কৃত নিবন্ধ শেখৰ' (লখনৌ), বাসুদেৱ শাস্ত্ৰী দ্বিবেদীৰ বালনিবন্ধমালা আৰু 'সংস্কৃতনিবন্ধাদৰ্শ' (বেনাৰস, ১৯৭৮), নৃসিংহনাথ ত্ৰিপাঠীৰ 'নিবন্ধকুসুমাঞ্জলী' (লখনৌ), ড° শিৱবালক দ্বিবেদীৰ 'সংস্কৃত নিবন্ধ চন্দ্ৰিকা' (কানপুৰ, ১৯৮৫) আৰু 'নিবন্ধৰত্নাকৰ' (কানপুৰ, ১৯৮৫) প্ৰকাশ পায়।

**যাত্ৰাবৃত্ত** ঃ আধুনিক গদ্যসাহিত্যৰ ক্ষেত্ৰখনত গদ্যশৈলীত ৰচিত আন এক প্ৰকাৰৰ ৰচনা হ'ল যাত্ৰাবৃত্ত। যাত্ৰাবৃত্ত বুলি ক'লে দৰাচলতে — কোনো এজন ব্যক্তিৰ ভ্ৰমণ কাহিনী বা প্ৰত্যক্ষদৃষ্ট কোনো ঘটনাৰ আলম লৈ সেই যাত্ৰীজনে নিজেই লিখা বৃত্তান্ত ভাগকেই বুজায়। আমাৰ ভাৰতবৰ্ষত তীৰ্থযাত্ৰাৰ পৰম্পৰা প্ৰাচীন কালৰে পৰাই চলি আহিছে। সেয়েহে আধুনিক সংস্কৃত সাহিত্যত পোৱা অধিকাংশ যাত্ৰাবৃত্তই তীৰ্থভ্ৰমণৰ ওপৰত ৰচিত। 'সংস্কৃত চন্দ্ৰিকা'ত তথা 'অমৰভাৰতী'ত লক্ষ্মণ শাস্ত্ৰী তৈলংগ মহোদয়ৰ জগদীশপুৰ যাত্ৰাৰ বৰ্ণনা প্ৰকাশিত হৈছে। যাত্ৰাবৃত্তমূহৰ ভিতৰত এস্, পী. ভট্টাচাৰ্য্যৰ "উত্তৰাখণ্ড যাত্ৰা" (কলকাতা, ১৯৪৮) প্ৰসিদ্ধ। মথুৰা নাথ শাস্ত্ৰী দেৱেও তেখেতৰ উত্তৰাখণ্ড যাত্ৰাৰ অভিজ্ঞতাসমূহ "অস্মাকম্ উত্তৰাখণ্ড যাত্ৰা" নামৰ সংস্কৃত গদ্যকাব্যখনত নিবন্ধ কৰে, যাৰ কিছু অংশ "ভাৰতী" নামে মাহিলী পত্ৰিকাখনত প্ৰকাশ পায়। প্ৰ. হৰিহৰসুৰূপ শৰ্মাদেৱে তেখেতৰ কাশ্মীৰ যাত্ৰাৰ কথা 'মম কাশীৰযাত্ৰা' শীৰ্ষক নিবন্ধত প্ৰকাশ কৰে, যি 'শাৰদা' নামে পত্ৰিকাখনত ১৯১৫ চনত প্ৰকাশ পায়। বী. এস. ৰামস্বামিশাস্ত্ৰী মহোদয়ৰ 'ত্ৰিবিল্বদলচম্পু' নামে গ্ৰন্থখনত নিজৰ সমগ্ৰ ভাৰত ভ্ৰমণৰ কাহিনী বৰ্ণনা কৰাৰ লগতে বিভিন্ন ঠাইৰ বিশ্ববিদ্যালয়, শৈক্ষিক অনুষ্ঠান, প্ৰাচীন পুৰাতাত্ত্বিক স্থল, দৰ্শনীয় স্থল আদিৰ বিষয়েও সন্নিবিষ্ট কৰিছে। শ্ৰী শৈল দিক্ষীত ৰচিত প্ৰথম যাত্ৰাবৃত্ত হ'ল "কাবেৰী গদ্য য'ত তেওঁ কাবেৰী যাত্ৰাৰ কথা বৰ্ণনা কৰিছে। দ্বিতীয় যাত্ৰাপ্ৰবন্ধ হ'ল

'প্ৰবাসবৰ্ণন', য'ত ভাৰতীয় প্ৰদেশ সমূহত যাত্ৰাৰ বৰ্ণনা আছে। এ. ৰাজগোপালচাৰী মহোদয়ে ভাৰতৰ প্ৰমূখ তীৰ্থসমূহৰ বৰ্ণন কৰি 'তীৰ্থাটন' শীৰ্ষক যাত্ৰাবৃত্ত গ্ৰন্থ ৰচনা কৰে। নাৰায়ণ স্মৃতিতীৰ্থই আধুনিক উৰিষ্যাৰ বিষয়ে বৰ্ণনা কৰি "ভূবনেশ্বৰ বৈভ্ৱম্' শীৰ্ষক গদ্যকাব্য ৰচনা কৰে। প্ৰ. নবলকিশোৰ কাংকৰে "যাত্ৰাবিলাস" নামক উৎকৃষ্ট গদ্যকাব্য ৰচনা কৰে, য'ত তেওঁ সুললিত বৰ্ণনাৰে তেওঁৰ উত্তৰাখণ্ড যাত্ৰাৰ আদিৰ পৰা অন্তলৈ বৰ্ণনা কৰে। তেখেতৰ ৰচনাত বাণভট্টৰ কিছু প্ৰভাৱ পৰা দেখা যায়। এই গদ্য-কাব্যৰ প্ৰশংসা সমস্ত ভাৰতবৰ্ষতেই কৰা হয় আৰু সেয়েহে কাংকৰ মহোদয়ে সংস্কৃত সেৰা সংস্থাসমূহৰ পৰা "গদ্যসম্ৰাট" উপাধি লাভ কৰিবলৈ সক্ষম হয়।

**জীৱনবৃত্ত** ঃ বহু বছৰ মহান কবি তথা পুৰুষসকলৰ জীৱনবৃতান্ত গদ্যশৈলীত প্ৰবন্ধৰূপত লিখাৰ পৰম্পৰা চলি আহিছে। কিন্তু আধুনিক সংস্কৃত গদ্য সাহিত্যৰ ক্ষেত্ৰখনত যিসমূহ 'জীৱনবৃত্ত' বা 'বায়োগ্ৰাফী' ৰচিত হৈছে, সেইসমূহ বিশেষকৈ প্ৰত্যক্ষদৰ্শী কোনো মহান ব্যক্তিৰ জীৱন কাহিনী তথা কৰ্মক আধাৰ কৰিহে ৰচনা কৰা হৈছে। এইসমূহ জীৱনবৃত্তৰ ভিতৰত টি. কুমাৰতচাৰ্য্যৰ দ্বাৰা ৰচিত "চণ্ডমাৰুতাচাৰ্য্যজীৱন চৰিত", গংগাধৰ শাস্ত্ৰীৰ "ৰামশাস্ত্ৰীচৰিত", কে মাৰ্কণ্ডেয় শৰ্মাৰ 'শ্ৰীদীক্ষিতচৰিত' তথা মেধাব্ৰতাচাৰ্য্যৰ 'নাৰায়ণ-স্বামীচৰিত' আৰু 'মহৰ্ষিবিৰজানন্দচৰিত' অন্যতম। ইয়াৰ উপৰিও কোহ্লাপুৰৰ আত্মাৰাম লাটকৰে চত্ৰপতি শিৱাজীৰ জীৱনবৃতান্তৰ ওপৰত "শ্ৰীশাহুচৰিত" ৰচনা কৰিছে। প্ৰ. বিহাৰীলাল শৰ্মাই সংস্কৃত গদ্য-বদ্ধ জীৱনচৰিত "বিহাৰিস্মৰিকা" ৰচনা কৰে।

**আত্মকথা** ঃ সংস্কৃত আধুনিক গদ্য সাহিত্যৰ গদ্যকাব্যৰ ভিতৰত আত্মকথাসমূহকো অন্তৰ্ভুক্ত কৰা হয়। কিন্তু সংস্কৃতত লিখা আত্মকথাৰ সংখ্যা তেনেই তাকৰ। দৰাচলতে আত্মকথা দুই প্ৰকাৰৰ। প্ৰথম প্ৰকাৰ হ'ল কোনো মহৎ ব্যক্তিয়ে নিজৰ জীৱন সম্পৰ্কে লিখা আত্মকথা আৰু আন প্ৰকাৰ হৈছো কোনো অইন ব্যক্তিয়ে কোনো এজন মহান পুৰুষৰ আত্মজীৱনী নিজৰ ভাষা তথা শৈলীৰে যথাযথভাৱে প্ৰকাশ কৰা। সংস্কৃত ভাষাত ৰচিত আত্মকথাসমূহৰ ভিতৰত প্ৰ. ঋষিকেষ ভট্টাচাৰ্য্যৰ দ্বাৰা ৰচিত "আত্মবায়োৰুদ্গাৰঃ", কলানাথ শাস্ত্ৰীৰ "সংস্কৃততোপাসিকায়া" আদি উল্লেখযোগ্য।

**জানি থোৱা ভাল**

আধুনিক সংস্কৃত কবি অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰই নব্য সংস্কৃত গদ্যকাব্যৰ চাৰিটা ভাগ স্বীকাৰ কৰিছে। সেইকেইটা হ'ল — উপন্যাস, লঘূকথা, দীৰ্ঘকথা আৰু কথানিকা। কিন্তু ইয়াৰ উপৰিও নিবন্ধ, যাত্ৰাবৃত্ত, জীৱনবৃত্ত, আত্মকথা আদি গদ্যশৈলীয়ে আধুনিক সংস্কৃত গদ্য সাহিত্যৰ পথাৰখনত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা দেখা যায়।

## ৫.৫ আধুনিক সংস্কৃত গদ্য সাহিত্যৰ কেইজনমান উল্লেখযোগ্য গদ্যকাৰ

**পণ্ডিত অম্বিকাদত্ত ব্যাস ঃ**

পণ্ডিত অম্বিকাদত্ত ব্যাসৰ জন্ম হয় ১৮৫৮ চনত জয়পুৰত। পণ্ডিত অম্বিকাদত্তই তেওঁৰ ৪২ বছৰ বয়সতেই উৎকৃষ্ট সাহিত্য ৰচনাৰ বাবে পণ্ডিত উপাধি লাভ কৰে। এওঁৰ কবিতাত সুপ্ৰসন্ন হৈ প্ৰসিদ্ধ সাহিত্যকাৰ "ভাৰতেণ্ডু হৰিচন্দ্ৰ"ই 'সুকবি' উপাধি প্ৰদান কৰে। পণ্ডিত ব্যাস বিলক্ষণ প্ৰতিভাৰ অধিকাৰী আছিল। তেওঁ সংস্কৃতত ২৭ খন গ্ৰন্থ ৰচনা কৰে। ইয়াৰ উপৰিও তেওঁ হিন্দী ভাষাত ৬৪ খন গ্ৰন্থ ৰচনা কৰে।

পণ্ডিত অম্বিকাদত্তৰ দ্বাৰা ৰচিত সংস্কৃত উপন্যাস "শিবৰাজবিজয়" আধুনিক গদ্য সাহিত্যৰ প্ৰথমখন উপন্যাস বুলি পণ্ডিত সকলে স্বীকাৰ কৰে। গ্ৰন্থখনৰ ৰচনা হয় ১৮৯৮ চনত। 'শিবৰাজবিজয়' বিশেষকৈ ঐতিহাসিক উপন্যাসশৈলীত ৰচিত এখন উপন্যাস। গ্ৰন্থখন ১২ টা নিশ্বাসত বিভক্ত আৰু বীৰৰস প্ৰধান গদ্যকাব্য। এই উপন্যাসখনত ছত্ৰপতি শিবাজীৰ ৰাষ্ট্ৰকল্যানকাৰী ৰাজনৈতিক ক্ৰিয়াকলাপৰ কথা বৰ্ণনা কৰা হৈছে। ছত্ৰপতি শিবাজী এজন দেশপ্ৰেমী, বীৰ আৰু ধৰ্মপ্ৰেমী তথা শৌৰ্য্যবীৰ্য্যময় যোদ্ধা আছিল, যিয়ে নিজৰ দেশৰ কাৰণে সশস্ত্ৰ সংগ্ৰাম কৰিছিল। উপন্যাসখনত মহাৰাষ্ট্ৰৰ ৰত্ন, বীৰ শিবাজীৰ চৰিত্ৰ চিত্ৰণ অত্যন্ত মনোমোহা ৰূপত দাঙি ধৰা হৈছে। কাব্যিক দৃষ্টিত চাবলৈ গ'লে উপন্যাসখনৰ ভাষা খুব সুন্দৰ তথা ৰসাভিব্যক্তি প্ৰশংসনীয়। ৰাজনীতি আৰু ৰণকৌশল খুব সুন্দৰভাৱে নিৰূপণ কৰিছে।

**বিশ্বনাৰায়ণ শাস্ত্ৰী ঃ**

বিশ্বনাৰায়ণ শাস্ত্ৰী অসমৰ এজন সুপ্ৰসিদ্ধ সংস্কৃত পণ্ডিত। ১৯১৮ চনত লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ পাণবাৰী নামে গাঁৱত তেখেতৰ জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম আছিল বাণীকান্ত গোস্বামী আৰু মাতৃৰ নাম আছিল ৰূপদা দেৱী। বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে তেখেতৰ প্ৰাথমিক শিক্ষা নিজ গাঁৱতে সম্পন্ন কৰে। তেখেতে বিহপুৰীয়াৰ বৰদা বিদ্যালয়ৰ পৰা সংস্কৃত শিক্ষা গ্ৰহণ কৰে আৰু পিছলৈ ১৯৪৭ চনত নলবাৰী কলেজলৈ স্থানান্তৰিত হৈ বাকীখিনি শিক্ষা সমাপ্ত কৰে। বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে সংস্কৃত ব্যাকৰণ, সাহিত্য আৰু দৰ্শনৰ ওপৰত আগাধ পাণ্ডিত্য লাভ কৰে। তেখেতে সাহিত্য শাস্ত্ৰী, মীমাংসা শাস্ত্ৰী, কাব্যতীৰ্থ, দৰ্শনাচাৰ্য্য আদি বিভিন্ন উপাধি  অসম আৰু বেংগলৰ সংস্কৃত বোৰ্ডসমূহৰ পৰা গ্ৰহণ কৰে। শাস্ত্ৰী মহোদয়ে তেখেতৰ স্নাতক শিক্ষা গৌহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতোকোত্তৰ শিক্ষা বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা সম্পন্ন কৰে। তেখেতে ১৯৬৩ চনত পশ্চিমবংগৰ ৱাৰ্ডান বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি. লিট লাভ কৰে।

শাস্ত্ৰী মহোদয়ে ডিব্ৰুং মধ্য ইংৰাজী বিদ্যালয়, কামৰূপ উচ্চ ইংৰাজী বিদ্যালয়, গোলাঘাট টাউন হাইস্কুল আৰু যোৰহাট চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰে। তেখেতে ১৯৫৮ চনলৈ উত্তৰ লক্ষীমপুৰ কলেজত প্ৰথমে অধ্যাপক ৰূপে আৰু তাৰ পিছত অধ্যক্ষ ৰূপে কাৰ্যনিৰ্বাহ কৰে।

বিশ্বনাৰায়ণ শাস্ত্ৰী মহোদয়ে সংস্কৃত, ইংৰাজী, অসমীয়া আৰু হিন্দী মাধ্যমত

অনেক গ্ৰন্থ ৰচনা কৰিছে। বিশেষকৈ সংস্কৃত সাহিত্যলৈ তেখেতৰ অৱদান প্ৰশংসণীয়। তেখেতৰ মৌলিক গ্ৰন্থসমূহৰ ভিতৰত 'হৃদয়সংবাদচয়ন', 'Mimaasaa Philosophy of Kumaarila Bhatta', Samavaaya Foundation of Nyaaya - Vaiszes–ika Philosophy, Anundoram Barooah, ৰাম সৰস্বতী, Sanskrit in Assam through the Ages, অবিনাশি বিজয়লক্ষী পণ্ডিত আদি সুপ্ৰসিদ্ধ।

তেখেতৰ দ্বাৰা ৰচিত অবিনাশি হ'ল এখন সংস্কৃত উপন্যাস। এই উপন্যাসখন সপ্তম শতিকাৰ অসম বুৰঞ্জীৰ ওপৰত আধাৰিত। এই উপন্যাস বিশেষকৈ প্ৰাগজ্যোতিষপুৰৰ ৰজা ভাস্কৰবৰ্মা আৰু মাধবীৰ প্ৰেম কাহিনীক লৈ ৰচিত। মাধবী এগৰাকী দেবদাসী আছিল। ইয়াৰ উপৰিও উপন্যাসখনৰ কাহিনীভাগত সপ্তম শতিকাৰ প্ৰাচীন অসমৰ ৰাজনৈকি প্ৰেক্ষাপট খুব সন্দৰভাবে প্ৰতিফলিত হয়। অবিনাশী উপন্যাসখন ১৯ টা কাহিনীত বিভক্ত।

**ৰাধাবল্লভ ত্ৰিপাঠি** ঃ আধুনিক সংস্কৃত সাহিত্যৰ কবিসকলৰ ভিতৰত ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ নাম সৰ্বজনজ্ঞাত তথা অন্যতম। ৰাধাবল্লভ ত্ৰিপাঠীৰ জন্ম হৈছিল ১৯৪৯ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে মধ্যপ্ৰদেশৰ ৰাজগড় নামে জিলাত। তেখেতৰ পিতৃৰ নাম আছিল গোকুলপ্ৰসাদ ত্ৰিপাঠী আৰু মাতৃৰ নাম আছিল গোকুলবাঈ। তেখেতৰ পিতামহৰ নাম আছিল ৰামপ্ৰসাদ ত্ৰিপাঠী। তেখেতে ৰাজগড় নিবাসী শ্ৰীশিবদত্ত ভৰদ্বাজৰ পুত্ৰ ড° সত্যবতীক বিয়া কৰায়। ড° ৰাধাবল্লভ ত্ৰিপাঠীয়ে ভিন ভিন স্থানত তেওঁৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰে। তেখেত ১৯৬৫ চনত মধ্যপ্ৰদেশৰ পৰা মাধ্যমিক শিক্ষা, মহাৰাজ মহাবিদ্যালয়ৰ পৰা ১৯৬৬ চনত উচ্চ মাধ্যমিক শিক্ষা, উক্ত মহাবিদ্যালয়ৰ পৰায়ে ১৯৬৮ চনত স্নাতক শিক্ষা আৰু সাগৰ বিশ্ববিদ্যালয়ৰ পৰা ১৯৭০ চনত স্নাতোকোত্তৰ শিক্ষা সম্পন্ন কৰে। সাগৰ বিশ্ববিদ্যালয়ৰ পৰায়ে তেওঁ ১৯৭২ চনত প্ৰ. ৰামজী উপাধ্যায়ৰ তত্বাবধানত "সংস্কৃত কবিসকলৰ ব্যক্তিত্বৰ বিকাশ" শীৰ্ষক গৱেষণা বিষয়ত গৱেষণা কাৰ্য্য সম্পন্ন কৰে। ১৯৮১ চনত সাগৰ বিশ্ববিদ্যালয়ৰ পৰায়ে তেওঁ সন্মানীয় ডি. লিট্ ডিগ্ৰী লাভ কৰে।

সংস্কৃত পণ্ডিত ড° ৰাধাবল্লভ ত্ৰিপাঠীদেৱে বিভিন্ন বিষয়ক গ্ৰন্থ ৰচনা কৰিছে যদিও গদ্যৰচনাত তেওঁ অতুলনীয়। তেওঁ কেইবাখনো গদ্যকাব্য ৰচনা কৰি আধুনিক সংস্কৃত সাহিত্যৰ পথাৰখনত যথেষ্ট বৰঙণি আগবঢ়াইছে। তেওঁৰ দ্বাৰা ৰচিত কথা কাব্য হ'ল — স্মিতৰেখা আৰু অভিনৱশুক সাৰিকা, আখ্যায়িকা গ্ৰন্থ হ'ল উপাখ্যান মালিকা আৰু মহাকবি কন্টক, উপন্যাস হ'ল বিক্ৰমচৰিত, অন্যচ্চ আৰু তাণ্ডৱ, নিবন্ধগ্ৰন্থ হ'ল — সংস্কৃত-নিবন্ধ-কালিকা, আত্মকথা বিষয়ক গ্ৰন্থ হ'ল — দৈনন্দিনী (আত্মনাৎত্মন) অনুবাদ গ্ৰন্থ হ'ল — ৰুমী পঞ্চদশী আদি। তেখেতৰ গদ্য গ্ৰন্থসমূহৰ বিষয়ে তলত সংক্ষেপে আলোচনা কৰা হ'ল —

**বিক্ৰমচৰিত ঃ** ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ দ্বাৰা ৰচিত 'বিক্ৰমচৰিত' উপন্যাসখন আধুনিক ৰাজনীতিৰ ওপৰত আধাৰিত। উপন্যাসখনত ত্ৰিপাঠীদেৱে গাহৰি, শিয়াল আদি জন্তুক উপন্যাসৰ পত্ৰ সজাই বৰ্তমান সময়ৰ ৰাজনীতিত থকা বিষমতাবোৰ ব্যাপক ৰূপত তুলি ধৰিছে। বৰ্তমান ৰাজনীতিত প্ৰচলিত সাম-দাম-দাণ্ড ভেদ নীতি 'বিক্ৰমচৰিত' উপন্যাসখনত সুস্পষ্ট।

আচাৰ্য্য ৰাধাবল্লভ ত্ৰিপাঠীয়ে উক্ত উপন্যাসখনত বিশেষকৈ বিভৎস ৰসৰ প্ৰয়োগ কৰা দেখা যায়। ইয়াৰ উপৰিও উপন্যাসখন ব্যঞ্জনাপ্ৰধান। নতুন বিষয়বস্তু, ঘটনাৰ ব্যৱহাৰিকতা, ভাষাৰ সাৰলীলতা, ৰসাভিব্যক্তিত নিপুনতা আদিয়ে উপন্যাসখনক অধিক মনোগ্ৰাহী কৰি তোলে।

**অন্যচ্চ** ঃ প্ৰ. ৰাধাবল্লভ ত্ৰিপাঠীৰ দ্বাৰা ৰচিত "অন্যচ্চ" নামৰ উপন্যাসখন সংস্কৃত ভাৰতী, নতুন দিল্লীৰ দ্বাৰা ২০১১ চনত প্ৰকাশিত। গ্ৰন্থখন তিনিটা খণ্ডত বিভক্ত। 'অন্যচ্চ' নামৰ উপন্যাসখনৰ মুখ্য নায়ক হ'ল বিশাখ। বিশাখৰ দুটা মনৰ কামনা পূৰ্ণৰ হেতু কৰা যাত্ৰাক লৈয়ে উপন্যাসখন ৰচিত। সেই দুটা কামনা হ'ল — মাতৃদৰ্শন আৰু জ্ঞান অৰ্জন। দৰাচলতে উপন্যাসখনৰ কাহিনী অনুসৰি বিশাখে তাৰ দিবংগতা মাতৃক দৰ্শন কৰিবলৈ বিভিন্ন স্থানত ঘূৰি ফুৰে। আৰু এনেদৰে ভিন ভিন স্থানত কৰা যাত্ৰাৰ ফলত তাৰ জ্ঞান অৰ্জন সম্ভৱ হয়।

ভিন ভিন স্থানত কৰা বিশাখৰ যাত্ৰাৰ জৰিয়তে ড° ত্ৰিপাঠীয়ে ভিন ভিন স্থানৰ ভৌগোলিক অৱস্থানৰ কথা দৰ্শাইছে। ইয়াৰ উপৰিও উপন্যাসখনত ড° ত্ৰিপাঠীয়ে মূৰ্ত্তি পূজা আৰু বৌদিক ধৰ্মৰ স্থানত বৌদ্ধ ধৰ্মৰ প্ৰতি অধিক শ্ৰদ্ধা ব্যক্ত কৰা দেখা গৈছে। কিন্তু আনফালে বিশাখই নিজৰ বৈদিক ধৰ্ম ত্যাগ নকৰি শ্ৰাদ্ধাদি পিতৃকৰ্ম কৰাও উপন্যাসখনত দেখা পোৱা গৈছে। ইয়াৰ উপৰিও উপন্যাসখনত কুম্ভকাৰ বীথী আদি গ্ৰামীণ পৰিবেশ, পৰ্বত, বৰ্ষা আদিৰ মনোৰম বৰ্ণনা দেখা যায়।

**তাণ্ডৱ** ঃ ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ 'তাণ্ডৱ' এখন ঐতিহাসিক উপন্যাস, য'ত ড° ত্ৰিপাঠীয়ে হৰ্ষৰ সময়ৰ কথা বৰ্ণনা কৰিছে। গ্ৰন্থখন সংস্কৃত ভাৰতী, নতুন দিল্লীয়ে ২০১৩ চনত প্ৰকাশ কৰি উলিয়াই। তাণ্ডৱ উপন্যাসখন পূৰ্ব পীঠিকা আৰু উত্তৰ পীঠিকা নামে দুটা ভাগত বিভক্ত। এই উপন্যাসখনৰ পূৰ্বপীঠিকাত এক সন্যাসীৰ মুখেৰে উজ্জয়িনীৰ ৰজা বিক্ৰমাদিত্যৰ মহানতাৰ বৰ্ণনা কৰা হৈছে। আৰু উপন্যাসৰ শেষৰ ফালে সম্ৰাট হৰ্ষৰ ক্ৰিয়া কলাপৰ বৰ্ণনা আছে।

**সংস্কৃত-নিবন্ধ-কালিকা** ঃ সংস্কৃত-নিবন্ধ-কলিকা ড° ৰামজী উপাধ্যায় আৰু ড° ৰাধাবল্লভ ত্ৰিপাঠীৰ দ্বাৰা যুটীয়াভাৱে ৰচিত এখন নিবন্ধগ্ৰন্থ। এই গ্ৰন্থখনত বিভিন্ন বিষয়ৰ ওপৰত ৫৮ খন নিবন্ধ সন্নিবিষ্ট কৰা হৈছে। গ্ৰন্থখন ভাৰতীয় বিদ্যা প্ৰকাশন দিল্লী, বাৰাণসীৰ দ্বাৰা প্ৰকাশিত। গ্ৰন্থখনৰ ভাষা অতি সৰল আৰু বোধগম্য। গ্ৰন্থখনত উপলব্ধ নিবন্ধসমূহ হ'ল — "অস্মাকং দেশঃ', হিমালয়, গংগা, মাতা পৰং দৈৱতম্, আচাৰ্য্য

গৌৰৱম্, ন বিত্তেন তর্পনীয়ো মনুষ্যঃ ইত্যাদি। সামাজিক, ধার্মিক, ৰাজনৈতিক, প্ৰাকৃতিক, সাংস্কৃতিক, বৈজ্ঞানিক, নৈতিক মূল্য, আদৰ্শ, মহাপুৰুষৰ জীৱন ইত্যাদি বিভিন্ন বিষয়ক নিবন্ধ এই গ্ৰন্থখনত উপলব্ধ।

**আত্মনাৎত্মন** ঃ ড° ৰাধাবল্লভ ত্ৰিপাঠীয়ে তেওঁ লিখা দিনলিপীৰ ডায়েৰীখনৰ পৰা কিছু অংশ সংকলন কৰি “আত্মনাৎত্মন” নামৰ আত্মকথাখন ৰচনা কৰে।

**অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰ** ঃ আধুনিক সংস্কৃত কবিসকলৰ মাজত অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱৰ নাম সৰ্বজনবিদিত। তেখেতে সংস্কৃত, হিন্দী, আৰু ইংৰাজী ভাষাত বিভিন্ন গ্ৰন্থ ৰচনা কৰিছে। উত্তৰ প্ৰদেশৰ জৌনপুৰ জিলাৰ দ্ৰোণীপুৰ নামে গাঁৱত তেখেতৰ জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম ৰামানন্দ মিশ্ৰ আৰু মাতৃৰ নাম আভিৰাজী দেৱী। মিশ্ৰদেৱে তেখেতৰ প্ৰাৰম্ভিক শিক্ষা নিজৰ গাঁৱৰেই প্ৰাথমিক বিদ্যালয় এখনৰ পৰা আৰম্ভ কৰে। ইয়াৰ পাছত তেওঁ জয়হীন ইন্টৰ কলেজ, তেজীবাজাৰ জৌনপুৰৰ পৰা মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সম্পন্ন কৰে। ইয়াৰ পাছত তেওঁ উচ্চ শিক্ষাৰ বাবে এলাহাবাদলৈ আহে আৰু বিজ্ঞানৰ ছাত্ৰ হোৱা স্বত্বেও সংস্কৃত, ইংৰাজী আৰু দৰ্শন শাস্ত্ৰৰ অধ্যয়ন কৰি ১৯৬২ চনত স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ সংস্কৃত বিষয়ত ১৯৬৪ চনত এলাহাবাদ বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।

অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱে এলাহাবাদ বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ ১৯৬৬-১৯৮৩ চনলৈ লেকচাৰাৰ, ১৯৮৪-৯১ লৈ ৰীডাৰ, বালীদ্বীপীয় উদয়ন বিশ্ববিদ্যালয় (ইণ্ডোনেচিয়া)ত ১৯৮৭-১৯৮৯ পৰ্যন্ত ভিজিটিং প্ৰফেছৰ হিচাপে, চিমলা বিশ্ববিদ্যালয়ত ১৯৯১ চনত সংস্কৃতৰ অধ্যাপক হিচাপে কাৰ্য নিৰ্বাহ কৰে। তেখেতে ২০০০ চনৰ ২৪ এপ্ৰিলৰ পৰা ২০০৪ চনৰ ২৪ এপ্ৰিললৈ বিশ্ববিখ্যাত সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়, বাৰানসীৰ কুলপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে।

আধুনিক সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনত অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱৰ অৱদান প্ৰশংসনীয়। তেখেতে সংস্কৃত ভাষাত “জানকী-জীৱন” আৰু “বামনাৱতৰন” নামৰ দুখন মহাকাব্য, ১৫ খন খণ্ডকাব্য, ৪ খন নবগীত সংগ্ৰহ, ৪ খন গজল-সংগ্ৰহ, ৮ খন একাংকী-সংগ্ৰহ, ৪ খন নাটক-নাটিকা, ৫ খন কথা-সংগ্ৰহ আৰু ৮ খন পাঠ্যগ্ৰন্থ ৰচনা কৰে।

অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱে ৫ খন কথা-সংগ্ৰহ ৰচনা কৰে যিসমূহে আধুনিক গদ্য সাহিত্যলৈ উৎকৃষ্ট অবদান আগবঢ়াই। তেখেতৰ কথা-সংগ্ৰহ গ্ৰন্থ কেইখন হ’ল — ইক্ষুগন্ধা, ৰাড্গডা, চিত্ৰপৰ্ণী, অভিনৱ-পঞ্চতন্ত্ৰ আৰু পুনৰ্নবা। ইক্ষুগন্ধা হ’ল ৮ টা গল্প সন্নিবিষ্ট এক গল্প সংকলন। গ্ৰন্থখনত সন্নিবিষ্ট গল্পসমূহ ক্ৰমে — জিজীৱিষ, সুখশয়িতপ্ৰচ্ছিকা, অনামিকা, একহায়নী, শতপৰ্ৱিকা, তাম্বুলকৰংকৰাহিনী, ভংগ্নপঞ্জৰ আৰু ইক্ষুগন্ধা। তাম্বুলক-ৰংকৰাহিনী নামৰ গল্পটোক বাদ দি বাকীসমূহ গল্প মহিলাসকলৰ দৈনন্দিন সংগ্ৰামৰ ওপৰত আধাৰিত। ইয়াৰ উপৰিও প্ৰত্যেকটো গল্পই সমাসৰ অৰ্থনৈতিক,

ৰাজনৈতিক, ধাৰ্মিক, বৰ্ণবৈষম্য, লিংগবৈষম্য আদি বিভিন্ন সমস্যাৰ কথা ব্যক্ত কৰে। আনহাতে অভিৰাজ ৰাজেন্দ্ৰৰ 'ৰাড়্গডা' হ'ল — ৯ টা গল্প সন্নিবিষ্ট এখন কথা-সংগ্ৰহ গদ্য কাব্য। আকৌ 'চিত্ৰপৰ্ণী' নামৰ কথা-সংগ্ৰহ খনত ৬২ টা সংস্কৃত লঘু কথা সন্নিবিষ্ট কৰা হৈছে। এই গল্পসংকলনখনৰ গল্পসমূহৰ মানুহৰ দৈনন্দিন জীৱনৰ লগত সামঞ্জস্য থকা দেখা যায়। গল্পসমূহত ভাৱপ্ৰৱণতা অধিক। গ্ৰন্থখন এলাহাবাদৰ বৈজয়ন্ত প্ৰকাশনে ২০০১ চনত প্ৰকাশ কৰি উলিয়াই। অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱৰ 'পুনৰ্নবা' নামৰ গল্পটো বলাৎকাৰ পীড়িত আৰু বিধবা নাৰীসকলে আকৌ নতুনকৈ সুন্দৰভাৱে জীৱন আৰম্ভ কৰাৰ কথা সমৰ্থন কৰি লিখা হৈছে। গল্পটোত পবিত্ৰতা অপবিত্ৰতা আদি বিচাৰ কৰা সমাজৰ মিথ্যাচাৰ সমূহ বাদ দিবলৈ মিশ্ৰদেৱে অনুৰোধ কৰিছে।

আনহাতে, অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰদেৱে বাণভট্টৰ কিছুমান অকথিত আত্মকথাৰ ওপৰত 'অনাখ্যাতা-বাণভট্টাৎত্মকথা' নামে কথা ৰচনা কৰিছে। ইয়াৰ উপৰিও মিশ্ৰদেৱৰ কুক্কী, চঞ্চা, একচক্ৰ, পোতবিহগৌ, সপত্নী, বাগদত্তা, নৰ্তকী, ন্যায়মহং কৰিষ্যে, ধ্ৰুবস্বামিনী, বন্ধ্যা, ন্যাস ৰক্ষা, মৰুন্যাগ্ৰোধ, অভিনয়, প্ৰতিশোধ ইত্যাদি অনেক লঘুকথা উপলব্ধ। মিশ্ৰদেৱৰ 'শাস্ত্ৰলোচন' এখন নিবন্ধ-সংকলন, য'ত ১৮ খন সংস্কৃত নিবন্ধ সন্নিবিষ্ট কৰা হৈছে। গ্ৰন্থখনত উপলব্ধ নিবন্ধসমূহ হ'ল — 'অভীৰাণাং য়াদবত্বম্', 'সংস্কৃত বাঙ্গময়ে একাংকিৰূপকাণামুদয়োবিকাসশ্চ', অধুনাতন সংস্কৃত কবিতায়া মূল প্ৰবৃত্তমঃ, মহাকবেঃ কালিদাসস্য শব্দ প্ৰত্যভিজ্ঞানম্, ভৱভূতি কাব্যে মনোৰাজ্যচিত্ৰণম্ ইত্যাদি।

হৰ্ষদেৱ মাধৱ ঃ হৰ্ষদেৱ মাধৱ আধুনিক সংস্কৃত সাহিত্যৰ এজন প্ৰসিদ্ধ কবি। ১৯৫৪ চনৰ ২০ অক্টোবৰ তাৰিখে ভাৱনগৰ জিলাৰ বৰ্তেজ নামে ঠাইত তেখেতৰ জন্ম হয়। তেখেতে প্ৰাথমিক শিক্ষা বৰ্তেজ প্ৰাথমিক বিদ্যালয়ৰ পৰা, হাইস্কুল শিক্ষা কলিয়াক মাধ্যমিক শালাৰ পৰা, স্নাতক শিক্ষা সৌৰস্ত্ৰ বিশ্ববিদ্যালয়ৰ পৰা আৰু একেখন বিশ্ববিদ্যালয়ৰ পৰায়ে স্নাতোকোত্তৰ শিক্ষা সম্পন্ন কৰে। তেখেতে "Curse Elements and Its Influence in Puranas" শীৰ্ষক গৱেষণা পত্ৰৰ বাবে সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে।

হৰ্ষদেৱ মাধবদেৱে পোন প্ৰথমবাৰৰ বাবে জাপানৰ হাইকু আৰু টংক আৰু কোৰিয়াৰ 'সিজু'ৰ সংস্কৃত কবিতালৈ ৰূপান্তৰিত কৰে। তেখেতৰ সংস্কৃত কবিতা সংকলন সমূহ হ'ল — 'ৰথ্যাসু জম্বুবৰ্ণানাং শিৰাণাম্', 'শকানাং নিৰ্মক্ষিকেষু ধ্বংসাৰশেসু', 'মৃগয়া', 'বৃহন্নলা', 'পুৰা যত্ৰ শ্ৰোতঃ', মৃতুশতকম ইত্যাদি।

'মৃতুৰয়ং কস্তুৰীমৃগোৎস্তি' আৰু 'কল্পবৃক্ষ' তেখেতৰদ্বাৰা ৰচিত সংস্কৃত নাটক। 'নখদৰ্পন' তেখেতৰ আধুনিক সংস্কৃত সমালোচনাত্মক গ্ৰন্থ। ইয়াৰ উপৰিও হৰ্ষদেৱ মাধৱদেৱৰ দ্বাৰা ৰচিত বিভিন্ন অনুবাদগ্ৰন্থ, সংকলিত গ্ৰন্থ, সম্পাদিত গ্ৰন্থ, তন্ত্ৰশাস্ত্ৰৰ ওপৰত কৰা গৱেষণাত্মক গ্ৰন্থ, সংস্কৃত ব্যাকৰণৰ ওপৰত লিখা গ্ৰন্থ, অভিধান, সংস্কৃত শাস্ত্ৰসমূহৰ ওপৰত লিখা সমালোচনাত্মক গ্ৰন্থ আদি উপলব্ধ।

গদ্য সাহিত্যৰ ক্ষেত্ৰখনতো হৰ্ষদেৱ মাধবদেৱৰ অবদান যথেষ্ট। তেখেতৰ দ্বাৰা ৰচিত 'মুকো ৰামাগিৰিভূত্বা' নামৰ গ্ৰন্থখন এখন সংস্কৃত ভাষাত ৰচিত উপন্যাস। উপন্যাসখন দৰাচলতে এখন দিনলিপিৰ আকাৰত ৰচিত। উপন্যাসখন মহাকবি কালিদাসৰ বিখ্যাত খণ্ডকাব্য মেঘদূতৰ কাহিনীভাগৰ ওপৰত আধাৰিত। উপন্যাসখনত যক্ষৰ দিনলিপি খুব সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে, যি যক্ষই তেওঁৰ গৰাকী কুবেৰৰ অভিশাপত অভিশপ্ত হৈ নিজৰ বাসস্থান অলকা নগৰী তথা মৰমৰ পত্নী যক্ষীৰ পৰা বহুদূৰত ৰামগিৰি পৰ্বতত বাস কৰিবলগীয়া হৈছিল। হৰ্ষদেৱ মাধবদেৱে যক্ষৰ দিনলিপি ভাগত চাৰিটা ভাগত ভাগ কৰিছে। সেইকেইটা হ'ল — শ্যামমেঘ, অৰুণমেঘ, ৰক্তমেঘ আৰু সুবৰ্ণমেঘ। লেখেকে ১৫৮ দিনৰ যক্ষৰ দিনলিপি গ্ৰন্থখনত সন্নিবিষ্ট কৰিছে। ইয়াৰ উপৰিও হৰ্ষদেৱ মাধৱদেৱে বিভিন্ন গল্প তথা চুটিগল্প ৰচনা কৰি থৈ গৈছে।

**শ্ৰীনাথ হসুৰকৰ** ঃ ১৯২৪ চনত শ্ৰীনাথ হসুৰকৰদেৱে মধ্যপ্ৰদেশত জন্মলাভ কৰে। হসুৰদৰদেৱে ১৯৭২ চনৰ পৰা সংস্কৃত ভাষাত গদ্য ৰচনা কৰিবলৈ লয়। তেখেতৰ দ্বাৰা ৰচিত ঐতিহাসিক উপন্যাসসমূহ হ'ল — অজাতশত্ৰু, সিন্ধুকন্যা, প্ৰতিজ্ঞাপূৰ্তি, দাবানল আদি। ইয়াৰ উপৰিও তেখেতে চেন্নমা আৰু ব্ৰতী নামে দুখন উপন্যাস ৰচনা কৰে। 'সিন্ধুকন্যা' নামৰ উপন্যাসখনৰ বাবে তেওঁ 'সাহিত্য অকাডেমী' পুৰস্কাৰ লাভ কৰে।

**ৰামশৰণ ত্ৰিপাঠী শাস্ত্ৰী** ঃ ৰামশৰণ ত্ৰিপাঠী শাস্ত্ৰীদেৱৰ জন্ম হৈছিল ১৯০৮ চনত উত্তৰ প্ৰদেশৰ বাংদা জিলাৰ অন্তৰ্গত মৰকা নামে গাঁৱত। তেওঁৰ দ্বাৰা ৰচিত দুখন গদ্য গ্ৰন্থ হ'ল — 'কৌমুদীকথাকল্লোলিনী' আৰু 'ব্যাকৃতিবৎসৰাজম'। প্ৰথমখন গ্ৰন্থ ভট্টি কাব্যক আদৰ্শ হিচাপে লৈ বৈয়াকৰণ সিদ্ধান্তকৌমুদীৰ ক্ৰমটোক লক্ষ্য হিচাপে লৈ ৰচনা কৰা হৈছে। দ্বিতীয় গদ্যকাব্যখনো তেখেতে ব্যাকৰণগত জ্ঞান প্ৰসাৰ উদ্দেশ্য সিদ্ধিৰ বাবেই ৰচনা কৰে। গ্ৰন্থখন চাৰিটা ভাগত বিভক্ত — ১. কাৰক-নিৰ্দেশাত্মক ২. সমাসস্ত্ৰীপ্ৰত্যয়নিৰ্দেশাত্মক, ৩. সমামতদ্বিতনিৰ্দেশাত্মক, ৪. কৃদন্ত নিৰ্দশাত্মক।

## ৫.৬ আধুনিক সংস্কৃত সাহিত্যৰ কেইখনমান উল্লেখনীয় গদ্যকাব্য

**ঋণমুক্তি (উপন্যাস)** ঃ ঋণমুক্তি মহাভাৰতৰ ওপৰত আধাৰিত সংস্কৃত ভাষাত ৰচিত এখন উপন্যাস। গ্ৰন্থখনৰ ৰচক এইচ্, ভি. নাগৰাজ ৰাও। গ্ৰন্থখন পোন প্ৰথমেই ২০০১ চনত প্ৰকাশিত হয়। নাগৰাজ ৰাও মহোদয়ে মহাভাৰৰ বনপৰ্বৰ অষ্টাবক্ৰ আখ্যানৰ ওপৰত ভিত্তি কৰি উপন্যাসখন ৰচনা কৰিছে।

**হেম-শকটিকম্ (উপন্যাস)** ঃ ড° বিশ্বাসৰ দ্বাৰা ৰচিত হেম-শকটিকম্ উপন্যাসখন শূদ্ৰকৰ 'মৃচ্ছকটিক' নামৰ নাটকখনৰ ওপৰত আধাৰিত। উপন্যাসখন ১৪৪ টা পৃষ্ঠাত লিখা আৰু সংস্কৃত ভাৰতী, নতুন দিল্লীয়ে ২০১১ চনত গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াই। ড° বিশ্বাস কৰ্ণাটকৰ বেংগালোৰৰ নিবাসী এজন প্ৰসিদ্ধ সংস্কৃত পণ্ডিত। ইয়াৰ উপৰিও

তেখেত “সম্ভাষণ-সন্দেশ” নামে সংস্কৃত শোধ পত্ৰিকাখনৰ মূখ্য সম্পাদক।

**বজ্ৰমণি (উপন্যাস)** ঃ বজ্ৰমণি ড° ৰামসুমেৰ যাদৱ দেৱৰ দ্বাৰা ৰচিত এখন সংস্কৃত উপন্যাস। উপন্যাসখন ৰামায়ণও ওপৰত আধাৰিত। উপন্যাসখন ২৬ টা অধ্যায়ত বিভক্ত। উপন্যাসখনৰ আৰম্ভণি হয় বজ্ৰমণি অৰ্থাৎ ৰাৱণৰ ভনী শূৰ্পণখা আৰু কৈকেয় বিদ্যুজ্জীৱৰ প্ৰেম কাহিনীৰ পৰা। উপন্যাসখন ২০১১ চনত দিল্লীৰ পৰিমল প্ৰকাশনে প্ৰকাশ কৰি উলিয়াই। গ্ৰন্থখনৰ হিন্দী আৰু ইংৰাজী অনুবাদ কৰিছে ক্ৰমে দেৱকীনন্দন শ্ৰীবাস্তৱ আৰু প্ৰ. এচ্ ৰংগনাথনে।

**আহত-কাশ্মীৰ (উপন্যাস)** ঃ বলভদ্ৰ প্ৰসাদ শাস্ত্ৰীৰ দ্বাৰা ৰচিত আহত কাশ্মীৰ এখন আধুনিক সংস্কৃত উপন্যাস। গ্ৰন্থখন ২০০৮ চনত প্ৰকাশ পায়। গ্ৰন্থখনত কাশ্মীৰবাসীৰ দৈনন্দিন সংগ্ৰাম, উগ্ৰপন্থীৰ আক্ৰমণ, শোষণ, অত্যাচাৰ আদিৰ বিষয়ে বৰ্ণনা কৰা হৈছে। উপন্যাসখনত ভাৰতীয় সৈন্যৰ শৌৰ্য্য-বীৰ্য্য তথা সাহসৰ কথাও বৰ্ণনা কৰা হৈছে।

**নিম্নপৃথিৱী (গল্পপুথি)** ঃ নিম্ন পৃথিৱী কেশৱ চন্দ্ৰ দাসৰ দ্বাৰা ৰচিত এখন সংস্কৃত গল্পপুথি। পুথিখন ২০০১ চনত প্ৰকাশ পায়। গ্ৰন্থখনত মানুহ আৰু সমাজৰ ওপৰত আধাৰ কৰি ৰচনা কৰা  ৩৭ টা সৰু সৰু গল্প পোৱা যায়।

**জিজীৱিষ (গল্পপুথি)** ঃ বনমালী বিশ্বলৰ ‘জিজীৱিষ’ হ’ল এখন চুটিগল্প সংকলিত পুথি। পুথিখন ২০০৬ চনত এলাহাবাদৰ পদ্মজ প্ৰকাশনৰ পৰা প্ৰকাশ পায়। পুথিখনত মানুহৰ সমাজত থকা অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ অসমতা, বয়োজ্যেষ্ঠলোকৰ জীৱন নিৰ্বাহৰ সমস্যা, শিশু শ্ৰমিক আদি সমাজৰ বিভিন্ন জলন্ত সমস্যাসমূহৰ বিষয়ে গল্প উপলব্ধ।

**কথালহৰী (গল্পপুথি)** ঃ কথালহৰী এখন এইচ্. ভি. নাগাৰাজাৰ দ্বাৰা ৰচিত চুটি গল্পৰ সংকলন পুথি। সংস্কৃত ভাৰতী, নতুন দিল্লীয়ে পুথিখন ২০০৯ চনত প্ৰকাশ কৰি উলিয়াই। পুথিখনত মুঠতে ১৪ টা বিভিন্ন বিষয়ৰ ওপৰত লিখা গল্প পোৱা যায়। গল্পসমূহে বিশেষকৈ মানৱ অনুভূতিবোৰ, স্ত্ৰীৰ সমস্যা আৰু পুৰুষপ্ৰধান সমাজত স্ত্ৰীৰ ওপৰত হোৱা সামাজিক অন্যায় তথা অবিচাৰৰ বিষয়ে দৰ্শাই।

**অনভিপ্সিতম্ (গল্পপুথি)** ঃ সুপ্ৰসিদ্ধ আধুনিক সংস্কৃত পণ্ডিত প্ৰশস্যমিত্ৰ শাস্ত্ৰীদেৱৰ দ্বাৰা ৰচিত ‘অনভিপ্সিতম্’ এখন গল্প সংকলন পুথি। পুথিখনত ১২ টা গল্প পোৱা যায়। গল্পসমূহ বিশেষকৈ আধুনিক সমাজৰ সমস্যাবোৰৰ ওপৰত ৰচিত।

**কথাবল্লৰী (গল্পপুথি)** ঃ শ্ৰীকৃষ্ণ সেমৱালদেৱৰ দ্বাৰা সম্পাদিত কথাবল্লৰী নামৰ গল্পপুথিখনত আধুনিক সংস্কৃত সাহিত্যৰ বিখ্যাত লেখক প্ৰভূনাথ দ্বিবেদী, নাৰায়ণ দাস, ড° শিৱ শোয়চ্ ত্ৰিপাঠী আদিৰ গল্পসমূহ সংকলন কৰা হৈছে। পুথিখনত ২৫ টা চুটিগল্প আছে।

**প্ৰথিকানুভূতি (গল্পপুথি)** ঃ বসনি ব্ৰহ্মপুৰম দেৱৰদ্বাৰা সংকলিত ‘প্ৰথিকানুভূতি’ নামৰ

সংস্কৃত ভাষাৰ গল্পপুথিখন ২০০৫ চনত প্ৰকাশিত হয়। পুথিখনত আধুনিক সংস্কৃত কেইজনমান স্বনামধন্য লেখক ড° ৰাধাবল্লভ ত্ৰিপাঠী, হৰ্ষদেৱ মাধৱ, বনমালী বিশ্বল আদিৰ গল্পসমূহ সংকলন কৰা হৈছে। পুথিখনত মুঠতে ২৫ টা গল্প আছে।

**অস্তাচলস্যচন্দ্ৰিকা (গল্পপুথি)** ঃ 'অস্তাচলস্যচন্দ্ৰিকা' নামৰ গল্পসংকলনখনত ১৬ টা সংস্কৃত গল্প আছে। নাৰায়ণ দাসে ২০০৬ চনত পুথিখন প্ৰকাশ কৰে। গ্ৰন্থখন অচ্যুতানন্দ দাস, বনমালী বিশ্বল আৰু নাৰায়ণ দাসে সম্পাদনা কৰে। পুথিখনত আধুনিক সংস্কৃত পণ্ডিত অৰুণ ৰঞ্জন মিশ্ৰ, হৰ্ষদেৱ মাধৱ আদিৰ গল্প সন্নিবিষ্ট কৰা হৈছে।

**অন্তৰ্ধ্বনি (গল্পপুথি)** ঃ "অন্তৰ্ধ্বনি" গল্পপুথিখনত ১৮ টা সংস্কৃত ভাষাত লিখিত গল্প উপনিবদ্ধ হৈ আছে। গ্ৰন্থখন ২০০৫ চনত প্ৰভূনাথ দ্বিবেদী দেৱে ৰচনা কৰিছে।

**অদৃশ্যম্ (গল্পপুথি)** ঃ 'অদৃশ্যম্' নামৰ গল্পপুথিখনত ৩০ টা চুটি গল্প পোৱা যায়। উক্ত গল্পপুথিখনৰ চুটিগল্পবোৰ অলৌকিক ঘটনাৰ ওপৰত আধাৰিত। শিশুসকলৰ সাধাৰণতে অলৌকিক বস্তু যেন ভূত-প্ৰেত, পিশাচ, পৰী আদিৰ প্ৰতি কৌতুহল থকা দেখা যায়। গতিকে এই কথাখিনি অনুধাৱন কৰি কৰি লেখক ৰাধিকাৰঞ্জন দাসদেৱে 'অদৃশ্যম্' নামৰ গল্প পুথিখন ৰচনা কৰে। পুথিখন শ্ৰীঅৰবিন্দ আশ্ৰম ট্ৰাষ্ট (পণ্ডিচেৰী)এ ২০১১ চনত প্ৰকাশ কৰে। পুথিখনৰ ভাষা খুব সৰল আৰু সহজেই বোধগম্য।

**লৌহপুৰুষ-বল্লভচৰিত (জীৱনবৃত্ত)** ঃ 'লৌহপুৰুষ বল্লভচৰিত' নামৰ গদ্যকাব্যখন ড° সত্যপাল শৰ্মাদেৱৰ দ্বাৰা ৰচিত। গ্ৰন্থখন দিল্লীৰ ভাৰতীয় বিদ্যা প্ৰকাশনে ২০০৯ চনত প্ৰকাশ কৰে। গদ্যকাব্যখন ১২ টা নিশ্বাসত বিভক্ত। চৰদাৰ বল্লভভাই পাতিল দেৱৰ ব্যক্তিত্বৰ ওপৰত ভিত্তি কৰি গ্ৰন্থখন ৰচনা কৰিছে। গ্ৰন্থখনত পাতিলদেৱৰ জীৱন, পৰিয়াল, শৈশৱ, বাৰ্দোলি সত্যাগ্ৰহ ইত্যাদি বৰ্ণনা কৰা হৈছে।

**পাশ্চাত্য সংস্কৃতম্ (যাত্ৰাবৃত্ত)** ঃ 'পাশ্চাত্য-সংস্কৃতম্' আচাৰ্য্য দিগম্বৰ মহাপাত্ৰদেৱৰ দ্বাৰা ৰচিত এক যাত্ৰাবৃত্ত গদ্যকাব্য। গ্ৰন্থখনত তেওঁ মস্কোত অতিথি অধ্যাপক হিচাপে কৰ্মৰত অৱস্থাত লাভ কৰা অভিজ্ঞতাবোৰৰ বিষয়ে উল্লেখ কৰিছে।

## অগ্ৰগতি খতিয়ান

**প্ৰশ্ন নং ১** ঃ সংস্কৃত সাহিত্যক কেইটা ভাগত ভাগ কৰা হৈছে? কি কি?

**প্ৰশ্ন নং ২** ঃ সংস্কৃত কাব্যৰ ভাগ দুটা কি কি?

**প্ৰশ্ন নং ৩** ঃ সংস্কৃত সাহিত্যৰ গদ্যকাব্যৰ মূল ভাগ দুটা কি কি?

**প্ৰশ্ন নং ৪** ঃ সুবন্ধুৰ দ্বাৰা ৰচিত গদ্যগ্ৰন্থখনৰ নাম কি?

**প্ৰশ্ন নং ৫** ঃ বাণভট্টৰদ্বাৰা ৰচিত গদ্যকাব্য দুখনৰ নাম কি?

**প্ৰশ্ন নং ৬** ঃ অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰই আধুনিক সংস্কৃত গদ্য কাব্যৰ কেইটা ভাগ

স্বীকাৰ  কৰিছে?

**প্ৰশ্ন নং ৭ ঃ** আধুনিক সংস্কৃত গদ্য কাব্যৰ দুজন প্ৰখ্যাত গদ্যকাৰৰ নাম লিখক।

**প্ৰশ্ন নং ৮ ঃ** আধুনিক সংস্কৃত গদ্যসাহিত্যৰ প্ৰথমখন উপন্যাসৰ নাম লিখক।

**প্ৰশ্ন নং ৯ ঃ** ৰাধাবল্লভ ত্ৰিপাঠী দেৱৰ উপন্যাস তিনিখনৰ নাম লিখক।

**প্ৰশ্ন নং ১০ ঃ** অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰৰ কথা সংকলনখনৰ নাম কি?

## ৫.৭ সাৰাংশ (Summing Up)

বৈদিক আৰু লৌকিক ভেদে সংস্কৃত সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি। বৈদিক সাহিত্যই সংহিতা, ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদভাগক আগুৰি আছে আৰু তাৰ পৰৱৰ্তী ৰচনাসমূহ লৌকিক সংস্কৃত সাহিত্যৰ অন্তৰ্গত। আনহাতে সংস্কৃত কাব্য দুই প্ৰকাৰৰ — দৃশ্য আৰু শ্ৰব্য। নাটক প্ৰকৰণ আদি যিবোৰ দৃষ্ট ৰূপত মঞ্চস্থ হোৱাৰ বাবে ৰচিত সেইসমূহ দৃশ্যকাব্য। আনহাতে যিবোৰ কাব্য পঢ়িব বা শুনিব পাৰি সেইসমূহ শ্ৰব্যকাব্য। শ্ৰব্যকাব্যৰ কিছুমান গদ্যত আৰু কিছুমান পদ্যত ৰচিত। পদ্যত ৰচিতবোৰ ছন্দোবদ্ধ আৰু সেইবোৰক মহাকাব্য, খণ্ডকাব্য বা লঘুকাব্য আদি আখ্যা দিয়া হয়। আনহাতে গদ্যত ৰচনা কৰা সমূহ গদ্যকাব্য।

গদ্যকাব্যৰ আৰম্ভণি বৈদিক যুগতেই হৈছিল। ঋগবেদ পদ্যত ৰচিত আৰু আনহাতে যৰ্জুবেদৰ অধিকাংশ গদ্যত ৰচিত। ইয়াৰ উপৰিও সমগ্ৰ ব্ৰাহ্মণ সাহিত্য, আৰণ্যক, উপনিষদ আদিৰ মাজেৰে গদ্য সাহিত্যই বিকাশ লাভ কৰা দেখা যায়। সূত্ৰ-সাহিত্য, মহাভাৰত পুৰাণাদিৰ গদ্যাংশ, চিকিৎসাবিষয়ক গ্ৰন্থ যেনে — চৰক সংহিতা, সুশ্ৰুতসংহিতা আদিৰ গদ্যাংশভাগ, পুৰণি শিলালিপি, তাম্ৰলিপি, ব্যাকৰণগ্ৰন্থ, ভাষ্য আদিবোৰত পোৱা গদ্যাংশসমূহেও সংস্কৃত গদ্যকাব্যৰ ধাৰা আগুৱাই লৈ যায়। আৰু পিছৰ যুগত কতা আৰু আখ্যায়িকাৰ মাজেৰে সংস্কৃত গদ্যকাব্যই পূৰ্ণতা লাভ কৰে। সুবন্ধুৰ 'বাসবদত্তা', বাণভট্টৰ 'হৰ্ষচৰিত' আৰু 'কাদম্বৰী' দণ্ডীৰ 'দশকুমাৰ চৰিত', ধনপালৰ 'তিলকমঞ্জৰী', বাদীভসিংহৰ 'গদ্যচূড়ামণি', সোড়চলৰ 'উদয়সুন্দৰী' আদি উৎকৃষ্ট সংস্কৃত গদ্য কাব্যৰ নিদৰ্শন।

ইয়াৰ পিছত আহে আধুনিক সংস্কৃত গদ্য সাহিত্যৰ নব্যধাৰা। আধুনিক সংস্কৃত গদ্য সাহিত্যৰ নব্যধাৰাত গদ্য ৰচনাৰ শৈলীসমূহ সম্পূৰ্ণৰূপে সলনি হোৱা দেখা যায়। কেৱল মাত্ৰ কথা আৰু আখ্যায়িকাৰ পৰিবৰ্তে নতুন নতুন বিষয়বস্তুৰে পৰিপূৰ্ণ গদ্যকাব্য আমি দেখিবলৈ পাওঁ। আধুনিক সংস্কৃত পণ্ডিত অভিৰাজেন্দ্ৰ মিশ্ৰই নব্য সংস্কৃত গদ্যকাব্যৰ চাৰিটা ভাগ স্বীকাৰ কৰে যেনে — উপন্যাস, লঘূকথা, দীৰ্ঘকথা আৰু কথানিকা। ইয়াৰ উপৰিও নিবন্ধ, যাত্ৰাবৃত্ত, জীৱনবৃত্ত, আত্মকথা আদিৰ মাজেৰেও আধুনিক সংস্কৃত গদ্যকাব্যৰ নব্যধাৰা প্ৰবাহমান হোৱা দেখা যায়। আধুনিক সংস্কৃত সাহিত্যৰ কেইজনমান গদ্যকাৰ আৰু তেওঁলোকৰ দ্বাৰা ৰচিত গদ্যকাব্য সমূহৰ নাম তলত উল্লেখ কৰা হ'ল —

| **গদ্যকাৰ** | **গদ্যকাব্য** |
|---|---|
| **উপন্যাস ঃ** | |
| অম্বিকাদত্ত ব্যাস | শিৱৰাজ বিজয়ম্ |
| নৰসিংহাচাৰ্য্য | সৌদামিনী |
| বালকুন্নন নম্বুদি | সুভদ্ৰা |
| বিশ্বনাৰায়ণ শাস্ত্ৰী | অৱিনাশি |
| ৰাধাবল্লভ ত্ৰিপাঠী | বিক্ৰমচৰিত |
| | অন্যচ্চ |
| | তাণ্ডৱ |
| নগেন্দ্ৰনাথ সেন | কল্যাণী |
| বলভদ্ৰ শৰ্মা | বিয়োগিনী বালা |
| গোপাল শাস্ত্ৰী | অতিৰূপাচৰিত |
| **গদ্যকাৰ** | **গদ্যকাব্য** |
| চন্দ্ৰমহীপতি | শ্ৰীনিবাস শাস্ত্ৰী |
| কেশৱচন্দ্ৰ দাস | শীলতৃষ্ণা |
| | প্ৰতিপদ্ |
| | নিকষা |
| | অৰুণা |
| | অঞ্জলি |
| | আৱৰ্তম |
| | ঋতম্ |
| | মধুয়ানম |
| | তিলোত্তমা |
| | শিখা |
| | বিসৰ্গ |
| | শশিৰেখা |
| | ওশান্তি |
| ৰামকৰণ শৰ্মা | সীমা |
| গণেশৰাম শৰ্মা | ‘জীৱতোৎপি প্ৰেতভোজনম্’ |
| | ‘মূঢ়চিকিৎসা’ |
| | ‘মামকীনো জীৱনসংঘৰ্ষ’ |
| শ্ৰীনাথ হসুৰকাৰ | অজাতশত্ৰু |

| | |
|---|---|
| | সিন্ধুকন্যা |
| | প্ৰতিজ্ঞাপূৰ্ত্তি |
| | দাবানল |
| | চেন্নমা |
| | ব্ৰতী |
| শ্যাম বিমল | ব্যামোহী |
| শ্ৰীকান্ত আচাৰ্য্য | প্ৰতাপবিজয় |
| কৃষ্ণকুমাৰ | উদয়নচৰিতম্ |
| | তপোবনবাসিনীঃ |
| হৰিনাৰায়ণ দিক্ষীত | গোপালবন্ধু |
| কলানাথ শাস্ত্ৰী | ‘সংস্কৃতোপাসিকায়া আত্মকথা’ |
| জগ্গু বকুলভূষণ | জয়ন্তিকা |
| এইচ্ ভি নাগৰাজ ৰাও | ঋণমুক্তি |
| ড° বিশ্বাস | হেম শকটিকম |
| ড° ৰামসুমেৰ | বজ্ৰমণি |
| বলভদ্ৰ প্ৰসাদ শাস্ত্ৰী | আহত কাশ্মীৰ |

**কথাসংগ্ৰহ**

| | |
|---|---|
| অভিৰাজ ৰাজেন্দ্ৰ মিশ্ৰ | ইক্ষুগন্ধা |
| নলিনী শুক্লা | কথাসপ্তকম্ |
| কলানাথ শাস্ত্ৰী | কথানকবল্লী |
| দূৰ্গাগত্ত শাস্ত্ৰী | বৃহৎ সপ্তপদী |
| কেশৱ চন্দ্ৰ দাস | নিম্ন পৃথিৱী |
| বনমালী বিশ্বল | জিজীৱিষ |
| এইচ্. ভি. নাগৰাজ | কথালহৰী |
| প্ৰশস্যমিশ্ৰ শাস্ত্ৰী | অনভিপ্সিতম্ |
| বসনি ব্ৰহ্মপুৰম | প্ৰথিকানুভূতি |
| প্ৰভূনাথ দ্বিবেদী | অন্তৰ্ধ্বনি |
| ৰাধিকাৰঞ্জন দাস | অদৃশ্যম্ |
| শ্ৰীধৰভাস্কৰ বৰ্ণেকৰ | সংস্কৃতভবিতব্যম্ |
| গণেশ শৰ্মা | সংস্কৃত কথা কুঞ্জম্ |
| কৰ্ণবীৰ নাগেশ্বৰ ৰাও | কথামঞ্জৰী |

**নিবন্ধঃ**

| গদ্যকাৰ | গদ্যকাব্য |
|---|---|
| ড° মংগলদেৱ শাস্ত্ৰী | প্ৰবন্ধ প্ৰকাশ |
| প্ৰ. চাৰুদেৱ শাস্ত্ৰী | প্ৰস্তাৱতৰংগিনী |
| ড° ৰামজী উপাধ্যায় | নিবন্ধকালিকা |
| | সংস্কৃতনিবন্ধাৱলী |
| ড° ৰাধাবল্লভ ত্ৰিপাঠী | নিবন্ধকালিকা |
| | সংস্কৃতনিবন্ধাৱলী |
| কেশৱসেন শুক্ল | নিৱন্ধ বৈভৱ |
| কলিলদেৱ দ্বিবেদী | সংস্কতনিবন্ধশতকম্ |
| ৰামকৃষ্ণ আচাৰ্য্য | সংস্কৃত নিবন্ধাজলি |
| পাৰসনাথ দ্বিবেদী | সংস্কৃতনিবন্ধনবগীতম্ |
| ৰামমূৰ্তি শৰ্মা | সংস্কৃত নিবন্ধাদৰ্শ |
| কৈলাশনাথ দ্বিবেদী | কালিদাসীয় নিবন্ধ বিষয় |
| ৰমেশচন্দ্ৰ শুক্ল | প্ৰবন্ধৰত্নাকৰ |
| নাগেশ্বৰ ৰায় | বাণীনিবন্ধমালা |
| ৰঘূনাথ শৰ্মা | চিত্ৰনিবন্ধাৱলী |
| কৃষ্ণদেৱ উপাধ্যায় | নিবন্ধচন্দ্ৰিকা |
| নবকিশোৰ কাংকৰ | প্ৰবন্ধমকৰন্দ |
| বটুকনাথ শাস্ত্ৰী | সাহিত্যমঞ্জৰী |
| নৰসিংহাচাৰ্য্য | সাহিত্যসুধালহৰী |
| কৃষ্ণকুমাৰ অৱস্থী | সংস্কৃতনিবন্ধশেখৰ |
| বাসুদেৱশাস্ত্ৰী দ্বিবেদী | বালনিবন্ধমালা |
| | সংস্কৃতনিবন্ধাদৰ্শ |
| নৃসিংহনাথ ত্ৰিপাঠী | নিবন্ধকুসুমাঞ্জলী |
| শিৱবালক দ্বিবেদী | সংস্কৃতনিবন্ধচন্দ্ৰিকা |
| | নিবন্ধৰত্নাকৰ |

**যাত্ৰাবৃত্ত ঃ**

| | |
|---|---|
| এম্. পী. ভট্টাচাৰ্য্য | উত্তৰাখণ্ডযাত্ৰা |
| মথুৰানাথ শাস্ত্ৰী | অস্মাকম্ উত্তৰাখণ্ডযাত্ৰা |
| হৰিহৰসুৰূপ শৰ্মা | মম কাশ্মীৰযাত্ৰা |
| বী. এস. ৰামস্বামিশাস্ত্ৰী | ত্ৰিবিল্বদলচম্পু |
| শৈলদিক্ষীত | কাবেৰী গদ্য |

| | |
|---|---|
| | প্ৰৱাসবৰ্ণন |
| এ. ৰাজগোপালচাৰী | তীৰ্থাটন |
| নাৰায়ণ স্মৃতিতীৰ্থ | ভূবনেশ্বৰ বৈভৰম্ |
| নবলকিশোৰ কাংকৰ | যাত্ৰাবিলাস |

**জীৱনবৃত্তঃ**

| | |
|---|---|
| এ.টি. কুমাৰওচাৰ্য্য | চাওমাৰুতাচাৰ্য্যজীৱনচৰিত |
| গংগাধৰ শাস্ত্ৰী | ৰামশাস্ত্ৰীচৰিত |
| কে. মাৰ্কণ্ডেয় শৰ্মা | 'শ্ৰীদীক্ষিত চৰিত' |
| মেধাব্ৰতাচাৰ্য্য | নাৰায়ণস্বামী চৰিত |
| | মহৰ্ষিবিৰজানন্দচৰিত |
| আত্মাৰাম লাটকৰ | শ্ৰীশাহুচৰিত |
| বিহাৰীলাল শৰ্মা | বিহাৰিস্মাৰিকা |

**আত্মকথাঃ**

| | |
|---|---|
| প্ৰ. ঋষিকেশ ভট্টাচাৰ্য্য | আত্মবায়োৰুদ্গাৰঃ |
| কলানাথ শাস্ত্ৰী | সংস্কৃততোপসিকায়া |

## ৫.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত গদ্য সাহিত্যৰ বিকাশ সম্পৰ্কে এটি টোকা যুগুত কৰক।
২. আধুনিক সংস্কৃত গদ্য সাহিত্যৰ নব্যধাৰা সম্পৰ্কে বহলাই লিখক।
৩. আধুনিক সংস্কৃত গদ্যকাব্যৰ ভাগসমূহ কি কি? বহলাই লিখক।
৪. আধুনিক সংস্কৃত গদ্য সাহিত্যৰ কেইজনমান উল্লেখযোগ্য গদ্যকাৰৰ বিষয়ে আলোচনা কৰক।
৫. আধুনিক সংস্কৃত গদ্যসাহিত্যৰ কেইখনমান উল্লেখযোগ্য গদ্যকাব্যৰ বিষয়ে টোকা প্ৰস্তুত কৰক।

## ৫.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১) Winternitz. M. *History of Indian Literature,* Vol.3. Motilal Banarsidass, 1985 Reprint.
২) Keith. A.B. *History of Sanskrit Literature,* Oxford University Press, London, 1953 Reprint.

৩) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত,* চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ২০১২ তৃতীয় প্ৰকাশ।

৪) Shastri, Gaurinath, *Sanskrit Sahityer Itihas,* Saraswata Library, Kolkata.

৫) Upadyay, Baladev. "*Sanskrit Vangmay Ka Brihat Itihas"* Vol.7, Uttar Pradesh Sanskrit Samsthan, 2000.

৬) Raja C.K. "*Survey of Sanskrit Literature*", Bharatiya Vidya Bhavan, Bombay, 1962.

*** ***** ***

## প্ৰথম বিভাগ
## প্ৰাচীন অসমত সংস্কৃত সাহিত্যৰ ধাৰা

**বিভাগৰ গঠন ঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ সংস্কৃত চৰ্চাৰ প্ৰাৰম্ভিক ধাৰা
১.৪ শিলালেখ অথবা শাসনত সংস্কৃত চৰ্চা
১.৫ প্ৰাচীন অসমৰ সংস্কৃত গ্ৰন্থ
১.৫.১ পালকাশ্যৰ হস্ত্যায়ুৰ্বেদ
১.৫.২ কালিকা পুৰাণ
১.৫.৩ অন্যান্য পুৰাণ
১.৬ তন্ত্ৰ সাহিত্য
১.৬.১ যোগিনী তন্ত্ৰ
১.৬.২ কামাখ্যা তন্ত্ৰ
১.৬.৩ অন্যান্য তন্ত্ৰ
১.৭ ধৰ্মশাস্ত্ৰ
১.৮ সাৰাংশ (Summing Up)
১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)
১.১১ অগ্ৰগতিৰ খতিয়ান

### ১.১ ভূমিকা (Introduction)

অসম বুৰঞ্জীৰ বিশিষ্ট ইতিহাস বিশেষত ছাৰ এডৱাৰ্ড গেইটে কৈছে যে, পুৰণি অসমৰ লোকসকলৰ ইতিহাস লিখাত অভ্যাস নাছিল। ১২২৮ আহোমসকলৰ অসম আগমনৰ পৰৱৰ্তীকালৰ পৰাহে অসম ৰাজ্যত উল্লেখযোগ্য ঘটনাৱলীৰ বিৱৰণীৰে ইতিহাস লিখাৰ প্ৰচলন হ'ল। এজন চীন পৰিব্ৰাজকৰ বিৱৰণ আৰু বিভিন্ন শিলালিপিত চেগাচোৰোকাকৈ উল্লেখ কৰা ঘটনা কেতবোৰ থূপ খুৱাইহে এই ৰাজ্যখনৰ প্ৰাচীন ইতিহাস উদ্‌ঘাটন কৰা হৈছে। তাতোকৈ পুৰণি অসমৰ বিৱৰণ জানিবলৈ হ'লে মহাভাৰত আৰু পুৰাণৰ অ'ত ত'ত কামৰূপ সম্বন্ধে যি দুই এটা কথাৰ উল্লেখ আছে তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই আগবাঢ়িব লগা হৈছে। 'কালিকাপুৰাণ'ৰ মতে ভগৱান বিষ্ণুৰ নিৰ্দেশত বিদেহৰ ৰাজকুমাৰ নৰ্তকে প্ৰাগ্‌জ্যোতিষপুৰ আক্ৰমণ কৰি, তাৰ অধিপতি ঘটক নামৰ অসুৰক বধ কৰে আৰু অধিবাসী কিৰাটসকলক সাগৰৰ তীৰ পৰ্যন্ত অপসাৰণ কৰে। তেওঁ দিক্কৰবাসিনীক পুনৰ সুস্থিৰ কৰি প্ৰাগ্‌জ্যোতিষত নিজৰ ৰাজ্য স্থাপন কৰে। নৰকৰ আগমনৰ লগে লগে এই প্ৰান্তত আৰ্যসংস্কৃতিৰ প্ৰৱেশ হয় বুলি পণ্ডিতসকলে

অনুমান কৰে। নৰকৰ পিছতে ভগদত্ত, বজ্রদত্ত আদি নৃপতিসকলে প্ৰাগ্‌জ্যোতিৰ ৰাজপাটত আৰোহন কৰে বুলি সম্ভেদ পালেও ইয়াৰ ঐতিহাসিক তথ্য পাবলৈ নাই। ইতিহাসবিদসকলে খ্ৰীষ্টাব্দ পঞ্চম শতিকাৰ পৰাহে প্ৰাগ্‌জ্যোতিষৰ ইতিহাস ৰচনা কৰিছে। নৰকৰ সময়ৰে পৰা ইতিহাসৰ বিভিন্ন সময়ত উত্তৰ ভাৰত, মধ্যভাৰতৰ আদিৰ পৰা যিসকল লোক এই প্ৰান্তলৈ আহিছে, তেওঁলোকে আৰ্য ভাষা সংস্কৃত এই ঠাইলৈ লৈ আহিছে। নৰকৰ উত্তৰ পুৰুষৰূপে পৰিচিত ভৌমবংশীয় (খ্ৰীষ্টীয় ৪ৰ্থ শতিকাৰ পৰা ৭ম শতিকালৈ) ৰজাসকলে সংস্কৃত ভাষাক ৰাজভাষা হিচাপে ব্যৱহাৰ কৰিছিল, যাৰ প্ৰমাণ তেওঁলোকে প্ৰণয়ন কৰা হৈছে তথা তাম্ৰ শাসনসমূহত পোৱা যায়।

এই অধ্যায়টোত প্ৰাচীন অসমত অৰ্থাৎ আৰম্ভণিৰ পৰা দ্বাদশ শতিকালৈকে, উপলব্ধ সংস্কৃত চৰ্চাৰ এটি আভাস দিয়া হৈছে। ভৌম বংশীয় ৰজাসকলৰ দ্বাৰা প্ৰণয়ন কৰা শৈল তথা তাম্ৰ শাসনত উপলব্ধ শাসনসমূহত লাভ কৰা সংস্কৃত সাহিত্যৰ আলোচনা ইয়াত কৰা হৈছে। আনহাতে, শিলালেখ আৰু তাম্ৰলেখসমূহৰ উপৰিও এই প্ৰান্তত ৰচিত পুৰাণ, উপপুৰাণ, তন্ত্ৰ, ধৰ্মশাস্ত্ৰ আদিৰ পৰিচয় এই অধ্যায়টোত আগবঢ়োৱা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- প্ৰাচীন অসমৰ সংস্কৃত চৰ্চাৰ এটি আভাস লাভ কৰিব
- প্ৰাগ্‌জ্যোতিষপুৰৰ সংস্কৃত সমলসমূহৰ বিষয়ে জানিব পাৰিব
- প্ৰাচীন শিলালেখ তথা তাম্ৰলেখৰ সংস্কৃত চৰ্চাৰ বিৱৰণ লাভ কৰিব
- সংস্কৃতত লিখিত তন্ত্ৰ সাহিত্যৰ উমান পাব
- অসমত ৰচিত পুৰাণ-উপপুৰাণৰ ইতিহাস বিশ্লেষণ কৰিব পাৰিব
- প্ৰাচীন অসমৰ সংস্কৃত সাহিত্যৰ ইতিহাস বিচাৰ কৰিব পাৰিব

## ১.৩ সংস্কৃত চৰ্চাৰ প্ৰাৰম্ভিক ধাৰা

ভাৰতবৰ্ষৰ উত্তৰ-পূৱত স্থিত আজিৰ অসম দেশ প্ৰাচীন কালত পূৰ্ব ভাৰতৰ এক বিস্তীৰ্ণ অঞ্চল সামৰি প্ৰাগ্‌জ্যোতি আৰু কামৰূপ নামেৰে প্ৰসিদ্ধ আছিল। কৰতোয়া নদীয়ে দীৰ্ঘকাল জুৰি কামৰূপ ৰাজ্যৰ পশ্চিম সীমা হৈ আছিল। পিছত বৰ্মন বংশৰ ৰাজত্ব কালত এই সীমা বিস্তাৰিত হৈ কাশী নদী পৰ্যন্ত হৈছিলগৈ। লৌহিত্য নদীৰ পাৰত অৱস্থিত এই কামৰূপ ৰাজ্যত সীমা নিৰ্দ্ধাৰণ কৰি 'যোগিনী তন্ত্ৰ'ত কোৱা হৈছে যে— "কৰতোয়া নদীৰ পৰা দিক্কৰবাসিনী পৰ্যন্ত কামৰূপ ৰাজ্য। উত্তৰফালে কাঞ্চনজংঘা, পশ্চিমে কৰতোয়া নদী, পূৰে তীৰ্থ শ্ৰেষ্ঠা দিক্ষুনদী আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষানদীৰ সংগম স্থানলৈকে বিস্তৃত এই ভূভাগ কামৰূপ ৰাজ্য বুলি সকলো শাস্ত্ৰতে প্ৰসিদ্ধ।

“কৰতোয়াং সমাশ্রিত্য যাৱদ্দিকৰবাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তু পশ্চিমে।।
তীর্থশ্রেষ্ঠা দিক্ষুনদী পূর্বস্যাং গিৰিকন্যাকে।
দক্ষিণে ব্রহ্মপুত্রস্য লাক্ষায়াঃ সঙ্গমবেধি।।
কামৰূপ ইতি খ্যাত সর্বশাস্ত্রেষু নিশ্চিতঃ।।
(যোগিনীতন্ত্রঃ ১১.১৭-১৮)

কালিকা পুৰাণৰ (অধ্যায় ৩৮) মতে বিষ্ণুৰ নির্দেশত বিদেহ দেশৰ ৰাজ কুমাৰ নৰকে প্ৰাগ্‌জ্যোতিষপুৰ আক্ৰমণ কৰি ইয়াৰ অধিপতি ঘটক নামৰ অসুৰক বধ কৰে আৰু ইয়াৰ অধিবাসী কিৰাটসকলক সাগৰৰ তীৰ পর্যন্ত অপসাৰণ কৰি প্ৰাগ্‌জ্যোতিষত নিজৰ ৰাজ্য স্থাপন কৰে। আনুমানিক খ্ৰীঃপূঃ তৃতীয় বা দ্বিতীয় শতিকাত প্ৰাগ্‌জ্যোতিষৰ ৰাজপাট দখল কৰা এই ভৌমবংশীয় ৰজা নৰকে বহুকেইজনে শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ পণ্ডিত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আনি প্ৰাগ্‌জ্যোতিষত বহুৱাইছিল বুলি পণ্ডিতসকলে অনুমান কৰে। নৰক আছিল শাস্ত্ৰজ্ঞ বেদপন্থী লোক আৰু তেওঁৰ দিনতে প্ৰাগ্‌জ্যোতিষত সংস্কৃত ভাষা তথা বৈদিক ধৰ্ম সংস্কৃতিয়ে প্ৰসাৰতা লাভ কৰে। নৰকৰ পিছত পুত্ৰ ভগদত্ত আৰু নাতি বজ্ৰদত্ত ৰজা হোৱাৰ কথা মহাভাৰতত (সভাপৰ্ব, দ্ৰোণপৰ্ব বৰ্ণনা)ত উল্লেখ আছে যদিও, এই বিষয়ে কোনো ঐতিহাসিক তথ্য পাবলৈ নাই। কাৰণ ইতিহাসকাৰসকলে খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ মাজভাগ অথবা পঞ্চম শতিকাৰ পৰাহে প্ৰাগ্‌জ্যোতিষৰ ইতিহাস ৰচনা কৰিছে।

আনুমানিক চতুৰ্থ অথবা পঞ্চম শতিকাৰ পৰা আৰম্ভ হোৱা প্ৰাগ্‌জ্যোতিষৰ ইতিহাসত সংলগ্ন হোৱা নৰক, ভগদত্ত তথা বজ্ৰদত্ত আদি পৌৰাণিক ৰজাসকলৰ বিষয়ে কোনো চিন বৰ্তমান পোৱা নাযায়। তেওঁলোকৰ পৰৱৰ্তী হিচাপে স্বীকৃত ভৌবংশীয় ৰজাসকলৰ ৰাজত্বৰ পৰাই প্ৰাগ্‌জ্যোতিষৰ ইতিহাস টনা হৈছে। পুষ্যবৰ্মন (খ্ৰীঃ ৪৩০) হৈছে এই বংশৰ প্ৰথমজন ঐতিহাসিক ৰজা। এই ৰজাসকলে প্ৰণয়ন কৰা শাসনসমূহেই এই প্ৰান্তৰ সংস্কৃত চৰ্চাৰ উমান দাঙি ধৰে।

গৱেষকসকলৰ মতে ভাৰতৰ পূৰ্বোত্তৰ প্ৰান্তত আৰ্য সভ্যতাৰ বিকাশৰ লগে লগে বৈদিক সভ্যতা তথা সংস্কৃত ভাষাই ঠন ধৰি উঠে। আৰ্য সভ্যতা পদাৰ্পণ আৰু বিকাশৰ সময়ৰে পৰা প্ৰাচীন প্ৰাগ্‌জ্যোতিষত আৰ্যসকলৰ মাজত সংস্কৃত ভাষাই কথোপকথনৰ ভাষা হিচাপে স্থিতি লাভ কৰে বুলি বিভিন্ন ঐতিহাসিক সমলে সাক্ষ্য দাঙি ধৰে। উৰ্বৰ ভাষা হিচাপে সংস্কৃত ভাষাক চাৰিটা মুখ্য স্থানত ব্যৱহাৰ কৰা হৈছিল— (১) সাহিত্য ৰচনাৰ ক্ষেত্ৰত, (২) প্ৰশাসনিক কাম-কাজত, (৩) ধৰ্মীয় (বিশেষকৈ আৰ্যসকলৰ) ক্ষেত্ৰত আৰু (৪) পাৰস্পৰিক সংযোগৰ ক্ষেত্ৰত।

প্ৰাচীন কামৰূপ অথবা প্ৰাগ্‌জ্যোতিষত সংস্কৃত চৰ্চাৰ বাটকটীয়া হিচাপে শিলালেখ সমূহকেই ধৰা যায়। এতিয়ালৈকে উপলব্ধ শিলালেখসমূহৰ ভিতৰত বৰ্মন বংশীয় সুৰেন্দ্ৰ বৰ্মা অথবা মহেন্দ্ৰ বৰ্মাৰ (৪৫০-৪৮৫ খ্ৰীঃ) ‘উমাচল শিলালেখ’খনেই

হৈছে এই ঠাইত আৱিষ্কৃত প্ৰাচীনতম লিখিত অভিলেখ। সংস্কৃত ভাষাত লিখিত এই শিলালেখখন খ্ৰীষ্টীয় পঞ্চম শতিকাত ৰচিত বুলি অনুমান কৰা হৈছে। এই শাসনখনত কোৱা হৈছে যে মহাৰাজ সুৰেন্দ্ৰ বৰ্মা বা মহেন্দ্ৰ বৰ্মাৰ দ্বাৰা ভগৱান বলভদ্ৰৰ এটি গুহা (মন্দিৰ) নিৰ্মাণৰ কথা কোৱা হৈছে—

(১) মহাৰাজাধিৰাজ শ্ৰী

(২) সুৰেন্দ্ৰ বৰ্মণা কৃতম্

(৩) ভগৱতঃ বলভদ্ৰ

(৪) স্বামিনায় ইদং গুহং।

ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে, প্ৰাচীন কামৰূপত খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰাই সংস্কৃত চৰ্চাত প্ৰাদুৰ্ভাৱ ঘটিছিল।

## ১.৪ শিলালেখ অথবা শাসনত সংস্কৃত চৰ্চা

ইতিমধ্যে কৈ অহা হৈছে যে অসম প্ৰান্ততঃ সংস্কৃত চৰ্চাত প্ৰথম নিদৰ্শন শিলালেখত পোৱা গৈছে। সংস্কৃত ভাষাত থকা ৰজা সুৰেন্দ্ৰ বৰ্মাৰ উমাচল শিলালেখখনেই হৈছে প্ৰাচীন কামৰূপৰ প্ৰথম শিলালেখ। আনহাতে কণ্ডিত ৰূপত পোৱা 'নগাজৰী খনিকৰ গাঁও শিলালেখ'খনো একে সময়ৰে বুলি পণ্ডিতসকলে অনুমান কৰে। খণ্ডিত ৰূপত উদ্ধাৰ হোৱা এই শিলালেখখনৰ সংস্কৃত বাক্যবোৰ এনেধৰণৰ— "ন ন চ ৰা..../মাহন্তৰো ব্ৰহ্মদত্তঃ বাজিশ্চেহামি/পূৰ্বেণ দিক্লমুক্খণ্ডঃ সীমা পশ্চিমতো/ন্যগ্ৰোধপাদপশ্চায়ম্/কীৰ্ত্যতং..../উক্তঞ্চ যাৱৎকীৰ্তিৰ্মনুষ্য....।"

খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা প্ৰায় দ্বাদশ শতিকালৈকে ভৌমবংশীয় ৰজাসকলে বিভিন্ন ৰূপেৰে শাসনস্বৰূপে শিলালেখ অতবা তাম্ৰলেখসমূহ তৈয়াৰ কৰি থৈ গৈছে। এতিয়ালৈকে আৱিষ্কৃত হোৱা প্ৰায় ২২ খন শৈল তথা তাম্ৰ শাসনত গদ্য আৰু পদ্য মিশ্ৰিত সংস্কৃত ভাষাৰ নিদৰ্শন পোৱা যায়। এই ২২ খন শাসনৰ নাম তথা আনুমানিক সময় তলত দিয়া হ'ল ঃ

| ক্ৰঃ সংখ্যা | শাসনৰ নাম | সময় |
|---|---|---|
| ১। | উমাচল শিলালেখ (সুৰেন্দ্ৰ বৰ্মা) | খ্ৰী. পঞ্চম শতিকা |
| ২। | বৰগঙ্গা শিলালেখ (ভূতি বৰ্মা) | খ্ৰী. ষষ্ঠ শতিকা |
| ৩। | ডুবি তাম্ৰপত্ৰ (ভাস্কৰ বৰ্মা) | খ্ৰী. সপ্তম শতিকা |
| ৪। | ডুবি তাম্ৰপত্ৰ (ভাস্কৰ বৰ্মা) | খ্ৰী. সপ্তম শতিকা |
| ৫। | নালন্দা পত্ৰ (ভাস্কৰ বৰ্মা) | খ্ৰী. সপ্তম শতিকা |
| ৬। | নিধানপুৰ তাম্ৰ পত্ৰ | খ্ৰী. সপ্তম শতিকা |
| ৭। | তেজপুৰ শিলালেখ (হৰ্জৰ বৰ্মা) | খ্ৰী. নৱম শতিকা |
| ৮। | হায়ুণ্ঠন তাম্ৰপত্ৰ (হৰ্জৰ বৰ্মা) | খ্ৰী. নৱম শতিকা |
| ৯। | তেজপুৰ তাম্ৰপত্ৰ (বনমাল) | খ্ৰী. নৱম শতিকা |

| | | |
|---|---|---|
| ১০। | পৰ্বতীয়া তাম্ৰপত্ৰ (বনমাল বৰ্মদেৱ) | খ্ৰী. নৱম শতিকা |
| ১১। | উত্তৰ বৰবিল তাম্ৰপত্ৰ (বলবৰ্মন দেৱ) | খ্ৰী. নৱম শতিকা |
| ১২। | নগাঁও তাম্ৰপত্ৰ (বলবৰ্মন দেৱ) | খ্ৰী. নৱম শতিকা |
| ১৩। | বৰগাঁও তাম্ৰপত্ৰ (ৰত্নপাল) | খ্ৰী. একাদশ শতিকা |
| ১৪। | শুৱালকুছি তাম্ৰপত্ৰ (ৰত্নপাল) | খ্ৰী. একাদশ শতিকা |
| ১৫। | গৌহাটি তাম্ৰপত্ৰ (ইন্দ্ৰপাল) | খ্ৰী. একাদশ শতিকা |
| ১৬। | শুৱালকুছি তাম্ৰপত্ৰ (ইন্দ্ৰপাল) | খ্ৰী. একাদশ শতিকা |
| ১৭। | গছতল তাম্ৰপত্ৰ (গোপালবৰ্মন) | খ্ৰী. একাদশ শতিকা |
| ১৮। | খানামুখ তাম্ৰপত্ৰ (ধৰ্মপাল) | খ্ৰী. দ্বাদশ শতিকা |
| ১৯। | শুভাংকৰ পাটক তাম্ৰপত্ৰ (ধৰ্মপাল) | খ্ৰী. দ্বাদশ শতিকা |
| ২০। | পুষ্পভদ্ৰা তাম্ৰপত্ৰ (ধৰ্মপাল) | খ্ৰী. দ্বাদশ শতিকা |
| ২১। | কমৌলি তাম্ৰপত্ৰ (বৈদ্যদেৱ) | খ্ৰী. দ্বাদশ শতিকা |
| ২২। | অসম ফলি (বল্লভদেৱ) | খ্ৰী. দ্বাদশ শতিকা |

এই শাসনসমূহৰ সংস্কৃত অতি মাৰ্জিত আৰু ব্যাকৰণসন্মত। অৱশ্যে দুই এক ক্ষেত্ৰত ব্যাকৰণবহিৰ্ভূত প্ৰয়োগো দেখিবলৈ নোপোৱা নহয়, যিটো অৱশ্যে লিপিকাৰ সকলৰ অনভিজ্ঞতাৰ কথাত বিচাৰ কৰিব পাৰি। অভিলেখসমূহত ইন্দ্ৰাজ্ৰা, স্ৰগ্ধতা, শাৰ্দৃশবিক্ৰীড়িত আদি লৌকিক ছন্দৰ সমাৱেশ ঘটিছে। উপমা, ৰূপক, অনুপ্ৰাস আদি অলংকাৰ প্ৰয়োগে শাসনসমূহ অধিক আকৰ্ষণীয় কৰি তুলিছে। এই শাসনসমূহত পৌৰাণিক দেৱ-দেৱীৰ বৰ্ণনা, ৰজাসমূহৰ পূৰ্বপুৰুষৰ বৰ্ণনা, প্ৰাকৃতিক বৰ্ণনা, পৃষ্ঠপোষক ৰজাসকলৰ দান-দক্ষিণা আদিৰ সংস্কৃত চৰ্চাৰ প্ৰাচীনতম নিদৰ্শন।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ**

প্ৰাচীন অসমৰ শিলালেখ অথবা তাম্ৰপত্ৰ বিষয়বস্তু কেনেধৰণৰ? (৫০টা শব্দৰ ভিতৰত লিখক)

..........................................................................................................

..........................................................................................................

## ১.৫ প্ৰাচীন অসমৰ সংস্কৃত গ্ৰন্থ

ভাৰতবৰ্ষৰ প্ৰাচীন গ্ৰন্থসমূহৰ উদ্ধৃতিৰ ভিত্তিত এইটো প্ৰতীয়মান হয় যে প্ৰাগ্‌জ্যোতিষ অথবা প্ৰাচীন কামৰূপত খ্ৰীষ্টৰ জন্মৰ আগতেই সংস্কৃত চৰ্চাৰ আৰম্ভণি হৈছিল। কিন্তু এই সময়ছোৱাৰ সংস্কৃত চৰ্চাৰ কোনো নিদৰ্শন পাবলৈ নাই। শতপথ ব্ৰাহ্মণ গ্ৰন্থৰ 'অগ্নি-বিদেঘ মাধৱ' আখ্যান (৪.১.১৭), সাংখ্যায়ন-গৃহ্যসংগ্ৰহ, মহাভাৰতৰ 'নৰক-আখ্যান', মহাভাৰতৰ ভগদত্তৰ উল্লেখ, পুৰাণৰ নৰক বৰ্ণনা, বাণৰ কাহিনী, পুৰাণৰ প্ৰাগ্‌জ্যোতিষ তথা কামৰূপৰ প্ৰসঙ্গ, কালিদাসৰ ৰঘুবংশত প্ৰাগ্‌জ্যোতিষৰ

বৰ্ণনা, বাণভট্টৰ 'হৰ্ষচৰিত'ত ভাস্কৰবৰ্মাৰ বৰ্ণনা আদি ঘটনা-পৰিঘটনাই প্ৰাচীন কামৰূপৰ সংস্কৃত চৰ্চাৰ আভাস দাঙি ধৰে।

এই সময়ছোৱাত ৰচিত সংস্কৃত গ্ৰন্থসমূহ হয়তো প্ৰাকৃতিক দুৰ্যোগ, বতৰৰ পৰিৱৰ্তন, বানপানী আদিৰ কৰাল গ্ৰাসৰ বাবে বিলুপ্ত হৈ যাব পাৰে। আনহাতে মোগলৰ বাৰে বাৰে আক্ৰমণ, তথা মানৰ আক্ৰমণৰ ফলতো পুথিসমূহ নষ্ট হৈ যোৱাৰ সম্ভাৱনাও নথকা নহয়।

### ১.৫.১ পালকাপ্যৰ হস্ত্যায়ুৰ্বেদ

এতিয়ালৈকে উপলব্ধ হোৱা মুনি পালকাপ্যৰ দ্বাৰা ৰচিত 'হস্ত্যায়ুৰ্বেদ' নামৰ গজ চিকিৎসা বিষয়ক গ্ৰন্থখনকেই অসম প্ৰান্তত ৰচিত হোৱা প্ৰথমখন সংস্কৃত গ্ৰন্থ বুলি ধৰা হৈছে। এই গ্ৰন্থখন খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতিকাৰ ভিতৰত ৰচনা কৰা হৈছে বুলি অনুমান কৰা হৈছে।

হাতীৰ চিকিৎসা বিষয়ক এই গ্ৰন্থখনত মুঠ ১১৬টা অধ্যায় আছে। মহাভাৰত আদি গ্ৰন্থৰ পৰা বুজা যায় যে হিমালয়ৰ পাদদেশত থকা উত্তৰ পূৱত এই অঞ্চলত হাতীৰ প্ৰভাৱ বিদ্যমান। ৰজাসকলৰ সেনানীত হাতীৰ সংযোজন বহুল পৰিমাণে আছিল। নিধানপুৰ তাম্ৰপত্ৰত উল্লেখ অনুসৰি এগৰাকী ৰাজকুমাৰে হাতীৰ পৰিচৰ্যাৰ বিষয়ে জ্ঞান লাভ কৰিছিল—

'জ্ঞাত্বা গজানাং বিনয়োন্নয়ক্ৰমতথা'

**অগ্ৰগতিৰ খতিয়ান**

১নং প্ৰঃ বিদেহৰ ৰাজকুমাৰৰ নাম কি?

২নং প্ৰঃ কোনখন শিলালেখ অসমৰ প্ৰথম বুলি কোৱা হয়?

৩নং প্ৰঃ এতিয়ালৈকে কিমানখন শাসন উপলব্ধ হৈছে?

৪নং প্ৰঃ হস্ত্যায়ুৰ্বেদ কোনে ৰচনা কৰিছে?

৫নং প্ৰঃ হস্ত্যায়ুৰ্বেদত কেইটা অধ্যায় আছে?

### ১.৫.২ কালিকাপুৰাণ

পুৰাণ সাহিত্যলৈ প্ৰাচীন প্ৰাগ্জ্যোতিষৰ উল্লেখনীয় অৱদান আছে। খ্ৰীষ্টীয় নৱম-দশম শতিকাৰ ভিতৰত এই গ্ৰন্থখন ৰচনা কৰা হৈছিল। অষ্টাদশ উপ-পুৰাণৰ অন্তৰ্গত এই উপ-পুৰাণখনক কালীপুৰাণ বুলিও কোৱা হয়। এই পুৰাণখনে শক্তি আৰাধনাক জনপ্ৰিয়কৰণত বিশেষকৈ বা কামাখ্যাৰ স্তুতিৰ বিষয়ে বৰ্ণনা কৰিছে।

কালিকাপুৰাণত ৯০টা অধ্যায় আছে। ঋষি মাৰ্কণ্ডেয় আৰু কমথাদি মুনিসকলৰ কথোপকথনৰ জৰিয়তে এই পুৰাণৰ কাহিনীভাগ উপস্থাপন হৈছে। এসময়ত কমথাদি মুনিসকলে ঋষি মাৰ্কণ্ডেয়ক কেনেকৈ কালীয়ে শিৱক বিমোহিত কৰিছিল, কেনেকৈ

দক্ষৰ কন্যাৰূপে সতীৰ জন্ম হৈছিল, এই প্ৰশ্নসমূহ সুধিছিল। এই প্ৰশ্নসমূহৰ উত্তৰত কালিকাপুৰাণে কামদেৱৰ প্ৰেমৰ দেৱতা হিচাপে শক্তি, সামৰ্থ তথা শিৱক বিমোহিত কৰাৰ বাবে তেওঁ কেনেকৈ প্ৰযুক্ত হৈছিল, তাৰ বৰ্ণনা দিয়া হৈছে।

গ্ৰন্থখনিৰ প্ৰথমতে হৰি, মহামায়া তথা পুৰুযোত্তমক স্তুতি কৰা হৈছে। গ্ৰন্থখনত শাক্তধৰ্মীয় মতবাদ, দৰ্শন আদি

'জ্ঞাত্বা গজানাং কিনয়োন্নয়য়ক্ৰমতথা

হয়ানাং কুলশীলসৌষ্ঠৱং।"

এই হিমালয়ৰ পাদদেশত লৌহিত্যৰ পাৰত সামগায়ন নামৰ এজন মুনিৰ আশ্ৰম আছিল। তেওঁৰেই পুত্ৰ পালকাপ্যই হস্তীবিষয়ক এই গ্ৰন্থখন প্ৰণয়ন কৰিছিল। গ্ৰন্থখনৰ প্ৰথম অধ্যায়ত পালকাপ্যই আত্মপৰিচয় দি কৈছে যে, তেওঁৰ গোত্ৰ আছিল 'কাপ্য' আৰু তেওঁ নিৰতভাৱে হাতী 'পালন' কৰিছিল। সেয়েহে তেওঁৰ নাম হৈ পৰিছিল— 'পালকাপ্য'—

পালনাদ্ গজযুথস্য কাপ্যেগোত্ৰেণ এৱ চ।

পালকাপ্য ইতি খ্যাতঃ সৰ্বলোকেযু নিশ্চিতঃ। (১.১.৫৫)

পালকাপ্যৰ গ্ৰন্থখন চাৰিটা স্থানকত বিভক্ত। সেইকেইটা হৈছে— মহাৰোগ, ক্ষুদ্ৰৰোগ, শল্যচিকিৎসা আৰু উত্তৰস্থানক।

**অগ্ৰগতিৰ খতিয়ান**

### ১.৫.২ কালিকাপুৰাণ

পুৰাণ সাহিত্যলৈ প্ৰাচীন প্ৰাগ্জ্যোতিষৰ উল্লেখনীয় অৱদান আছে। খ্ৰীষ্টীয় নৱম-দশম শতিকাৰ ভিতৰত এই গ্ৰন্থখন ৰচনা কৰা হৈছিল। অষ্টাদশ উপ-পুৰাণৰ অন্তৰ্গত এই উপ-পুৰাণখনক কালীপুৰাণ বুলিও কোৱা হয়। এই পুৰাণখনে শক্তি আৰাধনাক জনপ্ৰিয়কৰণত বিশেষকৈ বা কামাখ্যাৰ স্তুতিৰ বিষয়ে বৰ্ণনা কৰিছে।

কালিকাপুৰাণত ৯০টা অধ্যায় আছে। ঋষি মাৰ্কণ্ডেয় আৰু কমথাদি মুনিসকলৰ কথোপকথনৰ জৰিয়তে এই পুৰাণৰ কাহিনীভাগ উপস্থাপন হৈছে। এসময়ত কমথাদি মুনিসকলে ঋষি মাৰ্কণ্ডেয়ক, কেনেকৈ কালীয়ে শিৱক বিমোহিত কৰিছিল, কেনেকৈ দক্ষৰ কন্যাৰূপে সতীৰ জন্ম হৈছিল, এই প্ৰশ্নসমূহ সুধিছিল। এই প্ৰশ্নসমূহৰ উত্তৰত কালিকাপুৰাণে কামদেৱৰ প্ৰেমৰ দেৱতা হিচাপে শক্তি, সামৰ্থ তথা শিৱক বিমোহিত কৰাৰ বাবে তেওঁ কেনেকৈ প্ৰযুক্ত হৈছিল, তাৰ বৰ্ণনা দিয়া হৈছে।

গ্ৰন্থখনিৰ প্ৰথমতে হৰি, মহামায় তথা পুৰুযোত্তমক স্তুতি কৰা হৈছে। গ্ৰন্থখনত শাক্তধৰ্মীয় মতবাদ, দৰ্শন আদি আলোচনা কৰাৰ লগতে শক্তিৰ অধিষ্ঠাতৃ দেৱী নীলাচলবাসিনী কামাখ্যাৰ গুণ-গান কৰাৰ লগতে তেওঁৰ ভিন্ন ৰূপ ভৈৰৱী, কালী,

চামুণ্ডী আদিৰ বৰ্ণনা কৰা হৈছে। গ্ৰন্থখনত কামৰূপৰ নদ-নদী, পাহাৰ-ভৈয়াম, জন-অৰণ্য, তীৰ্থস্থান আদিৰ বিস্তৃত বৰ্ণনা পোৱা যায়। ঐতিহাসিক বৰ্ণনাৰ লগতে কালিকাপুৰাণত কামৰূপৰ ভৌগলিক বৰ্ণনাও পোৱা যায়। কালিকাপুৰাণেই পোনপ্ৰথমে কামৰূপ ৰাজ্যৰ বহিঃসীমা নিৰ্দ্ধাৰণ কৰি দিছে—

"বহুৰোকা নাম নদী কৰতোয়া প্ৰদক্ষিণে।

উত্তৰশ্ৰাৱনী চাস্তে তত্ পূৰ্বম্ কামৰূপকম্।।" (কালিকাপুৰাণ, ৭৮.৭)

গ্ৰন্থখনত প্ৰাগ্‌জ্যোতিষৰ বৰ্ণনা পোৱাৰ লগতে, নৰকে কেনেকৈ ৰস, অলংকাৰ, গুণ, ৰীতি আদি সাহিত্যিক উপাদানেৰে সমৃদ্ধ এই গ্ৰন্থখনৰ ৫৫-৭০ অধ্যায়ত মা কামাখ্যাৰ উপাসনাৰ বিভিন্ন উপাচাৰ তথা পদ্ধতিসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। শেষৰ অধ্যায়সমূহত মহাভাৰতৰ ৰাজধৰ্ম, কৌটিল্যৰ অৰ্থশাস্ত্ৰ তথা কামন্দকীয় 'নীতিসাৰ'ৰ আধাৰত ৰাজনীতিৰ আলোচনা কৰা হৈছে।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ**

কালিকা পুৰাণত কোনবোৰ বিষয় সামৰা হৈছে? (৫০টা শব্দৰ ভিতৰত)

..............................................................................................................

..............................................................................................................

### ১.৫.৩ অন্যান্য পুৰাণ

কালিকাপুৰাণৰ উপৰিও প্ৰাচীন কামৰূপত 'স্বল্পমৎস্যপুৰাণ' নামৰ আন এখন পুৰাণ ৰচনা কৰা হৈছিল। আনুমানিক নৱম-দশম শতিকাত এই পুৰাণখন ৰচিত হৈছিল। কামৰূপ আৰু গৌড় দেশৰ স্মৃতি-নিৱন্ধকাৰসকলে এই পুৰাণখনৰ পৰা উদ্ধৃতি দিয়া দেখিবলৈ পোৱা গৈছে। আনহাতে, আনুমানিক ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্দ্ধত 'ধৰ্মপুৰাণ' নামৰ আন এখন পুৰাণো এই কামৰূপত ৰচিত হৈছিল বুলি জনা গৈছে।

## ১.৬ তন্ত্ৰসাহিত্য

প্ৰাগ্‌জ্যোতিষ অথবা কামৰূপ তন্ত্ৰ সাহিত্যৰ বাবে বিখ্যাত আছিল। তন্ত্ৰ বা আগম সাহিত্য অসমত ভালেমান ৰচনা কৰা হৈছিল।

### ১.৬.১ যোগিনীতন্ত্ৰ

প্ৰাচীন কামৰূপত ৰচনা কৰা তন্ত্ৰ সাহিত্যসমূহৰ ভিতৰত 'যোগিনীতন্ত্ৰ' অন্যতম। গ্ৰন্থখনৰ ৰচনা-কাল সম্বন্ধে সমালোচকসকলৰ মাজত মতদ্বৈধতা থাকিলেও, আভ্যন্তৰীণ আৰু বাহ্য প্ৰমাণৰ ভিত্তিত গ্ৰন্থখন খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ পৰা খ্ৰীষ্টীয় সপ্তদশ শতিকা বুলি ঠাৱৰ কৰা হৈছে। তন্ত্ৰ সাহিত্যৰ বৈশিষ্ট্যই হৈছে শিৱ আৰু পাৰ্বতীৰ সংলাপ। যোগিনী তন্ত্ৰতো শিৱ আৰু পাৰ্বতীৰ সংলাপ দেখিবলৈ পোৱা যায়। যোগিনী তন্ত্ৰক

তন্ত্রসমূহৰ ৰজা বুলি অভিহিত কৰা হৈছে।

যোগিনী তন্ত্র দুটা ভাগত বিভক্ত। প্রথম ভাগটোৰ নাম পূর্বাধ, য'ত ১৯টা পটল অর্থাৎ অধ্যায় আছে; আৰু দ্বিতীয় ভাগটোৰনাম উত্তৰাৰ্ধ, য'ত ১৬টা পটন পোৱা গৈছে। সর্বমুঠ শ্লোকৰ সংখ্যা প্ৰায় ৩৪০০টা।

শিৱ আৰু পাৰ্বতীৰ সংবাদেৰে যোগিনীতন্ত্র প্রাৰম্ভ হৈছে। গ্রন্থখনৰ প্ৰথম ভাগ গুৰুৰ প্রশংসাৰে আৰম্ভ হৈছে। কালী, মহাবিদ্যা, সৎকৰ্মৰ সম্পাদন আদি বিষয়ৰ যথাযথ বর্ণনা কৰাৰ পাছতে জপ, হোম আদি সম্পন্ন কৰিবলৈ উৎকৃষ্ঠ ঠাইসমূহৰ বর্ণনা কৰা হৈছে। এই প্ৰসঙ্গতে কামাখ্যা দেৱীৰ স্থানক সৰ্বোৎকৃষ্ট পবিত্ৰ স্থান বুলি কোৱা হৈছে। গ্রন্থখনৰ ১১তম পটলৰ পৰা ১৫তম পটললৈ প্ৰাচীন কামৰূপৰ সামাজিক, ৰাজনৈতিক তথা ধার্মিক অৱস্থা বর্ণনা কৰা হৈছে।

দ্বিতীয় ভাগত মূলতঃ প্ৰাচীন কামৰূপৰ ধৰ্মীয় উপাসনা কৰা স্থানসমূহ, পবিত্র অনুষ্ঠান তথা ইয়াৰ লগত সম্বন্ধিত বিষয়সমূহ উপস্থাপন কৰা হৈছে। ভাৰতবৰ্ষৰ চাৰিখন প্রধান ধর্মীয় পীঠক্ৰমে উদ্দিয়াপক সত্যযুগৰ, পূৰ্ণশেখৰ ত্ৰেতাযুগৰ, ঝালন্ধৰক দ্বাপৰ যুগৰ আৰু কামৰূপ বা কামাখ্যাক কলিযুগৰ বুলি উল্লেখ কৰা হৈছে।

যোগিনীতন্ত্রত প্রাচীন ভাৰতবৰ্ষৰ সকলো ধার্মিক উপাসনাৰ স্থানসমূহৰ ভিতৰত কামাখ্যাক মুখ্য শক্তিপীঠ বুলি কোৱা হৈছে। দেশৰ অন্যান্য প্রান্তৰ দেৱীৰ অৱস্থান বিৰল হ'লেও কামৰূপৰ প্ৰত্যেক ঘৰতে দেৱীয়ে অৱস্থান কৰে। লৌহিত্য নদীৰ তীৰ্থৰাজ বুলি কোৱা হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা অশ্বক্লান্ত হাজোৰ হয়গ্ৰীৱ মাধৱৰ উৎকৃষ্ট ধার্মিক উপাসনা স্থল বুলি বর্ণনা কৰা হৈছে। গ্ৰন্থখনৰ দ্বিতীয় অধ্যায়ত প্ৰাচীন কামৰূপৰ আশে-পাশে থকা ঠাইসমূহৰ প্রাকৃতিক বর্ণনা কৰা হৈছে। লৌহিত্যৰ বাহিৰেও কৰতোৱা, পিচ্ছিলা, গংগা, সৰস্বতী, গোমতী, কাবেৰী, যমুনা আদি নদীৰ নৈসৰ্গিক বর্ণনা গ্রন্থখনত পোৱা যায়।

যোগিনীতন্ত্রত প্রাচীন কামৰূপৰ সামাজিক, ৰাজনৈতিক তথা ভৌগলিক ব্যাখ্যা অতি সাৱলীল ৰূপত উপস্থাপন কৰা হৈছে। প্ৰাচীন কামৰূপৰ চাৰিসীমা ইয়াত এনেদৰে দিয়া হৈছে যে নেপালৰ কাঞ্চন পৰ্বতৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰলৈ আৰু কৰতোৱা নদীৰ পৰা দিক্কৰ বাসিনীলৈকে কামৰূপৰ ৰাজ্য বিস্তৃত—

"নেপালস্য কাঞ্চনাদ্রিং ব্ৰহ্মপুত্ৰস্য সংগমন্।
কৰতোয়াং সমাশ্ৰিত্য যাৱদ্দিকৰবাসিনীম্।।
উত্তৰস্যাং কুঞ্জগিৰিঃ কৰতোয়াঞ্চু পশ্চিমে।
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্বস্যাং গিৰিকন্যকে।।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সংগমাৱধিঃ।
কামৰূপ ইতি খ্যাতঃ সৰ্বশাস্ত্ৰেষু নিশ্চিতঃ।। (যোগিনীতন্ত্র ঃ ১/১১/১৬-১৮)

### ১.৬.২ কামাখ্যা তন্ত্র

মধ্যযুগত অসমত ৰচিত এখন তন্ত্ৰ সাহিত্য হৈছে ‘কামাখ্যা তন্ত্ৰ’। এই তন্ত্ৰখনত ১০টা পটল আছে। তন্ত্ৰখন শিৱ আৰু পাৰ্বতীৰ কথোপকথনেৰে প্ৰাৰম্ভ হৈছে। গ্ৰন্থখনৰ দ্বিতীয় পটলত মন্ত্ৰোদ্ধাৰ, তৃতীয় পটলত চক্ৰ চিন্তা, চতুৰ্থ পটলত মন্ত্ৰ, পঞ্চম পটলত গুৰু, ষষ্ঠ পটলত পঞ্চতত্ত্ব, সপ্তম পটলত শত্ৰুৰ বিনাশ, অষ্টম পটলত পুৰ্ণাভিষেক, নৱম পটলত মোক্ষদৰ্ম আৰু দশম পটলত মা কামাখ্যা আৰু কালিকাৰ কথা আলোচনা কৰা হৈছে।

### ১.৬.৩ অন্যান্য তন্ত্ৰ

‘উত্তৰ তন্ত্ৰ’ নামৰ আন এখন তন্ত্ৰত পোৱা যায় য’ত ১০টা পটল তথা ২১০টা মন্ত্ৰ আছে।

‘গৱাক্ষ’ বা ‘বৃহৎ গৱাক্ষ তন্ত্ৰ’ নামৰ আন এখন তন্ত্ৰ পোৱা যায়, যিখন ১৬ শতিকাৰ আগতে ৰচনা কৰা হৈছিল বুলি অনুমান কৰা হৈছে।

## ১.৭ ধৰ্মশাস্ত্ৰ

হিন্দুসকলৰ সামাজিক, গাৰ্হস্থ্য তথা ধৰ্মীয় জীৱনশৈলী সুকলমে চলাই নিবলৈ, বিধি-বিধায়ক কিছুমান গ্ৰন্থ ভাৰতবৰ্ষত ৰচিত হৈছিল, যিবোৰক ‘ধৰ্মশাস্ত্ৰ’ বা ‘স্মৃতি’ নামেৰে অভিহিত কৰা হৈছে। মনুস্মৃতি, যাজ্ঞৱল্ক্য স্মৃতি, নাৰদস্মৃতি আদি স্মৃতি শাস্ত্ৰই ভাৰতীয় আৰ্যসকলৰ জীৱন পদ্ধতি নিয়ন্ত্ৰণ কৰিছিল। পৰৱৰ্তীকালত ভাৰতীয় আৰ্যসকলৰ গোট গোটকৈ বসবাসৰ স্থান সাল-সলনি হোৱাৰ বাবে স্থানীয় পৰম্পৰাৰ নতুন নতুন স্মৃতিশাস্ত্ৰ ৰচিত হ’বলৈ ধৰে। সেয়েহে স্থানীয় আচাৰ-ব্যৱহাৰৰ, পৰম্পৰা আদিৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষত বিভিন্ন ধৰ্মশাস্ত্ৰ সম্প্ৰদায় গঢ় লৈ উঠিছিল।

প্ৰাচীন কামৰূপতো ধৰ্মশাস্ত্ৰ ৰচনাৰ পৰম্পৰা গঢ় লৈ উঠিছিল। কামৰূপৰ স্মৃতিকাৰ বা পদ্ধতিকাৰ সকলে তদানীন্তন সমাজ ব্যৱস্থাক লৈ ভাৰতীয় মূল সভ্যতা-সংস্কৃতিৰ লগত সংগতি ৰাখি ধৰ্মশাস্ত্ৰ ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। যাৰফলত প্ৰাচীন কামৰূপত এটা সুকীয়া ধৰ্মশাস্ত্ৰ সম্প্ৰদায় গঢ় লৈ উঠিছিল। পৰৱৰ্তী কালত এই সম্প্ৰদায়টোৰ নাম দিয়া হৈছিল ‘কামৰূপীয় ধৰ্মশাস্ত্ৰ সম্প্ৰদায়’। এই সম্প্ৰদায়টোৱে ভাৰতবৰ্ষত অন্যান্য প্ৰান্তত প্ৰচলিত নীতি-নিয়মতকৈ এই কামৰূপ প্ৰান্তক কিছু নতুন বিধি-নিয়মৰ স্থানীয় পৰম্পৰা অনুসৰি বিধান দিছিল। প্ৰাচীন কামৰূপত কেতিয়াৰ পৰা ধৰ্মশাস্ত্ৰ ৰচনাৰ পৰম্পৰা আৰম্ভ হৈছিল সঠিককৈ ক’ব নোৱাৰিলেও খৃষ্টাব্দ দশম শতিকাত ৰচনা কৰা স্মৃতিশাস্ত্ৰৰ উমান পোৱা যায়।

প্ৰাচীন কামৰূপৰ কেইগৰাকীমান স্মৃতিকাৰ হৈছে সৎকৰি বিশ্বেশ্বৰ (১২ শতিকাৰ পূৰ্বৰ); ধৰলেশ্বৰ (১২ শতিকাৰ পূৰ্বৰ), বিমলবোধ বা দেৱবোধ (১৩ শতিকাৰ পূৰ্বৰ), নাৰায়ণ সৰ্বজ্ঞ বা সৰ্বজ্ঞ (১২ শতিকাৰ আগৰ), অন্ধুকভট্ট (১৪ শতিকাৰ আগৰ); যুগলোকাচাৰ্য (১৪ শতিকাৰ পূৰ্বৰ); শংখধৰৰ আদি। এই স্মৃতিকাৰসকলৰ

কেৱল নামটোহে জনা যায়, তেওঁলোকৰ ৰচনা এতিয়ালৈকে ........................ পীতাম্বৰ সিদ্ধান্তবাগীশ ভট্টাচাৰ্য (১৫২৫-১৬১৫ খ্ৰীঃ) আদি।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ**

ধৰ্মশাস্ত্ৰসমূহে সমাজত কেনেকুৱা প্ৰভাৱ বিস্তাৰ কৰে। (৫০টা শব্দৰ ভিতৰত)

..........................................................................................................................

..........................................................................................................................

তাৰোপৰি, এনে কিছুমান স্মৃতিশাস্ত্ৰ বা নিৱন্ধশাস্ত্ৰৰ নাম পোৱা যায়, যাৰ গ্ৰন্থকাৰৰ নাম এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা নাই।

**অগ্ৰগতিৰ খতিয়ান**

৬নং প্ৰঃ কালিকাপুৰাণৰ ৰচনাকাল কি?

৭নং প্ৰঃ 'যোগিনীতন্ত্ৰ'ত কেইটা অধ্যায় আছে?

৮নং প্ৰঃ 'কৰতোৱা' কি?

৯নং প্ৰঃ 'যোগিনীতন্ত্ৰ'ৰ বাহিৰে আন এখন তন্ত্ৰৰ উদাহৰণ দিয়া।

১০নং প্ৰঃ কামৰূপৰ ধৰ্মশাস্ত্ৰৰ সম্প্ৰদায়টোৰ নাম কি?

## ১.৮ সাৰাংশ (Summing Up)

এই অধ্যায়টোৰ পৰা এইটো অৱগত হোৱা হ'ল যে, অতি প্ৰাচীন কালৰে পৰা প্ৰাগ্‌জ্যোতিষ বা কামৰূপ বা অসমৰ এটা সংস্কৃত চৰ্চাৰ পৰিবেশ গঢ়ি উঠিছিল। খ্ৰীষ্টীয় চতুৰ্থ শতিকামানৰ পৰাই শিলালেখ বা তাম্ৰলেখ শাসনবোৰৰ দ্বাৰাই অসমত সংস্কৃত চৰ্চাৰ উমান পোৱা যায়। বিভিন্ন ৰজাৰ শাসনকালত প্ৰণয়ন কৰা এই অভিলেখসমূহ সংস্কৃত চৰ্চাৰ এক উৎকৃষ্ট নিদৰ্শন। লেখসমূহৰ পিছতে প্ৰাচীন অসমত তন্ত্ৰ সাহিত্য, পুৰাণ সাহিত্য, ধৰ্মশাস্ত্ৰ আদিৰ ৰচনাৰ সাক্ষ্য পোৱা যায়। অসমত ৰচিত 'যোগিনীতন্ত্ৰ' এখন উল্লেখযোগ্য তন্ত্ৰ সাহিত্য, য'ত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক তথা সামাজিক ইতিহাস দেখিবলৈ পোৱা যায়। পুৰাণ সাহিত্য হিচাপে 'কালিকাপুৰাণ' এখন উল্লেখনীয় পুৰাণ, যিখন প্ৰধান উপ-পুৰাণৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে। এই সাহিত্যসমূহে প্ৰমাণ কৰে যে প্ৰাচীন অসমত অতি সুন্দৰ ৰূপত সংস্কৃত চৰ্চা কৰা হৈছিল, যি চৰ্চাই পৰৱৰ্তী অসমৰ কিছু পৰিমাণে দিক্ নিৰ্ণয় কৰে।

## ১.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

প্ৰঃ১ ঃ অসমৰ সংস্কৃত চৰ্চাৰ প্ৰাৰম্ভিক ধাৰাৰ ওপৰত এটি আলোচনা আগবঢ়াওক।

প্ৰঃ২ ঃ শিলালেখ নাইবা শাসনবোৰত কেনেদৰে সংস্কৃত চৰ্চা বিদ্যমান আছিল? আলোচনা কৰক।

প্ৰঃ৩ ঃ ‘হস্ত্যায়ুৰ্বেদ’ৰ ওপৰত এটি চমুটোকা লিখক।

প্ৰঃ৪ ঃ ‘কালিকাপুৰাণ’ৰ বিষয়বস্তু আলোচনা কৰা।

প্ৰঃ৫ ঃ ‘যোগিনীতন্ত্ৰ’ৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰঃ৬ ঃ অসমত ধৰ্মশাস্ত্ৰৰ চৰ্চা সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰক।

## ১.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


গোস্বামী, মালিনী, অসমত সংস্কৃত চৰ্চাৰ ইতিহাস, গুৱাহাটী ঃ অসম সাহিত্য সভা, ১৯১৮।

Shastri, Biswanarayan, Sanskrit in Assam Through the Ages. New Delhi : Rashtriya Sanskrit Sanstha, 1998.

Sharma, Mukunda Madhava. Inscriptions of Ancient Assam. Guwahati : Gauhati University, 1978.

Sarma, Narendra Nath. An Aspect of the Cultural Heritage of Assam. Guwahati : Bani Prakash Mandir, 2012


## ১.১১ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰঃ উঃ নৰক

২নং প্ৰঃ উঃ উমাচল শিলালেখ

৩নং প্ৰঃ উঃ ২২ খন

৪নং প্ৰঃ উঃ পালকপ্য মুনিয়ে

৫নং প্ৰঃ উঃ ১১৬টা

৬নং প্ৰঃ উঃ খ্ৰীষ্টীয় নৱম শতিকা

৭নং প্ৰঃ উঃ ৩৫টা

৮নং প্ৰঃ উঃ প্ৰাচীন অসমৰ এখন নদী

৯নং প্ৰঃ উঃ কামাখ্যা তন্ত্ৰ

১০নং প্ৰঃ উঃ কামৰূপীয় ধৰ্মশাস্ত্ৰ সম্প্ৰদায়

## দ্বিতীয় বিভাগ
## শংকৰদেৱ আৰু উত্তৰ শংকৰদেৱ কালৰ
## অসমৰ সংস্কৃত সাহিত্য

**বিভাগৰ গঠন ঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ বৈষ্ণৱ কবিসকলৰ সংস্কৃত চৰ্চা
২.৪ শংকৰদেৱ
২.৪.১ শংকৰদেৱৰ মৌলিক সংস্কৃত সাহিত্য
২.৪.১.১ ভক্তিৰত্নাকৰ
২.৪.১.২ অংকীয়া নাটৰ সংস্কৃত শ্লোক
২.৪.১.৩ সংস্কৃত দেৱ ভটিমা
২.৪.১.৪ সংস্কৃত গ্ৰন্থৰ অনুবাদ
২.৫ শংকৰদেৱৰ সমসাময়িক কবিসকলৰ সংস্কৃতলৈ অৱদান
২.৫.১ মাধৱদেৱ
২.৫.২ হৰিদেৱ
২.৫.৩ ভট্টদেৱ
২.৬ সংস্কৃত কাব্য সাহিত্য
২.৭ সংস্কৃত নাটক
২.৮ শব্দশাস্ত্ৰ অথবা ব্যাকৰণ
২.৯ ছন্দশাস্ত্ৰ
২.১০ স্মৃতিশাস্ত্ৰ
২.১১ সাৰাংশ (Summing Up)
২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)
২.১৩ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)
২.১৪ অগ্ৰগতিৰ খতিয়ান

### ২.১ ভূমিকা (Introduction)

ইতিমধ্যে আগৰ অধ্যায়ত আলোচনা কৰা হৈছে যে, অসম অথবা প্ৰাচীন কামৰূপৰ সংস্কৃত ভাষা-সাহিত্যৰ চৰ্চা নিৰৱচ্ছিন্নভাৱে চলি আহিছে। পঞ্চদশ শতিকাৰে পৰা মধ্যযুগৰ অসমত ৰাজনৈতিক পৃষ্ঠপোষকতাত তথা সামাজিক-বৌদ্ধিক পটভূমিত সংস্কৃত চৰ্চা বিস্তাৰতা লাভ কৰিছিল। বৈষ্ণৱ কবিসকলৰ মুখ্য উদ্দেশ্যই আছিল কৃষ্ণভক্তিৰ ৰস প্ৰসাৰ কৰা। সেই উদ্দেশ্যেৰে তেওঁলোকে সাধাৰণ জনসাধাৰণৰ মাজত ভক্তিৰসাত্মক সংস্কৃত সাহিত্যৰাজিক অনুবাদ প্ৰক্ৰিয়াৰ মাজেৰে বোৱাই দিছিল। ভাগৱত পুৰাণেই আছিল সেই আন্দোলনৰ মূল স্ৰোত। শংকৰদেৱ প্ৰমুখ্যে তেওঁ সমসাময়িক তথা পৰৱৰ্তী কবিসকলে এই ভাগৱত গ্ৰন্থৰ অসমীয়ালৈ অনুবাদ কৰাই নহয়, এই

পুৰাণক আধাৰ হিচাপে লৈ বিভিন্ন নাটক, বৰগীত, কাব্য, গীত আদি ৰচনা কৰিছিল। এই নাট বা কাব্যসমূহত এই বৈষ্ণৱ কবিসকলে নিজে লিখা সংস্কৃত শ্লোক তথা কাব্যৰ সংযোজন ঘটাইছিল। এই কবিসকল নিজেও সংস্কৃত ভাষা-সাহিত্যৰ অগাধ পণ্ডিত আছিল। তেওঁলোকে যদিও অসমীয়া ভাষাত সাহিত্য ৰচনা কৰিছিল, তথাপিও তেওঁলোকৰ সাহিত্যৰাজিত সংস্কৃত ভাষাৰ গুঞ্জন শুনিবলৈ পোৱা যায়। কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সংস্কৃত ভাষাই ৰাজমৰ্যদা লাভ কৰিছিল। কোচ ৰজা নৰনাৰায়ণ সংস্কৃত ভাষা সাহিত্যৰ প্ৰতি অতি উৎসাহী আছিল। তেওঁৰ ভাতৃ শুক্লধ্বজে নিজেও সংস্কৃত চৰ্চা কৰিছিল। আহোম ৰজা ৰুদ্ৰসিংহয়ো সংস্কৃতজ্ঞ পণ্ডিতৰ ওচৰত শাস্ত্ৰজ্ঞান লাভ কৰিছিল। সেয়েহে অসমৰ মধ্যযুগৰ সময়ছোৱাত সংস্কৃত সাহিত্যৰ বিভিন্ন শাখাত সংস্কৃত শাস্ত্ৰ ৰচিত হৈছিল। কাব্য-নাটক, ব্যাকৰণ, ধৰ্মশাস্ত্ৰ, দৰ্শন, আয়ুৰ্বেদ, জ্যোতিষ আদি বিভিন্ন শাখাত সাহিত্য ৰচনা হোৱাৰ সম্ভেদ পোৱা যায়।

এই অধ্যায়টোত শংকৰদেৱ তথা উত্তৰ শংকৰদেৱ কালৰ অসমত সংস্কৃত সাহিত্যৰ চৰ্চাৰ বিষয়ে সংক্ষেপে আলোচনা কৰা হৈছে। ইয়াত পঞ্চাদশ শতিকাৰ পৰা সপ্তদশ শতিকামানলৈ যিখিনি সংস্কৃত সাহিত্য ৰচিত হৈছিল থুলমূলভাৱে তাৰেই এটি আভাষ দিবলৈ চেষ্টা কৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

এই অধ্যায়টি অধ্যয়ন অন্তত আপোনালোকে—

- মধ্যযুগৰ অসমত সংস্কৃত চৰ্চাৰ বিষয়ে আভাস পাব
- শংকৰদেৱৰ সংস্কৃত সাহিত্য চৰ্চা বিশ্লেষণ কৰিব পাৰিব
- উত্তৰ শংকৰদেৱ কালৰ সংস্কৃত চৰ্চাৰ বিষয়ে জানিব পাৰিব,
- অসমৰ ব্যাকৰণ চৰ্চাৰ আভাস পাব
- অসমৰ স্মৃতিকাৰসকলৰ সংস্কৃত সাহিত্যৰ লগত পৰিচয় হ'ব পাৰিব।

## ২.৩ বৈষ্ণৱ কবিসকলৰ সংস্কৃত চৰ্চা

অসমৰ ইতিহাসত ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ মধ্যযুগ বুলি কোৱা হৈছে। মধ্যযুগৰ সাহিত্যখিনিত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত। খ্ৰীষ্টীয় পোন্ধৰ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰ পৰা সোতৰ শতিকাৰ দ্বিতীয়াৰ্দ্ধ পৰ্যন্ত এই দুই শতিকাৰ সাহিত্যই অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক গৌৰৱপূৰ্ণ স্থান অধিকাৰ কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত গঢ় লৈ উঠা নৱবৈষ্ণৱ আন্দোলনৰ মুখ্য উদ্দেশ্যই হৈছে বৈষ্ণৱ সাহিত্য সৃষ্টিৰ জৰিয়তে বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ তথা প্ৰচাৰ। নৱবৈষ্ণৱ সাহিত্য আছিল এক প্ৰকাৰৰ অনুপ্ৰেৰণামূলক সাহিত্য। এই সাহিত্যৰ জৰিয়তে ভক্তিমাৰ্গৰ উপস্থাপনৰ বাবে বৈষ্ণ কবিসকলে সংস্কৃত সাহিত্যৰ আশ্ৰয় লৈছিল।

বৈষ্ণৱ সাহিত্যৰ উদ্দেশ্যই আছিল জনমানসত ভক্তিধৰ্মৰ প্ৰচাৰ কৰা। নৱবৈষ্ণৱ কবিসকলৰ সাৰগ্ৰন্থ আছিল ভাগৱত পুৰাণ। আনহাতে নৱবৈষ্ণৱ আন্দোলনৰ বিশেষ লক্ষণীয় সাহিত্যিক অৱদানটো আছিল— আঞ্চলিক সাহিত্যৰ বিকাশ তথা অনুবাদ

সাহিত্যৰ প্ৰচলন। সেই সময়ৰ ভক্তিমাৰ্গৰ মূল গ্ৰন্থসমূহ আছিল সংস্কৃত ভাষাত ৰচিত। সাধাৰণ মানুহে এই ভাষা ক'ব পৰা নাছিল তথা ভালদৰে বুজিবও পৰা নাছিল, যাৰবাবে বৈষ্ণৱ কবিসকল সংস্কৃত ভাষাৰ পণ্ডিত হৈও তেওঁলোকৰ ধৰ্ম প্ৰচাৰৰ মূল সংস্কৃত ভাষাক বৰ্জন কৰিছিল, কিন্তু কিছু কিছু মৌখিক সাহিত্য তেওঁলোকে সংস্কৃত ভাষাত ৰচনা কৰিছিল। তৎকালীন সমাজৰ প্ৰয়োজনীয়তাৰ বাবে এইসকল পণ্ডিতে সংস্কৃত ভাষাৰ মূল গ্ৰন্থসমূহ অসমীয়া (ব্ৰজাবুলি) আদি আঞ্চলিক ভাষালৈ ভাঙনি কৰিছিল।

অসমৰ ভক্তিবাদৰ অন্যতম কাণ্ডাৰী অনন্ত কন্দলীৰ কথাই প্ৰমাণ কৰে যে, সেই সময়ৰ বৈষ্ণৱ কবিসকল সংস্কৃত ভাষাৰ পণ্ডিত আছিল আৰু তেওঁলোকে সংস্কৃত ভাষাত কাব্য বা অন্যান্য গ্ৰন্থ ৰচনা কৰিবলৈ সমৰ্থবান আছিল। তেওঁ কৈছে যে—

শ্লোক সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কৰিলোঁ পদবন্ধ।
স্ত্ৰী শূদ্ৰ আদি যত জানোক পৰম তত্ত্ব
শ্ৰৱণত মিলোক আনন্দ।।

(শ্ৰীমদ্ভাগৱত, দশম স্কন্ধ, পদ ১৬০২০৮)

ৰামৰায় বিৰচিত 'গুৰুলীলা' গ্ৰন্থৰ মতে দামোদৰদেৱেও 'কথাবন্ধে এক খণ্ড ভাগৱত' ৰচনা কৰিবলৈ ভট্টদেৱক নিৰ্দেশ দিয়াৰ সময়ত কৈছিল—

"পূৰ্বে মহাপুৰুষে কৰিলা দশ স্কন্ধ।
কীৰ্তন ভটিমা ছবি দুলড়ী সুছন্দ।।
তাত কৰি সুগম কৰিয়ো ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্বলোকে বুঝে যেন যত।।"

শংকৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ কবিসকল সংস্কৃত ভাষাৰ সুপণ্ডিত আছিল। তথাপি তেওঁলোকৰ পাণ্ডিত্যলৈ চাই শংকৰদেৱৰ সময়ত বা উত্তৰ শংকৰদেৱৰ কালত যিমানখিনি সংস্কৃত সাহিত্য প্ৰণয়ন হ'ব লাগিছিল অসমত সিমানখিনি হোৱা নাছিল। তথাপিও এই সময়ত ছন্দ, ব্যাকৰণ, কাব্য, স্মৃতি আদি বিষয়ৰ গ্ৰন্থসমূহ সংস্কৃত ভাষাত ৰচিত হৈছিল।

## ২.৪ শংকৰদেৱ (১৪৪৯-১৫৬৮)

বৰদোৱাৰ ওচৰৰ আলিপুখুৰী গাঁৱত জন্মগ্ৰহণ কৰা শ্ৰীমন্ত শংকৰদেৱ ১৫শ শতিকাত অসমত ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতিৰ স্থানত নৱজাগৰণৰ সূচনা কৰা এজন মহাপুৰুষ তথা প্ৰসিদ্ধ বৈষ্ণৱ গুৰু। শিশুকালৰ বাৰ বছৰমান বয়সত এইজনা মহাপুৰুষে মহেন্দ্ৰ কন্দলী নামৰ বিদগ্ধ সংস্কৃত পণ্ডিতগৰাকীৰ অধীনত সংস্কৃত চৰ্চা কৰিছিল। বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি একশৰণ নামধৰ্ম প্ৰচাৰ কৰা শংকৰদেৱে ধৰ্ম প্ৰচাৰৰ বাবে বিভিন্ন শ্ৰেণীৰ সাহিত্য সৃষ্টি কৰিছিল।

সংস্কৃত ভাষাৰ এগৰাকী সুপণ্ডিত মহাপুৰুষ শংকৰদেৱৰ সাহিত্য প্ৰধানতঃ ভাগৱতৰ ওপৰত আধাৰিত, কথাগুৰুচৰিত (দফা ৬৩)ৰ মতে কাব্যৰসিক শংকৰদেৱৰ

বিভিন্ন শাস্ত্রত বুৎপত্তি থকাৰ লগতে সংস্কৃত ভাষাৰ মহাসমুদ্ৰ মন্থন কৰি তেওঁ শাস্ত্ৰজ্ঞান লাভ কৰিছিল। মধ্যযুগৰ ভাৰতীয় ভক্তি আন্দোলনৰ ব্যাপকতাৰ সময়ত সংস্কৃতত ৰচিত বৈষ্ণৱ সাহিত্যৰ বিপুল অধ্যয়ন তথা থলুৱা সমাজৰ দায়বদ্ধতাই তেওঁৰ সাহিত্য সাধনাৰ পথ নিৰ্দিষ্ট কৰিছিল। তেওঁৰ সাহিত্যৰাজিৰ মূল উৎস হৈছে— ভাগৱত পুৰাণ, হৰিবংশ পুৰাণ, মাৰ্কেণ্ডেয় পুৰাণ, গৰুড় পুৰাণ, ব্ৰহ্মপুৰাণ আদি।

### ২.৪.১ শংকৰদেৱৰ মৌলিক সংস্কৃত সাহিত্য

শ্ৰীমন্ত শংকৰদেৱে তিনিটা ভাষাত সাহিত্য ৰচনা কৰিছে— অসমীয়া, সংস্কৃত আৰু ব্ৰজাৱলী। শ্ৰীমদ্ভাগৱতৰ অনুবাদ, তেওঁৰ কাব্য, বৰগীত, ঘোষা আদি থলুৱা ভাষাত পোৱা যায়। ভক্তিৰত্নাকৰ সুদীৰ্ঘ টীকা, অংকীয়া নাটত সন্নিৱিষ্ট ১৭৯টা স্বৰচিত শ্লোক, এটি দেৱ ভটিমা সংস্কৃত ভাষাত ৰচিত। অংকীয়া নাট্যসমূহৰ ভাষা ব্ৰজাৱলী।

### ২.৪.১.১ ভক্তি ৰত্নাকৰ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা সংকলিত আৰু সম্পাদিত একমাত্ৰ সংস্কৃত গ্ৰন্থখন হৈছে 'ভক্তি ৰত্নাকৰ'। শংকৰদেৱে পাটবাউসীত বাস কৰাৰ সময়তে তেওঁৰ দ্বাৰা প্ৰচাৰিত 'এক শৰণ ভক্তি'ৰ অনুকূলে ভক্তিতত্বৰ আকৰসমূহ 'পুৰাণসূৰ্য্য' ভাগৱত পুৰাণ আদি বিভিন্ন বৈষ্ণৱ শাস্ত্ৰৰ পৰা সংকলন কৰি এই সংস্কৃত গ্ৰন্থখন প্ৰণয়ন কৰে। পাটবাউসীত থকা সময়ত কণ্ঠভূষণৰ যোগেদি বিষ্ণুপুৰী সন্যাসীৰ দ্বাৰা সংকলিত 'ৰত্নাৱলী' গ্ৰন্থখন লাভ কৰাৰ পিছত ভক্তি ৰত্নাকৰ গ্ৰন্থখনৰ উল্লেখ কৰি মহাপুৰুষ শংকৰদেৱে এইদৰে মন্তব্য কৰিছে— 'বোলে বিষ্ণুপুৰী মোৰ সঙ্গী, আগে পোৱা হ'লে শ্ৰমকৈ ৰত্নাকৰ নকৰোঁ এ তেওঁ আমাৰ ভেটা বান্ধা হৈছে, আগে পানী বলে ধানড়ালি হয়।' (শ্ৰীশ্ৰীশংকৰদেৱ, ভূষণ দ্বিজ, পৃঃ ১৮৫)।

'ভক্তি ৰত্নাকৰ' এখন প্ৰকৰণ অথবা সংগৃহীত গ্ৰন্থ। ইয়াত ভাগৱত সমন্বিতে কুৰিখনৰো অধিক গ্ৰন্থৰ ভক্তিপৰক শ্লোকসমূহ একত্ৰে সংকলন কৰি বিভিন্ন অধ্যায়ত বিভক্ত কৰা হৈছে। এই কথাখিনি গ্ৰন্থখনৰ প্ৰস্তাৱনাৰ শেষৰ দুটা শ্লোকত প্ৰকাশ পাইছে—

"সমুদ্ধৃতং ভাগৱতাভিধানদুগ্ধাম্বুৰ্ধেয়ন্নৱনীত পিণ্ডম্।
শ্ৰীশংকৰেণাচ্যুৎকিঙ্কৰেণ বুদ্ধ্যা জুষধ্বং শিতয়া সুধীৰাঃ।।
সমস্তশাস্ত্ৰসংসাৰমুদ্ধৃত্য বিদধেৎধুনা।
ভক্তিৰত্নাকৰখ্যং তত্ত সংগ্ৰহং শঙ্কৰঃ কিল।।"

ড° মহেশ্বৰ নেওগে সম্পাদনা কৰা সংস্কৰণটিত 'ভক্তি ৰত্নাকৰ'ৰ মুঠ শ্লোকৰ সংখ্যা হৈছে ৫৭৩টা। আনহাতে 'আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা' অসম (আবিলেক)ৰ দ্বাৰা প্ৰকাশিত 'অসমীয়া সাহিত্য বুৰঞ্জী'ৰ দ্বিতীয় খণ্ডত 'ভক্তি ৰত্নাকৰ'ৰ শ্লোকৰ সংখ্যা ৫৪৬ বুলি কোৱা হৈছে। ড° মহেশ্বৰ নেওগ সম্পাদিত গ্ৰন্থখনত পোৱা অনুসৰি 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখনত সন্নিৱিষ্ট শ্লোকৰ সংখ্যা এনেধৰণৰ ঃ (১) ভাগৱত পুৰাণ (৪৫৬), (২) ভাগৱত ভাৱাৰ্থদীপিকা (শ্ৰীধৰ স্বামীকৃত ভাগৱত টীকা), (৩)

বৃহন্নাৰদীয় পুৰাণ-১৩, (৪) বৈষ্ণৱানন্দ লহৰী-১১, (৫) শ্ৰীমদ্ভগৱদ্‌গীতা-১১, (৬) সুবোধিনী (শ্ৰীধৰ স্বামীকৃত গীতাৰ টীকা)-১, (৭) বিষ্ণুপুৰাণ-৭, (৮) যোগসাৰ-৬, (৯) পদ্মপুৰাণ-৬, (১০) নৰসিংহ পুৰাণ-৬, (১১) শংকৰাচাৰ্যৰ বিষ্ণু স্তোত্ৰ-২, (১২) পাণ্ডৱী গীতা-২, (১৩) বিষ্ণুধৰ্মোত্তৰ পুৰাণ-১, (১৪) কুৰ্মপুৰাণ-১, (১৫) ব্ৰহ্মাণ্ডপুৰাণ-১, (১৬) বামন পুৰাণ/গৰুড় পুৰাণ-১, (১৭) প্ৰবোধ চন্দোদয় (শ্ৰীকৃষ্ণ মিশ্ৰ প্ৰণীত)-১। মহাপুৰুষে লিখা গ্ৰন্থখনত শ্লোকসমূহৰ উৎস সাধাৰণতে উল্লেখ কৰা আছে যদিও এক বুজন সংখ্যক শ্লোকৰ উৎস নিৰ্দ্ধাৰণ কৰা হোৱা নাই। এনে শ্লোকৰ সংখ্যা ১৫টা মান হ'ব।

গ্ৰন্থখনিত মুঠ আঠত্ৰিশটা ভাগ (অধ্যায়) পোৱা যায়, যাক আঠত্ৰিশটা মাহাত্ম্য বুলি কোৱা হৈছে। এই অধ্যায়সমূহৰ পৰিচয় সংক্ষেপতে তলত দিয়া হ'ল—

(১) প্ৰথম অধ্যায় ঃ 'ভক্তিজ্ঞান প্ৰদগুৰোঃ পূজ্যত্বম্' (ভক্তি জ্ঞানপ্ৰদ গুৰুৰ পূজ্যত্ব)। এই অধ্যায়টোত গুৰুৰ মাহাত্ম্যৰ বিষয়ে কোৱা হৈছে। ভক্তিজ্ঞানৰ পথ দেখুওৱা গুৰুজন পৰম পূজ্য — এই কথাটো এই অধ্যায়টোৰ প্ৰতিপাদন কৰা হৈছে।

(২) দ্বিতীয় অধ্যায় ঃ 'নৃদেহমাহাত্ম্য' (নৃদেহ মাহাত্ম্য)। এই অধ্যায়টোত পৰমজ্ঞান আৰু ভক্তি লাভৰ সাধন (মাধ্যম) স্বৰূপ মানৱ দেহৰ প্ৰশংসা কৰা হৈছে।

(৩) তৃতীয় অধ্যায় ঃ 'সৎসংগমাহাত্ম্য' (সৎসংগ মাহাত্ম্য)। এই অধ্যায়ত 'ভক্তজনৰ সান্নিধ্যৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। ভক্তৰ সান্নিধ্যতে অথবা ভক্তৰ সেৱাৰ কালত 'হৰিকথা' শ্ৰৱণৰ সুযোগ ঘটে, এই কথা এই অধ্যায়টোত প্ৰকাশিত হৈছে।

(৪) চতুৰ্থ অধ্যায় ঃ 'সতাং লক্ষণম্' (সাধুৰ লক্ষণ)। এই অধ্যায়টোত 'সাধু' মানুহৰ লক্ষণসমূহ বৰ্ণনা কৰা হৈছে।

(৫) পঞ্চম অধ্যায় ঃ 'পৰমগতিপ্ৰদভজনীয় পৰমদেৱতাস্বৰূপ নিৰূপণং মাহাত্ম্যঞ্চ' (পৰম গতিপ্ৰদ ভজনীয় পৰম দেৱতাৰ স্বৰূপ আৰু মাহাত্ম্য নিৰূপণ)। ইয়াত পৰমগতি প্ৰদান কৰিব পৰা একমাত্ৰ ভজনীয় দেৱতাৰূপে নাৰায়ণ-কৃষ্ণৰ বৰ্ণনা কৰা হৈছে।

(৬) ষষ্ঠ অধ্যায় ঃ 'শ্ৰীকৃষ্ণগুণকৰ্মনামাং শ্ৰৱণমাহাত্ম্যম্' (শ্ৰীকৃষ্ণৰ গুণ, কৰ্ম আৰু নামৰ শ্ৰৱণ মাহাত্ম্য)। এই অধ্যায়ত পৰম পুৰুষ শ্ৰীকৃষ্ণৰ গুণ, কৰ্ম আৰু নামৰ শ্ৰৱণৰ মহিমা প্ৰকাশ কৰিছে।

(৭) সপ্তম অধ্যায় ঃ 'শ্ৰীহৰেঃ কীৰ্তনমাহাত্ম্যম্' (শ্ৰীহৰিৰ কীৰ্তন মাহাত্ম্য)। এই অধ্যায়টোত হৰিৰ কীৰ্তনৰ মাহাত্ম্যৰ বৰ্ণনা কৰা হৈছে।

(৮) অষ্টম অধ্যায় ঃ 'শ্ৰীহৰিস্মৰণ মাহাত্ম্যম্' (শ্ৰীহৰিৰ স্মৰণ মাহাত্ম্য)। এই

অধ্যায়টোত হৰিৰ স্মৰণৰ সুফল বৰ্ণনা কৰা হৈছে।

(৯) নৱম অধ্যায় ঃ 'শ্ৰীকৃষ্ণাৰ্চন নিৰ্ণয়ঃ' (শ্ৰীকৃষ্ণৰ অৰ্চনা নিৰ্ণয়)। এই কেইটামান তুলসীপাত আৰু সামান্য পানী উৎসৰ্গণ কৰিও কেনেদৰে হৰিক অৰ্চনা কৰিব পাৰি, তাৰেই বৰ্ণনা এই অধ্যায়টতো আছে।

(১০) দশম অধ্যায় ঃ 'ভগৱত্‌ভক্তিয়োগনিৰূপণম্' (ভগৱদ্ভক্তি যোগ নিৰ্ণয়)। ইয়াত শ্ৰীকৃষ্ণৰ সেৱাৰ জৰিয়তে ভগবদ্‌ভক্তি যোগৰ প্ৰতিপাদন কৰা হৈছে।

(১১) একাদশ অধ্যায় ঃ 'উত্তমাভাগৱতী ভক্তি নিৰূপণম্' ('উত্তমা ভাগৱতী ভক্তি'ৰ নিৰ্ণয়)। এই অধ্যায়ত পৰম উত্তম ভাগবদ্ভক্তি নিৰূপণ কৰি দেখুওৱা হৈছে।

(১২) দ্বাদশ অধ্যায় ঃ 'অন্তৰঙ্গাভক্তি নিৰূপণম্' ('অন্তৰঙ্গাভক্তি' নিৰূপণ)। নিবিড় প্ৰেমস্বৰূপ অন্তৰঙ্গা ভক্তিৰ বিষয়ে এই অধ্যায়টোত কোৱা হৈছে।

(১৩) ত্ৰয়োদশ অধ্যায় ঃ 'নিৰ্গুণাভক্তি নিৰূপণম্' ('নিৰ্গুণা ভক্তি' নিৰূপণ)। এই অধ্যায়টোত নিৰ্গুণ ভক্তিৰ স্বৰূপ ব্যাখ্যা কৰা হৈছে।

(১৪) চতুৰ্দশ অধ্যায় ঃ 'সপ্ৰেমাভক্তি নিৰূপণম্' ('সপ্ৰেম ভক্তি' নিৰূপণ)। এই অধ্যায়টোত সপ্ৰেমা ভক্তিৰ স্বৰূপ নিৰ্ণয় কৰা হৈছে।

(১৫) পঞ্চদশ অধ্যায় ঃ 'জ্ঞানাদীনাং চাতুৰ্ৰ্বিধ্যম্' (সগুণ-নিৰ্গুণ ভেদে জ্ঞানাদীৰ চাৰি ভাগ)। এই অধ্যায়টিত সত্ত্ব, ৰজঃ আৰু তমঃ — এই তিনিগুণৰ ভেদ অনুযায়ী জ্ঞান আদিৰ চাৰিভাগ দেখুওৱা হৈছে।

(১৬) ষোড়শ অধ্যায় ঃ 'উত্তমভক্তলক্ষণম্' (উত্তম ভক্তৰ লক্ষণ)। এই অধ্যায়ত উত্তম ভক্ত অৰ্থাৎ উত্তম ভাগৱতৰ বৰ্ণনা কৰা হৈছে।

(১৭) সপ্তদশ অধ্যায় ঃ 'মধ্যম ভক্তলক্ষণম্' (মধ্যম ভক্তৰ লক্ষণ)। এই অধ্যায়ত মধ্যম পৰ্যায়ৰ ভক্তৰ লক্ষণসমূহ আলোচনা কৰা হৈছে।

(১৮) অষ্টাদশ অধ্যায় ঃ 'প্ৰাকৃত ভক্ত লক্ষণম্' (প্ৰাকৃত ভক্তৰ লক্ষণ)। এই অধ্যায়টোত সাধাৰণ বা প্ৰাকৃত ভক্তৰ লক্ষণসমূহ দিয়া হৈছে।

(১৯) ঊনবিংশ অধ্যায় ঃ 'আচাৰভ্ৰষ্টভক্তমাহাত্ম্যম্' (আচাৰভ্ৰষ্ট ভক্তৰ মাহাত্ম্য)। আচাৰহীন অৰ্থাৎ দুৰাচাৰীজনেও অনন্যা ভক্তিৰে ধৰ্মফলৰ অধিকাৰী হ'ব পাৰে বুলি এই অধ্যায়ত চৰ্চা কৰা হৈছে।

(২০) বিংশ অধ্যায় ঃ 'ভক্তি প্ৰাৰ্থনানিৰূপণম্' (ভক্তি-প্ৰাৰ্থনা নিৰূপণ)। এই অধ্যায়টোত ভীষ্ম, বৃত্ত, নলকুবেৰ, মণিগ্ৰীৱ, বৃন্দাবনৰ গোপীবৃন্দ, কুন্তী, উদ্ধৱ আদিৰ দৰে ভক্তসকলৰ ভগৱানৰ

প্ৰতি আগবঢ়োৱা প্ৰাৰ্থনাসমূহ একত্ৰ কৰি উপস্থাপন কৰা হৈছে।

(২১) একবিংশ অধ্যায় ঃ 'কলেঃ পৰমধৰ্ম নিৰূপণম্' (কলিযুগত পৰম ধৰ্ম নিৰূপণ)। হৰি নামৰকেন্দ্ৰিক শ্ৰৱণ-কীৰ্তন ভক্তিক কলিযুগৰ শ্ৰেষ্ঠ ধৰ্মৰূপে এই অধ্যায়ত নিৰূপণ কৰা হৈছে।

(২২) দ্বাবিংশ অধ্যায় ঃ 'জীৱপৰমাত্মাভেদ' (জীৱাত্মা আৰু পৰমাত্মাৰ ভেদ)। এই অধ্যায়টোত পৰমাত্মা আৰু জীৱাত্মাৰ ভেদ দেখুওৱা হৈছে।

(২৩) ত্ৰয়োবিংশ অধ্যায় ঃ 'শ্ৰীহৰিভক্তিহীন পৰম জানিনাং নিন্দা' (হৰি ভক্তিহীন পৰম অজ্ঞানীৰ নিন্দা)। এই অধ্যায়টোত হৰিৰ প্ৰতি ভক্তিভাৱ নেদেখুওৱা অৰ্থাৎ ভক্তিহীন পৰম অজ্ঞানীসকলৰ নিন্দা কৰা হৈছে।

(২৪) চতুৰ্বিংশ অধ্যায় ঃ 'ভক্তদ্বেষিণাং গতিঃ' (ভগবদ্‌ভক্তদ্বেষীৰ গতি)। এই অধ্যায়টোত ভক্ত দ্বেষীসকলৰ পৰিণতি বৰ্ণনা কৰা হৈছে।

(২৫) পঞ্চবিংশ অধ্যায় ঃ 'ভক্তানামঙ্গপ্ৰশংসা' (ভক্তসকলৰ অংগ প্ৰশংসা)। হৰি সেৱাৰ বাবে ব্যৱহৃত ভক্তৰ অংগ, যেনে চিত্ত, জিহ্বা, হস্ত আদি অংগসমূহৰ প্ৰশংসা কৰা হৈছে।

(২৬) ষড়বিংশ অধ্যায় ঃ 'ভক্তানাং জন্মকৰ্মাদি প্ৰশংসা' (ভক্তসকলৰ জন্ম-কৰ্ম প্ৰশংসা)। এই অধ্যায়ত ভক্তজনৰ জন্ম, কৰ্ম আদিৰ প্ৰশংসা কৰা হৈছে।

(২৭) সপ্তবিংশ অধ্যায় ঃ 'ভক্তিবৰ্জিতানাং জন্মকৰ্মাদিনিন্দা' (ভক্তিহীনৰ জন্ম-কৰ্মাদিৰ নিন্দা)। ইয়াত ভক্তিহীনজনৰ জন্ম, কৰ্ম আদিৰ নিন্দা কৰা হৈছে।

(২৮) অষ্টাবিংশ অধ্যায় ঃ 'বৃথাকথাকথনদোষ' (বৃথা কথা কথনত দোষ)। হৰিকথাৰ বাহিৰে অন্য কথাত মগ্ন হৈ থকাৰ দোষ এই অধ্যায়টোত ব্যাখ্যা কৰা হৈছে।

(২৯) ঊনত্ৰিংশ অধ্যায় ঃ 'অভক্তসঙ্গ নিন্দা' (অভক্তৰ সঙ্গ নিন্দা)। এই অধ্যায়টোত অভক্তৰ সংগৰ বৰ্জনীয়তা প্ৰতিপাদন কৰি অভক্তজনৰ হস্ত আদি অংগৰ নিন্দা কৰা হৈছে।

(৩০) ত্ৰিংশ অধ্যায় ঃ 'প্ৰায়শ্চিত্তগৰ্হণন্' (প্ৰায়শ্চিত্ত নিন্দা)। ইয়াত প্ৰায়শ্চিত্ত বিধানৰ বিফলতা বৰ্ণনা কৰা হৈছে। কেৱল হৰিৰ উপাসনাৰ যোগেদি সমস্ত পাপৰ প্ৰায়শ্চিত্ত হয়।

(৩১) একত্ৰিংশ অধ্যায় ঃ 'প্ৰবৃত্তিমাৰ্গনিন্দনম্' (প্ৰবৃত্তি মাৰ্গৰ নিন্দা)। এই অধ্যায়ত বেদবিহিত প্ৰবৃত্তি মাৰ্গক নিন্দাসূচক মন্তব্য কৰা হৈছে।

(৩২) দ্বাত্ৰিংশ অধ্যায় ঃ 'স্বৰ্গাদিসুখস্য হেয়ত্বম্' (স্বৰ্গাদি সুখৰ নিন্দা)। ইয়াত স্বৰ্গত লভ্য সুখৰ হেয়ত্ব প্ৰতিপাদন কৰা হৈছে।

(৩৩) ত্ৰয়স্ত্ৰিংশ অধ্যায় ঃ 'ভাৰতভূ প্ৰশংসা' (ভাৰত ভূমিৰ প্ৰশংসা)। ইয়াত সংগৃহীত শ্লোকেৰে পুণ্যভূমি ভাৰতবৰ্ষৰ প্ৰশস্তি গান কৰা হৈছে।

(৩৪) চতুস্ত্ৰিংশ অধ্যায় ঃ 'ভক্ত্যধিকাৰৰ নিৰূপণম্' (ভক্তিৰ অধিকাৰী নিৰূপণ)। এই অধ্যায়ত ভক্তিযোগৰ অধিকাৰী পুৰুষৰ কথা কোৱা হৈছে।

(৩৫) পঞ্চত্ৰিংশ অধ্যায় ঃ 'বৈৰাগ্যৰ্থং ব্ৰহ্মলোক পৰ্য্যন্তস্য ভোগস্থানস্যানিত্যত্বকথনম্' (ব্ৰহ্মালোক পৰ্যন্ত ভোগস্থানৰ অনিত্যতা প্ৰতিপাদন)। এই অধ্যায়ত ব্ৰহ্মলোককে ধৰি সকলো ভোগস্থানৰ অনিত্যত্বৰ বাবে বৈৰাগ্যৰ প্ৰতিপাদন কৰা হৈছে।

(৩৬) ষট্‌ত্ৰিংশ অধ্যায় ঃ 'মায়াতৰণোপায়ঃ' (মায়া তৰণৰ উপায়)। এইটো অধ্যায়ত মায়াৰ পৰা পৰিত্ৰাণৰ উপায় বৰ্ণনা কৰা হৈছে।

(৩৭) সপ্তত্ৰিংশ অধ্যায় ঃ 'শ্ৰীভাগৱতমাহাত্ম্যম্' (শ্ৰীভাগৱত মাহাত্ম্য)। ইয়াত ভাগৱত পুৰাণৰ প্ৰশংসা পূৰ্বক মাহাত্ম্য কোৱা হৈছে।

(৩৮) অষ্টাত্ৰিংশ অধ্যায় ঃ 'যমনিয়মাঃ' (যম-নিয়ম কথন)। এই অধ্যায়টোত 'অহিংসা' আদি দ্বাদশ 'যম' আৰু 'শৌচ' আদি দ্বাদশ নিয়মৰ বৰ্ণনা কৰা হৈছে।

'ভক্তিৰত্নাকৰ' গ্ৰন্থত থকা উল্লেখনীয় বৈশিষ্ট্যটো হৈছে গুৰুজনে প্ৰণয়ন কৰা এটি সংস্কৃত টীকাৰ সংযোজন। প্ৰতিটো শ্লোকত তলত সংযোজন কৰা এই টীকাটো শংকৰদেৱৰ সংস্কৃত ৰচনাৰ অন্যতম নিদৰ্শন। এই টীকাটোত ভাগৱতৰ 'ভাৱাৰ্থদীপিকা' টীকাৰ প্ৰণেতা পৰম 'ভাগৱত' শ্ৰীধৰ স্বামীৰ প্ৰভাৱ পৰিলক্ষিত হয়। গুৰুজনাই এই টীকাটোত 'অমৰকোষ', ভাগৱত পুৰাণ, পদ্মপুৰাণ, মহাভাৰত, ভগৱদ্‌গীতা, ঈশ আদি উপনিষদ, শ্ৰীধৰ স্বামীৰ 'ভাৱাৰ্থদীপিকা' তথা দুই এখন স্মৃতিৰ উদ্ধৃতি দিছে। তেওঁ তেওঁৰ সংস্কৃত টীকাটোৰ কোনো নাম দিয়া নাই, টীকাসহ সংকলিত গ্ৰন্থখনৰ নামেই 'ভক্তিৰত্নাকৰ'।

### ২.৪.১.২ অংকীয়া নাটৰ সংস্কৃত শ্লোক

শ্ৰীমন্ত শংকৰদেৱে ছয়খন অংকীয়া নাট প্ৰণয়ন কৰিছে। এই নাটকেইখনৰ বিষয়বস্তু সংস্কৃত মূল গ্ৰন্থৰ পৰা লোৱা হৈছে। এই নাটসমূহত শংকৰদেৱ বিৰচিত ১৭৯টা সংস্কৃত শ্লোক পোৱা যায়, যাৰ ভিতৰত নান্দী শ্লোকবোৰ অন্যতম। নাটসমূহত থকা সংস্কৃত শ্লোকসমূহৰ সংখ্যা এনেধৰণৰ—

| নাটকৰ নাম | সংস্কৃত শ্লোকৰ সংখ্যা |
|---|---|
| ১। পত্নীপ্ৰসাদ | ২ |
| ২। কালিদমন | ২৪ |
| ৩। কেলিগোপাল | ২৫ |

৪। ৰুক্মিণীহৰণ ৪৪
৫। পাৰিজাত হৰণ ৪৫
৬। ৰামবিজয় ৪১

এই শ্লোকসমূহ অতি সৰল, চুটি আৰু বৰ্ণনাত্মক। ইয়াত শব্দালংকাৰৰ ভিতৰত 'অনুপ্ৰাস'ৰ প্ৰাচুৰ্যতাৰ বিপৰীতে অৰ্থালংকাৰৰ ক্ষেত্ৰত 'ৰূপক' অলংকাৰৰ বহুল প্ৰয়োগ দৰ্শনীয়। শ্লোকসমূহত ছন্দৰ প্ৰয়োগৰ ক্ষেত্ৰত অনুষ্টুপ, ছন্দৰ প্ৰয়োগ অধিক। ইয়াৰোপৰি শাৰ্দূলচিক্ৰীড়িত, উপেন্দ্ৰবজ্ৰা, উপজাতি, পুষ্পিতাগ্ৰা, বসন্ততিলক, মালিনী ভূজঙ্গ প্ৰয়াত ছন্দৰ প্ৰয়োগ দেখা যায়। ইয়াৰোপৰি শংকৰদেৱে এই সংস্কৃত নাটসমূহত কিছুমান স্বৰচিত সংস্কৃত বাক্য প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে 'কেলিগোপাল' নাটকত 'কেলিগোপাল নামেদং নাটকম মুক্তি সাধকম্।'

### ২.৪.১.৩ সংস্কৃত দেৱ ভটিমা

শংকৰদেৱে জীৱনৰ শেষভাগত নৰনাৰায়ণৰ ৰাজসভাত থকা সময়ত তোটক ছন্দত এটি সংস্কৃত ভাষাত দেৱ ভটিমা ৰচনা কৰে। এই ভটিমাটোত বিষ্ণুৰ স্তুতিবাচক নটা শ্লোক পোৱা যায়। এই ভটিমাটোক 'তোটয়' বুলিও জনা যায়। 'কথাগুৰুচৰিত'ৰ মতে কোচ ৰজা নৰনাৰায়ণৰ ৰাজ দৰবাৰত প্ৰথমবাৰ উপস্থিত হৈয়ে শংকৰদেৱে সাত খলপাৰে এখলপ এখলপকৈ উঠি যোৱাৰ সময়ত তোটয় ছন্দত সংস্কৃত স্তোত্ৰটো ৰচনা কৰি যায়। এই স্তুতিটোৰ 'অনুপ্ৰাস' নামৰ শব্দালংকাৰটোৰ সৈতে 'সন্দষ্ঠ যমক' নামৰ এটি শব্দালংকাৰৰ সমাবেশ ঘটিছে। এই ছন্দটোৰ বৈশিষ্ট্য হৈছে পূৰ্বৱৰ্তী পাদ বা চৰণৰ অন্তিম শব্দটোৰে পৰৱৰ্তী পদটোৰ আৰম্ভণি ঘটে। এই সংস্কৃত ভটিমাটোৰ লগত শ্ৰীশংকৰাচাৰ্য বিৰচিত শিৱাষ্টোক স্তোত্ৰৰ অতি নিকট সাদৃশ্য দেখিবলৈ পোৱা যায়। এই দেৱভটিমাৰ দুটি শ্লোক তলত উদাহৰণৰ বাবে দিয়া হ'ল—

(১) মধুদানৱদাৰণদেৱবৰম্
বৰৱাৰিজলোচন চক্ৰধৰম্।
ধৰণিধৰধাৰণধ্যেয়পৰম্
পৰমাৰ্থৱিদ্যাশুভনাশকৰম্।।

(২) কৰচুৰ্ণিতচেদিপভূৱিভগম্
ভগভূষণ কাৰ্চ্চিত পাদযুগম্।
যুগ নায়ক নাগৰৱেশৰুচিম্
ৰুচিৰাংশুপিধান শৰীৰ শুচিম্।।

**অগ্ৰগতিৰ খতিয়ান**

১নং প্ৰঃ সংস্কৃত আমি জানো, কিন্তু অসমীয়াত আমি লিখিম— এই বুলি কোনজন বৈষ্ণৱ পণ্ডিতে কৈছিল?

২নং প্ৰঃ শংকৰদেৱে লিখা সংস্কৃত গ্ৰন্থখনৰ নাম কি?

৩নং প্ৰঃ 'ভক্তিৰত্নাকৰ'ত কিমানটা অধ্যায় আছে?

৪নং প্ৰঃ শংকৰদেৱে অংকীয়া নাটত স্বৰচিত কিমানটা শ্লোক সন্নিৱিষ্ট কৰিছে?

৫নং প্ৰঃ শংকৰদেৱে লিখা সংস্কৃত ভটিমাটোত কি শব্দালংকাৰ আছে?

**২.৪.১.৪ সংস্কৃত গ্ৰন্থৰ অনুবাদ**

শংকৰদেৱৰ সাহিত্য বহুলাংশে অনুবাদ সাহিত্য। সংস্কৃত গ্ৰন্থৰ আধাৰত তেওঁৰ অনুবাদ সাহিত্যসমূহ দেখিবলৈ পোৱা যায়। কিন্তু তেওঁ কোনো সংস্কৃত গ্ৰন্থৰে আক্ষৰিক অনুবাদ কৰা নাই। পৌৰাণিক সাহিত্যক তেওঁ থলুৱা অসমীয়া সংস্কৃতি তথা পৰম্পৰাৰে স্বকীয় শৈলীৰে তেওঁ অনুবাদ কাৰ্যক গঢ় দিছিল।

শংকৰদেৱৰ জীৱনৰ এক অনন্য সাহিত্য কৃতি হৈছে সংস্কৃত শ্ৰীমদ্ভাগৱতৰ অনুবাদ। সুদীৰ্ঘ বাৰ বছৰ তীৰ্থ ভ্ৰমণ কৰি গীতা-ভাগৱতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ একশৰণ নাম-ধৰ্মৰ প্ৰচাৰ কাৰ্য আৰম্ভ কৰাৰ সময়ত তেওঁ সংস্কৃত ভাগৱতৰ অনুবাদৰ কথা গভীৰভাৱে চিন্তা কৰিছিল। শংকৰদেৱে ভাগৱতৰ প্ৰথম স্কন্ধ, দ্বিতীয় স্কন্ধ, তৃতীয় স্কন্ধ (অনাদি পাতন), ষষ্ঠ স্কন্ধ (অজামিল উপাখ্যান), অষ্টম স্কন্ধ (অমৃত মন্থন আৰু বলিছলন), দশম স্কন্ধ (আদি আৰু কুৰুক্ষেত্ৰ), একাদশ স্কন্ধ (কৃষ্ণ প্ৰয়াণ আৰু নিমি নৱসিদ্ধ সংবাদ) আৰু দ্বাদশ স্কন্ধৰ অনুবাদ কৰে।

শংকৰদেৱৰ পূৰ্বৱৰ্তী অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে ৰামায়ণৰ অনুবাদ কৰিছিল। কিন্তু 'আদিকাণ্ড' আৰু 'উত্তৰাকাণ্ড'ৰ অনুবাদ তেওঁৰ দ্বাৰা কৰিব পৰা নগ'ল। শ্ৰীমন্ত শংকৰদেৱে উত্তৰাকাণ্ড সংযোজন কৰে আৰু 'আদিকাণ্ড' মাধৱদেৱে অনুবাদ কৰি ৰামায়ণখন পূৰ্ণ কৰে। ৭৬২টি পদযুক্ত উত্তৰাকাণ্ড ৰামায়ণৰ ৰচনা শংকৰদেৱে পাটবাউসীত থকা কালত কৰিছিল।

**আত্মমূল্যায়ণ প্ৰশ্ন-১**

মহাপুৰুষ শংকৰদেৱৰ সংস্কৃত সাহিত্যৰাজি কেনেধৰণৰ?

..........................................................................................................

..........................................................................................................

**২.৫ শংকৰদেৱৰ সমসাময়িক কবিসকলৰ সংস্কৃতলৈ অৱদান**

শংকৰদেৱৰ সমসাময়িক তথা পৰৱৰ্তী বৈষ্ণৱ কবিসকলেও অসমৰ সংস্কৃত সাহিত্যলৈ কিছু পৰিমাণে অৱদান আগবঢ়াই থৈ গৈছে। তেওঁলোকৰ সংস্কৃত মৌলিক গ্ৰন্থৰ অৱদান কম যদিও তেওঁলোকৰ সংস্কৃতত পাণ্ডিত্য আছিল আৰু সংস্কৃত সাহিত্যৰ বিভিন্ন শাস্ত্ৰ অধ্যয়ন কৰিছিল।

**২.৫.১ মাধৱদেৱ (১৯৮৯-১৫৯৬)**

শংকৰদেৱৰ দৰে তেওঁৰ শিষ্য হিচাপে মাধৱদেৱো এগৰাকী বহুমুখী প্ৰতিভাৰ গৰাকী আছিল। তেওঁ একেধাৰে ধৰ্মপ্ৰচাৰক, শাস্ত্ৰ বেত্তা হোৱাৰ লগতে কবি, নাট্যকাৰ

তথা সুগায়ক আছিল। তেওঁৰ সংস্কৃত সাহিত্যত দখল থকাৰ কাৰণেই তেওঁৰ কাব্যসমূহত সংস্কৃত সাহিত্যৰ উদ্ধৃতি মন কৰিবলগীয়া।

**ভক্তিৰত্নাৱলী ঃ** মাধৱদেৱৰ অন্যতম গ্ৰন্থ হৈছে 'ভক্তিৰত্নাৱলী'। এইখন এখন অনুবাদ গ্ৰন্থ। বিষ্ণুপুৰী সন্ন্যাসীয়ে সংস্কৃত ভাষাত ৰচিত 'ভক্তিৰত্নাৱলী' গ্ৰন্থখন শংকৰদেৱৰ অনুৰোধমৰ্মে মাধৱদেৱে অনুবাদ কৰে। এই অনুবাদ আক্ষৰিত অনুবাদ নহয়, বৰঞ্চ মাধৱদেৱে নিজস্ব বৈশিষ্ট্যৰে সেইখন ভাৱানুবাদ কৰিছে। কৃষ্ণ ভক্তিৰ পৰম মাহাত্ম্য প্ৰচাৰ কৰি জগতত সকলো লোককে ভক্তিৰ প্ৰতি আকৰ্ষণ কৰাই এই গ্ৰন্থৰ উদ্দেশ্য। এই গ্ৰন্থখনত তেৰটি 'বিৰচন' অৰ্থাৎ অধ্যায় আছে। এই অধ্যায় (বিৰচন) সমূহৰ বিষয়বস্তু এনেধৰণৰ— (১) প্ৰথম বিৰচন— ভক্তি লক্ষ্ম নিৰূপণ, (২) দ্বিতীয় বিৰচন— সৎসঙ্গ, (৩) তৃতীয় বিৰচন— নৱবিধা ভক্তি, (৪) চতুৰ্থ বিৰচন— শ্ৰৱণ, (৫) পঞ্চম বিৰচন— কীৰ্তন, (৬) ষষ্ঠ বিৰচন— স্মৰণ, (৭) সপ্তম বিৰচন— পাদসেৱন, (৮) অষ্টম বিৰচন— অৰ্চন, (৯) নৱম বিৰচন— বন্দন, (১০) দশম বিৰচন— দাস্য, (১১) একাদশ বিৰচন— সখ্য, (১২) দ্বাদশ বিৰচন— আত্মনিবেদন, (১৩) ত্ৰয়োদশ বিৰচন— শৰণ। সম্ভৱতঃ সুন্দৰীদিয়াত থকা সময়তে মাধৱদেৱে ভক্তিৰত্নাৱলীখন ভাঙনি কৰিছিল।

**আদিকাণ্ড ৰামায়ণ ঃ** মাধৱদেৱৰ কাব্য প্ৰতিভাৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন হ'ল আদিকাণ্ড ৰামায়ণৰ অনুবাদ। মাধৱ কন্দলীৰ ৰামায়ণত আদিকাণ্ডটো অনুবাদেৰে যোগ দি মাধৱদেৱে ৰামায়ণখন সম্পূৰ্ণ কৰাত আগভাগ লৈছিল। গুৰু শংকৰৰ নিৰ্দেশ মানি ৰচনা কৰা এই কাণ্ডটি তেওঁ ১৪৯১টি পদত ভাঙি উলিয়াইছিল।

**নাট তথা ঝুমৰা ঃ** মাধৱদেৱৰ প্ৰথম তথা পূৰ্ণাঙ্গ আকাৰৰ একমাত্ৰ নাটখন হৈছে অৰ্জুন ভঞ্জন বা দধিমথন। বাকী চাৰিখন নাট হৈছে— চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা আৰু ভোজন বেহাৰ। এই চাৰিখনৰ ক্ষেত্ৰত 'নাট' শব্দটোৰ সলনি 'ঝুমৰা' শব্দটো ব্যৱহাৰ কৰা হয়। কিয়নো এই নাটকেইখনত একোটা পূৰ্ণ কাহিনী দেখিবলৈ পোৱা নাযায়। নৃত্য-গীতেৰে ভৰপূৰ একোটা নাটকীয় পৰিস্থিতিহে সেইবোৰ নাটত পোৱা যায়।

মাধৱদেৱৰ নাট বা ঝুমৰাসমূহত বিশ্বমংগল নামৰ সংস্কৃত কবিগৰাকীৰ প্ৰভাৱ সুস্পষ্ট। তেওঁৰ নাট/ঝুমৰাসমূহত তেওঁ বিশ্বমংগলৰ 'কৃষ্ণকৰ্ণামৃত' কাব্যখনৰ পৰা বহুকেইটা শ্লোক উদ্ধৃত কৰিছে। আনহাতে তেওঁ অনুষ্টুভ আৰু মন্দাক্ৰান্ত ছন্দেৰে শ্লোক সজাই ভোজন বেহাৰ ঝুমৰাত সংযোগ কৰিছে।

**নামঘোষা ঃ** 'নামঘোষা' গ্ৰন্থখন হৈছে মাধৱদেৱৰ শ্ৰেষ্ঠ ৰচনা। এহেজাৰ ঘোষা থকা কাৰণে ইয়াক 'হেজাৰী ঘোষা' বুলিও কোৱা হয়। নামঘোষা শংকৰদেৱৰ মহাপ্ৰয়াণৰ পিছত সুন্দৰীদিয়াত থকা কালত মাধৱদেৱে ৰচনাৰ কাম সমাপ্ত কৰিছিল। নামঘোষাত থকা এহেজাৰ ঘোষাৰ ভিতৰত প্ৰায় ছশমান শ্লোক ভাগৱত পুৰাণ, ভগৱদ্গীতা, বৃহন্নাৰদীয় পুৰাণ, বিষ্ণু পুৰাণ, বামন পুৰাণ আদি সংস্কৃত গ্ৰন্থৰ পৰা অনা শ্লোকৰ অনুবাদ।

### ২.৫.২ হৰিদেৱ (১৪২৬-১৫৪৬)

অসমৰ বৈষ্ণৱ পন্থাৰ গুৰুসকলৰ ভিতৰত হৰিদেৱ অন্যতম। তেওঁৰ দুখন সংস্কৃত প্ৰকৰণ গ্ৰন্থ পোৱা যায়।

**ভক্তিৰসতৰঙ্গিনী ঃ** হৰিদেৱৰ দ্বাৰা সংকলিত এখন সংস্কৃত গ্ৰন্থ হৈছে ভক্তিৰসতৰঙ্গিনী। বিভিন্ন সংস্কৃত শাস্ত্ৰৰ পৰা অনা সৰ্বমুঠ ১০৯১টা শ্লোক ইয়াত সন্নিৱিষ্ট হৈছে। ইয়াত ১৩টা স্তৱলক (অধ্যায়) পোৱা যায়। শ্লোকসমূহত মূলত ভাগৱত মহাপুৰাণ আৰু অন্যান্য পুৰাণৰ পৰা সংকলন কৰা হৈছে। ইয়াৰে প্ৰথম চাৰিটা স্তৱকত ভগৱান কৃষ্ণৰ গুণানুকীৰ্তন কৰা হৈছে। পঞ্চম স্তৱকত ভক্তি যোগ আৰু ষষ্ঠ স্তৱকত 'ক্ৰিয়াযোগাসাৰ' অনুসৰি সৃষ্টি প্ৰক্ৰিয়া বৰ্ণনা কৰা হৈছে। ভক্তিৰসতৰঙ্গিনী সম্পৰ্কে আটাইতকৈ উল্লেখনীয় কথাটো এয়ে যে, ইয়াত থকা শ্লোকসমূহক অসমীয়া ভাঙনি গদ্যত কৰা হৈছে।

**শৰণ সংহিতা ঃ** হৰিদেৱৰ দ্বাৰা বিৰচিত আন এখন প্ৰকৰণ গ্ৰন্থ হৈছে 'শৰণ সংহিতা'। গ্ৰন্থখনত বিভিন্ন সংস্কৃত গ্ৰন্থৰ পৰা চয়ন কৰা মুঠ ২৭৮টা শ্লোক আৰু সেইবোৰৰ সমান সংখ্যক পদ ভাঙনি আছে। গ্ৰন্থখন মুঠ বাইশটা স্তৱকত বিভক্ত।

**আত্মমূল্যায়ণ প্ৰশ্ন-২**

শংকৰদেৱৰ পৰৱৰ্তী কবিসকলৰ সংস্কৃত সাহিত্যলৈ অৱদান কেনেকুৱা?

.............................................................................................................

.............................................................................................................

### ২.৫.৩ ভট্টদেৱ (১৫৫৮-১৬৩৮)

নৱবৈষ্ণৱ ধৰ্মৰ আন এজন প্ৰচাৰক, পাটবাউসী সত্ৰৰ অধিকাৰ আৰু ব্যাসকুছি সত্ৰৰ প্ৰতিষ্ঠাপক কবিৰত্ন বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য অসমীয়া সাহিত্যত 'ভট্টদেৱ' নামেৰে জনাজাত। অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱক ভক্তসকলে আগবঢ়োৱা 'কবিৰত্ন' আৰু 'ভাগৱত ভট্টাচাৰ্য' উপাধি দুটাতেই তেওঁৰ পাণ্ডিত্য প্ৰকাশিত হৈছে। দেৱ দামোদৰ গুৰুৰ মূলসত্ৰ পাটবাউসীত নীতি-নিয়ম আৰু শাস্ত্ৰৰ পঠন-পাঠনৰ মাজত নিমগ্ন ৰখা কবিৰত্নৰ ৰচনাৱলী মূলত দুটা ভাষাত পোৱা যায়— অসমীয়া আৰু সংস্কৃত। নিজৰ নামৰ উপৰি 'কৃষ্ণ ভাৰতী' ছদ্ম নামতো ভট্টদেৱে দুখন গ্ৰন্থ প্ৰণয়ন কৰিছিল— ভক্তিসাৰ আৰু সন্ত নিৰ্ণয়।

অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে ভট্টদেৱৰ সাহিত্যৰাজিক এনেদৰে ভাগ কৰিছে—

(ক) আখ্যানমূলক ৰচনা— নন্দোৎসৱ

(খ) অনুবাদমূলক ৰচনা— শ্ৰীশ্ৰীবিষ্ণু সহস্ৰ নাম, সাত্বত তন্ত্ৰ

(গ) নাম-প্ৰসঙ্গৰ পুথি— শ্ৰীশ্ৰীকৃষ্ণ-লীলা-কীৰ্তন, প্ৰসঙ্গমালা

(ঘ) গীত— ভক্তিমূলক গীত, তত্বমূলক গীত তথা গুৰু দামোদৰদেৱৰ ৰূপ-গুণৰ বন্দনা আদি

(ঙ) কথাবন্ধ— শ্ৰীভাগৱত কথা, শ্ৰীমদ্ভগৱদ্ গীতা কথা, শ্ৰীভক্তি ৰত্নাৱলী কথা

(চ) সংস্কৃত প্ৰকৰণ গ্ৰন্থ— শ্ৰীমদ্ভক্তিবিবেক (সংস্কৃত); ভাগৱতাধিকৰণ (সংস্কৃত); ভক্তিসাৰ (সংস্কৃত); সন্ত নিৰ্ণয় (গদ্য) আৰু সংস্কৃত শ্লোকৰ সংযোজন, শৰণ মালিকা (সংস্কৃত)।

**ভট্টদেৱৰ সংস্কৃতগ্ৰন্থ**

**শ্ৰীমদ্‌ভক্তিৱিবেকঃ** সংস্কৃত ভাষাত বিৰচিত এই গ্ৰন্থখন এখন ভক্তি প্ৰতিপাদক প্ৰকৰণ গ্ৰন্থ। গ্ৰন্থখনৰ সামৰণিত থকা ভণিতা অনুসৰি ১৫৪৩ শক (১৬২১ খ্ৰীঃ)ৰ মাঘ মাহৰ এটি দেওবাৰে এই গ্ৰন্থখন সমাপ্তি হৈছিল। শ্ৰুতি-স্মৃতি-পুৰাণ-ভাৰতাদিকত পাৰদৰ্শী পণ্ডিত ভট্টদেৱে বেদ আৰু বেদমূলক শাস্ত্ৰৰ পৰা ভক্তিমূলক শ্লোকসমূহ বাচি লৈ এই গ্ৰন্থখন নিৰ্মাণ কৰিছিল। তেওঁ নিজেই এই কথা এনেদৰে ব্যক্ত কৰিছে— 'শ্ৰীমদ্‌ভাগৱতত ভগৱন্ত সেৱকৰ যি সনাতন পথৰ কথা ব্যক্ত কৰা হৈছে, তাক আন ক'তো কোৱা নাই— এনে উক্তি দূৰ কৰি শ্ৰুতিৰ দৰে মান্য আন শাস্ত্ৰসমূহৰ পৰা সাৰ সংগ্ৰহ কৰি সদ্ বৈষ্ণৱৰ প্ৰীতিৰ হেতু গোৱিন্দৰ শ্ৰীচৰণক আশ্ৰয় কৰি অমল শ্ৰীমদ্‌ভক্তি ৱিবেক সংগ্ৰহ কৰিলোঁ। (ভক্তিৱিবেক, ২)

শ্ৰীমদ্‌ভক্তিৱিবেক গ্ৰন্থত ১৫টা পৰিচ্ছেদ আছে। এই পৰিচ্ছেদসমূহৰ নামসমূহ এনেধৰণৰ— (১) ভক্তিস্থান নিৰ্ণয়, (২) গুৰু-শিষ্য-নিৰ্ণয়, (৩) শৰণ-নিৰ্ণয়, (৪) নাম-মাহাত্ম্য, (৫) ভগবদ্ ভক্তি মাহাত্ম্য, (৬) সৎ-সঙ্গ-নিৰ্ণয়, (৭) (শ্ৰৱণ-কীৰ্তন আদি) ভক্তৰ কৰ্তব্য নিৰূপণ (ভক্তানাং কৰ্তব্যম্), (৮) শ্ৰৱণ-নিৰ্ণয়, (৯) কীৰ্তন-নিৰ্ণয়, (১০) স্মৰণ-নিৰ্ণয়, (১১) পাদসেৱন নিৰ্ণয়, (১২) অৰ্চন-নিৰ্ণয়, (১৩) নমস্কাৰ-নিৰ্ণয়, (১৪) দাস্য-নিৰ্ণয়, (১৫) ভগৱান-মূৰ্তি-সত্য-নিৰূপণ।

এই প্ৰকৰণ গ্ৰন্থখনৰ প্ৰস্তাৱনাৰ তিনিটা আৰু অন্তিম শ্লোকটো ভট্টদেৱৰ দ্বাৰা ৰচিত। বাকী শ্লোকসমূহত অধিকাংশৰে আধাৰ গ্ৰন্থৰ উল্লেখ আছে। যিবোৰ সংস্কৃত গ্ৰন্থৰ পৰা ভট্টদেৱে শ্লোকবোৰ আনিছে, তাৰে কিছুমান গ্ৰন্থ হ'ল— ঋগ্‌বেদ, ৰামায়ণ, মহাভাৰত, ছান্দোস্য-উপনিষদ, কথোপনিষদ, ঈশোপনিষদ, শ্বেতাশ্বতৰোপনিষদ, মনুসংহিতা, পৰাশৰ সংহিতা, বিষ্ণুসংহিতা, পদ্মপুৰাণ, বৃহন্নাৰঙ্গীয় পুৰাণ, ব্ৰহ্মাণ্ড পুৰাণ, সাত্বত তন্ত্ৰ ইত্যাদি।

**ভাগৱতাধিকৰণ ঃ** ভাগৱত-ভাৱাৰ্থ-দীপিকা নামৰ শ্ৰীধৰস্বামীৰ ভাগৱতৰ ওপৰত যি ভাষ্য পোৱা যায়, এই ভাষ্যটোৰ জটিৰ অংশৰ সংস্কৃত টিপ্পনীটোৰ নামেই হৈছে ভাগৱতাধিকৰণ।

**ভক্তিসাৰ ঃ** এই সংস্কৃত গ্ৰন্থখনত শ্ৰীকৃষ্ণৰ পূৰ্ণ ব্ৰহ্মত্ব প্ৰতিপাদন কৰি ভক্তিৰ শ্ৰেষ্ঠত্ব দেখুওৱা হৈছে।

**আত্মমূল্যায়ণ প্ৰশ্ন-৩**

ভট্টদেৱৰ সংস্কৃত সাহিত্যখিনিৰ মূল্যায়ণ কেনে ধৰণৰ?

.......................................................................................................................

.......................................................................................................................

## ২.৬ সংস্কৃত কাব্য সাহিত্য

প্ৰাচীন কামৰূপত সংস্কৃত কাব্য বা কবিতা বা শ্লোকৰ ৰচনা অতি নগণ্য সংখ্যকহে দৃষ্টিগোচৰ হয়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে শংকৰদেৱ বা শংকৰোত্তৰ কবিসকলে যিবোৰ কাব্য বা নাটক ৰচনা কৰিছিল, সেইবোৰৰ কথাবস্তুৰ মূল উৎস আছিল সংস্কৃত সাহিত্য। তেওঁলোক সংস্কৃত শ্লোক ৰচনাত নিপুন আছিল আৰু তেওঁলোকৰ কাব্য-নাটকত স্বৰচিত সংস্কৃত শ্লোক সংলগ্ন কৰিছিল। শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ ছয়খন অংকীয়া নাটত ১৭৯টা স্বৰচিত শ্লোকৰ সমাৱেশ ঘটোৱাৰ লগতে ৯টা শ্লোকেৰে এটি বিষ্ণু প্ৰশস্তিও ৰচনা কৰিছিল। শংকৰদেৱৰ আৰ্হিতে মাধৱদেৱেও তেওঁৰ নাট তথা ঝুমৰাসমূহত আন গ্ৰন্থৰ পৰা সংস্কৃত শ্লোক ব্যৱহাৰ কৰিছে আৰু 'ভোজন-বিহাৰ' নামৰ ঝুমৰাখনত অনুষ্টুভ আৰু মন্দাক্ৰান্তা ছন্দেৰে নিজে শ্লোক ৰচনা কৰি তাত সংযোজিত কৰিছে। তেনেদৰে গোপাল আতাই 'জন্মযাত্ৰা' আৰু 'গোপী-উদ্ধৱ-সংবাদ' নাটকৰ বাবে তথা ৰামচৰণ ঠাকুৰে 'কংসবধ' নাটকত অনুষ্টুভ আৰু বসন্ত তিলক ছন্দৰ শ্লোক লিখি অন্তৰ্ভুক্ত কৰিছে। দৈত্যাৰি ঠাকুৰে তেওঁৰ 'নৃসিংহ যাত্ৰা' আৰু 'স্যমন্ত হৰণ' যাত্ৰাত উপেন্দ্ৰবজ্ৰা, অনুষ্টুভ, ভুজঙ্গপ্ৰয়াত আৰু শাৰ্দূলবিক্ৰীড়িত ছন্দত শ্লোক ৰচনা কৰি সংলগ্ন কৰিছে।

**পাৰিজাত হৰণ কাব্য ঃ** কোচ ৰজা নৰনাৰায়ণৰ (খ্ৰীঃ ১৫৪০-১৫৮৪) অনুপ্ৰেৰণাত কবি কৰ্ণপুৰে 'পাৰিজাত হৰণ' নামৰ এখন কাব্য ৰচনা কৰিছিল। এই কাব্যখনৰ কাহিনীভাগ মূলতঃ হৰিবংশ আৰু ভাগৱত পুৰাণৰ পৰা সংগৃহীত। কবিয়ে কাহিনীভাগৰ মাজতে কামাখ্যা, হয়গ্ৰীৱ, কেদাৰ, উমানন্দ আৰু লোহিত্যৰ বৰ্ণনা সংযোগ কৰি কাব্যখনক অনন্য মাত্ৰা প্ৰদান কৰিছে।

**চিত্তামোদ কাব্য ঃ** সপ্তদশ শতিকাৰ আগভাগত ষাষ্ঠিকাদাস ছদ্ম নামেৰে কোনো এজন সংস্কৃত কবিয়ে 'চিত্তামোদ কাব্য' নামেৰে এখন 'শতক' কাব্য ৰচনা কৰে। কাব্যখনত ১০৮টা সংস্কৃত শ্লোক পোৱা যায়। ইয়াৰে প্ৰথম এশটা শ্লোকত বালগোপালৰ ৰূপ আৰু কাৰ্যাৱলীৰ বৰ্ণনা আছে। পিছৰ আঠটা শ্লোকত কবিয়ে নিজৰ পৰিচয়, আশা, হতাশা আদি ব্যক্ত কৰিছে আৰু দুখৰ মোচন হিচাপে তথা মুক্তিৰ উপায় হিচাপে কৃষ্ণৰ নাম স্মৰণৰ উপদেশ দিছে।

**বিশ্বসিংহ চৰিত ঃ** নৰনাৰায়ণৰ পৰৱৰ্তী কোচ ৰজা প্ৰাণনাৰায়ণৰ (১৬৩৩-১৬৬৬) পৃষ্ঠপোষকতাত শ্ৰীনাথ দ্বিজে 'বিশ্বসিংহ চৰিত' নামৰ এখন কাব্য ৰচনা কৰে।

## ২.৭ সংস্কৃত নাটক

সপ্তদশ শতিকাৰ শেষৰ ফালে কেইজনমান অসমীয়া কবিয়ে সংস্কৃত নাটক তথা অংকীয়া নাটৰ কলা-কৌশলৰ আধাৰত কেইখনমান সংস্কৃত নাটক ৰচনা কৰে।

**কামকুমাৰহৰণম্ ঃ** আহোম স্বৰ্গদেউ শিৱসিংহ (১৭১৪-৪৪) আৰু তেওঁৰ দুগৰাকী পত্নী ক্ৰমে প্ৰমথেশ্বৰী আৰু অম্বিকাৰ অনুপ্ৰেৰণাত কবিচন্দ্ৰ দ্বিজে এই নাটকখন ৰচনা কৰে। এই নাটকখন ৬টা অংকত বিভক্ত। এই নাটকখনৰ বিষয়বস্তু হৈছে শোণিতপুৰৰ ৰজা ৰাণাসুৰৰ কন্যা ঊষাৰ সখীয়েক চিত্ৰলেখাৰ দ্বাৰা শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ অপহৰণ। নাটকখনৰ উৎস হৈছে হৰিবংশ আৰু ভাগৱত পুৰাণ। তাৰোপৰি ১৬ শতিকাত বৈষ্ণৱ কবি অনন্ত কন্দলীয়ে ৰচনা কৰা 'কুমাৰ হৰণ' নামৰ কাব্যখনেও নাট্যকাৰক কিছু সহায় কৰিছে।

**বিঘ্নেশজন্মোদয়ম্ ঃ** আহোম ৰজা কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০)ৰ ৰাজকবি গৌৰীকান্ত দ্বিজে ১৭২১ শকত এই নাটকখন ৰচনা কৰে। তিনিটা অংকবিশিষ্ট এই নাটকখনৰ কাহিনীভাগ ব্ৰহ্মবৈৱৰ্ত্ত পুৰামৰ 'গণেশখণ্ড'ৰ পৰা লোৱা হৈছে। নাটকখনৰ কথাবস্তু মূলতঃ শিৱ-পাৰ্বতীৰ পুত্ৰ কাৰ্ত্তিকৰ জন্ম। নাটকখনত নাট্যসন্ধি নাই। এটা বিশেষ বৈশিষ্ট্য হৈছে নাটকখনত অসমীয়া ছন্দ, যেনে- দুলড়ি, ছবি, লেচ্ছাৰী আদি সংস্কৃত গীত ৰচনা কৰা হৈছে। জয়দেৱৰ 'গীতগোবিন্দ'ৰ প্ৰভাৱ নাটকখনত বিদ্যমান।

**শংখচূড়বধম্ ঃ** দীন দ্বিজ নামৰ বৈষ্ণৱ কবিগৰাকীয়ে ১৭২৪ শকত এই নাটকখন প্ৰণয়ন কৰে। কবি দ্বিজে আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহ (১৭৯৫-১৮১০)ৰ অধীনৰ গুৱাহাটীৰ বৰফুকন সন্দিকৈ বংশৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। তিনিটা অংকযুক্ত এই নাটখনৰ কথাবস্তুৰ উৎস হৈছে ব্ৰহ্মবৈৱৰ্তপুৰাণৰ প্ৰকৃতিখণ্ড। এই নাটকখনত তুলসী জন্ম, অসুৰ ৰাজ শংখচূড়ৰ সৈতে তুলসীৰ বিবাহ, শংখচূড় তথা দেৱতাসকলৰ যুদ্ধ, শিৱৰ দ্বাৰা শংখচূড়ৰ বধ আদি কাহিনীবোৰ উপস্থাপন কৰা হৈছে।

**ধৰ্মোদয়ম্ ঃ** স্বৰ্গদেউ লক্ষ্মীসিংহৰ (১৭৬৯-৮০) পৃষ্ঠপোষকতাত ধৰ্মদেৱ গোস্বামীয়ে এই নাটকখন ৰচনা কৰে। মোৱামৰীয়া বিদ্ৰোহৰ প্ৰতীকাত্মক ৰূপেৰে লিখা এই নাটকখনত ৫টা অংক আছে।

**শ্ৰীকৃষ্ণ প্ৰয়াণম্ ঃ** আহোম স্বৰ্গদেউ প্ৰমত্তসিংহ (১৭৪৪-১৭৫১)ৰ ৰাজত্বকালত গদাধৰ দুৱৰা বৰফুকনৰ অনুপ্ৰেৰণাত বিদ্যাপঞ্চানন নামৰ কবি গৰাকীয়ে এই নাটকখন ৰচনা কৰে। মহাভাৰতৰ উদ্যোগ পৰ্বত থকা পাণ্ডৱ আৰু কৌৰৱৰ মাজত সন্ধিৰ ব্যৱস্থা কৰিবলৈ দূতৰ ভূমিকা লোৱা শ্ৰীকৃষ্ণৰ ব্যৱস্থাখিনিকেই এই নাটৰ বিষয়বস্তু হিচাপে লোৱা হৈছে।

**অগ্ৰগতিৰ খতিয়ান**

৬নং প্ৰঃ 'ভক্তিৰত্নাৱলী' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

৭নং প্ৰঃ মাধৱদেৱে আদিকাণ্ড ৰামায়ণত কোনটো কাণ্ডৰ অনুবাদ কৰিছিল?

৮নং প্ৰঃ 'ভক্তিৰসতৰঙ্গিনী' গ্ৰন্থখন কোনে ৰচনা কৰিছিল?

৯নং প্রঃ ভট্টদেৱৰ মুখ্য সংস্কৃত গ্রন্থখনৰ নাম কি?

১০নং প্রঃ 'চিন্তামোদকাব্য'খন কোনে ৰচনা কৰিছিল?

**২.৮ শব্দশাস্ত্র অথবা ব্যাকৰণ**

প্রাচীন কামৰূপত বিশেষকৈ কোচ ৰজাসকলৰ পৃষ্ঠপোষকতাত ব্যাকৰণ শাস্ত্রৰ বিস্তৰ চৰ্চ হোৱা দেখা যায়। মহাৰাজ নৰনাৰায়ণৰ নির্দেশত মহামহোপধ্যায় পুৰুষোত্তম ভট্টাচার্য বিদ্যাবাগীশে ১৫৬৮ খ্রীষ্টাব্দত 'প্রয়োগ ৰত্নমালা ব্যাকৰণ' নামৰ এখন ব্যাকৰণ শাস্ত্র প্রণয়ন কৰি সংস্কৃত ব্যাকৰণৰ এক সুকীয়া ধাৰা প্রৱর্তন কৰিছিল যিটো 'ৰত্নমালা ব্যাকৰণ' সম্প্রদায় বুলি অসম আৰু বংগত বিশেষভাৱে প্রসিদ্ধ। এই ব্যাকৰণখনৰ অন্যতম বৈশিষ্ট্য হৈছে যে, ইয়াত পানীনি ব্যাকৰণত গৃহীত হোৱা ৪৫টা বর্ণৰ ঠাইত ৫০ বর্ণক স্বীকৃতি দিয়া হৈছে। গ্রন্থখনত ৮টা বিন্যাস (অধ্যায়) পোৱা যায়।

প্রয়োগ ৰত্নমালা ব্যাকৰণ উপৰিও বিদ্যাবাগীশে সংস্কৃত ব্যাকৰণ ক্ষেত্রখনলৈ বহুখিনি অৱদান আগবঢ়াইছে। তেওঁৰ 'ষট্‌কাৰক প্রয়োগ' নামৰ গ্রন্থখনত ছয়বিধ কাৰকৰ প্রয়োগৰ বিধি দেখুওৱা হৈছে। 'লৌকিক পদমঞ্জৰী' নামৰ গ্রন্থত পদ গঠনৰ বিভিন্ন উপায় আলোচনা কৰা হৈছে। 'ধাতুৰূপ প্রকৰণ' গ্রন্থত ধাতুৰূপসমূহৰ বৈশিষ্ট্য দেখুওৱা হৈছে।

বৈয়াকৰণ পুৰুষোত্তম বিদ্যাবাগীশে তিনিখন কোষ গ্রন্থ অর্থাৎ অভিধানো প্রণয়ন কৰিছিল। ইয়াৰে ভিতৰত 'শব্দভেদ প্রকাশ' নামৰ গ্রন্থত একাধিক অর্থযুক্ত শব্দৰ ভিন্ ভিন্ অর্থত প্রয়োগ বিধি দেখুওৱা হৈছে। 'উষ্মভেদ প্রকাশ' নামৰ গ্রন্থত শব্দত উষ্মবর্ণ কেইটাৰ (শ, ষ, স, হ) প্রয়োগ দেখুওৱা হৈছে। আনহাতে 'অঙ্কুৰাৱলী কোষ' নামৰ গ্রন্থখনত অনেক শব্দ, খণ্ডবাক্য আৰু বাক্যাংশৰ অর্থজ্ঞাপক, ব্যাখ্যাত্মক টোকা পোৱা যায়।

**২.৯ ছন্দশাস্ত্র**

প্রাচীন অসমত ছন্দশাস্ত্রৰ চর্চাৰ উমান পোৱা যায়। কোচ ৰজা নৰনাৰায়ণ (১৫৪০-১৫৮৪)ৰ সভাকবি কর্ণপুৰে 'বৃত্তমালা' নামৰ এখন ছন্দশাস্ত্র প্রণয়ন কৰে। ইয়াত কাব্যত প্রয়োগ হোৱা বিভিন্ন ছন্দৰ লক্ষণেৰে সৈতে বিশ্লেষণ কৰা হৈছে।

**২.১০ স্মৃতিশাস্ত্র**

ইতিমধ্যে আলোচনা কৰা হৈছে প্রাচীন কামৰূপ স্মৃতিশাস্ত্রৰ ক্ষেত্রত এক উর্বৰ ভূমি আছিল। 'কামৰূপীয় স্মৃতি সম্প্রদায়' বুলি অসমত স্মৃতিশাস্ত্রৰ এক সুকীয়া ধাৰাই প্রচলিত হৈ আছিল। অসমৰ স্মৃতিশাস্ত্রকাৰসকলৰ ভিতৰত নীলাম্বৰাচার্যই প্রাচীনতম, যিজনে ত্রয়োদশ শতিকাতে ধর্মশাস্ত্র প্রণয়ন কৰিছিল।

**মহামহোপাধ্যায় পীতাম্বৰ সিদ্ধান্ত বাগীশ (১৫২৪-১৬১৫)** ঃ কামৰূপীয় স্মৃতি-নিৱন্ধকাৰসকলৰ ভিতৰত অন্যতম হৈছে পীতাম্বৰ সিদ্ধান্ত বাগীশ। মহাৰাজ নৰনাৰায়ণৰ

ৰাজসভা শুৱনি কৰা পণ্ডিত সিদ্ধান্ত বাগীশে ১৮খন স্মৃতিশাস্ত্ৰ ৰচনা কৰিছে. এই ১৮খন স্মৃতিশাস্ত্ৰ হৈছে— (১) দণ্ডকৌমুদী, (২) প্ৰেতকৌমুদী, (৩) বৃহষ্টাসৰ্গকৌমুদী, (৪) প্ৰমাণকৌমুদী, (৫) শ্ৰাদ্ধকৌমুদী, (৬) দুৰ্গোৎসৱকৌমুদী, (৭) একাদশীকৌমুদী, (৮) শুদ্ধিকৌমুদী, (৯) প্ৰতিষ্ঠাকৌমুদী, (১০) সংকল্পকৌমুদী, (১১) প্ৰায়শ্চিত্তকৌমুদী, (১২) তীৰ্থকৌমুদী, (১৩) কালকৌমুদী, (১৪) পঞ্চদীক্ষাকৌমুদী, (১৫) সম্বন্ধকৌমুদী, (১৬) তিথিকৌমুদী, (১৭) দায়কৌমুদী আৰু (১৮) আচাৰকৌমুদী।

**দামোদৰ মিশ্ৰ ঃ** মহামহোপধ্যায় ৰাজগুৰু দামোদৰ মিশ্ৰ এজন কামৰূপৰ প্ৰসিদ্ধ স্মৃতিকাৰ। তেওঁৰ প্ৰসিদ্ধ স্মৃতিশাস্ত্ৰখনৰ নাম হৈছে গঙ্গাজল। এইখন ১৩৬০ শকত (খ্ৰীঃ ১৪৩৮) ৰচনা কৰা হৈছিল। এই গ্ৰন্থখনত ঘাইকৈ প্ৰায়শ্চিত্ত, বিবাহ আৰু অসমৰ সামাজিক তথা ধৰ্মীয় সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। গ্ৰন্থখনত দুটা ভাগ পোৱা যায়। প্ৰথমটো 'বাল প্ৰবোধ' হিচপে জনা যায়, য'ত প্ৰায়শ্চিত্তৰ কথাসমূহ আলোচিত হৈছে। দ্বিতীয় ভাগটোৰ নাম হৈছে 'স্মৃতি-সাগৰ সাৰ' অথবা 'সাৰ-সংগ্ৰহ'।

**শম্ভুনাথ সিদ্ধান্ত মিশ্ৰ ঃ** অষ্টাদশ শতিকাৰ অসমৰ এজন স্মৃতিশাস্ত্ৰবিদ হৈছে মহামহোপধ্যায় শম্ভুনাথ সিদ্ধান্ত মিশ্ৰ। তেওঁ ১২ খন পৃথক স্মৃতিশাস্ত্ৰ ৰচনা কৰে, যাক একেলগে 'দ্বাদশ ভাস্কৰ' নামেৰে জনা যায়। কেইখনমান ভাস্কৰৰ নাম এনেধৰণৰ— কালভাস্কৰ, বৰ্ষভাস্কৰ, দিলভাস্কৰ, বিবাহ-ভাস্কৰ, কৰ্মপদ্ধতি ভাস্কৰ, অশৌচ ভাস্কৰ, কৃত্যপদ্ধতি ভাস্কৰ, দেৱীপূজা ভাস্কৰ ইত্যাদি।

## ২.১১ সাৰাংশ (Summing Up)

ওপৰৰ আলোচনাৰ পৰা এই কথাটো প্ৰতীয়মান হ'ল যে, প্ৰাচীন কালৰে পৰা অসমত এটি সংস্কৃত চৰ্চাৰ পৰম্পৰা এটা গঢ় লৈ উঠিছিল। প্ৰাচীন অসমৰ ভৌম, শালস্তম্ভ, পাল বংশীয় ৰজাসকলৰ আমোলত সংস্কৃত ভাষাই যথাযথ সন্মান লাভ কৰিছিল। তেনেদৰে আহোম, কোচ আদি ৰজাসকলৰ পৃষ্ঠপোষকতাতো সংস্কৃত ভাষাই ৰাজকীয় মৰ্যদা লাভ কৰিবলৈ সক্ষম হৈছিল। মধ্যযুগৰ অসমত নৱবৈষ্ণৱ আন্দোলনে বৌদ্ধিক বুনিয়াদ সৃষ্টি কৰা সময়ত সংস্কৃত ভাষাত অগাধ দক্ষতা থকা কবি-মনিষীসকলে সংস্কৃত ভাষা চৰিত সাহিত্যিক উৎস হিচাপে লৈ সংস্কৃত অধ্যয়ন পৰম্পৰাক আগবঢ়াই নিছিল। শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত বৈষ্ণৱ কবিসকলে সংস্কৃত গ্ৰন্থসমূহ থলুৱা অসমীয়ালৈ অনুবাদ কৰাৰ উপৰিও স্বকীয়ভাৱে সংস্কৃত গ্ৰন্থও প্ৰণয়ন কৰিছিল। শংকৰদেৱৰ উত্তৰসুৰীসকলেও সেই একেই পন্থা অৱলম্বন কৰা দেখিবলৈ পোৱা যায়। সেই সময়ৰে আন সংস্কৃত পণ্ডিতসকলে সংস্কৃতৰ বৌদ্ধিক জগতক আগবঢ়াই নি সংস্কৃতৰ সাহিত্যিক বিভিন্ন উপভাগত সংস্কৃত গ্ৰন্থ প্ৰণয়ন কৰে। তেওঁলোকে সংস্কৃতত কাব্য ৰচনা কৰাৰ উপৰিও বহুকেইখন সংস্কৃত নাটক উপহাৰ দি থৈ যায়। সেই সময়ৰ অসমীয়া সংস্কৃত পণ্ডিতসকলে ব্যাকৰণ শাস্ত্ৰ, ছন্দশাস্ত্ৰ, স্মৃতিশাস্ত্ৰ আদিতো স্বকীয় সংস্কৃত গ্ৰন্থেৰে অৱদান আগবঢ়াই থৈ গৈছে।

## ২.১২ আৰ্হি প্ৰশ্ন (Sample Questions)

প্ৰঃ১ ঃ বৈষ্ণৱ যুগৰ কালছোৱাৰ অসমত সংস্কৃত ভাষা চৰ্চা বিষয়ক এটি আলোচনা আগবঢ়াওক।

প্ৰঃ২ ঃ সংস্কৃত সাহিত্যৰ ভঁৰাললৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান সম্পৰ্কে আলোচনা কৰক।

প্ৰঃ৩ ঃ হৰিদেৱক সংস্কৃত সাহিত্যৰাজিৰ পৰিচয় দিয়ক।

প্ৰঃ৪ ঃ সংস্কৃত সাহিত্যজগতলৈ ভট্টদেৱে কেনে অৱদান আগবঢ়াইছে সংক্ষেপে আলোচনা কৰক।

প্ৰঃ৫ ঃ সংস্কৃত ব্যাকৰণ সাহিত্যলৈ অসমীয়া সংস্কৃত পণ্ডিতৰ অৱদান সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰঃ৬ ঃ পীতাম্বৰ সিদ্ধান্ত বাগীশৰ ধৰ্মশাস্ত্ৰসমূহৰ পৰিচয় দিয়ক।

## ২.১৩ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

গোস্বামী, মালিনী, অসমত সংস্কৃত চৰ্চাৰ ইতিহাস, গুৱাহাটী ঃ অসম সাহিত্য সভা, ১৯১৮।

Shastri, Biswanarayan, Sanskrit in Assam Through the Ages. New Delhi : Rashtriya Sanskrit Sanstha, 1998.

বৰ্মন, শিৱনাথ (সম্পাঃ), অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড), গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ১৯৯৭।

গোস্বামী, অশোক কুমাৰ, ঐতিহ্য ঃ ভাৰতীয় সাহিত্য, গুৱাহাটী ঃ আইকণ প্ৰকাশন, ২০০৭।

Sarma, Jagadish, Contribution of Ancient Kamarupa (Assam) in the field of Dharmasastra : An observation, Pub. in Pragjyotisacandrika. Guwahati : Dept. of Sanskrit, Gauhati University, 2015.

Neog, Maheswar. The Bhakti, Ratnakara of Sankaradeva and History of the concept of Bhakti, Patiwala : Punjab University, 1982.

হাজৰিকা, (ড°) সোণালী বৰা, ভক্তিৰত্নাকৰ, গুৱাহাটী ঃ হৰকান্ত হাজৰিকা, লাচিতনগৰ, ২০১৭।

বৰা, (ড°) ইন্দিৰা শইকীয়া (সম্পাঃ), ভক্তিৰত্নাৱলী, নগাঁও ঃ শ্ৰীমন্ত শংকৰদেৱ সংঘ, ২০১৪।

## ২.১৪ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰঃ উঃ অনন্ত কন্দলীয়ে

২নং প্ৰঃ উঃ ভক্তি ৰত্নাকৰ

৩নং প্ৰঃ উঃ ৩৮ টা

৪নং প্ৰঃ উঃ ১৭৯ টা

৫নং প্ৰঃ উঃ   সন্দষ্ট যমক
৬নং প্ৰঃ উঃ   মাধৱদেৱ
৭নং প্ৰঃ উঃ   আদিকাণ্ড
৮নং প্ৰঃ উঃ   হৰিদেৱে
৯নং প্ৰঃ উঃ   শ্ৰীমদ্‌ভক্তিবিবেক
১০নং প্ৰঃ উঃ ষষ্ঠিকাদাস

# তৃতীয় বিভাগ
## আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰা

**বিভাগৰ গঠন ঃ**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ আধুনিক অসম — এটি সমাগত ধাৰণা
৩.৪ সংস্কৃত সাহিত্য — এটি সামূহিক ধাৰণা
৩.৫ আধুনিক অসমত সংস্কৃত শাস্ত্ৰগ্ৰন্থৰ ধাৰা
৩.৬ আধুনিক অসমত সংস্কৃত সাহিত্যৰ সৃষ্টি
৩.৬.১ আধুনিক অসমত ৰচনা হোৱা শাস্ত্ৰগ্ৰন্থ
৩.৬.২ আধুনিক অসমত ৰচনা হোৱা সংস্কৃত কবিতাপুথি
৩.৬.৩ আধুনিক অসমত ৰচিত সংস্কৃত প্ৰবন্ধ উপন্যাস আদি গ্ৰন্থ
৩.৭ সাৰাংশ (Summing Up)
৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)
৩.১০ অগ্ৰগতিৰ খতিয়ান


## ৩.১ ভূমিকা (Introduction)

ভাৰতবৰ্ষত সংস্কৃত সাহিত্যৰ ধাৰাটোৱে সুপ্ৰাচীন কালৰে পৰা নিৰবচ্ছিন্নৰূপত চলি আহিছে। বেদ-বেদান্ত-পুৰাণ-ইতিহাস-মহাকাব্য-নাটক-গদ্যকাব্য আদি বিভিন্ন স্তৰৰ মাজেদি গৈ সংস্কৃত সাহিত্য সম্ভাৰে এক বিস্তৃত পৰিসীমাৰ সৃষ্টি কৰিছে ভাৰতীয় সাহিত্যাকাশত। সংস্কৃত পৰিবৰ্ত্তি সময়ত প্ৰাকৃত-পালি-অপভ্ৰংশ আদি বিভিন্ন ভাষিক ৰূপ পৰিবৰ্ত্তনৰ আৱিৰ্ভাৱ ঘটিলেও সংস্কৃত ভাষাত ৰচনা কৰা সাহিত্যধাৰাৰ এক বাধাহীন গতি লক্ষ্য কৰা যায় ভাৰতবৰ্ষৰ অধিকাংশ ঠাইতে। অসমত ইয়াৰ ব্যতিক্ৰম নহয়। কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থই এই কথাৰ সাক্ষ্য বহন কৰি আহিছে। বিভিন্ন শিলালিপি, তাম্ৰলিপি আদিও অসমত প্ৰবহমান সংস্কৃত সাহিত্যধাৰাৰ প্ৰতীকৰূপে চিহ্নিত হৈছে। বিভিন্ন সময়ত বহুসংখ্যক পণ্ডিতে এই দিশতে তেঁলোকৰ গৱেষণা আগবঢ়াই লৈ গৈছে আৰু বিভিন্ন ধৰণৰ তথ্যনিষ্ঠ, প্ৰমাণভিত্তিক সিদ্ধান্তৰ সৈতে তেওঁলোকে বহুতো নজনা কথাক আবিষ্কাৰ কৰি পাঠকসকলৰ বাবে আকৰ্ষক সমল সৃষ্টি কৰি থৈ গৈছে। অসমত সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে হোৱা গৱেষণা কিন্তু এতিয়াও স্তব্ধ হোৱা নাই। কিয়নো ভাৰতৰ আন কিছু ঠাইৰ দৰে অসমতো সংস্কৃত সাহিত্যৰ প্ৰৱাহটো প্ৰাচীন তথা মধ্যযুগ অতিক্ৰম কৰি আধুনিক যুগলৈকে এক বিশেষ গতিৰে ধাৱমান হৈ আহিছে। সাহিত্য যিহেতুকে সমাজৰ দাপোণস্বৰূপ আৰু সমাজ যিহেতুকে স্থিতিস্থাপক যন্ত্ৰ নহয়,

সেইবাবে সমাজত হোৱা পৰিবৰ্ত্তনৰ প্ৰতিফলন ঘটে সাহিত্যত অতি স্বাভাৱিকভাবে। এই নিয়ম অনুসৰি আধুনিক অসমৰ সংস্কৃত সাহিত্যতো আমি পৰিবৰ্ত্তনৰ বিশালতা দেখিবলৈ পাওঁ। প্ৰাচীন বা মধ্য অসমত ৰচনা হোৱা সংস্কৃত সাহিত্য আৰু আধুনিক অসমত ৰচনা হোৱা সংস্কৃত সাহিত্যৰ ভাষাগত, ৰূপকল্প সম্বন্ধীয় অথবা বিষয়বস্তুৰ বিভিন্নতা সহজেই চকুত পৰে। কিন্তু সাহিত্যৰ এই যুগভিত্তিক পৰিবৰ্ত্তনৰ মাজতেই প্ৰাণময়তাক বিছাৰি পোৱা যায় আৰু যুগকেন্দ্ৰিক নহলে সাহিত্য সজীৱ হৈ থাকিব নোৱাৰে। শব্দ আৰু অৰ্থৰ সাহাৰ্য্যই সাহিত্যক সৃষ্টি কৰে কিন্তু শব্দ আৰু অৰ্থৰ ৰূপময় তাই সাহিত্যক ভেটি সুদৃঢ় কৰে। যুগৰ পৰিবৰ্ত্তনৰ মাজেদি সামাজিক ৰীতি-নীতি-জীৱন ব্যৱস্থা আদিৰ বিভিন্নতাও প্ৰতিফলিত হয় সাহিত্যত। আৰু এই পৰিবৰ্ত্তন আজিয়েই নিশ্চিত কৰে সাহিত্যৰ সময়সীমাক। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে, যিহেতুকে সাহিত্যৰ এটা নিজা গতি থাকে, সেই কাৰণে সময়ৰ নিৰ্দ্দিষ্ট সীমাৰ বান্ধোনেৰে কঠোৰভাবে সাহিত্যক বান্ধি ৰখা নাযায়। সেইবাবে, প্ৰাচীনযুগৰ সাহিত্যতো আধুনিকতাৰ স্পৰ্শ পোৱা যায় কেতিয়াবা, আকৌ আধুনিক যুগত ৰচিত সাহিত্যৰ মাজতো কেতিয়াবা প্ৰাচীন ধ্যান-ধাৰমাৰ ভাৱ সুস্পষ্ট ৰূপত ধৰা দিয়ে। আৰু সেইবাবে প্ৰাচীন 'আধুনিক সাহিত্য' আৰু 'আধুনিক যুগৰ সাহিত্য'ৰ মাজত যথেষ্ট পাৰ্থক্য থকা পৰিলক্ষিত হয়। আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে আলোচনা কৰিব যাওঁতে এই বিন্দুসমূহৰ বিষয়ে মনোযোগ দিয়াটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ভবাটো প্ৰয়োজনীয়। অন্যথা, সময়ৰ প্ৰেক্ষাপটত বিষয়বস্তুৰ গাম্ভীৰ্যই সঠিক সিদ্ধান্ত গ্ৰহণত বাধাৰ সৃষ্টি কৰিব পাৰে। গতিকে, যুগকেন্দ্ৰিক সাহিত্যধাৰাৰ বিশ্লেষণ প্ৰক্ৰিয়াত সময়ৰ সীমানিৰ্দ্ধাৰণ তথা বিষয়বস্তুৰ নিৰ্মোহ পৰ্যালোচন অত্যন্ত আৱশ্যকীয়।

## ৩.২ উদ্দেশ্য (Objectives)

আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে আলোচনা কৰিব যাওঁতে সময়সীমা নিৰ্দ্ধাৰণ আৰু বিষয়বস্তুৰ বিশ্লেষণৰ প্ৰয়োজনীয়তা পৰিলক্ষিত হ'ব বুলি ধাৰণা কৰিব পাৰি। আধুনিক অসমৰ বিস্তৃতি বা ধাৰণাক আধাৰ হিচাপে লৈহে অসমৰ ভূমিত ৰচনা হোৱা সংস্কৃত সাহিত্যৰ আকৰগ্ৰন্থসমূহৰ পৰিচয় জানিব লাগিব এই ক্ষেত্ৰত। উক্ত অধ্যায়টোত সংস্কৃত সাহিত্য, আধুনিক অসম তথা আধুনিক অসমত ৰচনা কৰা কাব্য বা সাহিত্যৰ প্ৰবহমানৰূপটোক প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হ'ব। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- সংস্কৃত সাহিত্যৰ বিষয়ে এটা সামূহিক আভাস পাব
- আধুনিক অসমৰ পৰিসীমাৰ বিষয়ে জানিব পাৰিব
- সু-প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈকে প্ৰৱহমান সংস্কৃত সাহিত্যৰাজিৰ বিষয়ে অৱগত হ'ব
- অসমতো প্ৰাচীনকালৰে পৰা চলি আহা সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে জানিব পাৰিব

- আধুনিক অসমত ৰচিত সংস্কৃত সাহিত্যৰ বিষয়ে অবগত হ'ব।
- সাহিত্যশাস্ত্ৰ, কাব্যশাস্ত্ৰ, কাব্যকবি, শাস্ত্ৰকবি, শাস্ত্ৰকাব্য ইত্যাদিৰ বিষয়ে জানিব পাৰিব।

## ৩.৩ আধুনিক অসমত — এটি সময়গত ধাৰণা

আপোনালোকে ইতিমধ্যে জানিছে যে সাহিত্য অধ্যয়নৰ লগত সময়কালীন প্ৰেক্ষাপটৰ এক গভীৰ সম্পৰ্ক আছে। সাহিত্য-সমাজৰ লগত জড়িত আৰু সমাজ এখনে পাৰিপাৰ্শ্বিকতাৰ ওপৰত নিৰ্ভৰ কৰিহে গতি কৰে। সমাজ এখনৰ কেন্দ্ৰবিন্দুত থাকে সময়। সাময়িক ৰীতি-নীতি, কলা-কৃষ্টিৰ বান্ধোনেৰে গঢ়ি উঠা সমাজক ভেটি হিচাপে লৈ সৃষ্টি হয় সাহিত্যৰ। সেইবাবে সাহিত্যৰ বিশ্লেষণৰ ক্ষেত্ৰখনত সময়ৰ ধাৰণাই এটা শক্তিশালী অক্ষ হিচাপে কাম কৰে। গতিকে আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে আলোচনা কৰিব যাওঁতে প্ৰথমতে আধুনিক অসমৰ বিষয়ে ধাৰণা গ্ৰহণ কৰাটো আৱশ্যক।

সাহিত্য বা ইতিহাসৰ দৃষ্টিত অসমক্ষেত্ৰক মূলত ঃ তিনি ধৰণে ভগাব পাৰি। সেয়া হ'ল প্ৰাচীন অসম, মধ্য অসম আৰু আধুনিক অসম। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল যে সাহিত্য আৰু ইতিহাসৰ প্ৰেক্ষাপটত সময়বিভাজনৰ ধাৰণা যে একে হব সেয়া নহয়। বিভিন্ন ঠাইতে এইক্ষেত্ৰত পাৰ্থক্য দেখিবলৈ পোৱা যায়। অৰ্থাৎ ইতিহাসভিত্তিক প্ৰাচীন- মধ্য আৰু আধুনিক কাল নিৰ্দ্ধাৰণ সকলো সময়তে সাহিত্যভিত্তিক প্ৰাচীন-মধ্য আৰু আধুনিক স্তৰৰ লগত একে নহয়। ইয়াৰ উপৰিও মনীষীৰ সময়ক কেন্দ্ৰ কৰিও প্ৰাচীন-মধ্য বা আধুনিক সময়ক প্ৰস্তুত কৰা হৈ থাকে।

অসমতো আমি এইদৰে কালভিত্তিক সাহিত্যধাৰাক বিছাৰি পাওঁ। এই কাল নিৰ্ণয় ঐতিহাসিক কাল নিৰ্ণয় প্ৰক্ৰিয়াতকৈ ভিন্ন আৰু এই বিষয়টো এটা নিৰ্দ্দিষ্ট ধাৰাত গতি কৰিছে। উদাহৰণেৰে বিষয়টো স্পষ্ট কৰিবলৈ যত্ন কৰা হ'ল। নবীন চন্দ্ৰ শৰ্মাদেৱৰ মতে, আৰম্ভণিৰ পৰা ১৮২৬ খ্ৰীষ্টাব্দলৈকে যিমানখিনি অসমীয়া লিখিত সাহিত্য আছে সেইখিনিক একেলগে কৰি পুৰণী অসমীয়া সাহিত্য হিচাপে স্বীকাৰ কৰা হৈছে। তেখেতৰ মতে মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আদিও প্ৰাচীন অসমৰ সাহিত্যকাৰ। আৰু পৰৱৰ্ত্তী সময়ত ৰাজনৈতিক প্ৰভাৱত প্ৰাচীন অসমীয়া সাহিত্যত থকা ধাৰবোৰ পৰিৱৰ্ত্তিত হ'ব ধৰে আৰু নতুন এক সাহিত্য পৰম্পৰাৰ মাজেদি গৈ আধুনিক অসমীয়া সাহিত্য সৃষ্টি হব ধৰে। অৰ্থাৎ এইক্ষেত্ৰত প্ৰাচীন অসম আৰু আধুনিক অসমৰ ধাৰণাৰ বিষয়টো ৰাজনৈতিক পৰিৱৰ্ত্তনাভিত্তিক তথা ১৮২৬ খ্ৰীষ্টাব্দ কেন্দ্ৰিক সামাজিক পৰিৱৰ্ত্তনৰ ওপৰত নিৰ্ভৰশীল বুলি বিবেচিত হৈছে।

আনফালে ঐতিহাসিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে অসমত সময়কেন্দ্ৰিক তিনিটা যুগৰ সন্ধান পোৱা যায়। সেইবোৰ হ'ল — প্ৰাচীন, মধ্য আৰু আধুনিক যুগ। আৰু এই

তিনিটা যুগৰ ভিত্তিতেই অসমৰ সাহিত্যক বান্ধ খুৱাইছে বহুতো পণ্ডিতে। এই পণ্ডিতসকলে দ্বাদশ শতিকা পৰ্যন্ত খ্ৰীষ্টাব্দক প্ৰাচীনযুগ বুলি স্বীকাৰ কৰে, ত্ৰয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকাক মধ্যযুগ হিচাপে গ্ৰহণ কৰে আৰু ঊনবিংশ শতিকাৰ প্ৰাৰম্ভকালৰ পৰা আধুনিক যুগৰ উন্মেষ হোৱা বুলি অভিমত ব্যক্ত কৰিছে এই পণ্ডিতসকলে। এই যুগবিভাজন প্ৰক্ৰিয়াত কিন্তু শঙ্কৰদেৱৰ যুগটো মধ্যযুগৰ অন্তৰ্ভুক্ত হয়। অসমৰ সাহিত্যিক প্ৰেক্ষাপটত আন এটা যুগ বিভাজন প্ৰক্ৰিয়া দেখিবলৈ পোৱা যায়। সেয়া হ'ল প্ৰাক্‌শঙ্কৰী যুগ, শঙ্কৰীযুগ আৰু শঙ্কৰ পৰবৰ্ত্তী যুগ। এই ক্ষেত্ৰত স্বাভাৱিক ৰূপতেই আধুনিক অসমৰ ধাৰণাটো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰবৰ্ত্তী সময়ৰ অংশ হিচাপে সংযোজিত হয়। কিন্তু এনেবোৰ ধাৰণাৰ ভিত্তিত নিৰ্দ্দিষ্টভাৱে আধুনিক যুগৰ আৰম্ভণিসূচক সময়ক দাঙি ধৰা নাযায় সাহিত্যৰ ক্ষেত্ৰখনত। কিয়নো সাহিত্যে সদায় নিজৰ গতিত যাত্ৰা কৰে আৰু সময়ৰ বান্ধোন সকলো ক্ষেত্ৰত সাহিত্যৰ প্ৰেক্ষাপটত নিৰ্দ্দিষ্ট নিয়ম অনুসৰণ নকৰা দেখা পোৱা যায়। তদুপৰি, সত্যেন্দ্ৰনাথ শৰ্মাই পুনৰ ১৩০০ চনৰ পৰা ১৮৩০ খ্ৰীষ্টাব্দলৈকে সময়ছোৱাক মধ্যযুগ বুলি ধৰিছে। গতিকে তেখেতৰ অভিমত হ'ল ১৮৩০ চনৰ পিছৰ সময়খিনিহে আধুনিক অসমৰ সূচনা কৰে।

যিয়েই নহওঁক, সময়ৰ নিৰ্দ্দিষ্ট ধাৰণাৰ ক্ষেত্ৰত পণ্ডিতসকলৰ মাজত মত পাৰ্থক্য থাকিলেও আধুনিক অমসৰ অস্তিত্বক বিচাৰিব গৈ ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ আৰম্ভণিক আমি বিস্তৃতৰূপত এই প্ৰক্ৰিয়াৰ লগত সংযোজিত কৰিব পাৰো।

### আত্মমূল্যায়ণ প্ৰশ্ন

**প্ৰশ্ন নং ১ ঃ** সাহিত্যৰ লগত যুগ বা সময়ৰ কি সম্বন্ধ? (৬০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.............................................................................

**প্ৰশ্ন নং ২ ঃ** অসমৰ ইতিহাসত যুগৰ ধাৰণাটো কিদৰে কৰা হয়? (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................................................

## ৩.৪ সংস্কৃত সাহিত্য — এটা সামূহিক ধাৰণা

আপোনালোকে ইতিমধ্যে সংস্কৃত সাহিত্যৰ বিষয়ে বহু কথা জানিছে। তথাপিও, সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে জানিবলৈ গলে সংস্কৃত সাহিত্য সম্বন্ধে কিছু বিশেষ কথা জনাটো আৱশ্যক। এইক্ষেত্ৰত প্ৰথম জানিবলগীয়া কথাটো হ'ল যে সংস্কৃত সাহিত্যত সকলোধৰণৰ সাহিত্য কৰ্মক 'কাব্য' পদেৰে অভিহিত কৰা হয় আৰু সাহিত্য প্ৰণেতাক 'কৰি' বুলি কোৱা হয়। 'ৰাক্যং ৰসাত্মকং কাব্যম্' — এই সংজ্ঞা অনুসৰি সংস্কৃত সাহিত্যত ৰসযুক্ত ৰাক্য বা ৰসাত্মক ৰাক্যকেই কাব্য বুলি কোৱা হয় আৰু কাব্যকৰ্ত্তা বা

কাব্যপ্ৰণেতাজনক কৱি বুলি আখ্যা দিয়া হয়। সেইবাবে, ‘অভিজ্ঞান শকুন্তলম্’ নামৰ নাটকখনো কাব্য তথা ‘ৰঘুৱংশম্’ নামৰ শ্লোকাত্মক ৰচনাটোও কাব্য আৰু ‘হৰ্যচৰিতম্’ নামৰ গদ্যাত্মক ৰচনাও কাব্য। সেইমৰ্মে কালিদাসে ‘অভিজ্ঞান শকুন্তলম্’ নামৰ নাটকখন ৰচনা কৰিও মহাকৱি, তথা ‘ৰঘুবংশ’ নামৰ কাব্যৰচনা কৰিও তেখেতে মহাকৱি আৰু বাণভট্টই ‘হৰ্যচৰিত’ নামৰ গদ্যকাব্য ৰচনা কৰিও মহাকৱি হিচাপে সংস্কৃত সাহিত্যত প্ৰতিষ্ঠা লাভ কৰিছে।

দৃশ্য আৰু শ্ৰব্য ভেদে সংস্কৃতকাব্য প্ৰধানতঃ দুই প্ৰকাৰৰ দৃশ্যকাব্যক ৰূপক বুলি কোৱা হয়। গদ্যাত্মক, পদ্যাত্মক তথা মিশ্ৰ হিচাপে সংস্কৃত কাব্য মূলতঃ তিনিধৰণৰ। গদ্য আৰু পদ্যৰ মিশ্ৰণত ৰচনাকাৰ। কাব্যক চম্পূকাব্য বুলি কোৱা হয়। ইয়াৰ উপৰিও খণ্ডকাব্য, বিৰুদ আদি বিভিন্ন প্ৰকাৰৰ কাব্যভেদ সংস্কৃত সাহিত্য জগতত দেখিবলৈ পোৱা যায়। কিন্তু এই প্ৰকাৰসমূহ সাধাৰণতে কাব্যৰ প্ৰাকৃতিগত বিভাজন। সংস্কৃত সাহিত্যত কাব্যসমূহক প্ৰকৃতিগতভাৱেও বিভাজিত কৰা হৈছে। সংস্কৃত বাঙ্ময়ক বিস্তৃতৰূপত দুটা ভাগত ভগোৱা হৈছে প্ৰকৃতিগত দিশত। সেয়া হ’ল শাস্ত্ৰ আৰু কাব্য। আলঙ্কাৰিক ৰাজশেখৰে তেখেতৰ কাব্যমীমাংসা গ্ৰন্থত কৱিৰ প্ৰকাৰ তিনিবিধ বুলি উল্লেখ কৰিছে, যেনে — শাস্ত্ৰকৱি, কাব্যকৱি আৰু উভয়কৱি। শাস্ত্ৰকবিয়ে কাব্যত ৰসসম্পদক বিস্তীৰ্ণ কৰে। সেইকাৰণে যিগৰাকী কবিয়ে শাস্ত্ৰ ৰচনা কৰে, অথবা যিগৰাকী কৱিয়ে শাস্ত্ৰত কাব্য সম্পাদনা কৰে অথবা যিগৰাকী কৱিয়ে কাব্যত শাস্ত্ৰাৰ্থৰ নিবন্ধন কৰে, তেওঁকে শাস্ত্ৰকৱি বুলি কোৱা হয়। অৰ্থাৎ, সংস্কৃত সাহিত্যত শাস্ত্ৰ ৰচনা কৰা জনকো কবি বুলি কোৱা হয়। সেই কাৰণে সংস্কৃত সাহিত্যত শাস্ত্ৰসমূহৰো কাব্যিক মূল্য বিচাৰ কৰা হয়।

গতিকে, সংস্কৃত সাহিত্যৰ বিস্তৃত ৰূপটো জানিব গলে এই ক্ষেত্ৰত শাস্ত্ৰসমূহৰো অন্তৰ্ভুক্তি প্ৰয়োজন। বৰ্তমান অধ্যায়ত আধুনিক অসমত সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে অধ্যয়ন কৰিব যাওঁতে আধুনিক কালত অসমত কি কি শাস্ত্ৰ-গ্ৰন্থ ৰচনা হৈছে — সেইবিষয়েও আলোকপাত কৰাটো অত্যন্ত প্ৰয়োজনীয়। কেৱলমাত্ৰ গদ্যাত্মক, পদ্যাত্মক বা নাট্যকাব্যসমূহৰ বিষয়ে কলেই এই বিষয়টো সম্পূৰ্ণ নহয়। এইক্ষেত্ৰত ধৰ্মশাস্ত্ৰ, ব্যাকৰণশাস্ত্ৰ, অভিধানগ্ৰন্থ আদিকো সামৰি লোৱা উচিত। সেইকাৰণে বৰ্তমান অধ্যায়ত আধুনিক অসমত ৰচিত সংস্কৃত কবিতা, গল্প, নাটক আদিৰ সৈতে সমান্তৰালভাৱে এই সময়ছোৱাত ৰচনা হোৱা শাস্ত্ৰগ্ৰন্থসমূহকো অন্তৰ্ভুক্ত কৰা হ’ব।

### আত্মমূল্যায়ণ প্ৰশ্ন

**প্ৰশ্ন নং ৩ ঃ** সংস্কৃত সাহিত্যত ব্যৱহাৰ হোৱা কাব্য পদৰ গুৰুত্ব আলোচনা কৰা। (২০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................................

..................................................................................................................

**প্রশ্ন নং ৪ ঃ** সংস্কৃত অলংকাৰশাস্ত্ৰ অনুসৰি কবিৰ বিভাগসমূহ কি কি? (৭৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

**প্রশ্ন নং ৫ ঃ** সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনত শাস্ত্ৰসমূহক কিয় অন্তৰ্ভুক্ত কৰা হয়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৩.৫ আধুনিক অসমত সংস্কৃত শাস্ত্ৰগ্ৰন্থৰ ধাৰা

আপোনালোকে ইতিমধ্যে প্ৰাচীন অসমত প্ৰচলিত সংস্কৃত শাস্ত্ৰৰ ধাৰাৰ বিষয়ে অবগত হৈছে। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, কামাখ্যাতন্ত্ৰ, কামৰূপীয় স্মৃতিশাস্ত্ৰ আদিৰ স্থিতিয়ে প্ৰমাণ কৰে যে প্ৰাচীন অসমত শাস্ত্ৰগ্ৰন্থ ৰচনাৰ এটা উজ্জ্বল ধাৰা বৰ্তি আছিল।

সেই ধাৰাটো পৰবৰ্তি সময়ত যথেষ্ট শক্তিশালী হৈ নাথাকিলেও কিন্তু বিভিন্ন সময়ত মধ্যযুগীয় অসমত বহুকেইজন শাস্ত্ৰকাৰে তেওঁলোকৰ নিজৰ নিজৰ ক্ষেত্ৰখনত আগবঢ়োৱা অৱদান হিচাপে বহুসংখ্যক শাস্ত্ৰগ্ৰন্থ ৰচনা কৰি থৈ গৈছে। এইক্ষেত্ৰত মহামহোপাধ্যায় পুৰুষোত্তম ভট্টাচাৰ্য্যদেবৰ প্ৰয়োগ ৰত্নমালাব্যাকৰণ, অনন্ত কন্দলিয়ে ৰচনা কৰা কল্পদ্ৰুম আৰু নীতিৰত্ন, পীতাম্বৰ সিদ্ধান্তবাগীশৰ কৌমুনীগ্ৰন্থসমূহ বিশেষভাবে উল্লেখযোগ্য।

সময়ৰ অগ্ৰগতিত অসমত প্ৰচলিত শাস্ত্ৰধাৰাই নিজৰ গতিত আগবাঢ়ি যায়। ধীৰেশ্বৰাচাৰ্য্যৰ বৃত্তমঞ্জুৰী নামৰ গ্ৰন্থখন ছন্দঃশাস্ত্ৰৰ ক্ষেত্ৰত এক অমূল্য সংযোজন বুলি এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। আনন্দৰাম বৰুৱাদেবৰ ইংলিছ-সংস্কৃত-ডিকছ'নাৰি গ্ৰন্থখন কোষগ্ৰন্থ হিচাপে লেখতলবলগীয়া এখন কিতাপ। তদুপৰি আধুনিক অসমৰ নামজলা সংস্কৃত পণ্ডিত অধ্যাপক মুকুন্দ মাধৱ শৰ্মাৰ ব্যঞ্জনপ্ৰপঞ্চ সমীক্ষা গ্ৰন্থখনে ধ্বনিশাস্ত্ৰৰ এখন উচ্চমানৰ গ্ৰন্থ হিচাপে বিদ্বৎমহলত স্থান লাভ কৰিছে।

ইয়াৰ বাহিৰেও আধুনিক অসমীয়া সাহিত্যৰ প্ৰাৰম্ভকালত প্ৰকাশিত হোৱা বিভিন্ন আলোচনীত সংস্কৃত শাস্ত্ৰগ্ৰন্থৰ আধাৰত আগবঢ়োৱা বিভিন্ন প্ৰবন্ধ থকা দেখিবলৈ পোৱা যায়। এইবোৰৰ ভাষা অসমীয়া হলেও প্ৰবন্ধসমূহত সংস্কৃত শাস্ত্ৰগ্ৰন্থৰ আলোচনা তথা প্ৰভাবেই অগ্ৰাধিকাৰ লাভ কৰিছিল। কিন্তু তৎপৰবৰ্তি সময়ত বিভিন্ন আগ্ৰাসনৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰি থকা অসমৰ বিদ্বৎসমাজ

কিছু সময়লৈকে সংস্কৃত শাস্ত্রাদি ৰচনাৰ পৰা আতৰি আহি অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে আত্মনিয়োগ কৰিছিল। অসমৰ সাহিত্য চ'ৰাত সংস্কৃত সাহিত্য ৰচনাৰ ক্ষেত্ৰখনত ই বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু এটা দীঘলীয়া সময়লৈকে সংস্কৃত সাহিত্যৰ ধাৰাটো ব্যাহত হৈ আছিল।

**অগ্ৰগতি খতিয়ান**

**প্ৰশ্ন নং ১ ঃ** শাস্ত্ৰকবি কোন?

**প্ৰশ্ন নং ২ ঃ** ধ্বনিশাস্ত্ৰৰ ওপৰত গ্ৰন্থ প্ৰণয়ন কৰা অসমৰ এগৰাকী আধুনিক সংস্কৃত পণ্ডিতৰ নাম লিখা।

**প্ৰশ্ন নং ৩ ঃ** আনন্দৰাম বৰুৱাদেৱে ৰচনা কৰা কোষগ্ৰন্থখনৰ নাম কি?

**প্ৰশ্ন নং ৪ ঃ** ধীৰেশ্বৰাচাৰ্য্যই কোন শাস্ত্ৰৰ গ্ৰন্থ লিখিছিল?

**প্ৰশ্ন নং ৫ ঃ** অসমত কৌমুদীগ্ৰন্থ ৰচনা কৰা প্ৰধান সংস্কৃত পণ্ডিত গৰাকীৰ নাম কি?

## ৩.৬ আধুনিক অসমত সংস্কৃত সাহিত্যৰ সৃষ্টি

আপোনালোকে ইতিমধ্যে প্ৰাচীনকালৰে পৰা আধুনিক সময়লৈকে অসমত হৈ থকা সংস্কৃত সাহিত্য ৰচনাৰ বিষয়ে চমু এটি আভাস পাইছে। এইক্ষেত্ৰত আধুনিক অসমত হোৱা শাস্ত্ৰৰচনাৰ বিষয়েও আপোনালোকে অবগত হৈছে। আধুনিক অসমত সংস্কৃত সাহিত্য ৰচনাৰ পৰিধিখন কিন্তু যথেষ্ট বিশাল। এইক্ষেত্ৰত মনকৰিবলগীয়া কথাটো হ'ল যে উক্ত ক্ষেত্ৰখন চহকী কৰি থৈ যোৱা প্ৰধান ব্যক্তিসকলৰ কিছুসংখ্যকে কিন্তু পৰম্পৰাগত পদ্ধতিত শিক্ষা লাভ কৰিছিল আৰু সৰহসংখ্যকে কিন্তু আধুনিক শিক্ষা পদ্ধতিৰ মাজেদি শিক্ষা লাভ কৰি নিজৰ নিজৰ ক্ষেত্ৰখনত প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছিল। অৰ্থাৎ আধুনিক অসমত পূৰ্বৰে পৰা চলি থকা পৰম্পৰাগত শিক্ষাৰে শিক্ষিত তথা ইংৰাজ শাসনকালত নতুনকৈ প্ৰবৰ্ত্তিত হোৱা শিক্ষা পদ্ধতিৰে শিক্ষাগ্ৰহণ কৰা সংস্কৃতজ্ঞ পণ্ডিত — এই দুই ধৰণৰ মানুহেই সংস্কৃত কাব্য সাহিত্য ৰচনাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল আধুনিক অসমত। উভয়বিধ পণ্ডিতেই শাস্ত্ৰ আৰু কাব্য ৰচনাৰ মাজেদি আধুনিক অসমৰ সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখন চহকী কৰি তুলিছে। বৰ্তমান লেখনিত এই বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

### ৩.৬.১ আধুনিক অসমত ৰচনা হোৱা শাস্ত্ৰগ্ৰন্থ

ঊনবিংশ শতিকাৰ আৰম্ভণি কালৰ পৰাই অসমত সংস্কৃত ভাষাত বিভিন্ন শাস্ত্ৰগ্ৰন্থ ৰচনা কৰি থকা হৈছে। এইক্ষেত্ৰত মন কৰা উচিত যে অধিকাংশ

সময়তেই পণ্ডিতসকলে প্ৰাচীন শাস্ত্ৰগ্ৰন্থক আধাৰ হিচাপে লৈ তেওঁলোকৰ গ্ৰন্থসমূহক আগুৱাই লৈ গৈছে। এইসমূহ শাস্ত্ৰগ্ৰন্থসমূহে বহুক্ষেত্ৰত প্ৰাচীন শাস্ত্ৰগ্ৰন্থত থকা জটিল তথ্য অথবা কঠিন আলোচনাক সহজবোধ্য কৰি তুলিছে। শ্ৰুতি-স্মৃতি-ব্যাকৰণ-ছন্দঃ-জ্যোতিষ আদি বিষয়ক প্ৰাচীন শাস্ত্ৰত থকা বহুতো গুৰুগম্ভীৰ আলোচনাই আধুনিক অসমত ৰচিত শাস্ত্ৰসমূহৰ মাজেদি সহজৰূপত পাঠক কুলৰ ওচৰত আহি পৰিছে। সেইবাবে, বহুক্ষেত্ৰতেই এই আধুনিক সময়ত ৰচিত গ্ৰন্থসমূহে বিশেষ বিশেষ প্ৰসঙ্গত মানুহৰ হস্তপুথি হিচাপে থিতাপি লৈছে। তদুপৰি কেৱল মাথোঁ অসমতেই নহয় উক্ত গ্ৰন্থসমূহক ভাৰতৰ বিভিন্ন প্ৰান্তত থকা মানুহে অত্যন্ত সন্মানৰ সৈতে গ্ৰহণ কৰা দেখা যায়। তলত এই শাস্ত্ৰগ্ৰন্থ সমূহৰ নাম আৰু লেখকৰ নাম দিয়া হ'ল।

| | |
|---|---|
| ক) <u>দৰ্শন শাস্ত্ৰগ্ৰন্থৰ নাম</u> | <u>লেখকৰ নাম</u> |
| ১. তাৰাৰ্চনতন্ত্ৰম্ | চক্ৰেশ্বৰ ভট্টাচাৰ্য্য |
| ২. শাক্তদৰ্শনম্ | চক্ৰেশ্বৰ ভট্টাচাৰ্য্য |
| ৩. ন্যায়দৰ্শনবিমৰ্শ | ড° কালিপ্ৰসাদ সিন্‌হা |
| ৪. মীমাংসানয়চন্দ্ৰিকা | ড° ৰাজেন্দ্ৰ নাথ শৰ্মা |
| ৫. ন্যায়পৰিচয় | অধ্যাপক উমাকান্ত দেবশৰ্মা শাস্ত্ৰী |
| খ) <u>স্মৃতিশাস্ত্ৰৰ গ্ৰন্থৰ নাম</u> | <u>লেখকৰ নাম</u> |
| ১. কামৰূপ যাত্ৰা পদ্ধতি | হলিৰাম ঢেকিয়াল ফুকন |
| ২. দশকৰ্মদৰ্পণ | ৰূপেশ্বৰ বুজৰবৰুৱা |
| ৩. নিত্য কৰ্ম পদ্ধতি | জীৱেশ্বৰ গোস্বামী |
| গ) <u>জ্যোতিষশাস্ত্ৰৰ গ্ৰন্থৰ নাম</u> | <u>লেখকৰ নাম</u> |
| ১. জ্যোতিষচিন্তামণি | জীৱেশ্বৰ গোস্বামী |
| ঘ) <u>অলংকাৰ শাস্ত্ৰৰ গ্ৰন্থৰ নাম</u> | <u>লেখকৰ নাম</u> |
| ১. ব্যঞ্জনাপ্ৰপঞ্চত সমীক্ষা | মুকুন্দ মাধৱ শৰ্মা |

ইয়াৰ উপৰিও সংস্কৃত শাস্ত্ৰগ্ৰন্থৰ আধাৰ হিচাপে লৈ আধুনিক অসমত বহুতো সংস্কৃত পণ্ডিতে বহুধৰণৰ শাস্ত্ৰমূলক গ্ৰন্থ ৰচনা কৰিছে।

### ৩.৬.২ আধুনিক অসমত ৰচনা হোৱা সংস্কৃত কবিতাপুথি

সংস্কৃত কবিতাপুঁথি ৰচনাৰ ক্ষেত্ৰত আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলে আগবঢ়োৱা অবদান সচাঁকৈয়ে লেখতলবলগীয়া। বিভিন্ন ছন্দেৰে, অলংকাৰ প্ৰয়োগৰে আধুনিক অসমৰ কবিসকলে বিচিত্ৰ আস্বাদৰ সংস্কৃত কবিতাগ্ৰন্থ পাঠকসকলক উপহাৰ দি গৈছে। এইখিনিতে মনত ৰখাটো

প্ৰয়োজনীয় যে সংস্কৃত কবিসকলে কবিতা অৰ্থাৎ শ্লোকৰ আকাৰেৰে বিভিন্ন ধৰণৰ কাব্যসম্পদ ৰচনা কৰি সংস্কৃত সাহিত্যৰ ভঁড়াল চহকী কৰি থৈছে। ইয়াৰে কিছুসংখ্যক ইতিহাসভিত্তিক, কিছুমান প্ৰশস্তিমূলক, কিছুমান পুনৰ চৰিতবৰ্ণন আৰু কিছুমান কল্পনাপ্ৰসূত। কিন্তু বিষয়বস্তু যেনেকুৱাই নহওঁক কিয় এইবোৰ কাব্যৰ কাব্যসুষমা তথা ছন্দোময়তা সততেই পাঠকৰ হৃদয় আকৰ্ষণ কৰে। তলত এইধৰণৰ কাব্যপুঁথিৰ এখনি তালিকা আগবঢ়োৱা হ'ল।

| গ্ৰন্থৰ শিৰোনাম | লেখকৰ নাম |
|---|---|
| ১. শোকপ্ৰকাশ | মহামহোপাধ্যায ধীৰেশ্বৰাচাৰ্য্য |
| ২. হৰ্ষপ্ৰকাশ | মহামহোপাধ্যায ধীৰেশ্বৰাচাৰ্য্য |
| ৩. মুমূৰ্ষগাথা | জীৱেশ্বৰ গোস্বামী |
| ৪. সতী জয়মতী | ভৱদেৱ ভাগৱতী |
| ৫. ভগৱৎ বন্দনম্ | শ্ৰীনৰায়ণ মিশ্ৰ |
| ৬. ভগৱৎশৰনাগতিঃ | শ্ৰীনাৰয়ণ মিশ্ৰ |
| ৭. প্ৰকামকামৰূপম্ | আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী |
| ৮. পতাকাম্নায় | আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী |
| ৯. উতংক ভৈক্ষম্ | আচাৰ্য মনোৰঞ্জন শাস্ত্ৰী |
| ১০. স্তুতি প্ৰশস্তি মঞ্জুৰী | অধ্যাপক মুকুন্দ মাধৱ শৰ্মা |
| ১১. শ্ৰীকৃষ্ণলীলা | বৈকুণ্ঠনাথ তৰ্কতীৰ্থ |
| ১২. হৃদিমে বদূষাংস্থিতিঃ | অধ্যাপক উমাকান্ত দেৱ শৰ্মা |
| ১৩. প্ৰশস্তিমঞ্জৰী | অধ্যাপক উমাকান্ত দেৱ শৰ্মা |
| ১৪. শ্ৰীশঙ্কৰদেৱ চৰিত্ৰম্ | ড° মহেশ্বৰ হাজৰিকা |
| ১৫. দীপিকা | ড° গোকুলেন্দ্ৰ নাৰায়ণ দেৱ গোস্বামী |
| ১৬. কুমাৰভাস্কৰ্যবৰ্মচৰিতম্ | অধ্যাপক দীপক কুমাৰ শৰ্মা |
| ১৭. ব্ৰহ্মপুত্ৰ | অধ্যাপক উমাকান্ত দেৱ শৰ্মা |

ইয়াৰ উপৰিও বিভিন্ন গ্ৰন্থৰ আৰম্ভণিত, মাজত অথবা শেষত গ্ৰন্থকাৰে বিশেষশৈলী অনুসৰণ কৰি সংস্কৃত শ্লোকৰ মাজেদি তেওঁলোকৰ কাব্যপ্ৰতিভাৰ চানেকী দাঙি ধৰিছে। এইক্ষেত্ৰত আনন্দৰাম বৰুৱা দেৱৰ জানকীৰামভাষ্যত থকা প্ৰাৰম্ভিক শ্লোক, তেখেতৰ ইংলিছ-সংস্কৃত ডিকছনাৰিৰ মঙ্গলবাচক শ্লোক তথা একেখন গ্ৰন্থৰ সামৰণিত থকা শ্লোককেইটা উল্লেখযোগ্য কাব্যসুষমাৰ চানেকী বহন কৰা এই শ্লোকসমূহ আধুনিক অসমৰ সংস্কৃত কবিসকলৰ কাব্য

প্রতিভাৰ পৰিচায়ক। তাৰোপৰি, বিভিন্ন সংস্কৃত কবিয়ে বেলেগ বেলেগ সময়ত কবিতাৰ আকাৰত কিছু সংস্কৃত গীত ৰচনা কৰিছে। সেইবোৰও প্ৰকৃততে একো একোটা সুমধুৰ কবিতা। যেনে, মুকুন্দ মাধৱ শৰ্মা বিৰচিত সুৰভাৰতীগীতম্, উমাকান্ত দেৱ শৰ্মাই ৰচনা কৰা ব্ৰহ্মপুত্ৰগীতম্। মালিনী গোস্বামীয়ে ৰচনা কৰা শ্ৰীকৃষ্ণকান্ত সন্দিকৈ সংস্তৱঃ, দীপক শৰ্মা বিৰচিত গীতম্ আদি এইক্ষেত্ৰত উল্লেখযোগ্য।

### ৩.৬.৩ আধুনিক অসমত ৰচিত সংস্কৃত প্ৰবন্ধ, উপন্যাস আদি গ্ৰন্থ

শাস্ত্ৰগ্ৰন্থ, গীত তথা কবিতাপুথিৰ উপৰিও আধুনিক অসমত প্ৰৱন্ধ, উপন্যাস আদি ৰূপতো সংস্কৃত সাহিত্যৰ বিকাশ ঘটা দেখিবলৈ পোৱা যায়। কবিতাপুথিৰ দৰে এইক্ষেত্ৰতো বিষয়বস্তুৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। এইবোৰ সংস্কৃতগ্ৰন্থ স্বমহিমাৰে জিলিকি আছে আধুনিক অসমৰ সংস্কৃত ভঁড়ালখনত। তলত এনেকুৱা সংস্কৃতগ্ৰন্থ কিছুমানৰ নাম লেখকৰ নামৰ সৈতে আগবঢ়োৱা হ'ল।

| গ্ৰন্থৰ নাম | লেখকৰ নাম |
|---|---|
| ১. অৱিনাশি (উপন্যাস) | বিশ্বনাৰায়ণ শাস্ত্ৰী |
| ২. হৃদয়সংবাদচয়নম্ (প্ৰবন্ধ সংকলন) | বিশ্বনাৰায়ণ শাস্ত্ৰী |
| ৩. লঘুলেখ লতিকা (প্ৰবন্ধ সংকলন) | অশোক কুমাৰ গোস্বামী |
| ৪. ভাৰতীয়চিন্তনম্ (ৰচনাসংকলন) | উমাকান্ত দেৱ শৰ্মা |

ইয়াৰ উপৰিও ভাষ্যগ্ৰন্থৰ মাজেদি আধুনিক অসমৰ সংস্কৃত পণ্ডিতে সাহিত্যৰ ক্ষেত্ৰত তেওঁলোকৰ অৱিহণা আগবঢ়াইছে। এইক্ষেত্ৰত আনন্দৰাম বৰুৱাদেৱে ৰচনা কৰা ভৱভূতিৰ মহাবীৰচৰিত নামৰ গ্ৰন্থখনৰ ওপৰত গদ্যশৈলীৰে ৰচনা কৰা জানকীৰামভাষ্য নামৰ ৰচনাটো লেখতলবলগীয়া। তদুপৰি, দীপক কুমাৰ শৰ্মাদেৱে ৰচনা কৰা আচাৰ্য্য ভৱদেৱ ভাগৱতীৰ সতী জয়মতী কাব্যৰ ওপৰত লিখা নবীনা নামৰ টীকাগ্ৰন্থখনো উল্লেখযোগ্য।

### অগ্ৰগতি খতিয়ান

**প্ৰশ্ন নং ৬ ঃ** উমাকান্ত দেৱশৰ্মাৰ ন্যায়দৰ্শনৰ ওপৰত লিখা গ্ৰন্থখনৰ নাম কি?

**প্ৰশ্ন নং ৭ ঃ** ব্যঞ্জনাপ্ৰপঞ্চ সমীক্ষা নামৰ গ্ৰন্থখন কোনটো শাস্ত্ৰৰ অন্তৰ্গত?

**প্ৰশ্ন নং ৮ ঃ** শ্ৰীশঙ্কৰদেৱচৰিত্ৰম্ গ্ৰন্থখন কোন শ্ৰেণীৰ অন্তৰ্ভুক্ত?

**প্ৰশ্ন নং ৯ ঃ** আধুনিক অসমত ৰচিত এখন সংস্কৃত স্মৃতিগ্ৰন্থৰ নাম লিখা।

**প্ৰশ্ন নং ১০ ঃ** আধুনিক অসমত ৰচিত একমাত্ৰ সংস্কৃত উপন্যাসখনৰ নাম কি?

## ৩.৭ সাৰাংশ (Summing Up)

উক্ত অধ্যায়টি অধ্যয়ন কৰি জনা গল যে আধুনিক অসমতো প্ৰাচীন অসমৰ দৰে বহুধৰণৰ সংস্কৃত পুঁথি ৰচিত হৈছে। এইক্ষেত্ৰত পৰম্পৰাগত শিক্ষাৰ মাজেদি আহা আৰু নতুন শিক্ষা পদ্ধতিৰে শিক্ষিত হোৱা এই দুই ধৰণৰ কবি-সাহিত্যিককেই বিচাৰি পোৱা যায়। তদুপৰি, আধুনিক অসমৰ ধাৰণাৰ মাজেদি এই প্ৰসঙ্গত এটা নিৰ্দ্দিষ্ট কালৰ সঙ্কেত গ্ৰহণ কৰা হৈছে আৰু সেই সময়ৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে যিমান সংস্কৃত পণ্ডিতে সংস্কৃত ভাষাত গ্ৰন্থ ৰচনা সেই সকলোৰে ৰচনাখিনি ইয়াত সামৰি লোৱা হৈছে। এই গ্ৰন্থসমূহৰ কিছুসংখ্যক সম্পূৰ্ণৰূপে শাস্ত্ৰগ্ৰন্থ। প্ৰাচীন ভাৰতত ৰচনা হোৱা বিভিন্ন প্ৰয়োজনীয় শাস্ত্ৰগ্ৰন্থক আধাৰ কৰি এইবোৰ গ্ৰন্থ ৰচনা কৰা হৈছে। উদাহৰণস্বৰূপে কোৱা হৈছে যে প্ৰাচীন ভাৰতত ৰচনা হোৱা মনুস্মৃতি, ব্যাকৰণশাস্ত্ৰ, ন্যায়সূত্ৰ আদিৰ আধাৰত আধুনিক অসমত বহুতো সংস্কৃত পণ্ডিতে সংস্কৃত ভাষাত শাস্ত্ৰগ্ৰন্থ ৰচনা কৰিছে। বহুসংখ্যক পণ্ডিতে আকৌ সহজ সৰল সংস্কৃতত কবিতা, উপন্যাস, প্ৰবন্ধ আদি ৰচনা কৰিছে। কবিতাৰ ক্ষেত্ৰত বিশেষ ছন্দ ব্যৱহাৰ কৰা হৈছে। গদ্য বা উপন্যাসৰ ক্ষেত্ৰত বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে ৰচনা কৰা অবিনাশীখনেই একমাত্ৰ সমল। এই গ্ৰন্থখনত বহুক্ষেত্ৰত লেখকে অলংকাৰশাস্ত্ৰত থকা গদ্যকাব্যৰ লক্ষণবোৰ অনুসৰণ কৰিহে আগবঢ়া দেখা যায়। কিছু কিছু বৰ্ণনাত উপন্যাসিকে শ্লোকও সংযোজিত কৰিছে। গদ্য-উপন্যাস আদিৰ পিছত এইক্ষেত্ৰত জনা গৈছে ভাষ্যগ্ৰন্থ বা টীকাগ্ৰন্থৰ কথা। এয়া সংস্কৃত সাহিত্যত থকা এক বিশেষ সংযোজন। ভাষ্য বা টীকাৰ মাজেদি মূল গ্ৰন্থত থকা বিশেষ কথাবোৰ সম্পূৰ্ণকৈ প্ৰকাশ কৰিব পাৰি। টীকাগ্ৰন্থই মূল গ্ৰন্থৰ অৰ্থবোধত সহায় আগবঢ়ায়। পৰম্পৰাগতভাবে প্ৰাচীন ভাৰতত বহুসংখ্যক টীকাগ্ৰন্থ বা ভাষ্যগ্ৰন্থ পোৱা যায়। অসমত এই ধৰণৰ সংস্কৃত গ্ৰন্থৰ সংখ্যা কিন্তু নিচেই তাকৰ।

## ৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত সাহিত্যৰ নিৰিখত আধুনিক অসম বোলেতে কোনখিনি সময়ক বুজোৱা হয়?
২. আধুনিক অসমত ৰচনা হোৱা শাস্ত্ৰগ্ৰন্থৰ ওপৰত এটা টোকা আগবঢ়োৱা।
৩. আধুনিক অসমত ৰচিত কাব্যপুথিৰ আধাৰত এটা আলোচনা দাঙি ধৰা।
৪. আধুনিক অসমত ৰচনা হোৱা সংস্কৃত গদ্য তথা উপন্যাসৰ বিষয়ে আলোচনা কৰা।
৫. আধুনিক অসমত থকা সংস্কৃত সাহিত্যৰ ধাৰাৰ বিষয়ে মতামত আগবঢ়োৱা।

## ৩.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১) গোস্বামী, মালিনী, অসমত সংস্কৃত-সাধনা, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৯

২) Shastri, Biswanarayan, Sanskrit in Assam Through the Ages, New Delhi : Rashtriya Sanskrit Samsthan, 1998

৩) Sarma, Narendra Nath, An Aspect of the Cultural Heritage of Assam, Guwahati : Bani Prakash Mandir; 2012.

৪) শৰ্মা, সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত।

## ৩.১০ অগ্ৰগতিৰ খতিয়ান (উত্তৰ)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** যিগৰাকী কবিয়ে শাস্ত্ৰ ৰচনা কৰে অথবা শাস্ত্ৰত কাব্যসুৰমা আনে অথবা কাব্যত শাস্ত্ৰাৰ্থ সম্পাদন কৰে তেওঁকে শাস্ত্ৰকবি বুলি কোৱা হয়।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** অধ্যাপক মুকুন্দ মাধৱ শৰ্মা।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** ইংলিছ-সংস্কৃত ডিকছ'নাৰী।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ছন্দোশাস্ত্ৰৰ গ্ৰন্থ লিখিছিল ধীৰেশ্বৰাচাৰ্য্যই। তেখেতে ৰচনা কৰা গ্ৰন্থখনৰ নাম আছিল বৃত্তমঞ্জৰী।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** পীতাম্বৰ সিদ্ধান্তবাগীশ। তেওঁ মুঠ ১৮ খন কৌমুদীগ্ৰন্থ ৰচনা কৰিছিল বুলি কোৱা হয়।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** ন্যায়পৰিচয়।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** ধ্বনিশাস্ত্ৰৰ অন্তৰ্গত।

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** এইখন কবিতাপুথি।

**৯নং প্ৰশ্নৰ উত্তৰ ঃ** ৰূপেশ্বৰ বুজৰবৰুৱাদেৱে লিখা দশকৰ্মদৰ্পণ।

**১০নং প্ৰশ্নৰ উত্তৰ ঃ** বিশ্বনাৰায়ণশাস্ত্ৰী ৰচিত অবিনাশি।

*** ***** ***

## চতুৰ্থ বিভাগ
## সংস্কৃত সাহিত্য জগতত আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলৰ অৱদান

**বিভাগৰ গঠন ঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ সংস্কৃত সাহিত্য জগত আৰু আধুনিকতা
৪.৪ আধুনিক অসমৰ শাস্ত্ৰত সংস্কৃত পণ্ডিতসকল
৪.৫ সংস্কৃতগ্ৰন্থৰ মাজেদি অসমৰ পণ্ডিতসকলে আগবঢ়োৱা অৱদান
৪.৬ সংস্কৃতমূলক অসমীয়া লেখনিৰ মাজেদি আধুনিক অসমৰ সংস্কৃত পণ্ডিতে আগবঢ়োৱা অৱদান
৪.৭ সংস্কৃত ইংৰাজী আৰু আন ভাষাৰ লেখনিৰ মাজেদি আধুনিক অসমৰ সংস্কৃত পণ্ডিতে আগবঢ়োৱা অৱদান
৪.৮ সাৰাংশ (Summing Up)
৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)
৪.১১ অগ্ৰগতিৰ খতিয়ান

## ৪.১ ভূমিকা (Introduction)

আপোনালোকে ইতিমধ্যে জানিছে যে আধুনিক অসমত বিভিন্ন সংস্কৃত পণ্ডিতে সংস্কৃত সাহিত্য জগতলৈ তেওঁলোকৰ অনবদ্য অৱদান আগবঢ়াই আহিছে। এই অৱদান যে কেৱল সংস্কৃতভাষাৰ মাধ্যমেৰে হৈছে সেয়া নহয়, বহুতো অসমীয়া পণ্ডিতে অসমীয়া আৰু ইংৰাজী তথা হিন্দী ভাষাৰ জৰিয়তেও সংস্কৃত সাহিত্য জগতলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। তদুপৰি, বৰাক উপত্যকাত বহু আধুনিক সংস্কৃত পণ্ডিতে বাংলা ভাষাত জৰিয়তেও সংস্কৃত সাহিত্য জগতলৈ তেওঁলোকৰ বিশেষ অৱদান ৰাখি থৈছে। এই সাহিত্যধাৰা কিন্তু আজিৰ দিনলৈকে অব্যাহত আছে। অসমৰ বিভিন্ন প্ৰান্তত থকা সংস্কৃতজ্ঞ পণ্ডিতসকলে নিজৰ নিজৰ অধ্যয়ন ক্ষেত্ৰত গভীৰ মননশীলতাৰে আৰু গৱেষণামূলক দৃষ্টিৰে আগুৱাই গৈ সংস্কৃত সাহিত্য জগতখনত বহুতো নতুন কথাৰ সংযোজন কৰি গৈ আছে। আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলৰ এই প্ৰচেষ্টাৰ ফলত সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখন যথেষ্ট চহকী হৈ উঠিছে। এইক্ষেত্ৰত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমেও উন্নতিৰ পথত আগবাঢ়িছে বুলি কব পৰা যায়। বিভিন্ন সময়ত অসমৰ সংস্কৃত পণ্ডিততৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা বিভিন্ন সন্মান-পুৰস্কাৰ আদিয়ে এই কথাকেই প্ৰমাণিত কৰে। আধুনিক অসমৰ বেলেগে বেলেগ সংস্কৃত সাধকে তেওঁলোকৰ সংস্কৃত সাধনাৰ স্বীকৃতিৰূপে ৰাষ্ট্ৰপতিৰ প্ৰশংসা পত্ৰ তথা ৰাজ্য চৰকাৰৰ সাহিত্যিক পেন্সন

আদি লাভ কৰি অসমৰ সংস্কৃত সাহিত্য জগতলৈ গৌৰৱ কঢ়িয়াই আনিছে। সংস্কৃত তথা অসমীয়া বিষয়ৰ ছাত্র-ছাত্রীসকলে এই কথা জনাটো অত্যন্ত আৱশ্যক। কাৰণ, যিদৰে সংস্কৃত সাহিত্যৰ বিভিন্নধাৰাই অসমীয়া সাহিত্যৰ উন্নতিত অৰিহণা যোগায় সেইদৰে অসমীয়া সাহিত্যৰ মাজেদিও সংস্কৃত সাহিত্যৰ বিভিন্ন দিশ উন্মোচিত হৈ থাকে। গতিকে আধুনিক অসমত সংস্কৃত পণ্ডিতসকলে যে কেৱলমাত্র সংস্কৃতৰ ক্ষেত্ৰখনকে চহকী কৰি গৈ আছে সেয়া নহয়, তেওঁলোকৰ অবিৰত সাহিত্যিক যাত্ৰাই অসমীয়া সাহিত্যৰ ভড়ালখনকো পৰিপূৰ্ণ কৰি গৈ আছে। এই যাত্ৰাত বহুতো সংস্কৃত শাস্ত্ৰগ্ৰন্থ অথবা কাব্যগ্ৰন্থই নতুন ৰূপত প্ৰকাশ পাইছে। এইক্ষেত্ৰত অনুবাদগ্ৰন্থৰ ভূমিকাও লেখতলবলগীয়া। সেইবিষয়ে অৱশ্যে শিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে কিদৰে আধুনিক সংস্কৃত পণ্ডিতসকলৰ সংস্কৃতসাহিত্য চৰ্চা আগবাঢ়ি গৈ আছে সেই বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে।

## ৪.২ উদ্দেশ্য (Objectives)

আধুনিক অসমত সংস্কৃত পণ্ডিতসকলে বিভিন্ন বিষয়ক আধাৰ হিচাপে লৈ সংস্কৃত সাহিত্য জগতলৈ তেওঁলোকৰ অনবদ্য অবদান আগবঢ়াই গৈ আছে। এইক্ষেত্ৰত অসমীয়া, হিন্দী, বাংলা আৰু ইংৰাজী ভাষাৰ মাধ্যমেৰেও সংস্কৃত সাহিত্যক আগবঢ়াই লৈ যোৱাৰ সফল প্ৰচেষ্টা দেখিবলৈ পোৱা যায়। আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলে বিভিন্ন শাস্ত্ৰগ্ৰন্থ, কবিতা, নাটক, প্ৰবন্ধ, উপন্যাস আদি ৰচনা কৰাৰ লগতে অসমীয়া ভাষাত, ইংৰাজী ভাষাত, হিন্দী ভাষাত তথা বাংলা ভাষাতো সংস্কৃত সাহিত্যৰ ৰূপৰেখা অঙ্কন কৰি গৈ আছে। বৰ্তমান অধ্যায়টোত এই সকলো প্ৰসঙ্গক সামৰি লৈ এটা আলোচনা আগবঢ়োৱা হব। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- সংস্কৃত সাহিত্য আৰু আধুনিক অসমৰ সংযোগৰ বিষয়ে জানিব
- আধুনিক সময়ত অসমত ৰচিত হোৱা সংস্কৃত সাহিত্যৰ বিষয়ে আভাস পাব
- আধুনিক অসমত অসমীয়া ভাষাৰে প্ৰকাশিত সংস্কৃত সাহিত্য বিষয়ক ৰচনাবোৰৰ সম্বন্ধে জ্ঞান লাভ কৰিব।
- আধুনিক অসমত ইংৰাজীভাষাৰ জড়িয়তে প্ৰকাশিত সংস্কৃত সাহিত্য বিষয়ৰ ৰচনাৰ কথা জানিব পাৰিব
- অসমৰ বৰাক উপত্যকাত বাংলা ভাষা মাধ্যমত প্ৰকাশিত হোৱা আৰু কিছু নেপালী পণ্ডিতে প্ৰকাশ কৰা হিন্দী ভাষাত ৰচিত সংস্কৃত সাহিত্য সম্বন্ধী লেখনিৰ বিষয়ে অবগত হব।

## ৪.৩ সংস্কৃত সাহিত্য জগত আৰু আধুনিকতা

সাহিত্য প্ৰসঙ্গত আধুনিকতা শব্দটোৱে বিভিন্ন ধৰণৰ অৰ্থ বহন কৰি আহিছে। ইংৰাজী সাহিত্যত modernism অথবা post modernism ইত্যাদি শব্দবোৰে কিছু

বিশেষ অৰ্থ বহন কৰে। কাৰণ এই শব্দসমূহে ইংৰাজী সাহিত্যত শিল্পবিপ্লব আদিৰ বাবে হোৱা কিছু সামাজিক পৰিবৰ্ত্তনৰ প্ৰতিফলিত ৰূপক ইঙ্গিত কৰে। অসমীয়া সাহিত্য জগতেতো আধুনিকতাৰ প্ৰসঙ্গটোৱে ইংৰাজ শাসনৰ শেষৰফালে হোৱা সামাজিক পৰিবৰ্তনৰ সূচনা দিয়া দেখা যায়।

কিন্তু সংস্কৃত সাহিত্যৰ জগতখনত আমি এইদৰে আমূল পৰিবৰ্তনৰ বিন্দু বিচাৰি নাপাওঁ। সেইবুলি সংস্কৃত সাহিত্য জগতত আধুনিকতাৰ ঢৌ আহাই নাছিল বুলি কোনেও কব নোৱাৰে। কাৰণ ইংৰাজশাসনৰ শেষৰফালে সংস্কৃত পণ্ডিতসকলে যে ধ্ৰুপদী সাহিত্যৰ সীমিত পৰিসৰ খণ্ডন কৰি স্থানীয় ভাষা তথা ইংৰাজী ভাষাৰ মাধ্যমেৰে সংস্কৃত সাহিত্যক সাধাৰণ মানুহৰ চেৰত লৈ অহাৰ বাবে প্ৰচেতষ্টা চলাইছিল, সংস্কৃত সাহিত্য প্ৰসঙ্গত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো ইয়াকেই আধুনিকতাৰ সমাবেশ বুলি আখ্যা দিব পাৰি। কাৰণ এই সময়ৰ পৰাই সংস্কৃত সাহিত্যৰ ৰূপ-ৰস-মাধুৰ্যই ৰূপান্তৰৰ মাজেদি সাধাৰণ পাঠকক ঢুকি পাইছিল। ভাষিক মাধ্যম বেলেগ হলেও বিভিন্ন কবিতা, গল্প, উপন্যাস, প্ৰবন্ধৰ মাজেদি সংস্কৃত সাহিত্যৰ বহু কথা সাধাৰণ মানুহে জানিব পাৰিছিল। ইয়াৰ উপৰিও সেইসময়ত ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমতো সৰল সংস্কৃতৰ ব্যৱহাৰ খ্যাতি লাভ কৰিছিল। সংস্কৃতজ্ঞ পণ্ডিতসকলে সাধাৰণ মানুহে বুজিব পৰাকৈ সংস্কৃতত কাব্য গ্ৰন্থাদি ৰচনা কৰিবলৈ লৈছিল। অনুবাদকলাও এই সময়তেই বিশেষ পৰিপক্কতা লাভ কৰে। তদুপৰি, ইংৰাজী ভাষাত সংস্কৃত সাহিত্যৰ বিষয়ে লিখি জাতীয় তথা আন্তৰ্জাতিক স্তৰত প্ৰশস্তি লাভ কৰে। মধ্যযুগত ৰচিত শিলালিপিত প্ৰকাশিত প্ৰশস্তিমূলক কাব্যসমূহৰ ধাৰাটোও আধুনিক অসমত পৰিবৰ্তিত হোৱা দেখা যায় আৰু সহজ-সৰল সংস্কৃত ভাষাত প্ৰশস্তি কাব্য ৰচনাত ব্ৰতী হোৱা দেখা যায় আধুনিক কালত বহুসংখ্যক অসমীয়া সংস্কৃত পণ্ডিতক। এইদৰে, অসমৰ সংস্কৃত সাহিত্যজগতত আধুনিকতাৰ প্ৰবেশ ঘটা বুলি কব পাৰি।

### আত্মমূল্যায়ণ প্ৰশ্ন

**প্ৰশ্ন নং ১ ঃ** সংস্কৃত সাহিত্যত আধুনিকতা বুলিলে কি বুজায়?

..............................................................................

## ৪.৪ আধুনিক অসমৰ শাস্ত্ৰজ্ঞ সংস্কৃত পণ্ডিতসকল

আগৰ অধ্যায়টোত আপোনালেকে আধুনিক অসমৰ পণ্ডিতসকলৰ ৰচনাৰ বিষয়ে এটি চমু আভাস পইছে। আধুনিক অসমত অসংখ্য সংস্কৃত পণ্ডিতে সাহিত্যজগতলৈ বিভিন্ন ধৰনে অৰিহণা যোগাইছে। কোনবাই শাস্ত্ৰকাৰ হিচাপে, কোনোবাই কবি হিচাপে, কোনোবাই উপন্যাস লিখি, কোনবাই অনুবাদ কাব্যৰ মাজেৰে, কোনবাই আলোচনা প্ৰসঙ্গেৰে সংস্কৃত সাহিত্য জগতলৈ অৱদান আগবঢ়াইছে। এই প্ৰসঙ্গত কিছু সংখ্যক নাম ইয়াত দাঙি ধৰা হ'ল।

মহামহোপাধ্যায় ধীৰেশ্বৰচাৰ্য্যই বৃত্তমঞ্জৰী নামৰ ছন্দঃশাস্ত্ৰৰ গ্ৰন্থ ৰচনা কৰিছে। সংস্কৃত ছন্দসমূহৰ লক্ষণ তথা উদাহৰণেৰে বিশদ ব্যাখ্যা আগবঢ়াই ধীৰেশ্বৰাচাৰ্য্যদেৱে শাস্ত্ৰকাৰ হিচাপে সংস্কৃত সাহিত্য জগতত নিজৰ নাম উজলাইছে।

আনন্দৰাম বৰুৱাদেৱে এ প্ৰ্যাকটিক্যাল ইংলিছ সংস্কৃত ডিকছ'নাৰী, এ কমপ্ৰিহেনছিভ্ গ্ৰামাৰ অব সংস্কৃত ল্যান্গুয়েজ, প্ৰজডি, নানাৰ্থসংগ্ৰহ, ধাতুবৃত্তিসাৰ, অমৰসিংহ'ছ নামলিঙ্গানুশাসন ৰচনা কৰি কোষশাস্ত্ৰকাৰ, শব্দশাস্ত্ৰবেত্তা আৰু ব্যাকৰণজ্ঞ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে। তদুপৰি বামন'ছ কাব্যালংকাৰ সূত্ৰবৃত্তি, বাগভট্টালংকাৰ এণ্ড ভোজ'ছ সৰস্বতীকণ্ঠাভাৰণ নামৰ গ্ৰন্থখনেৰে আনন্দৰাম বৰুৱাদেৱে অলংকাৰশাস্ত্ৰত থকা তেওঁৰ ব্যুৎপত্তি প্ৰমাণ দাঙি ধৰিছে।

চন্দ্ৰকান্ত শৰ্মা বিদ্যালংকাৰে শব্দমঞ্জৰী, পদমঞ্জৰী আৰু ধাতু মঞ্জৰী নামৰ গ্ৰন্থ তিনিখন ৰচনা কৰি আধুনিক অসমৰ সংস্কৃত ব্যাকৰণজ্ঞ হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল।

ৰূপেশ্বৰ বুজৰবৰুৱাদেৱে দশকৰ্মদৰ্পণ নামৰ কামৰূপীয়া স্মৃতিমূলক গ্ৰন্থখনলিখি ধৰ্মশাস্ত্ৰজ্ঞ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে।

জীৱেশ্বৰ গোস্বামীয়ে নিত্যকৰ্মপদ্ধতি আৰু জ্যোতিষ চিন্তামণি নামৰ স্মৃতিশাস্ত্ৰ আৰু জ্যোতিষ বিদ্যাবিষয়ক দুখন গ্ৰন্থ ৰচনা কৰি এই বিষয়ৰ শাস্ত্ৰকাৰ হিচাপে অসমত প্ৰতিষ্ঠা লাভ কৰিছে।

চক্ৰেশ্বৰ ভট্টাচাৰ্য্যই তাৰাৰ্চনতন্ত্ৰম্ আৰু শাক্তদৰ্শনম্ নামৰ শক্তিতন্ত্ৰৰ গ্ৰন্থ দুখন ৰচনা কৰি তন্ত্ৰশাস্ত্ৰৰ পণ্ডিত হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে।

ৰাধানাথ ফুকনদেৱে সাংখ্য দৰ্শন, বেদান্ত দৰ্শন, শ্ৰীমদ্ভগবতগীতা, জন্মান্তৰ ৰহস্য, দি থিওৰি অব্ ৰিবাৰ্থ, সাংখ্যকাৰিকা অব ঈশ্বৰকৃষ্ণ আদি গ্ৰন্থ ৰচনাৰ মাজেদি ভাৰতীয় দৰ্শন শাস্ত্ৰৰ এগৰাকী পণ্ডিত হিচাপে নিজকে দাঙি ধৰিব পাৰিছে।

তীৰ্থনাথ শৰ্মা দেৱে সাহিত্যবিদ্যা নামৰ গ্ৰন্থখন ৰচনা কৰি সংস্কৃত অলংকাৰ শাস্ত্ৰত থকা তেখেতৰ ব্যুৎপত্তিৰ প্ৰমাণ দাঙি ধৰিছে।

যোগীৰাজ বসুয়ে বেদৰ পৰিচয় (বাংলা আৰু অসমীয়া), ষ্টাডিছ ইন বেদিক কালচাৰ, ইণ্ডিয়া ইন দি এজ অব দি ব্ৰাহ্মণছ নামৰ গ্ৰন্থকেইখনৰ মাজেদি নিজকে বেদশাস্ত্ৰজ্ঞ হিচাপে প্ৰমাণিত কৰিব পাৰিছে।

আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীদেৱে ব্যাকাৰ্থবোধ নামৰ গ্ৰন্থখন তথা কুমাৰিল ভট্টপাদ আৰু আচাৰ্য ধৰ্মকীৰ্তি নামৰ গ্ৰন্থখন ৰচনা কৰি দৰ্শনশাস্ত্ৰৰ এগৰাকী বিশিষ্ট পণ্ডিত হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। তদুপৰি, তেখেতৰ সাহিত্যদৰ্শন নামৰ অলংকাৰশাস্ত্ৰৰ গ্ৰন্থখনে তেওঁক সংস্কৃত অলংকাৰশাস্ত্ৰৰ বিশিষ্ট পণ্ডিত হিচাপে প্ৰতিষ্ঠা দিছে।

মুকুন্দ মাধৱ শৰ্মাদেৱৰ ব্যঞ্জনা প্ৰপঞ্চ সমীক্ষা, উপমা কালিদাসস্য তথা ধ্বনি আৰু ৰসতত্ত্ব নামৰ গ্ৰন্থসমূহে তেখেতক সংস্কৃত অলংকাৰশাস্ত্ৰ তথা ধ্বনিতত্ত্বৰ এগৰাকী বিশিষ্ট পণ্ডিত  হিচাপে প্ৰতিষ্ঠা দিছে।

অপূৰ্ব চন্দ্ৰ বৰঠাকুৰে দি ফিল'ছফি অব সংস্কৃত গ্ৰামাৰ, দি প্ৰয়োগ ৰত্নমালা অব্ পুৰুষোত্তমঃ এ ষ্টাডি নামৰ গ্ৰন্থকেইখনৰ মাজেদি সংস্কৃত ব্যাকৰণবেত্তা হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছ। তদুপৰি তেখেতৰ এ ক্ৰিটিকেল ষ্টাডি অব লোকায়ত ফিল'জফি, দি কাপালিকছ নামৰ গ্ৰন্থ দুখনে প্ৰমাণ কৰে যে অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া দেব সংস্কৃত দৰ্শন শাস্ত্ৰৰো এগৰাকী বিশিষ্ট পণ্ডিত আছিল।

কালিপ্ৰসাদ সিন্‌হাৰ ন্যায়দৰ্শনবিমৰ্শ, শাঙ্কৰবেদান্ত তত্ত্বমীমাংসা, শাঙ্কৰবেদান্তে জ্ঞানমীমাংসা নামৰ গ্ৰন্থ তিনিখনে তেওঁক এগৰাকী দৰ্শনশাস্ত্ৰজ্ঞ হিচাপে প্ৰতিষ্ঠা দিছে।

ৰাজেন্দ্ৰনাথ শৰ্মাৰ মীমাংসানয়চন্দ্ৰিকা, ভাৰতীয় দৰ্শনকাৰিকাবলী, মোহমুদ্গৰ, সৰ্বদৰ্শন সংগ্ৰহ গ্ৰন্থসমূহে তেওঁক দৰ্শনশাস্ত্ৰৰ এগৰাকী পণ্ডিত হিচাপে প্ৰমাণ কৰিছে।

উমাকান্ত দেবশৰ্মাৰ ন্যায় পৰিচয় গ্ৰন্থখনে তেখেতৰ ন্যায়শাস্ত্ৰৰ ওপৰত থকা পাণ্ডিত্যৰ প্ৰমাণ দিয়ে।

নলিনী ৰঞ্জন শৰ্মাৰ দি কামৰূপ স্কুল অব ধৰ্মশাস্ত্ৰ গ্ৰন্থখনে কামৰূপীয়া স্মৃতিশাস্ত্ৰৰ বিষয়ে কৰা তেখেতৰ সুগভীৰ অধ্যয়নৰ প্ৰতীক হৈ আছে।

ৰোহিণী বল্লভ গোস্বামীদেবৰ উপাসনা, উপনয়ন, সংস্কাৰতত্ত্ব নামৰ গ্ৰন্থতিনিখনে তেওঁক স্মৃতিশাস্ত্ৰৰ পণ্ডিত হিচাপে প্ৰতিষ্ঠা দিছে।

মহেশ্বৰ হাজৰিকাৰ অসমীয়ালৈ অনুদিত অষ্টাধ্যায়ীখনে তেওঁক সংস্কৃত ব্যাকৰণ বিশেষজ্ঞ হিচাপে প্ৰতিষ্ঠা দিছে।

ইয়াৰোপৰি, বৰাক উপত্যকাৰ কিছু সংস্কৃত পণ্ডিতে অসমৰ সংস্কৃত জগতখনলৈ তেওঁলোকৰ অৱদান আগবঢ়াইছে। উদাহৰণ হিচাপে কিছুমান নাম ইয়াত সন্নিবিষ্ট কৰা হ'ল।

জীৱনকৃষ্ণ তৰ্কতীৰ্থৰ ন্যায়প্ৰকাশিকা, ন্যায়প্ৰকাশিকা বিবৃতিঃ, তৰ্কামৃতবিবৃতি, গ্ৰন্থসমূহে এইগৰাকী সংস্কৃত পণ্ডিতক ন্যায়শাস্ত্ৰজ্ঞ হিচাপে প্ৰতিষ্ঠা দিছে।

কেদাৰনাথ ভট্টাচাৰ্য্যৰ কালীপূজা পদ্ধতিঃ, ৱাস্তুদৰ্পণম্, জলাশয়শুদ্ধিঃ গ্ৰন্থবোৰে তেওঁক স্মৃতিশাস্ত্ৰৰ পণ্ডিত হিচাপে প্ৰতিষ্ঠা দিছে।

সুখময় ভট্টাচাৰ্য্যৰ বৈদিক সাহিত্যসমাসসাৰ, শান্তি পোখৰেলৰ ছান্দোগোপনিষতত্ত্ব সমীক্ষা, কেশৱ লুইতেলৰ বিশিষ্টাদ্বৈত বেদন্তবিমৰ্শ আদি গ্ৰন্থসমূহে অসমৰ সংস্কৃত সাহিত্য জগতলৈ আধুনিক অসমৰ সংস্কৃত পণ্ডিতসকলে আগবঢ়োৱা অবদানৰ চিহ্নস্বৰূপ।

### অগ্ৰগতি খতিয়ান

**প্ৰশ্ন নং ১ ঃ** কালীপ্ৰসাদ সিন্‌হাৰ তিনিখন শাস্ত্ৰগ্ৰন্থৰ নাম কি?

**প্ৰশ্ন নং ২ ঃ** সাৰস্বতব্যাকৰণৰ ওপৰত গ্ৰন্থ লিখা অসমৰ সংস্কৃত পণ্ডিতজনৰ নাম লিখা।

**প্ৰশ্ন নং ৩ ঃ** সুখময় ভট্টাচাৰ্য্যৰ এখন বৈদিক গ্ৰন্থৰ নাম লিখা।

**প্ৰশ্ন নং ৪ ঃ** আধুনিক অসমৰ এগৰাকী মীমাংসাশাস্ত্ৰৰ পণ্ডিতৰ নাম লিখা।

**প্ৰশ্ন নং ৫ ঃ** অষ্টাধ্যায়ীৰ অসমীয়া অনুবাদ কোনে কৰিছে?

## ৪.৫ সংস্কৃতগ্ৰন্থৰ মাজেদি অসমৰ পণ্ডিতসকলে আগবঢ়োৱা অৱদান

ইতিমধ্যে পূৰ্বৰ অধ্যায়ত আপোনালোকে আধুনিক অসমৰ পণ্ডিতসকলে ৰচনা কৰা সংস্কৃতগ্ৰন্থৰ বিষয়ে কিছু পৰিমাণে অধ্যয়ন কৰিছে। আপোনালোকে অবগত হৈছে যে প্ৰাচীন আৰু মধ্যযুগৰ অসমত সংস্কৃতগ্ৰন্থ ৰচনাৰ যি ধাৰা প্ৰবাহিত আছিল আধুনিক অসমত সেই ধাৰাত কিছু পৰিবৰ্তন দেখা দিলেও সংস্কৃত পণ্ডিতসকলে কিন্তু সংস্কৃতগ্ৰন্থ ৰচনাৰ মাজেদি নিজৰ নিজৰ অধ্যয়নক্ষেত্ৰখনক উৰ্বৰ কৰি থৈ গৈ আছে। এইক্ষেত্ৰত আমি আগৰ অধ্যায়ৰ লগত সংযোজন হিচাপে কিছু কথা নতুনকৈ জানিম। আধুনিক অসমত সংস্কৃত পণ্ডিতসকলে বহুধৰণৰ প্ৰশস্তিকাব্য ৰচনা কৰিছে আৰু কৰিও আছে। সহজ-সৰল সংস্কৃতত ৰচনা কৰা এইবোৰ প্ৰশস্তি কাব্যই কেবল সংস্কৃত কবিতা হিচাপেই নহয়, বিভিন্ন ধৰণৰ ইতিহাস সমৃদ্ধ ৰচনা হিচাপেও সমাদৰ লাভ কৰিছে। এইক্ষেত্ৰত মুকুন্দ মাধৱ শৰ্মাৰ স্তুতিপ্ৰশস্তিমঞ্জৰী নামৰ গ্ৰন্থখন উল্লেখনীয়। ইয়াত থকা আনন্দৰাম বৰুৱাৰ স্তুতি, কৃষ্ণকান্ত সন্দিকৈৰ স্তুতি, শঙ্কৰদেৱৰ স্তুতি আদিয়ে সেই পণ্ডিতৰ বিষয়ে বহু তথ্য দাঙি ধৰিছে। কৃষ্ণকান্ত সন্দিকৈদেৱেও আনন্দৰাম বৰুৱাদেৱকলৈ আৰু দেশমাতৃত আধাৰ কৰি দুটা প্ৰশস্তিমূলক কবিতা সংস্কৃত ভাষাত লিখি থৈ গৈছে।

তদুপৰি আধুনিক অসমত ৰচিত সংস্কৃত স্তোত্ৰকাব্যসমূহেও এইক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। ধীৰেশ্চৰাচাৰ্য্যই ৰচনা কৰা গোপালাষ্টক, পৰমেশ্বৰাষ্টক, শিৱস্তুতি, কামাখ্যাষ্টক, চন্দ্ৰকান্ত বিদ্যালংকাৰৰ সৰস্বতীস্তোত্ৰ, বিষ্ণুস্তোত্ৰ, গঙ্গাস্তোত্ৰ, শিৱস্তোত্ৰ, বসুমতীস্তোত্ৰ, প্ৰভাত চন্দ্ৰ শৰ্মাৰ শ্লোকমালা, ৰামপ্ৰসন্ন ভট্টাচাৰ্য্যদেৱৰ কামাখ্যাবন্দনা আদি পদ্যকাব্যসমূহ লেখতলবলগীয়া সংস্কৃত ৰচনা।

কুমাৰ ভাস্কৰবৰ্মাৰ প্ৰেমকাহিনী সমৃদ্ধ অসমৰ প্ৰাচীন ইতিহাস সম্বলিত বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱৰ অবিনাশী নামৰ উপন্যাসখন এই প্ৰসঙ্গত এক উল্লেখনীয় সাহিত্যকৃতি। এইখন কেবল অসমতেই নহয় সমগ্ৰ উত্তৰ-পূৰ্ব ভাৰততেই ৰচনা হোৱা একমাত্ৰ সংস্কৃত উপন্যাস। ইতিমধ্যে এইখনৰ অসমীয়া, হিন্দী আদি ভাষাবোৰত অনুবাদ হৈছে। সুখময় ভট্টাচাৰ্য্যৰ ভাসপৰিক্ৰমা নামৰ গ্ৰন্থখন এই প্ৰসঙ্গত উল্লেখযোগ্য।

মহেশ্বৰ হাজৰিকাৰ শ্ৰীশঙ্কৰদেৱচৰিত্ৰম্ আৰু বিদ্যাপতি দাহালৰ শঙ্কৰদেৱমহাকাব্যম্ নামৰ সংস্কৃত গ্ৰন্থ দুখনে সংস্কৃত সাহিত্য জগতলৈ আধুনিক অসমৰ অনবদ্য অৱদান হিচাপে ঠাই পাইছে। অসমৰ নেপালী সম্প্ৰদায়ৰ বহুসংখ্যক পণ্ডিতে সংস্কৃত সাহিত্য জগতখনলৈ তেওঁলোকৰ অৱদান আগবঢ়াই আহিছে। শিৱ আচাৰ্য্যৰ সংস্কৃত পদ্যকাব্য পদ্যমালিক্য, তুলসীশৰণ উপাধ্যায়ৰ ভক্তিমন্দাকিনী, বিপ্ৰদূতম্, খেমৰাজ

নেপালৰ চম্পূভাৰতম্, বিদ্যাপতি দাহালৰ বিবেকানন্দ প্ৰশস্তি আদি সংস্কৃত কাব্যগ্ৰন্থই আধুনিক অসমৰ সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনক চহকী কৰি তুলিছে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

**প্ৰশ্ন নং ২ ঃ** অসমৰ নেপালী সম্প্ৰদায়ে সংস্কৃত সাহিত্যক্ষেত্ৰত আগবঢ়োৱা অবদানৰ বিষয়ে লিখা। (১০০ শব্দৰ ভিতৰত)

...............................................................................

## ৪.৬ সংস্কৃতমূলক অসমীয়া লেখনিৰ মাজেদি আধুনিক অসমৰ সংস্কৃত পণ্ডিতে আগবঢ়োৱা অৱদান

এই অধ্যায়ত ইতিমধ্যে আলোচনা কৰা হৈছে যে সংস্কৃত সাহিত্য সাধনাই আধুনিক অসমত কেনেদৰে আগবাঢ়ি গৈছে আৰু বৰ্তমান সময়লৈকে কেনেদৰে এই ধাৰা অব্যাহত ৰূপত আছে। শিক্ষাৰ্থীসকলেও ইতিমধ্যে জানিছে যে আধুনিক অসমৰ বহু সংস্কৃত পণ্ডিতে অসমীয়া ভাষাৰ লেখনিৰ মাজেদি সংস্কৃত সাহিত্যৰ চৰ্চা কৰি আহিছে। এইখিনিতে সেই বিষয়টো আলোচনাৰ বাবে লোৱা হৈছে। পূৰ্বোক্ত পণ্ডিতসকলৰ সৰহভাগেই সংস্কৃতৰ লগে লগে অসমীয়া ভাষাতো সংস্কৃত সাহিত্যৰ বিষয়ে আলোচনা আগবঢ়াইছে। স্বাধীনতাৰ প্ৰাক্কালত অৰ্থাৎ ইংৰাজ শাসনৰ শেষৰছোৱাত বহু অসমীয়া পণ্ডিতে মাতৃভাষাত সংস্কৃত সাহিত্যৰ বিষয়ে গাম্ভীৰ্যপূৰ্ণ আলোচনা কৰা দেখিবলৈ পোৱা যায়। আধুনিক অসমত সংস্কৃত সাহিত্যক্ষেত্ৰত সেইবোৰ আপুৰুগীয়া সম্পদ হিচাপে বিবেচিত হৈছে। তাৰ পিছত অৰ্থাৎ স্বাধীনতা লাভ কৰাৰ পিছতো মাতৃভাষাক গুৰুত্ব দি বহু সংস্কৃত পণ্ডিতে আধুনিক অসমত অসমীয়া ভাষাৰে সংস্কৃত সাহিত্যৰ আৰাধনা কৰি গৈছে। এই প্ৰসঙ্গত ৰাধানাথ ফুকনৰ নাম প্ৰাতঃ স্মৰণীয় হৈ আছে। তেখেতে সাংখ্য দৰ্শন, বেদান্ত দৰ্শন, শ্ৰীমদ্ভগবতগীতা, কথাৰে উপনিষদ আদি গ্ৰন্থসমূহ অসমীয়া ভাষাত লিখিছে। কৃষ্ণকান্ত সন্দিকৈদেৱে বিভিন্ন আলোচনীত ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ ওপৰত কিছুসংখ্যক লেখনি অসমীয়া ভাষাত লিখি সাধাৰণ পাঠকৰ বাবে সেইবোৰ সহজবোধ্য কৰি তুলিছে। মনোৰঞ্জন শাস্ত্ৰীদেৱৰ সাহিত্যদৰ্শন নামৰ গ্ৰন্থখন অসমীয়া ভাষাত ৰচিত সংস্কৃত সাহিত্যশাস্ত্ৰৰ এখন অনুপম গ্ৰন্থ। আজিকোপতি এইখন গ্ৰন্থৰ সমকক্ষ হ'ব পৰা গ্ৰন্থ অসমত ৰচিত হোৱা নাই।

মহেশ্বৰ নেওগে কৃষ্ণস্তোত্ৰৰ ওপৰত ৰচনা কৰা আলোচনামূলক লেখনিটো এইক্ষেত্ৰত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে। বিল্বমঙ্গল কবিৰ কৃষ্ণস্তোত্ৰ নামৰ এই গীতিকাব্যৰ বিষয়ে লিখা নেওগৰ আলোচনাই পাঠক সমাজত অত্যন্ত সমাদৰ লাভ কৰিছে। প্ৰিয়াংশু প্ৰৱল উপাধ্যায়ে লিখা সাহিত্যৰ লক্ষণ, শব্দালংকাৰ আৰু কবিতাত

ইয়াৰ প্ৰয়োগ নামৰ প্ৰবন্ধ দুটিয়ে এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। অসমীয়াভাষাৰে লিখা এই প্ৰবন্ধ দুটা সংস্কৃত সাহিত্যৰ কিছু কঠিন প্ৰসঙ্গক সহজভাৱে বোধগম্য কৰি তুলিবলৈ সক্ষম হৈছে। মুকুন্দ মাধৱ শৰ্মাৰ উপমা কালিদাসস্য, ধ্বনি, ৰসতত্ত্ব আৰু সাৰস্বত সমীক্ষণসমুচ্চয় নামৰ গ্ৰন্থখনত প্ৰকাশ পোৱা অসংখ্য অসমীয়া ভাষাত লিখা সংস্কৃত সাহিত্য বিষয়ক প্ৰবন্ধই পাঠকৰ ওচৰত শ্ৰদ্ধাৰে গৃহীত হৈছে। আধুনিক অসমত সংস্কৃত সাহিত্য চৰ্চাৰ সমল হিচাপে এইবোৰ লেখনি চিৰনমস্য হৈ আছে। অশোক কুমাৰ গোস্বামীৰ সংস্কৃত বাঙ্ময়, সাহিত্য চিন্তা চতুৰ্দশী গ্ৰন্থ দুখনে অসমীয়া ভাষাৰ মাজেদি আধুনিক অসমত সংস্কৃত সাহিত্যচৰ্চাক আগবঢ়াই লৈছে। থানেশ্বৰ শৰ্মা বিৰচিত ঋক সূক্তাৰ্থ সঞ্চয়ন, বেদৰ সৌৰভ, বৈদিক দেবতাৰ পৰিচয়, সামবেদৰ জিলিঙনি, মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম্ - এক সমীক্ষা, মহাকবি শূদ্ৰকৰ মৃচ্ছকটিকম্ - এক সমীক্ষা, ভাসৰ নাটকসমগ্ৰ, মহাভাৰতৰ মহাগ্ৰন্থ আদি গ্ৰন্থই অসমীয়া ভাষাত ৰচিত সংস্কৃত সাহিত্যৰ অমূল্য সম্পদ। ৰোহিণী বল্লভ গোস্বামীৰ শৈৱ ধৰ্মৰ পৰম্পৰা নামৰ গ্ৰন্থখন এই প্ৰসঙ্গত উল্লেখনীয়। সুধেন্দু মোহন ভদ্ৰই ৰচনা কৰা সাহিত্যত এভুমুকি আৰু সাহিত্যৰ সুবাস নামৰ প্ৰবন্ধ সংকলন দুখনত অসমীয়া ভাষাত সংস্কৃত সাহিত্যৰ বহু প্ৰসঙ্গ সুন্দৰকৈ পৰিবেশিত হৈছে। গুণ শইকীয়াই ৰচনা কৰা প্ৰাচ্য সাহিত্য-সংস্কৃতি-দৰ্শন নামৰ গ্ৰন্থখনত অসমীয়া ভাষাৰ মাধ্যমেৰে সংস্কৃত সাহিত্যৰ বিভিন্ন বিষয় আলোচিত হৈছে। মালিনী গোস্বামীৰ মৃচ্ছকটিক মীমাংসা, ৰঘুৰপিকাম্যম্ নামৰ গ্ৰন্থ দুখন এইক্ষেত্ৰত শলাগলবলগীয়া কৃতি।

এইদৰে আধুনিক অসমত অংসখ্য সংস্কৃতজ্ঞ পণ্ডিতে অসমীয়া লেখনিৰ মাজেদি সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনক নিৰন্তৰভাবে উৰ্বৰ কৰি গৈ আছে। বৰ্তমান সময়তো বহুসংখ্যক পণ্ডিতে এই পথ অনুসৰণ কৰি গৈ আছে। ভবিষ্যতে এইক্ষেত্ৰত অধিক সংযোজন দেখা পোৱা যাব বুলি আশা কৰিব পাৰি।

### অগ্ৰগতি খতিয়ান

**প্ৰশ্ন নং ৬ ঃ** ৰাধানাথ ফুকনে লিখা এখন দৰ্শনশাস্ত্ৰৰ গ্ৰন্থৰ নাম লিখা।

**প্ৰশ্ন নং ৭ ঃ** সাহিত্যদৰ্শন নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন?

**প্ৰশ্ন নং ৮ ঃ** থানেশ্বৰ শৰ্মাৰ তিনিখন গ্ৰন্থৰ নাম লিখা।

**প্ৰশ্ন নং ৯ ঃ** ৰঘুৰপিকাব্যম্ নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন?

**প্ৰশ্ন নং ১০ ঃ** মুকুন্দ মাধব শৰ্মাৰ ধ্বনিবিষয়ক অসমীয়াত লিখা গ্ৰন্থখনৰ নাম কি?

## ৪.৭ সংস্কৃতমূলক ইংৰাজী আৰু আন ভাষাৰ লেখনিৰ মাজেদি আধুনিক অসমৰ সংস্কৃত পণ্ডিতে আগবঢ়োৱা অবদান

এই অধ্যায়ৰ আৰম্ভণিতেই আলোচনা কৰা হৈছে যে আধুনিক অমসত বিভিন্ন সংস্কৃত পণ্ডিতে ইংৰাজী আদি বেলেগ বেলেগ ভাষাৰেও সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনক

চহকী কৰি আহিছে আৰু এই ধাৰা এতিয়াও অব্যাহত আছে। আধুনিক শিক্ষাৰে শিক্ষিত বহুতো অসমীয়া সংস্কৃত পণ্ডিতে ইংৰাজী ভাষাত বিভিন্ন গৱেষণাধৰ্মী আলোচনা আগবঢ়াই সংস্কৃত সাহিত্য জগতলৈ তেওঁলোকৰ অৱদান আগবঢ়াইছে।

এই প্ৰসঙ্গত আনন্দৰাম বৰুৱাদেৱৰ কথা সৰ্বপ্ৰথমে প্ৰনিধানযোগ্য। আনন্দৰাম বৰুৱাদেৱেৰ মহাবীৰচৰিত অব ভৱভূতি উইথ জানকীৰাম ভাষ্য, ভৱভূতি এণ্ড হিছ প্লেছ ইন সংস্কৃত লিটাৰেচৰ গ্ৰন্থদুখন এইক্ষেত্ৰত লেখতলবলগীয়া সাৰসবত উপাদান। কৃষ্ণকান্ত সন্দিকৈৰ নৈষধ চৰিত অব শ্ৰীহৰ্ষ, যশাস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ আৰু প্ৰবৰমেন'ছ সেতুবন্ধ নামৰ গ্ৰন্থতিনিখন অনুবাদমূলক হলেও সন্দিকৈদেৱে এই কেইখনৰ মাজেদি ইংৰাজীভাষাত সংস্কৃত সাহিত্য-দৰ্শনৰ বহুতো কথাই সাৰগৰ্ভ দৃষ্টিভঙ্গীৰে আলোচনা কৰিছে। আধুনিক অসমৰ সংস্কৃতজ্ঞ পণ্ডিত হিচাপে এই গ্ৰন্থকেইখনে আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সমৰ্থ হৈছে। যোগীৰাজ বসুৰ ষ্টাডিজ্ ইন বেদিক এজ, ইণ্ডিয়া ইন দি এজ অব দি ব্ৰাহ্মণছ নামৰ গ্ৰন্থতিনিখন ইংৰাজী ভাষাত বৈদিক জ্ঞানৰ পৰিধিক বিস্তৃত কৰিছে। মহেশ্বৰ নেওগে ৰঘুনন্দন বিৰচিত হৰিস্মৃতিশুভাংকুৰ ইংৰাজী ব্যাখ্যা আগবঢ়াইছে। শ্ৰীহস্তমুক্তাৱলীৰ ইংৰাজী অনুবাদ তথা আলোচনা আগবঢ়াইছে মহেশ্বৰ নেওগে। মুকুন্দ মাধৱ শৰ্মাৰ ধ্বনি থিওৰি ইন সংস্কৃত পোৱেটিক্স নামৰ গ্ৰন্থখনে অলংকাৰ শাস্ত্ৰৰ বহু দিশৰ আলোচনা আগবঢ়াইছে ইংৰাজী ভাষাত। অশোক কুমাৰ গোস্বামীৰ এ ক্ৰিটিক অন শব্দ এখন দৰ্শনশাস্ত্ৰৰ গৱেষণামূলক গ্ৰন্থ। অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া দেবৰ দি মহাভাৰত ঃ এন এনছাইক্ল'পেডিয়া অব ইণ্ডিয়ান উইজডম নামৰ ইংৰাজীত লিখা গ্ৰন্থখন আধুনিক অসমত ৰচিত হোৱা সংস্কৃত সাহিত্যবিষয়ক এখন উল্লেখযোগ্য গ্ৰন্থ। থানেশ্বৰ শৰ্মাৰ দি ভাৰদ্বাজছ ইন এনছিয়েন্ট ইণ্ডিয়া আৰু নিউ ট্ৰেণ্ডছ ইন দি ইন্টাৰপ্ৰিটেছন অৱ দি বেদছ্ নামৰ ইংৰাজী ভাষাত লিখা গ্ৰন্থ দুখনে পাঠক সমাজত যথেষ্ট সমাদৰ লাভ কৰিছে। মৈত্ৰেয়ীবৰাৰ ফেছেট্ছ অব বেদিক ৰিলিজিওম আৰু ট্ৰেজাৰ ট্ৰোভ নাম গ্ৰন্থ দুখনও সংস্কৃত সাহিত্যৰ বৈদিক যুগৰ বহু প্ৰসঙ্গক বিস্তৃতৰূপত লৈ আনিছে পাঠকৰ আগত।

আধুনিক অসমত ইংৰাজী ভাষাৰ উপৰিও হিন্দী, বাংলা, নেপালী আদি ভাষাতো সংস্কৃত চৰ্চা হৈ আহিছে। শিব আচাৰ্য্যৰ বেদো মে ৰাষ্ট্ৰদৰ্শন, বৈদিক পৰম্পৰা মে ৰাজনৈতিক তত্বচিন্তন নামৰ হিন্দী ভাষাত লিখা গ্ৰন্থ দুখন আধুনিক অসমৰ সংস্কৃত সাহিত্য চৰ্চাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদান। নেপালী ভাষাত লিখা ঢুণ্ডীৰাজ উপাধ্যায়ৰ পুৰাতনপ্ৰভা নামৰ গ্ৰন্থখনে বৈদিক বাঙ্ময়ৰ বহু কথা প্ৰকাশ কৰিছে।

ইয়াৰ উপৰিও ইংৰাজী আদি বিভিন্ন ভাষাত প্ৰকাশিত সংস্কৃত বিষয়ক প্ৰবন্ধ আদিয়ে আধুনিক অসমত সংস্কৃত সাহিত্য চৰ্চাৰ ক্ষেত্ৰখনত চলি থকা সাৰস্বত সাধনাৰ উমান দিয়ে।

### আত্মমূল্যায়ণ প্ৰশ্ন

**প্ৰশ্ন নং ৩ ঃ** অসমত ইংৰাজী ভাষাৰ মাধ্যমেৰে হোৱা সংস্কৃত চৰ্চাৰ বিষয়ে আলোচনা কৰা।

..........................................................................................................

## ৪.৮ সাৰাংশ (Summing Up)

বৰ্তমান অধ্যায়টোত সংস্কৃত সাহিত্য জগতত আধুনিক সংস্কৃত পণ্ডিতসকলৰ অবদানৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। এই প্ৰসঙ্গত আধুনিকতাৰ বিষয়টো আলোচনালৈ অনা হৈছে কাৰণ বেলেগ সাহিত্যৰ ক্ষেত্ৰত আধুনিকতা শব্দটোৱে যি অৰ্থ ব্যক্ত কৰে সংস্কৃত সাহিত্যৰ প্ৰসঙ্গত এই শব্দটোৱে সম্পূৰ্ণভাবে সেই অৰ্থত ব্যৱহাৰ নহয়। তদুপৰি এই অধ্যায়ত শিক্ষাৰ্থীৰ সুবিধাৰ বাবে সংস্কৃত ভাষাত আধুনিক অসমত ৰচনা হোৱা গ্ৰন্থসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। এইক্ষেত্ৰত মনকৰাটো উচিত যে সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনত আন আন ভাষাৰ গ্ৰন্থ লেখনি আদিৰ জৰিয়তেও বহুতো আধুনিক অসমীয়া সংস্কৃত পণ্ডিতে নিজৰ নিজৰ বিষয়ত সাৰস্বত সাধনাৰ প্ৰমাণ স্থাপন কৰিছে। অসমীয়াৰ উপৰিও ইংৰাজী, বাংলা, হিন্দী, নেপালী ভাষাতো অসমৰ বিভিন্ন আধুনিক সংস্কৃত পণ্ডিতে গ্ৰন্থ-প্ৰবন্ধাদি লিখি ক্ষেত্ৰখনক বিশাল কৰি তুলিছে। কাব্যগ্ৰন্থ, স্তোত্ৰাদি, প্ৰশস্তিগ্ৰন্থ, আলোচনামূলক প্ৰতিবেদন, অনুবাদ তথা আলোচনা, গৱেষণামূলক প্ৰতিবেদন আদিৰে আধুনিক সংস্কৃত পণ্ডিতসকলে অসমত সংস্কৃত সাহিত্যৰ ক্ষেত্ৰখনক চহকী কৰি গৈ আছে। এই ধাৰা এতিয়াও অব্যাহত আছে আৰু ভবিষ্যতেও চলি থাকিব। ভাৰতৰ আন আন প্ৰদেশৰ লগত অসমেও এইক্ষেত্ৰত আগৰণুৱা ভূমিকা পালন কৰি গৈ আছে।

## ৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃত সাহিত্যত আধুনিকতা বুলিলে কি বুজা?
২. অসমৰ কিছুসংখ্যক আধুনিক সংস্কৃত পণ্ডিতৰ সংস্কৃত ৰচনাৰ বিষয়ে আলোচনা কৰা।
৩. আধুনিক অসমত ইংৰাজীভাষাৰে সংস্কৃত চৰ্চা কেনেদৰে হৈ আছে সেই বিষয়ে আলোচনা কৰা।
৪. অসমীয়া ভাষাত ৰচনা কৰা আধুনিক সংস্কৃত গ্ৰন্থৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰা।

## ৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

১) গোস্বামী, মালিনী, অসমত সংস্কৃত-সাধনা, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৯

২) গোস্বামী ভাৰতী আৰু বুজৰবৰুৱা কলিতা (সম্পা), লৌহিত্যতীৰত সংস্কৃত চৰ্চা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১২

## ৪.১১ অগ্ৰগতিৰ খতিয়ান (উত্তৰ)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ন্যায়দৰ্শনবিমৰ্শ, শাঙ্কৰবেদান্তে তত্ত্বমীমাংসা, শাঙ্কৰবেদান্তে জ্ঞানমীমাংসা।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** অপূৰ্ব চন্দ্ৰ বৰঠাকুৰীয়া।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** বৈদিক সাহিত্য সমাসসাৰ।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** ৰাজেন্দ্ৰ নাথ শৰ্মা।

**৫নং প্ৰশ্নৰ উত্তৰ ঃ** মহেশ্বৰ হাজৰিকা।

**৬নং প্ৰশ্নৰ উত্তৰ ঃ** সাংখ্যদৰ্শন।

**৭নং প্ৰশ্নৰ উত্তৰ ঃ** মনোৰঞ্জন শাস্ত্ৰী।

**৮নং প্ৰশ্নৰ উত্তৰ ঃ** মহাকবি কালিদাসৰ অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা, শূদ্ৰকৰ মৃচ্ছকটিকম্ — এক সমীক্ষা, মহাভাৰতৰ মহাগ্ৰন্থ।

**৯নং প্ৰশ্নৰ উত্তৰ ঃ** মালিনী গোস্বামী।

**১০নং প্ৰশ্নৰ উত্তৰ ঃ** ধ্বনি আৰু ৰসতত্ত্ব।

*** ***** ***